IC-38
বাণিজ্যিক এজেন্ট

ACKNOWLEDGEMENT

This course is based on revised syllabus prepared by Insurance Institute of India, Mumbai

भारतीय बीमा संस्थान
INSURANCE INSTITUTE OF INDIA

भारतीय बीमा संस्थान
INSURANCE INSTITUTE OF INDIA

জি – ব্লক, প্লট নং. C–46,
বান্দ্রা কুর্লা কমপ্লেক্স, বান্দ্রা (E), মুম্বাই – 400 051.

বাণিজ্যিক এজেন্ট

IC-38

পুনৰ বিবেচিত সংস্কৰণ: 2016

This course is the copyright of the Insurance Institute of India, Mumbai. In no circumstances may any part of the course be reproduced.

This course is purely meant for the purpose of study of the subject by student appearing for the examination of Insurance Institute of India & is based on prevailing best industry practices. It is not intended to give interpretation or solution in case of dispute or matters involving legal argument.

This is only an indicative study material. Please note that the questions in the examination shall not be confined to this study material.

Published by: P. Venugopal, Secretary-General, Insurance Institute of India, G-Block, Plot C-46, Bandra Kurla Complex, Bandra (E) Mumbai – 400 051.

পাতনি

প্ৰতিষ্ঠানটোৱে উদ্যোগটোৰ সৈতে বিচাৰ-বিমৰ্ষ কৰি বাণিজ্যিক এজেন্টবোৰৰ বাবে কোৰ্ছৰ বিষয়বস্তুটো তৈয়াৰ কৰিছে. IRDAI ৰ দ্বাৰা অনুমোদিত পাঠ্যক্ৰমটোৰ ওপৰত ভিত্তি কৰি কোৰ্ছৰ বিষয়বস্তুটো প্ৰস্তুত কৰা হৈছে.

অধ্যয়নৰ কোৰ্ছটোৱে এইদৰে জীৱন, সাধাৰণ আৰু স্বাস্থ্য বীমাৰ বিষয়ে প্ৰাথমিক জ্ঞান আগবঢ়ায় যিয়ে এজেন্টবোৰক তেওঁলোকৰ পেছাদাৰী কেৰিয়াৰটো বুজাত আৰু সঠিক দিশত অংকন কৰাত সক্ষম কৰে. কোৱাৰ প্ৰয়োজন নাই যে, বীমাৰ ব্যৱসায়টোৱে এটা গতিশীল পৰিৱেশত কাৰ্য কৰে, এজেন্টবোৰে লগতে ব্যক্তিগত অধ্যয়ন আৰু বীমাকাৰীয়ে দিয়া ঘৰুৱা প্ৰশিক্ষণত অংশগ্ৰহণৰ জৰিয়তে আইন আৰু অভ্যাসবোৰৰ সলনিৰ প্ৰতি লক্ষ্য ৰাখিব লাগে.

কোৰ্ছটো চাৰিটা খণ্ডত ভাগ কৰা হয়. এইটোৱে জীৱন বীমা, স্বাস্থ্য বীমা আৰু সাধাৰণ বীমাৰ সৈতে সম্পৰ্কীয় প্ৰৱন্ধবোৰৰ লগতে বাণিজ্যিক এজেন্টবোৰৰ নিয়ন্ত্ৰণৰ দিশ আৰু আইনী নীতিবোৰ সামৰি লয়. অধ্যয়নৰ কোৰ্ছটোত আৰ্হি প্ৰশ্ন এটা অন্তৰ্ভুক্ত কৰাৰ দ্বাৰা মূল্য-সংবৰ্ধনটো প্ৰদৰ্শন কৰা হয়. এইটোৱে ছাত্ৰবোৰক পৰীক্ষাত আহিব পৰা উদ্দেশ্যপ্ৰণোদিত প্ৰশ্নবোৰৰ ধৰণ আৰু সম্পূৰ্ণ ৰূপৰ এটা ধাৰণা দিব. আৰ্হি প্ৰশ্নবোৰে লগতে প্ৰশিক্ষণৰ সময়ত লাভ কৰা জ্ঞানৰ পুনৰনিৰীক্ষণ আৰু প্ৰৱৰ্তনত সহায় কৰিব.

এই কাৰ্যটো III ক সমৰ্পণ কৰাৰ বাবে আমি IRDAI ক ধন্যবাদ জ্ঞাপন কৰিছো. যিসকলে এই কোৰ্ছটো পঢ়ে আৰু পৰীক্ষাত উত্তীৰ্ণ হয় সেইসকলক প্ৰতিষ্ঠানটোৱে শুভেচ্ছা জ্ঞাপন কৰে.

ভাৰতীয় বীমা প্ৰতিষ্ঠান

সূচী

পাঠ নং.	শিৰোনাম	পৃষ্ঠা নং.
SECTION 1	**COMMON CHAPTERS**	
1	**বীমাৰ পৰিচয়**	1
2	গ্ৰাহক সেৱা	19
3	অভিযোগ নিবাৰণ তন্ত্ৰ	50
4	বাণিজ্যিক এজেন্টৰ নিয়মাৱলীবোৰ	63
5	জীবন বীমাৰ বিধিসন্মত নীতিসমূহ	83
SECTION 2	LIFE INSURANCE	
6	জীবন বীমাত কি জড়িত?	99
7	বিত্তীয় পৰিকল্পনা	111
8	জীবন বীমা পণ্য – I	129
9	জীবন বীমা পণ্য –II	145
10	জীবন বীমাৰ প্ৰয়োগ	158
11	জীবন বীমাৰ মূল্য নিৰ্দ্ধাৰণ আৰু মূল্যাঙ্কন	168
12	তথ্য সহকাৰে প্ৰতিপাদন – প্ৰস্তাৱ পৰ্য্যায়	187
13	তথ্য সহকাৰে প্ৰতিপাদন – পলিচি চৰ্ত – I	197
14	তথ্য সহকাৰে প্ৰতিপাদন – পলিচি চৰ্ত – II	205
15	বীমাঙ্কন (আণ্ডাৰৰাইটিং)	221
16	জীবন বীমা পলিচিৰ অধীনত পৰিশোধ	239
SECTION 3	HEALTH INSURANCE	
17	স্বাস্থ্য বীমাৰ পৰিচয়	252

18	বীমাৰ নথি প্ৰস্তুত	264
19	স্বাস্থ্য বীমা প্ৰডাক্টবোৰ	281
20	স্বাস্থ্য বীমাৰ আণ্ডাৰৰাইটিং	321
21	স্বাস্থ্য বীমা দাবীবোৰ	348
SECTION 4	GENERAL INSURANCE	
22	বীমাৰ নীতিবোৰ	387
23	নথি প্ৰস্তুত	420
24	প্ৰিমিয়াম হাৰ নিৰ্ধাৰণৰ নিয়ম আৰু অভ্যাস	464
25	ব্যক্তিগত আৰু খুচুৰা বীমা	489
26	বাণিজ্যিক বীমা	503
27	দাবীবোৰৰ প্ৰক্ৰিয়া	539

অধ্যায় 1

বীমাৰ পৰিচয়

অধ্যায় পৰিচিতি

এই অধ্যায়টোত বীমাৰ মূল তত্ত্ব, ইয়াৰ বিৱৰ্তন আৰু কাৰ্য্যপন্থাৰ বিষয়ে এক সম্যক ধাৰণা দিয়া হ'ব । লগতে জানিব পৰা যাব বীমাই কি দৰে আকস্মিক ঘটনাৰ পৰা উদ্ভৱ হোৱা আৰ্থিক ক্ষতিৰ বিপৰীতে সুৰক্ষা দিয়ে আৰু বিপদাশংকা হস্তান্তৰকৰণৰ এক আহিলা হিচাবে কাম কৰে ।

শিক্ষণৰ ফলাফল

A. জীবন বীমা - ইতিহাস আৰু বিৱৰ্তন

B. বীমাই কেনেকৈ কাম কৰে

C. বিপদাশংকাৰ মোকাবিলা আৰু নিয়ন্ত্ৰণৰ কৌশল

D. বিপদাশংকা মোকাবিলা কৰাৰ আহিলা হিচাবে বীমা

E. সমাজত বীমাৰ ভূমিকা

A. জীবন বীমা - ইতিহাস আৰু বিৱৰ্তন

আমি এক অনিশ্চয়তাৰ জগতত বাস কৰোঁ ।আমি শুনি থাকোঁ –

- ✓ ৰেল দুৰ্ঘটনা হৈ আছে
- ✓ বান-পানীয়ে সমগ্ৰ জনপদ ধ্বংস কৰিছে
- ✓ ভূমিকম্পই শোকাৱহ অৱস্থা সৃষ্টি কৰিছে
- ✓ আকস্মিকভাৱে যুৱা সকলৰ অকাল মৃত্যু হৈছে

পাঠৰ ব্যাখ্যামূলক নক্সা 1; আমাৰ চৌকাষে ঘটি থকা ঘটনাবোৰ

এই ঘটনাবোৰে কিয় বাৰু আমাক উৎকণ্ঠিত আৰু ভীত কৰে?

কাৰণটো অতি সৰল ।

i. প্ৰথমতে, এইবোৰ ঘটনাৰ বিষয়ে কোনেও ভৱিষ্যদ্বানী কৰিব নোৱাৰে ।যদি কোনো ঘটনা সম্পৰ্কে পূৰ্বাভাস হয় বা পূৰ্বানুমান কৰিব পৰা যায়, তেনেহ'লে ইয়াৰ বাবে প্ৰস্তুত থাকিব পৰা যায় ।

ii. দ্বিতীয়তে এই ধৰণৰ আকস্মিক আৰু দুৰ্ভাগ্যজনক ঘটনাবোৰ প্ৰায়েই আৰ্থিক ক্ষতি আৰু বিপন্নতাৰ কাৰণ হৈ পৰে ।

এইবোৰ ঘটনাৰ দ্বাৰা যি সকল মানুহ ক্ষতিগ্ৰস্ত হয়, পাৰস্পৰিক সহায় আৰু ভগা-ভগিৰ পদ্ধতিৰে তেঁওলোকক সাহায্য কৰাৰ বাবে এটা সম্প্ৰদায় আগুৱাই আহিব পাৰে ।

যদিও বীমাৰ ধাৰণাটোৰ জন্ম কেবা হেজাৰ বছৰ আগতেই হৈছিল, আজিৰ দিনত যিটোক আমি বীমা ব্যৱসায় বুলি জানো, ইয়াৰ আৰম্ভণি মাত্ৰ দুই তিনিশ বছৰ আগেয়ে হৈছিল ।

1. বীমাৰ ইতিহাস

খৃষ্টপূৰ্ব 3000 চনৰ পৰাই বীমা বিভিন্ন ৰূপত বিভিন্ন ধৰণত বৰ্তি আছে ।যুগৰ পিছত যুগ ধৰি বিভিন্ন সভ্যতাই তেঁওলোকৰ কিছু সংখ্যক সমজুৱাক লোকচানৰ পৰা উদ্ধাৰ কৰিবৰ বাবে উমৈহতীয়া পুঁজি আৰু ভগা-ভগিৰ ধাৰণাটোৰ প্ৰয়োগ কৰিছিল ।

এই ধাৰণাটোৰ প্ৰয়োগ কি দৰে কৰা হৈছিল, চাওঁ আহক ।

2. যুগ যুগ ধৰি বীমা

বেবিলনৰ ব্যৱসায়ী	বেবিলনীয় ব্যৱসায়ীসকলৰ চুক্তি আছিল যে তেঁওলোকে ঋণৰ অতিৰিক্ত অৰ্থৰ এক পৰিমাণ দিব যাৰ বিনিময়ত প্ৰেৰিত পণ্যসম্ভাৰ হেৰাই গ'লে বা চুৰি হৈ গ'লে ঋণদাতাই তেঁওলোকৰ ঋণ মকুব কৰিব লাগিব ।এই চুক্তিবোৰ "ব'টমৰি ল'ন" হিচাবে জনাজাত আছিল । এই চুক্তিসমূহৰ অধীনত জাহাজ বা ইয়াৰ পণ্যৰ সুৰক্ষাৰ বিপৰীতে ঋণ লোৱা হৈছিল, যি ঋণটো পৰিশোধ কৰা হৈছিল যদিহে আৰু যেতিয়া সমুদ্ৰযাত্ৰাৰ অন্তত জাহাজখন নিৰাপদে গন্তব্যস্থলত উপনীত হয় ।
বাৰুক আৰু সুৰাটৰ ব্যবসায়ী	ভাৰতীয় জাহাজত শ্ৰীলঙ্কা, মিছৰ আৰু গ্ৰীছলৈ সমুদ্ৰযাত্ৰা কৰা বাৰুক আৰু সুৰাটৰ ব্যৱসায়ী সকলৰ মাজতো বেবিলনীয় ব্যৱসায়ী সকলৰ দৰে একে ব্যৱস্থাৰ ব্যাপক প্ৰচলন আছিল ।
গ্ৰীক সকল	সপ্তম শতিকাৰ শেষৰ পিনে গ্ৰীকসকলে পৰোপকাৰী সংঘ কিছুমান আৰম্ভ কৰিছিল ।সংঘৰ কোনো সদস্যৰ মৃত্যু হ'লে তেঁওৰ শেষকৃত্য আৰু তেঁওৰ পৰিয়ালৰ দায়িত্ব সেই সংঘই লৈছিল ।একে দৰেই ইংলেণ্ডতো "ফ্ৰেণ্ডছ ছোছাইটী" গঠন কৰা হৈছিল ।
'ৰোডছ'ৰ বাসিন্দা সকল	ৰোডছ দ্বীপৰ বাসিন্দা সকলে এটা প্ৰথা অৱলম্বন কৰিছিল যে বিপদকালত চলন্ত জাহাজৰ পৰা ক্ষেপণৰ সময়ত যদি কোনো বস্তু হেৰাই যায়, তেন্তে বস্ত বাহানিৰ মালিক সকলে (আনকি যি সকলৰ এটা বস্তুও হেৰোৱা নাই), কিছু অনুপাতে হ'লেও লোকচান বহন কৰিব লাগিব ।
চীনদেশীয় ব্যৱসায়ী	প্ৰাচীন কালত চীনা বণিক সকলে বিপদসংকুল নৈসমূহত জলযাত্ৰা কৰাৰ সময়ত তেঁওলোকৰ পণ্য সামগ্ৰীবোৰ বিভিন্ন নৌকা বা জাহাজত ভগাই ৰাখিছিল ।তেঁওলোকে অনুমান কৰিছিল যে যদি কোনো নৌকা দুৰ্দৈৱৰ কবলত পৰে, তেন্তে পণ্যবোৰৰ সম্পূৰ্ণ ক্ষতি নহৈ আংশিক হ'ব ।এনেদৰে লোকচান বিতৰণ কৰিব পাৰি আৰু লোকচানৰ পৰিমাণ কমাব পাৰি ।

3. ভাৰতবৰ্ষত জীবন বীমাৰ নীতিটো প্ৰতিফলিত হৈছিল ভাৰতীয় একান্নৱৰ্তী পৰিয়ালৰ প্ৰথাটোত, যিটো হৈছে বহু যুগ ধৰি চলি অহা জীবন বীমাৰ অন্যাতম শ্ৰেষ্ঠ প্ৰকাৰ ।পৰিয়ালৰ কোনো সদস্যৰ দুৰ্ভাগ্যজনক মৃত্যুৰ ফলত হোৱা ক্ষতি আৰু শোক বাকী সকলোৱে ভগাই লয়, যাৰ ফলত পৰিয়ালৰ প্ৰতিজন সদস্যই নিৰাপত্তাবোধ অনুভব কৰে ।

একান্নৱৰ্তী পৰিবাৰ প্ৰথাটো ভাগি যোৱা আৰু আধুনিক যুগৰ কোষ-কেন্দ্ৰিক বা নিউক্লীয় পৰিবাৰৰ উত্থানৰ লগতে যুক্ত হোৱা দৈনন্দিন জীৱনৰ চাপে নিৰাপত্তাৰ এক বিকল্প উপায়ৰ বিকাশৰ বাবে চাহিদা সৃষ্টি কৰিছে ।এই কথাখিনিয়ে এজন ব্যক্তিৰ বাবে জীবন বীমাৰ অপৰিসীম গুৰুত্বৰ কথা দাঙি ধৰে ।

i. **লয়েডছ :** আমি বৰ্তমানে যিটোক আধুনিক বাণিজ্য বীমা বুলি জানো, সেই বীমা লণ্ডনস্থিত ল'য়েডৰ কফি হাউছত আৰম্ভ হৈছিল বুলি কোৱা হয় ।তাত সমবেত হোৱা ব্যৱসায়ীসকলে জাহাজে কঢ়িওৱা পণ্য সামগ্ৰীৰ সামুদ্ৰিক বিপৰ্য্যয়ৰ বাবে হোৱা ক্ষয় ক্ষতিৰ ভাগ বহন কৰিবলৈ মান্তি হৈছিল ।গভীৰ সমুদ্ৰত জলদস্যুৱে কৰা লুটপাট, সমুদ্ৰৰ বেয়া বতৰে পণ্য ক্ষয় নিওৱা আৰু সামুদ্ৰিক দুৰ্য্যোগে জাহাজ নিমজ্জিত কৰা কাৰণত এই ক্ষতিবোৰ সংঘটিত হৈছিল ।

ii. 1706 চনত লন্ডনত স্থাপিত হোৱা "এমিকেৱল ছোছাইটি ফৰ পাৰপিচুৱেল এশ্বিউৰেন্স"ক বিশ্বৰ প্ৰথম জীবন বীমা কোম্পানী হিচাবে বিবেচনা কৰা হয় ।

4. ভাৰতত জীবন বীমাৰ ইতিহাস

a) ভাৰতত আধুনিক বীমাৰ আৰম্ভণি 1800 চনৰ আৰম্ভণিৰ সময়ছোৱাত বিদেশী বীমাকাৰকসকলৰ নৌ বীমাৰ মাধ্যমেৰে হৈছিল ।

দি অৰিয়েন্টাল লাইফ ইনশ্বিউৰেন্স কোম্পানী লিমিটেড	ভাৰতত স্থাপিত হোৱা প্ৰথম বীমা কোম্পানীটো আছিল এটা ইংৰাজ কোম্পানী
ট্ৰিটন ইনশ্বিউৰেন্স কোম্পানী লিমিটেড	ভাৰতত স্থাপিত হোৱা প্ৰথম অ-জীবন বা সাধাৰণ বীমা কোম্পানী
ব'মবে মিউচুৱেল এশ্বিউৰেন্স ছোছাইটি লিমিটেড	1870 চনত মুম্বাইত স্থাপিত হোৱা প্ৰথম ভাৰতীয় বীমা কোম্পানী
নেশ্বনেল ইনশ্বিউৰেন্স কোম্পানী লিমিটেড	1906 চনত গঠিত হোৱা ভাৰতৰ প্ৰাচীনতম বীমা কোম্পানী ।এই কোম্পানীটোৱে এতিয়াও বীমা ব্যৱসায় কৰি আছে ।

ইয়াৰ পৰৱৰ্তী সময়ছোৱাত স্বদেশী আন্দোলনৰ ফলস্বৰূপে ঊনৈশ শতিকাৰ আৰম্ভণিতে আৰু বহু বীমা সংস্থাই গঢ় লৈ উঠে ।

গুৰুত্বপূৰ্ণ

1912 চনত বীমা ব্যৱসায় নিয়ন্ত্ৰণ কৰাৰ বাবে **"**জীবন বীমা কোম্পানী আইন**"** আৰু **"**ভৱিষ্য নিধি আইন**"** বলবৎ কৰা হয় ।1912 চনৰ জীবন বীমা আইনখনে প্ৰিমিয়াম হাৰৰ সাৰণী আৰু কোম্পানীৰ নিয়মিত সময়ান্তৰৰ মূল্যাঙ্কন, বীমা গাণনিক বা একচুৱেৰীৰ দ্বাৰা প্ৰত্যায়িত কৰোৱাটো বাধ্যতামূলক কৰিছিল । অৱশ্যে তেতিয়াও ভাৰতীয় আৰু বিদেশী বীমাকাৰকৰ মাজত কৰা বৈষম্যমূলক পক্ষপাতিত্ব অব্যাহত আছিল ।

ইনশ্বিউৰেন্স এক্ট বা বীমা অধিনিয়ম, 1938 আছিল প্ৰথমখন আইন যাক ভাৰতৰ বীমা কোম্পানীবোৰৰ কাৰ্য্যপন্থা নিয়ন্ত্ৰণৰ উদ্দেশ্যে প্ৰণয়ন কৰা হৈছিল । সময়ে সময়ে এই আইনখন সংশোধন কৰি থকা হৈছে আৰু এতিয়াও বলবৎ হৈ আছে ।ইনশ্বিউৰেন্স এক্টৰ অনুবিধিৰ অধীনত চৰকাৰে কন্ট্ৰোলাৰ অফ ইনশ্বিউৰেন্স অৰ্থাৎ বীমা নিয়ন্ত্ৰক এজনক নিযুক্ত কৰিছিল ।

b) **জীবন বীমাৰ ৰাষ্ট্ৰীয়কৰণ:** 1956 চনৰ ছেপ্টেম্বৰৰ 1 তাৰিখে ভাৰতত জীবন বীমা ব্যৱসায় ৰাষ্ট্ৰীয়কৰণ কৰা হয় আৰু ভাৰতীয় জীবন বীমা নিগম বা লাইফ ইনশ্বিউৰেন্স কৰ্পোৰেশ্বন অফ ইন্ডিয়া (এল আই চি) গঠিত হয় ।তেতিয়া ভাৰতত 170টা কোম্পানী আৰু 75টা ভৱিষ্য নিধি সমিতিয়ে বীমা ব্যৱসায় চলাই আছিল ।1956 ৰ পৰা 1999 চনলৈ ভাৰতত জীবন বীমা ব্যৱসায় চলোৱাৰ সৰ্বময় কৰ্তৃত্ব 'এল আই চি'ৰ হাততে আছিল ।

c) **1972 চনত, জেনেৰেল ইনশ্বিউৰেন্স** বিজনেছ নেশ্বনেলাইজেশ্বন এক্ট (জি আই বি এন এ) বা সাধাৰণ বীমা ব্যৱসায় ৰাষ্ট্ৰীয়কৰণ আইন প্ৰণয়নৰ ফলত অ-জীবন বীমা ব্যৱসায়ো ৰাষ্ট্ৰায়ত্ত হ'ল আৰু ভাৰতীয় সাধাৰণ বীমা নিগম আৰু ইয়াৰ চাৰিটা সহায়ক / পৰিপূৰক কোম্পানী গঠিত হ'ল । সেই সময়ত ভাৰতত অ-জীবন বীমা ব্যৱসায় চলাই থকা 106 টা বীমাকাৰকক একত্ৰীকৰণ কৰি এই চাৰিটা কোম্পানী গঠন কৰা হৈছিল ।

d) **মালহোত্ৰা ক'মিটি আৰু আই আৰ ডি এ:** 1993 চনত মালহোত্ৰা ক'মিটি গঠন কৰা হৈছিল উপযুক্ত বিশ্লেষণৰ পিছত উদ্যোগটোৰ উন্নয়নৰ বাবে আৱশ্যকীয় পৰিবৰ্তন আৰু প্ৰতিযোগিতাৰ এক উপাদান পুনৰ-প্ৰৱৰ্তন কৰাৰ বিষয়ে পৰামৰ্শ আগ বঢ়োৱাৰ বাবে ।এই ক'মিটিয়ে 1994 চনত তেঁওলোকৰ প্ৰতিবেদন দাখিল কৰে আৰু 1997 চনত বীমা নিয়ন্ত্ৰণ প্ৰাধিকৰণ (আই আৰ এ) স্থাপন হয় । ইনশ্বিউৰেন্স ৰেগুলেটৰি এণ্ড ডেভেলপমেন্ট এক্ট, 1999 (আই আৰ ডি এ) অৰ্থাৎ বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ন অধিনিয়ম, 1999ৰ প্ৰণয়নৰ ফলত জীবন বীমা আৰু সাধাৰণ বীমা উভয় ব্যবসায়ৰ বাবে 2000 চনৰ এপ্ৰিল মাহত এক বিধিবদ্ধ নিয়ন্ত্ৰক নিকায় (ষ্টেচুটাৰি ৰেগুলেটৰি ব'ডি) হিচাবে 'বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ন প্ৰাধিকৰণ' গঠিত হৈছিল ।

5. আজিৰ দিনত বীমা উদ্যোগ

বৰ্তমানে, নিম্নলিখিত 24 টা জীবন বীমা কোম্পানীয়ে ভাৰতত ব্যৱসায় চলাই আছে:

a) ভাৰতীয় জীবন বীমা নিগম (এল আই চি) হৈছে ৰাজহুৱা খণ্ড কোম্পানী

b) ব্যক্তিগত খণ্ডত 24 টা জীবন বীমা কোম্পানী আছে

c) ভাৰত চৰকাৰৰ অধীনত, ভাৰতীয় ডাক বিভাগেও ডাক জীবন বীমাৰ জৰিয়তে জীবন বীমা ব্যৱসায় চলাই আছে, কিন্তু ই নিয়ন্ত্ৰকৰ অধিকাৰ-ক্ষেত্ৰভূক্ত নহয় ।

নিজক পৰখ কৰক 1

তলৰ কোনটো ভাৰতত বীমা উদ্যোগৰ নিয়ন্ত্ৰক?

I. ভাৰতীয় বীমা প্ৰাধিকৰণ

II. বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ন প্ৰাধিকৰণ

III. ভাৰতীয় জীবন বীমা নিগম

IV. ভাৰতীয় সাধাৰণ বীমা নিগম

B. বীমাই কেনেকৈ কাম কৰে

আধুনিক বাণিজ্য, সম্পত্তিৰ মালিকানাৰ নীতিৰ ভিত্তিত প্ৰতিষ্ঠিত হৈছিল ।যেতিয়া কোনো নিৰ্দ্দিষ্ট ঘটনাৰ বাবে এটা সম্পদে তাৰ আৰ্থিক মূল্য হেৰুৱাই পেলায় (হানি বা ধ্বংসৰ ফলত), তেতিয়া গৰাকীয়ে আৰ্থিক লোকচান ভুগিব লগীয়া হয় ।কিন্তু যদি একে ধৰণৰ সম্পদৰ বহু কেইজন গৰাকীৰ পৰা বৰঙনি লৈ এটা উমৈহতীয়া পুঁজি গঠন কৰা হয়, তেন্তে কেইজনমান দুৰ্ভগীয়া ক্ষতিগ্ৰস্ত মানুহৰ লোকচানখিনিক এই উমৈহতীয়া পুঁজিৰ পৰা পুৰাই দিব পৰা যায় ।

সহজ কথাত ক'বলৈ হ'লে, একোজন মানুহে সন্মুখীন হ'ব পৰা আৰ্থিক লোকচানখিনিক বীমা ব্যাৱস্থাৰ জৰিয়তে এজনৰ পৰা বহুজনলৈ হস্তান্তৰ কৰিব পৰা যায় ।

সংজ্ঞা

বীমাক সেয়েহে, কেইজনমান দুৰ্ভগীয়া মানুহৰ লোকচানখিনিক একে ধৰণৰ ঘটনা / পৰিস্থিতিৰ সন্মুখীন হৈ থকা বহু মানুহৰ দ্বাৰা ভগাই লোৱাৰ প্ৰক্ৰিয়া বুলি বিবেচনা কৰা যায় ।

পাঠৰ ব্যাখ্যামূলক নক্সা 2: বীমাই কেনেকৈ কাম কৰে



এইখিনিতে কেইটামান প্ৰশ্ন অপৰিহাৰ্য্যভাৱে আহি পৰে ।

i. উমৈহতীয়া পুঁজি গঠনৰ বাবে মানুহে নিজৰ কষ্টাৰ্জিত অৰ্থ এৰি দিবনে?

ii. তেঁওলোকে কেনেকৈ ভৰসা কৰিব যে অভিপ্ৰেত উদ্দেশ্য পূৰণৰ বাবেই তেঁওলোকৰ বৰঙনি ব্যৱহাৰ কৰা হ'ব?

iii. তেঁওলোকে কেনেকৈ গম পাব যে তেঁওলোকে খুব বেছি নে খুব কমকৈ অৰ্থ দি আছে?

স্পষ্টত, কোনোবাই আগভাগ লৈ এই প্ৰক্ৰিয়াটো আৰম্ভ আৰু সংগঠিত কৰিব লাগিব আৰু সমাজৰ সমজুৱা সকলক একগোট কৰিব লাগিব । এই "কোনোবা'জন"ক বীমাকাৰক বুলি কোৱা হয়, যিজনে উমৈহতীয়া পুঁজিত দিব লগা আৱশ্যকীয় বৰঙনিৰ পৰিমান প্ৰতিজন ব্যক্তিৰ কাৰণে সুকীয়াকৈ নিৰ্দ্ধাৰণ কৰে আৰু লোকচান ভোগা ব্যক্তিসকলক অৰ্থ পৰিশোধ কৰাৰ ব্যৱস্থা কৰে ।

1. বীমাই কেনেকৈ কাম কৰে

a) প্ৰথমতে, এইবোৰ একোটা সম্পদ হ'ব লাগিব যিটোৰ আৰ্থিক মূল্য থাকে । এই সম্পদ হ'ব পাৰে:

   i. বস্তুগত বা কায়িক (যেনে গাড়ী বা ঘৰ) বা
   ii. অ-বস্তুগত বা স্পৰ্শনাতীত অৰ্থাৎ কায়িক উপস্থিতি নথকা (যেনে সুনাম আৰু যশ) বা
   iii. ব্যক্তিগত অৰ্থাৎ নিজা দেহ, অৱয়ব সম্বন্ধীয় (যেনে কাৰোবাৰ চকু, হাত ভৰি আদি অঙ্গ, বা দেহৰ আন কোনো অংশ)

b) কোনো নিৰ্দ্দিষ্ট ঘটনাৰ ফলত সম্পদটোৱে ইয়াৰ আৰ্থিক মূল্য হেৰুৱাব পাৰে ।এই লোকচানৰ সম্ভাৱ্যতাক 'ৰিস্ক' বা বিপদাশংকা বুলি কোৱা হয় ।বিপদাশংকাৰ কাৰণটোক 'পেৰিল' বা বিপৰ্য্যয় বুলি কোৱা হয় ।

c) "পুলিং" বা উমৈহতীয়া পুঞ্জীকৰণ নামেৰে জনাজাত এটা নীতি আছে । বিভিন্ন মানুহৰ অসংখ্য ব্যক্তিগত বৰঙনিৰ (প্ৰিমিয়াম বুলি জ্ঞাত) সংগ্ৰহেৰে এই উমৈহতীয়া পুঁজি গঢ়ি তোলা হয় ।এই মানুহবোৰৰ প্ৰত্যেকৰে একেধৰণৰ সম্পদ আছে যি একে ধৰণৰ বিপদাশংকাৰ সন্মুখীন হয় ।

d) বিপৰ্য্যয়ৰ ফলত ক্ষতিগ্ৰস্ত হোৱা মানুহবোৰৰ ক্ষতি পূৰণৰ বাবে এই উমৈহতীয়া পুঁজি ব্যৱহাৰ কৰা হয় ।

e) উমৈহতীয়া পুঞ্জীকৰণ আৰু দুৰ্ভগীয়া মানুহ কিছুমানৰ ক্ষতি পূৰণ কৰাৰ পদ্ধতিটো যি প্ৰতিষ্ঠানটোৰ মাধ্যমেৰে সম্পন্ন হয়, সেইটো বীমাকাৰক বুলি পৰিচিত ।

f) এই প্ৰকল্পত অংশ ল'ব খোজা প্ৰতিজন মানুহৰ লগত বীমাকাৰকে বীমা সংবিদা অথবা চুক্তিত আবদ্ধ হয় । এই অংশগ্ৰহণকাৰী সকলক বীমাকৃত ব্যক্তি বুলি কোৱা হয় ।

2. বীমাই দায় কমায়

বিপদাশংকাৰ দায় বুলিলে কোনো খৰছ, লোকচান অথবা কোনো অপাৰগতা বা অক্ষমতাক বুজায়, যিবোৰ, কোনো নিৰ্দ্দিষ্ট ক্ষতিদায়ক পৰিস্থিতি / ঘটনাৰ সন্মুখীন হোৱাৰ ফলত, মানুহজনে সহিব লগা হয় ।

পাঠৰ ব্যাখ্যামূলক নক্সা 3: বিপদাশংকাৰ যিবোৰ দায় মানুহ এজনে বহন কৰে



বিপদগ্ৰস্ততাৰ দায় দুই ধৰণৰ হ'ব পাৰে- মুখ্য আৰু গৌণ **(প্ৰাইমাৰি আৰু চেকেণ্ডাৰি)** ।

a) মুখ্য দায়

পিওৰ ৰিস্ক বা বিশুদ্ধ বিপদাশংকা জড়িত থকা ঘটনাটো ঘটাৰ পিছত পৰিয়ালবৰ্গই (আৰু ব্যৱসায় গোট এটাই) প্ৰকৃততে যিবোৰ লোকচানৰ সন্মুখীন হয়, সেইবোৰকেই মুখ্য দায় বুলি কোৱা হয় । এইবোৰ লোকচান প্ৰায়েই প্ৰত্যক্ষ আৰু পৰিমাপযোগ্য হয় ।

উদাহৰণ

যেতিয়া কাৰখানা এটা অগ্নিকাণ্ডৰ ফলত ধ্বংস হয়, তেতিয়া ক্ষতিগ্ৰস্ত বা সমূলি নষ্ট হৈ যোৱা বয়-বস্তুৰ মূল্যানুমান কৰিব পাৰি আৰু লোকচানপীড়িত ব্যক্তিজনৰ ক্ষতি পূৰণ কৰিব পাৰি ।

কোনোবা এজনৰ হৃদযন্ত্ৰৰ অস্ত্ৰোপচাৰ হলে, তাৰ খৰছ জানিব পৰা যায় আৰু ব্যয় পুৰণ কৰা হয় ।

ইয়াৰ বাহিৰেও পৰোক্ষভাৱে কিছুমান লোকচান হ'ব পাৰে ।

উদাহৰণ

অগ্নিকাণ্ড এটাই ব্যৱসায় পৰিচালনাত ব্যাঘাত সৃষ্টি কৰিব পাৰে যাৰ ফলত লাভৰ হানি হ'ব পাৰে ।ইয়াৰো মূল্যানুমান কৰিব পৰা যায় আৰু ক্ষতিগ্ৰস্ত ব্যক্তিজনক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিব পৰা যায় ।

b) গৌণ দায়

ধৰি লোৱা যাওক যে এনে কোনো ঘটনা ঘটা নাই আৰু তাৰ ফলত কোনো লোকচানো হোৱা নাই । ইয়াৰ অৰ্থ এয়াই নেকি যে, যিসকল মানুহ বিপৰ্য্যয়ৰ সন্মুখীন হৈ আছে, তেঁওলোকে বিপদাশংকাৰ দায় বহন নকৰে? উত্তৰটো হ'ল যে মুখ্য দায়ৰ বাহিৰেও মানুহ এজনে বিপদাশংকাৰ গৌণ দায় বহন কৰে ।

কেৱল কোনো ক্ষতিকাৰক পৰিস্থিতিৰ সন্মুখীন হৈ আছে বাবেই সহিব লগা লোকচান আৰু অসুবিধাবোৰক গৌণ দায়ৰ ভিতৰত ধৰা হয় । আনকি তথাকথিত ঘটনাটো নঘটিলেও, এই গৌণ দায়বোৰ বহন কৰিব লগীয়া হয় ।

এই দায়বোৰ বুজিবলৈ যত্ন কৰা যাওক:

i. প্ৰথমতে, ভয় আৰু উৎকণ্ঠাৰ বাবে হোৱা শাৰীৰিক আৰু মানসিক কষ্ট ।ভিন্ন ভিন্ন ব্যক্তিৰ ক্ষেত্ৰত উৎকণ্ঠাৰ তাৰতম্য ঘটিব পাৰে, কিন্তু ই বিদ্যমান থাকে আৰু চাপ সৃষ্টি কৰি মানুহজনৰ সৰ্ব্বাঙ্গীণ হিতক ক্ষতিগ্ৰস্ত কৰিব পাৰে ।

ii. দ্বিতীয়তে, লোকচান হোৱা নোহোৱাৰ অনিশ্চয়তাৰ বাবে, জৰুৰী অৱস্থাত প্ৰয়োজন হ'ব পাৰে বুলি এটা জমা পুঁজি একাষৰীয়াকৈ ৰখাৰ কথাও এজন বিচক্ষণ মানুহে চিন্তা কৰিব পাৰে, কিন্তু এই ব্যৱস্থাৰ বাবে তেঁও কিছুমান সুযোগো হেৰুৱাব পাৰে, যেনে নগদ অৰ্থৰ ৰূপত ৰাখিব লগা পুঁজিৰ পৰা তেঁওৰ আয় অতিকৈ কম হ'ব পাৰে, য'ত নেকি এই ধনৰাশি আন লাভজনক প্ৰকল্পত বিনিয়োগ কৰিব পাৰিলে তেঁও বেছি লাভৱান হ'ব পাৰিলেহেতেন ।

আনহাতে, ব্যক্তি এজনে বীমা ল'লে অৰ্থাৎ বীমাকাৰকলৈ বিপদাশংকা হস্তান্তৰ কৰিলে এই দায়িত্ববোৰৰ পৰা অব্যাহতি পাব পাৰে, ফলত মনৰ শান্তি আৰু নিশ্চিন্ততা উপভোগ কৰিব পৰাৰ লগতে আছুতীয়াকৈ পুঁজি এটা ৰখাৰ বাধ্যবাধকতা নাইকীয়া হৈ যোৱাৰ বাবে পুঁজিৰ বিনিয়োগ অধিকতৰ কাৰ্য্যকৰীভাৱে কৰিব পাৰিব আৰু অধিক দক্ষতাৰে ব্যৱসায় পৰিচালনা কৰিব পাৰিব । এইবোৰ কাৰণতেই বীমাৰ প্ৰয়োজন হয় ।

নিজক পৰখ কৰক 2

তলৰ কোনটো বিপদগ্ৰস্ততাৰ গৌণ দায়?

I. ব্যৱসায়ত ব্যাঘাত সৃষ্টিৰ বাবে হোৱা লোকচান

II. বয়-বস্তুৰ ক্ষতিগ্ৰস্ততাৰ বাবে হোৱা লোকচান

III. ভৱিষ্যতৰ সম্ভাব্য লোকচানৰ মোকাবিলা কৰাৰ বাবে আছুতীয়া পুঁজিৰ ব্যৱস্থা

IV. হৃদযন্ত্ৰৰ জটিলতাৰ বাবে হোৱা হাস্পতালৰ খৰছ

C. বিপদাশংকাৰ মোকাবিলা আৰু নিয়ন্ত্ৰণৰ কৌশল

আন এটা প্ৰশ্ন উঠিব পাৰে যে সকলোবিধ বিপদাশংকাৰ কাৰণেই বীমাই একমাত্ৰ সমাধান নে? উত্তৰটো হ'ল,"নহয়" ।

বিপদাশংকা মোকাবিলা কৰাৰ এটা উপায় হ'ল বীমা ।এই ক্ষেত্ৰত ব্যক্তি এজনে সন্মুখীন হৈ থকা বিপদাশংকা, তেঁও বীমাকোম্পানীলৈ হস্তান্তৰিত কৰে ।বিপদাশংকা নিয়ন্ত্ৰণ কৰাৰ আন উপায়ো আছে, যেনে:

1. বিপদাশংকা পৰিহাৰ বা ৰিস্ক এভইডেন্স

বিপদাশংকা নিয়ন্ত্ৰণৰ বাবে বিপদাশংকাবোৰ এৰাই চলাক 'বিপদাশংকা পৰিহাৰ' বুলি কোৱা হয় ।যিবোৰ সম্পত্তি, মানুহ বা কাৰ্য্যকলাপৰ লগত বিপদাশংকা জড়িত থকাৰ সম্ভাৱনা আছে, মানুহ এজনে সেইবোৰৰ পৰা এৰাই চলাৰ চেষ্টা কৰিব পাৰে ।

উদাহৰণ

i. কোনোবাই নিৰ্দ্দিষ্ট উৎপাদন-বিপদাশংকা এৰাই চলাৰ বাবে আন কাৰোবাক কামটো ঠিকাত দি দিব পাৰে ।

ii. আকৌ, কোনোবা এজনে দুৰ্ঘটনাৰ ভয়ত ঘৰৰ পৰা নোলাব পাৰে, নাইবা বিদেশত অসুস্থ হৈ পৰাৰ ভয়ত ভ্ৰমণ কৰাটোৱেই বাদ দিব পাৰে ।

কিন্তু বিপদাশংকা এৰাই চলা হ'ল বিপদাশংকা মোকাবিলা কৰাৰ এক নেতিবাচক উপায় ।ব্যক্তিগত বা সামাজিক প্ৰগতি আহে বিভিন্ন কামৰ মাজেদি আৰু এই কামবোৰ সম্পাদন কৰিবলৈ যাওঁতে কিছুমান বিপদাশংকা গ্ৰহণ কৰাটো অপৰিহাৰ্য্য হৈ পৰে ।এই ধৰণৰ কামবোৰ এৰাই চলিলে ব্যক্তি এজনে অথবা সমাজখনে বিপদাশংকাযুক্ত প্ৰকল্পসমূহে আগ বঢ়োৱা সুবিধা বা লাভখিনি হেৰুৱাব লাগিব ।

2. বিপদাশংকা সংৰক্ষণ বা ৰিস্ক ৰিটেনশ্বন

কোনোবাই বিপদৰ সন্মুখীন হৈ তাৰ পৰা যি ক্ষয়-ক্ষতি হয়, সেইখিনি বহন কৰাৰ কাৰণে সাজু থাকি বিপদাশংকাৰ প্ৰভাৱৰ মোকাবিলা কৰিব খোজে ।ইয়াক কোৱা হয় বিপদাশংকা সংৰক্ষণ ।

উদাহৰণ

কোনো ব্যৱসায় প্ৰতিষ্ঠানে সৰু সৰু লোকচান বহন কৰিব পৰা নিজৰ ক্ষমতাৰ বিষয়ে অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি, এটা নিৰ্দ্দিষ্ট সীমালৈকে বিপদাশংকা সংৰক্ষণ কৰাৰ সিদ্ধান্ত ল'ব পাৰে ।

3. বিপদাশংকা হ্ৰাসকৰণ আৰু নিয়ন্ত্ৰণ বা ৰিস্ক ৰিডাকশ্বন এণ্ড কনট্ৰল

বিপদাশংকা পৰিহাৰৰ তুলনাত ই অধিক ব্যৱহাৰযোগ্য আৰু প্ৰাসঙ্গিক ।ইয়াৰ অৰ্থ হ'ল, কোনো ক্ষতিদায়ক ঘটনা ঘটাৰ সম্ভাৱনা কম কৰিবৰ বাবে অথবা ঘটনাটো ঘটিলেও ক্ষতি যাতে কম হয়, তাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা ।

গুৰুত্বপূৰ্ণ

ঘটনাটো ঘটাৰ সম্ভাৱনা কম কৰাৰ বাবে লোৱা পদক্ষেপক "ক্ষতি প্ৰতিৰোধ" বুলি কোৱা হয় ।আৰু ক্ষতিৰ মাত্ৰাক কম কৰিবৰ বাবে লোৱা পদক্ষেপক "ক্ষতি হ্ৰাসকৰণ" বুলি কোৱা হয় ।

ক্ষতি সংঘটিত হোৱাৰ সঘনতা আৰু / বা ক্ষতিৰ পৰিমাণ কমোৱা-এই দুটাই ক্ষতি-হ্ৰাসকৰণ পদক্ষেপটোৰ অন্তৰ্গত ।নিম্নলিখিত এক বা একাধিক উপায়ে ক্ষতিৰ হ্ৰাসকৰণ সম্ভৱ:

a) **শিক্ষা আৰু প্ৰশিক্ষণ,** যেনে কৰ্মচাৰীসকলৰ বাবে "ফায়াৰ ড্ৰিলচ" অৰ্থাৎ অগ্নি-নিৰ্বাপনমূলক অনুশীলন, অথবা ড্ৰাইভাৰ, কাঁটা-কোৰ (ফৰ্ক-লিফ্ট) অপাৰেটৰ সকলৰ বাবে পৰ্য্যাপ্ত প্ৰশিক্ষণ, ছীট বেল্ট, হেলমেট পিন্ধা আদিৰ বিষয়ে প্ৰশিক্ষণ ।

   এই শ্ৰেণীৰ এটা উদাহৰণ হ'ল- স্কুলীয়া ল'ৰা ছোৱালীক জাংক ফুড বা অপুষ্টিকৰ মুখৰোচক খাদ্যৰ কুপ্ৰভাৱৰ বিষয়ে সজাগ কৰি তোলা ।

b) **পাৰিপাৰ্শ্বিক পৰিবৰ্তন, যেনে বস্তুগত পৰিবেশৰ উন্নতি, উদাহৰণস্বৰূপে,** দুয়াৰত উৎকৃষ্ট তলা, আৰু খিৰিকিত জাপ লগোৱা, জুই বা চোৰৰ কাৰণে বিপদ সংকেত দিয়া যন্ত্ৰ লগোৱা আৰু অগ্নি নিৰ্বাপক সঁজুলি বহুওৱা আদি ।জনসাধাৰণৰ সাধাৰণ স্বাস্থ্যৰ উন্নতিৰ বাবে ৰাষ্ট্ৰই প্ৰদূষণ আৰু শব্দদূষণৰ মাত্ৰা নিয়ন্ত্ৰণ কৰিব পাৰে ।মেলেৰিয়াৰ দৰবৰ নিয়মিত ছাটিয়ে এই ৰোগৰ প্ৰাদুৰ্ভাৱ প্ৰতিৰোধ কৰে ।

c) **বিভিন্ন যান্ত্ৰিক কৌশল বা সা-সঁজুলি ব্যৱহাৰ কৰাৰ সময়ত,** বা অন্যান্য দায়িত্ব পালন কৰাৰ বিপজ্জনক অথবা বিপদসংকুল কাৰ্য্যপদ্ধতিৰ পৰিবৰ্তন ।

উদাহৰণস্বৰূপে, এক সুস্থ জীবনশৈলী আৰু সঠিক সময়ত সুষম আহাৰে ব্যক্তি এজনৰ অসুস্থ হোৱাৰ হাৰ কমোৱাত সহায় কৰে ।

d) **পৃথকীকৰণ,** অৰ্থাৎ বিভিন্ন ধৰণৰ সম্পত্তি একে স্থানত কেন্দ্ৰীভূত নকৰি ভিন্ন ভিন্ন স্থানত সিঁচৰতি কৰি দিয়াটো ক্ষতি নিয়ন্ত্ৰণৰ এটা পদ্ধতি ।পৰিকল্পনাটো হ'ল যে যদি কোনো এটা ঠাঁইত দুৰ্ঘটনা ঘটে, তেন্তে গোটেইখিনি তাত নাৰাখি ক্ষতিৰ প্ৰভাৱ কমাব পৰা যায় ।

উদাহৰণস্বৰূপে, পণ্যবস্তু বিভিন্ন গুদামত মজুত কৰি ক্ষতিৰ পৰিমাণ কমাব পৰা যায় ।এনে ক্ষেত্ৰত, এটা গুদাম নাশ হ'লেও ক্ষতিৰ প্ৰভাৱ যথেষ্ট কম হ'ব ।

4. বিপদাশংকাৰ সংস্থান

ইয়াৰ অৰ্থ হৈছে সম্ভাব্য লোকচান চম্ভালিবৰ বাবে পুঁজিৰ ব্যৱস্থা কৰা ।

a) **স্ব-অৰ্থসংস্থানৰ দ্বাৰা বিপদাশংকা সংৰক্ষণৰ অৰ্থ হ'ল**, লোকচানদায়ক ঘটনাটো যেতিয়া ঘটিব, তেতিয়া নিজেই সেই লোকচানৰ ভৰণি দিয়া ।এই পদ্ধতিত এটা প্ৰতিষ্ঠানে নিজৰ বিপদাশংকা নিজেই গ্ৰহণ কৰে, আৰু নিজা নাইবা ধাৰ কৰা পুঁজিৰ দ্বাৰা ইয়াৰ বাবে সংস্থান কৰে ।ইয়াক কোৱা হয় স্ব-বীমা । প্ৰতিষ্ঠানটোৱে ক্ষতি-হ্ৰাসকৰণৰ বিভিন্ন পদ্ধতি অৱলম্বন কৰিব পাৰে যাতে লোকচানৰ প্ৰভাৱটো, প্ৰতিষ্ঠানটোৱে চম্ভালিব পৰাকৈ কমি যায় ।

b) বিপদাশংকা হস্তান্তৰকৰণ হৈছে বিপদাশংকা সংৰক্ষণৰ বিকল্প ।বিপদাশংকা হস্তান্তৰকৰণৰ অৰ্থ হ'ল লোকচানৰ দায়বদ্ধতা অন্য এক পক্ষলৈ হস্তান্তৰ কৰা ।এই ক্ষেত্ৰত আকস্মিক ঘটনাৰ (বা বিপৰ্য্যয়ৰ) ফলত হ'ব পৰা লোকচান অন্য এক পক্ষলৈ হস্তান্তৰিত হয় ।

বীমা হৈছে বিপদাশংকা হস্তান্তৰকৰণৰ এক মুখ্য প্ৰকাৰ আৰু ই বীমা-ক্ষতিপূৰণৰ জৰিয়তে নিশ্চয়তাৰ দ্বাৰা অনিশ্চয়তাক প্ৰতিস্থাপিত কৰে ।

বীমাকৰণ বনাম নিশ্চিতকৰণ (ইনশ্বিউৰেন্স ভাৰ্ছাছ এশ্বিউৰেন্স)

বীমাকৰণ ব্যৱস্থা আৰু নিশ্চিতকৰণ ব্যৱস্থা উভয়েই বাণিজ্যিক সংস্থাৰ দ্বাৰা আগ বঢ়োৱা বিত্তীয় পণ্য । ইদানীক এই দুটাৰ মাজৰ পাৰ্থক্য ধূসৰ হৈ পৰিছে আৰু এই দুটাক প্ৰায় একেই বুলি ধৰি লোৱা হয় । যি হওক, ইহঁতৰ মাজৰ সূক্ষ্ম তাৰতম্যখিনি তলত আলোচনা কৰা হ'ল ।

বীমাকৰণ বুলিলে এটা ঘটিব পৰা অৰ্থাৎ সম্ভাব্য ঘটনাৰ বিপৰীতে সুৰক্ষা দিয়াটো বুজায়, আনহাতে নিশ্চিতকৰণ বুলি ক'লে নিশ্চিত ৰূপে ঘটিব লগীয়া ঘটনাৰ বিপৰীতে সুৰক্ষা দিয়াটো বুজায় ।বীমাকৰণে অনিশ্চিত বিপদৰ বিপৰীতে সুৰক্ষা দিয়াৰ ব্যৱস্থা কৰে, য'ত নেকি নিশ্চিতকৰণে এনে এটা ঘটনাৰ বিপৰীতে সুৰক্ষাৰ ব্যৱস্থা কৰে যিটো ঘটিবই, যেনে মৃত্যু-যি অনিবাৰ্য্য, কেৱল কেতিয়া ঘটিব সেই সময়টো অনিৰ্দ্দিষ্ট ।নিশ্চিতকৃত অৰ্থাৎ আশ্বাসিত পলিচিবোৰ জীবন সুৰক্ষা-আৱৰণৰ সৈতে জড়িত ।

পাঠৰ ব্যাখ্যামূলক নক্সা 4: বীমাই কেনেকৈ বীমাকৃতৰ ক্ষতি পূৰণ কৰে



বিপদাশংকা হস্তান্তৰকৰণৰ আন উপায়ো আছে ।উদাহৰণস্বৰূপে, প্ৰতিষ্ঠানটো এটা গোটৰ অংশ হ'ব পাৰে ।তেনে ক্ষেত্ৰত বিপদাশংকাটো মূল গোটটোলৈ হস্তান্তৰিত কৰিব পৰা যায়, যিটোৱে তেতিয়া বিপদাশংকাৰ সংস্থান কৰিব ।

বিপদাশংকা হস্তান্তৰকৰণৰ বিভিন্ন পদ্ধতিৰ মাজত বীমাও এটা পদ্ধতি ।

নিজক পৰখ কৰক 3

নিম্নলিখিত কোনটো বিপদাশংকা হস্তান্তৰ কৰাৰ এটা পদ্ধতি?

I. বেংকৰ সাৱধি জমা বা ফিক্সড ডিপ'জিট

II. বীমা

III. ইকুইটি শ্বেয়াৰ

IV. ভূ-সম্পত্তি

D. বিপদাশংকা মোকাবিলা কৰাৰ আহিলা হিচাবে বীমা

যেতিয়া আমি বিপদাশংকাৰ কথা কওঁ, আমি প্ৰকৃততে হৈ যোৱা লোকচানৰ বিষয়ে নকওঁ- তেতিয়া আমি ঘটিব পৰা বা সম্ভাব্য লোকচানৰ কথাহে উল্লেখ কৰোঁ ।অৰ্থাৎ ই হৈছে প্ৰত্যাশিত লোকচান ।এই প্ৰত্যাশিত ক্ষতিৰ মূল্য (যি বিপদাশংকাৰ মূল্যৰ সমান) হৈছে তলৰ দুটা কাৰকৰ পূৰণ ফল:

i. যি বিপৰ্য্যয়টোৰ বিপৰীতে বীমা কৰা হৈছে সেইটো সংঘটিত হোৱাৰ আৰু তাৰ ফলস্বৰুপে ক্ষতি হোৱাৰ সম্ভাৱনাটো

ii. ইয়াৰ পৰিণামত বহন কৰিব লগীয়া সম্ভাব্য ক্ষতিৰ প্ৰভাৱ বা পৰিমাণ

বিপদাশংকাৰ মূল্য, সম্ভাৱনা আৰু ক্ষতিৰ পৰিমান দুটাৰ লগতেই সমানুপাতিকভাৱে বাঢ়ে ।যি হওক, যদি ক্ষতিৰ পৰিমানটো অতিকৈ বেছি হয়, আৰু ঘটনাটো ঘটাৰ সম্ভাৱনা খুব নগণ্য থাকে, তেন্তে বিপদাশংকাৰ মূল্য কিন্তু কম হ'ব ।

পাঠৰ ব্যাখ্যামূলক নক্সা 5: বীমা লোৱাৰ সিদ্ধান্ত গ্ৰহণৰ আগতে কিছুমান বিবেচ্য বিষয়

1. বীমা লোৱাৰ সিদ্ধান্ত গ্ৰহণৰ আগতে কিছুমান বিবেচ্য বিষয়

বীমাসুৰক্ষা লোৱাটো আৱশ্যকীয় হয় নে নহয় এই সিদ্ধান্ত লোৱাৰ সময়ত এজনে বিপদাশংকা হস্তান্তৰ কৰাৰ মূল্যৰ বিপৰীতে বিপদাশংকা বহন কৰাৰ মূল্যটো নিজেই জুখি চোৱা উচিৎ । বিপদাশংকা হস্তান্তৰকৰণৰ মুল্য হ'ল বীমাৰ প্ৰিমিয়ামটো – যিটো পূৰ্বৰ অনুচ্ছেদত উল্লেখ কৰা দুটা কাৰকৰ দ্বাৰা পোৱা যায় ।বীমা লোৱাৰ বাবে আটাইতকৈ আদৰ্শ পৰিস্থিতি হ'ল য'ত নিৰ্দ্দিষ্ট দুৰ্ঘটনাটো ঘটাৰ সম্ভাৱনা খুবেই কম, কিন্তু দৈবাৎ ঘটি গ'লে ক্ষতিৰ পৰিমাণ বিশাল হ'ব পাৰে । এনেকুৱা পৰিস্থিতিবোৰত, বিপদাশংকাক বীমাৰ (প্ৰিমিয়াম) জৰিয়তে হস্তান্তৰ কৰাৰ মূল্য বহু কম হ'ব, য'ত নেকি বিপদাশংকাটো নিজেই বহন কৰাৰ মূল্য বহু বেছি হ'ব ।

a) অকনমানৰ কাৰণে বহুত বেছি বিপদাশংকা মূৰ পাতি নল'ব ।বিপদাশংকা হস্তান্তৰকৰণৰ ব্যয় আৰু ইয়াৰ পৰা লব্ধ প্ৰমূল্যৰ মাজত এটা যুক্তিযুক্ত সম্পৰ্ক থকাটো আৱশ্যক ।

উদাহৰণ

এটা সাধাৰণ বল পেনৰ বীমা কৰোৱাৰ কোনো যুক্তি আছে নে?

b) **ক্ষতি চম্ভালিব পৰা সামৰ্থ্যতকৈ অধিক বিপদাশংকা মূৰ পাতি নল'ব :** এটা নিৰ্দ্দিষ্ট ঘটনাৰ পৰা হ'ব পৰা ক্ষতিৰ পৰিমাণ যদি ইমান বেছি হয় যে ই ক্ষতিগ্ৰস্ত মানুহজনক প্ৰায় দেউলীয়া বনাই দিব পাৰে, তেনে ক্ষেত্ৰত বিপদাশংকা সংৰক্ষণ পদ্ধতিটো বাস্তৱসন্মত আৰু যথাৰ্থ নহয় ।

উদাহৰণ

যদি এটা বিৰাট তেল শোধনাগাৰ ধ্বংসপ্ৰাপ্ত বা ক্ষতিগ্ৰস্ত হয়, কোনো কোম্পানীৰ এই ক্ষতি বহন কৰাৰ সামৰ্থ আছেনে?

c) বিপদাশংকাৰ সম্ভাব্য পৰিণাম সতৰ্কাৰে বিবেচনা কৰক: সেইবোৰ সম্পদৰ বীমা কৰোৱাটো অত্যন্ত প্ৰয়োজনীয় যিবোৰৰ ক্ষেত্ৰত লোকচানদায়ক ঘটনাটো ঘটাৰ (সঘনতা) সম্ভাৱনা একেবাৰে নগণ্য, কিন্তু ঘটিলে সম্ভাব্য প্ৰৱলতা (প্ৰভাৱ) অৰ্থাৎ ক্ষতিৰ পৰিমাণ বিশাল হ'ব ।

উদাহৰণ

মহাকাশযান এখনক কোনোবাই বীমা নকৰোৱাৰ সাহস কৰিবনে?

নিজক পৰখ কৰক 4

তলৰ কোনটো পৰিস্থিতিয়ে বীমা লোৱাৰ ন্যায্যতা প্ৰতিপন্ন কৰে?

I. পৰিয়ালৰ একমাত্ৰ জীৱিকা উপাৰ্জনকাৰীজনৰ অকালমৃত্যু হ'ব পাৰে

II. মানুহ এজনে তেঁওৰ টকাৰ বেগটো হেৰুৱাব পাৰে

III. ষ্টকৰ দৰ সাংঘাতিকভাৱে পৰিব পাৰে

IV. দীৰ্ঘদিন ব্যৱহাৰৰ ফলত হোৱা স্বাভাৱিক ক্ষয়-ক্ষতিৰ ফলস্বৰূপে ঘৰ এটাৰ মূল্য কমিব পাৰে

E. সমাজত বীমাৰ ভূমিকা

বীমা কোম্পানীবোৰে দেশ এখনৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে ।দেশৰ সম্পদৰ সুৰক্ষা আৰু সংৰক্ষণৰ সুনিশ্চয়তাৰ বাবে তেঁওলোকে তাৎপৰ্য্যপূৰ্ণভাৱে অৰিহণা যোগায় ।তেঁওলোকৰ অৱদানৰ কিছু উদাহৰণ তলত দিয়া হ'ল ।

a) তেঁওলোকৰ বিনিয়োগৰ বাবে সাধাৰণতে সমগ্ৰ সমাজখনেই উপকৃত হয় । বীমাকোম্পানী এটাৰ মূল শক্তি হ'ল প্ৰিমিয়ামৰ ৰূপত বিশাল পৰিমাণৰ সংগৃহীত ধনেৰে গঠিত এক উমৈহতীয়া পুঁজি।

b) এই তহবিল সংগৃহীত আৰু সংৰক্ষিত হয় পলিচিধাৰকসকলৰ সুবিধাৰ বাবে । বীমাকাৰকসকলে এই কথাখিনি মনত ৰাখি এই তহবিল ব্যৱহাৰ কৰাৰ বিষয়ে সকলো সময়তে এনে ধৰণৰ সিদ্ধান্ত লোৱা উচিৎ যাতে সমাজখনে ইয়াৰ সুবিধা ভোগ কৰিব পাৰে ।এই কথাটো বিনিয়োগৰ ক্ষেত্ৰতো প্ৰযোজ্য । সেয়েহে, সফল বীমাকাৰকসকলক কেতিয়াও স্পেকুলেটিভ অৰ্থাৎ লাভকল্পি উদ্যমত, যেনে ষ্টক বা শ্বেয়াৰত বিনিয়োগ কৰা দেখা নাযায় ।

c) বীমা পদ্ধতিটোয়ে এজন ব্যক্তি, তেঁওৰ পৰিয়াল, উদ্যোগ, বাণিজ্য, সমাজ, আৰু সামগ্ৰিকভাৱে দেশৰ বাবে অসংখ্য প্ৰত্যক্ষ আৰু পৰোক্ষ সুবিধা প্ৰদান কৰে ।বীমাকৃত - ব্যক্তি অথবা ব্যৱসায়িক প্ৰতিষ্ঠান উভয়েই প্ৰত্যক্ষ সুবিধাভোগী, কাৰণ দুৰ্ঘটনা বা আকস্মিক ঘটনাৰ বাবে হোৱা ক্ষতিৰ পৰিণামৰ পৰা তেঁওলোকক ৰক্ষা কৰা হয় । কবলৈ গ'লে, এনেদৰে বীমাই উদ্যোগৰ মূলধন ৰক্ষা কৰে আৰু ব্যৱসায় তথা উদ্যোগৰ আৰু অধিক সম্প্ৰসাৰণ আৰু বিকাশৰ বাবে মূলধন মুকলি কৰে ।

d) বীমাই ব্যক্তি এজনৰ ভৱিষ্যতৰ অনিশ্চয়তাৰ লগত জড়িত ভয়, উৎকণ্ঠা আৰু উদ্বেগ দূৰ কৰে আৰু ফলস্বৰূপে তেঁও মূলধনক ব্যৱসায়ত মুক্তভাৱে বিনিয়োগ কৰাৰ সাহস কৰিব পাৰে আৰু বিদ্যমান সম্পদবোৰৰ ব্যৱহাৰ নিপুণতাৰে কৰিব পাৰে ।এইদৰে বীমাই বাণিজ্যিক আৰু ঔদ্যোগিক বিকাশত উৎসাহ যোগোৱাৰ লগতে কৰ্ম সংস্থানৰ বাবে সুযোগৰ সৃষ্টি কৰে আৰু ইয়াৰ দ্বাৰা এক সুস্থ অৰ্থনীতি আৰু বৰ্দ্ধিত জাতীয় উৎপাদনশীলতাৰ বাবে অৰিহণা যোগায় ।

e) বীমাযোগ্য বিপৰ্য্যয়ৰ দ্বাৰা হ'ব পৰা ক্ষতি বা হানিৰ বিপৰীতে বীমা কৰোৱা নাথাকিলে বেংক বা বিত্তীয় প্ৰতিষ্ঠানে কোনো সম্পত্তিৰ ওপৰত অগ্ৰিম ঋণ নিদিয়ে । এইবোৰৰ সৰহখিনিয়েই আনুষঙ্গিক প্ৰতিভূতি হিচাবে পলিচি এখন 'এছাইন' বা হস্তান্তৰকৰণ কৰি দিয়াৰ ওপৰত জোৰ দিয়ে ।

f) কোনো বিপদাশংকা গ্ৰহণ কৰাৰ আগতে, বীমাকাৰকসকলে অৰ্হতাসম্পন্ন অভিযন্তা আৰু বিশেষজ্ঞৰ হতুৱাই বীমা কৰিবলগীয়া সম্পত্তিটোৰ সৰ্বেক্ষণ আৰু পৰিদৰ্শনৰ ব্যৱস্থা কৰে । তেঁওলোকে কেৱল মূল্য নিৰ্দ্ধাৰণৰ বাবে বিপদাশংকাটোৰ মান নিৰ্ণয় নকৰে, বিপদাশংকাত বিভিন্ন সংশোধনৰ বাবে দিহা-পৰামৰ্শও আগ বঢ়ায় যাতে প্ৰিমিয়ামৰ হাৰ কমে ।

g) দেশলৈ বৈদেশিক মুদ্ৰা উপাৰ্জন কৰি অনাৰ ক্ষেত্ৰত, ৰপ্তানি বাণিজ্য, জাহাজী পৰিবহন সেৱা, বেংক সেৱা আদিৰ লগত বীমা একে শাৰীত পৰে ।ভাৰতীয় বীমাকাৰকসকলে 30 টাতকৈ অধিক দেশত বীমা ব্যৱসায় পৰিচালনা কৰে । এই কৰ্মসূচীয়ে বৈদেশিক মুদ্ৰা উপাৰ্জন কৰে আৰু অদৃশ্য অৰ্থাৎ স্পৰ্শনাতীত পণ্য ৰপ্তানিৰ প্ৰতিনিধিত্ব কৰে ।

h) অগ্নিক্ষতি নিৰোধ, জাহাজ / বিমানবাহিত পণ্যক্ষতি নিৰোধ, উদ্যোগ নিৰাপত্তা আৰু পথ নিৰাপত্তা আদি কাৰ্য্যক্ৰমৰ লগত জড়িত সংস্থা আৰু এজেঞ্চিবোৰৰ লগত বীমাকাৰকসকলৰ ঘনিষ্ঠ সংযোগ থাকে ।

তথ্য

বীমা আৰু সামাজিক সুৰক্ষা

a) এই কথাটো এতিয়া স্বীকৃত যে সামাজিক সুৰক্ষাৰ উপযুক্ত ব্যৱস্থা কৰাটো ৰাষ্ট্ৰৰ এক দায়বদ্ধতা ।এই উদ্দেশ্য পূৰণৰ বাবে চৰকাৰে প্ৰণয়ন কৰা বিভিন্ন আইনত বীমাৰ ব্যৱহাৰ স্বেচ্ছাৰে নাইবা বাধ্যতামূলকভাৱে, সামাজিক সুৰক্ষাৰ আহিলা হিচাবে অন্তৰ্ভূক্ত কৰিছে । কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে তেঁওলোকৰ প্ৰতিশ্ৰুতি পুৰণৰ বাবে নিৰ্দ্দিষ্ট কিছুমান সামাজিক সুৰক্ষা প্ৰকল্পত বৰঙনি আগ বঢ়ায় ।1948 চনৰ 'দি এমপ্লয়িচ ষ্টেট ইনশ্বিউৰেন্স এক্ট' অনুযায়ী বীমাকৃত অৰ্থাৎ উদ্যোগৰ কৰ্মচাৰী আৰু তেঁওলোকৰ পৰিয়ালবৰ্গৰ সুবিধাৰ্থে অসুস্থতা, অক্ষমতা, প্ৰসূতি-সম্বন্ধীয় আৰু মৃত্যুজনিত খৰছ পৰিশোধ কৰাৰ বাবে "এমপ্লয়িচ ষ্টেট ইনশ্বিউৰেন্স কৰপোৰেশ্বন" বা কৰ্মচাৰী ৰাজ্য বীমা নিগমৰ স্থাপনা হৈছে ।চৰকাৰে অধিসূচিত কৰা নিৰ্দ্দিষ্ট কিছুমান ঔদ্যোগিক ক্ষেত্ৰত এই আঁচনিখন বলবৎ কৰা হৈছে ।

b) চৰকাৰে পৃষ্ঠপোষকতা কৰা সামাজিক সুৰক্ষা প্ৰকল্পসমূহত বীমাকাৰকসকলে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে ।শস্য বীমা যোজনা বা ক্ৰ'প ইনশ্বিউৰেন্স স্কীম (আৰ কে বি ওয়াই) উল্লেখযোগ্য সামাজিক গুৰুত্ব থকা এক চৰকাৰী ব্যৱস্থা ।এই আঁচনিৰ দ্বাৰা কেৱল খেতিয়কসকল নহয়, প্ৰত্যক্ষ বা পৰোক্ষভাৱে গোটেই সমাজখন উপকৃত হয় ।

c) বাণিজ্যিক ভিত্তিত চলোৱা সকলো গ্ৰামীন বীমা আঁচনি মূলগতভাৱে অভিকল্পনা কৰা হৈছে গাঁৱলীয়া পৰিয়ালবোৰক সামাজিক সুৰক্ষা প্ৰদান কৰাৰ বাবে ।

d) চৰকাৰী প্ৰকল্পসমূহক সমৰ্থন কৰাৰ ওপৰিও বীমা উদ্যোগে নিজেই বাণিজ্যিক আধাৰত বীমা সুৰক্ষা আগ বঢ়ায়,যাৰ চুড়ান্ত লক্ষ্য হ'ল সামাজিক সুৰক্ষা ।উদাহৰণস্বৰূপে, জনতা পাৰ্ছ'নেল এক্সিডেন্ট, জন আৰোগ্য ইত্যাদি ।

নিজক পৰখ কৰক 5

তলৰ কোনটো বীমা আঁচনি চৰকাৰৰ পৃষ্ঠপোষকতা অবিহনেই বীমাকাৰকে চলায়?

I. কৰ্মচাৰী ৰাজ্য বীমা নিগম

II. শস্য বীমা যোজনা

III. জন আৰোগ্য

IV. ওপৰৰ গোটেই কেইটা

সাৰ সংক্ষেপ

- বীমা হ'ল বিপদাশংকাৰ উমৈহতীয়া পুঞ্জীকৰণৰ মাধ্যমেৰে বিপদাশংকাৰ হস্তান্তৰকৰণ ।
- আমি বৰ্তমানে যিটোক আধুনিক বাণিজ্য বীমা বুলি জানো, সেইটো লণ্ডনস্থিত লয়েডৰ কফি হাউছত আৰম্ভ হৈছিল বুলি কোৱা হয় ।
- এটা বীমা ব্যৱস্থাত নিম্নলিখিত কেইটাৰ অস্তিত্ব জড়িত থাকে, যেনে,
  - ✓ সম্পদ

- ✓ বিপদাশংকা
- ✓ বিপৰ্য্যয়
- ✓ চুক্তি
- ✓ বীমাকাৰক আৰু
- ✓ বীমাকৃত

- যেতিয়া একে ধৰণৰ বিপদাশংকাৰ সন্মুখীন হোৱা ব্যক্তিসকলে পুঁজিৰ এটা সমূহীয়া তহবিলত বৰঙনি দিয়ে, ইয়াক উমৈহতীয়া পুঞ্জীকৰণ বুলি কোৱা হয়।

- বীমাৰ ওপৰিও বিপদাশংকা মোকাবিলা কৰাৰ কৌশলৰ অন্তৰ্ভূক্ত হ'ল:

  - ✓ বিপদাশংকা পৰিহাৰ
  - ✓ বিপদাশংকা নিয়ন্ত্ৰণ
  - ✓ বিপদাশংকা সংৰক্ষণ
  - ✓ বিপদাশংকাৰ সংস্থান
  - ✓ বিপদাশংকা হস্তান্তৰকৰণ

- বীমাৰ ক্ষেত্ৰত মোটামুটি মানি চলিব লগীয়া নীতিকেইটা হ'ল:

  - ✓ নিজৰ সামৰ্থ্যতকৈ অধিক বিপদাশংকা মূৰ পাতি নল'ব
  - ✓ বিপদাশংকাৰ সম্ভাৱ্য পৰিণাম সতৰ্কতাৰে বিবেচনা কৰক, আৰু
  - ✓ অকনমানৰ কাৰণে বহুত বেছি বিপদাশংকা মূৰ পাতি নল'ব

সুনিৰ্দ্দিষ্ট অৰ্থনিহিত গুৰুত্বপূৰ্ণ শব্দ

1. বিপদাশংকা
2. উমৈহতীয়া পুঞ্জীকৰণ
3. সম্পদ
4. বিপদাশংকাৰ দায়
5. বিপদাশংকা পৰিহাৰ
6. বিপদাশংকা নিয়ন্ত্ৰণ
7. বিপদাশংকা সংৰক্ষণ
8. বিপদাশংকাৰ সংস্থাপন
9. বিপদাশংকা হস্তান্তৰকৰণ

"নিজক পৰখ কৰক"ৰ উত্তৰ

উত্তৰ 1

সঠিক উত্তৰটো হ'ল II

বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ন প্ৰাধিকৰণ হ'ল ভাৰতত বীমা উদ্যোগৰ নিয়ন্ত্ৰক।

উত্তৰ 2

সঠিক উত্তৰটো হ'ল III

সম্ভাৱ্য ক্ষতিৰ বাবে একাষৰীয়াকৈ পুঁজি ৰাখি থোৱা ব্যৱস্থাৰ প্ৰয়োজনীয়তাক বিপদাশংকাৰ গৌণ দায় বুলি কোৱা হয়।

উত্তৰ 3

অনুশীলনৰ বাবে প্ৰশ্নোত্তৰ

সঠিক উত্তৰটো হ'ল II

বীমা হৈছে বিপদাশংকা হস্তান্তৰকৰণৰ এক পদ্ধতি ।

উত্তৰ 4

সঠিক উত্তৰটো হ'ল I

একমাত্ৰ জীৱিকা উপাৰ্জনকাৰীৰ অকালমৃত্যু হ'লে পৰিয়াল এটাই নিজৰ ব্যৱস্থা নিজেই কৰিব লাগে । এই ধৰণৰ পৰিস্থিতিয়ে বীমা ক্ৰয় কৰাটো ন্যায্য বুলি প্ৰতিপন্ন কৰে ।

উত্তৰ 5

সঠিক উত্তৰটো হ'ল III

জন আৰোগ্য বীমা আঁচনিখন চৰকাৰৰ পৃষ্ঠপোষকতা অবিহনেই বীমাকাৰকে চলায় ।

স্ব-পৰীক্ষণ প্ৰশ্ন

প্ৰশ্ন 1

উমৈহতীয়া পুঞ্জীকৰণৰ মাধ্যমেৰে বিপদাশংকা হস্তান্তৰকৰণ কৰাক _____বুলি কোৱা হয় ।

I. সঞ্চয়

II. বিনিয়োগ

III. বীমা

IV. বিপদাশংকা প্ৰশমন

প্ৰশ্ন 2

বিপদাশংকা ঘটাৰ সম্ভাৱনা কমোৱাৰ ব্যৱস্থাক _____বুলি কোৱা হয় ।

I. বিপদাশংকা সংৰক্ষণ

II. ক্ষতি

III. বিপদাশংকা হস্তান্তৰকৰণ

IV. বিপদাশংকা পৰিহাৰ

প্ৰশ্ন 3

বীমাকাৰকলৈ বিপদাশংকা হস্তান্তৰ কৰাৰ ফলত _____সম্ভৱ ।

I. নিজৰ সম্পদৰ বিষয়ে অসাৱধান হৈ পৰা

II. ক্ষতিৰ ঘটনাত বীমাৰ পৰা টকা ঘটা

III. সম্পদৰ সমুখত থকা বিপদাশংকাক আওকান কৰা

IV. মনৰ শান্তিখিনি উপভোগ কৰা আৰু অধিক কাৰ্য্যকৰীভাৱে ব্যৱসায় পৰিকল্পনা কৰা

প্ৰশ্ন 4

_____ক আধুনিক বীমা ব্যৱসায়ৰ উদ্ভৱৰ মূল ৰূপে গণ্য কৰা যায় ।

I. ব'টমৰি

II. ল'য়েড

III. ৰোডছ্

IV. মালহোত্ৰা কমিটি

প্ৰশ্ন 5

বীমাৰ পৰিপ্ৰেক্ষিতত "বিপদাশংকা সংৰক্ষণ" বুলিলে এনে এটা পৰিস্থিতি বুজায় য'ত _____।

I. ক্ষতি বা হানি হোৱাৰ সম্ভাৱনা নাই

II. ক্ষতিদায়ক ঘটনাটোৰ কোনো মূল্য নাই

III. সম্পত্তিটো বীমা সুৰক্ষাবেষ্টনীৰ অন্তৰ্গত

IV. কোনো ব্যক্তিয়ে বিপদাশংকা গ্ৰহণ কৰি ইয়াৰ পৰিণামৰ মুখামুখি হোৱাৰ সিদ্ধান্ত লৈছে

প্ৰশ্ন 6

তলৰ কোনটো বিবৃতি শুদ্ধ?

I. বীমাই সম্পদক সুৰক্ষা প্ৰদান কৰে

II. বীমাই ক্ষতি প্ৰতিৰোধ কৰে

III. বীমাই ক্ষতিৰ সম্ভাৱনা হ্ৰাস কৰে

IV. সম্পদৰ ক্ষতি হ'লে বীমাই ধন পৰিশোধ কৰে

প্ৰশ্ন 7

প্ৰতিটো 20,000 টকা মূল্যৰ 400টা ঘৰৰ ভিতৰত গড় হিচাবে প্ৰতি বছৰে 4টাকৈ ঘৰ জুইত ভস্মীভূত হয়, যাৰ ফলত সামূহিক ক্ষতিৰ পৰিমাণ হয় 80,000 টকা । এই ক্ষতিৰ পৰিমাণটো পূৰণ কৰাৰ বাবে প্ৰতিজন ঘৰৰ মালিকে বছৰেকীয়া কিমান টকাকৈ বৰঙনি দিয়া আৱশ্যক?

I. 100 টকা

II. 200 টকা

III. 80 টকা

IV. 400 টকা

প্ৰশ্ন 8

তলৰ কোনটো বিবৃতি শুদ্ধ?

I. বীমা হৈছে "বহুসংখ্যক"ৰ দ্বাৰা "কমসংখ্যক"ৰ লোকচান ভগাই লোৱাৰ পদ্ধতি

II. বীমা হৈছে এজন মানুহৰ বিপদাশংকা আন এজন মানুহলৈ হস্তান্তৰকৰণৰ পদ্ধতি

III. বীমা হৈছে "কমসংখ্যক"ৰ দ্বাৰা "বহুসংখ্যক"ৰ লোকচান ভগাই লোৱাৰ পদ্ধতি

IV. বীমা হৈছে কমসংখ্যকৰ লাভ বহুসংখ্যকলৈ হস্তান্তৰকৰণৰ পদ্ধতি

V.

প্ৰশ্ন 9

বিপদাশংকা গ্ৰহণৰ আগতে বীমাকাৰক সকলে সম্পত্তিটোৰ সৰ্বেক্ষণ আৰু পৰিদৰ্শনৰ ব্যৱস্থা কিয় কৰে?

I. মূল্য নিৰ্দ্ধাৰণ কৰাৰ বাবে বিপদাশংকাটোৰ মূল্যায়ন কৰিবলৈ

II. বীমাকৃতই সম্পত্তিটো কেনেদৰে কিনিছে, সেইটোৰ সম্ভেদ লোৱাৰ বাবে

III. আন বীমাকাৰকেও সম্পত্তিটো পৰিদৰ্শন কৰিছেনে নাই, সেই খবৰটো জনাৰ কাৰণে

IV. আশে-পাশে বীমাযোগ্য আৰু সম্পত্তি আছেনে নাই, সেই খবৰটো জানিবৰ বাবে

প্ৰশ্ন 10

তলৰ কোনটো বিকল্পই বীমা প্ৰক্ৰিয়াটোক সৰ্বোত্তম ভাবে ব্যাখ্যা কৰে?

I. বহুসংখ্যকৰ ক্ষতি কমসংখ্যকে ভগাই লোৱা

II. কমসংখ্যকৰ ক্ষতি বহুসংখ্যকে ভগাই লোৱা

III. কমসংখ্যকৰ ক্ষতি এজনে ভগাই লোৱা

IV. ভৰ্তুকীৰ যোগেৰে ক্ষতি ভগোৱা

স্ব-পৰীক্ষণমূলক প্ৰশ্নৰ উত্তৰ

উত্তৰ 1

সঠিক উত্তৰটো হৈছে III

উমৈহতীয়া পুঞ্জীকৰণৰ মাধ্যমেৰে বিপদাশংকা হস্তান্তৰকৰণ কৰাক বীমা বুলি কোৱা হয়।

উত্তৰ 2

সঠিক উত্তৰটো হৈছে III

বিপদাশংকা ঘটাৰ সম্ভাৱনা কমোৱাৰ ব্যৱস্থাক ক্ষতি প্ৰতিৰোধ বুলি কোৱা হয়।

উত্তৰ 3

সঠিক উত্তৰটো হৈছে IV

বীমাকাৰকলৈ বিপদাশংকা হস্তান্তৰ কৰাৰ ফলত মনৰ শান্তিখিনি উপভোগ কৰাৰ লগতে আৰু অধিক কাৰ্য্যকৰীভাৱে ব্যৱসায় পৰিকল্পনা কৰা সম্ভৱ।

উত্তৰ 4

সঠিক উত্তৰটো হৈছে II

ল'য়েডক আধুনিক বীমা ব্যৱসায়ৰ উদ্ভৱৰ মূল ৰূপে গণ্য কৰা যায়।

উত্তৰ 5

সঠিক উত্তৰটো হৈছে IV

বীমাৰ পৰিপ্ৰেক্ষিতত "বিপদাশংকা সংৰক্ষণ" বুলিলে এনে এটা পৰিস্থিতি বুজায় য'ত কোনো ব্যক্তিয়ে বিপদাশংকা গ্ৰহণ কৰি ইয়াৰ পৰিণামৰ মুখামুখি হোৱাৰ সিদ্ধান্ত লৈছে।

উত্তৰ 6

সঠিক উত্তৰটো হৈছে IV

সম্পদৰ ক্ষতি হ'লে বীমাই ধন পৰিশোধ কৰে ।

উত্তৰ 7

সঠিক উত্তৰটো হৈছে II

ক্ষতিৰ পৰিমাণটো পূৰণ কৰাৰ বাবে প্ৰতিটো পৰিয়ালে বছৰেকীয়া 200 টকাকৈ বৰঙনি দিব লাগিব ।

উত্তৰ 8

সঠিক উত্তৰটো হৈছে I

বীমা হৈছে "বহুসংখ্যক"ৰ দ্বাৰা "কমসংখ্যক"ৰ লোকচান ভগাই লোৱাৰ পদ্ধতি ।

উত্তৰ 9

সঠিক উত্তৰটো হৈছে I

মূল্য নিৰ্দ্ধাৰণ কৰাৰ বাবে বিপদাশংকাটোৰ মান নিৰ্ণয় কৰিবলৈ বিপদাশংকা গ্ৰহণৰ আগতে বীমাকাৰক সকলে সম্পত্তিটোৰ সৰ্বেক্ষণ আৰু পৰিদৰ্শনৰ ব্যৱস্থা কৰে ।

উত্তৰ 10

সঠিক উত্তৰটো হৈছে II

আৰ্থিক ক্ষতিৰ সন্মুখীন হোৱা কেইজনমান দুৰ্ভগীয়া মানুহৰ লোকচানখিনিক এই একে ধৰণৰ অনিশ্চিত ঘটনা / পৰিস্থিতিৰ সন্মুখীন হৈ থকা বহুসংখ্যক মানুহে নিজৰ মাজত ভগাই লোৱাৰ প্ৰক্ৰিয়াটোৱে সৰ্বোত্তম ভাৱে বীমাক ব্যাখ্যা কৰে ।

অধ্যায় 2

গ্ৰাহক সেৱা

পাঠ পৰিচয়

এই পাঠটো আপুনি গ্ৰাহক সেৱাৰ গুৰুত্বটোৰ বিষয়ে শিকিব পাৰিব. গ্ৰাহকবোৰলৈ সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত এজেন্টবোৰৰ ভূমিকাৰ বিষয়ে আপুনি শিকিব পাৰিব. আপুনি বীমাৰ পলিচীধাৰকবোৰৰ বাবে উপলব্ধ বিভিন্ন অভিযোগ নিবাৰণ তন্ত্ৰবোৰৰ বিষয়ে শিকিব পাৰিব. আপুনি লগতে গ্ৰাহকৰ সৈতে কেনেকৈ যোগাযোগ আৰু সম্পৰ্ক কৰিব লাগে শিকিব পাৰিব.

পাঠটোৰ পৰা শিকিবলগীয়াবোৰ

A. গ্ৰাহক সেৱা – সাধাৰণ ধাৰণাবোৰ
B. বিখ্যাত গ্ৰাহক সেৱা আগবঢ়োৱাত বীমাৰ এজেন্টৰ ভূমিকা
C. অভিযোগ নিবাৰণ
D. যোগাযোগৰ প্ৰক্ৰিয়া
E. অমৌখিক যোগাযোগ
F. নৈতিক আচৰণ

এই পাঠটো পঢ়াৰ পিছত, আপুনি সক্ষম হব:

1. গ্ৰাহক সেৱাবোৰৰ গুৰুত্বটো ব্যাখ্যা কৰিবলৈ
2. সেৱাৰ মানদণ্ড বৰ্ণনা কৰিবলৈ
3. বীমা উদ্যোগটোত সেৱাৰ গুৰুত্বটো পৰীক্ষা কৰিবলৈ
4. ভাল সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত বীমাৰ এজেন্ট এজন ভূমিকাটো আলোচনা কৰিবলৈ
5. বীমাত অভিযোগ নিবাৰণ তন্ত্ৰত পুনৰনীৰিক্ষণ কৰিবলৈ
6. যোগাযোগৰ প্ৰক্ৰিয়াটো ব্যাখ্যা কৰিবলৈ
7. অমৌখিক যোগাযোগৰ গুৰুত্বটো প্ৰদৰ্শন কৰিবলৈ
8. নৈতিক আচৰণ পৰামৰ্শ কৰিবলৈ

A. গ্ৰাহক সেৱা - সাধাৰণ ধাৰণাবোৰ

1. গ্ৰাহক সেৱা কিয় লাগে ?

গ্ৰাহকবোৰে ব্যৱসায় এটাৰ জীৱিকাটো যোগান ধৰে আৰু কোনো উদ্যোগে সিহঁতক বেয়া ব্যৱহাৰ কৰিব নোৱাৰে. আন প্ৰডাক্টবোৰৰ তুলনাত বীমাৰ ক্ষেত্ৰত গ্ৰাহক সেৱা আৰু সম্পৰ্কবোৰৰ ভূমিকাটো অধিক জটিল.

এইটো হল কাৰণ বীমা হল এটা সেৱা আৰু বাস্তৱিক সামগ্ৰীবোৰৰ পৰা বহুত পৃথক.

বীমা এটা কিনাটো গাড়ী এখন কিনাতকৈ কেনেকৈ পৃথক পৰীক্ষা কৰো আহক.

এখন গাড়ী	গাড়ী খনৰ বীমা
এইটো হল স্পৰ্শ কৰিব পৰা সামগ্ৰী, যিটো চাব পাৰি, পৰীক্ষামূলকভাৱে চলাব পাৰি আৰু অনুভৱ কৰিব পাৰি.	এইটো হল ভৱিষ্যতে হব পৰা অপ্ৰত্যাশিত দূৰ্ঘটনা এটাৰ বাবে গাড়ীখনৰ ক্ষতি বা নষ্ট বিৰুদ্ধে ক্ষতিপূৰণ দিবলৈ এটা চুক্তি. ব্যক্তি এজনে অপ্ৰত্যাশিত ঘটনাটো সংগটিত নোহোৱালৈকে বীমা উপকাৰীতাটো চাব বা চুব বা অনুভৱ কৰিব নোৱাৰে.
গাড়ীখন কিনোতাজনে কিনাৰ সময়ত সন্তুষ্টি এটা প্ৰত্যাশা কৰে. অনুভৱটো বাস্তৱ আৰু সহজে বোধগম্য.	বীমা কিনাটো তাত্ক্ষণিক সন্তুষ্টিৰ ওপৰত আধাৰিত নহয়, কিন্তু এটা সাম্ভাব্য দূৰ্ভাগ্যজনিত ঘটনাৰ বাবে ভয়/উত্কণ্ঠাৰ ওপৰত. এইটো আশা কৰা নহয় যে যিকোনো বীমাৰ গ্ৰাহকে তেনেকুৱা পৰিস্থিতি এটাৰ সন্মুখীন হওক যত উপকাৰীটো পৰিশোধযোগ্য হব.
কাৰখানা এটাত গাড়ী এখন তৈয়াৰ কৰা হয়, শ্বৰুমত বিক্ৰী কৰা হয় আৰু ৰাস্তা চলোৱা হয়. তৈয়াৰ কৰা, বিক্ৰী কৰা আৰু ব্যৱহাৰ কৰাৰ এই প্ৰক্ৰিয়া তিনিটা, তিনিটা বেলেগ বেলেগ সময় আৰু স্থানত সংগটিত হয়.	বীমাৰ ক্ষেত্ৰত এইটো দেখা যায় যে উত্পাদন আৰু উপভোগটো সমসাময়িকভাৱে সংগটিত হয়. উত্পাদন আৰু উপভোগৰ এই সমসাময়িকটো হল সকলোবোৰ সেৱাৰ এটা বিশিষ্ট বৈশিষ্ট্য.

গ্ৰাহককো বাস্তৱিকভাৱে বিচৰাটো হল সেৱাৰ অভিজ্ঞতা এটা. যদি এইটো সন্তুষ্টিটোত কৈ কম হয়, এইটোৱে অসন্তুষ্টিৰ সৃষ্টি কৰে. যদি সেৱাটোৱে প্ৰত্যাশাবোৰ অতিক্ৰম কৰে, গ্ৰাহকজন প্ৰসন্ন হব. ইয়াৰ গ্ৰাহকবোৰক প্ৰসন্ন কৰাটো প্ৰতিটো উদ্যোগৰ লক্ষ্য হোৱা উচিত.

2. সেৱাৰ মানদণ্ড

এইটো বীমা কোম্পানী আৰু সিহঁতৰ কৰ্মকৰ্তাবোৰৰ বাবে প্ৰয়োজনীয়, যত সিহঁতৰ এজেন্টবোৰ অন্তৰ্ভুক্ত, উচ্চ মানদণ্ডৰ সেৱা আগবঢ়াবলৈ আৰু গ্ৰাহকক প্ৰসন্ন কৰিবলৈ.

কিন্তু উচ্চ মানদণ্ডৰ সেৱা কি? ইয়াৰ বিশেষত্ববোৰ কি ?

সেৱাৰ মানদণ্ডত প্ৰখ্যাত আৰ্হি এটাই ["SERVQUAL' নামৰ] আমাক কিছুমান বিচাৰ আগবঢ়ায়. এইটোৱে সেৱাৰ মানদণ্ডৰ পাঁচটা মুখ্য সূচক আলোকিত কৰে

a) **নিৰ্ভৰযোগ্যতা** : প্ৰতিশ্ৰুতি দিয়া সেৱাটো বিশ্বাসযোগ্যভাৱে আৰু সঠিকভাৱে সম্পাদন কৰাৰ দক্ষতা. অধিকাংশ গ্ৰাহকে নিৰ্ভৰযোগ্যতাটোক এই পাঁচটা পৰিধিৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ হিচাপে বিবেচনা কৰে. এইটো হল ভেটি যাৰ ওপৰত ভিত্তি কৰি বিশ্বাসটো গঢ়ি তোলা হয়.

b) **প্ৰতিক্ৰিয়াত্মকতা** : গ্ৰহকবোৰক সহায় কৰিবলৈ সেৱা আগবঢ়োৱা কৰ্মকৰ্তাবোৰৰ আগ্ৰহ আৰু দক্ষতাটো আৰু গ্ৰাহকৰ প্ৰয়োজন অনুসৰি ক্ষিপ্ৰ সঁহাৰি দিয়াটো বুজায়. এইটো সেৱাটো আগবঢ়াওতে প্ৰযোজ্য হোৱা গতি, সঠিকতা, আৰু প্ৰবৃত্তিৰ দৰে সূচকৰ দ্বাৰা জুখিব পাৰি.

c) **নিশ্চয়তা** : সেৱা আগবঢ়াওতাৰ জ্ঞান, যোগ্যতা আৰু শালীনতা আৰু বিশ্বাস আৰু আত্মবিশ্বাস প্ৰদৰ্শন কৰিবলৈ সিহঁতৰ দক্ষতাটো বুজায়. সেৱা আগবঢ়োৱা কৰ্মচাৰীবোৰে কিমান ভালকৈ গ্ৰাহকৰ প্ৰয়োজনবোৰ বুজিব পাৰিছে আৰু সিহঁতক লগ ধৰিবলৈ সক্ষম হৈছে ইত্যাদিৰ গ্ৰাহকৰ মূল্যাংকনৰ দ্বাৰা এইটো উল্লেখ কৰা হয়.

d) **সহানুভূতি** : মানবীয়তাৰ সংস্পৰ্শ হিচাপে ব্যাখ্যা কৰা হয়. এইটো গ্ৰাহকবোৰলৈ আগবঢ়োৱা ব্যক্তিগত মনোযোগ আৰু প্ৰবাহৰ প্ৰবৃত্তিটোত প্ৰতিফলিত হয়.

e) **স্পৰ্শ কৰিব পৰা বোৰ** : দৈহিক পৰিৱেশৰ কাৰকবোৰ প্ৰদৰ্শন কৰে যেনে, গ্ৰাহকে চাব পৰা, শুনিব পৰা আৰু স্পৰ্শ কৰিব পৰা. উদাহৰণস্বৰূপে স্থান, খচৰাটো আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু ক্ৰম সচেতনতা আৰু পেছাদাৰীত্ব যিটো ব্যক্তি এজনে বীমা কোম্পানীৰ কাৰ্য্যালয় পৰিভ্ৰমণ কৰোতে লাভ কৰে, এইটোৱে গ্ৰাহকৰ ওপৰত বহুত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে. দৈহিক বাতাৱৰণটো বিশেষভাৱে গুৰুত্বপূৰ্ণ হৈ পৰে কাৰণ এইটোৱে প্ৰথম আৰু অন্তিম প্ৰভাৱটো তৈয়াৰ কৰে, প্ৰকৃত সেৱাটো অনুভৱ কৰাৰ আগত আৰু পিছত.

3. গ্ৰাহক সেৱা আৰু বীমা

বীমা উদ্যোগৰ যিকোনো শীৰ্ষ বিক্ৰীৰ প্ৰযোজকবোৰক সোধক যে তেওঁলোকে কেনেকৈ শীৰ্ষত উপনীত হৈ থাকিব পাৰিছে. আপুনি হয়তো এটা সাধাৰণ উত্তৰ লাভ কৰিব যে এইটো হল তেওঁলোকৰ বৰ্তি থকা গ্ৰাহকবোৰৰ আস্থা আৰু সমৰ্থন যিয়ে তেওঁলোকক ব্যৱসায় বৃদ্ধি কৰাত সহায় কৰিছে.

আপুনি লগতে জানিব পাৰিব যে তেওঁলোকৰ আয়ৰ বৃহত অংশ এটা চুক্তিবোৰৰ নবীকৰণৰ বাবে সংগ্ৰহ কৰা কমিছনৰ পৰা আহে. সিহঁতৰ গ্ৰাহকবোৰ লগতে নতুন গ্ৰাহকবোৰ লাভৰ এটা উত্স.

সিহঁতৰ সফলতাৰ আঁৰৰ ৰহস্য কি ?

উত্তৰটো সম্ভৱত হল, **সিহঁতৰ গ্ৰাহকবোৰক সেৱা আগবঢ়াবলৈ কৰা আত্মনিয়োগ.**

গ্ৰাহক এজনক সুখী ৰখাটোৱে কেনেকৈ এজেন্ট আৰু কোম্পানীক লাভান্বিত কৰে ?

এই প্ৰশ্নটোৰ উত্তৰ দিবলৈ, গ্ৰাহকৰ জীৱন-কালৰ মূল্যত চকু ফুৰোৱাটো উপযোগী হব.

গ্ৰাহকৰ জীৱন-কালৰ মূল্যটো আৰ্থিক মুনাফাবোৰৰ যোগফল হিচাপে ব্যাখ্যা কৰিব পাৰি যিটো দীৰ্ঘকালৰ বাবে গ্ৰাহক এজনৰ সৈতে সুমধুৰ সম্পৰ্ক এটা তৈয়াৰ কৰাৰ যোগেদি লাভ কৰিব পৰা যায়.

চিত্ৰ 1 : গ্ৰাহকৰ জীৱন-কালৰ মূল্য



এজন এজেন্ট যিয়ে সেৱা আগবঢ়ায় আৰু তেখেতৰ গ্ৰাহকৰ সৈতে নিকট সম্বন্ধ গঢ়িতোলে, সদ্ভাৱ আৰু ব্ৰেণ্ড মূল্য গঢ়িতোলে, যিয়ে ব্যৱসায়টোৰ প্ৰসাৰত সহায় কৰে.

নিজক পৰীক্ষা কৰক 1

গ্ৰাহকৰ জীৱন-কালৰ মূল্যটোৱে কি বুজায়?

I. গ্ৰাহকক তেওঁৰ জীৱন-কালৰ বাবে সেৱা আগবঢ়াওতে কিছুমান মূল্য প্ৰবাহিত হয়
II. ব্যৱসায়ৰ উত্পাদনত গ্ৰাহকক ক্ৰম প্ৰদান কৰা
III. আৰ্থিক মুনাফাবোৰৰ যোগফলটো যিটো গ্ৰাহকৰ সৈতে দীৰ্ঘ সম্পৰ্ক তৈয়াৰ কৰাৰ দ্বাৰা লাভ কৰিব পাৰি
IV. গ্ৰাহকলৈ বিশেষতা প্ৰদান কৰিব পৰা সৰ্বাধিক বীমা

B. বিখ্যাত গ্ৰাহক সেৱা আগবঢ়োৱাত বীমাৰ এজেন্টৰ ভূমিকা

আহক আমি বিবেচনা কৰো এজেন্ট এজনে কেনেকৈ গ্ৰাহকক বিখ্যাত সেৱা আগবঢ়ায়. বিক্ৰীৰ পৰ্য্যায়টোত ভূমিকাটো আৰম্ভ হয় আৰু চুক্তিটোৰ সময়সীমাচোৱাত অব্যাহত থাকে, আৰু ইয়াত নিম্নোক্ত স্তৰবোৰ অন্তৰ্ভুক্ত. চুক্তি এটাত থকা কিছুমান কৰ্তিত্ব আৰু প্ৰতিটো স্তৰত ইয়াৰ ভূমিকাৰ বিষয়ে আমি আলোচনা কৰো আহক.

1. বিক্ৰীৰ বিন্দুটো – শ্ৰেষ্ঠ উপদেশ

সেৱাৰ বাবে প্ৰথম বিন্দুটো হল বিক্ৰীৰ বিন্দুটো. জীৱন বীমাৰ অন্তৰ্গত নোহোৱা বীমা কিনাৰ সৈতে জড়িত জটিল বিবাদবোৰৰ ভিতৰত এটা হল কিনিবলগীয়া সামৰিলোৱাৰ পৰিমাণটো **[নগদ বীমাকৰ্তা]** নিৰ্ধাৰণ কৰা.

মনত এটা প্ৰাথমিক অনুভৱ ৰখাটো গুৰুত্বপূৰ্ণ – বীমা কৰাটো পৰামৰ্শ নকৰে যত অন্য উপায়ে ৰিস্কটো পৰিচালনা কৰিব পাৰি. বীমাকৰ্তাই এইটো নিশ্চিত নকৰিব লাগে যে প্ৰত্যাশিত ক্ষতিটো বীমাৰ মূল্যতকৈ বেছি.

যদি ক্ষতিটোৰ তুলনাত প্ৰিমিয়ামৰ পৰিশোধটো উচ্চ হয়, তেন্তে ৰিস্কটো বহন কৰিবলৈ উপদেশ দিব পৰা যায়.

আনহাতে, যদি যিকোনো সম্ভাৱনাৰ উদ্ভৱে আৰ্থিক বোজাৰ সৃষ্টি কৰে, তেন্তে তেনেকুৱা সম্ভাৱনাৰ বিৰূদ্ধে বীমা কৰাটো বুদ্ধিমানৰ কাম হব.

বীমাৰ প্ৰয়োজন আছে নে নাই, সেইটো পৰিস্থিতিবোৰৰ ওপৰত নিৰ্ভৰ কৰে. যদি সংকট এটাৰ ফলত সম্পত্তি এটাৰ ক্ষতি বা নষ্টৰ সম্ভাৱনাটো সামান্য হয়, তেন্তে ব্যক্তিজনে বীমা কৰাৰ পৰিবৰ্তে ৰিস্কটো ধাৰণ কৰিব পাৰে. একেদৰে যদি বস্তু এটাৰ মূল্যটো নগণ্য হয়, তেন্তে ব্যক্তি এজনে এইটো বীমা নকৰিব পাৰে.

উদাহৰণ

বানপানীৰ সম্ভাৱনা থকা অঞ্চলত বসবাস কৰা ঘৰৰ গৰাকী এজনে বানপানীৰ বিৰূদ্ধে সামৰিলোৱা কিনাটো সহায়ক হিচাপ পৰিগণিত হব.

আনহাতে, যদি ঘৰৰ গৰাকী এজনৰ ঘৰটো যদি বানপানীৰ অতিকম সম্ভাৱনা থকা ঠাইত হয়, তেন্তে বীমাৰ সামৰিলোৱা এটা লাভ কৰাটো প্ৰয়োজনীয় নহয়.

ভাৰতবৰ্ষত, আইনৰ অধীনত তৃতীয় পক্ষৰ বিৰূদ্ধে মটৰ বীমা থকাটো বাধ্যতামূলক. সেইটো ক্ষেত্ৰত ব্যক্তি এজনক বীমাৰ প্ৰয়োজন আছে নে নাই বিতৰ্ক কৰাটো অপ্ৰাসংগিক.

ব্যক্তি এজনে তৃতীয়পক্ষৰ বীমা কিনাটো অপৰিহাৰ্য যদি তেওঁ যান-বাহন এখনৰ গৰাকী হয় কাৰণ ৰাজহুৱা পথ চলাবলৈ হলে এইটো বাধ্যতামূলক. একেসময়তে নিজৰ গাড়ীখনৰ ক্ষতিৰ সম্ভাৱনাটো সামৰিলোৱাটো বুদ্ধিমানৰ কাম হব যিটো বাধ্যতামূলক নহয়.

সাম্ভাৱ্য ক্ষতিৰ অংশ এটা নিজে বহন কৰাৰ ক্ষেত্ৰত, কাটি ৰখাৰ বাবে পছন্দ কৰিবলৈ বীমাকৰ্তাৰ বাবে এইটো অৰ্থজনিত হব পাৰে. বাণিজ্যিক গ্ৰাহক এজনৰ বিভিন্ন প্ৰকাৰৰ

প্ৰয়োজন থাকিব পাৰে, কাৰখানা, মানুহ, গাড়ী, দায়িত্ব প্ৰদৰ্শন ইত্যাদি সামৰিলোৱাকে ধৰি. লবলগীয়া সামৰিলোৱা আৰু পলিচীবোৰৰ বাবে তেখেতক সঠিক উপদেশৰ প্ৰয়োজন হব পাৰে.

অধিকাংশ জীৱন বীমাৰ অন্তৰ্গত নোহোৱা পলিচীবোৰ বিস্তৃতভাৱে দুটা শ্ৰেণীৰ অন্তৰ্গত:

- ✓ নামাংকিত সংকট পলিচীবোৰ
- ✓ সকলোবোৰ ৰিস্কৰ পলিচী

পিছৰটো অধিক খৰচী যিহেতু সিহঁতে সকলোবোৰ ক্ষতি সামৰি লয়, বিশেষকৈ পলিচীটোৰ অধীনত অন্তৰ্ভুক্ত নকৰাবোৰহয়. সেয়ে 'নামাংকিত সংকট' পলিচীবোৰ পছন্দ কৰা হয় যত ক্ষতিৰ আটাইতকৈ বেছি সাম্ভাব্য কাৰকবোৰ পলিচীটোত থকা সংকটবোৰৰ নামটোৰ দ্বাৰা সামৰিলোৱাটো অধিক উপযোগী হব পাৰে, যিহেতু তেনেকুৱা পদক্ষেপ এটাই পদক্ষেপবোৰ সুৰক্ষিত কৰে আৰু বীমাকৰ্তাক প্ৰয়োজনীয় সামৰিলোৱা আগবঢ়ায়.

এজেন্টে বাস্তৱিকতে তেখেতৰ কমিছন উপাৰ্জন কৰিবলৈ আৰম্ভ কৰে যেতিয়া তেখেতে বিষয়টোৰ ওপৰত শ্ৰেষ্ঠ পৰামৰ্শ আগবঢ়ায়. এজেন্টৰ বাবে এইটো মনত ৰখা লাভজনক হব যে যেতিয়ালৈ ব্যক্তি এজনে বীমাটোক ৰিস্কৰ সৈতে লেনদেন কৰাৰ এটা মানবিশিষ্ট পদক্ষেপ দৰে চায়, তাত ৰিস্ক অবৰোধন বা ক্ষতি প্ৰতিৰোধৰ দৰে অন্য কাৰিকৰীবোৰ থাকিব পাৰে যিবোৰ বীমাৰ মূল্যটো হ্ৰাস কৰাৰ বাবে বিকল্পবোৰৰ দৰে উপলব্ধ.

বীমাকৰ্তা এজনৰ দৃষ্টিকোণৰফালৰ পৰা উদাহৰণস্বৰূপে প্ৰাসংগিক প্ৰশ্নবোৰ হব পাৰে:

- ✓ কাটি ৰখাটো বিবেচনা কৰি কিমান প্ৰিমিয়াম সুৰক্ষিত হব?
- ✓ প্ৰিমিয়ামবোৰৰ ৰেহাইত ক্ষতি প্ৰতিৰোধৰ কাৰ্যকলাপ এটাই কিমান প্ৰভাৱ বিস্তাৰ কৰে?

যেতিয়া জীৱন বীমাৰ অন্তৰ্গত নোহোৱা বীমা কোম্পানীৰ বিক্ৰেতা হিচাপে গ্ৰাহকক লগ ধৰে, এজেন্টে এজনে নিজকে গ্ৰাহকৰ সন্মুখত তেখেতৰ ভূমিকাটো কি হব তাৰ বিষয়ে প্ৰশ্ন কৰাটো প্ৰয়োজনীয়. তেখেতে তালৈ মাত্ৰ বিক্ৰী লাভ কৰিবলৈ গৈ আছে নেকি বা এজন প্ৰশিক্ষক আৰু লগৰীয়াৰ দৰে গ্ৰাহকৰ সৈতে সম্পৰ্ক স্থাপন কৰিবলৈ গৈ আছে যিয়ে গ্ৰাহকজনক তেওঁৰ ৰিস্কবোৰ অধিক কাৰ্যকৰী হোৱাকৈ পৰিচালনা কৰাত সহায় কৰিব?

গ্ৰাহকৰ কোণটো পৃথক. তেওঁ টকা খৰচ কৰি অধিক বীমা লাভ কৰাৰ প্ৰতি অধিক চিন্তিত নহয়, তাৰ পৰিবৰ্তে তেওঁ ৰিস্ক পৰিচালনা কৰাৰ মূল্যটো হ্ৰাস কৰাত অধিক গুৰুত্ব দিয়ে. সেয়ে চিন্তাটো গ্ৰাহকে ধাৰণ কৰিব নোৱাৰা আৰু সেয়ে বীমা কৰাটো অপৰিহাৰ্য হোৱা ৰিস্কবোৰ চিনাক্ত কৰাত প্ৰয়োগ কৰা হয়.

অন্য অৰ্থত বীমাৰ এজেন্ট এজনৰ ভূমিকাটো এজন সাধাৰণ বিক্ৰেতাতকৈ অধিক. তেখেতে লগতে ৰিস্ক নিৰূপক, আণ্ডাৰৰাইটাৰ, ৰিস্ক পৰিচালনাৰ পৰামৰ্শদাতা, ৰীতিগত সমাধানবোৰৰ আৰ্হিকৰ্তা আৰু এজন সম্পৰ্ক তৈয়াৰকাৰীৰ দৰে কাৰ্য কৰিব লাগে যিয়ে বিশ্বাস আৰু দীৰ্ঘকালীন সম্পৰ্কবোৰ গঢ়ি তোলে.

2. প্ৰস্তাৱৰ স্তৰটো

বীমাৰ বাবে প্ৰস্তাৱটো পূৰ কৰাত গ্ৰাহকক এজেন্টে সহায় আগবঢ়াব লাগে. তাত উল্লেখিত উক্তিবোৰৰ বাবে বীমাকৰ্তাই দায়িত্ব গ্ৰহণ কৰাটো প্ৰয়োজনীয়. প্ৰস্তাৱৰ ফৰ্ম এখনৰ মুখ্য দৃষ্টিকোণবোৰ পাঠ ৫ ত আলোচনা কৰা হৈছে.

এইটো বৰ গুৰুত্বপূৰ্ণ যে প্ৰস্তাৱৰ ফৰ্মখনত থকা প্ৰতিটো প্ৰশ্নৰ বাবে উত্তৰ হিচাপে পূৰ কৰাবোৰৰ পূংখানুপূংখ বিৱৰণ প্ৰস্তাৱকৰ আগত এজেন্ট ব্যাখ্যা আৰু স্পষ্ট কৰা উচিত. দাবী এটাৰ ক্ষেত্ৰত, সঠিক আৰু সম্পূৰ্ণ তথ্য দিয়া হোৱা ব্যৰ্থতাই গ্ৰাহকৰ দাবীটো বিপদত পেলাব পাৰে.

কেতিয়াবা অতিৰিক্ত তথ্য থাকিব পাৰে যিটো পলিচীটো সম্পূৰ্ণ কৰিবলৈ দাবী কৰিব পাৰে. তেনেকুৱা ক্ষেত্ৰবোৰত কোম্পানীয়ে গ্ৰাহকক প্ৰত্যক্ষভাৱে বা এজেন্ট / উপদেশকৰ জৰিয়তে অবগত কৰিব পাৰে. উভয় ক্ষেত্ৰতে, সকলোবোৰ দাবী কৰা উপচাৰিকা সম্পন্ন কৰাত গ্ৰাহকক সহায় কৰাটো প্ৰয়োজনীয় হৈ পৰে আৰু আনকি তেওঁ বা তেখেতৰ আগত এইবোৰৰ প্ৰয়োজনীয়তাৰ বিষয়ে ব্যাখ্যা কৰাও উচিত.

3. স্বীকৃতিৰ স্তৰ

a) প্ৰচ্ছেদ টোকা

প্ৰচ্ছেদ টোকাৰ বিষয়ে পাঠ '৫' ত আলোচনা কৰা হৈছে. কোম্পানীয়ে বীমাকৰ্তাক প্ৰচ্ছেদ টোকা প্ৰদান কৰাটো সুনিশ্চিত কৰাটো হল এজেন্টৰ দায়িত্ব, যত প্ৰযোজ্য. এইক্ষেত্ৰত ক্ষিপ্ৰতাৰে গ্ৰাহকৰ লগত যোগাযোগ কৰক যে কোম্পানী আৰু এজেন্টৰ হাতত তেওঁৰ অধিকাৰবোৰ সুৰক্ষিত.

b) পলিচী নথিটো প্ৰদান

পলিচীটোৰ প্ৰদান কৰাটো হল এজেন্ট এজনে গ্ৰাহকৰ কাষ চাপি পৰাৰ অন্য এটা মুখ্য সুযোগ. যদি কোম্পানীৰ আইনে পলিচীৰ নথিটো ব্যক্তিৰ হাতেৰে প্ৰদানৰ অনুমতি দিয়ে, তেতিয়া এইটো সংগ্ৰহ কৰি গ্ৰাহকক প্ৰদান কৰাটো এটা উত্তম চিন্তা হব পাৰে.

যদি পলিচীটো পলিচীটো মেইলৰ দ্বাৰা প্ৰত্যক্ষভাৱে পথোৱা হয়, তেন্তে পলিচী নথি পথোৱাটো অৱগত হোৱাৰ পিছত এজেন্টে গ্ৰাহকৰ সৈতে যোগাযোগ কৰাটো অপৰিহাৰ্য. এইটো হল গ্ৰাহক লগ কৰাৰ আৰু লাভ কৰা নথি সম্পৰ্কে যিকোনো অনিশ্চিতবোৰ ব্যাখ্যা কৰাৰ এটা সুযোগ. এইটো লগতে বিভিন্ন ধৰণৰৰ পলিচী চৰ্তবোৰ আৰু পলিচী ধাৰকবোৰৰ অধিকাৰবোৰ আৰু অগ্ৰাধিকাবোৰৰ বিষয়ে স্পষ্ট কৰাৰ এটা সুযোগ যাতে গ্ৰাহকে ইয়াৰ লাভ উঠাব পাৰে. এই কাৰ্যটোৱে এই কাৰ্যটোৱে বিক্ৰীৰ উপৰিও সেৱাৰ স্তৰ এটা আগবঢ়োৱাৰ ইচ্ছাটো প্ৰদৰ্শন কৰে.

এই আলোচনাটো লগতে গ্ৰাহকক সেৱা আগবঢ়াবলৈ আৰু সম্পূৰ্ণ সমৰ্থন আগবঢ়াবলৈ এজেন্টৰ বচনবদ্ধতাটো প্ৰতিপন্ন কৰাৰ এটা সুযোগ.

পৰৱৰ্তী যুক্তিসংগত স্তৰটো হব তেখেতৰ জ্ঞাত অন্য ব্যক্তিবোৰৰ নাম আৰু বিশেষ তথ্যৰ বিষয়ে সোধা যিয়ে সম্ভৱত এজেন্টৰ সেৱাবোৰৰ পৰা উপকৃত হব পাৰে. যদি গ্ৰাহকে

নিজে উক্ত ব্যক্তিবোৰৰ সৈতে যোগাযোগ কৰে আৰু এজেন্টক তেওঁলোকৰ সৈতে পৰিচয় কৰি দিয়ে, তেন্তে এইটোৱে ব্যৱসায়ত এটা গুৰুত্বপূৰ্ণ সাফল্যৰ বুজাব.

c) পলিচী নবীকৰণ

জীৱন বীমাৰ অন্তৰ্গত নোহোৱা বীমা পলিচীবোৰ প্ৰতি বছৰে নবীকৰণ কৰিব লাগে আৰু প্ৰতিটো নবীকৰণৰ সময়ত গ্ৰাহকৰ এটা পছন্দ থাকে, একেটা কোম্পানীৰ সৈতে বীমা অব্যাহত ৰাখিবলৈ বা অন্য কোম্পানীলৈ সলনি কৰিবলৈ. এইটো এটা সংকটপূৰ্ণ মূহূৰ্ত যত এজেন্ট আৰু কোম্পানীটোৰ দ্বাৰা তৈয়াৰ কৰা সদিচ্ছা আৰু বিশ্বাসটো পৰীক্ষা হয়.

যদিও তাত এটা নিৰ্দিষ্ট তাৰিখত পলিচীটোৰ ম্যাদ উকলিযোৱাৰ বিষয়ে বীমাকৰ্তাক অৱগত কৰিবলৈ বীমাকাৰীবোৰৰ ফালৰ পৰা কোনো আইনী দায়িত্ব নাথাকে, তথাপিও শালীনতা আৰু এটা স্বচ্ছল ব্যৱসায়িক অভ্যাস নিশ্চিত কৰাৰ বিষয়বস্তু হিচাপে বীমাকাৰীবোৰে ম্যাদ উকলিযোৱা তাৰিখটোৰ এমাহ আগতে পলিচীটোৰ নবীকৰণৰ বাবে আমন্ত্ৰণ জনাই **"নবীকৰণৰ জাননী"** এখন প্ৰেৰণ. নবীকৰণৰ তাৰিখটোৰ যথেষ্ট আগত এজেন্টে নবীকৰণ বিষয়ে মনত পেলাই দিবলৈ গ্ৰাহকৰ সংস্পৰ্শলৈ অহাটো আৱশ্যকীয় যাতে তেওঁ সেইটোৰ বাবে ব্যৱস্থা কৰিব পাৰে.

সময়ে সময়ে গ্ৰাহকক লগ ধৰা, পৰিয়ালৰ অনুষ্ঠা এটা বা অন্য কিছুমান উত্সৱত তেওঁক শুভেচ্ছাজ্ঞাপন কৰাৰ দ্বাৰা সম্পৰ্কটো শক্তিশালী হয়. একেদৰে এটা কঠিন বা দুখজনক মুহূৰ্তত সহায় আগবঢ়োৱাৰ দ্বাৰা.

4. দাবীৰ স্তৰ

দাবীটো নিষ্পত্তিৰ সময়ত এজেন্টে মুখ্য ভূমিকা এটা গ্ৰহণ কৰে. দাবীৰ উদ্ভৱ হোৱা ঘটনাটোৰ বিষয়ে তত্ক্ষণাত বীমাকাৰীক অৱগত কৰাটো নিশ্চিত কৰাটো তেখেতৰ কাৰ্য আৰু গ্ৰাহকে সকলোবোৰ আনুষ্ঠানিকতা সাৱধানেৰ অনুসৰণ কৰিব লাগে আৰু ক্ষতিটো নিৰূপৰণ কৰোতে প্ৰয়োজন হব পৰা সকলোবোৰ অনুসন্ধানত সহযোগ কৰিব লাগে.

নিজক পৰীক্ষা কৰক 2

দৃশ্যপটটো চিনাক্ত কৰক যত বীমাৰ প্ৰয়োজনীয়তাটোৰ বাবে বিৰ্তকৰ প্ৰয়োজন নহয়.

I. সম্পত্তি বীমা
II. ব্যৱসায়িক দায়িত্ব বীমা
III. তৃতীয় পক্ষৰ দায়িত্বৰ বাবে মটৰ বীমা
IV. অগ্নিকাণ্ডৰ বীমা

C. অভিযোগ নিবাৰণ

1. অৱলোকন

উচ্চ প্ৰাথমিকতাৰ কাৰ্যৰ বাবে সময়টো হল যেতিয়া গ্ৰাহক এটা অভিযোগ থাকে. মনত ৰাখিব যে অভিযোগ এটাৰ ক্ষেত্ৰত, সেৱা প্ৰদানটো ব্যৰ্থ হয় [এইটো বীমাকাৰীৰ ৰেকৰ্ডবোৰ শুদ্ধ কৰোতে হোৱা বিলম্বৰ পৰা আৰম্ভ কৰি দাবী এটা নিষ্পত্তিৰ ক্ষেত্ৰত ক্ষিপ্ৰতাৰ অভাৱলৈ পৰিসৰ কৰিব পাৰি] যিয়ে গ্ৰাহকক অসন্তুষ্ট কৰি তোলে, এইটো হল কাহিনীটোৰ এটা অংশ.

তেনেকুৱা ব্যৰ্থতাৰ বিষয়ে সিহঁতৰ স্পষ্টীকৰণৰ বাবে গ্ৰাহকবোৰ হাতাশ আৰু ক্ষুণ্ণ হয়. প্ৰতিটো সেৱাৰ ব্যৰ্থতাৰ সৈতে উদ্ভৱ হোৱা অনুভৱ আৰু সম্পৰ্কীয় আবেগবোৰ দুই ধৰণৰ:

- ✓ প্ৰথমে অন্যায়ৰ সন্দেহ, প্ৰৱঞ্চিত হোৱাৰ এটা অনুভৱ
- ✓ দ্বিতীয়টো অনুভৱ হল গৰ্বত আঘাত – চাবলৈ তৈয়াৰ কৰা আৰু সৰু অনুভৱ কৰা

গ্ৰাহকৰ সৈতে সম্পৰ্ক ৰক্ষাৰ ক্ষেত্ৰত অভিযোগ এটা হল মুখ্য **"সঁচাৰ মূহুৰ্ত"**; যদি কোম্পানীটোৱে ইয়াৰ অধিকাৰ লাভ কৰে তেন্তে গ্ৰাহকৰ প্ৰতি নিষ্ঠাটো প্ৰকৃততে উন্নত কৰাৰৰ সম্ভাৱনা আছে. এই ক্ষেত্ৰত মানৱতাৰ স্পৰ্শটো জটিল; গ্ৰাহকবোৰে মূল্য অনুভৱ কৰিব বিচাৰে.

যদি আপুনি এজন পেছাদাৰী বীমা উপদেশক, তেন্তে আপুনি প্ৰথম স্থানত তেনেকুৱা এটা পৰিস্থিতিৰ সংগটিত হবৰ অনুমতি নিদিব. **আপুনি বিষয়টো কোম্পানীৰ উপযুক্ত বিষয়াৰ আগত উত্থাপন কৰিব. মনত ৰাখিব যে, কোম্পানী কোনো এজন ব্যক্তি গ্ৰাহকৰ সমস্যাৰ গৰাকী নহয়, আপুনি যিমান সম্ভৱ কৰে.**

ফৰিয়াদবোৰ / অভিযোগবোৰে গ্ৰাহকৰ আগ্ৰহবোৰৰ প্ৰতি আমি কিমান সজাগ সেইটো প্ৰদৰ্শন কৰিবলৈ আমাক অনুমতি দিয়ে. সেইবোৰ বাস্তৱিকতে দৃঢ় স্তম্ভ যাৰ ওপৰত ভিত্তি কৰি বীমাৰ এজেন্টৰ সদিচ্ছা আৰু ব্যৱসায় তৈয়াৰ হয়. প্ৰতিটো পলিচী নথিৰ শেষত, বীমা কোম্পানীবোৰে অভিযোগ নিবাৰণৰ প্ৰক্ৰিয়াটোৰ পূংখানুপূংখ বিৱৰণ দাঙি ধৰে, যিটো নথিৰ আৰক্ষণবোৰ ব্যাখ্যা কৰাৰ সময়ত গ্ৰাহকবোৰক জনোৱা উচিত.

মৌখিকভাৱে প্ৰচাৰ (ভাল/বেয়া) কৰাটোৱে বিক্ৰী আৰু সেৱাত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰে. মনত ৰাখিব যে ভাল সেৱাটোৱক ৫ জনোৱাৰ দ্বাৰা পুৰস্কিত কৰা হয়, সেইদৰে বেয়া সেৱাটো ২০ ব্যক্তিৰ মাজত প্ৰচাৰ হয়.

2. সন্মিলিত অভিযোগ পৰিচালনাৰ প্ৰণালী (IGMS)

(থ) "নিৰ্ধাৰিত ব্যক্তি" মানে হল বাণিজ্যিক এজেন্টৰ এজন কৰ্মচাৰী যিজন বাণিজ্যিক এজেন্ট এজনৰ হৈ বীমা ব্যৱসায় যাচা আৰু আহৰণ কৰাৰ বাবে দায়বদ্ধ আৰু যিয়ে এই নিয়মাৱলীবোৰত উল্লেখিত প্ৰয়োজনীয় অৰ্হতা, প্ৰশিক্ষণ আৰু পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ দৰে চৰ্ত সমূহ পূৰ কৰিব লাগে;

(দ) "দূৰসঞ্চাৰযোগে বিপণনকৰ্তা" মানে হল বাণিজ্যিক যোগাযোগবোৰ প্ৰেৰণৰ ব্যৱসায়টো অনুষ্ঠিত কৰিবলৈ আৰু কৰ্তৃপক্ষৰ দ্বাৰা প্ৰদান কৰা প্ৰমাণপত্ৰ এখন ধাৰণ কৰিবলৈ দূৰসঞ্চাৰ বাণিজ্যিক যোগাযোগবোৰৰ গ্ৰাহক পছন্দৰ নিয়মাৱলীবোৰ, ২০০২ ৰ পাঠ III ৰ অধীনত ভাৰতীয় দূৰসঞ্চাৰ নিয়ন্ত্ৰণ কৰ্তৃপক্ষৰ সৈতে পঞ্জীয়ন কৰা এটা তত্ব;

(ধ) শব্দ আৰু প্ৰকাশভংগীবোৰ ব্যৱহাৰ কৰা হৈছে আৰু এই নিয়মাৱলীবোৰত বাখ্যা কৰা হোৱা নাই কিন্তু অধিনিয়মত বাখ্যা কৰা হৈছে, যিহেতু সময়ে সময়ে সংশোধন কৰা হয়, বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ণ কৰ্তৃপক্ষ অধিনিয়ম, ১৯৯৯ অথবা তাৰ অধীনস্থ যিকোনো নিয়মাৱলী / নিৰ্দেশনাত সিহঁতৰ সৈতে অৰ্থবোৰ একাদিক্ৰমে উল্লেখ কৰা উচিত.

২. নিয়মাৱলীবোৰৰ সুবিধা আৰু প্ৰাসংগিকতা:

(১) এই নিয়মাৱলীবোৰে তলত উল্লেখ কৰা দৰে পঞ্জীয়নৰ প্ৰমাণপত্ৰৰ বৈধতাৰ সময়চোৱাত জীৱন বীমাকাৰী, সাধাৰণ বীমাকাৰী আৰু স্বাস্থ্য বীমাকাৰীবোৰৰ বীমা ব্যৱসায়টো যাচা, আহৰণ কৰা আৰু সেৱা আগবঢ়োৱাৰ উদ্দেশ্যে বাণিজ্যিক এজেন্টবোৰৰ পঞ্জীয়নটো সামৰি লব.

(ক) বাণিজ্যিক এজেন্ট (জীৱন) এজনে সিহঁতৰ বীমা প্ৰডাক্টবোৰ যাচিবলৈ, আহৰণ কৰিবলৈ আৰু সেৱা আগবঢ়াবলৈ সৰ্বাধিক তিনিটা জীৱন বীমাকাৰীৰ সৈতে ব্যৱস্থা কৰিব পাৰে.

(খ) বাণিজ্যিক এজেন্ট (সাধাৰণ) এজনে সিহঁতৰ বীমা প্ৰডাক্টবোৰ যাচিবলৈ, আহৰণ কৰিবলৈ আৰু সেৱা আগবঢ়াবলৈ সৰ্বাধিক তিনিটা সাধাৰণ বীমাকাৰীৰ সৈতে ব্যৱস্থা কৰিব পাৰে. পিছলৈ, বাণিজ্যিক এজেন্টে (সাধাৰণ) সাধাৰণ বীমা প্ৰডাক্টবোৰৰ খুচুৰা শ্ৰেণীবোৰ যাচিব, আহৰণ কৰিব আৰু সেৱা আগবঢ়াব পাৰিব আৰু তেনেকুৱা বীমাকাৰীবোৰৰ বাণিজ্যিক শ্ৰেণীবোৰৰ এটা মুঠ নগদ বীমা থাকে যিটো বীমাৰ সকলো সংমিশ্ৰণৰ ক্ষেত্ৰত প্ৰতিটো ৰিস্কৰ বাবে পাঁচ কোটিতকৈ অধিক নহয়.

(গ) বাণিজ্যিক এজেন্ট (স্বাস্থ্য) এজনে সিহঁতৰ বীমা প্ৰডাক্টবোৰ যাচিবলৈ, আহৰণ কৰিবলৈ আৰু সেৱা আগবঢ়াবলৈ সৰ্বাধিক তিনিটা জীৱন বীমাকাৰীৰ সৈতে ব্যৱস্থা কৰিব পাৰে.

(ঘ) বাণিজ্যিক এজেন্টৰ (মিশ্ৰ) ক্ষেত্ৰত, (ক) ৰ পৰা (খ) লৈকে পৰিচ্ছেদত উল্লেখ কৰাৰ দৰে চৰ্তবোৰ প্ৰয়োগ কৰা হব.

(ঙ) বীমা কোম্পানীবোৰৰ ক্ষেত্ৰত ব্যৱস্থাত কৰা যিকোনো সালসলনি কেৱল মাত্ৰ কৰ্তৃপক্ষৰ আগতীয়া অনুমোদন আৰু বৰ্তি থকা পলিচীধাৰকবোৰৰ সেৱাৰ বাবে কৰা উপযুক্ত ব্যৱস্থাপনাৰ সৈতে কৰা হব.

৩. আবেদনপত্ৰৰ বিবেচনা -

(১) পঞ্জীয়নৰ বাবে আবেদনপত্ৰ এখন বিবেচনা কৰোতে কৰ্তৃপক্ষই বাণিজ্যিক এজেন্ট এজনৰ কাৰ্যকলাপ বহন কৰা সকলো বিষয়ৰ প্ৰতি লক্ষ্য ৰাখে.

(২) ওপৰোক্তটোৰ দ্বাৰা প্ৰভাৱিত নোহোৱাকৈ, কৰ্তৃপক্ষই বিশেষকৈ নিম্নোক্তবোৰৰ প্ৰতি লক্ষ্য ৰাখিব, যেনে:-

(ক) অধিনিয়মৰ খণ্ড ৪২ঘ ৰ উপ-খণ্ড (৫) ৰ অধীনত আবেদনকাৰীয়ে যিকোনো অযোগ্যতাৰ সন্মুখীন হৈছে নেকি;

(খ) কাৰ্য্যালয়ৰ বাবে পৰ্য্যপ্ত ঠাই, সা-সৰঞ্জাম আৰু এই কাৰ্যবোৰ কাৰ্যকৰী কৰিবলৈ প্ৰশিক্ষিত মানৱসম্পদ আদিৰ দৰে আবেদনকাৰীৰ প্ৰয়োজনীয় আন্ত:গাঁথনি আছে নে;

(গ) কৰ্তৃপক্ষই পূৰ্বতে অনুজ্ঞাপত্ৰ/পঞ্জীয়ন কৰিবলৈ অস্বীকাৰ কৰা কোনো ব্যক্তি আবেদনকাৰীৰ সৈতে প্ৰতক্ষ্য বা পৰোক্ষভাৱে জড়িত নেকি.

ক. <u>ব্যাখ্যা</u> **: -** এই উপ-পৰিচ্ছেদৰ উদ্দেশ্যবোৰৰ বাবে, "প্ৰত্যক্ষ বা পৰোক্ষভাবে সংযোগী" প্ৰকাশভংগীটো মানে হল এটা প্ৰতিষ্ঠান বা এটা কোম্পানী বা এটা বাণিজ্যিক গোষ্ঠীৰ ক্ষেত্ৰত, এটা সহযোগী, এটা সহায়ক কোম্পানী, এটা আন্ত:সংযোগী অধীনস্থ বিভাগ বা আবেদনকাৰীৰ এটা গোট কোম্পানী. ইয়াৰ দ্বাৰা এইটো স্পষ্ট কৰা হয় যে কোম্পানীবোৰৰ অধিনিয়ম, ২০১৩ বা প্ৰতিযোগিতা অধিনিয়ম, ২০০২ ধাৰ্য্য কৰাৰ দৰে এই পদবোৰে একে অৰ্থ বহন কৰিব, ঘটনাটো যিয়েই নহওক কিয়.

(ঘ) আবেদনকাৰীটোৰ মুখ্য বিষয়াজন এজন স্নাতক হয়নে আৰু তেওঁ কৰ্তৃপক্ষৰ দ্বাৰা ধাৰ্য কৰা পাঠক্ৰম অনুসৰি অনুমোদিত প্ৰতিষ্ঠান এখনৰ পৰা অতিকমেও পঞ্চাশ ঘন্টাৰ তত্বভিত্তিক আৰু ব্যৱহাৰিক প্ৰশিক্ষণ গ্ৰহণ কৰিছে নে আৰু প্ৰশিক্ষণৰ শেষত পৰীক্ষা সমিতিৰ দ্বাৰা অনুষ্ঠিত কৰা পৰীক্ষাটোত উত্তীৰ্ণ হৈছে নে.

উল্লেখ কৰা হয় যে যদি আবেদনকাৰীৰ মুখ্য বিষয়াজন মুম্বাইস্থিত ভাৰতীয় বীমা প্ৰতিষ্ঠানৰ এজন সহযোগী/গৱেষণাকাৰী অথবা লণ্ডনস্থিত CII ৰ এজন সহযোগী/গৱেষণাকাৰী অথবা ভাৰতীয় বীমাংকক প্ৰতিষ্ঠানৰ এজন সহযোগী/গৱেষণাকাৰী অথবা হায়দৰাবাদস্থিত বীমা আৰু ৰিস্ক পৰিচালনা প্ৰতিষ্ঠানৰ পৰা যিকোনো স্নাতকোত্তৰ ডিগ্ৰীধাৰী হয় তেন্তে তত্বভিত্তিক আৰু ব্যৱহাৰিক প্ৰশিক্ষণটো পঁচিশ ঘন্টাৰ হব.

(ঙ) আবেদনকাৰীৰ মুখ্য বিষয়া, সঞ্চালক আৰু আন কৰ্মচাৰীবোৰে বিগত তিনি বছৰ কালচোৱাত এই নিয়মাৱলীবোৰৰ অনুসূচী III ত নিৰ্ধাৰণ কৰাৰ দৰে অধ্যাদেশ উলংঘন কৰিছে নে নাই;

(চ) আবেদনকাৰীৰ মুখ্য ব্যৱসায়টো বীমাৰ উপৰিও অন্য হোৱাৰ ক্ষেত্ৰত আবেদনকাৰীয়ে বাণিজ্যিক এজেন্টৰ দৰে ইয়াৰ কাৰ্যকলাপ আৰু অন্য কাৰ্যকলাপবোৰৰ মাজত বিত্তীয় বিষয়ত সু-সম্পৰ্ক ৰক্ষা কৰি চলে নে.

(ছ) এই নিয়মাৱলীবোৰৰ অনুবন্ধ । ত থকা স্পষ্টিকৰণটোৰ ওপৰত ভিত্তি কৰি মুখ্য বিষয়া/ সঞ্চালক(বোৰ)/নিৰ্ধাৰিত ব্যক্তিবোৰ যোগ্য আৰু উপযুক্ত হয় নে; আৰু

(জ) কৰ্তৃপক্ষই ৰায় দিয়ে যে পলিচীধাৰকবোৰৰ স্বাৰ্থ সাপেক্ষে পঞ্জীয়ন মঞ্জুৰ কৰা হব.

(৩) আবেদনকাৰীৰ নিৰ্ধাৰিত ব্যক্তিবোৰে নিম্নোক্ত প্ৰয়োজনীয়তাবোৰ পূৰ কৰিব লাগে -

ক. স্বীকৃতিপ্ৰাপ্ত বোৰ্ড/প্ৰতিষ্ঠান এটাৰ পৰা ১২ শ্ৰেণী বা তাৰ সমান্তৰাল পৰীক্ষাত উত্তীৰ্ণ হব লাগে:

খ. (i) নিৰ্ধাৰিত ব্যক্তিজনে অনুমোদিত প্ৰতিষ্ঠান এখনৰ পৰা জীৱন, সাধাৰণ, স্বাস্থ্যৰ পঞ্জীয়ন বিচৰা নিৰ্দিষ্ট শ্ৰেণীটোৰ বাবে অতিকমেও পঞ্চাশ ঘন্টাৰ প্ৰশিক্ষণ গ্ৰহণ কৰিব লাগিব আৰু পৰীক্ষা সমিতিৰ দ্বাৰা অনুষ্ঠিত কৰা পৰীক্ষাত উত্তীৰ্ণ হব লাগিব;

(ii) বাণিজ্যিক এজেন্টৰ (মিশ্ৰ) নিৰ্ধাৰিত ব্যক্তিজনে অনুমোদিত প্ৰতিষ্ঠান এখনৰ পৰা পৈসত্তোৰ ঘন্টাৰ প্ৰশিক্ষণ গ্ৰহণ কৰিব লাগিব আৰু পৰীক্ষা সমিতিৰ দ্বাৰা অনুষ্ঠিত কৰা পৰীক্ষাত উত্তীৰ্ণ হব লাগিব;

গ. বীমা ব্যৱসায় যাচিবলৈ আৰু লাভ কৰিবলৈ বাণিজ্যিক এজেন্টৰ দ্বাৰা নিয়োজিত নিৰ্ধাৰিত ব্যক্তিবোৰৰ এই নিয়মাৱলীবোৰত উল্লেখ কৰাৰ দৰে কৰ্তৃপক্ষৰ দ্বাৰা প্ৰদান কৰা বৈধ প্ৰমাণপত্ৰ থাকিব লাগে. বাণিজ্যিক এজেন্টটোৰ বৈধ পঞ্জীয়ন সাপেক্ষে প্ৰদান কৰা তাৰিখটোৰ পৰা তিনি বছৰৰ বাবে প্ৰমাণপত্ৰখন বৈধ হোৱা উচিত;

নিৰ্ধাৰিত ব্যক্তিজনে বাণিজ্যিক এজেন্টৰ মুখ্য বিষয়াৰ জৰিয়তে কৰ্তৃপক্ষক প্ৰমাণপত্ৰ লাভৰ এই নিয়মাৱলীবোৰৰ অনুবন্ধ ৩ ত নিৰ্ধাৰিত ফৰমেটটো অনুসৰি আবেদন জনাব লাগিব.

ঘ. বাণিজ্যিক এজেন্টৰ নিৰ্ধাৰিত ব্যক্তি এজনে আন যিকোনো বাণিজ্যিক এজেন্টলৈ সলনি হবলৈ ইচ্ছা কৰিলে, বৰ্তমানৰ বাণিজ্যিক এজেন্টে প্ৰদান কৰা আপত্তিবিহীনৰ প্ৰমাণপত্ৰ এখনৰ সৈতে নতুন বাণিজ্যিক এজেন্টৰ যোগেদি কৰ্তৃপক্ষৰ ওচৰত আবেদন জনোৱাৰ যোগেদি সেইটো কৰিব পাৰিব. বৰ্তমানৰ বাণিজ্যিক এজেন্টে ৩০ দিনৰ ভিতৰত আপত্তিবিহীনৰ প্ৰমাণপত্ৰ এখন প্ৰদান নকৰাৰ ক্ষেত্ৰত, এইটো মানি লোৱা হব যে তেওঁৰ সালসলনিটোৰ ক্ষেত্ৰত সংলিষ্ট বাণিজ্যিক এজেন্টৰ কোনো আপত্তি নাই. বাণিজ্যিক এজেন্টৰ পৰা অনুৰোধ লাভৰ পিছত কৰ্তৃপক্ষই বাণিজ্যিক এজেন্টৰ নামটো সলনি কৰাৰ লগতে সালসলনিটো উল্লেখ কৰি সংশোধিত প্ৰমাণপত্ৰ এখন প্ৰদান কৰে.

ঙ. অৰ্হতা সম্পন্ন আৰু ইতিমধ্যে বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ণ কৰ্তৃপক্ষৰ (বাণিজ্যিক এজেন্টবোৰৰ অনুজ্ঞাপত্ৰ প্ৰদান) নিয়মাৱলী, ২০০২ ৰ অধীনত অনুজ্ঞাপত্ৰ প্ৰাপ্ত বাণিজ্যিক

এজেন্ট এজনৰ সৈতে কাম কৰা নিৰ্ধাৰিত ব্যক্তিবোৰ আৰু/বা মুখ্য বীমা প্ৰৱন্ধক সকলে এই নিয়মাৱলীবোৰৰ অধীনত বাণিজ্যিক এজেন্টবোৰৰ সৈতে কাৰ্য অব্যাহত ৰাখিব পাৰে. তথাপিও, তেনেকুৱা নিৰ্ধাৰিত ব্যক্তিবোৰ আৰু/বা মুখ্য বীমা প্ৰৱন্ধক সকলৰ আচৰণ সম্বন্ধীয় বিস্তৃত বিৱৰণ পঞ্জীয়ন মঞ্জুৰীৰ বাবে আবেদনপত্ৰ এখন দিয়াৰ সময়ত বা তেওঁলোকৰ পঞ্জীয়নৰ তাৰিখটোৰ পৰা ছয়মাহৰ ভিতৰত কৰ্তৃপক্ষৰ আগত দাঙি ধৰা হয়. বিস্তৃত বিৱৰণ লাভ কৰাৰ পিছত কৰ্তৃপক্ষই ওপৰোক্ত উপ-নিয়মাৱলী (গ) ত উল্লেখ কৰাৰ দৰে তেনেকুৱা নিৰ্ধাৰিত ব্যক্তিবোৰ আৰু/বা মুখ্য বীমা প্ৰৱন্ধক সকলক অনুজ্ঞাপত্ৰ এখন প্ৰদান কৰে.

৪. পঞ্জীয়নৰ নবীকৰণ - (১) বাণিজ্যিক এজেন্ট এজনে পঞ্জীয়নৰ ম্যাদ উকলি যোৱাৰ আগতে ত্ৰিশ দিনৰ ভিতৰত পঞ্জীয়ন নবীকৰণৰ বাবে কৰ্তৃপক্ষৰ ওচৰত প্ৰয়োজনীয় মাচুল সহিত ফৰ্ম ক ৰ যোগেদি আবেদনপত্ৰ এখন দাখিল কৰিব পাৰে.

উল্লেখ কৰা হয় যে আবেদনপত্ৰ খন যদি কৰ্তৃপক্ষই উক্ত সময়চোৱাৰ পিছত কিন্তু চলিত পঞ্জীয়নটোৰ প্ৰকৃত ম্যাদ উকলি যোৱাৰ আগতে লাভ কৰে, তেন্তে কৰ্তৃপক্ষক অতিৰিক্ত এশ টকা মাচুল সহ প্ৰযোজ্য কৰ পৰিশোধ কৰিব লাগিব.

পিছলৈ উল্লেখ কৰা হয় যে বিলম্ব এটাৰ বাবে আবেদনকাৰীয়ে লিখিতভাৱে দাখিল কৰা পৰ্য্যপ্ত কাৰণবোৰৰ ক্ষেত্ৰত কৰ্তৃপক্ষই আগৰ প্ৰতিবন্ধটোৰ দ্বাৰা সামৰি নলব পাৰে, কিন্তু আবেদনকাৰীয়ে সাঁতশ পঞ্চাশ টকাৰ অতিৰিক্ত মাচুল সহ প্ৰযোজ্য কৰ পৰিশোধৰ কৰিলে পঞ্জীয়নৰটোৰ ম্যাদ উকলিযোৱা তাৰিখটোৰ পিছত নবীকৰণৰ বাবে আবেদনপত্ৰ এখন গ্ৰহণ কৰিব পাৰে.

টোকা : বাণিজ্যিক এজেন্ট এজনক পঞ্জীয়ন উকলিযোৱাৰ নব্বে দিনৰ আগতে পঞ্জীয়ন নবীকৰণৰ বাবে আবেদনপত্ৰ জমা দিবলৈ অনুমতি প্ৰদান কৰা হয়.

(২) পঞ্জীয়নৰ নবীকৰণ এটা বিচৰাৰ আগতে মুখ্য বিষয়া আৰু নিৰ্ধাৰিত ব্যক্তিবোৰে অনুমোদিত প্ৰতিষ্ঠান এখনৰ দ্বাৰা প্ৰদান কৰা অতিকমেও পঁচিশ ঘন্টাৰ স্থানীয় আৰু ব্যৱহাৰিক প্ৰশিক্ষণ সম্পূৰ্ণ কৰিব লাগিব.

(৩) নবীকৰণৰ বাবে আবেদনপত্ৰ এখনৰ সৈতে নিয়মাৱলী ৭ ৰ অধীনত নিৰ্ধাৰণ কৰা ধৰণে উপ-নিয়মাৱলী (I) ৰ অধীনত বিবেচনা কৰা হব.

(৪) পঞ্জীয়নটোৰ নবীকৰণৰ বাবে নিৰ্ধাৰিত সকলোবোৰ চৰ্ত আবেদনকাৰীয়ে পূৰ কৰাৰ বুলি সন্তুষ্টি লাভৰ ক্ষেত্ৰত কৰ্তৃপক্ষই পঞ্জীয়নটো তিনি বছৰৰ বাবে ফৰ্ম গ যোগে নবীকৰণ কৰিব আৰু আবেদনকাৰীলৈ সূচনা প্ৰেৰণ কৰিব.

৫. প্ৰক্ৰিয়াটো য'ত পঞ্জীয়ন এটা মঞ্জুৰ কৰা নহয় -

(১) য'ত নিয়মাৱলী ৪ৰ অধীনত পঞ্জীয়ন এটাৰ মঞ্জুৰীৰ বাবে অথবা নিয়মাৱলী ১১ ৰ অধীনত নবীকৰণৰ বাবে দাখিল কৰা আবেদনপত্ৰখনে নিয়মাৱলী ৭ ত নিৰ্ধাৰিত চৰ্তবোৰ পূৰ নকৰে, তেন্তে কৰ্তৃপক্ষই পঞ্জীয়নৰ প্ৰমাণপত্ৰখন মঞ্জুৰ অথবা নবীকৰণ কৰিবলৈ অস্বীকাৰ কৰিব পাৰে..

উল্লেখ কৰা হয় যে শুনানীৰ বাবে আবেদনকাৰীক যথাৰ্থ সুযোগ প্ৰদান নকৰালৈকে কোনো আবেদনপত্ৰ অগ্ৰাহ্য কৰা নহব.

(২) পঞ্জীয়নৰ প্ৰমাণ পত্ৰ এখন নামঞ্জুৰ কৰা বা নবীকৰণৰ কৰিবলৈ অস্বীকাৰ কৰাৰ ক্ষেত্ৰত কৰ্তৃপক্ষই ত্ৰিশদিনৰ ভিতৰত আবেদনকাৰীক আবেদনপত্ৰখন অগ্ৰাহ্যৰ কাৰণ সমূহ জনাব লাগে.

(৩) কৰ্তৃপক্ষৰ সিদ্ধান্তটোৰ দ্বাৰা অসন্তুষ্ট হোৱা যিকোনো আবেদনকাৰীয়ে উপ-নিয়মাৱলী (২) ৰ অধীনত কৰ্তৃপক্ষই জাৰি কৰা নিৰ্দেশটোৰ প্ৰতিলিপি এটা লাভৰ তাৰিখটোৰ পৰা পোয়ছল্লিশ দিনৰ ভিতৰত ছিকিউৰিটিছ এপিলেট ট্ৰিবিউনেলৰ ওচৰত আপীল এটা কৰিব পাৰে, তেনেকুৱা আপীল এটাৰ বাবে নিৰ্ধাৰিত প্ৰক্ৰিয়া অনুসৰি.

৬. পঞ্জীয়ন মঞ্জুৰ কৰিবলৈ অসন্মতিৰ প্ৰভাৱ - এজন আবেদনকাৰী, যাৰ আবেদনপত্ৰখন নিয়মাৱলী ৪ৰ অধীনত পঞ্জীয়নৰ মঞ্জুৰীৰ বাবে বা নিয়মাৱলী ১১ ৰ অধীনত নবীকৰণৰ বাবে কৰ্তৃপক্ষৰ দ্বাৰা অগ্ৰাহ্য কৰা হৈছে, নিয়মাৱলী ১২(২)ৰ অধীনত জাননী লাভৰ তাৰিখটোৰ পৰা এজন বাণিজ্যিক এজেন্ট হিচাপে কাৰ্য কৰিব নোৱাৰিব. কিন্তু ইতিমধ্যে তেওঁৰ যোগেদি সম্পন্ন হোৱা চুক্তিবোৰ সাপেক্ষে সেৱা আগবঢ়াবলৈ তেওঁ দায়বদ্ধ. উক্ত বৰ্তি থকা চুক্তিবোৰৰ ম্যাদ উকলি নোযোৱালৈকে যিবোৰ ইতিমধ্যে বন্ধ হৈছে অথবা এটা ছমহীয়া সময়সীমাৰ বাবে তেনেকুৱা সেৱা এটা অব্যাহত থাকিব, যিটো আগতে হয়, যিটোৰ ভিতৰত তেওঁলোকে সংলিষ্ট বীমাকাৰীটোৰ সৈতে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব.

৭. বাণিজ্যিক এজেন্টৰ পঞ্জীয়ন মঞ্জুৰ কৰাৰ চৰ্তবোৰ:

নিয়মাৱলী ৯ৰ অধীনত মঞ্জুৰ কৰা পঞ্জীয়নটো বা নিয়মাৱলী ১১ ৰ অধীনত মঞ্জুৰ কৰা নবীকৰণটো অন্য ফালে নিম্নোক্ত চৰ্তবোৰৰ বিষয়বস্তু:-

(i) এই নিয়মাৱলীবোৰৰ অধীনত পঞ্জীয়ন কৰা বাণিজ্যিক এজেন্টজনক কেৱল মাত্ৰ নিয়মাৱলী (৩) ত নিৰ্ধাৰণ কৰাৰ দৰে বীমা ব্যৱসায় যাচিবলৈ আৰু কৰিবলৈ অনুমতি দিয়া হব;

(ii) বাণিজ্যিক এজেন্টে অধিনিয়মৰ ব্যৱস্থাবোৰ, বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ণ কৰ্তৃপক্ষৰ অধিনিয়ম, ১৯৯৯ আৰু নিয়মাৱলী, চাৰ্কুলাৰ, মাৰ্গদৰ্শন আৰু তাৰ অধীনত কৰ্তৃপক্ষই সময়ে সময়ে জাৰি কৰা আন যিকোনো নিৰ্দেশনা পালন কৰিব;

(iii) যদি ইতিমধ্যে জমা দিয়া তথ্যটোত কোনো বস্তুনিষ্ঠ সলনি কৰা হৈছে অথবা তেওঁলোকে কৰ্তৃপক্ষৰ ওচৰত আগতে দাখিল কৰা যিকোনো তথ্য মিছা বা ভুল

হিচাপে পৰিগণিত হৈছে তেন্তে বাণিজ্যিক এজেন্টে কৰ্তৃপক্ষক তত্ক্ষণাত লিখিতভাৱে অৱগত কৰিব লাগিব;

(iv) বাণিজ্যিক এজেন্টে ইয়াৰ গ্ৰাহকবোৰৰ অভিযোগবোৰ নিবাৰণৰ বাবে অভিযোগ লাভৰ ১৪ দিনৰ ভিতৰত পৰ্য্যপ্ত পদক্ষেপ গ্ৰহণ কৰে আৰু হয়তো কৰ্তৃপক্ষই নিৰ্ধাৰণ কৰা ফৰমেট আৰু ধৰণ অনুসৰি কৰ্তৃপক্ষক তেনেকুৱা গ্ৰাহকবোৰৰ পৰা লাভ কৰা অভিযোগবোৰৰ সংখ্যা, স্বৰূপ আৰু অন্য বিশেষবোৰৰ বিষয়ে অবগত কৰে;

(v) বাণিজ্যিক এজেন্টে তেওঁলোকে নিযুক্তি কৰা নিৰ্ধাৰিত ব্যক্তিবোৰৰ সংখ্যা আৰু সম্পদবোৰ অনুপাতে উচিত সংখ্যক বীমা পলিচী যাচিব আৰু লাভ কৰিব.

(vi) কৰ্তৃপক্ষৰ দ্বাৰা নিৰ্ধাৰিত ফৰমেটটোত বাণিজ্যিক এজেন্টে ৰেকৰ্ডবোৰ তত্বাৱধান কৰিব, যিবোৰে পলিচী অনুযায়ী আৰু নিৰ্ধাৰিত ব্যক্তি অনুযায়ী পূংখানুপূংখ বিৱৰণ ধাৰণ কৰিব য'ত বাণিজ্যিক এজেন্টৰ দ্বাৰা যাচা প্ৰতিটো পলিচী নিৰ্ধাৰিত ব্যক্তিজনলৈ টেগ কৰা হয়, কেৱল মাত্ৰ সেই প্ৰডাক্টবোৰৰ বাহিৰে যিবোৰ সাধাৰণ, কাউন্টাৰত বেচা হৈছে আৰু কৰ্তৃপক্ষৰ দ্বাৰা বিশেষভাৱে অনুমোদিত. বাণিজ্যিক এজেন্টে সঁজুলিবোৰ স্থাপন কৰিব যিয়ে কৰ্তৃপক্ষক তেনেকুৱা ৰেকৰ্ড আৰু পূংখানুপূংখ বিৱৰণবোৰত নিয়মীয়া প্ৰৱেশৰ অনুমতি দিব.

(vii) বীমাৰ প্ৰডাক্টবোৰ যাচিবৰ বাবে বাণিজ্যিক এজেন্টে যিকোনো পৰিস্থিতিতে বহুস্তৰীয় বিপণনৰ ব্যৱস্থা কৰিব নোৱাৰিব;

(viii) বাণিজ্যিক এজেন্টে ইয়াৰ সঞ্চালক, মুখ্য বিষয়া আৰু নিৰ্ধাৰিত ব্যক্তিবোৰৰ ওপৰত প্ৰযোজ্য অধ্যাদেশ মানি চলাটোৰ বিষয়ে নিশ্চয়তা প্ৰদান কৰিব লাগিব;

(ix) নিয়মাৱলী ৩১ ত উল্লেখ কৰাৰ দৰে তেওঁলোকৰ বাণিজ্যিক এজেন্সী ব্যৱসায়টোৰ বাবে বাণিজ্যিক এজেন্টে হিচাবৰ পৃথক বহীৰ ব্যৱস্থা কৰিব লাগিব;

৮. মাচুল পৰিশোধ আৰু মাচুল পৰিশোধ কৰিবলৈ ব্যৰ্থ হোৱাৰ পৰিণাম -

(১) পঞ্জীয়ন আৰু নবীকৰণৰ বাবে আবেদনৰ সময়ত প্ৰত্যেক বাণিজ্যিক এজেন্টে পুনৰ ঘূৰাই নোপোৱা আবেদনপত্ৰৰ মাচুল ১০,০০০ টকা সহিত প্ৰযোজ্য কৰ পৰিশোধ কৰিব. "ভাৰতীয় বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ণ কৰ্তৃপক্ষ" ৰ পক্ষত তৈয়াৰ কৰা হায়দৰাবাদত দেয় একাউন্টযোগে প্ৰাপ্ত ড্ৰাফ্টেৰে অথবা ভাৰতীয় বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ণ কৰ্তৃপক্ষলৈ স্বীকৃতিপ্ৰাপ্ত ইলেকট্ৰনিক্স পুঁজি স্থানান্তৰণৰ যোগেদি মাচুলবোৰ পৰিশোধ কৰিব পাৰি. আবেদনপত্ৰৰ মাচুলটো অবিহনে কোনো আবেদনপত্ৰ প্ৰক্ৰিয়া কৰা নহব.

(২) কৰ্তৃপক্ষৰ পৰা পঞ্জীয়ন মঞ্জুৰীৰ জাননী লাভৰ ১৫ দিনৰ ভিতৰত আবেদনকাৰীয়ে ২৫,০০০ টকাৰ মাচুল সহ প্ৰযোজ্য কৰ পৰিশোধ কৰিব. মাচুল লাভ আৰু পঞ্জীয়নটো মঞ্জুৰৰ বাবে চৰ্তবোৰৰ সন্তুষ্টিকৰ অনুপালনৰ ক্ষেত্ৰত কৰ্তৃপক্ষই আবেদনপত্ৰ দাখিল কৰা শ্ৰেণীটোৰ অধীনত এজন বাণিজ্যিক এজেন্ট হিচাপ কাৰ্য কৰিবলৈ পঞ্জীয়নটো মঞ্জুৰ কৰিব.

(৩) নবীকৰণৰ বাবে আবেদন কৰিব বিচৰা বাণিজ্যিক এজেন্ট এজনে ২৫,০০০ টকাৰ মাচুলসহিতে প্ৰযোজ্য কৰৰ সৈতে নিৰ্ধাৰিত ফৰমেটটোত নবীকৰণৰ বাবে আবেদনপত্ৰ এখন দাখিল কৰিব লাগিব.

৯. **পাৰিশ্ৰমিক -**

(১) পাৰিশ্ৰমিকৰ পৰিশোধটো অথবা বাণিজ্যিক এজেন্ট এজনে পাৰিশ্ৰমিক লাভ কৰাটো এইক্ষেত্ৰত কৰ্তৃপক্ষৰ দ্বাৰা সময়ে সময়ে নিৰ্ধাৰিত নিয়মাৱলীবোৰৰ দ্বাৰা পৰিচালনা কৰা হব.

(২) IRDA (বাণিজ্যিক এজেন্টবোৰৰ অনুজ্ঞাপত্ৰ প্ৰদান) নিয়মাৱলীবোৰ, ২০০২ ৰ অধীনত অনুজ্ঞাপত্ৰ লাভ কৰা কৰা বাণিজ্যিক এজেন্টবোৰক তেওঁলোকৰ আহৰণ কৰা ব্যৱসায়ৰ বাবে পাৰিশ্ৰমিক গ্ৰহণৰ বাবে অনুমতি দিয়া হয়, উল্লেখিত এই নিয়মাৱলীবোৰৰ নিয়মাৱলী ২৪(২) নিৰ্ধাৰিত কৰাৰ দৰে তেওঁলোকে তেওঁলোকৰ গ্ৰাহকবোৰক সেৱা আগবঢ়োৱাটো অব্যাহত ৰাখে. এই নিয়মাৱলীবোৰৰ অধীনত পঞ্জীয়ন কৰিবলৈ আগ্ৰহী বাণিজ্যিক এজেন্টবোৰৰ ক্ষেত্ৰত তেওঁলোকে পুৰণি চুক্তি আৰু নতুন চুক্তিবোৰৰ অধীনত লাভ কৰা পাৰিশ্ৰমিকটো তেওঁলোকৰ হিচাবৰ বহীত নিয়মাৱলী ৩১ত নিৰ্ধাৰণ কৰাৰ দৰে পৃথকে প্ৰকাশ কৰিব লাগিব.

১০. আগ্ৰহৰ মতবিৰোধ -

বীমা ব্যৱসায় যাচোতে আৰু লাভ কৰোতে, বাণিজ্যিক এজেন্টে নিম্নোক্তবোৰ মানি চলিব লাগিব:

(i) ব্যৱসায়ৰ বিশেষ শ্ৰেণী এটাত এটাতকৈ অধিক বীমাকাৰীৰ সৈতে বুজাবুজি কৰা বাণিজ্যিক এজেন্টে বীমাকাৰীবোৰৰ তালিকাখন প্ৰত্যাশিত গ্ৰাহকৰ আগত প্ৰকাশ কৰিব লাগে, যাৰ সৈতে সিহঁতে প্ৰডাক্টবোৰ বিতৰণৰ ব্যৱস্থা কৰিছে আৰু তেওঁলোকক সামৰিলোৱাৰ সুবিধা, পলিচীৰ চৰ্ত, প্ৰিমিয়াম পৰিশোধ, প্ৰিমিয়ামৰ চৰ্ত আদিৰ বিষয়ে বিতং বিৱৰণ আৰু লগতে সিহঁতৰ সৈতে উপলব্ধ যিকোনো প্ৰডাক্ট সংক্ৰান্তত গ্ৰাহকে জানিব বিচৰা আন যিকোনো তথ্য প্ৰকাশ কৰিব লাগিব. তাৰোপৰি, আগবঢ়োৱা বীমা প্ৰডাক্টো সাপেক্ষে কমিছনৰ নিৰিখটো প্ৰকাশ কৰিব, যদি প্ৰত্যাশিতই জানিব বিচাৰে;

(ii) য'ত মুখ্য ব্যৱসায়িক প্ৰডাক্ট এটাৰ সৈতে সহায়ক হিচাপে বীমা এটা বিক্ৰী কৰা হয় তেনেকুৱা ক্ষেত্ৰত বাণিজ্যিক এজেন্ট বা ইয়াৰ অংশীদাৰ বা ইয়াৰ সহযোগীবোৰে মুখ্য প্ৰডাক্টটোৰ ক্ৰেতাক ইয়াৰ জৰিয়তে বীমা প্ৰডাক্টটো জৰুৰীভাৱে কিনিবলৈ বাধ্য কৰিব নোৱাৰিব. বাণিজ্যিক এজেন্টৰ মুখ্য বিষয়া আৰু CFO (বা ইয়াৰ সমান্তৰাল) য়ে ছমহীয়া ভিত্তিত, অনুসূচী VIII ত উল্লেখ কৰাৰ দৰে ফৰমেটটোত কৰ্তৃপক্ষৰ সৈতে প্ৰমাণপত্ৰ এখন দাখিল কৰিব লাগিব, এইটো ঘোষণা কৰি যে কোনো প্ৰত্যাশিতক জোৰ-জোবৰদস্তি বীমা প্ৰডাক্ট এটা বিক্ৰী কৰা হোৱা নাই.

(iii) কোনো বীমাকাৰীয়ে বাণিজ্যিক এজেন্টে ইয়াৰ সৈতে প্ৰতিজন গ্ৰাহকৰে বীমা কৰাটো দাবী নিবিচাৰিব.

১১. কৰ্তৃপক্ষৰ আগত কৰা প্ৰকাশবোৰ -

(১) বাণিজ্যিক এজেন্ট এটা হব বিচৰা আবেদনকাৰী এজনে আবেদপত্ৰ দাখিল কৰাৰ সময়ত কৰ্তৃপক্ষৰ ওচৰত আবেদনপত্ৰখন বিবেচনাৰ কৰাৰ বাবে প্ৰাসংগিক সকলো বস্তুনিষ্ঠ তথ্য নিজে দাখিল কৰিব লাগে. তেওঁলোকৰ আবেদপত্ৰখনৰ বিবেচনাৰ বাবে দাঙিধৰা তথ্যত হোৱা যিকোনো সলনিৰ ক্ষেত্ৰত আবেদনপত্ৰখন দাখিলৰ পিছৰ পৰ্য্যায়ত অথবা প্ৰক্ৰিয়া হৈ থকাৰ সময়ত কৰ্তৃপক্ষক তেনেকুৱা সলনিৰ বিষয়ে অৱগত কৰিব লাগে, কৰ্তৃপক্ষৰ বিবেচনাৰ বাবে আবেদনকাৰীৰ দ্বাৰা স্বয়ং.

(২) একেদৰে, কৰ্তৃপক্ষই প্ৰদান কৰা বৈধ অনুজ্ঞাপত্ৰ এখন ধাৰণ কৰা বাণিজ্যিক এজেন্ট এজনে পঞ্জীয়ন প্ৰদানৰ পিছৰ পৰ্য্যায়ত, যিহৰ ওপৰত ভিত্তি কৰি তেওঁলোকক পঞ্জীয়ন কৰা হৈছিল সেইবোৰত কৰা যিকোনো বস্তুনিষ্ঠ সলনিৰ ক্ষেত্ৰত কৰ্তৃপক্ষক স্ব-ইচ্ছাই অবগত কৰিব, উপযুক্ত সময়ৰ ভিতৰত কিন্তু তেনেকুৱা সলনি সংঘটিত হোৱাৰ পৰা আৰম্ভ কৰি ৩০ দিনৰ বেছি হব নোৱাৰিব. তেনেকুৱা তথ্য লাভৰ লগে লগে কৰ্তৃপক্ষই যিকোনো স্পষ্টিকৰণ বিচাৰিব পাৰে অথবা উপযুক্ত বুলি ভবা কিছুমান নিৰ্দেশ জাৰি কৰিব পাৰে.

(৩) নিগম এটাই আন নিয়ন্ত্ৰণক বা চৰকাৰী সমিতিয়ে তেওঁলোকৰ বিৰুদ্ধে কৰা যিকোনো কাৰ্যবাহীৰ বিষয়ে কৰ্তৃপক্ষক উপযুক্ত সময়ৰ ভিতৰত অবগত কৰিব লাগিব, কিন্তু তেনেকুৱা কাৰ্যবাহী ব্যৱস্থাৰ আৰম্ভণিৰ পৰা ৩০ দিনতকৈ বেছি হব নালাগিব. লগতে তেনেকুৱা সমিতিয়ে জাৰি কৰা যিকোনো কাৰ্য বা নিৰ্দেশনাৰ বিষয়ে কৰ্তৃপক্ষক ওপৰত উল্লেখিত সময়সীমাৰ ভিতৰত অবগত কৰিব লাগিব

(৪) বাণিজ্যিক এজেন্টে উপযুক্তি বুলি বিবেচনা কৰা তেনেকুৱা তথ্য বা প্ৰত্যুত্তৰ দাঙি ধৰাটো কৰ্তৃপক্ষই সময়ে সময়ে দাবী কৰিব পাৰে.

(৫) বাণিজ্যিক এজেন্টে বীমাৰ প্ৰডাক্টবোৰ বিতৰণ কৰিবলৈ প্ৰস্তাবিত তেওঁলোকৰ কাৰ্য্যালয়ৰ বিতং বিৱৰণৰ আৰু লগতে কৰ্তৃপক্ষই প্ৰদান কৰা প্ৰমাণপত্ৰ সংখ্যাটো সহিতে নিৰ্ধাৰিত ব্যক্তিবোৰৰ বিতং বিৱৰণ কৰ্তৃপক্ষৰ আগত প্ৰকাশ কৰিব লাগিব. পিছলৈ বাণিজ্যিক এজেন্টে কৰা যিকোনো কাৰ্য্যালয় মুকলি কৰা বা বন্ধৰ বিষয়ে কৰ্তৃপক্ষক অবগত কৰিব লাগিব. কৰ্তৃপক্ষই পিচলৈ উপযুক্ত বুলি বিবেচনা কৰা তথ্য বিচাৰিব পাৰে.

(৬) ওপৰত প্ৰতিষ্ঠা কৰা চৰ্তবোৰ পালন কৰিবলৈ ব্যৰ্থ হ'লে পঞ্জীয়ন বাতিল বা নিলম্ব, আৰ্থিক জৰিমনা বা আন যিকোনো ব্যৱস্থাৰ সন্মুখীন হব লাগিব, যিটো কৰ্তৃপক্ষই উপযুক্ত বুলি ভাবে.

১২. প্ৰডাক্টবোৰৰ বিতৰণৰ বাবে বীমাকাৰীবোৰৰ সৈতে ব্যৱস্থাবোৰ

(ক) এই নিয়মাৱলীবোৰৰ অধীনত পঞ্জীয়নভুক্ত বাণিজ্যিক এজেন্টবোৰে প্ৰডাক্টবোৰৰ বিতৰণৰ বাবে বীমাকাৰীবোৰৰ সৈতে ব্যৱস্থা গ্ৰহণ কৰিব. তেনেকুৱা ব্যৱস্থা গ্ৰহণৰ ৩০ দিনৰ ভিতৰত কৰ্তৃপক্ষৰ আগত এই ব্যৱস্থাবোৰৰ বিষয়ে প্ৰকাশ কৰিব লাগিব. তেনেকুৱা ব্যৱস্থা গ্ৰহণৰ নূন্যতম সময়সীমাটো এবছৰৰ বাবে হব পাৰে;

(খ) তেনেকুৱা ব্যৱস্থাবোৰ আৰম্ভ কৰোতে কোনো বাণিজ্যিক এজেন্টে আশ্বাস দিব নতুবা যিকোনো বীমাকাৰীয়ে কেৱল বিশেষ বীমাকাৰী এটাৰ প্ৰডাক্ট বিতৰণ কৰিবলৈ বাণিজ্যিক এজেন্টক বাধ্য কৰিব নোৱাৰিব;

(গ) ব্যৱস্থাবোৰত পলিচীধাৰকবোৰ সাপেক্ষে বাণিজ্যিক এজেন্টৰ দায়িত্ব আৰু উত্তৰদায়িত্ববোৰ, বীমমাকাৰী আৰু বাণিজ্যিক এজেন্টবোৰৰ দায়িত্ব আৰু উত্তৰদায়িত্ববোৰ, ব্যৱস্থাবোৰৰ সমাপ্তিৰ নিয়ম আৰু চৰ্তবোৰ অন্তৰ্ভুক্ত কৰিবলৈ সুবিধা থাকিব;

(ঘ) পলিচীধাৰকবোৰৰ স্বাৰ্থৰ বিপৰীতে কোনো ব্যৱস্থা গ্ৰহণ কৰা নহব;

(ঙ) বাণিজ্যিক এজেন্টে যিকোনো বীমাকাৰীৰ সৈতে থকা ব্যৱস্থাটো সমাপ্ত কৰিব বিচৰাৰ ক্ষেত্ৰত, ব্যৱস্থাটো সমাপ্তি কৰাৰ কাৰণবোৰ বীমাকাৰী আৰু কৰ্তৃপক্ষক অৱগত কৰাৰ পিছত তেওঁলোকে সেইটো কৰিব পাৰিব. তেনেকুৱা ক্ষেত্ৰত, তেওঁলোকে নিশ্চিত কৰিব লাগিব যে বৰ্তি থকা পলিচীবোৰৰ ম্যাদ উকলি নোযোৱালৈকে অথবা এটা ছমহীয়া সময়সীমাৰ বাবে সেৱাটো অব্যাহত থাকিব, যিটো আগতে হয়, যিটো সময়ৰ ভিতৰত তেওঁলোকে সংলিষ্ট বীমাকাৰীটোৰ সৈতে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব;

(চ) বীমাকাৰীয়ে যিকোনো বাণিজ্যিক এজেন্টেৰ সৈতে থকা ব্যৱস্থাটো সমাপ্ত কৰিব বিচৰাৰ ক্ষেত্ৰত, ব্যৱস্থাটো সমাপ্তি কৰাৰ কাৰণবোৰ বাণিজ্যিক এজেন্ট আৰু কৰ্তৃপক্ষক অৱগত কৰাৰ পিছত তেওঁলোকে সেইটো কৰিব পাৰিব. তেনেকুৱা ক্ষেত্ৰত, সংলিষ্ট বীমাকাৰীবোৰে বাণিজ্যিক এজেন্টবোৰে আহৰণ কৰা পলিচীবোৰৰ সেৱাৰ উত্তৰদায়িত্ব বহন কৰিব. তেনেকুৱা সকলো ক্ষেত্ৰত, বীমাকাৰীয়ে পলিচীধাৰকক সেৱাৰ ব্যৱস্থাবোৰত কৰা সলনিবোৰৰ বিষয়ে অবগত কৰিব;

(ছ) কোনো বীমাকাৰীয়ে যিকোনো হস্তাক্ষৰ মাচুল অথবা আন কোনো মাচুল পৰিশোধ কৰিব আৰু কোনো বাণিজ্যিক এজেন্টে গ্ৰহণ কৰিব নোৱাৰিব, কেৱল মাত্ৰ ইয়াৰ বাণিজ্যিক এজেন্ট হবৰ বাবে প্ৰাসংগিক নিয়মাৱলীবোৰৰ অধীনত কৰ্তৃপক্ষই অনুমতি দিয়াবোৰৰ বাহিৰে;

(জ) কোনো বীমাকাৰীয়ে বাণিজ্যিক এজেন্টৰ মুখ্য বিষয়া, নিৰ্ধাৰিত ব্যক্তি আৰু আন কৰ্মাচাৰীবোৰক প্ৰত্যক্ষভাৱে ইনছেন্টিভ (নগদ অথবা নগদবিহীন) পৰিশোধ নকৰিব;

(ঝ) কৰ্তৃপক্ষই যিকোনো সময়ত যিকোনো অথবা বাণিজ্যিক এজেন্টক বিতৰণ ব্যৱস্থাবোৰ বন্ধ কৰিবলৈ নিৰ্দেশ দিব পাৰে, তাৰ কাৰণবোৰ ৰেকৰ্ড কৰাৰ দ্বাৰা.

১৩. পলিচীধাৰকবোৰৰ সেৱাটো -

(১) চুক্তিটোৰ সমগ্ৰ সময়চোৱাত ইয়াৰ পলিচীধাৰকবোৰক সেৱা আগবঢ়োৱাটো এই নিয়মাৱলীবোৰৰ অধীনত পঞ্জীয়ন কৰা বাণিজ্যিক এজেন্ট এজনৰ কৰ্তব্য. সেৱাবোৰ হ'ল অধিনিয়মৰ খণ্ড ৬৪VB ৰ অধীনত প্ৰয়োজন হোৱা প্ৰিমিয়ামৰ পৰিশোধত সহায় কৰা, দাবী এটাৰ সময়ত প্ৰয়োজনীয় সহায় আৰু মাৰ্গদৰ্শন কৰা. বীমা চুক্তি এটা চলি থকাৰ সময়ত উদ্ভৱ হোৱা বিতৰ্কবোৰৰ ক্ষেত্ৰত সকলোধৰণৰ সেৱা আগবঢ়োৱা আৰু মাৰ্গদৰ্শন কৰা.

(২) IRDA (বাণিজ্যিক এজেন্টবোৰৰ অনুজ্ঞাপত্ৰ প্ৰদান) নিয়মাৱলীবোৰ, ২০০২ ৰ অধীনত অনুজ্ঞাপত্ৰ লাভ কৰা বাণিজ্যিক এজেন্ট এজনৰ ক্ষেত্ৰত, তেওঁলোকে এই নিয়মাৱলীবোৰৰ নিয়মাৱলী ১(৩) মানি চলিব লাগিব. সেইদৰে এই নিয়মাৱলীবটোৰ উপ-পৰিচ্ছেদ (১) ৰ অধীনত দাবী কৰাৰ দৰে তেওঁলোকে তেওঁলোকৰ বৰ্তি থকা পলিচীধাৰকবোৰলৈ সেৱাটো অব্যাহত ৰাখিব, তেনেকুৱা পলিচীবোৰৰ ম্যাদ উকলি নোযোৱালৈকে অথবা এটা ছমহীয়া সময়সীমাৰ বাবে, যিটো আগতে হয়, যিটো সময়ৰ ভিতৰত তেওঁলোকে সংলিষ্ট বীমাকাৰীটোৰ সৈতে চুক্তিবোৰৰ সেৱাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব. ব্যৱস্থাবোৰৰ সৈতে তেনেকুৱা চুক্তিবোৰৰ বিতং বিৱৰণবোৰৰ বিষয়ে কৰ্তৃপক্ষক ব্যৱস্থাবোৰ গ্ৰহণৰ ত্ৰিশ দিনৰ ভিতৰত অবগত কৰিব লাগিব.

১৪. টেলিফোনযোগে বিপণন আৰু বাণিজ্যিক এজেন্ট এজনৰ দূৰবৰ্তী বিপণনৰ কাৰ্যপ্ৰণালীৰ দ্বাৰা বীমাৰ বিক্ৰী -

(১) এজন বাণিজ্যিক এজেন্ট যিয়ে বীমাৰ প্ৰডাক্টবোৰ বিতৰণৰ উদ্দেশ্যে টেলিফোনযোগে বিপণনকৰ্তা এজনৰ সেৱাবোৰত অথবা দূৰৱৰ্তী বিপণনৰ কাৰ্যপ্ৰণালীবোৰত নিযুক্ত হব বিচাৰে, তেওঁ অনুসূচী VII ত প্ৰতিষ্ঠা কৰা নিৰ্দেশনাবোৰ মানি চলিব লাগিব.

(২) ওপৰোক্ত উপ-নিয়মাৱলী (১) ৰ দ্বাৰা প্ৰভাৱিত নোহোৱাকৈ বাণিজ্যিক এজেন্ট এজনে টেলিফোনযোগে বিপণকৰ্তা এজনৰ সেৱাবোৰত নিযুক্ত হবৰ বাবে নিম্নোক্ত অতিৰিক্ত চৰ্তবোৰ মানি চলিব লাগিব:

ক. বাণিজ্যিক এজেন্টৰ দ্বাৰা নিয়োগ কৰা টেলিফোনযোগে বিপণনকৰ্তাই বিষয়টো সন্দৰ্ভত ভাৰতীয় দূৰসঞ্চাৰ নিয়ন্ত্ৰণ কৰ্তৃপক্ষৰ দ্বাৰা প্ৰদান কৰা বিভিন্ন চাৰ্কুলাৰ আৰু/বা মাৰ্গদৰ্শনবোৰ বা আন যিকোনো নিৰ্দেশ মানি চলিব লাগিব;

খ. বীমাৰ মধ্যস্থতাৰ বাবে টেলিফোনযোগে বিপণনৰ কাৰ্যক্ৰম আৰম্ভ কৰিবলৈ ইচ্ছা কৰা বাণিজ্যিক এজেন্ট এজনে কৰ্তৃপক্ষৰ আগতীয়া অনুমোদন বিচাৰিব লাগিব, এই নিয়মাৱলীবোৰৰ অনুবন্ধ ৪ত কৰ্তৃপক্ষৰ দ্বাৰা নিৰ্ধাৰিত ফৰ্মত. সেইটোৰ প্ৰমাণিতকৰণৰ পিছত কৰ্তৃপক্ষই টেলিফোনযোগে বিপণনকৰ্তাক প্ৰমাণপত্ৰ এখন প্ৰদান কৰিব;

গ. পিছলৈ, এই নিয়মাৱলীবোৰৰ অনুবন্ধ ৫ত নিৰ্ধাৰিত ফৰ্মত বাণিজ্যিক এজেন্টে কৰ্তৃপক্ষৰ ওচৰত টেলিফোনযোগে বিপণনকৰ্তাৰ দ্বাৰা নিযুক্ত/নিযুক্তিৰ বাবে প্ৰস্তাৱিত প্ৰাধিকৃত প্ৰমাণকৰ্তাবোৰৰ নাম দাখিল কৰিব, সেইটোৰ প্ৰমাণিতকৰণৰ পিছত কৰ্তৃপক্ষই টেলিফোনযোগে বিপণনকৰ্তাক প্ৰমাণপত্ৰ এখন প্ৰদান কৰিব.

ঘ. প্ৰাধিকৃত প্ৰমাণকৰ্তা এজনে অন্য এজন টেলিফোনযোগে বিপণনকৰ্তালৈ সলনি হব বিচাৰিলে, যিয়ে বীমাৰ মধ্যস্থতাৰ সৈতে লেনদেন কৰে, তেনেকুৱাক্ষেত্ৰত তেওঁলোকে পূৰ্বৰ টেলিফোনযোগে বিপণনকৰ্তাটোৰ পৰা আপত্তিবিহীনৰ প্ৰমাণপত্ৰ এখন সংগ্ৰহ কৰিব লাগিব আৰু এখন নতুন প্ৰমাণপত্ৰ প্ৰদান কৰাৰ বাবে সেইখন কৰ্তৃপক্ষৰ ওচৰত জমা দিব লাগিব. বৰ্তমানৰ টেলিফোনযোগে বিপণনকৰ্তাই আবেদনৰ তাৰিখটোৰ পৰা ৩০ দিনৰ ভিতৰত আপত্তিবিহীনৰ প্ৰমাণপত্ৰ এখন প্ৰদান নকৰাৰ ক্ষেত্ৰত, এইটো মানি লোৱা হব যে তেওঁৰ সালসলনিটোৰ ক্ষেত্ৰত টেলিফোনযোগে বিপণনকৰ্তা কোনো আপত্তি নাই;

ঙ. প্ৰাধিকৃত প্ৰমাণকৰ্তাবোৰ আঁতৰ কৰা বা যোগ কৰা বাবে দিয়া আবেদনপত্ৰখন সংলিষ্ট মুখ্য বিষয়াৰ জৰিয়তে বাণিজ্যিক এজেন্টে তৈয়াৰ কৰে;

চ. TRAI ৰ সৈতে টেলিফোনযোগে বিপণনকৰ্তাৰ দৰে পঞ্জীয়ন কৰা বাণিজ্যিক এজেন্টৰ ক্ষেত্ৰত, বাণিজ্যিক এজেন্টজনে কেৱল সেইবোৰ বীমাকাৰীৰ বাবে টেলিফোনযোগে বিপণনকৰ্তাৰ দৰে কাৰ্য কৰিব যাৰ সৈতে তেওঁ ব্যৱস্থা গ্ৰহণ কৰিছে;

ছ. কোনো বাণিজ্যিক অথবা ইয়াৰ টেলিফোনযোগে বিপণনকৰ্তাই যিকোনো ব্যক্তিক ফোন কৰিব নোৱাৰে, তেওঁ বা তেখেতে বীমা পলিচী এটা কিনাৰ বাবে আগ্ৰহ প্ৰকাশ নকৰালৈকে, উক্ত প্ৰভাৱটোৰ বিষয়ে অনুসন্ধান কৰাৰ দ্বাৰা. তেওঁলোকে তেনেকুৱা ব্যক্তিবোৰৰ ডাটাবেছ এখন তৈয়াৰ কৰিব আৰু প্ৰমাণিতকৰণৰ বাবে অনুসন্ধান কৰিব আৰু কৰ্তৃপক্ষ বা ইয়াৰ কৰ্তৃত্বপ্ৰাপ্ত যিকোনো ব্যক্তিৰ দ্বাৰা পৰীক্ষা কৰা হব.

জ. টেলিফোনযোগে বিপণনকৰ্তাই সাম্ভাব্য গ্ৰাহকৰ আগত তলত উল্লেখকৰা তথ্যবোৰ প্ৰকাশ কৰিব লাগিব

(ক) তেওঁলোকে প্ৰতিনিধিত্ব কৰা বাণিজ্যিক এজেন্টৰ নামটো;

(খ) বাণিজ্যিক এজেন্টৰ পঞ্জীয়ন সংখ্যাটো;

(গ) গ্ৰাহকে ফোন কৰিব অথবা টেলিফোন যোগে বিক্ৰীৰ তথ্যটো প্ৰমাণিত কৰিব বিচৰাৰ ক্ষেত্ৰত টেলিফোনযোগে বিপণনকৰ্তা আৰু-/বা বাণিজ্যিক এজেন্টৰ যোগাযোগৰ নম্বৰটো;

(ঘ) ফোন কৰা ব্যক্তিজনৰ (কৰ্তৃপক্ষৰ দ্বাৰা প্ৰমাণিত) নাম আৰু পৰিচয় সংখ্যা.

ক. টেলিফোনযোগে বিপণনকৰ্তা এজন নিযুক্ত কৰা বাণিজ্যিক এজেন্ট এজনে টেলিফোনযোগে বিপণনকৰ্তাৰ সৈতে চুক্তি এটা কৰিব লাগিব আৰু চুক্তিটোৱে ডাটাবেছৰ উৎস, কৰ্তব্য আৰু দায়িত্ব, পৰিশোধৰ বিতং বিৱৰণবোৰ, চুক্তিৰ সময়সীমা, আইন ভংগৰ ক্ষেত্ৰত লবলগীয়া ব্যৱস্থা, নিয়মাৱলীবোৰ, মাৰ্গদৰ্শনবোৰ, চাৰ্কুলাৰবোৰ, কৰ্তৃপক্ষৰ দ্বাৰা জাৰি কৰা নিৰ্দেশনাবোৰ, প্ৰাধিকৃত প্ৰমাণকৰ্তাবোৰৰ অধ্যাদেশ ইত্যাদিৰ বিতং বিৱৰণ দাঙি ধৰিব. প্ৰমাণিতকৰণৰ বাবে যেতিয়াই প্ৰয়োজন হয়, কৰ্তৃপক্ষ অথবা কৰ্তৃপক্ষৰ দ্বাৰা প্ৰাধিকৃত যিকোনো ব্যক্তিৰ বাবে চুক্তিবোৰ উপলব্ধ হব;

খ. প্ৰত্যেক টেলিফোনযোগে বিপণনকৰ্তা আৰু প্ৰাধিকৃত প্ৰমাণকৰ্তাই এই নিয়মাৱলীবোৰৰ অনুসূচী III ত নিৰ্ধাৰণ কৰাৰ দৰে বাণিজ্যিক এজেন্টবোৰৰ ক্ষেত্ৰত প্ৰযোজ্য অধ্যাদেশবোৰ মানি চলিব লাগিব.

গ. ৰেকৰ্ডবোৰ / নথিবোৰৰ প্ৰমাণিতকৰণৰ বাবে টেলিফোনযোগে বিপণনকৰ্তাটোৰ চৌহদবোৰ অথবা কৰ্তৃপক্ষই জৰুৰী বুলি অনুভৱ কৰা আন যিকোনো চৌহদ নিৰীক্ষণ কৰিবলৈ আৰু যিকোনো ৰেকৰ্ড / নথিবোৰ বিচাৰিবলৈ, টেলিফোনযোগে বিপণনকৰ্তাৰ যিকোনো কৰ্মচাৰীৰ উক্তি ৰেকৰ্ড কৰিবলৈ অথবা বিবেচনাৰ বাবে যিকোনো নথি/ৰেকৰ্ডৰ প্ৰতিলিপি প্ৰস্তুত কৰিবলৈ কৰ্তৃপক্ষৰ ক্ষমতা থাকিব:

ঘ. টেলিফোনযোগে বিপণনকৰ্তাই বিষয়টো সম্পৰ্কত কৰ্তৃপক্ষৰ দ্বাৰা সময়ে সময়ে উল্লেখ কৰা আন যিকোনো নিয়ম আৰু চৰ্ত মানি চলিব লাগিব.

(৩) টেলিফোনযোগে বিপণনকৰ্তা এজনে তিনিটাতকৈ অধিক বীমাকাৰী অথবা বীমা সম্পৰ্কীয় উপাদানৰ সৈতে নিযুক্ত হব নোৱাৰিব

১৫. বাণিজ্যিক এজেন্টবোৰৰ বাবে অধ্যাদেশ -

(১) প্ৰত্যেক বাণিজ্যিক এজেন্টে এই নিয়মাৱলীবোৰৰ অনুসূচী III ত নিৰ্ধাৰণ কৰাৰ দৰে অধ্যাদেশ মানি চলিব লাগিব,

(২) এই নিয়মাৱলীবোৰৰ অধীনত অধ্যাদেশ উলংঘনকে ধৰি ইয়াৰ মুখ্য বিষয়া, নিৰ্ধাৰিত ব্যক্তি আৰু আন কৰ্মচাৰীবোৰৰ গাফিলতি আৰু তেওঁ কৰা সকলো কাৰ্যৰ বাবে বাণিজ্যিক এজেন্ট দায়ী আৰু জৰিমনা এটাৰ যোগ্য যিটো অধিনিয়মৰ খণ্ড ১০২ ৰ ব্যৱস্থাবোৰৰ অধীনত এক কোটি টকালৈকে হব পাৰে.

১৬. ৰেকৰ্ডবোৰৰ তত্বাৱধান

বাণিজ্যিক এজেন্ট এজনে ইলেক্ট্ৰনিক ফৰ্মকে ধৰি নিম্নোক্ত ৰেকৰ্ডবোৰ প্ৰতিপালন কৰিব লাগিব আৰু কৰ্তৃপক্ষই বিচৰাৰ সময়ত সেইবোৰ উপলব্ধ কৰিব লাগিব -

(i) গ্ৰাহকৰ আপোনাৰ গ্ৰাহকক জানক (KYC) ৰেকৰ্ডবোৰ, কলাধন প্ৰতিৰোধ আইন আৰু প্ৰাসংগিক কৰ্তৃপক্ষৰ নিৰ্দেশনাবোৰৰ অধীনত দাবী কৰাৰ দৰে;
(ii) গ্ৰাহকৰ দ্বাৰা স্বাক্ষৰিত আৰু বাণিজ্যিক এজেন্টৰ নিৰ্ধাৰিত ব্যক্তিৰ দ্বাৰা স্বাক্ষৰিত ACR ৰ সৈতে বীমাকাৰীক জমা দিয়া প্ৰস্তাৱৰ ফৰ্মৰ প্ৰতিলিপি;
(iii) গ্ৰাহকৰ তালিকা, পলিচীৰ ধৰণ, প্ৰিমিয়ামৰ পৰিমাণ, পলিচীটো আৰম্ভ হোৱাৰ তাৰিখ, চাৰ্জ অথবা মাচুল প্ৰাপ্তি আদিৰ দৰে পলিচীটোৰ বিতং বিৱৰণ ধাৰণ কৰা এখন পঞ্জী;
(iv) লাভ কৰা অভিযোগবোৰৰ বিতং বিৱৰণ ধাৰণ কৰা এখন পঞ্জী য'ত অভিযোগকাৰীৰ নাম, অভিযোগৰ ধৰণ, প্ৰদান কৰা/যাচা পলিচীটোৰ বিতং বিৱৰণ আৰু তাৰপিছত লোৱা ব্যৱস্থা ইত্যাদিৰ বিষয়ে উল্লেখ থাকিব;
(v) এখন পঞ্জী যিয়ে নাম, ঠিকনা, টেলিফোন নম্বৰ, ফটোগ্ৰাফ, নিযুক্তি লাভৰ তাৰিখ, চাকৰি এৰাৰ তাৰিখ, যদি কিবা আছে, নিৰ্ধাৰিত ব্যক্তিক পৰিশোধ কৰা মাহেকীয়া পাৰিশ্ৰমিক আদি ধাৰণ কৰিব;
(vi) কৰ্তৃপক্ষৰ সৈতে বিনিময় কৰা ঠিকনাৰ প্ৰতিলিপিবোৰ;
(vii) কৰ্তৃপক্ষই সময়ে সময়ে নিৰ্ধাৰণ কৰা আন যিকোনো ৰেকৰ্ড.

১৭. হিচাবৰ বহী, ৰেকৰ্ড ইত্যাদি প্ৰতিপালন কৰা -

(১) বীমাৰ মধ্যস্থতাৰ উদ্দেশ্যে সম্পূৰ্ণভাৱে জড়িত বাণিজ্যিক এজেন্ট এজনে প্ৰত্যেক বিত্তীয় বৰ্ষৰ বাবে নিম্নোক্ত হিচাবৰ বহীবোৰ প্ৰস্তুত কৰিব -

(i) প্ৰতিটো গণনাৰ সময়চোৱাৰ শেষত বিত্তীয় অৱস্থাৰ বিৱৰণী এখন অথবা কামকাজবোৰৰ স্পষ্টিকৰণ এটা;
(ii) উক্ত সময়চোৱাৰ লাভ আৰু লোচকানৰ এটা একাউন্ট;
(iii) নগদ/পুঁজি প্ৰবাহৰ এটা স্পষ্টিকৰণ:

(iv) সময়ে সময়ে কৰ্তৃপক্ষৰ বিচৰা অতিৰিক্ত স্পষ্টিকৰণবোৰ.

টোকা ১: এই নিয়মাৱলীবোৰৰ উদ্দেশ্যে, বিত্তীয়বৰ্ষটো হব ১২ মাহৰ এটা সময়সীমা (অথবা কম য'ত ব্যৱসায়টো ১ এপ্ৰিলৰ পিছত আৰম্ভ কৰা হয়), বছৰ এটাৰ এপ্ৰিল মাহৰ প্ৰথম দিনটোৰ পৰা আৰম্ভ হয় আৰু বছৰৰ ৩১ মাৰ্চৰ দিনটোত সমাপ্ত হয় আৰু একাউন্টবোৰ উপচয় আধাৰত প্ৰতিপালন কৰা হব.

টোকা.২: তেওঁলোকৰ বিত্তীয় স্পষ্টীকৰণবোৰৰ সময়সূচী এটা থাকিব অথবা বীমাকাৰীবোৰ আৰু বীমাকাৰীৰ গোট কোম্পানীবোৰ, বীমাকাৰী-অনুযায়ী, বাণিজ্যিক এজেন্টবোৰৰ দ্বাৰা লাভ কৰা সকলো আয়ৰ বিতং বিৱৰণ আগবঢ়ায় আৰু লগতে গোট কোম্পানীবোৰে লাভ কৰা পৰিশোধবোৰৰ বিতং বিৱৰণ আৰু/অথবা বাণিজ্যিক এজেন্টৰ সহযোগীবোৰে যিকোনো বীমাকাৰীৰ পৰা লাভ কৰাবোৰৰ বিতং বিৱৰণ.

(ক) উপ-নিয়মাৱলী (১) ত উল্লেখ কৰাৰ দৰে হিচাব পৰীক্ষকৰ ৰিপোৰ্টটোৰ সৈতে পৰীক্ষা কৰা বিত্তীয় স্পষ্টীকৰণবোৰৰ প্ৰতিলিপি এটা প্ৰতিবছৰে ৩০ ছেপ্টেম্বৰৰ আগত কৰ্তৃপক্ষৰ ওচৰত জমা দিব লাগিব, হিচাপ পৰীক্ষকৰ মন্তব্য অথবা নিৰীক্ষণবোৰৰ সৈতে, যদি কিবা আছে, ব্যৱসায়টো সম্পন্ন কৰোতে, হিচাবোৰৰ অৱস্থা, ইত্যাদি, আৰু তেনেকুৱা নিৰীক্ষণবোৰৰ এটা উপযুক্ত বাখ্যা কৰ্তৃপক্ষৰ ওচৰত দখিল কৰা তেনেকুৱা একাউন্টবোৰত যোগ কৰিব লাগিব.

(খ) হিচাব পৰীক্ষকৰ ৰিপোৰ্টটো লাভৰ নব্বৈ দিনৰ ভিতৰত ৰিপোৰ্টত উল্লেখ কৰা যিকোনো ত্ৰুটি সংশোধন কৰিবলৈ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব লাগে আৰু কৰ্তৃপক্ষক অৱগত কৰিব লাগে.

(গ) হিচাবৰ সকলোবোৰ বহী, স্পষ্টীকৰণ, নথি, ইত্যাদি বাণিজ্যিক এজেন্টৰ মুখ্য কাৰ্য্যালয়ত অথবা কৰ্তৃপক্ষৰ দ্বাৰা মনোনীত বা স্বীকৃতিপ্ৰাপ্ত তেনেকুৱা অন্য শাখা কাৰ্য্যালয়ত প্ৰতিপালন কৰিব লাগিব আৰু সকলো শ্ৰমৰৰ দিনত কৰ্তৃপক্ষৰ তেনেকুৱা বিষয়াবোৰৰ বাবে উপলব্ধ হব লাগিব, আৰু নিৰীক্ষণৰ বাবে প্ৰাধিকৃত কৰা হব.

(ঘ) এই নিয়মাৱলীবোৰত প্ৰসংগ কৰা আৰু বাণিজ্যিক এজেন্টৰ দ্বাৰা প্ৰতিপালন কৰা সকলোবোৰ বহী, নথি, স্পষ্টীকৰণ, চুক্তিৰ টোকা ইত্যাদি অতিকমেও দহ বছৰৰ বাবে ৰাখিব লাগিব, বছৰটোৰ শেষৰ পৰা আৰম্ভ কৰি যাৰ সৈতে সিহঁত জড়িত. সেইদৰে দাবীবোৰ ৰিপোৰ্ট কৰা আৰু আদালতৰ সিদ্ধান্ত এটাৰ বাবে নিষ্পত্তিটো বাকী থকা ইত্যাদিৰ সৈতে সম্পৰ্কীয় নথিবোৰ আদালতৰ দ্বাৰা কেছটো নিষ্পত্তি নোহোৱালৈকে প্ৰতিপালন কৰি ৰাখিব লাগিব.

(২) মুখ্য ব্যৱসায়টো বীমাৰ মধ্যস্থতাৰ উপৰিতও আন হোৱা বাণিজ্যিক এজেন্টবোৰৰ ক্ষেত্ৰত, তেওঁলোকে বীমাকাৰীৰ পৰা হোৱা অন্য আয় আৰু বীমাৰ মধ্যস্থতাৰ বাবে লাভ কৰা শুল্কবোৰ সামৰি খণ্ড অনুযায়ী ৰিপোৰ্ট এটা প্ৰতিপালন কৰিব.

(৩) বাণিজ্যিক এজেন্ট এজনৰ সেৱাবোৰ নিয়োজিত কৰা প্ৰত্যেক বীমাকাৰীয়ে কৰ্তৃপক্ষৰ ওচৰত প্ৰমাণপত্ৰ এখন দাখিল কৰিব, তেনেকুৱা সকলো বাণিজ্যিক এজেন্টৰ বাবে পৃথকে পৃথকে, অনুসূচী VIA ত দিয়া ফৰমেটটোত CEO আৰু CFO ৰ স্বাক্ষৰ সহিতে.

বাণিজ্যিক এজেন্টৰ মুখ্য বিষয়া আৰু CFO (বা ইয়াৰ সমপৰ্য্যায়ৰ) ৰ পৰা আহৰণ কৰা আৰু বীমাকাৰীৰ পৰা লাভ কৰা কমিছন/পাৰিশ্ৰমিকটো উল্লেখ থকা একেধৰণৰ প্ৰমাণপত্ৰ এখন অনুসূচী VlB ত দিয়াৰ দৰে কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰিব লাগিব.

১৮. সাধাৰণ:

(১) এই নিয়মাৱলীবোৰ জাৰি কৰা তাৰিখটোৰ পিছৰ পৰা কোনো ব্যক্তিয়ে বাণিজ্যিক এজেন্ট এজনৰ দৰে কাম কৰিব নোৱাৰিব, কেৱল এই নিয়মাৱলীবোৰৰ নিয়মাৱলী ১(৩) ত নিৰ্ধাৰণ কৰা কেছবোৰৰ বাহিৰে, এই নিয়মাৱলীবোৰৰ অধীনত কৰ্তৃপক্ষৰদ্বাৰা তেওঁলৈ পঞ্জীয়ন এটা মঞ্জুৰ নকৰালৈকে.

(২) এজন বাণিজ্যিক এজেন্ট আৰু এটা বীমাকাৰী অথবা আন যিকোনো ব্যক্তি এটাৰ মাজত দেখা দিয়া যিকোনো বিতৰ্ক, হয়তো এজন বাণিজ্যিক এজেন্ট হিচাপে তেওঁৰ নিযুক্তিৰ সময়ত অথবা অন্যথা, তেনেকুৱা ক্ষতিগ্ৰস্ত ব্যক্তিৰ দ্বাৰা কৰ্তৃপক্ষলৈ হস্তান্তৰ কৰা; আৰু অভিযোগ অথবা উপস্থাপনটো লাভ কৰাৰ লগে লগে কৰ্তৃপক্ষই অভিযোগটো পৰীক্ষা কৰিব আৰু যদি প্ৰয়োজনীয় বুলি ভাবে তেন্তে এই নিয়মাৱলীবোৰ সাপেক্ষে সোধপোছ অথবা নিৰীক্ষণ অথবা অনুসন্ধান এটা সম্পন্ন কৰিব.

অধ্যাদেশ

I. সাধাৰণ অধ্যাদেশ

১. প্ৰত্যেক বাণিজ্যিক এজেন্টে পেছাদাৰী আচৰণৰ স্বীকৃত মানবিশিষ্টবোৰ মানি চলিব আৰু পলিচীধাৰকবোৰৰ স্বাৰ্থ সাপেক্ষে সিহঁতৰ কৰ্তব্যবোৰ পালন কৰিব. সেইটো কৰোতে -

ক) গ্ৰাহকৰ সৈতে সকলো সময়তে পৰম সদিচ্ছা আৰু সত্যনিষ্ঠাৰে লেনদেন কৰিব;

খ) যত্ন আৰু কৰ্মনিষ্ঠাৰে কাৰ্য কৰিব;

খ) নিশ্চিত কৰিব যে গ্ৰাহকে বাণিজ্যিক এজেন্টৰ সৈতে তেওঁৰ সম্পৰ্কটো আৰু বাণিজ্যিক এজেন্ট কাৰ হৈ কাম কৰি আছে বুজি পাইছে;

গ) তেওঁলোকলৈ আৰু বীমাকাৰীলৈ (বোৰ) সাম্ভাব্য গ্ৰাহকে যালৈ ব্যৱসায় আগবঢ়োৱা হব, তেওঁ যোগানধৰা সকলোবোৰ তথ্য সম্পূৰ্ণ গোপন হিচাপে বিবেচনা কৰিব;

ঘ) তেওঁলোকৰ ফালৰ পৰা গোপনীয় নথিবোৰৰ সুৰক্ষাটো প্ৰতিপালন কৰিবলৈ উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব;

ঙ) কোম্পানী এটাৰ সঞ্চালক অথবা প্ৰতিষ্ঠান এটাৰ অংশীদাৰ এজন অথবা মুখ্য কাৰ্যবাহী অথবা এজন মুখ্য বিষয়া অথবা এজন নিৰ্ধাৰিত ব্যক্তি কোনেও আন বাণিজ্যিক এজেন্টৰ সৈতে একে স্থান গ্ৰহণ নকৰিব;

২. প্ৰত্যেক বাণিজ্যিক এজেন্টে

ক) সকলো ধৰণৰ গাফিলতি আৰু ইয়াৰ মুখ্য বিষয়া আৰু প্ৰতিজন নিৰ্ধাৰিত ব্যক্তিৰ কমিছনৰ বাবে দায়বদ্ধ হব;

খ) নিশ্চিত কৰিব যে মুখ্য বিষয়া আৰু সকলো নিৰ্ধাৰিত ব্যক্তি, তেওঁলোকে বিপণন কৰা বীমাৰ প্ৰডাক্টবোৰৰ বিষয়ে সঠিকভাৱে প্ৰশিক্ষিত, কৌশলপূৰ্ণ আৰু জ্ঞানপূৰ্ণ;

গ) নিশ্চিত কৰিব যে মুখ্য বিষয়া আৰু নিৰ্ধাৰিত ব্যক্তিয়ে প্ৰত্যাশিতক পলিচীটোৰ অধীনত হোৱা মুনাফা আৰু মুঠ লাভৰ বিষয়ে ভুলকৈ উপস্থাপন নকৰে;

ঘ) বীমা প্ৰডাক্ট এটা কিনিবৰ বাবে কোনো প্ৰত্যাশিতক জোৰ নকৰাটো নিশ্চিত কৰিব;

ঙ) বীমাৰ প্ৰডাক্টটো সাপেক্ষে বীমাকৰ্তাক পৰ্য্যপ্ত বিক্ৰীৰ আগৰ আৰু বিক্ৰীৰ পিছৰ পৰামৰ্শ প্ৰদান কৰিব;

চ) দাবী এটাৰ ক্ষেত্ৰত নথি প্ৰস্তুত কৰা আৰু সকলো আনুষ্ঠানিকতা সম্পন্ন কৰাৰ ক্ষেত্ৰত বীমাকৰ্তাক সকলো সাম্ভাৱ্য সহায় আৰু সহযোগিতা আগবঢ়াব;

ছ) বাণিজ্যিক এজেন্টে ৰিস্কটোৰ উত্তৰদায়িত্ব বা বীমাকাৰী এটাৰ দৰে কাৰ্য নকৰাটো সঠিকভাৱে প্ৰচাৰ কৰিব;

জ) বীমাকাৰীবোৰৰ সৈতে চুক্তিবোৰ কৰিব য'ত উভয়ৰে কৰ্তব্য আৰু দায়িত্ব বাখ্যা কৰা হব

II. বিক্ৰীৰ পূৰ্বৰ অধ্যাদেশ

৩. প্ৰত্যেক বাণিজ্যিক এজেন্ট অথবা মুখ্য বিষয়া অথবা এজন নিৰ্ধাৰিত ব্যক্তিয়ে তলত নিৰ্ধাৰিত অধ্যাদেশটো মানি চলিব:

ক) প্ৰত্যেক বাণিজ্যিক এজেন্ট /মুখ্য বিষয়া / নিৰ্ধাৰিত ব্যক্তিয়ে,-

ক) নিজৰ পৰিচয় দিব আৰু প্ৰত্যাশিত দাবী কৰাৰ ক্ষেত্ৰত তেওঁৰ পঞ্জীয়নপত্ৰ/ প্ৰমাণপত্ৰখন প্ৰকাশ কৰিব;

খ) যাৰ সৈতে তেওঁলোক ব্যৱস্থা গ্ৰহণ কৰিছে সেইসকল বীমাকাৰীৰ দ্বাৰা বিক্ৰীৰ বাবে আগবঢ়োৱা বীমাৰ প্ৰডাক্টবোৰ সাপেক্ষে প্ৰয়োজনীয় তথ্য প্ৰচাৰ কৰিব আৰু বিশেষ বীমা পৰিকল্পনা এটা পৰামৰ্শ কৰোতে প্ৰত্যাশিতবোৰৰ প্ৰয়োজনীয়তাবোৰৰ প্ৰতি লক্ষ্য ৰাখিব;

গ) বিক্ৰীৰ বাবে প্ৰস্তাৱিত বীমা প্ৰডাক্টটো সাপেক্ষে কমিছনৰ নিৰিখটো প্ৰকাশ কৰিব, যদি প্ৰত্যাশিতই সোধে;

ঘ) বিক্ৰীৰ বাবে প্ৰস্তাৱিত বীমা প্ৰডাক্টটোৰ বাবে বীমাকাৰী দ্বাৰা আৰোপিত প্ৰিমিয়ামটো প্ৰকাশ কৰিব;

ঙ) প্ৰত্যাশিতৰ আগত প্ৰস্তাৱৰ ফৰ্মত বীমাকাৰীয়ে বিচৰা তথ্যৰ ধৰণটোৰ বিষয়ে, আৰু লগতে বীমা চুক্তি এটা কিনাৰ ক্ষেত্ৰত বস্তুনিষ্ঠ তথ্যৰ প্ৰকাশৰ গুৰুত্বটো বাখ্যা কৰিব;

চ) প্ৰত্যাশিতৰ যিকোনো বদ অভ্যাস অথবা আয়ৰ বিসংগতিৰ বিষয়ে বীমাকাৰীক অবগত কৰিব, বীমাকাৰীৰ ওচৰত জমা দিয়া প্ৰতিটো প্ৰস্তাৱৰ সৈতে গোপন ৰিপোৰ্ট এটাৰ ৰূপত, আৰু প্ৰস্তাৱটো গ্ৰহণৰ ক্ষেত্ৰত বীমাকাৰীৰ আণ্ডাৰাইটিং সিদ্ধান্তটোত বিৰূপ প্ৰভাৱ বিস্তাৰ কৰিব পৰা যিকোনো বস্তুনিষ্ঠ তথ্য, প্ৰত্যাশিতৰ বিষয়ে সকলোধৰণে উপযুক্ত অনুসন্ধান কৰি;

ছ) বীমাকাৰীয়ে প্ৰস্তাৱটো গ্ৰহণ কৰা অথবা অগ্ৰাহ্য কৰাৰ বিষয়ে প্ৰত্যাশিতক ক্ষিপ্ৰতাৰে অবগত কৰিব;

জ) বীমাকাৰী ওচৰত প্ৰস্তাৱৰ ফৰ্মখন দাখিলৰ সময়ত প্ৰয়োজনীয় নথিবোৰ আৰু প্ৰস্তাৱটো সম্পূৰ্ণ কৰাৰ বাবে পিছৰ পৰ্য্যায়ত বীমাকাৰীয়ে দাবী কৰা আন নথিবোৰ আহৰণ কৰিব;

ii) কোনো বাণিজ্যিক এজেন্ট / মুখ্য বিষয়া / নিৰ্ধাৰিত ব্যক্তিয়ে,-----

ক) এখন বৈধ পঞ্জীয়নপত্ৰ/প্ৰমাণপত্ৰ ধাৰণ নকৰাকৈ বীমা ব্যৱসায় যাচিব অথবা লাভ কৰিব নোৱাৰিব;

খ) প্ৰস্তাৱৰ ফৰ্মখনত যিকোনো বস্তুনিষ্ঠ তথ্য বাদ দিয়াৰ বাবে প্ৰত্যাশিতক উৎসাহিত কৰিব নোৱাৰিব;

গ) প্ৰস্তাৱটো গ্ৰহণৰ বাবে বীমাকাৰীৰ ওচৰত জমা দিয়া প্ৰস্তাৱৰ ফৰ্ম অথবা নথিবোৰত ভুল তথ্য দিবলৈ প্ৰত্যাশিতক উৎসাহিত কৰিব নোৱাৰিব;

ঘ) প্ৰত্যাশিতৰ সৈতে অভদ্ৰ আচৰণ কৰিব নোৱাৰিব;

ঙ) বীমাৰ যিকোনো মধ্যস্থ অথবা আন যিকোনো নিৰ্ধাৰিত ব্যক্তিৰ দ্বাৰা প্ৰচলন কৰা যিকোনো প্ৰস্তাৱত হস্তক্ষেপ নকৰিব;

চ) বীমাকাৰীয়ে আগবঢ়োৱাবোৰৰ উপৰিও বেলেগ নিৰিখ, সুবিধা, নিয়ম আৰু চৰ্ত আগবঢ়াব নোৱাৰিব;

ছ) পলিচীধাৰক এজনক বৰ্তি থকা পলিচীটো বন্ধ কৰিবলৈ জোৰ কৰিব আৰু তেনেকুৱা সমাপ্তিৰ তাৰিখটোৰ পৰা তিনি বছৰৰ ভিতৰত তেওঁৰ পৰা নতুন প্ৰস্তাৱ এটা কাৰ্যকৰী কৰিব নোৱাৰিব;

জ) কোনো বাণিজ্যিক এজেন্টৰ এজন ব্যক্তি অথবা এটা সংস্থা অথবা সংস্থাবোৰৰ এটা গোটৰ পৰা বীমা ব্যৱসায়ৰ বিভাগ এটা নলব, যাৰ অধীনত প্ৰিমিয়ামটো যিকোনো বৰ্ষত লাভ কৰা মুঠ প্ৰিমিয়ামতকৈ পঞ্চাশ শতাংশ বেছি হয়;

ঝ) যিকোনো বীমা কোম্পানীৰ এজন সঞ্চালক হব অথবা হৈ থাকিব নোৱাৰিব, কৰ্তৃপক্ষৰ আগতীয়া অনুমোদনৰ বাহিৰে,

ঞ) কোনো ধৰণৰ কলা ধন সৰবৰাহৰ কাৰ্যকলাপত লিপ্ত হব নোৱাৰিব;

ট) ভুৱা ক'ল অথবা জালি ক'লবোৰৰ যোগেদি ব্যৱসায়টো নিজে বাহিৰৰ পৰা চলাব অথবা ক'ল চেন্টাৰবোৰৰ যোগেদি চলাব নোৱাৰিব;

ঠ) বীমাৰ প্ৰডাক্টবোৰ যাচিব আৰু লাভ কৰিবৰ বাবে বহুস্তৰীয় বিপণনৰ ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিব;

ড) ব্যৱসায় অৰ্জনৰ বাবে অপ্ৰশিক্ষিত আৰু অপ্ৰাধিকৃত ব্যক্তিবোৰক নিযুক্ত কৰিব নোৱাৰিব;

ঢ) বীমা পৰামৰ্শ কেন্দ্ৰ অথবা দাবীবোৰৰ পৰামৰ্শ কেন্দ্ৰ অথবা আন যিকোনো বীমা সম্পৰ্কীয় সেৱা আগবঢ়াব নোৱাৰিব, পঞ্জীয়নৰ প্ৰমাণপত্ৰখন অনুসৰি বীমাৰ প্ৰডাক্টবোৰ যাচা আৰু সেৱা আগবঢ়োৱাটোৰ বাহিৰে.

ণ) এজন নিৰ্ধাৰিত ব্যক্তিৰ উপৰিও যিকোনো ব্যক্তিৰ সৈতে যিকোনো ব্যৱস্থা অথবা চুক্তি এটাত সম্পন্ন কৰিবলৈ, প্ৰসংগ কৰিবলৈ, যাচিবলৈ, লীড তৈয়াৰ কৰিবলৈ, পৰামৰ্শ কৰিবলৈ,

আৰম্ভ কৰিবলৈ, বীমাৰ প্ৰডাক্টটোৰ বিতৰণৰ ক্ষেত্ৰত সম্ভাব্য গ্ৰাহকৰ যোগাযোগৰ বিৱৰণ বিচাৰি উলিয়াবলৈ অথবা আগবঢ়াবলৈ নিযুক্ত, উৎসাহিত কৰিব নোৱাৰিব;

ত) বিক্ৰী, প্ৰস্তাৱনা, লীড তৈয়াৰ, যিকোনো ব্যক্তি অথবা উপাদান প্ৰসংগ কৰা বা বিচাৰি উলিওৱাৰ উদ্দেশ্যে যিকোনো মাচুল, কমিছন, ইনচেন্টিভ আন যিকোনোৰ নামত পৰিশোধ নকৰিব অথবা পৰিশোধৰ অনুমতি নিদিব

III. বিক্ৰীৰ পিছৰ অধ্যাদেশ ৪.

প্ৰত্যেক বাণিজ্যিক এজেন্টে -

ক) কাৰণটো যিয়ে নহওক কিয়, মনোনোয়ন অথবা নিযুক্তি অথবা ঠিকনা সলনি অথবা বিকল্প বাচনিৰ ক্ষেত্ৰত প্ৰতিজন নিজাবৰীয়া পলিচীধাৰকক পৰামৰ্শ প্ৰদান কৰা উচিত আৰু এই ক্ষেত্ৰত প্ৰয়োজনীয় সহায় আগবঢ়োৱা উচিত;

খ) তেওঁ জৰিয়তে ইতিমধ্যে লাভ কৰা বীমা ব্যৱসায়টো ধৰি ৰাখিবলৈ নিৰ্ধাৰিত সময়ৰ ভিতৰত পলিচীধাৰকে প্ৰিমিয়ামবোৰ পৰিশোধ কৰাটো নিশ্চিত কৰিবলৈ সকলো ধৰণে প্ৰচেষ্টা কৰা উচিত, পলিচীধাৰকক মৌখিকভাবে আৰু লিখিতভাৱে জাননী প্ৰদানৰ দ্বাৰা.

গ) নিশ্চিত কৰা উচিত যে ইয়াৰ গ্ৰাহকজন পলিচীটোৰ ম্যাদ উকলা তাৰিখটোৰ প্ৰতি সচেতন কিন্তু তথাপিও এইটোৱে গ্ৰাহকজনক পিছলৈ সামৰিলোৱা আগবঢ়াব বিচৰা নাই

ঘ) নিশ্চিত কৰিব যে নবীকৰণৰ জাননীবোৰে প্ৰকাশৰ কৰ্তব্যটোৰ বিষয়ে সতৰ্কবাণী এটা ধাৰণ কৰিব, পলিচীটোত প্ৰভাৱবিস্তাৰ কৰিব পৰা সলনিবোৰ পৰামৰ্শ কৰাৰ অৱশ্যকতাকে ধৰি, যিটো পলিচীটো আৰম্ভ হোৱাৰ পৰা অথবা শেহতীয়া নবীকৰণৰ তাৰিখটোত কৰা হৈছে;

ঙ) নিশ্চিত কৰিব যে চুক্তিটোৰ নবীকৰণৰ উদ্দেশ্যে বীমাকাৰীলৈ যোগানধৰা সকলো তথ্যৰ ৰেকৰ্ড (পত্ৰবোৰৰ প্ৰতিলিপিবোৰকে ধৰি) এটা ৰাখিবৰ বাবে নবীকৰণৰ জাননীবোৰে আৱশ্যকতা এটা ধাৰণ কৰে;

চ) নিশ্চিত কৰা উচিত যে ম্যাদ উকলা তাৰিখটোৰ যথেষ্ট আগতে গ্ৰাহকে বীমাকাৰীৰ পৰা নবীকৰণৰ আমন্ত্ৰণপত্ৰ লাভ কৰিব.

ছ) বীমাকাৰীটোৰ দ্বাৰা দাবীবোৰৰ নিষ্পত্তিৰ বাবে হোৱা প্ৰয়োজনীয়তাবোৰ সংক্ৰান্তত পলিচীধাৰক অথবা দাবীকৰ্তা অথবা হিতাধিকাৰীবোৰলৈ প্ৰয়োজনীয় সহায় আগবঢ়াব;

জ) দাবীবোৰ ক্ষিপ্ৰতাৰে সূচিত কৰিবলৈ তেওঁলোকৰ দায়িত্ববোৰৰ বিষয়ে আৰু সকলো বস্তুনিষ্ঠ তথ্য প্ৰকাশ কৰিবলৈ আৰু যথাসম্ভৱ সোনকালে সমসাময়িক উন্নয়ণবোৰৰ বাবে গ্ৰাহকবোৰক পৰামৰ্শ কৰিব;

ঝ) গ্ৰাহকক সঁচা, ন্যায়সংগত আৰু সম্পূৰ্ণ প্ৰকাশ এটা প্ৰস্তুত কৰিবলৈ পৰামৰ্শ কৰিব য'ত গ্ৰাহকে সেইটো কৰা নাই বুলি শংকা কৰা হয়. যদি পিছৰ প্ৰকাশটো স্পষ্ট নহয় তেন্তে ই গ্ৰাহকৰ বাবে পিছলৈ কাৰ্য কৰিবলৈ অস্বীকাৰ কৰিব;

ঞ) দাবী সংক্ৰান্তীয় যিকোনো প্ৰয়োজনীয়তাৰ বাবে গ্ৰাহকক ক্ষিপ্ৰতাৰে উপদেশ দিয়া উচিত;

ট) দাবী এটাৰ উদ্ভৱ হব পৰা ঘটনা এটা অথবা দাবী এটা সাপেক্ষে গ্ৰাহকৰ পৰা লাভ কৰা যিকোনো তথ্য অনতিপলমে আগলৈ প্ৰেৰণ কৰিব আৰু যিকোনো ঘটনাৰ ক্ষেত্ৰত তিনিটা শ্ৰম দিনৰ ভিতৰত;

ঠ) বীমাকাৰীৰ সিদ্ধান্ত অথবা দাবী এটাৰ বিষয়ে বিলম্ব নকৰাকৈ গ্ৰাহকক উপদেশ দিব; আৰু গ্ৰাহকক তেখেতৰ দাবীটো পৰিচালনাৰ ক্ষেত্ৰত সকলো উপযুক্ত সেৱা আগবঢ়াব.

ড) বীমা চুক্তি এটাৰ অধীনত হিতাধিকাৰীৰ পৰা প্ৰাপ্তিৰ অংশ এটা গ্ৰহণ অথবা দাবী কৰিব নোৱাৰিব;

ঢ) নিৰ্দেশনা পত্ৰ, পলিচী আৰু নবীকৰণৰ তথ্যবোৰে অভিযোগ পৰিচালনা কৰা প্ৰক্ৰিয়াবোৰৰ বিতং বিৱৰণ ধাৰণ কৰাটো নিশ্চিত কৰিব:

ণ) ফোনযোগে অথবা লিখিতভাৱে অভিযোগবোৰ গ্ৰহণ কৰা উচিত:

ত) লাভ কৰাৰ চৈধ্যদিনৰ ভিতৰত অভিযোগ এটা স্বীকাৰ কৰিব, অভিযোগটো পৰিচালনা কৰা ষ্টাফৰ সদস্যজনক পৰামৰ্শ দিব আৰু ইয়াৰ বাবে সময়সীমা নিৰ্ধাৰণ কৰিব;

থ) নিশ্চিত কৰা উচিত যে সঁহাৰি পত্ৰবোৰ প্ৰেৰণ কৰা হৈছে আৰু সঁহাৰিটোৰ দ্বাৰা যদি তেওঁ সন্তুষ্টি লাভ কৰা নাই তেন্তে তেওঁ কি কৰা উচিত অভিযোগকাৰীক জনাওক;

ধ) নিশ্চিত কৰা উচিত যে অভিযোগবোৰ উপযুক্ত জ্যোষ্ঠ স্তৰ এটাত বিবেচনা কৰা হয়;

ন) অভিযোগবোৰ ৰেকৰ্ডিং আৰু নিৰীক্ষণ কৰাৰ বাবে সঁজুলি এটা স্থাপন কৰা উচিত.

অধ্যায় 5

জীবন বীমাৰ বিধিসন্মত নীতিসমূহ

অধ্যায় পৰিচিতি

এই অধ্যায়টোৰ জৰিয়তে জীবন বীমা চুক্তিসমূহৰ কাৰ্যপন্থা নিয়ন্ত্ৰণকাৰী উপাদানবোৰৰ লগত পৰিচয় কৰাই দিয়া হ'ব ।লগতে জীবন বীমা চুক্তি এখনৰ বিশেষত্বোৰৰ বিষয়েও আলোচনা কৰা হ'ব ।

শিক্ষণৰ ফলাফল

A. বীমা চুক্তিসমূহ-বিধিসন্মত দিশ আৰু বিশেষত্বোৰ

A. বীমা চুক্তিসমূহ-বিধিসন্মত দিশ আৰু বিশেষত্ববোৰ

I. জীবন বীমা চুক্তি-বিধিসন্মত দিশ

a) বীমা চুক্তি

বীমা চুক্তিবোৰৰ লগত এটা চুক্তিৰ অঙ্গীকাৰ জড়িত হৈ থাকে, য'ত প্ৰিমিয়াম বুলি কোৱা এটা মূল্যৰ প্ৰতিদান স্বৰূপে বীমাকাৰকে কিছুমান নিৰ্দ্দিষ্ট বিপদাশংকাৰ বিপৰীতে আৰ্থিক সুৰক্ষা দিবলৈ সন্মত হয় । এই চুক্তিৰ অঙ্গীকাৰে বীমা পলিচিৰ ৰূপ লয় ।

b) বীমা চুক্তিৰ বিধিসন্মত দিশ

এতিয়া আমি বীমা চুক্তি এটাৰ বৈশিষ্ট্যবোৰ লক্ষ্য কৰিম আৰু তাৰ পিছত সেই বিধিসন্মত নীতিসমূহ, যি সমূহে সাধাৰণতে বীমা চুক্তিবোৰক নিয়ন্ত্ৰণ কৰে, সেই কেইটাৰ বিষয়ে আলোচনা কৰিম ।

গুৰুত্বপুৰ্ণ

এটা চুক্তি হৈছে দুই বা ততোধিক পক্ষৰ মাজত হোৱা এক বুজাবুজি যিটো আইনৰ দ্বাৰা কৰ্য্যকৰী কৰা হয় । "ভাৰতীয় চুক্তি অধিনিয়ম, 1872" ৰ অন্তৰ্গত বিধিসমূহৰ দ্বাৰা বীমা চুক্তিকে আদি কৰি সকলো ধৰণৰ চুক্তি নিয়ন্ত্ৰিত হয় ।

এটা বীমা পলিচি হৈছে দুটা পক্ষৰ মাজত হোৱা এক চুক্তি ।ইয়াত পক্ষ দুটা হৈছে- কোম্পানীটো যাক বীমাকাৰক বুলি কোৱা হয় আৰু পলিচিধাৰক, যিজনক বীমাকৃত বুলি কোৱা হয় ।

পাঠৰ ব্যাখ্যামূলক নক্সা 1: বীমা চুক্তি



c) এটা বৈধ চুক্তিৰ উপাদানসমুহ

পাঠৰ ব্যাখ্যামূলক নক্সা 2: এটা বৈধ চুক্তিৰ উপাদানসমূহ



এটা বৈধ চুক্তিৰ উপাদানসমূহ হ'ল:

i. প্ৰস্তাৱ আৰু স্বীকৃতি (অফাৰ এণ্ড একছেপটেন্স)

যেতিয়া কোনো ব্যক্তিয়ে কিবা এটা কৰাৰ বা কৰাৰ পৰা বিৰত থকাৰ আগ্ৰহ প্ৰকাশ কৰি এনে কাৰ্য্যৰ বাবে আন এজনৰ সন্মতি আদায় কৰিব বিচাৰে, তেতিয়া ব্যক্তিজনে প্ৰস্তাৱ দিছে বুলি কোৱা হয় । সচৰাচৰ প্ৰস্তাৱকে প্ৰস্তাৱ দিয়ে আৰু বীমাকাৰকে গ্ৰহণ বা স্বীকাৰ কৰে ।

যিজনলৈ প্ৰস্তাৱ আগ বঢ়োৱা হৈছে, তেঁও যেতিয়া তাত সন্মতি প্ৰকাশ কৰে, তেতিয়া ইয়াক স্বীকৃতি বুলি ধৰি লোৱা হয় ।সেয়েহে, প্ৰস্তাৱ স্বীকাৰ কৰাৰ পিছত ই অঙ্গীকাৰত পৰিণত হৈ যায় ।

এই স্বীকৃতি প্ৰস্তাৱকক জনোৱাটো আৱশ্যক, কিয়নো ইয়াৰ লগতেই চুক্তিটোৰ গঠন প্ৰক্ৰিয়া আৰম্ভ হয় ।

যদি প্ৰস্তাৱকজনে বীমা আঁচনিখনৰ অন্তৰ্ভূক্ত চৰ্তবোৰ মানি লয়, তেন্তে তেঁও আৰম্ভণিৰ লাগতিয়াল জমাটো (ডিপ'জিট এমাউণ্ট) পৰিশোধ কৰাৰ যোগেৰে তেঁওৰ সন্মতি প্ৰকাশ কৰে । প্ৰস্তাৱটো গৃহীত হোৱাৰ পিছত প্ৰাৰম্ভিক জমাটো ফাৰ্ষ্ট প্ৰিমিয়ামলৈ ৰূপান্তৰিত হৈ যায় আৰু প্ৰস্তাৱটো পলিচিত পৰিণত হয় ।

যদি কোনো চৰ্ত আৰোপ কৰা হয়, তেন্তে ইয়াক কোৱা হয় প্ৰতি-প্ৰস্তাৱ ।

পলিচি ব'ণ্ড বা বীমা পত্ৰখন হৈ পৰে চুক্তিটোৰ প্ৰমান বা সাক্ষ্য ।

ii. বিবেচনাযোগ্য মূল্য বা প্ৰতিদান (কনছিডাৰেইশ্বন)

ইয়াৰ অৰ্থ হৈছে যে চুক্তিটোত সকলো পক্ষৰ বাবে পাৰস্পৰিক লাভৰ সুবিধা থাকিব লাগিব । বীমাকৃতৰ পক্ষৰ পৰা প্ৰিমিয়ামটোৱেই হৈছে বিবেচনাযোগ্য মূল্য বা প্ৰতিদানস্বৰূপ আৰু আনপিনে ক্ষতি পূৰণৰ অঙ্গীকাৰটো হৈছে বীমাকাৰকৰ পক্ষৰ বিবেচনাযোগ্য মূল্য ।

iii. সকলো পক্ষৰ সন্মতি (এগ্ৰিমেণ্ট বিটুইন দি পাৰ্টিছ)

একে বস্তুৰ বিষয়ে একেটা অৰ্থত উভয় পক্ষই সন্মতি দিব লাগিব।আন কথাত, দুটা পক্ষৰ ''কনচেনছাচ এড্ আইডেম'' অৰ্থাৎ বিষয়বস্তুত ঐকমত্য থাকিব লাগিব । বীমা কোম্পানী আৰু বীমাকৃত উভয় পক্ষই একেটা বস্তুৰ একে ধৰণৰ অৰ্থ বুজি লৈ সন্মত হ'ব লাগিব ।

iv. মুক্ত সন্মতি (ফ্ৰী কনছেন্ট)

চুক্তিত আবদ্ধ হোৱাৰ সময়ত স্বতঃপ্ৰবৃত্ত সন্মতি থাকিব লাগিব ।

সন্মতি মুক্তভাৱে দিয়া বুজায় যেতিয়া সন্মতি দিয়াৰ পৃষ্ঠভূমি এইবোৰ নাথাকে -

- ✓ বলপ্ৰয়োগ
- ✓ অনুচিত প্ৰভাৱ
- ✓ প্ৰবঞ্চনা
- ✓ অসত্য / ভ্ৰমাত্মক তথ্য পৰিবেশন
- ✓ ভুল-ভ্ৰান্তি

সন্মতিটো যদি বাধ্য কৰি আদায় কৰা হৈছে বা এইটো যদি কাৰোবাৰ অনাহক প্ৰৰোচনা, প্ৰবঞ্চনা, ভুৱা দৃষ্টান্ত বা ভুলতে গ্ৰহণ কৰা সিদ্ধান্ত, তেন্তে চুক্তিটো বাতিলযোগ্য হ'ব ।

v. চুক্তিৰ পক্ষসমূহৰ অৰ্হতা (কেপাচিটি অফ দি পাৰ্টিছ)

চুক্তিটোৰ উভয় পক্ষই চুক্তি কৰিব পৰাকৈ আইনতঃ অৰ্হতাসম্পন্ন হ'ব লাগিব । প্ৰস্তাৱ-পত্ৰ চহী কৰাৰ সময়ত পলিচিধাৰকজন প্ৰাপ্তবয়স্ক তথা মানসিকভাৱে সুস্থ হ'ব লাগিব আৰু আইনগত ভাবে চুক্তি কৰিবৰ বাবে অযোগ্য বুলি ঘোষিত হ'ব নালাগিব ।উদাহৰণস্বৰূপে, নাবালক এজনে বীমা চুক্তিত সোমাব নোৱাৰে ।

vi. বৈধতা (লিগেলিটি)

চুক্তিত থকা বিষয়বস্তু বা উদ্দেশ্যটোৰ আইনগত বৈধতা থাকিব লাগিব, যেনে, কোনো বেআইনী কামৰ বীমা নহয় । যিবোৰ চুক্তিৰ বিষয়বস্তু বা উদ্দেশ্য অথবা প্ৰতিদান বা বিবেচনাৰ বিষয়বস্তু আইনসন্মত নহয়, তেনে প্ৰতিটো চুক্তি অকাৰ্য্যকৰী হয় ।এটা বীমা চুক্তিৰ বিষয়বস্তু আইনগত বৈধ বিষয়বস্তু ।

গুৰুত্বপূৰ্ণ

i. বলপ্ৰয়োগ – অপৰাধমূলক কামকাজেৰে হেঁচা দিয়া ।

ii. অনুচিত প্ৰভাৱ – যেতিয়া এজন মানুহে আন এজন মানুহৰ ইচ্ছা-অনিচ্ছাৰ ওপৰত গভীৰ প্ৰভাৱ বিস্তাৰ কৰিব পাৰে আৰু অনুচিত কিছুমান সুবিধা লাভৰ বাবে নিজৰ ক্ষমতা প্ৰয়োগ কৰে ।

iii. প্ৰবঞ্চনা – যেতিয়া এজনে নিজেই সত্য বুলি বিশ্বাস নকৰা ভুল তথ্য পৰিবেশন কৰি আন এজনৰ মনত এটা ভুৱা ধাৰণা বদ্ধমূল কৰে আৰু সেই বিশ্বাসৰ ভিত্তিত সিদ্ধান্ত লোৱাৰ বাবে সিজনক প্ৰৰোচিত কৰে ।ই ইচ্ছাকৃতভাৱে প্ৰকৃত সত্য গোপন কৰাও হ'ব পাৰে অথবা কেতিয়াবা অসত্য তথ্য পৰিবেশনো হ'ব পাৰে ।

iv. ভুল-ভ্ৰান্তি - কেতিয়াবা এটা ভুল বিশ্বাস বা জনাৰ ভুল নাইবা কোনো ঘটনা বা বিষয়বস্তুৰ অশুদ্ধ ব্যাখ্যাৰ পৰিপ্ৰেক্ষিতত চুক্তিটোৰ বিষয়বস্তু ভুলকৈ বুজাৰ ফলত চুক্তিটোৱে বুজাত ভুল হ'ব পাৰে ।

II. বীমা চুক্তিসমূহ – বিশেষত্ববোৰ

a) পৰম বিশ্বাস (আটম'ষ্ট গুড ফেইথ)

এই নীতিটো বীমা চুক্তিৰ বুনিয়াদী নীতিসমূহৰ অন্যতম । ইয়াক ''উবেৰিমা ফাইডছ'' বুলিও কোৱা হয় । ইয়াৰ অৰ্থ হ'ল যে চুক্তিৰ প্ৰতিটো পক্ষই বীমাৰ বিষয়বস্তুৰ লগত সম্পৰ্কিত সকলো গুৰুত্বপুৰ্ণ তথ্য প্ৰকাশ কৰাটো অত্যাৱশ্যক ।

সৰল বিশ্বাস (গুড ফেইথ) আৰু পৰম বিশ্বাসৰ মাজত এটা পাৰ্থক্য আছে । সচৰাচৰ বাণিজ্যিক চুক্তিবোৰৰ ক্ষেত্ৰত লেনদেনবোৰ কৰাৰ সময়ত বিশ্বাস বা সততা বজায় ৰখাৰ প্ৰয়োজন থাকে আৰু আশা কৰা হয় যে তথ্য প্ৰকাশৰ ক্ষেত্ৰত কোনো প্ৰৱঞ্চনা বা ছলনা কৰা নহব । বিশ্বাস বজায় ৰখাৰ এই বিধিগত কৰ্তব্যখিনিৰ বাহিৰে, চুক্তিৰ বিষয়বস্তু সম্পৰ্কীয় কোনো তথ্য ক্ৰেতাজনক জনাবলৈ বিক্ৰেতাজন বাধ্য নহয় ।

এই ক্ষেত্ৰত পালনীয় নীতিটো হৈছে ''কেভিএট এম্পটৰ'' অৰ্থাৎ ''ক্ৰেতা, সাৱধান !'' । ইয়াত আশা কৰা যায় যে চুক্তি কৰা পক্ষকেইটাই চুক্তিৰ বিষয়বস্তু ভালদৰে চালিজাৰি ল'ব আৰু যেতিয়ালৈ এটা পক্ষই আনটো পক্ষক বিপথে পৰিচালিত নকৰে আৰু উত্তৰসমূহ সততাৰে দিয়ে, তেতিয়ালৈকে অপৰ পক্ষই চুক্তিটো এৰাই চলাৰ কোনো প্ৰশ্নই নুঠে ।

পৰম বিশ্বাস: বীমা চুক্তিবোৰ এটা ভিন্ন অৱস্থানত আছে ।প্ৰথমতে, চুক্তিৰ বিষয়বস্তু স্পৰ্শনাতীত আৰু প্ৰত্যক্ষ পৰ্য্যবেক্ষণ বা বীমাকাৰকৰ অভিজ্ঞতাৰ যোগেৰে ইয়াক সহজে জনাৰ উপায় নাই । তদুপৰি এনে কিছুমান তথ্য আছে, যিবোৰৰ নিজৰ প্ৰকৃতিগত বৈশিষ্ট্যৰ কাৰণেই কেৱল প্ৰস্তাৱকজনেই এইবোৰৰ বিষয়ে জ্ঞাত । গতিকে বীমাকাৰকে প্ৰায়েই তথ্যখিনিৰ কাৰণে সম্পূৰ্ণৰূপে প্ৰস্তাৱকৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয় ।

সেয়েহে, বীমা চুক্তিৰ বিষয়বস্তুৰ লগত সম্পৰ্কিত যিবোৰ গুৰুত্বপূৰ্ণ বাস্তৱিক তথ্যৰ বিষয়ে বীমাকাৰক জ্ঞাত নহয়, সেইবোৰক সদৰী কৰাৰ বিধিবদ্ধ দায়িত্ব প্ৰস্তাৱকৰ ওপৰত আহি পৰে ।

উদাহৰণ

ডেভিডে জীবন বীমা পলিচি এখন কিনাৰ বাবে প্ৰস্তাৱ দিছে । পলিচিৰ কাৰণে আবেদন কৰাৰ সময়ত তেঁও বহুমূত্ৰ ৰোগত ভুগি আছিল আৰু তাৰ বাবে চিকিৎসাধীন হৈ আছিল ।কিন্তু এই তথ্যটো ডেভিডে জীবন বীমা কোম্পানীক জনোৱা নাছিল ।ডেভিডৰ বয়স ত্ৰিছৰ কোঠাত আছিল । গতিকে বীমা কোম্পানীয়ে ডেভিডক ডাক্তৰি পৰীক্ষাৰ কাৰণে কোৱা নাছিল । কেইবছৰমান পিছত ডেভিডৰ স্বাস্থ্যৰ অৱনতি ঘটিল আৰু তেঁও হাস্পতালত ভৰ্তি হ'ব লগা হ'ল ।কিন্তু তেঁও সুস্থ হৈ নুঠিল আৰু কেইটামান দিনৰ পিছতেই তেঁওৰ মৃত্যু হ'ল ।বীমা কোম্পানীত এটা দাবী উত্থাপন কৰা হ'ল ।

কিন্তু ডেভিডৰ নমিনিয়ে অৰ্থাৎ নামাংকিত ব্যক্তিজনে জানি আশ্চৰ্য্যান্বিত হৈ গ'ল যে বীমা কোম্পানীয়ে এই দাবী অগ্ৰাহ্য কৰিছে । দৰাচলতে, বীমা কোম্পানীয়ে কৰা তদন্তৰ পৰা ওলাই পৰিছিল যে বীমাৰ বাবে আবেদন কৰাৰ সময়তেই ডেভিড বহুমূত্ৰ ৰোগত আক্ৰান্ত আছিল, যি সত্যটো তেঁও ইচ্ছাকৃতভাৱে গোপন কৰিছিল । সেই বাবে বীমা চুক্তিটো আইনতঃ অকাৰ্যকৰী হোৱা হেতুকে দাবী অগ্ৰাহ্য কৰা হৈছিল ।

গুৰুত্বপূৰ্ণ তথ্য হৈছে প্ৰস্তাৱকজনৰ সম্পৰ্কে সেইবোৰ তথ্য যিবোৰে বীমাকাৰকসকলক এই সকল সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত প্ৰভাৱান্বিত কৰে যে-

- ✓ তেঁওলোকে এই বিপদাশংকাটো গ্ৰহণ কৰিব নে নাই?
- ✓ যদি প্ৰস্তাৱটো গ্ৰহণ কৰা হয়, তেন্তে তাৰ বাবে প্ৰিমিয়ামৰ হাৰ কিমান ধাৰ্য্য কৰিব লাগিব আৰু কি কি চৰ্ত আৰোপ কৰিব লাগিব?

পৰম বিশ্বাসৰ আইনগত কৰ্তব্য ''কমন ল'' অৰ্থাৎ অলিখিত প্ৰথাৰ পৰাই উদ্ভূত হৈছে ।এই কৰ্তব্যৰ পৰিধি কেৱল প্ৰস্তাৱকে জনা গুৰুত্বপুৰ্ণ তথ্যতেই সীমিত নাথাকে, আনকি যিবোৰ গুৰুত্বপূৰ্ণ তথ্য তেঁও জনা উচিৎ সেইখিনিকেও সামৰে ।

উদাহৰণ

প্ৰস্তাৱকে প্ৰকাশ কৰিবলগীয়া কিছুমান গুৰুত্বপূৰ্ণ তথ্যৰ বিষয়ে তলত দিয়া হ'ল:

i. **জীবন বীমা;** নিজৰ চিকিৎসা সম্বন্ধীয় ইতিহাস, বংশগত অসুস্থতাৰ পাৰিবাৰিক ইতিহাস, ধূমপান বা মদ্যপানৰ অভ্যাস, কৰ্মস্থানত অনুপস্থিতি, বয়স, চখ, বিত্ত বিষয়ক তথ্য যেনে প্ৰস্তাৱকৰ আয়ৰ বিস্তৃত বিবৰণ, পুৰণা জীবন বীমা পলিচিৰ সবিশেষ, জীৱিকা ইত্যাদি ।

ii. **অগ্নি বীমা:** ঘৰটোৰ গঠন আৰু ব্যৱহাৰ-বিধি, ঘৰটো কিমান পুৰণা, ঘৰ-বাৰীত থকা সমগ্ৰীবোৰৰ প্ৰকাৰ ইত্যাদি ।

iii. **নৌ বীমা:** সামগ্ৰীবোৰৰ বিবৰণ, বস্তু পেক কৰাৰ পদ্ধতি ইত্যাদি ।

iv. **মটৰ বীমা:** যান-বাহনৰ বিবৰণ, কিনাৰ তাৰিখ, চালকৰ বিস্তৃত বিবৰণ ইত্যাদি ।

এইবাবে আইনে বীমা চুক্তিবোৰক এটা উচ্চতৰ বাধ্যবাধকতাৰ কতৃত্বাধীন কৰিছে আৰু বীমা চুক্তিৰ বিষয়টো অহাৰ লগে লগে বিশ্বাসৰ চুক্তিটো পৰম বিশ্বাসৰ চুক্তিলৈ ৰূপান্তৰিত হৈ পৰিছে ।

সংজ্ঞা

''সুৰক্ষা-আৱৰণৰ বাবে প্ৰস্তাৱিত বিপদাশংকাটোৰ লগত সম্পৰ্কিত সকলো গুৰুত্বপূৰ্ণ তথ্যখিনি, বিচৰা হওক বা নহওক, স্বেচ্ছাই সঠিকভাৱে আৰু সম্পুৰ্ণভাৱে প্ৰকাশ কৰাৰ সন্দেহাতীত কৰ্তব্যটো.''ৰ লগত ''উবেৰিমা ফাইডছ'' ধাৰণাটো সংশ্লিষ্ট হৈ আছে ।

কোনো এটা পক্ষই যদি পৰম বিশ্বাসৰ নীতিটো মানি নচলে, তেনে ক্ষেত্ৰত আনটো পক্ষই চুক্তিটো না মানিবও পাৰে । ইয়াৰ সাৰমৰ্ম হ''ল যে নিজৰ অসাধু কৃতকৰ্মৰ কাৰণে কাকো সুবিধা ল'ব দিয়া নহয়, বিশেষকৈ বীমা চুক্তিত সোমোৱাৰ সময়ত ।

আশা কৰা হয় যে বীমা চুক্তিৰ বাবে অপৰিহাৰ্য্য গুৰুত্বপূৰ্ণ তথ্যখিনিৰ বিষয়ে কোনো অসত্য বা ভ্ৰমাত্মক বিবৰণ বীমাকৃতই পৰিবেশন নকৰিব ।তেঁও প্ৰাসঙ্গিক সকলো তথ্য আৱশ্যকীয়ভাৱে প্ৰকাশ কৰিব ।যদি এই বাধ্যবাধকতা নাথাকে, তেনেহ''লে ব্যক্তি এজনে বিষয়বস্তুটোৰ ওপৰত বিপদাশংকাৰ প্ৰভাৱ অধিক কৰিব পৰা কিছুমান তথ্য লুকুৱাই অনুচিত সুবিধা ল'ব পাৰে ।

পলিচিধাৰকে নিজৰ স্বাস্থ্য, পাৰিবাৰিক ইতিহাস, আয়, জীৱিকা ইত্যাদিৰ বিষয়ে একো গোপন নকৰাকৈ সকলো গুৰুত্বপূৰ্ণ তথ্য প্ৰকাশ কৰিব বুলি আশা কৰা যায়, যাতে আণ্ডাৰৰাইটাৰে অৰ্থাৎ বীমাঙ্কনকাৰীয়ে যথাযথভাৱে বিপদাশংকাটোৰ মূল্যায়ন কৰিব পাৰে ।প্ৰস্তাৱ-পত্ৰত তথ্য প্ৰকাশ নকৰা বা অসত্য / ভ্ৰমাত্মক তথ্য পৰিবেশন কৰাৰ দ্বাৰা যদি বীমাঙ্ককৰ বীমাঙ্কন সম্বন্ধীয় সিদ্ধান্ত প্ৰভাৱান্বিত হয়, তেন্তে সেই চুক্তি বাতিল কৰি দিয়াৰ আইনগত অধিকাৰ বীমাকাৰকৰ থাকে ।

আইনে সকলো গুৰুত্বপূৰ্ণ তথ্য প্ৰকাশ কৰাৰ বাবে বাধ্যবাধকতা বলবৎ কৰিছে ।

উদাহৰণ

উচ্চৰক্তচাপত ভুগি থকা কাৰ্য্যপালিকা এজনৰ অলপতে হৃদযন্ত্ৰৰ মৃদু জটিলতা দেখা দিছে গতিকে তেঁও স্বাস্থ্য পলিচি এটা লোৱাৰ সিদ্ধান্ত লৈছে, কিন্তু বীমাকাৰকক তেঁওৰ অসুস্থতাৰ বিষয়ে একো জনোৱা নাই । বীমাকৃতই কৰা অসত্য তথ্য পৰিবেশনৰ দ্বাৰা সহজে প্ৰতাৰিত হৈ বীমাকাৰকে প্ৰস্তাৱটো স্বীকাৰ কৰিলে ।

ব্যক্তি এজনৰ হৃৎপিণ্ডত এটা জন্মগত ছিদ্ৰ আছে, যিটো তেঁও প্ৰস্তাৱ-পত্ৰত সদৰী কৰিছে । বীমাকাৰকে প্ৰস্তাৱটো স্বীকাৰ কৰিলে কিন্তু প্ৰস্তাৱকক নজনালে যে কমপক্ষেও চাৰি বছৰলৈকে পূৰ্ব-বিদ্যমান ব্যাধিসমূহৰ বিপৰীতে বীমা সুৰক্ষা দিয়া নহয় ।ই হ'ল বীমাকাৰকৰ দ্বাৰা তথ্যৰ বিষয়ে ভ্ৰমাত্মক ধাৰণা

b) গুৰুত্বপূৰ্ণ তথ্য

সংজ্ঞা

গুৰুত্বপূৰ্ণ তথ্য হৈছে সেইবোৰ তথ্য, যিবোৰে এজন বীমাঙ্কনকাৰীৰ বীমা প্ৰস্তাৱটোক গ্ৰহণ কৰা বা নকৰাৰ বিবেচনাকৃত সিদ্ধান্তক, আৰু যদি প্ৰস্তাৱটো গ্ৰহণ কৰা হয়, তেন্তে কি কি নিয়ম তথা চৰ্ত সাপেক্ষে গ্ৰহণ কৰা হ'ব আৰু কিমান প্ৰিমিয়াম দাবী কৰিব লাগিব সেই সিদ্ধান্তক প্ৰভাৱিত কৰে ।

অপ্ৰকাশিত তথ্যটো সঁচাকৈয়ে গুৰুত্বপূৰ্ণ আছিল নে নাই সেইটো প্ৰতিটো ক্ষেত্ৰতে নিজা পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰিব আৰু আদালততহে চূড়ান্তভাৱে ইয়াৰ নিষ্পত্তি কৰিব পৰা যাব । বিপদাশংকাটোক প্ৰভাৱিত কৰিব পৰা সকলো তথ্য বীমাকৃতই প্ৰকাশ কৰিবই লাগিব ।

প্ৰকাশ কৰিবলগীয়া কিছুমান গুৰুত্বপূৰ্ণ তথ্যৰ বিষয়ে তলত উল্লেখ কৰা হ'ল:

i. নিৰ্দ্দিষ্ট বিপদাশংকাটোৰ মাত্ৰা স্বাভাৱিকতকৈ অধিক প্ৰকট হ'ব পৰা দিশটোলৈ ইঙ্গিত দিয়া কোনো তথ্য ।

উদাহৰণ

বিপজ্জনক ধৰণৰ পণ্যসামগ্ৰী সমুদ্ৰত বহন কৰি লৈ যোৱা, অসুস্থতাৰ পুৰ্ব ইতিহাস

ii. সকলো বীমাকাৰকৰ পৰা লোৱা পলিচিবোৰৰ বিদ্যমানতা আৰু সেইবোৰৰ বৰ্তমান স্থিতি

iii. প্ৰস্তাৱপত্ৰ বা বীমাৰ বাবে কৰা আবেদন পত্ৰখনত থকা সকলো প্ৰশ্নই গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হয় কাৰণ এইবোৰ বীমাৰ বিষয়বস্তুৰ আৰু ইয়াৰ বিপদাশংকাৰ মাত্ৰাৰ বিভিন্ন দিশৰ লগত সম্পৰ্কিত ।এই প্ৰশ্নবোৰৰ উত্তৰসমূহ সম্পূৰ্ণ আৰু সত্যনিষ্ঠ হোৱা উচিত ।

নিম্নলিখিত পৰিস্থিতিকেইটাত গুৰুত্বপূৰ্ণ তথ্য প্ৰকাশ কৰাৰ কোনো আৱশ্যকীয়তা নেথাকে:

তথ্য

যিবোৰ গুৰুত্বপূৰ্ণ তথ্য প্ৰকাশ কৰাৰ বাধ্যবাধকতা নাই

যদি বীমাঙ্কনকাৰীয়ে নিৰ্দ্দিষ্টভাৱে জানিব নিবিচাৰে, তেন্তে তলত দিয়া ধৰণৰ তথ্যবোৰ প্ৰকাশ কৰাৰ কোনো বাধ্যবাধকতা নেথাকে:

i. বিপদাশংকা কমোৱাৰ বাবে লোৱা পদক্ষেপবোৰ ।

উদাহৰণ: অগ্নিনিৰ্বাপক সঁজুলি স্থাপন কৰা

ii. বীমাকৃত ব্যক্তিজনৰ অজ্ঞাত বা অনৱহিত কোনো তথ্য ।

উদাহৰণ: এজন ব্যক্তিয়ে উচ্চৰক্তচাপত ভুগি আছে কিন্তু পলিচি লোৱাৰ সময়ত ইয়াৰ বিষয়ে তেঁও অৱহিত নাছিল. তেঁওক এই তথ্য প্ৰকাশ নকৰা বাবে দোষাৰোপ কৰিব নোৱাৰি ।

iii. যিবোৰ তথ্য ন্যায্য অধ্যাৱসায়ৰ দ্বাৰাই জানিব পৰা যায় ।

প্ৰতিটো গুৰুত্বপূৰ্ণ তথ্য পুংখানুপুংখভাৱে প্ৰকাশ কৰাৰ আৱশ্যকীয়তা নাই । বীমাঙ্কনকাৰীসকল যথেষ্ট সজাগ থকা উচিৎ যাতে প্ৰয়োজন হ'লে এই খুঁটি-নাটি তথ্যবোৰ তেঁওলোকে আকৌ প্ৰস্তাৱকৰ পৰা বিচাৰিব পাৰে ।

iv. আইনী বিষয় সমূহ

দেশৰ আইনসমূহৰ বিষয়ে সকলোৱে জনাটো উচিৎ ।

উদাহৰণ: বিস্ফোৰক পদাৰ্থ জমা কৰি ৰখাৰ বিষয়ে বলবৎ কৰা মিউনিচিপালিটিৰ আইন ।

v. যিবোৰ তথ্যৰ বিষয়ে বীমাকাৰক উদাসীন প্ৰতীয়মান হয় (অথবা অধিক তথ্যৰ প্ৰয়োজন বোধ কৰা নাই) ।

''উত্তৰবোৰ অসম্পূৰ্ণ আছিল''- ইয়াৰ ভিত্তিত বীমাকাৰকে পিছলৈ দায়িত্ব অস্বীকাৰ কৰিব নোৱাৰে ।

কেতিয়া তথ্য সদৰী কৰাটো কৰ্তব্য?

জীবন বীমা চুক্তিৰ ক্ষেত্ৰত, প্ৰস্তাৱ গ্ৰহণ কৰি পলিচিটো জাৰি নোহোৱালৈকে গোটেই আলোচনা-বিলোচনাৰ কালছোৱাত তথ্য প্ৰকাশ কৰাৰ কৰ্তব্য থাকে । এবাৰ পলিচি জাৰি হোৱাৰ পিছত পলিচিৰ ম্যাদৰ ভিতৰত ভৱিষতে গুৰুত্বপূৰ্ণ তথ্য-সম্বলিত কোনো ঘটনা ঘটিলেও তাৰ বিষয়ে বীমাকাৰক জনোৱাৰ কোনো আৱশ্যকতা নাই ।

উদাহৰণ

শ্ৰী ৰাজনে পোন্ধৰ বছৰৰ বাবে এটা জীবন বীমা পলিচি লৈছে ।পলিচি লোৱাৰ ছয় বছৰ পিছত তেঁওৰ হৃদযন্ত্ৰৰ কিছু সমস্যা দেখা দিয়া বাবে অস্ত্ৰোপচাৰ কৰিব লগীয়া হ'ল ।গুৰুত্বপূৰ্ণ হলেও এই তথ্যটো বীমাকাৰকক জনোৱাৰ কোনো আৱশ্যকীয়তা নাই ।

কিন্তু সময় মতে প্ৰিমিয়াম নিদিয়া বাবে পলিচিটো যদি লেপচড্ অৰ্থাৎ কালাতীত হৈ যায় আৰু পলিচিধাৰকে ৰিভাইভেল অৰ্থাৎ পুনৰ্চলন পদ্ধতিৰে পলিচিটো আকৌ চালু কৰিব খোজে, তেন্তে এই ধৰণৰ ৰিভাইভেলৰ সময়ত সকলো গুৰুত্বপূৰ্ণ আৰু প্ৰাসঙ্গিক তথ্য সদৰী কৰাৰ কৰ্তব্য তেঁওৰ থাকিব, যেন এইটো এটা নতুন পলিচিহে ।

পৰম বিশ্বাসৰ উলঙ্ঘন (ব্ৰীচ্চ অফ আটম'ষ্ট গুড ফেইথ)

কোন কোন পৰিস্থিতিত পৰম বিশ্বাস উলঙ্ঘিত হয় চোৱা যাওক।এই উলঙ্ঘন হ'ব পাৰে তথ্য প্ৰকাশ নকৰা বা অসত্য / ভ্ৰমাত্মক বিবৰণ পৰিবেশন কৰাৰ জৰিয়তে ।

তথ্য প্ৰকাশ নকৰা (নন-ডিছক্লযাৰ): বীমাকাৰকে নিৰ্দ্দিষ্টভাৱে সোধা নাই বুলিয়েই যেতিয়া বীমাকৃত ব্যক্তিজন গুৰুত্বপূৰ্ণ তথ্যৰ বিষয়ে নীৰৱ থাকে । বীমাকাৰকে সোধা প্ৰশ্নবোৰৰ পোনপটীয়া উত্তৰ নিদিয়া বা পাল মৰা উত্তৰ দিয়াৰ দ্বাৰাও পৰম বিশ্বাস উলঙ্ঘিত হয় । বহু সময়ত এই প্ৰকাশ নকৰাটো বীমাকৃতৰ অসাৱধানতাবশত (অনিচ্ছাকৃতভাৱে বা অজানিতে) নাইবা তেঁও এই তথ্য গুৰুত্বপূৰ্ণ বুলি নভবা বাবেও হ'ব পাৰে ।

এনেকুৱা ক্ষেত্ৰত এইটো দোষ বুলি গণ্য কৰা নহয় । যেতিয়া কোনো তথ্য ইচ্ছাকৃতভাৱে লুকুৱাই থোৱা হয়, তেতিয়া এইটোক গোপন কৰা (কনছীলমেণ্ট) বুলি ধৰা হয় ।এই ক্ষেত্ৰত প্ৰতাৰণাৰ উদ্দেশ্যে এই তথ্য গোপন কৰাৰ অভিযোগ অনা হয় ।

অসত্য / ভ্ৰমাত্মক তথ্য পৰিবেশন (মিছ-ৰিপ্ৰেজেণ্টেশ্বন): বীমা চুক্তিৰ বাবে আলোচনা-বিলোচনা চলি থকাৰ সময়ত দিয়া বিবৃতিবোৰক ৰিপ্ৰেজেণ্টেশ্বন অৰ্থাৎ পৰিবেশন বুলি কোৱা হয় । কোনো পৰিবেশন এটা তথ্যৰ নিশ্চিত বিবৃতি হ'ব পাৰে নাইবা বিশ্বাস, অভিপ্ৰায় বা প্ৰত্যাশাৰ এটা বিবৃতি হ'ব পাৰে ।তথ্যৰ বিষয়ে বিবৃতিটো সামগ্ৰিকভাৱে সঠিক হ'ব বুলি আশা কৰা হয় । যেতিয়া বিশ্বাস বা প্ৰত্যাশা জড়িত পৰিবেশন বা বিবৃতিটোৰ কথাটো আহে, তেতিয়া ধৰি লোৱা হয় যে এই বিবৃতিটো নিশ্চিতৰূপে পৰম বিশ্বাসৰ সৈতে কৰা হৈছে ।

অসত্য / ভ্ৰমাত্মক তথ্য পৰিবেশন দুই ধৰণৰ হ'ব পাৰে:

i. নিৰপৰাধভাৱে কৰা অসত্য / ভ্ৰমাত্মক তথ্য পৰিবেশন হৈছে সেই ভুল বিবৃতিবোৰ যিকেইটা প্ৰতাৰণাৰ অসৎ উদ্দেশ্য নোহোৱাকৈয়ে দিয়া হৈছে ।

ii. আনহাতে, প্ৰৱঞ্চনাকাৰী অসত্য / ভ্ৰমাত্মক তথ্য পৰিবেশন হৈছে বীমাকাৰকক প্ৰৱঞ্চনা কৰাৰ অসৎ উদ্দেশ্য লৈ ইচ্ছাকৃতভাৱে দিয়া অসত্য বিবৃতি, অথবা প্ৰকৃত সত্য আওকান কৰি অপৰিণামদৰ্শীভাৱে কৰা কোনো পৰিবেশন ।

এটা বীমা চুক্তি সাধাৰণতে অবৈধ বুলি বিবেচিত হয়, যেতিয়া প্ৰতাৰণা কৰাৰ অসৎ উদ্দেশ্যেৰে ইচ্ছাকৃতভাৱে কোনো গুৰুত্বপূৰ্ণ তথ্য বীমাকাৰকৰ পৰা গোপন কৰা হয় বা যেতিয়া প্ৰৱঞ্চনাকাৰী অসত্য / ভ্ৰমাত্মক তথ্য পৰিবেশন কৰা হয় ।

c) বীমাযোগ্য স্বাৰ্থ (ইনশ্বিউৰেবল্ ইনটাৰেষ্ট)

প্ৰতিটো বীমা চুক্তিৰ এটা অপৰিহাৰ্য্য উপাদান হৈছে বীমাযোগ্য স্বাৰ্থৰ উপস্থিতি, যিটো এটা আইনগত পুৰ্বাৱশ্যকতা বুলি বিবেচিত হয় । বীমা চুক্তি কেনেকৈ জুৱা খেল (গেম্বলিং) বা বাজিৰ চুক্তিৰ (ৱেইজাৰিং) পৰা পৃথক, চোৱা যাওক ।

i. জুৱা খেল আৰু বীমা

তাচ খেলত এজনে হয় জিকে নহ'লে হাৰে ।এই হাৰ-জিতৰ ঘটনাটো ঘটে কেৱল এজন জুৱা খেলত প্ৰবৃত্ত হোৱাৰ ফলত । জিকাৰ বাহিৰে এই খেলৰ লগত খেলুৱৈজনৰ আন কোনো সম্বন্ধ বা অতিৰিক্ত আগ্ৰহ নাথাকে । বাজি ধৰাটো আদালতত আইনত কাৰ্য্যকৰীযোগ্য নহয় আৰু ইয়াৰ উদ্দেশ্যে কৰা যিকোনো চুক্তি অবৈধ বুলি বিবেচিত হ'ব । যদি কোনোবাই তাচ খেলত তেঁওৰ ঘৰটোকেই বাজি ৰাখে, তেঁও হাৰি গ'লে অপৰ পক্ষই এই চৰ্তটোৰ পুৰণ নিশ্চিত কৰাৰ বাবে আদালতৰ দ্বাৰস্থ হ'ব নোৱাৰে ।

ইয়াৰ বিপৰীতে এটা ঘৰৰ কথা আৰু ঘৰটো ভস্মীভূত হোৱাৰ ঘটনাৰ কথা ধৰি লোৱা যাওক ।যিজন ব্যক্তিয়ে এই ঘৰটোৰ বীমা কৰাইছে, বীমাৰ বিষয়বস্তু অৰ্থাৎ ঘৰটোৰ লগত তেঁওৰ এটা বৈধ সম্বন্ধ আছে । ঘৰটোৰ মালিক হোৱাৰ ফলত ঘৰটো জুইত ভস্মীভূত হ'লে বা ঘৰটোৰ কোনো ক্ষতি হ'লে মানুহজনৰ আৰ্থিক লোকচান হ'ব ।এই মালিকানাৰ সম্বন্ধটো ঘৰটোত জুই লগা বা নলগাৰ ওপৰত নিৰ্ভৰ নকৰে আৰু এই সম্বন্ধটোয়েই তেঁওক লোকচানৰ সন্মুখীন কৰে ।মানুহজনে বীমা কৰাওক বা নকৰাওক, ঘটনাটো (জুই লগা বা চুৰি হোৱা) ঘটিলে মানুহজনে লোকচান ভুগিব লগা হ'বই ।

জুৱা খেলত এজন জিকিবও পাৰে নাইবা হাৰিবও পাৰে, ইয়াৰ বিপৰীতে জুই লগাৰ এটাই পৰিণতি হ'ব - ঘৰটোৰ মালিকজনৰ ক্ষতি ।

মালিক এজনে এই কাৰণেই বীমা কৰায় যাতে লোকচান হ'লে কিবা প্ৰকাৰে ইয়াৰ ক্ষতি পূৰণৰ নিশ্চিতি পোৱা যায় ।

নিজৰ ঘৰ বা নিজৰ অৰ্থৰ ওপৰত যি স্বাৰ্থটো বীমাকৃত ব্যক্তিজনৰ থাকে, সেইটোকেই বীমাযোগ্য স্বাৰ্থ বুলি কোৱা হয়। এই বীমাযোগ্য স্বাৰ্থ থকা বাবেই বীমা চুক্তি এটা আইনত বৈধ বুলি বিবেচিত হয় আৰু আইনৰ অধীনত কাৰ্য্যকৰী কৰা যায়।

উদাহৰণ

শ্ৰী চন্দ্ৰশেখৰ এটা ঘৰৰ মালিক, যিটোৰ কাৰণে তেঁও বেংকৰ পৰা 15 লাখ টকাৰ এটা বন্ধকী-ঋণ লৈছে। এতিয়া তলৰ প্ৰশ্নকেইটালৈ মন কৰক:

- ✓ এই ঘৰটোৰ ওপৰত তেঁওৰ কিবা বীমাযোগ্য স্বাৰ্থ আছেনে?
- ✓ এই ঘৰটোৰ ওপৰত বেংকৰ কিবা বীমাযোগ্য স্বাৰ্থ আছেনে?
- ✓ তেঁওৰ প্ৰতিৱেশী সকলৰ?

শ্ৰী শ্ৰীনিবাসৰ পৰিয়ালত তেঁওৰ পত্নী, দুই সন্তান আৰু বৃদ্ধ মাক-দেউতা আছে। এতিয়া তলৰ প্ৰশ্নকেইটালৈ মন কৰক:

- ✓ পৰিয়ালৰ সকলৰ সৰ্বাঙ্গীণ কুশলত তেঁওৰ বীমাযোগ্য স্বাৰ্থ আছেনে?
- ✓ যদি পৰিয়ালৰ কোনো সদস্য হাস্পতালত ভৰ্তি হয়, তেন্তে তেঁওৰ কিবা আৰ্থিক লোকচান হ'বনে?
- ✓ তেঁওৰ প্ৰতিৱেশীৰ ল'ৰা-ছোৱালীবোৰ? সিহঁতৰ ওপৰত তেঁওৰ বীমাযোগ্য স্বাৰ্থ আছেনে?

এইখিনিতে, বীমাৰ বিষয়বস্তু আৰু বীমা চুক্তিৰ বিষয়বস্তুৰ মাজত প্ৰভেদখিনি নিৰ্ণয় কৰাটো প্ৰাসঙ্গিক হ'ব।

বীমাৰ বিষয়বস্তু হৈছে নিহিত নিজা মূল্য থকা এটা সম্পত্তি যাৰ বীমা কৰাব পাৰি।

আনহাতে, বীমা চুক্তিৰ বিষয়বস্তু হৈছে সেই সম্পত্তিটোৰ ওপৰত থকা বীমাকৃতৰ আৰ্থিক স্বাৰ্থ।যেতিয়া বীমাকৃতৰ এনেধৰণৰ স্বাৰ্থ কোনো সম্পত্তিৰ ওপৰত থাকে, কেৱল তেতিয়াহে এই সম্পত্তিটোৰ বীমা কৰোৱাৰ আইনসিদ্ধ অধিকাৰ তেঁওৰ থাকে।এই যুক্তি অনুসৰি অতি নিৰ্ভুলভাৱে ক'বলৈ হ'লে, বীমা পলিচিয়ে এটা সম্পত্তিক নহয়- সেই সম্পত্তিত থকা বীমাকৃতৰ আৰ্থিক স্বাৰ্থকহে সুৰক্ষা দিয়ে।

পাঠৰ ব্যাখ্যামূলক নক্সা 3: অলিখিত প্ৰথা অনুসৰি বীমাযোগ্য স্বাৰ্থ



ii. কেতিয়া বীমাযোগ্য স্বাৰ্থ থাকিব লাগে

জীবন বীমাৰ ক্ষেত্ৰত পলিচি লোৱাৰ সময়ত বীমাযোগ্য স্বাৰ্থ থাকিব লাগিব । সাধাৰণ বীমাৰ ক্ষেত্ৰত, নৌ-বীমাৰ দৰে কিছুমান ব্যতিক্ৰমৰ বাহিৰে, পলিচি লোৱাৰ আৰু দাবী উত্থাপনৰ- এই দুয়োটা সময়তেই বীমাযোগ্য স্বাৰ্থ থাকিব লাগিব ।

d) প্ৰত্যক্ষ কাৰণ (প্ৰক্সিমেইট কজ)

শেষৰ বিধিসন্মত নীতিটো হৈছে ''প্ৰত্যক্ষ কাৰণ''ৰ নীতি ।

প্ৰত্যক্ষ কাৰণ হৈছে বীমাৰ অতি গুৰুত্বপূৰ্ণ নীতি যিটো দুটা মূল প্ৰশ্নৰ লগত জড়িত- কি ভাবে ক্ষতি বা হানি প্ৰকৃততে সংঘটিত হ'ল আৰু সঁচাকৈয়ে ই বীমা কৰোৱা বিপৰ্য্যয়টোৰ ফলত হোৱা পৰিণাম নেকি, যাৰ বাবে বীমাকাৰক দায়বদ্ধ? যদি প্ৰত্যক্ষ কাৰণটো বীমা কৰোৱা বিপৰ্য্যয়টোৱেই হয়, তেন্তে ইয়াৰ ক্ষতি পূৰণ কৰিবলৈ বীমাকাৰক বাধ্য, অন্যথা নহয় ।

এই নীতি অনুসৰি, বীমাকাৰকে সেই কৰ্তৃত্বকৰ কাৰণটো বিচাৰে যিটো লোকচানদায়ক পৰিণতি সৃষ্টি কৰা পৰিস্থিতিবোৰৰ মূল কাৰক ।ই শেষ কাৰণ বা ক্ষতিগ্ৰস্ততাৰ অব্যবহিত পূৰ্বৰ কাৰণ অৰ্থাৎ নিকটতম বা তাৎক্ষণিকভাৱে দায়ী কাৰণটো নহ'বও পাৰে ।

আন কাৰণবোৰক দূৰ-সম্বন্ধীয় কাৰণ হিচাবে শ্ৰেণীবদ্ধ কৰিব পাৰি, যিবোৰ প্ৰত্যক্ষ কাৰণবোৰতকৈ বেলেগ । দূৰ-সম্বন্ধীয় কাৰণবোৰৰ উপস্থিতি থাকিব পাৰে, কিন্তু নিৰ্দ্দিষ্ট ঘটনাটো সংঘটিত কৰাৰ ক্ষেত্ৰত এইবোৰ দায়ী নহয় ।

সংজ্ঞা

প্ৰত্যক্ষ কাৰণ হৈছে ঘটনাক্ৰমৰ শৃংখলা এটাত গতি সঞ্চাৰ কৰা সক্ৰিয় আৰু সমৰ্থ কাৰণ, যিটোৱে নতুন আৰু স্বাধীন উৎস এটাৰ পৰা আৰম্ভ হোৱা আৰু সক্ৰিয়ভাৱে কাম কৰা আন কোনো শক্তি মাজত জড়িত নোহোৱাকৈ, এটা পৰিণতি কঢ়িয়াই আনে ।

জীবন বীমাৰ ক্ষেত্ৰত প্ৰত্যক্ষ কাৰণৰ নীতিটো কিভাৱে প্ৰযোজ্য হয়? সচৰাচৰ যিহেতু জীবন বীমাই মৃত্যুৰ ক্ষেত্ৰত কাৰণ নিৰ্বিশেষে আৰ্থিক সুবিধাৰ ব্যৱস্থা কৰে, প্ৰত্যক্ষ কাৰণৰ নীতিটো ইয়াত প্ৰযোজ্য নহয় । কিন্তু বহুত জীবন বীমা চুক্তিত দুৰ্ঘটনা জনিত মৃত্যুৰ বাবে ওপৰঞ্চি সুবিধা আগ বঢ়োৱা হয়, য'ত দুৰ্ঘটনাত মৃত্যু হ'লে এক অতিৰিক্ত আশ্বাসিত বীমাৰাশি দিয়া হয় । এনেকুৱা পৰিস্থিতিত মৃত্যুৰ কাৰণটো দুৰ্ঘটনা হয় নে নহয় সেয়া নিৰ্ণয় কৰাটো অত্যাৱশ্যকীয় হৈ পৰে । এই ধৰণৰ পৰিস্থিতিত প্ৰত্যক্ষ কাৰণৰ নীতিটো প্ৰযোজ্য হয় ।

আসঞ্জনৰ চুক্তি (কনট্ৰেক্ট অফ এডহীজন)

আসঞ্জনৰ চুক্তিবোৰ ৰূপায়নৰ ক্ষেত্ৰত কোনো ধৰণৰ আলোচনা-বিলোচনা নহয় । যি পক্ষৰ চৰ্ত আৰোপ কৰাৰ ক্ষমতা বেছি সেই পক্ষই চুক্তিৰ সম্পূৰ্ণ খচৰা কৰে আৰু আনটো পক্ষক কেৱল এটাই সুবিধা দিয়ে- চুক্তিটোৰ অনুগত হোৱা অৰ্থাৎ গ্ৰহণ কৰা নহ'লে চুক্তিটো প্ৰত্যাখ্যান কৰা । ইয়াত চুক্তিৰ চৰ্ত আৰু নিয়ম আৰোপ কৰাৰ সম্পূৰ্ণ ক্ষমতা বীমাকাৰকৰ হাতত থাকে ।

এইটো প্ৰশমিত কৰাৰ বাবে এটা ফ্ৰী-লুক পিৰিয়ড অৰ্থাৎ ''মুকলি বাছনিৰ সুবিধা'' পলিচিধাৰকক দিয়া হৈছে য'ত পলিচিৰ চৰ্তবোৰ তেঁওৰ মনঃপুত নহলে পলিচি দলিল পোৱাৰ 15 দিনৰ ভিতৰত পলিচিটো বাতিল কৰিব পৰা বিকল্প তেঁওৰ হাতত থাকে । এনে ক্ষেত্ৰত বীমা কোম্পানীক তেঁওৰ সিদ্ধান্তটো লিখিতভাৱে জনাব লাগিব আৰু খৰচ তথা মাচুল বাবদ কিছু অংশ কাটি লৈ সম্পূৰ্ণ প্ৰিমিয়ামটোৱেই তেঁওক ঘুৰাই দিয়া হ'ব ।

নিজক পৰখ কৰক 1

তলৰ কোনটো বলপ্ৰয়োগৰ এটা উদাহৰণ?

I. ৰমেশে মূল চুক্তিপত্ৰত নথকা কিন্তু চুক্তিৰ লগত সংশ্লিষ্ট কিছুমান গুৰুত্বপূৰ্ণ তথ্য, চৰ্তাৱলী বা ঘোষণা (ফাইন প্ৰিণ্ট) নজনাকৈয়ে চুক্তিটো চহী কৰিছে ।

II. চুক্তিটো চহী নকৰিলে ৰমেশে মহেশক হত্যা কৰিব বুলি ভাবুকি দিছে

III. মহেশৰ হতুৱাই চুক্তিটো চহী কৰোৱাৰ বাবে ৰমেশে তেঁওৰ পেছাগত প্ৰতিষ্ঠা ব্যৱহাৰ কৰিছে

IV. মহেশৰ দ্বাৰাই চুক্তিটো চহী কৰোৱাৰ ববে ৰমেশে তেঁওক অসত্য তথ্য পৰিবেশন কৰিছে

নিজক পৰখ কৰক 2

তলৰ কোনটো ৰমেশে বীমা কৰাব নোৱাৰে?

I. ৰমেশৰ ঘৰ

II. ৰমেশৰ পত্নী

III. ৰমেশৰ বন্ধু

IV. ৰমেশৰ মাক-দেউতাক

সাৰ সংক্ষেপ

- বীমা চুক্তিবোৰৰ লগত এটা চুক্তিৰ অঙ্গীকাৰ জড়িত হৈ থাকে, য'ত এটা মূল্যৰ, যাক প্ৰিমিয়াম বুলি কোৱা হয়, প্ৰতিদান স্বৰূপে বীমাকাৰকে কিছুমান নিৰ্দ্দিষ্ট বিপদাশংকাৰ বিপৰীতে আৰ্থিক সুৰক্ষা দিবলৈ সন্মত হয় ।এই চুক্তিৰ অঙ্গীকাৰে বীমা পলিচিৰ ৰূপ লয় ।
- এটা চুক্তি হৈছে দুই বা ততোধিক পক্ষৰ মাজত হোৱা এক বুজাবুজি যিটো আইনৰ দ্বাৰা কাৰ্য্যকৰী কৰিব পাৰি ।
- এটা বৈধ চুক্তিত অন্তৰ্ভূক্ত থাকে:
  - **i.** প্ৰস্তাৱ আৰু স্বীকৃতি
  - **ii.** বিবেচনাযোগ্য মূল্য বা প্ৰতিদান
  - **iii.** বিষয়বস্তুত ঐকমত্য
  - **iv.** মুক্ত সন্মতি
  - **v.** চুক্তিৰ পক্ষসমূহৰ অৰ্হতা
  - **vi.** বিষয়বস্তুৰ বৈধতা
- এটা বীমা চুক্তিৰ বিশেষত্ববোৰৰ অন্তৰ্গত হ'ল:
  - **i.** পৰম বিশ্বাস
  - **ii.** বীমাযোগ্য স্বাৰ্থ
  - **iii.** প্ৰত্যক্ষ কাৰণ

সুনিৰ্দ্দিষ্ট অৰ্থনিহিত গুৰুত্বপূৰ্ণ শব্দ

1. প্ৰস্তাৱ আৰু স্বীকৃতি
2. বিধিসন্মত বিবেচনাযোগ্য মূল্য বা প্ৰতিদান
3. বিষয়বস্তুত ঐকমত্য
4. পৰম বিশ্বাস
5. গুৰুত্বপূৰ্ণ তথ্য
6. বীমাযোগ্য স্বাৰ্থ
7. প্ৰত্যক্ষ কাৰণ

"নিজক পৰখ কৰক"ৰ উত্তৰ

উত্তৰ 1

সঠিক উত্তৰটো হৈছে II

মহেশে চহী নকৰিলে ৰমেশে তেঁওক হত্যা কৰাৰ ভাবুকিটো হৈছে বলপ্ৰয়োগৰ উদাহৰণ ।

উত্তৰ 2

সঠিক উত্তৰটো হৈছে III

বন্ধুজনৰ জীবনৰ ওপৰত ৰমেশৰ কোনো বীমাযোগ্য স্বাৰ্থ নাই গতিকে তেঁও বন্ধুৰ জীবনৰ ওপৰত বীমা কৰাব নোৱাৰে ।

স্ব-পৰীক্ষণ প্ৰশ্ন

প্ৰশ্ন 1

এটা বৈধ চুক্তিৰ কোনটো উপাদানৰ লগত প্ৰিমিয়ামৰ সম্পৰ্ক আছে?

I. প্ৰস্তাৱ আৰু স্বীকৃতি

II. বিবেচনাযোগ্য মূল্য বা প্ৰতিদান

III. মুক্ত সন্মতি

IV. চুক্তিৰ পক্ষসমূহৰ অৰ্হতা

প্ৰশ্ন 2

_____হৈছে সেই ভুল বিবৃতিবোৰ যিকেইটা প্ৰতাৰণাৰ অসৎ উদ্দেশ্য নোহোৱাকৈয়ে দিয়া হৈছে ।

I. নিৰপৰাধভাৱে কৰা অসত্য / ভ্ৰমাত্মক তথ্য পৰিবেশন

II. অৰিহনা

III. প্ৰস্তাৱ

IV. পৰিবেশন

প্ৰশ্ন 3

_____ হৈছে অপৰাধমূলক কামকাজেৰে হেঁচা দিয়া ।

I. প্ৰতাৰণা

II. অনুচিত প্ৰভাৱ

III. বলপ্ৰয়োগ

IV. ভুল-ভ্ৰান্তি

প্ৰশ্ন 4

জীবন বীমা চুক্তি সম্পৰ্কে দিয়া তলৰ কোনটো বিবৃতি সঠিক?

I. এইবোৰ হ'ল আইনত কাৰ্য্যকৰী নোহোৱা মৌখিক চুক্তি

II. এইবোৰ হ'ল আইনত কাৰ্য্যকৰী হোৱা মৌখিক চুক্তি

III. এইবোৰ হৈছে 1872 ৰ ভাৰতীয় চুক্তি অধিনিয়মৰ অন্তৰ্গত বিধিসমূহ অনুসৰি দুটা পক্ষৰ (বীমাকাৰক আৰু বীমাকৃত) মাজত হোৱা চুক্তি

IV. এইবোৰ বাজি ৰখা চুক্তিৰ দৰে একেই

প্ৰশ্ন 5

তলৰ কোনটো এটা চুক্তিৰ বাবে বৈধ বিবেচনাযোগ্য মূল্য নহয়?

I. টকা-পইচা

II. সম্পত্তি

III. উৎকোচ

IV. মূল্যৱান ৰত্ন

প্ৰশ্ন 6

তলৰ কোনটো পক্ষ বীমা চুক্তি কৰাৰ বাবে যোগ্য নহয়?

I. ব্যৱসায়ৰ মালিক

II. নাবালক

III. গৃহকৰ্ত্ৰী

IV. চৰকাৰী চাকৰিয়াল

প্ৰশ্ন 7

তলৰ কোনটো আচৰণে পৰম বিশ্বাসৰ নীতিটো প্ৰদৰ্শন কৰে?

I. জ্ঞাত অসুস্থতা সম্পৰ্কে বীমাৰ প্ৰস্তাৱ-পত্ৰত মিছা তথ্য পৰিবেশন কৰা

II. জ্ঞাত গুৰুত্বপূৰ্ণ তথ্যবোৰ বীমাৰ প্ৰস্তাৱ-পত্ৰত প্ৰকাশ নকৰা

III. জ্ঞাত গুৰুত্বপূৰ্ণ তথ্যবোৰ বীমাৰ প্ৰস্তাৱ-পত্ৰত প্ৰকাশ কৰা

IV. সময় মতে প্ৰিমিয়াম দিয়া

প্ৰশ্ন 8

বীমাযোগ্য স্বাৰ্থ সম্পৰ্কে তলৰ কোনটো সঠিক নহয়?

I. দেউতাকে পুতেকৰ ওপৰত বীমা পলিচি কৰা

II. পতি /পত্নীয়ে ইজনে সিজনৰ ওপৰত বীমা কৰা

III. বন্ধুবোৰে এজনে আনজনৰ ওপৰত বীমা কৰা

IV. নিয়োগকৰ্তাই কৰ্মচাৰীসকলৰ ওপৰত বীমা কৰা

প্ৰশ্ন 9

জীবন বীমাৰ ক্ষেত্ৰত কেতিয়া বীমাযোগ্য স্বাৰ্থ থাকিব লাগে?

I. বীমা লোৱাৰ সময়ত

II. দাবী উত্থাপন কৰাৰ সময়ত

III. জীবন বীমাৰ ক্ষেত্ৰত বীমাযোগ্য স্বাৰ্থ থকাৰ কোনো আৱশ্যকীয়তা নাই

IV. হয় পলিচি লোৱাৰ সময়ত নাইবা দাবী উত্থাপন কৰাৰ সময়ত

প্ৰশ্ন 10

তলৰ দৃশ্যকল্পটোৰ পৰা মৃত্যুৰ প্ৰত্যক্ষ কাৰণটো বিচাৰি উলিয়াওক।

ঘোঁৰাৰ পৰা পৰি অজয়ৰ মেৰুদণ্ড ভাগি গ'ল। জমা হোৱা পানীৰ মাজত বহু সময় ধৰি পৰি থকা বাবে তেঁও নিউম'নিয়াত আক্ৰান্ত হ'ল। তেঁওক হাস্পতালত ভৰ্তি কৰা হ'ল, কিন্তু নিউম'নিয়াৰ কাৰণে তেঁওৰ মৃত্যু হ'ল।

I. নিউম'নিয়া

II. ভগা মেৰুদণ্ড

III. ঘোঁৰাৰ পৰা পৰা

IV. শল্য চিকিৎসা

স্ব-পৰীক্ষণমূলক প্ৰশ্নৰ উত্তৰ

উত্তৰ 1

সঠিক উত্তৰটো হৈছে II

এটা বৈধ চুক্তিৰ বিবেচনাযোগ্য মূল্য বা প্ৰতিদান উপাদানটোৰ লগত প্ৰিমিয়ামৰ সম্পৰ্ক আছে।

উত্তৰ 2

সঠিক উত্তৰটো হৈছে I

নিৰপৰাধভাৱে কৰা অসত্য / ভ্ৰমাত্মক তথ্য পৰিবেশন হৈছে সেই ভুল বিবৃতিবোৰ যিকেইটা প্ৰতাৰণাৰ অসৎ উদ্দেশ্য নোহোৱাকৈয়ে দিয়া হৈছে।

উত্তৰ 3

সঠিক উত্তৰটো হৈছে III

বলপ্ৰয়োগ হৈছে অপৰাধমূলক কামকাজেৰে হেঁচা দিয়া।

উত্তৰ 4

সঠিক উত্তৰটো হৈছে III

জীবন বীমা চুক্তি হৈছে দুটা পক্ষৰ (বীমাকাৰক আৰু বীমাকৃত) মাজত 1872 ৰ ভাৰতীয় চুক্তি অধিনিয়মৰ অন্তৰ্গত বিধিসমূহ অনুসৰি হোৱা এটা চুক্তি।

উত্তৰ 5

সঠিক উত্তৰটো হৈছে III

উৎকোচ এটা চুক্তিৰ বৈধ উপাদান নহয়।

উত্তৰ 6

সঠিক উত্তৰটো হৈছে II

নাবালকসকলৰ জীবন বীমা চুক্তি কৰাৰ অৰ্হতা নাই।

উত্তৰ 7

সঠিক উত্তৰটো হৈছে III

জ্ঞাত গুৰুত্বপূৰ্ণ তথ্যবোৰ বীমাৰ প্ৰস্তাৱ-পত্ৰত প্ৰকাশ কৰাটো পৰম বিশ্বাসৰ নীতিৰ সৈতে সঙ্গতিপুৰ্ণ ।

উত্তৰ 8

সঠিক উত্তৰটো হৈছে III

বীমাযোগ্য স্বাৰ্থ নথকা কাৰণে এজন বন্ধুয়ে আনজনৰ ওপৰত বীমা কৰিব নোৱাৰে ।

উত্তৰ 9

সঠিক উত্তৰটো হৈছে I

জীবন বীমাৰ ক্ষেত্ৰত পলিচি লোৱাৰ সময়ত বীমাযোগ্য স্বাৰ্থ থাকিব লাগে ।

উত্তৰ 10

সঠিক উত্তৰটো হৈছে III

ঘোঁৰাৰ পৰা পৰাটো অজয়ৰ মৃত্যুৰ প্ৰত্যক্ষ কাৰণ ।

SECTION 2
LIFE INSURANCE

অধ্যায় 6

জীবন বীমাত কি জড়িত?

অধ্যায় পৰিচিতি

বীমাত চাৰিটা উপাদান জড়িত থাকে ।

- ✓ এটা সম্পদ
- ✓ যিটো বিপদাশংকাৰ বীমা কৰা হয়
- ✓ উমৈহতীয়া পুঁজিৰ নীতি
- ✓ চুক্তি বা সংবিদা

এতিয়া জীবন বীমাৰ বৈশিষ্ট্যখিনি পৰীক্ষা কৰি চাওঁ আহক । এই অধ্যায়ত জীবন বীমাৰ ওপৰোক্ত চাৰিটা উপাদানৰ বিষয়ে এক চমু আলোচনা কৰা হ'ব ।

শিক্ষণৰ ফলাফল

A. জীবন বীমা ব্যৱসায়-ইয়াৰ উপাদানসমূহ, মানব জীবন মূল্য, ভগা-ভগি

A. জীৱন বীমা ব্যৱসায়-ইয়াৰ উপাদানসমূহ, মানৱ জীৱন মূল্য, ভগা-ভগি

1. সম্পদ--মানৱ জীৱন মূল্য (হিউমেন লাইফ ভেল্যু)

আমি ইতিমধ্যে দেখিছোঁ যে সম্পদ হৈছে এনে এক ধৰণৰ সম্পত্তি যাৰ আৰ্থিক মূল্য আছে বা যি লাভ উৎপন্ন কৰে । সৰহভাগ সম্পত্তিৰ মূল্য সঠিক ভাবে আৰ্থিক হিচাবত পৰিমাপ কৰা হয় । একেদৰে লোকচানৰ পৰিমাণৰ মূল্যও পৰিমাপ কৰিব পাৰি ।

উদাহৰণ

যেতিয়া গাড়ী এখন দুৰ্ঘটনাৰ সন্মুখীন হয়, ক্ষতিৰ পৰিমাণৰ মূল্যানুমান 50,000 টকা হ'ব পাৰে । বীমাকাৰকে গাড়ীৰ মালিকক এই লোকচানৰ ক্ষতি পূৰণ দিব ।

মানুহ এজনৰ মৃত্যু হ'লে আমি ক্ষতিৰ পৰিমাণৰ মূল্যানুমান কেনেকৈ কৰিম?

তেঁওৰ জীৱনৰ মূল্য 50,000 টকা নে 5, 00,000 টকা?

এজন এজেন্টে এই প্ৰশ্নৰ উত্তৰ দিব লাগিব যেতিয়া তেঁও এজন গ্ৰাহকক লগ পায় ।এই প্ৰশ্নৰ উত্তৰটোৰ ওপৰতেই নিৰ্ভৰ কৰিব যে এজেন্টজনে গ্ৰাহকজনক কিমান বীমা কিনাৰ বাবে দিহা দিব ।প্ৰকৃততে জীৱন বীমা এজেন্ট এজনে শিকিব লগা এইটোৱেই প্ৰথম পাঠ ।

সৌভাগ্যক্ৰমে, আজিৰ পৰা প্ৰায় সত্তৰ বছৰ আগতে প্ৰফেছৰ হুবেনাৰে উদ্ভাৱন কৰা জীৱন মূল্য পৰিমাপ কৰাৰ এক পদ্ধতি আমাৰ জ্ঞাত ।"হিউমেন লাইফ ভেল্যু" (এইচ এল ভি) বা মানৱ জীৱন মূল্য হিচাবে খ্যাত এই পদ্ধতিটো বিশ্বজুৰি ব্যৱহৃত হৈ আছে ।

মানৱ জীৱন মূল্যৰ ধাৰণা অনুযায়ী প্ৰতিজন উপাৰ্জনকাৰী মানুহৰ জীৱন হ'ল একো একোটা সম্পদ । সেয়েহে এজন মানুহৰ প্ৰত্যাশিত প্ৰকৃত ভৱিষ্যৎ উপাৰ্জনৰ ওপৰত ভিত্তি কৰি তেঁওৰ জীৱনৰ মূল্য হিচাব কৰা হয় ।প্ৰকৃত উপাৰ্জনৰ অৰ্থ হ'ল, মানুহ এজনে ভৱিষ্যতে প্ৰতি বছৰে যিমান উপাৰ্জন কৰিব বুলি আশা কৰে, তাৰ পৰা নিজৰ বাবদ খৰছ কৰা পইছাখিনি বাদ দিয়াৰ পিছত উদ্বৃত্ত ধনখিনি । ইয়াৰ পৰা জনা যাব যে উপাৰ্জনকাৰী মানুহজনৰ অকালমৃত্যু হলে, তেঁওৰ পৰিয়ালটোৰ কিমান আৰ্থিক ক্ষতি হ'ব । এটা যথোচিত সুতৰ হাৰ ব্যৱহাৰ কৰি এই ভৱিষ্যৎ উপাৰ্জনবোৰক ৰেহাইকৃত মূলধনলৈ ৰূপান্তৰিত কৰা হয় ।

মানৱ জীৱন মূল্য গণনা কৰাৰ বাবে এটা মোটামুটি ব্যৱহাৰিকভাৱে সুবিধাজনক নিয়ম আছে । সেয়া হ'ল- উপাৰ্জনকৰোঁতাজন নোহোৱা হলেও পৰিয়ালটোৱে বছৰি কিমান টকা পোৱাটো কামনা কৰিব, সেই অংকটো আৰ্জিব পৰা সুতৰ হাৰটোৰে ভাগ কৰাটো ।

উদাহৰণ

শ্ৰী ৰাজনে বছৰি 1, 20,000 টকা উপাৰ্জন কৰে আৰু তাৰে 24,000 টকা নিজৰ বাবে খৰছ কৰে ।

তেঁওৰ অকালমৃত্যু হ'লে,তেঁওৰ পৰিয়ালে হেৰুৱাব লগা প্ৰকৃত উপাৰ্জনৰ পৰিমান হ'ব বছৰি 96,000 টকা ।

ধৰি লোৱা যাওক সুতৰ হাৰ হৈছে 8% (0.08 হিচাবে ব্যক্ত) ।

মানৱ জীৱন মূল্য = 96000 / 0.08 = 12, 00,000 টকা

সম্পূৰ্ণ সুৰক্ষা পাবলৈ হ'লে মানুহ এজনৰ কিমান বীমাৰ প্ৰয়োজন অৰ্থাৎ তেঁও কিমান বীমা কৰা উচিৎ, সেইটো মানৱ জীৱন মূল্যৰ সহায়ত নিৰ্দ্ধাৰণ কৰা যায় । যিটো পৰিমাণ অতিক্ৰম কৰিলে জীৱন বীমা লাভকল্পি হৈ পৰে, জীৱন বীমাৰ সেই সৰ্বোচ্চ সীমাটোও মানৱ জীৱন মূল্যই নিৰ্ণয় কৰে ।

সাধাৰণভাৱে ক'বলৈ হ'লে, এজন মানুহৰ বছৰেকীয়া আয়ৰ 10ৰ পৰা 15 গুণ পৰিমাণৰ জীৱন বীমা থকাটো উচিৎ । ওপৰৰ উদাহৰণৰ শ্ৰী ৰাজনে যদি 2 কোটি টকাৰ বীমা ল'ব বিচাৰে, তেন্তে সন্দেহ ওপজা উচিৎ, কিয়নো তেঁও বছৰত কেৱল 1.20 লাখ টকাহে আয় কৰে । এজন মানুহে লোৱা বীমাৰ প্ৰকৃত পৰিমাণ তেঁওৰ ইচ্ছা আৰু বীমা কিনাৰ সামৰ্থ্যৰ ওপৰতহে নিৰ্ভৰ কৰে ।

2. বিপদাশংকা

ওপৰৰ কথাখিনিৰ পৰা বুজি পোৱা গ'ল যে, যিবোৰ বিপদাশংকাৰ ঘটনাৰ পৰা সম্পদ ৰূপে গণ্য মানব জীবনৰ মূল্য কম বা একেবাৰে নাইকীয়া হৈ যাব পাৰে, সেইবোৰৰ বিপৰীতে সুৰক্ষা প্ৰদান কৰে জীবন বীমাই ।এই ক্ষতি তিনিটা পৰিস্থিতিত হ'ব পাৰে । সাধাৰণ মানুহে সচৰাচৰ এই কেইটাৰ বাবে দুশ্চিন্তাত ভুগে ।

পাঠৰ ব্যাখ্যামূলক নক্সা 1: সাধাৰণ মানুহে সচৰাচৰ সন্মুখীন হোৱা দুশ্চিন্তাবোৰ

আনহাতে, সাধাৰণ বীমাই সম্পত্তিক ক্ষতিগ্ৰস্ত কৰিব পৰা বিপদাশংকাবোৰৰ বিপৰীতে সুৰক্ষা প্ৰদান কৰে, যেনে জুই, সমুদ্ৰযাত্ৰাকালীন জাহাজবাহী পণ্যৰ লোকচান, চুৰি-ডকাইতি আৰু মটৰ দুৰ্ঘটনা আদি । এইবোৰে যশ আৰু ব্যৱসায়িক সুনাম ক্ষতি কৰিব পৰা ঘটনাসমূহৰ বিপৰীতেও সুৰক্ষা দিয়ে ।এইসমূহ "দায় বীমা" (লায়াবিলিটি ইনশ্বিউৰেন্স) নামৰ এক শ্ৰেণীৰ বীমাৰ দ্বাৰা সুৰক্ষা দিয়া হয় ।

ইয়াৰ ওপৰিও এনে কিছুমান বিপদাশংকা আছে যিবোৰে এজন ব্যক্তিৰ মানৱ-দেহক ক্ষতিগ্ৰস্ত কৰিব পাৰে । এইবোৰক ব্যক্তিগত বিপদাশংকা বুলি কোৱা হয় আৰু এইবোৰৰ বিপৰীতে সাধাৰণ বীমাই সুৰক্ষা প্ৰদান কৰে ।

উদাহৰণ

দুৰ্ঘটনা বীমাই এটা দুৰ্ঘটনাৰ বাবে হোৱা লোকচানৰ সুৰক্ষা প্ৰদান কৰে ।

a) জীবন বীমাৰ লগত সাধাৰণ বীমাৰ পাৰ্থক্য আচলতে কিমান?

সাধাৰণ বীমা	জীবন বীমা
ক্ষতি পূৰণ: সচৰাচৰ সাধাৰণ বীমা পলিচিবোৰ হৈছে, ব্যক্তিগত দুৰ্ঘটনা বীমাৰ বাহিৰে, ক্ষতি পূৰণৰ চুক্তি (কনট্ৰেক্ট অফ ইনডেমনিটি) ।	জীবন বীমা পলিচিবোৰ হৈছে প্ৰতিশ্ৰুতিৰ চুক্তি (কনট্ৰেক্ট অফ এশ্বিউৰেন্স) । ক্ষতি পূৰণৰ অৰ্থ হৈছে কোনো এটা ঘটনা, যেনে অগ্নিকাণ্ড, সংঘটিত হোৱাৰ পিছত, বীমাকাৰকে ঘটনাৰ ফলত হোৱা প্ৰকৃত ক্ষয়-ক্ষতিৰ পৰিমাণ নিৰূপণ কৰিব পাৰে আৰু লোকচান হোৱা পৰিমাণটোৰেই কেৱল ক্ষতি পূৰণ দিয়ে-অকনো বেছিও নিদিয়ে বা কমো নিদিয়ে । জীবন বীমাৰ ক্ষেত্ৰত এইটো সম্ভৱপৰ নহয় ।মৃত্যুৰ পৰিপ্ৰেক্ষিতত প্ৰদেয় বীমাৰাশিৰ পৰিমাণ একেবাৰে আৰম্ভণিতেই অৰ্থাৎ জীবন বীমা চুক্তিটো কৰাৰ সময়তেই নিৰ্দ্দিষ্ট বা নিশ্চিত কৰি দিয়া হয় । সেয়েহে, জীবন বীমা পলিচিবোৰক প্ৰতিশ্ৰুতিৰ চুক্তি বুলি কোৱা হয় । বীমাকৃত ব্যক্তিজনৰ মৃত্যু হ'লে আশ্বাসিত বীমাৰাশিটো তেঁওৰ দ্বাৰা

	নামাংকিত ব্যক্তি বা তেঁওৰ হিতাধিকাৰীক দিয়া হয় ।
অনিশ্চয়তা: সাধাৰণ বীমা চুক্তিত সুৰক্ষা আৱৰণ দিয়া ঘটনাটো ঘটাৰ কোনো নিশ্চয়তা নাথাকে । কোনেও ডাঠি ক'ব নোৱাৰে যে এটা ঘৰ জুইৰ দ্বাৰা ভস্মীভূত হৈ যাব বা গাড়ী এখন দুৰ্ঘটনাৰ সন্মুখীন হ'ব ।	জীবন বীমাৰ ক্ষেত্ৰত, নিৰ্দ্দিষ্ট ঘটনাটো অৰ্থাৎ মানুহজনৰ মৃত্যু হ'ব নে নহয়-এইটো প্ৰশ্নাতীত ।জন্ম হ'লে মানুহ এজনৰ মত্যুও অনিবাৰ্য্য ।জন্ম হ'লে মৃত্যু নিশ্চিত, কেৱল অনিশ্চয়তা মাত্ৰ মত্যুৰ সময়টোক লৈহে ।সেয়েহে জীবন বীমাই অকাল মত্যুৰ সম্ভাৱনাৰ বিপৰীতে সুৰক্ষা দিয়ে ।
সম্ভাব্যতা বৃদ্ধি: সাধাৰণ বীমাত, জুই বা ভূমিকম্প আদি বিপৰ্য্যয়ৰ ক্ষেত্ৰতত, ঘটনাটো ঘটাৰ সম্ভাব্যতা সময়ৰ লগে লগে বাঢ়ি নাযায়	জীবন বীমাৰ ক্ষেত্ৰত মত্যুৰ সম্ভাব্যতা বয়সৰ লগে লগে বাঢ়ি গৈ থাকে ।

b) জীবন বীমাত বিপদাশংকাৰ প্ৰকৃতি

বয়সৰ লগত যিহেতু মানুহৰ মৰণশীলতাৰ বা মৃত্যুৰ হাৰৰ সম্বন্ধ আছে, কম বয়সৰ মানুহৰ কাৰণে সেয়েহে কম প্ৰিমিয়াম ধাৰ্য্য কৰা হয় আৰু বেছি বয়সৰ মানুহৰ কাৰণে বেছি । ফলত দেখা গ'ল যে বয়সস্থ অথচ স্বাস্থ্যৱান মানুহবোৰৰ বীমা ঘুৰাই লোৱাৰ আৰু ভগ্নস্বাস্থ্যৰ মানুহবোৰৰ বীমা আঁচনিত থাকি যোৱাৰ প্ৰৱনতাটো বেছি ।ফলস্বৰূপে বীমাকোম্পানীবোৰে ভয়ানক সমস্যাৰ মুখামুখি হ'বলগীয়া হ'ল । গতিকে তেঁওলোকে এনে ধৰণৰ চুক্তিৰ কথা চিন্তা কৰিলে য'ত প্ৰিমিয়ামৰ হাৰ কম হ'ব আৰু মানুহবোৰে আজীৱন এই প্ৰিমিয়াম পৰিশোধ কৰিব পাৰিব ।এই চিন্তাৰ পৰাই ''লেভেল'' বা সুষম প্ৰিমিয়ামৰ ধাৰণাটোৰ সৃষ্টি হৈছে ।

3. সুষম প্ৰিমিয়াম

গুৰুত্বপূৰ্ণ

সুষম প্ৰিমিয়াম হ'ল সেইটো প্ৰিমিয়াম যি বয়সৰ লগে লগে বাঢ়ি গৈ নাথাকে আৰু বীমাচুক্তিটোৰ সমগ্ৰ ম্যাদ জুৰি যাৰ হাৰ একেই থাকে ।

ইয়াৰ অৰ্থ হ'ল চুক্তিৰ আৰম্ভণিৰ বছৰকেইটাত সংগ্ৰহ কৰা প্ৰিমিয়ামৰ পৰিমাণ, সেই বয়সত মৃত্যুদাবীৰ সুৰক্ষা দিবৰ বাবে লাগতিয়াল প্ৰিমিয়ামতকৈ বেছি হয় আৰু পিছৰ ফালে সংগ্ৰহ কৰা প্ৰিমিয়ামৰ পৰিমাণ সেই উচ্চতৰ বয়সত মৃত্যুদাবীৰ সুৰক্ষাৰ বাবে দিবলগীয়া প্ৰিমিয়ামৰ পৰিমাণতকৈ যথেষ্ট কম হয় । সুষম প্ৰিমিয়াম হ'ল এটা গড় হিচাবে লোৱা প্ৰিমিয়াম, যত কম বয়সত পৰিশোধ কৰা উদ্বৃত্ত প্ৰিমিয়ামে বেছি বয়সত দিয়া কম প্ৰিমিয়ামৰ লগত ভাৰসাম্য ৰক্ষা কৰে ।

সুষম প্ৰিমিয়ামৰ বৈশিষ্ট্য তলৰ নক্সাখনৰ সহায়ত ব্যাখ্যা কৰা হ'ল ।

পাঠৰ ব্যাখ্যামূলক নক্সা 2: সুষম প্ৰিমিয়াম



সুষম প্ৰিমিয়ামে এইটোও বুজায় যে জীবন বীমা চুক্তিবোৰ সচৰাচৰ দীৰ্ঘম্যাদী বীমাচুক্তি, যিবোৰ 10, 20 বা তাতোকৈ বেছি বছৰৰ কাৰণে চলি থাকে। আনহাতে, সাধাৰণ বীমা হ্ৰস্বম্যাদী আৰু এবছৰীয়া মাত্ৰ।

গুৰুত্বপুৰ্ণ

চুক্তিৰ প্ৰাৰম্ভিক বছৰকেইটাত সংগৃহীত ধনৰাশি পলিচিধাৰকৰ প্ৰয়োজনাৰ্থে বীমাকাৰকে এটা ট্ৰাষ্ট বা ন্যাসত জমা ৰাখে। এই একত্ৰিত কৰা ধনৰাশিক ৰিজাৰ্ভ বা সংচিতি অৰ্থাৎ আছুতীয়া পুঁজি বুলি কোৱা হয়। ভৱিষ্যতৰ দায়বদ্ধতা পুৰাবৰ বাবে বীমাকাৰকে এই সংচিতিৰ ব্যৱস্থা ৰাখে।উদ্বৃত্ত ধনৰাশিৰেও এটা পুঁজি গঠন কৰা হয়,যাক কোৱা হয় জীবন পুঁজি। এই পুঁজি বিনিয়োগ কৰি জীবনকাৰকে সুত অৰ্জন কৰে।

a) সুষম প্ৰিমিয়ামৰ উপাংশ

সুষম প্ৰিমিয়ামৰ দুটা উপাংশ থাকে।

i. প্ৰথম উপাংশটোক কোৱা হয়, ''ম্যাদ বা সুৰক্ষা উপাংশ'' (টাৰ্ম অৰ প্ৰটেকশ্বন কম্প'নেন্ট) যিটো গঠিত হয় বিপদাশংকাৰ মূল্য হিচাবে প্ৰকৃততে দিব লগা প্ৰিমিয়ামৰ অংশখিনিৰে।

ii. দ্বিতীয়টোক কোৱা হয় ''নগদ মূল্য উপাদান'' (কেশ্ব ভেল্যু এলিমেন্ট)। এইটো গঠিত হয় পলিচিধাৰকে পৰিশোধ কৰা অতিৰিক্ত ধনৰাশিৰ সঞ্চিত অংশটোৰে। এইটোৰ দ্বাৰা সঞ্চয় উপাংশ গঠিত হয়।

ইয়াৰ অৰ্থ হ'ল যে প্ৰায় সকলোবোৰ পলিচিয়েই হৈছে সুৰক্ষা আৰু সঞ্চয়ৰ সংমিশ্ৰণ।প্ৰিমিয়ামত যিমান বেছি নগদ মূল্যৰ উপাদান থাকে, পলিচিটোক সিমানেই বেছি সঞ্চয়মুখী বীমা পলিচি বুলি বিবেচনা কৰা হয়।

4. বিপদাশংকাৰ উমৈহতীয়া পুঞ্জীকৰণৰ নীতি

জীবন বীমা কোম্পানীবোৰক চুক্তিভিত্তিক বিত্তীয় প্ৰতিষ্ঠান ৰূপে শ্ৰেণীবদ্ধ কৰা হৈছে।ইয়াৰ অৰ্থ হ'ল যে পলিচিধাৰকক প্ৰদেয় সুবিধাখিনি প্ৰায়েই চুক্তিমূলক গেৰাণ্টীৰ ৰূপ লয়। সৰ্বোপৰি জীবন বীমা আৰু পেঞ্চন আঁচনিবোৰ পৰম্পৰাগত ভাবে কিনা হয় এইবোৰে প্ৰদান কৰা বিত্তীয় নিৰাপত্তাবোধৰ বাবে।এই চুক্তিবোৰৰ গঠন প্ৰণালী আৰু বীমাকাৰকসকলৰ পৰিশোধ ক্ষমতা নিশ্চিত কৰাৰ কাৰণে চুক্তিত কিছুমান ৰক্ষা কৱচৰ ব্যৱস্থা কৰি ৰখাৰ ফলত এই নিৰাপত্তা গঢ়ি উঠে।ভগা-ভগিৰ নীতি আৰু উমৈহতীয়া পুঞ্জীকৰণৰ নীতি প্ৰয়োগ কৰি এই গাঁথনি সৃষ্ট হয়।

ভগা-ভগি হৈছে বিত্তীয় বজাৰৰ বিপদাশংকা কমোৱাৰ এক গুৰুত্বপূৰ্ণ পদ্ধতি। আনটো হ'ল বহুমুখীতা বা বিচিত্ৰতা। এই দুটা মৌলিকভাৱে ভিন্ন।

বহুমুখীতা	ভগা-ভগি
বহুমুখীতা পদ্ধতিত পুঁজিবোৰক বিভিন্ন সম্পদত সিঁচৰতি কৰি	ভগা-ভগি অথবা উমৈহতীয়া পুঞ্জীকৰণ পদ্ধতিত বিভিন্ন

দিয়া হয় (কণীবোৰ বিভিন্ন টুকুৰিত থোৱা) ।	মানুহৰ পুঁজিবোৰ একেলগ হয় (গোটেইকেইটা কণী একেটা টুকুৰিত থোৱা) ।
বহুমুখীতাত পুঁজিবোৰ একেটা উৎসৰ পৰা বিভিন্ন গন্তব্যলৈ প্ৰবাহিত হয় ।	ভগা-ভগিৰ ক্ষেত্ৰত পুঁজিবোৰ বিভিন্ন উৎসৰ পৰা একেটা গন্তব্যলৈ প্ৰবাহিত হয় ।

পাঠৰ ব্যাখ্যামূলক নক্সা 3: ভগা-ভগি

ভগা-ভগি (পুঁজিবোৰ বিভিন্ন উৎসৰ পৰা একেটা গন্তব্যলৈ প্ৰবাহিত হয়)



ভগা-ভগি অথবা পুঞ্জীকৰণৰ নীতি দুটাই জীবন বীমাত দুটা নিৰ্দ্দিষ্ট ধৰণৰ ভূমিকা লয় ।

i. প্ৰথম ভূমিকা হ'ল, মানুহ এজনৰ অকালমৃত্যুৰ ফলত উদ্ভূত অৰ্থনৈতিক ক্ষতিৰ বিপৰীতে সুৰক্ষা দিয়াটো । এই ধৰণৰ ক্ষতিবোৰৰ দায়িত্ব লোৱা আৰু চম্ভালা হয় এটা পুঁজিৰ জৰিয়তে-যিটো হৈছে জীবন বীমা চুক্তিত সোমোৱা বহুসংখ্যক মানুহে দিয়া বৰঙনিৰে গঠিত এটা উমৈহতীয়া পুঁজি ।

ii. বিপদাশংকাৰ উমৈহতীয়া পুঞ্জীকৰণৰ নীতিটো মৰণশীলতাৰ বিপদাশংকা অতিক্ৰম কৰি আৰু বিস্তৃত পৰিসৰতো প্ৰযোজ্য হয় ।ইয়াত পুঞ্জীকৰণৰ লগতে বিত্তীয় বিপদাশংকাবোৰক সুষম (গড় মানৰ) কৰাটোও অন্তৰ্ভূক্ত হয় । এই উদ্দেশ্য সফল হয় প্ৰিমিয়াম আৰু পুঁজিবোৰক একেলগ কৰাৰ লগতে বিভিন্ন ব্যক্তিয়ে বিভিন্ন সময়ত আবদ্ধ হোৱা বিভিন্ন ধৰণৰ চুক্তিৰ লগত জড়িত বিপদাশংকাবোৰক পুঞ্জীকৃত কৰি । এয়া হ'ল বিভিন্ন সময়ৰ পলিচিধাৰকসকলৰ মাজত উমৈহতীয়া পুঞ্জীকৰণৰ এক পৰিস্থিতি ।এই পুঞ্জীকৰণৰ ফল হ'ল, ভাল বা বেয়া সময় নিৰ্বিশেষে পৰিস্থিতিগত বাধা-বিপত্তি নেওচি সময় জুৰি লাভ আৰ্জি বীমাকাৰকে একমানবিশিষ্ট লাভৰ হাৰ (সমহাৰ বোনাচ) দিবলৈ সক্ষম হোৱাৰ বাবে যত্ন আৰু নিশ্চিত কৰাটো ।

5. জীবন বীমা চুক্তি

পাঠৰ ব্যাখ্যামূলক নক্সা 4: জীবন বীমা চুক্তি



জীবন বীমাৰ শেষ অংশটো হ'ল চুক্তি ।ইয়াৰ তাৎপৰ্য্য গম পোৱা যায় ''আশ্বাসিত বীমাৰাশি'' শব্দটোৰ পৰা ।এই অংকটো প্ৰতিশ্ৰুতিবদ্ধভাৱে গেৰান্টীযুক্ত হোৱাৰ ফলত জীবন বীমা বিত্তীয় সুৰক্ষাৰ এক আহিলা হৈ পৰিছে ।এই গেৰাণ্টী বা নিশ্চয়তা উপাদানটোৱে, জীবন বীমা যে কঠোৰ বিধি আৰু কটকটীয়া তত্বাবধানৰ অধীন -এই কথাখিনি বুজাই দিয়ে ।

ব্যৱসায় চলোৱাৰ চৰ্ত হিচাবে জীবন বীমাকাৰকসকলে এক বিধিবদ্ধ সংচিতি বা ৰিজাৰ্ভ মজুত ৰাখিব লাগে । তেঁওলোকৰ পুঁজিৰ বিনিয়োগৰ ক্ষেত্ৰত কিছুমান নিৰ্দেশক পুৰ্বচৰ্তও থাকিব পাৰে, যেনে তেঁওলোকৰ প্ৰিমিয়ামৰ পৰ্য্যাপ্ততা সম্পৰ্কে তেঁওলোকে নিশ্চিত কৰিব লাগিব, আৰু পলিচিধাৰকৰ পইচা কেনেকৈ বিনিয়োগ কৰা হ'ব সেই বিষয়ে তেঁওলোকে নিৰ্দ্দেশক নিয়মবোৰ মানি চলিব লাগিব ।

প্ৰায়েই বিতৰ্কিত এটা মূল প্ৰশ্ন হ'ল যে অন্যান্য বিত্তীয় সঁজুলিবোৰৰ তুলনাত পলিচিধাৰকসকলক দিয়া সুবিধাখিনি যথেষ্ট নে? মনত ৰাখিব লাগিব যে জীবন বীমা চুক্তিবোৰৰ লগত সুৰক্ষা আৱৰণ আৰু সঞ্চয়, এই দুয়োটা উপাদান জড়িত থাকে ।ফলস্বৰূপে জীবন বীমা বিত্তীয় বজাৰৰ অন্যান্য পণ্যৰ দৰে এক বিত্তীয় পণ্য হিচাবে পৰিগণিত হৈছে । দৰাচলতে জীবন বীমা, সুৰক্ষা-পণ্য হিচাবে কম আৰু সম্পদ পুঞ্জীভৱনৰ উপায় হিচাবেই বেছি বিবেচিত হৈ আছে ।

এইখিনেতে, বিশুদ্ধ ম্যাদী বীমা, যিটোৱে কেৱল ডেথ বেনিফিট অৰ্থাৎ মৃত্যুৰ ক্ষেত্ৰত্তেই বীমাৰাশিৰ সুবিধা দিয়ে, আৰু সঞ্চয়মুখী আঁচনিবোৰ, যিসকলৰ এক বৃহৎ পৰিমাণ নগদ মূল্য বা সঞ্চয় উপাংশ থাকে- এই দুটাৰ মাজৰ পাৰ্থক্যখিনি স্পষ্ট কৰাটো আৱশ্যক ।ম্যাদী বীমাৰ ক্ষেত্ৰত প্ৰিমিয়াম খুবেই কম হয়, আনহাতে সঞ্চয়মুখী আঁচনিৰ প্ৰিমিয়াম যথেষ্ট ডাঙৰ হ'ব পাৰে আৰু ই ব্যক্তি এজনৰ সঞ্চয়ৰ এক উল্লেখনীয় অংশ গঠন কৰে ।এই নগদ মূল্যৰ কিন্তু বিৰাট ''অপৰটুনিটি কষ্ট'' বা বিকল্প সুযোগৰ মূল্য আছে । এই পইচাখিনি আন ক'ৰবাত জমা নকৰি বিকল্প সুযোগবোৰ এৰি দিয়াৰ ফলত যি লোকচান হয় তাকেই এই অপৰটুনিটি কষ্ট শব্দটোৰে বুজোৱা হয় ।

প্ৰকৃততে, ''ম্যাদী বীমা কিনক আৰু ৰাহিখিনি আন ঠাইত বিনিয়োগ কৰক'' যুক্তিটোৱে পৰম্পৰাগত সঞ্চয়মুখী জীবন বীমা চুক্তিবোৰক এক গুৰুতৰ প্ৰত্যাহ্বানৰ সন্মুখীন কৰিছে । অপৰিহাৰ্য্যভাৱে এই যুক্তি দেখুওৱা হৈছে যে বীমাকোম্পানীৰ পৰা কেৱল ম্যাদী বীমা কিনি বাকী বাচি যোৱা প্ৰিমিয়ামখিনি উচ্চ লাভদায়ক আহিলাত বিনিয়োগ কৰিলে মানুহ এজন অধিক সম্পদশালী হ'ব ।

এইখিনিতে পৰম্পৰাগত নগদ মূল্য থকা বীমা চুক্তিবোৰৰ পক্ষে আৰু বিপক্ষে দাঙি ধৰা যুক্তিবোৰ বিবেচনা কৰাটো প্ৰাসঙ্গিক হ''ব ।

a) সুবিধাসমূহ

i. এইটো ঐতিহাসিক ভাবে প্ৰমানিত যে ই এটা নিৰাপদ আৰু সুৰক্ষিত বিনিয়োগ । ইয়াৰ নগদ মূল্যই এটা ন্যূনতম লাভৰ হাৰৰ নিশ্চয়তা দিয়ে যি চুক্তিৰ ম্যাদৰ লগত বাঢ়ি গৈ থাকিব পাৰে ।

ii. নিয়মিতভাৱে প্ৰিমিয়াম পৰিশোধৰ পদ্ধতিটোৱে এজনক সঞ্চয়ৰ পৰিকল্পনা কৰিবলৈ বাধ্য কৰে আৰু সঞ্চয়ৰ বাবে আৱশ্যকীয় নিয়মানুৱৰ্তিতা শিকায় ।

iii. বীমাকাৰকে বিনিয়োগ-ব্যৱস্থাপনাৰ তত্বাৱধান কৰে আৰু ব্যক্তিজনক এই দায়িত্বৰ পৰা অব্যাহতি দিয়ে ।

iv. ই লিকুইডিটি বা নগদ ধনলৈ সহজ ৰূপান্তৰণৰ সুবিধা দিয়ে ।বীমাকৃতই পলিচিখনৰ পৰা ঋণ লৈ অথবা পলিচিখন চাৰেণ্ডাৰ বা সমৰ্পণ কৰি ইয়াক নগদ ধনলৈ ৰূপান্তৰিত কৰিব পাৰে ।

v. 'নগদ মূল্য' ধৰণৰ জীবন বীমা বা বাৰ্ষিক বৃত্তি উভয়েই কিছুমান আয়কৰ-সুবিধা ভোগ কৰিব পাৰে ।

vi. সাধাৰণতে বীমাকৃতৰ দেউলীয়াৱস্থা বা মৃত্যুৰ ক্ষেত্ৰত ই ঋণদাতাৰ দাবীৰ পৰা নিৰাপদ থাকিব পাৰে ।

b) সীমাবদ্ধতাসমূহ

i. আপেক্ষিকভাৱে সুস্থিৰ লাভৰ হাৰ প্ৰদানকাৰী আহিলা হিচাবে ই নিৰ্দ্দিষ্ট আয়দায়ক আন সকলো আহিলাৰ দৰে মুদ্ৰাস্ফীতিৰ ক্ষয়কাৰী প্ৰভাৱৰ অধীন ।

ii. জীবন বীমা পলিচিবোৰৰ বিপণন আৰু প্ৰাৰম্ভিক উচ্চ ব্যয়বোৰৰ বাবে আৰম্ভণিৰ বছৰকেইটাত সঞ্চয়ৰ পৰিমাণ কম হয় ।

iii. নিশ্চয়তাযুক্ত হ'লেও বিত্তীয় বজাৰৰ অন্যান্য আহিলাৰ তুলনাত ইয়াৰ লাভৰ পৰিমাণ কম হ'ব পাৰে । লাভৰ পৰিমাণ কম হোৱাৰ কাৰণটো হ'ল নিশ্চয়তা বজায় ৰখাৰ বাবে কৰা আপোচৰ (ট্ৰেড অফ) ফল, যিটোৱে বিপদাশংকাও হ্ৰাস কৰে ।

নিজক পৰখ কৰক 1

বহুমুখীতাই কেনেকৈ বিত্তীয় বজাৰৰ বিপদাশংকা কমায়?

I. বিভিন্ন উৎসৰ পৰা পুঁজি সংগ্ৰহ কৰি একে ঠাঁইত বিনিয়োগ কৰা

II. বিভিন্ন সম্পদশ্ৰেণী জুৰি পুঁজিৰ বিনিয়োগ কৰা

III. বিনিয়োগবোৰৰ মাজত সময়ৰ ব্যৱধান বজায় ৰখা

IV. নিৰাপদ সম্পদবোৰত বিনিয়োগ কৰা

সাৰ সংক্ষেপ

a) সম্পদ হৈছে এনে এক ধৰণৰ সম্পত্তি যাৰ আৰ্থিক মূল্য আছে বা যি লাভ উৎপন্ন কৰে ।

b) মানৱ জীবন মূল্যৰ ধাৰণা অনুযায়ী প্ৰতিজন উপাৰ্জনকাৰী মানুহৰ জীবন হ'ল একো একোটা সম্পদ । সেয়েহে এজন মানুহৰ প্ৰত্যাশিত প্ৰকৃত ভৱিষ্যৎ উপাৰ্জনৰ ওপৰত ভিত্তি কৰি তেঁওৰ জীবনৰ মূল্য হিচাব কৰা হয় ।

c) সুষম প্ৰিমিয়াম হ'ল এনে এটা প্ৰিমিয়াম যি বয়সৰ লগে লগে বাঢ়ি গৈ নাথাকে আৰু বীমাচুক্তিটোৰ সমগ্ৰ ম্যাদ জুৰি যাৰ হাৰ একেই থাকে ।

d) ভগা-ভগি হৈছে বিত্তীয় বজাৰৰ বিপদাশংকা কমোৱাৰ এক গুৰুত্বপূৰ্ণ পদ্ধতি । আনটো হ'ল বহুমুখীতা বা বিচিত্ৰতা ।

e) গেৰাণ্টী বা নিশ্চয়তা উপাদানটোৱে, জীবন বীমা যে কঠোৰ বিধি আৰু কটকটীয়া তত্বাবধানৰ অধীন -এই কথাখিনি বুজাই দিয়ে ।

সুনিৰ্দ্দিষ্ট অৰ্থনিহিত গুৰুত্বপূৰ্ণ শব্দ

1. সম্পদ
2. মানৱ জীবন মূল্য
3. সুষম প্ৰিমিয়াম
4. ভগা-ভগি
5. বহুমুখীতা

"নিজক পৰখ কৰক"ৰ উত্তৰ

উত্তৰ 1

সঠিক উত্তৰটো হৈছে II

বহুমুখীতাৰ উদ্দেশ্য হৈছে বিভিন্ন সম্পদশ্ৰেণী জুৰি পুঁজিৰ বিনিয়োগ কৰি বিপদাশংকা হ্ৰাস কৰা ।

স্ব-পৰীক্ষণ প্ৰশ্ন

প্ৰশ্ন 1

তলৰ কোনটো জীবন বীমা ব্যৱসায়ৰ উপাদান নহয়?

I. সম্পদ

II. বিপদাশংকা

III. ভগা-ভগিৰ নীতি

IV. ভৰ্তুকী

প্ৰশ্ন 2

মানব জীবন মূল্যৰ ধাৰণাটো কোনে উদ্ভাৱন কৰিছিল?

I. ডঃ মাৰ্টিন লুথাৰ কিং

II. ৱাৰেণ বাফেট

III. প্ৰফেছৰ হুবেনাৰ

IV. জৰ্জ চৰছ

প্ৰশ্ন 3

তলৰ কোনখন বীমা আঁচনিত সঞ্চয় উপাদান ন্যূনতম থাকে, নাইবা মুঠেও নাথাকে?

I. ম্যাদী বীমা আঁচনি

II. বন্দৱস্তি বীমা আঁচনি

III. আজীবন বীমা আঁচনি

IV. মানি বেক প্লেন

প্ৰশ্ন 4

তলৰ কোনটোক সম্পদ বুলি কোৱা নাযায়?

I. গাড়ী

II. মানব জীবন

III. বায়ু

IV. গ্ৰহ

প্ৰশ্ন 5

তলৰ কোনটোক বিপদাশংকাৰ শ্ৰেণীভূক্ত কৰা নাযায়?

I. অতি যুবা বয়সত মৃত্যু

II. অতি আগতীয়াকৈ মৃত্যু

III. দীৰ্ঘদিন ব্যৱহাৰৰ ফলত হোৱা স্বাভাৱিক ক্ষয়-ক্ষতি

IV. অক্ষমতাৰে সৈতে জীয়াই থকা

প্ৰশ্ন 6

তলৰ কোনটো বিবৃতি সঠিক?

I. জীবন বীমা পলিচিবোৰ হৈছে ক্ষতি পূৰণৰ চুক্তি, আনহাতে সাধাৰণ বীমা হৈছে প্ৰতিশ্ৰুতিৰ চুক্তি

II. জীবন বীমা পলিচিবোৰ হৈছে প্ৰতিশ্ৰুতিৰ চুক্তি, আনহাতে সাধাৰণ বীমা হৈছে ক্ষতি পূৰণৰ চুক্তি

III. সাধাৰণ বীমাৰ ক্ষেত্ৰত, সুৰক্ষা আৱৰণ দিয়া ঘটনাটোৰ সংঘটন নিশ্চিত

IV. সাধাৰণ বীমাৰ ক্ষেত্ৰত, সুৰক্ষা আৱৰণ দিয়া ঘটনাটো ঘটাৰ সম্ভাব্যতা সময়ৰ লগে লগে বাঢ়ি গৈ থাকে

প্ৰশ্ন 7

তলৰ কোনটো পদ্ধতি হৈছে এটা প্ৰথাগত পদ্ধতি, যিটোৱে এজন ব্যক্তিৰ বাবে আৱশ্যকীয় বীমাৰ পৰিমাণটো নিৰ্ণয় কৰাত সহায় কৰে?

I. মানব অৰ্থনৈতিক মূল্য

II. যাবজ্জীৱন প্ৰস্তাৱ

III. মানব জীবন মূল্য

IV. ভৱিষ্যৎ জীবন মুল্য

প্ৰশ্ন 8

বেছি বয়সৰ এজন মানুহৰ বাবে ধাৰ্য্য কৰা প্ৰিমিয়ামৰ তুলনাত কম বয়সৰ মানুহ এজনৰ ক্ষেত্ৰত প্ৰিমিয়াম কমকৈ ধাৰ্য্য কৰা হয়- এই বাস্তৱতাৰ যথাৰ্থতা তলৰ কোনটোৱে সৰ্বোত্তমভাৱে ব্যাখ্যা কৰে?

I. বেছিভাগ ডেকা মানুহ আনৰ ওপৰত নিৰ্ভৰশীল

II. মানুহবোৰৰ বেছি পইচা দিয়াৰ সামৰ্থ্য আছে

III. মৰণশীলতা বা মৃত্যুৰ হাৰ বয়সৰ সৈতে জড়িত

IV. মৰণশীলতা বয়সৰ সৈতে বিপৰীতভাৱে জড়িত

প্ৰশ্ন 9

তলৰ কোনটো নগদ মূল্য থকা বীমা চুক্তিৰ এটা সুবিধা নহয়?

I. নিৰাপদ আৰু সুৰক্ষিত বিনিয়োগ

II. সঞ্চয়-নিয়মানুৱৰ্তিতা শিকায়

III. লাভৰ পৰিমাণ কম

IV. আয়কৰ-সুবিধা

প্ৰশ্ন 10

তলৰ কোনটো নগদ মূল্য থকা বীমা চুক্তিৰ এটা সুবিধা?

I. লাভৰ হাৰ মুদ্ৰাস্ফীতিৰ ক্ষয়কাৰী প্ৰভাৱৰ অধীন

II. বছৰকেইটাত সঞ্চয়ৰ পৰিমাণ কম

III. লাভৰ পৰিমাণ কম

IV. সুৰক্ষিত বিনিয়োগ

স্ব-পৰীক্ষণমূলক প্ৰশ্নৰ উত্তৰ

উত্তৰ 1

সঠিক উত্তৰটো হৈছে IV

জীবন বীমা ব্যৱসায়ৰ উপাদানবোৰৰ অন্তৰ্ভূক্ত হৈছে সম্পদ, বিপদাশংকা, ভগা-ভগিৰ নীতি আৰু জীবন বীমা চুক্তি ।ভৰ্তুকী জীবন বীমা ব্যৱসায়ৰ উপাদান নহয় ।

উত্তৰ 2

শুদ্ধ উত্তৰটো হৈছে III

প্ৰফেছৰ হুবেনাৰে মানব জীবন মূল্যৰ ধাৰণাটো উদ্ভাৱন কৰিছিল ।

উত্তৰ 3

সঠিক উত্তৰটো হৈছে I

ম্যাদী বীমাৰ লগত সঞ্চয় উপাদান সংশ্লিষ্ট নহয় ।

উত্তৰ 4

শুদ্ধ বিকল্পটো হৈছে III

বায়ুক সম্পদৰ শ্ৰেণীভূক্ত কৰা নাযায় ।

উত্তৰ 5

সঠিক উত্তৰটো হৈছে III

দীৰ্ঘদিন ব্যৱহাৰৰ ফলত হোৱা স্বাভাৱিক ক্ষয়-ক্ষতি এটা পৰিস্থিতি মাত্ৰ, বিপদাশংকা নহয় ।

উত্তৰ 6

সঠিক উত্তৰটো হৈছে II

জীবন বীমা পলিচিবোৰ হৈছে প্ৰতিশ্ৰুতিৰ চুক্তি, আনহাতে সাধাৰণ বীমা হৈছে ক্ষতি পূৰণৰ চুক্তি ।

উত্তৰ 7

সঠিক উত্তৰটো হৈছে III

মানব জীবন মূল্য হৈছে এটা পদ্ধতি, যিটোৰে মানুহ এজনৰ বাবে লাগতিয়াল বীমাৰ পৰিমাণটো নিৰ্ণয় কৰা যায় ।

উত্তৰ 8

শুদ্ধ উত্তৰটো হৈছে III

যিহেতু বয়সৰ সৈতে মানুহৰ মৰণশীলতাৰ সম্বন্ধ, সেয়েহে কম বয়সৰ মানুহ, যি সকলৰ মৃত্যুৰ সম্ভাৱ্যতা কম, তেঁওলোকৰ কাৰণে কম প্ৰিমিয়াম আৰু বেছি বয়সৰ মানুহৰ কাৰণে বেছি প্ৰিমিয়াম ধাৰ্য্য কৰা হয়।

উত্তৰ 9

সঠিক উত্তৰটো হৈছে III

লাভৰ পৰিমাণ কম হোৱাটো নগদ মূল্য থকা বীমা চুক্তিবোৰৰ এটা সীমাবদ্ধতা ।

উত্তৰ 10

সঠিক উত্তৰটো হৈছে IV

সুৰক্ষিত বিনিয়োগ হ'ল নগদ মূল্য থকা বীমা চুক্তিবোৰৰ এটা সুবিধা ।

অধ্যায় 7

বিত্তীয় পৰিকল্পনা

অধ্যায় পৰিচিতি

আগৰ অধ্যায় কেইটাত জীবন বীমাৰ লগত কি কি জড়িত থাকে আৰু বিত্তীয় সুৰক্ষা দিয়াৰ ক্ষেত্ৰত জীবন বীমাৰ ভূমিকা কি - এই সম্পৰ্কে আলোচনা কৰা হৈছে ।বৰ্তমান আৰু ভৱিষ্যতৰ বিভিন্ন চাহিদা পূৰণৰ বাবে যিসকলে তেঁওলোকৰ উপাৰ্জন তথা সম্পদক সুকীয়াকৈ ভগাই ৰাখিব খোজে, তেঁওলোকৰ বিভিন্ন উদ্বেগৰ মাজত আৰ্থিক নিৰাপত্তাও এটা ।সেয়েহে জীবন বীমাক ''ব্যক্তিগত বিত্তীয় পৰিকল্পনা''ৰ বৃহত্তৰ পৰিপ্ৰেক্ষিতত বুজিবলৈ চেষ্টা কৰিব লাগিব । এই অধ্যায়টোৰ উদ্দেশ্য হ'ল বিত্তীয় পৰিকল্পনা বিষয়টোৰ পৰিচয় প্ৰদান কৰা ।

শিক্ষণৰ ফলাফল

A. বিত্তীয় পৰিকল্পনা আৰু মানুহৰ জীবন বৃত্ত

B. বিত্তীয় পৰিকল্পনাৰ ভূমিকা

C. বিত্তীয় পৰিকল্পনা - প্ৰকাৰ

A. বিত্তীয় পৰিকল্পনা আৰু মানুহৰ জীবন বৃত্ত

1. বিত্তীয় পৰিকল্পনা কি?

আমি প্ৰায় সকলোৱে জীবনৰ অধিকাংশ সময় অৰ্থ উপাৰ্জন কৰাত অতিবাহিত কৰো । অৰ্থক আমাৰ বাবে কাম কৰোৱাৰ কথাটো চিন্তা কৰিবলৈ সময় সমাগত নহয়নে? এই অভীষ্ট পূৰণৰ বাবে বিত্তীয় পৰিকল্পনা হৈছে এক দক্ষ উপায় ।বিত্তীয় পৰিকল্পনাৰ কেইটামান সংজ্ঞা নিৰীক্ষণ কৰা যাওক:

সংজ্ঞা

i. বিত্তীয় পৰিকল্পনা হৈছে এজনৰ জীবনৰ লক্ষ্যবোৰ চিনাক্ত কৰা , এই লক্ষ্যবোৰক বিত্তীয় লক্ষ্যলৈ ৰূপান্তৰিত কৰা আৰু এই উদ্দিষ্ট লক্ষ্যবোৰ লাভ কৰিব পৰাকৈ তেঁওৰ অৰ্থখিনিৰ ব্যৱস্থাপনা কৰাৰ প্ৰক্ৰিয়া ।

ii. বিত্তীয় পৰিকল্পনা হৈছে এক প্ৰক্ৰিয়া যাৰ জৰিয়তে এজনৰ জীবনৰ প্ৰত্যাশিত আৰু অপ্ৰত্যাশিত আৱশ্যকীয়তাবোৰ পূৰণ কৰাৰ উপযুক্ত পথৰ মানচিত্ৰ প্ৰস্তুত কৰিব পৰা যায় । ইয়াত জড়িত থাকে এজনৰ প্ৰকৃত সম্পত্তিৰ মূল্যায়ন, ভৱিষ্যৎ আৰ্থিক প্ৰয়োজনীয়তাৰ মুল্যানুমান আৰু সেই প্ৰয়োজনীয়তাবোৰ পূৰণ কৰাৰ বাবে সঠিক বিত্তীয় ব্যৱস্থাপনা পদ্ধতি।

iii. বিত্তীয় পৰিকল্পনা হৈছে এজনৰ লক্ষ্য আৰু অভীপ্সাক বাস্ৱৱত পৰিনত কৰাৰ কাম হাতত লোৱা ।

iv. বিত্তীয় পৰিকল্পনাই এজনৰ বৰ্তমান আৰু ভৱিষ্যতৰ প্ৰয়োজনীয়তা, তেঁওৰ বিপদাশংকা-পাৰ্শ্বচিত্ৰ (ৰিস্ক প্ৰ'ফাইল) আৰু তেঁওৰ উপাৰ্জন – এই সকলোখিনি বিবেচনা কৰে ।

বিত্তীয় পৰিকল্পনাই কম উদ্বেগপূৰ্ণ জীবন এটা গঢ়ি তোলাৰ ক্ষেত্ৰত এক নিৰ্ণায়ক ভূমিকা লয় । সযত্ন পৰিকল্পনাই এজনক তেঁওৰ অগ্ৰাধিকাৰ নিৰ্দ্দিষ্ট কৰাত আৰু লক্ষ্যসমূহত উপনীত হ'বলৈ সুস্থিৰভাৱে কাম কৰি যোৱাত সহায় কৰে ।

ঠৰ ব্যাখ্যামূলক নক্সা 1: লক্ষ্যৰ প্ৰকাৰ



i. এই লক্ষ্যবোৰ হ্ৰস্বম্যাদী হ'ব পাৰে: এল চি ডি টিভি ছেট এটা কিনা বা পৰিবাৰৰ সৈতে ছুটী উপভোগ কৰা

ii. এইবোৰ মধ্যমীয়া সময়ৰ বাবেও হ'ব পাৰে: ঘৰ এটা কিনা বা বিদেশত ফুৰিব যোৱা

iii. দীৰ্ঘম্যাদী লক্ষ্যবোৰত অন্তৰ্ভূক্ত থাকিব পাৰে: সন্তানৰ শিক্ষা, বিয়া বা অৱসৰ-পৰৱৰ্তী জীবনৰ সংস্থান

2. মানুহৰ জীবন বৃত্ত

উইলিয়াম শ্বেইকছপীয়েৰে কৈছিল, "পৃথিবীখন হ'ল এখন ৰঙ্গমঞ্চ" ।মানুহ এজনে জন্মৰ দিনটোৰ পৰাই মৃত্যুলৈকে বিভিন্ন পৰ্য্যায় অতিক্ৰম কৰিব লগা হয় আৰু এই প্ৰত্যেকটো পৰ্য্যায়ত তেঁও ভিন্ন ভিন্ন ভূমিকা ল'ব লগা হয়, যেনে শিকাৰু, উপাৰ্জনকাৰী, সংগী, পিতৃ-মাতৃ, যোগনিয়াৰ, শূণ্য নীড়ৰ বাসিন্দা আৰু অৱশেষত চূড়ান্ত অৱসৰকালীন পৰ্য্যায় ।

এই পৰ্য্যায়বোৰ তলত দিয়া চিত্ৰখনৰ যোগেৰে বৰ্ণনা কৰা হৈছে ।

পাঠৰ ব্যাখ্যামূলক নক্সা 2: অৰ্থনৈতিক জীবন



জীবনৰ বিভিন্ন পৰ্য্যায় আৰু অগ্ৰাধিকাৰবোৰ

a) **শিকাৰু (20 / 25 বছৰ বয়সলৈকে) :** এই পৰ্য্যায়টো জ্ঞান আৰু দক্ষতা বৃদ্ধি কৰি এজন উৎপাদনশীল নাগৰিক হোৱাৰ প্ৰস্তুতি চলোৱাৰ পৰ্য্যায় । মানব-মূলধনৰ মূল্যমান বঢ়োৱাটোৱেই এই পৰ্য্যায়ৰ মনোযোগৰ কেন্দ্ৰবিন্দু । শিক্ষাৰ অৰ্থ সংস্থানৰ বাবে পুঁজিৰ প্ৰয়োজন হয়, যেনে এম বি এ পঢ়াৰ বাবে এটা মৰ্য্যাদাপূৰ্ণ মেনেজমেণ্ট শিক্ষানুষ্ঠানৰ উচ্চমূল্যৰ মাচুল পৰিশোধ কৰিবলৈ ।

b) **উপাৰ্জনকাৰী (25 বছৰৰ পৰা আৰম্ভ কৰি আগলৈ) :** এই পৰ্য্যায়টোত, কৰ্মসংস্থান হোৱাৰ ফলত উপাৰ্জনখিনি সম্ভৱতঃ চাহিদা পূৰণৰ বাবে পৰ্য্যাপ্ত হোৱাৰ ওপৰিও কিছু পৰিমাণে ৰাহি হয় । এই পৰ্য্যায়ত তেঁওৰ কিছুমান পাৰিবাৰিক দায়বদ্ধতা আহি পৰিব পাৰে আৰু হয়তো অদূৰ ভৱিষ্যতৰ সম্ভাব্য প্ৰয়োজনীয়তাখিনি পুৰাবৰ বাবে সঞ্চয় আৰু বিনিয়োগৰ জৰিয়তে সম্পদ সৃষ্টিত মনোনিবেশ কৰিব পাৰে, যেনে বহু-জাতিক সংস্থাত চাকৰিৰত তৰুণ এজনে গৃহ-ঋণ লয় আৰু ভূ-সম্পত্তিত বিনিয়োগ কৰে ।

c) **সংগী (28 বছৰৰ পৰা 30 বছৰৰ ভিতৰত) :** এই পৰ্য্যায়ত তেঁও বিবাহপাশত আবদ্ধ হয় আৰু তেঁওৰ নিজা পৰিয়াল এটা হয় ।পৰিয়াল গঠনৰ লগে লগে ইয়াৰ আনুষঙ্গিক কিছুমান দায়িত্ব আহি পৰে আৰু এইবোৰৰ লগত জড়িত সমস্যাবোৰ মনোযোগৰ কেন্দ্ৰবিন্দু হৈ পৰে, যেনে, এটা নিজা ঘৰ, সম্ভৱ হ'লে গাড়ী এখন, দীৰ্ঘস্থায়ী উপভোক্তা-দ্ৰব্য (কনজিউমাৰ ডিউৰেবলচ্), সন্তানৰ ভৱিষ্যৎ-পৰিকল্পনা ইত্যাদি ।

d) **পিতৃ-মাতৃ বা অভিভাৱক (28 বছৰৰ পৰা 35 বছৰলৈকে):** এই কেইটা বছৰ হ'ল যেতিয়া এজন পুৰুষ / মহিলা এক বা ততোধিক সন্তানৰ পিতৃ/মাতৃ হয় আৰু স্বাভাৱিকতে সিহঁতৰ স্বাস্থ্য তথা শিক্ষাৰ বাবে উদ্বিগ্ন হয়, যেনে, ভাল স্কুলত ভৰ্তি কৰোৱা আদি ।

e) **যোগনিয়াৰ বা প্ৰদায়ক (35 বছৰ পৰা 55 বছৰলৈকে):** শিশুৰ পৰা কিশোৰলৈ পৰিণত হোৱা সন্তানবোৰৰ উচ্চ বিদ্যালয় আৰু মহাবিদ্যালয়ত পঢ়াশুনা কৰা গুৰুত্বপূৰ্ণ বছৰকেইটা এই পৰ্য্যায়টোৰ অন্তৰ্গত । জীবনৰ বিভিন্ন প্ৰত্যাহ্বানবোৰৰ মোকাবিলা কৰিব পৰাকৈ কাৰিকৰী বা পেছাদাৰী শিক্ষাগত যোগ্যতাৰে সন্তানক দক্ষ কৰি তোলাৰ বাবে বহনীয় উচ্চ মূল্যটো এই পৰ্য্যায়ৰ উদ্বিগ্নতাৰ কাৰণ ।উদাহৰণ স্বৰূপে, পাঁচ বছৰীয়া চিকিৎসা বিষয়ক পাঠ্যক্ৰমৰ বাবে লাগতিয়াল বিশাল পৰিমাণৰ খৰচ । বহুত ভাৰতীয় পৰিয়ালত সাবালিকা হোৱাৰ লগে লগেই ছোৱালীৰ বিয়া দিয়া হয় । ছোৱালীৰ বিয়াৰ বন্দৱস্ত আৰু ইয়াৰ খৰচৰ বাবে প্ৰয়োজনীয় অৰ্থৰ পৰিমাণটো সাধাৰণ ভাৰতীয় পৰিয়াল এটাৰ বাবে ভীষন উৎকণ্ঠাৰ কাৰণ হৈ পৰে । প্ৰকৃততে সন্তানৰ শিক্ষা আৰু বিয়াৰ সংস্থান কৰাই আজিকালিৰ অধিকাংশ ভাৰতীয় পৰিয়ালৰ সঞ্চয়ৰ প্ৰথম উদ্দেশ্য ।

f) **শূণ্য নীড়ৰ বাসিন্দা (55 ৰ পৰা 65 বছৰলৈকে):** এম্পটি নেস্টাৰ বা শূণ্য নীড়ৰ বাসিন্দা শব্দটোৱে সন্তান ডাঙৰ হৈ ঘৰ খালী কৰি গুচি যোৱাটো বুজায় ।এই পৰ্য্যায়ত সচৰাচৰ সন্তানৰ বিয়া হৈ যায় আৰু কেতিয়াবা নিজৰ কৰ্মজীবনৰ প্ৰয়োজনীয়তাৰ বাবে মাক-দেউতাকক এৰি আন ঠাঁইলৈ যাব লগীয়া হয় । সৌভাগ্যবশত, এই পৰ্য্যায় পোৱালৈকে এজনে তেঁওৰ দায়িত্বখিনিৰ (গৃহ ঋণ বা অন্যান্য বন্ধকী ঋণ আদি) পৰা মুক্ত হৈ যায় আৰু অৱসৰ-পৰৱৰ্তী জীবনৰ বাবে পুঁজি এটা গঢ়ি তোলে । এই সময়তেই আকৌ উচ্চ ৰক্তচাপ বা বহুমূত্ৰ ৰোগৰ দৰে অৱক্ষয়কাৰী ব্যাধিৰ আৰম্ভণি হবলৈ ধৰে । স্বাস্থ্যৰ যত্ন লোৱাটো মুখ্য হৈ পৰে, যাৰ ফলত বিত্তীয় স্বাধীনতা আৰু আয়ৰ নিৰাপত্তা জৰুৰী হৈ পৰে ।

g) **অৱসৰকাল (60 বছৰ আৰু তাৰ পিছৰ কালছোৱা):** এই পৰ্য্যায়টোত এজনে সক্ৰিয় কৰ্মজীবন পৰা অব্যাহতি লয়, ফলত জীবনৰ প্ৰয়োজনীয়তাখিনি পুৰাবৰ বাবে তেঁও সঞ্চয় কৰি থোৱা জমাপুঁজিৰ ওপৰতেই নিৰ্ভৰ কৰিব লগীয়া হয় । অন্তিম কাললৈকে নিজৰ আৰু স্বামী / পত্নী উভয়ৰ প্ৰয়োজনীয়তাবোৰ চম্ভালাটোৱেই এই সময়ছোৱাৰ চিন্তাৰ কেন্দ্ৰ বিন্দু ।স্বাস্থ্য-সম্বন্ধীয় সমস্যা, আয়ৰ অনিশ্চয়তা আৰু একাকীত্ব হৈছে এই সময়ৰ দুশ্চিন্তাৰ বিষয় । এই পৰ্য্যায়টোত আকৌ এজনে জীবনশৈলীৰ মান বৃদ্ধিৰ বাঞ্ছা কৰে, অৰ্থাৎ যিবোৰ তেঁও কল্পনা কৰিছিল কিন্তু সফলকাম হোৱা নাছিল, যেনে কিছুমান চখ বা অৱকাশ-বিনোদন বা তীৰ্থভ্ৰমণ- এই ধৰণৰ কিছুমান মনোবাসনা পূৰণ কৰিব খোজে । তেঁও ৰুচিসন্মতভাৱে স্বচ্ছন্দ জীবন অতিবাহিত কৰিব নে অভাৱগ্ৰস্তভাৱে বঞ্চিত জীবন কটাব-এই বিষয়টো অনেকাংশত নিৰ্ভৰ কৰে যে তেঁও সেইখিনি সময়ৰ বাবে পৰ্য্যাপ্ত সঞ্চয় কৰি থৈছে নে নাই ।

ওপৰত দেখাৰ দৰে মানুহৰ অৰ্থনৈতিক জীবন বৃত্তত তিনিটা ক্ৰম আছে ।

শিক্ষাৰ্থী অৱস্থা	প্ৰথমটো হৈছে কৰ্ম সংস্থানৰ আগৰ অৱস্থা, যেতিয়া তেঁও এজন ছাত্ৰ ।এয়া হৈছে এজন উৎপাদনশীল নাগৰিক হিচাবে দায়িত্ব গ্ৰহণৰ প্ৰস্তুতিকাল ।ইয়াত অগ্ৰাধিকাৰ হৈছে স্বকীয় দক্ষতা বৃদ্ধিৰ জৰিয়তে মানব-মূলধনৰ প্ৰমূল্য বৃদ্ধি কৰা ।
কৰ্মৰত অৱস্থা	মানুহৰ কৰ্মজীবন 18 আৰু 25 বছৰ বয়সৰ মাজত বা তাৰো আগতে আৰম্ভ হয় আৰু হয়তো 30 বা 40 বছৰ ধৰি চলে । এই সময়ছোৱাত মানুহে ব্যয়তকৈ আয় বেছি কৰে আৰু সঞ্চয় কৰিবলৈ তথা পুঁজি বিনিয়োগ কৰিবলৈ আৰম্ভ কৰে ।
অৱসৰ গ্ৰহণৰ অৱস্থা	অৱসৰ-সন্নিকট এই সময়ছোৱাত মানুহজনে সা-সম্পত্তিৰ পুঁজীভৱন কৰে আৰু সম্পদ গঢ়ি তোলে, যিটোৱে, তেঁও যেতিয়া অৱসৰ গ্ৰহণৰ পিছত সক্ৰিয়ভাৱে কাম কৰাটো বাদ দিব, তেতিয়া ভৱিষ্যতৰ প্ৰয়োজনীয়তাবোৰক চম্ভালাৰ বাবে পুঁজিৰ আৰু আয়ৰ ব্যৱস্থা কৰিব ।

3. মানুহে কিয় সঞ্চয় কৰা আৰু বিভিন্ন বিত্তীয় সম্পদ ক্ৰয় কৰা উচিত?

কাৰণটো হ'ল মানুহৰ জীবন বৃত্তৰ প্ৰতিটো পৰ্য্যায়ত তেঁও একো একোটা নিৰ্দ্দিষ্ট ভূমিকা পালন কৰে আৰু এই প্ৰতিটো ভূমিকাই বিভিন্ন ধৰণৰ প্ৰযোজনীয়তা আনি দিয়ে, যিবোৰ পূৰণ কৰাৰ কাৰণে যথেষ্ট পুঁজিৰ প্ৰয়োজন হয় ।

উদাহৰণ

যেতিয়া মানুহ এজনে বিয়া কৰায় আৰু তেঁওৰ নিজা পৰিয়াল গঢ়ি উঠে, তেঁওক নিজা ঘৰৰ প্ৰয়োজন হয় । সন্তান ডাঙৰ হোৱাৰ লগে লগে সিহঁতৰ উচ্চ শিক্ষাৰ কাৰণে পুঁজিৰ প্ৰয়োজন হয় ।মধ্য-বয়সৰ শেষৰ পিনে স্বাস্থ্য জনিত খৰছ আৰু অৱসৰ-পৰৱৰ্তী সঞ্চয়ৰ ব্যৱস্থা কৰাটো মুখ্য চিন্তাৰ বিষয় হৈ পৰে, কিয়নো কোনেও নিজৰ সন্তানৰ ওপৰত নিৰ্ভৰশীল হৈ সিহঁতৰ বোজা হ'ব নোখোজে ।স্বাধীনভাৱে আৰু মান-মৰ্য্যাদাৰ সৈতে জীয়াই থকাটো মানুহ এজনৰ বাবে অতি গুৰুত্বপূৰ্ণ ।

সঞ্চয়ক দুটা সিদ্ধান্তৰ সমন্বয় বুলি বিবেচনা কৰা হয় ।

i. **ব্যয় স্থগিতকৰণ:** বৰ্তমান আৰু ভৱিষ্যতৰ ব্যয়ৰ মাজত সম্পদৰ আবণ্টন ।

ii. লিকুইডিটি অৰ্থাৎ নগদ ধনলৈ সহজ-ৰূপান্তৰযোগ্যতা বা তৎকাল ক্ৰয় ক্ষমতা থকা সম্পদৰ বিনিময়ত কম ৰূপান্তৰযোগ্যতা থকা সম্পদ আহৰণত মনোনিবেশ কৰা ।উদাহৰণ স্বৰূপে, জীবন বীমা পলিচি এটা কিনাৰ অৰ্থ হ'ল নগদ ধনলৈ ৰূপান্তৰ কৰাৰ কম সুবিধা থকা এটা চুক্তিৰ লগত নগদ অৰ্থৰ বিনিময় ।

বিত্তীয় পৰিকল্পনাত এই দুটা সিদ্ধান্তই অন্তৰ্ভূক্ত হয় । ভৱিষ্যতৰ বাবে সঞ্চয় আৰু ভৱিষ্যতৰ প্ৰয়োজনীয়তাখিনিক পুৰাব পৰা উপযুক্ত সম্পদত প্ৰাজ্ঞ বিনিয়োগৰ বাবে এজনে পৰিকল্পনা কৰাটো আৱশ্যক ।

প্ৰয়োজনীয়তাবোৰ আৰু উপযুক্ত সম্পদবোৰক সঠিকভাৱে বুজিবলৈ হ'লে মানুহৰ জীবন বৃত্তৰ তলত বৰ্ণোৱা পৰ্য্যায় কেইটালৈ চকু দিয়াটো প্ৰাসঙ্গিক হ'ব:

গুৰুত্বপূৰ্ণ

জীবন পৰ্য্যায়

শৈশৱ	মানুহ যেতিয়া ছাত্ৰ বা শিকাৰু
অবিবাহিত যুৱ পৰ্য্যায়	উপাৰ্জন কৰা আৰম্ভ কৰিলেও মানুহজন অবিবাহিত
বিবাহিত যুৱ পৰ্য্যায়	যেতিয়া তেঁও বিয়া কৰাই স্বামী / স্ত্ৰী হিচাবে যুগ্ম জীবন আৰম্ভ কৰে
শিশু সন্তানৰে সৈতে বিবাহিত পৰ্য্যায়	যেতিয়া এজন পিতৃ / মাতৃ হয়
ডাঙৰ সন্তানৰে সৈতে বিবাহিত পৰ্য্যায়	যেতিয়া তেঁও লাহে লাহে ডাঙৰ হ'বলৈ ধৰা সন্তানসকলৰ শিক্ষা আৰু অন্যান্য প্ৰয়োজনবোৰৰ দায়িত্ব লওঁতা যোগনিয়াৰ বা প্ৰদায়ক হৈ উঠে
পৰিবাৰ পৰৱৰ্তী / প্ৰাক-অৱসৰ গ্ৰহণ পৰ্য্যায়	এই পৰ্য্যায়টোত সন্তানসকল স্বনিৰ্ভৰ হৈ উঠে আৰু ঘৰ এৰি থৈ যায় ঠিক যি দৰে চৰাইবোৰে খালী বাহ বা শূণ্য নীড় এৰি গুচি যায়
অৱসৰ-পৰৱৰ্তী পৰ্য্যায়	এইটো হ'ল জীবনৰ গোধূলিৰ মুনিচুনি পোহৰৰ মাজেৰে পাৰ হোৱা পৰ্য্যায় ।এই পৰ্য্যায়ৰ প্ৰয়োজন পুৰাব পৰা পৰ্য্যাপ্ত পৰিমাণৰ জমাপুঁজি সঞ্চয় কৰি থ'লে মানুহে মান-মৰ্য্যাদাৰে সৈতে জীবন অতিবাহিত কৰিব পাৰে, আৰু নকৰিলে আনৰ বদান্যতাৰ ওপৰত নিৰ্ভৰ কৰি নিঃকিনৰ দৰে দিন কেইটা কটাব লগা হ'ব পাৰে ।

4. **ব্যক্তিগত প্ৰয়োজনসমূহ**

ওপৰৰ জীবন বৃত্তলৈ মন কৰিলে উদ্ভৱ হ'ব পৰা তিনি ধৰণৰ প্ৰয়োজন আমি দেখা পাওঁ ।এইবোৰে তিনি বিধ বিত্তীয় পণ্যৰ চাহিদা সৃষ্টি কৰে:

a) **ভৱিষ্যতৰ লেনদেন সক্ষম কৰাৰ বাবে**

জীবন বৃত্তৰ বিভিন্ন পৰ্য্যায়ত উদ্ভূত হ'ব পৰা প্ৰত্যাশিত খৰছবোৰ চম্ভালাৰ কাৰণে সমৰ্থ পুঁজি এটাৰ বাবে এই প্ৰথম প্ৰয়োজনীয়তাটোৰ সৃষ্টি হয় । এই ধৰণৰ প্ৰয়োজনীয়তা দুই প্ৰকাৰৰ হয়:

i. **নিৰ্দ্দিষ্ট লেনদেনৰ প্ৰয়োজনীয়তা:** জীবনৰ নিৰ্দ্দিষ্ট ঘটনা বা বিশেষ কামৰ লগত জড়িত এই প্ৰয়োজনীয়তাবোৰ পুৰাবৰ বাবে বাধ্যতামূলক অৰ্থৰ দৰকাৰ হয়, যেনে সন্তানৰ উচ্চশিক্ষাৰ ব্যৱস্থা বা তেঁওৰ ওপৰত নিৰ্ভৰশীল ব্যক্তিৰ বিয়াৰ বন্দৱস্ত অথবা ঘৰ এটা বা উপভোক্তা দ্ৰব্য ক্ৰয় কৰা ।

ii. সাধাৰণ লেনদেনৰ প্ৰয়োজনীয়তা: কোনো বিশেষ উদ্দেশ্য নোহোৱাকৈ বৰ্তমানৰ খৰছৰ পৰা এটা ভাগ আছুতীয়াকৈ থৈ দিয়া- এইবোৰক সচৰাচৰ ''ভৱিষ্যতৰ সংস্থান'' বুলি কোৱা হয় ।

b) আকস্মিক দুৰ্য্যোগক চম্ভালা

মানুহৰ জীবনত হঠাতে আহি পৰা আকস্মিক দুৰ্য্যোগবোৰ চম্ভালি লবৰ বাবে ডাঙৰ পুঁজিৰ প্ৰয়োজন হয়, যিটো তেঁওৰ সেই সময়ৰ আয়ৰ পৰা সংস্থান হোৱাটো আশা কৰিব নোৱাৰি ।সেয়েহে এই পুঁজিৰ ব্যৱস্থা আগতীয়াকৈ কৰি ৰখা আৱশ্যক ।এইবোৰ দুৰ্য্যোগৰ কিছুমান, যেনে মৃত্যু, শাৰীৰিক অক্ষমতা বা নিবনুৱা অৱস্থাৰ ক্ষেত্ৰত আয় নাইকীয়া হৈ যায় ।আন কিছুমান দুৰ্য্যোগত, যেনে অগ্নিকাণ্ডত সা-সম্পত্তি নষ্ট হৈ মানুহজনৰ ক্ষতি হ''ব পাৰে ।বীমাৰ জৰিয়তে এই ধৰণৰ সমস্যাৰ মোকাবিলা কৰিব পৰা যায়, যদি ঘটনাটো সংঘটনৰ সম্ভাব্যতা খুব কম অথচ ক্ষতিৰ প্ৰকোপ খুব বেছি হয় । এই ধৰণৰ দুৰ্য্যোগক চম্ভালাৰ বাবে, বিকল্প হিচাবে, নগদ ধনলৈ সহজে ৰূপান্তৰযোগ্য সম্পদৰ এটা বৃহৎ পৰিমাণক পুঁজি হিচাবে একাষৰীয়াকৈ থৈ দিব লাগিব ।

c) সম্পত্তি পুঞ্জীকৰণ (ৱেল্থ এক্যুমুলেশ্বন)

সঞ্চয় আৰু বিনিয়োগৰ দ্বাৰাই একো একোটা সম্পত্তি গঠন হয় । যেতিয়া সঞ্চয়ৰ পুঞ্জীকৰণৰ অভিপ্ৰায়ৰ কথা উল্লেখ কৰা হয়, তেতিয়া সাধাৰণতে বিনিয়োগৰ জৰিয়তে বিত্তীয় বজাৰৰ অনুকূল পৰিস্থিতিৰ সুবিধাখিনি লাভ কৰাৰ আকাঙ্খাকেই বুজায় ।আন কথাত, সঞ্চয় আৰু বিনিয়োগ, প্ৰাথমিকভাৱে, মানুহৰ সম্পত্তি পুঞ্জীকৰণৰ আকাঙ্খাৰ প্ৰতিফলন ।

যিহেতু মানুহ এজনে অধিক লাভৰ বাবে বিনিয়োগৰ ক্ষেত্ৰত কিছু পৰিমান বিপদাশংকা গ্ৰহণ কৰিবলৈও সাজু থাকে, এই অভিপ্ৰায়টোক লাভকল্পি অভিপ্ৰায় বুলিও কোৱা হয় ।উচ্চ হাৰত লাভৰ আকাঙ্খা এই কাৰণেই কৰা হয় যে ই মানুহজনৰ সম্পত্তি ক্ষিপ্ৰতাৰে বৃদ্ধি কৰিব পাৰে আৰু তেঁওৰ প্ৰকৃত মূল্যৰ মান বঢ়ায় ।সম্পত্তি আহৰণ গুৰুত্বপূৰ্ণ হৈ পৰে যিহেতু ইয়াৰ লগত জড়িত থাকে স্বাধীনতা, প্ৰতিষ্ঠা, ক্ষমতা আৰু প্ৰভাৱ ।

5. বিত্তীয় পণ্য সমূহ

ওপৰৰ প্ৰয়োজনীয়তাবোৰৰ লগত সমঞ্জস হোৱা তিনি প্ৰকাৰৰ পণ্য বিত্তীয় বজাৰত উপলব্ধ:

লেনদেনৰ পণ্য সমূহ (ট্ৰেনজেকশ্বনেল প্ৰ'ডাক্টচ)	বেংক-জমা আৰু সঞ্চয়ৰ অন্যান্য সঁজুলি, যিবোৰে মানুহজনক সঠিক সময়ত আৰু লাগতিয়াল পৰিমাণত অপৰ্য্যাপ্ত ক্ৰয় ক্ষমতা (লিকুইডিটি) দিয়ে।
বীমাৰ নিচিনা আকস্মিক দুৰ্য্যোগৰ বাবে থকা পণ্য সমূহ (কনটিনজেন্সি প্ৰ'ডাক্টচ)	অভাৱিত আকস্মিক ঘটনাৰ পৰা উদ্ভূত হ'ব পৰা বৃহৎ লোকচানৰ বিপৰীতে ই সুৰক্ষা দিয়ে ।
সম্পত্তি পুঞ্জীকৰণ পণ্য (ৱেল্থ এক্যুমুলেশ্বন প্ৰ'ডাক্টচ)	এই ধৰণৰ পণ্যৰ উদাহৰণ হ'ল- শ্বেয়াৰ আৰু উচ্চ লাভদায়ক ব'ণ্ড বা ভূ-সম্পত্তি । ইয়াত ধনৰাশি বিনিয়োগ কৰা হয় অধিক ধনৰাশি উপাৰ্জনৰ অৰ্থে ।

মানুহ এজনৰ সচৰাচৰ ওপৰোক্ত সকলো প্ৰয়োজনীয়তা থাকে, গতিকে তিনি বিধ পণ্যই আৱশ্যক হৈ পৰে । চমুকৈ ক'ব পৰা যায় যে মানুহৰ জীবন বৃত্তত এইবোৰ বিদ্যমান থাকে :

i. সঞ্চয়ৰ প্ৰয়োজনীয়তা – নগদ ধনৰ দৰকাৰৰ বাবে

ii. বীমাৰ প্ৰয়োজনীয়তা – অনিশ্চয়তাবোৰৰ বিপৰীতে সুৰক্ষাৰ বাবে

iii. বিনিয়োগৰ প্ৰয়োজনীয়তা – সম্পত্তি সৃষ্টিৰ বাবে

6. বিপদাশংকাৰ পাৰ্শ্বচিত্ৰ আৰু বিনিয়োগ- (ৰিস্ক প্ৰ'ফাইল এণ্ড ইনভেষ্টমেণ্ট)

ইতিমধ্যে পৰিলক্ষিত হৈছে যে মানুহে জীবন বৃত্তৰ বিভিন্ন পৰ্য্যায় অতিক্ৰম কৰিব লগীয়া হয় - যুৱা উপাৰ্জনকাৰীৰ পৰা মধ্য বয়স পাৰ হৈ কৰ্মজীবনৰ অন্তিম বছৰ কেইটাৰ পৰ্য্যায়লৈ ।ঠিক এনেদৰে মানুহৰ বিপদাশংকাৰ পাৰ্শ্বচিত্ৰৰ অৰ্থাৎ বিপদাশংকা গ্ৰহণ কৰাৰ মনোভাৱৰো সলনি হয় ।

যুৱাৱস্থাত যেতিয়া সমুখত দীঘলীয়া সম্ভাৱনাময় জীবন এটা অপেক্ষা কৰি থাকে, তেতিয়া অতি সাহসিক বা আক্ৰমনাত্মক এটা মনোভাৱ থাকে, যাৰ ফলত পাৰেমানে সম্পত্তি একত্ৰীকৰণৰ চেষ্টাত মানুহে বিপদাশংকা গ্ৰহণ কৰিবলৈ সাজু থাকে । কিন্তু বয়সৰ লগে লগে মানুহ অধিক সতৰ্ক আৰু সাৱধানী হৈ পৰে- বিপদাশংকা গ্ৰহণ কৰাটো কমাই দিয়ে - এই সময়ছোৱাত উদ্দেশ্য থাকে বিনিয়োগবোৰক ধীৰে ধীৰে একত্ৰিত কৰাৰ পিছত সুদৃঢ় আৰু সুৰক্ষিত কৰা ।

অৱশেষত, অৱসৰ গ্ৰহণৰ বছৰকেইটা যিমান ওচৰ চাপি আহে, মানুহ সিমানেই অধিক সাৱধানী আৰু ৰক্ষণশীল হৈ পৰাৰ প্ৰৱণতাই দেখা দিয়ে ।এই সময়ত মানুহৰ মনোযোগৰ কেন্দ্ৰবিন্দু হয় সমুদায় সম্পত্তি একীকৃত কৰি এটা ক'ৰপাছ গঠন কৰা য'ৰ পৰা অৱসৰ-পৰৱৰ্তীকালৰ খৰছখিনি বহন কৰিব পৰা যাব । নিজৰ সম্পত্তি উত্তৰাধিকাৰী সকলক উপহাৰ হিচাবে দি যোৱাৰ বা কোনো দাতব্য প্ৰতিষ্ঠানক দান কৰি যোৱাৰ কথাও এই সময়ত তেঁওলোকে চিন্তা কৰিব পাৰে ।

বিপদাশংকাৰ পাৰ্শ্বচিত্ৰ সলনি হোৱাৰ লগে লগে বিনিয়োগ-আৰ্হিও সামঞ্জস্যপূৰ্ণভাৱে পৰিবৰ্তিত হয় । এই কথাখিনি তলত দেখুওৱা হ'ল ।

পাঠৰ ব্যাখ্যামূলক নক্সা 3 : বিপদাশংকা পাৰ্শ্বচিত্ৰ আৰু বিনিয়োগ-আৰ্হি



নিজক পৰখ কৰক 1

অভাৱিত আকস্মিক ঘটনাবোৰৰ বিপৰীতে সুৰক্ষাৰ বাবে তলৰ কোনটোৰ দিহা দিব?

I. বীমা

II. বেংকৰ সাৱধি জমা বা ফিক্সড ডিপ'জিটৰ দৰে লেনদেনৰ পণ্য সমূহ

III. শ্বেয়াৰ

IV. ঋণপত্ৰ বা ডিবেনচাৰ

B. বিত্তীয় পৰিকল্পনাৰ ভূমিকা

1. বিত্তীয় পৰিকল্পনা

বিত্তীয় পৰিকল্পনা হৈছে এক প্ৰক্ৰিয়া য'ত গ্ৰাহক এজনৰ বৰ্ত্তমান আৰু ভৱিষ্যতে উদ্ভূত হ'ব পৰা সকলো প্ৰয়োজনৰ অনুপুঙ্খ বিবেচনা কৰি মূল্যায়ন কৰা হয় আৰু লগতে তেঁওৰ ব্যক্তিগত বিপদাশংকা গ্ৰহণৰ আগ্ৰহ (ৰিস্ক প্ৰ'ফাইল) তথা আয়ৰ মান নিৰ্দ্ধাৰণ কৰা হয় যাৰ দ্বাৰা তেঁওৰ জীবনৰ প্ৰত্যাশিত আৰু অপ্ৰত্যাশিত প্ৰয়োজনবোৰ পূৰণ কৰাৰ উপযুক্ত পথৰ মানচিত্ৰ প্ৰস্তুত কৰি উপযুক্ত পণ্যৰ দিহা দিয়া হয়।

বিত্তীয় পৰিকল্পনাৰ উপাদানবোৰ হ'ল:

- ✓ বিনিয়োগ কৰা – এজনৰ বিপদাশংকা গ্ৰহণ কৰাৰ আগ্ৰহৰ ভিত্তিত সম্পদৰ বিনিয়োজন,
- ✓ বিপদাশংকাৰ মোকাবিলা আৰু নিয়ন্ত্ৰণ কৰা,
- ✓ অৱসৰ গ্ৰহণকালৰ পৰিকল্পনা,
- ✓ কৰ আৰু সমুদায় সম্পত্তিৰ পৰিকল্পনা, আৰু
- ✓ প্ৰয়োজন পুৰাবৰ বাবে অৰ্থৰ সংস্থান

সংক্ষিপ্ত ৰূপত ক'বলৈ হ'লে, বিত্তীয় পৰিকল্পনাই এটা স্বয়ংসম্পূৰ্ণ বা সামগ্ৰিক (360 ডিগ্ৰী) পৰিকল্পনাক সাঙুৰি লয় ।

পাঠৰ ব্যাখ্যামূলক নক্সা 4: বিত্তীয় পৰিকল্পনাৰ উপাদানসমূহ



2. বিত্তীয় পৰিকল্পনাৰ ভূমিকা

বিত্তীয় পৰিকল্পনাটো এটা নতুন বিষয় নহয় । আমাৰ বোপাককাহঁতেও সাধাৰণভাৱে ইয়াৰ প্ৰয়োগ কৰিছিল।তাহানি বিনিয়োগৰ বিকল্প খুবেই সীমিত আছিল । কেইবা দশকৰ আগতেও ইকুইটিত বিনিয়োগ কৰাটোক অধিকাংশ মানুহেই জুৱা-সদৃশ বুলি গণ্য কৰিছিল ।সঞ্চয়ৰ সৰহখিনিয়েই জমা কৰা হৈছিল বেংক, ডাকঘৰৰ বিভিন্ন জমা-আঁচনি আৰু নিৰ্দ্দিষ্ট আয়দায়ক সঁজুলিবোৰত । আমাৰ সমাজ আৰু গ্ৰাহকসকলে আজিৰ দিনত সন্মুখীন হোৱা প্ৰত্যাহ্বানবোৰ সম্পূৰ্ণ বেলেগ । তাৰে কিছুমান উদাহৰণ হ'ল:

i. যৌথ পৰিয়ালৰ ভাঙোন

যৌথ পৰিয়ালবোৰ এতিয়া নিউক্লীয় ফেমিলি বা কোষ-কেন্দ্ৰিক পৰিয়ালত পৰিণত হৈছে । কেৱল মাক-দেউতাক আৰু সন্তানক লৈ এইবোৰ পৰিয়াল গঠিত ।পৰিয়ালৰ মুৰব্বী তথা উপাৰ্জনকৰোঁতাজনেই পৰিয়ালৰ সম্পূৰ্ণ দায়িত্ব ল'ব লগীয়া হয় ।এই পৰিস্থিতিটো মোকাবিলা কৰাৰ বাবে যথেষ্ট উপযুক্ত পৰিকল্পনাৰ দৰকাৰ হয় আৰু এনেক্ষেত্ৰত পেছাদাৰী বিত্তীয় পৰিকল্পকৰ কিছু পৰিমাণ সহায়ৰ দ্বাৰা মানুহজন উপকৃত হ'ব পাৰে ।

ii. বিভিন্ন প্ৰকাৰৰ বিনিয়োগ-বিকল্প

আজিকালি সম্পত্তি সৃষ্টিৰ বাবে বিনিয়োগৰ বৃহৎ সংখ্যক আহিলা উপলব্ধ, আৰু এইবোৰৰ প্ৰতিটোৰ লগত ভিন্ন ভিন্ন স্তৰৰ লাভ (ৰিটাৰ্ণ) আৰু বিপদাশংকা (ৰিস্ক) জড়িত থাকে ।আকাঙ্খিত বিত্তীয় লক্ষ্যত উপনীত হ'ব পৰাটো নিশ্চিত কৰাৰ উদ্দেশ্যে, নিজৰ বিপদাশংকা গ্ৰহণৰ আগ্ৰহৰ ভিত্তিত মানুহজনে প্ৰাজ্ঞতাৰে বাছনি কৰি সঠিক বিনিয়োগৰ সিদ্ধান্ত লোৱা উচিৎ ।সম্পদ বিনিয়োজনৰ ক্ষেত্ৰত বিত্তীয় পৰিকল্পনাই তেঁওক সহায় কৰিব পাৰে ।

iii. জীবনধাৰণৰ শৈলী পৰিবৰ্তন

তাৎক্ষণিক পৰিতৃপ্তি আজিৰ দিনৰ ৰীতি হৈ পৰিছে ।মানুহে আজিকালি আধুনিকতম ম'বাইল ফোন, গাড়ী, বিশাল অট্টালিকা, মৰ্য্যাদাপূৰ্ণ ক্লাবৰ সদস্যপদ আদি বিচাৰে ।এইবোৰ ইচ্ছাপূৰ্তিৰ কাৰণে অৱশ্যম্ভাৱীভাৱে তেঁওলোকে বৃহৎ অংকৰ ঋণ কৰিব লগা হয় ।ইয়াৰ ফলত তেঁওলোকৰ আয়ৰ অধিকাংশ ঋণ ঘুৰাই দিওঁতে খৰছ হৈ যায় আৰু সঞ্চয়ৰ সুযোগ কমি যায় ।বিত্তীয় পৰিকল্পনা হৈছে মানুহ এজনক সচেতন তথা স্ব-নিয়মানুবৰ্তী কৰি তোলা আৰু ব্যয়-পৰিকল্পনাত সহায় কৰাৰ এক উপায় যাতে তেঁও অপ্ৰয়োজনীয় খৰছবোৰ কমাই জীবনধাৰণৰ বৰ্তমান মানটো অব্যাহত ৰখাৰ লগতে কালক্ৰমে ইয়াক উৰ্দ্ধমুখী কৰাত সফল হ'ব পাৰে ।

iv. মুদ্ৰাস্ফীতি

মুদ্ৰাস্ফীতি হ'ল অৰ্থব্যৱস্থা এটাত এটা নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত পণ্য আৰু সেৱাবোৰৰ মূল্যৰ সাধাৰণ স্তৰৰ বৃদ্ধি ।এইটোৱে টকাৰ মূল্যমান অৱনমিত কৰে, ফলত মানুহৰ কষ্টাৰ্জিত ধনৰ ক্ৰয় ক্ষমতা ক্ষয় পায় । যেতিয়া মানুহজনৰ লাভদায়ক বৃত্তিজনিত নিয়মিত আয় নাইকিয়া হৈ যায় আৰু অতীতৰ জমাপুঁজিয়েই তেঁওৰ আয়ৰ একমাত্ৰ উৎস হয়, অৱসৰৰ সেই কালছোৱাত মুদ্ৰাস্ফীতিয়ে মানুহজনৰ জীবনত আতংক সৃষ্টি কৰিব পাৰে ।বিত্তীয় পৰিকল্পনাই মানুহজনক মুদ্ৰাস্ফীতিৰ বিপক্ষে সাজু হৈ থিয় দিব পৰাটো নিশ্চিত কৰে, বিশেষকৈ পৰৱৰ্তী বছৰবোৰত ।

v. অন্যান্য অনিশ্চিয়তা আৰু প্ৰয়োজনসমূহ

অন্যান্য বহু প্ৰয়োজন তথা বিভিন্ন প্ৰত্যাহ্বানক চম্ভালাৰ উপায় হৈছে বিত্তীয় পৰিকল্পনা । উদাহৰণস্বৰূপে, চিকিৎসা সম্বন্ধীয় কোনো সংকট বা অন্য আকস্মিক দুৰ্য্যোগৰ সময়ত এজনে অপ্ৰত্যাশিত কিছুমান খৰছ চম্ভালিব লগা হয় । একেদৰে, বিচক্ষণতাৰে কৰ-দায়বদ্ধতাৰো উপচাৰ কৰিব লগা হয় ।

মৃত্যুৰ পিছত ব্যক্তি সকলৰ ধন-সম্পত্তি আদি সমুদায় সম্পদ তেঁওলোকৰ প্ৰিয়জনলৈ মসৃণভাৱে হস্তান্তৰিত হোৱাটো তেঁওলোকে নিশ্চিত কৰাটো প্ৰয়োজন ।আৰু কিছুমান প্ৰয়োজন থাকে, যেনে এজনৰ জীবদ্দশাত আনকি তাৰ পিছতো দাতব্য বা সামাজিক বা ধৰ্মীয় দায়িত্ব পালন কৰিব লগা হয় । এই সকলোবোৰ সুকলমে নিষ্পন্ন কৰাৰ উপায় হৈছে বিত্তীয় পৰিকল্পনা ।

3. বিত্তীয় পৰিকল্পনা আৰম্ভ কৰাৰ উপযুক্ত সময় কেতিয়া?

এয়া কেৱল বিত্তশালীসকলৰ বাবেই নে? প্ৰকৃততে, প্ৰথম দৰমহা পোৱাৰ মুহূৰ্তটোৱেই পৰিকল্পনা আৰম্ভ কৰাৰ আদৰ্শ সময় ।অমুকটো সময়ত পৰিকল্পনা আৰম্ভ কৰা উচিৎ বুলি ধৰাবন্ধা কোনো নিয়ম নাই ।

যি নহওক, এটা গুৰুত্বপূৰ্ণ নীতি আছে যিয়ে আমাৰ পথ প্ৰদৰ্শণ কৰে – "বিনিয়োগবোৰৰ ম্যাদ যিমান বেছি হ'ব, সেই পৰিমাণে সিঁহতৰ বৃদ্ধি হ'ব" ।

গতিকে ইয়াৰ আৰম্ভণিটো কেতিয়াও বেছি আগতীয়া নহয়, বৰঞ্চ তেতিয়াহে বিনিয়োগে সময়ৰ সৰ্বাধিক সুবিধাখিনি লাভ কৰে ।আকৌ, পৰিকল্পনা কেৱল ধনী ব্যক্তিবোৰৰ বাবে নহয়, সকলোৰে বাবে প্ৰয়োজনীয় ।বিত্তীয় লক্ষ্য লাভ কৰিবলৈ এটা নিয়মানুবৰ্তী পদক্ষেপ লোৱা অপৰিহাৰ্য্য, যিটোৰ আৰম্ভণি হয় বিত্তীয় লক্ষ্য স্থাপনেৰে আৰু পৰিণতি ঘটে সঞ্চয়ৰ উদ্দেশ্যে নিয়োজিত ধনৰাশিক ব্যক্তিজনৰ বিপদাশংকা গ্ৰহণৰ আগ্ৰহৰ সৈতে ৰজিতা খোৱা বিনিয়োগ-মাধ্যমত বিনিয়োগেৰে ।ব্যক্তি এজনৰ আৰ্থিক দুৰৱস্থাৰ অন্যতম মূল কাৰণ হ'ল বিত্তীয় পৰিকল্পনাৰ এক অপৰিকল্পিত আৰু হঠকাৰী পদক্ষেপ ।

নিজক পৰখ কৰক 2

বিত্তীয় পৰিকল্পনা আৰম্ভ কৰাৰ সৰ্বোত্তম সময় কোনটো?

I. অৱসৰ গ্ৰহণৰ পিছত

II. এজনে প্ৰথম দৰমহা পোৱাৰ লগে লগে

III. বিয়াৰ পিছত

IV. ধনী হোৱাৰ পিছতহে

C. বিত্তীয় পৰিকল্পনা - প্ৰকাৰ

এতিয়া বিত্তীয় পৰিকল্পনাৰ বিভিন্ন প্ৰকাৰৰ অনুশীলনবোৰৰ প্ৰতি অকনমান মন দিয়া যাওক ।

পাঠৰ ব্যাখ্যামূলক নক্সা 5: বিত্তীয় পৰিকল্পনা উপদেষ্টাধৰ্মী সেৱা



বিত্তীয় পৰিকল্পনাৰ বাবে বিভিন্ন উপদেষ্টাধৰ্মী সেৱা পাব পৰা যায় ।তেনেকুৱা ছটা বিষয় ইয়াত আলোচনাভূক্ত হ'ব ।

- ✓ নগদ অৰ্থ পৰিকল্পনা
- ✓ বিনিয়োগ পৰিকল্পনা
- ✓ বীমা পৰিকল্পনা
- ✓ অৱসৰ পৰিকল্পনা
- ✓ সমুদায় সম্পত্তি পৰিকল্পনা
- ✓ কৰ পৰিকল্পনা

1. নগদ অৰ্থ পৰিকল্পনা

নগদ অৰ্থৰ প্ৰবাহ পৰিচালনা কৰাটোৰ দুটা উদ্দেশ্য আছে ।

i. প্ৰথমতে, অপ্ৰত্যাশিত বা জৰুৰী অৱস্থাৰ প্ৰয়োজনবোৰ বাবে নগদ ধনলৈ সহজে ৰূপান্তৰযোগ্য সম্পদৰ আছুতীয়া পুঁজি এটা সংস্থাপন কৰা আৰু তাক বজাই ৰখাৰ লগতে আয় আৰু ব্যয়ৰ নিয়মিত প্ৰবহণৰ তত্বাৱধান কৰাটো আৱশ্যক ।

ii. দ্বিতীয়তে মূলধন বিনিয়োগৰ বাবে প্ৰণালীবদ্ধভাৱে উদ্বৃত্ত নগদ ধন সৃষ্টি কৰা আৰু তাক বজাই ৰখাটো আৱশ্যক ।

ইয়াৰ বাবে ল'ব লগা প্ৰথম পদক্ষেপটো হ'ল আয়-ব্যয়ক বা বাজেট এখন প্ৰস্তুত কৰা আৰু সাম্প্ৰতিক আয় আৰু ব্যয়ৰ প্ৰবহনৰ বিশ্লেষণ কৰা । ইয়াৰ বাবে প্ৰথমে ভৱিষ্যতৰ কাৰণে যুক্তিযুক্ত কিছুমান লক্ষ্য আৰু উদ্দেশ্য প্ৰস্তুত কৰাটো আৱশ্যিক । চলিত ব্যয়ৰ আৰ্হিটোৱে নিৰ্দ্দিষ্ট লক্ষ্যলৈ লৈ যোৱাত সক্ষম হ'ব নে নাই সেয়া নিৰ্দ্ধাৰণ কৰাত সহায় কৰিব ।

দ্বিতীয় পদক্ষেপটো হ'ল, কি কি নিয়মিত আৰু এককালীন ব্যয় বহন কৰিব লগা হৈছে সেয়া জানিবৰ বাবে বিগত ছয় মাহৰ আয়-ব্যয়ৰ প্ৰবহনটো বিশ্লেষণ কৰা ।ব্যয়বোৰক বিভিন্ন প্ৰকাৰত শ্ৰেণীবদ্ধ কৰিব পাৰি আৰু অপৰিবৰ্তনীয় আৰু পৰিবৰ্তনশীল

ব্যয় হিচাবে ভগাব পাৰি ।অপৰিবৰ্তনীয় ব্যয়ৰ ওপৰত এজনৰ নিয়ন্ত্ৰণ নাথাকিব পাৰে, কিন্তু পৰিবৰ্তনশীল ব্যয়বোৰৰ ক্ষেত্ৰত স্বতন্তৰীয়াকৈ সিদ্ধান্ত ল'ব পাৰি বাবে এইবোৰ প্ৰায়ক্ষেত্ৰত কমাব বা মুলতুবি ৰাখিব পাৰি ।

তৃতীয় পদক্ষেপটো হৈছে গোটেই বছৰটোত হ'ব লগা ভৱিষ্যতৰ মাহেকীয়া আয় আৰু ব্যয়ৰ পুৰ্বানুমান কৰা । অতীতৰ বিশ্লেষণ আৰু ভৱিষ্যতৰ প্ৰত্যাশাবোৰৰ ওপৰত ভিত্তি কৰি এই নগদ ধনৰ প্ৰবহনক নিয়ন্ত্ৰণ কৰাৰ বাবে এটা পৰিকল্পনাৰ বিন্যাস কৰিব পাৰি ।

নগদ অৰ্থ পৰিকল্পনা প্ৰক্ৰিয়াৰ আন এটা অংশ হ'ল স্ব-বিবেচনামূলক আয় সৰ্বাধিক মাত্ৰালৈ বৃদ্ধি কৰাৰ বাবে এটা ৰণকৌশলৰ ৰূপাংকন কৰা ।

উদাহৰণ

এজনে তেঁওৰ বকেয়া ঋণৰ পুনৰ্বিন্যাস কৰিব পাৰে ।

নিম্ন হাৰৰ সুতত লোৱা বেংক-ঋণৰ জৰিয়তে এজনে তেঁওৰ ক্ৰেডিট কাৰ্ডৰ বকেয়া ঋণবোৰ একত্ৰীকৃত কৰি পৰিশোধ কৰিব পাৰে ।

বিনিয়োগৰ পৰা বেছি আয় পাবৰ বাবে এজনে তেঁওৰ বিনিয়োগবোৰ পুনৰাবণ্টন কৰিব পাৰে ।

2. বীমা পৰিকল্পনা

মানুহ এজন এনে কিছুমান বিপদাশংকাৰ সন্মুখীন হৈ থাকে যিবোৰে তেঁওক ব্যক্তিগত বিত্তীয় লক্ষ্যসমূহত উপনীত হোৱাৰ পৰা নিবৃত্ত কৰিব পাৰে । বীমা পৰিকল্পনাই এনে কিছু কৰ্মপৰিকল্পনা অন্তৰ্ভূক্ত কৰে যিবোৰে এনেধৰণৰ বিপদাশংকাৰ বিপৰীতে পৰ্য্যাপ্ত বীমাৰ সংস্থান কৰে ।

ইয়াত কৰণীয় কামটো হ'ল, কিমান বীমাৰ প্ৰয়োজন তাৰ মোটামুটি হিচাব উলিওৱা আৰু কি প্ৰকাৰৰ বীমা তেঁওৰ বাবে আটাইতকৈ উপযুক্ত হ'ব সেইটো নিৰ্দ্ধাৰণ কৰা ।

i. পৰিয়ালৰ মুখ্য উপাৰ্জনকৰোঁতাজনৰ অকাল মৃত্যুৰ ক্ষেত্ৰত তেঁওৰ ওপৰত নিৰ্ভৰশীল হৈ থকা কেইজনৰ আয় আৰু ব্যয়ৰ প্ৰয়োজনীয়তাৰ হিচাব কৰি তেঁওৰ জীবন বীমাৰ পৰিমান ধাৰ্য্য কৰা হয় ।

ii. পৰিয়াল এটাৰ জৰুৰী অৱস্থাত হাস্পতালত ভৰ্তি হোৱাৰ সম্ভাব্য ব্যয় সাপেক্ষে স্বাস্থ্য বীমাৰ প্ৰয়োজনীয়তা নিৰূপিত হয় ।

iii. সৰ্বশেষত, এজনৰ সম্পদবোৰ, যেনে তেঁওৰ ঘৰ / গাড়ী / কাৰখানা ইত্যাদিৰ লোকচানৰ বিপদাশংকাৰ পৰা সুৰক্ষা দিবৰ বাবে লাগতিয়াল সুৰক্ষা আৱৰণৰ প্ৰকাৰ আৰু পৰিমাণৰ ওপৰত ভিত্তি কৰি তেঁওৰ সম্পদৰ বাবে প্ৰয়োজনীয় বীমাৰাশিটো ধাৰ্য্য কৰা হয় ।

3. বিনিয়োগ পৰিকল্পনা

বিনিয়োগৰ বাবে কোনো নিৰ্দ্দিষ্ট সঠিক পথ নাই । সঠিক পথটো প্ৰতিজনৰ বাবে ভিন্ন হয় । বিনিয়োগ পৰিকল্পনাটো হ'ল, মানুহ এজনৰ বিপদাশংকা গ্ৰহণৰ আগ্ৰহ, বিত্তীয় লক্ষ্যসমূহ আৰু এই লক্ষ্যসমূহ লাভ কৰাৰ বাবে নিৰ্দ্দিষ্ট সময়-পৰিসৰৰ ওপৰত ভিত্তি কৰি সৰ্বাপেক্ষা উপযুক্ত বিনিয়োগ আৰু সম্পদ আবণ্টনৰ ৰণকৌশল নিৰ্দ্ধাৰণ কৰাৰ প্ৰক্ৰিয়া ।

a) **বিনিয়োগৰ স্থিতিমাপ**

পাঠৰ ব্যাখ্যামূলক নক্সা 6: বিনিয়োগৰ স্থিতিমাপ



ইয়াত প্ৰথম পদক্ষেপটো হ'ল বিনিয়োগ স্থিতিমাপবোৰ নিশ্চিতৰূপে নিৰূপণ কৰা । এইবোৰৰ অন্তৰ্ভূক্ত হ'ল:

i. **বিপদাশংকা সহন-ক্ষমতা (ৰিস্ক টলাৰেন্স):** বিনিয়োগ এটা কৰোতে মানুহ এজনে কিমান বিপদাশংকা গ্ৰহণ কৰিবলৈ ইচ্ছুক তাৰ এটা জোখ ।

ii. **সময়-দিগন্ত (টাইম হৰাইজন):** এইটো হ'ল বিত্তীয় উদ্দেশ্য পূৰণ কৰিবৰ বাবে সৰ্বাধিক উপলব্ধ সময় । বিত্তীয় উদ্দেশ্য সাধনৰ নিমিত্তে ব্যবহৃত বিনিয়োগ-আহিলাবোৰক এই 'অধিকতম উপলব্ধ সময়-পৰিসৰে প্ৰভাৱান্বিত কৰে ।সময় সীমা যিমানে দীৰ্ঘ হ'ব, হ্ৰস্বম্যাদী দায়বদ্ধতাৰ বিষয়ে উৎকণ্ঠা সিমান কম হ'ব । মানুহজনে তেতিয়া নগদলৈ অপেক্ষাকৃতভাৱে কম ৰূপান্তৰযোগ্য সম্পদবোৰ এটা দীঘলীয়া সময়ৰ বাবে বিনিয়োগ কৰি লাভৰ অধিক হাৰ অৰ্জন কৰিব পাৰে ।

iii. **লিকুইডিটি:** যিসকল মানুহৰ বিনিয়োগ কৰাৰ ক্ষমতা সীমিত বা যিসকলৰ আয়-ব্যয়ৰ প্ৰবহন অনিশ্চয়তাপূৰ্ণ অথবা যিসকলে ব্যক্তিগত বা ব্যৱসায় সক্ৰান্ত কোনো নিৰ্দ্দিষ্ট ব্যয় পূৰণৰ বাবে বিনিয়োগ কৰে, তেঁওলোকৰ বাবে বিনিয়োগৰ লিকুইডিটি অৰ্থাৎ লোকচান নোহোৱাকৈ বিনিয়োগক সহজে নগদ অৰ্থত পৰিণত কৰিব পৰাটো এটা বিবেচ্য বিষয় ।

iv. **বিপণন যোগ্যতা (মাৰ্কেটিবিলিটি):** স্বচ্ছন্দতাৰে এটা সম্পদ ক্ৰয় বা বিক্ৰয় কৰিব পৰা।

v. **বহুমুখীকৰণ বা বৈচিত্ৰ্যপূৰ্ণকৰণ (ডাইভাৰ্ছিফিকেশ্বন):** বিপদাশংকা কম কৰাৰ উদ্দেশ্যে একাধিক ঠাঁইত বিনিয়োগ কৰা অথবা বিনিয়োগক সিঁচৰতি কৰা ।

vi. **কৰ বিবেচনা :** বহুতো বিনিয়োগে কিছুমান কৰ-সুবিধা দিয়ে আৰু সেয়েহে এজনে বিভিন্ন বিনিয়োগ কৰাৰ ক্ষেত্ৰত কৰ-পৰৱৰ্তী লাভৰ হাৰৰ কথা বিবেচনা কৰিব পাৰে ।

b) **উপযুক্ত বিনিয়োগ আহিলাৰ নিৰ্বাচন**

ওপৰৰ স্থিতিমাপকেইটাৰ ভিত্তিত উপযুক্ত বিনিয়োগ-আহিলা নিৰ্বাচন কৰাটো হ'ল পৰবৰ্তী পদক্ষেপ । প্ৰকৃত নিৰ্বাচন নিৰ্ভৰ কৰে লাভৰ হাৰ আৰু বিপদাশংকাৰ বিষয়ে ব্যক্তিজনৰ প্ৰত্যাশাৰ ওপৰত ।

ভাৰতত এনে বিভিন্ন পণ্য আছে যিবোৰক বিনিয়োগৰ উদ্দেশ্যে বিবেচনা কৰিব পাৰি । এইবোৰৰ অন্তৰ্ভূক্ত হৈছে :

- ✓ বেংক / বৃহৎ ব্যৱসায় সংঘৰ (কৰ্পোৰেট) সাৱধি জমা
- ✓ ডাকঘৰৰ ক্ষুদ্ৰ সঞ্চয় আঁচনি
- ✓ বিক্ৰীৰ বাবে ৰাইজলৈ আগ বঢ়োৱা (পাবলিক ইছ্যু) শ্বেয়াৰ
- ✓ ঋণপত্ৰ বা অন্যান্য প্ৰতিভূতি
- ✓ মিউচুৱেল ফাণ্ডবোৰ
- ✓ জীবন বীমা কোম্পানীবোৰে আগ বঢ়োৱা ইউনিট লিংকড পলিচিবোৰ ইত্যাদি

4. অৱসৰ পৰিকল্পনা

এইটো হৈছে, অৱসৰ-পৰৱৰ্তী কালৰ প্ৰয়োজনবোৰ পুৰাব পৰাকৈ মানুহজনৰ বাবে লাগতিয়াল ধনৰ পৰিমাণটো নিৰ্দ্ধাৰণ কৰা আৰু এই প্ৰয়োজনবোৰ সামৰিব পৰা অৱসৰ-বিকল্পৰ বিষয়ে সিদ্ধান্ত লোৱাৰ প্ৰক্ৰিয়া ।

পাঠৰ ব্যাখ্যামূলক নক্সা 7: অৱসৰৰ বিভিন্ন পৰ্য্যায়সমূহ



এটা অৱসৰ পৰিকল্পনাই তিনিটা পৰ্য্যায় অন্তৰ্ভূক্ত কৰে

a) **পুঞ্জীভৱন:** এই উদ্দেশ্যত বিনিয়োগ কৰাৰ বাবে আছুতীয়াকৈ ধন থোৱাৰ বিভিন্ন কৌশল অৱলম্বন কৰি পুঁজিৰ একত্ৰীকৰণ কৰা হয় ।

b) **সংৰক্ষণ:** এজনৰ বিনিয়োগবোৰক প্ৰবলভাৱে কৰ্মক্ষম কৰা আৰু তেঁওৰ সক্ৰিয় কৰ্মজীবনৰ কালছোৱাত মূলধনখিনি সৰ্বাধিক মাত্ৰাত বৃদ্ধি পোৱাটো নিশ্চিত কৰাৰ বাবে লোৱা উদ্যমক সংৰক্ষণ বুলি উল্লেখ কৰা হয় ।

c) **বিতৰণ:** মূল ধনৰাশিক (যাক ক'ৰপাছ বা বাহৰ কণী অৰ্থাৎ ভৱিষ্যতৰ বা অৱসৰৰ পিছৰ সময়ছোৱাৰ উদ্দেশ্যে সাঁচি থোৱা অৰ্থ বুলি কোৱা হয়) অৱসৰ-পৰৱৰ্তী প্ৰয়োজনীয় আয় সৃষ্টিৰ অৰ্থে উত্তম উপায়েৰে উলিয়াই নিয়াৰ সুবিধাত / বাৰ্ষিক বৃত্তিত ৰূপান্তৰণৰ পদ্ধতিক বিতৰণ বুলি কোৱা হয় ।

5. সমুদায় সম্পত্তি পৰিকল্পনা

এইটো হ'ল এজনৰ মৃত্যুৰ পিছত তেঁওৰ সমুদায় সম্পত্তি উত্তৰাধিকাৰীজনলৈ হস্তান্তৰণ প্ৰক্ৰিয়াৰ পৰিকল্পনা । ইয়াৰ বাবে নামাংকন, হস্তান্তৰকৰণ বা ইচ্ছাপত্ৰ (উইল) প্ৰস্তুত কৰা আদি নানা পদ্ধতি আছে । ইয়াৰ মূল অভিপ্ৰায়টো হ'ল ব্যক্তিজন নোহোৱা হ'লেও তেঁওৰ ইচ্ছানুসৰি তেঁওৰ সমুদায় সা-সম্পদৰ মসৃণ বিতৰণ আৰু / বা সদ্ব্যৱহাৰ ।

6. কৰ পৰিকল্পনা

এইটো হ'ল, বলবৎ থকা আইনৰ পৰা সৰ্বাধিক কৰ-সুবিধা কি দৰে পোৱা যাব পাৰে আৰু ''টেক্স ব্ৰেক'' অৰ্থাৎ বিশেষ কোনো বাণিজ্যিক কাৰ্য্যকলাপক উদগনি দিয়াৰ বাবে চৰকাৰে আগ বঢ়োৱা কৰ-ৰেহাইৰ সুবিধা সম্পূৰ্ণ ৰূপে গ্ৰহণ কৰি আয়, ব্যয় আৰু বিনিয়োগৰ পৰিকল্পনা । ইয়াৰ অন্তৰ্ভূক্ত হৈছে কৰৰ সময় কমোৱা অথবা চলিত নাইবা ভৱিষ্যৎ আয়কৰৰ দায় স্থানান্তৰ কৰাৰ ৰণনীতি । এইখিনিতে মনত ৰখাটো কৰ্তব্য যে ইয়াৰ উদ্দেশ্য কৰৰ পৰিমাণটো কমোৱা, কৰ ফাঁকি দিয়াটো নহয় ।

এজনৰ বিনিয়োগবোৰৰ পুনৰসংস্থাপন কৰিলে আৰু সম্ভাব্য কৰ-সঞ্চয় সুবিধাখিনিৰ সুযোগ ল'লে তেঁওৰ আয় তথা সঞ্চয় বৃদ্ধি হোৱাটো সম্ভৱ, যিটো অন্যথায় কৰ বিভাগলৈ গুচি যাব পাৰে ।

জীবন বীমা এজেন্টসকলৰ পৰা তেঁওলোকৰ গ্ৰাহক বা সম্ভাব্য গ্ৰাহকসকলে প্ৰায়েই তেঁওলোকৰ বীমা-প্ৰয়োজনৰ ওপৰিও আন আৰ্থিক প্ৰয়োজনবোৰ চম্ভালাৰ কাৰণে পৰামৰ্শ বিচাৰে ।ওপৰত বৰ্ণিত বিত্তীয় পৰিকল্পনা আৰু ইয়াৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে বিশদভাৱে জনাটো যিকোনো বীমা এজেন্টৰ বাবে অতি মূল্যৱান ।

নিজক পৰখ কৰক 3

তলৰ কোনটো কৰ পৰিকল্পনাৰ উদ্দেশ্য নহয়?

I. সৰ্বাধিক কৰ সুবিধা

II. বিচক্ষণ বিনিয়োগৰ ফলস্বৰূপ হ্ৰাসপ্ৰাপ্ত কৰ-ভাৰ

III. কৰ ফাঁকি দিয়া

IV. টেক্স ব্ৰেকৰ সম্পূৰ্ণ সুবিধা

সাৰ সংক্ষেপ

- বিত্তীয় পৰিকল্পনা হ'ল এক প্ৰক্ৰিয়া যাৰ উদ্দেশ্য হৈছে:
  - ✓ মানুহ এজনৰ জীবনৰ লক্ষ্যবোৰ চিনাক্ত কৰা
  - ✓ এই চিনাক্তকৃত লক্ষ্যবোৰক বিত্তীয় লক্ষ্যলৈ ৰূপান্তৰিত কৰা
  - ✓ এই উদ্দিষ্ট লক্ষ্যবোৰ লাভ কৰিব পৰাকৈ তেঁওৰ অৰ্থখিনিৰ ব্যৱস্থাপনা কৰা ।
- মানুহৰ ব্যক্তিগত জীবন বৃত্তৰ ভিত্তিত তিনি বিধ বিত্তীয় পণ্যৰ প্ৰয়োজন হয় । এইবোৰে সহায় কৰে:
  - ✓ ভৱিষ্যতৰ লেনদেনবোৰ কৰিবলৈ সক্ষম হোৱাত
  - ✓ আকস্মিক দুৰ্য্যোগবোৰক চম্ভালাত
  - ✓ সম্পত্তিৰ পুঞ্জীভৱন কৰাত
- পৰিবৰ্তিত হৈ থকা ক্ৰিয়াশীল সামাজিক শক্তিসমূহ, যেনে যৌথ পৰিয়ালৰ বিযুক্তিকৰণ, বিনিয়োগৰ বাবে বৰ্তমান সময়ত উপলব্ধ বহুসংখ্যক বিকল্প আৰু পৰিবৰ্তনশীল জীবনযাপন শৈলী আদিয়ে বিত্তীয় পৰিকল্পনাৰ আৱশ্যকীয়তা অধিকতৰ বৃদ্ধি কৰিছে ।
- বিত্তীয় পৰিকল্পনা আৰম্ভ কৰাৰ সৰ্বোত্তম সময় হ'ল মানুহ এজনে প্ৰথম দৰমহা পোৱাৰ ঠিক পিছতেই ।
- বিত্তীয় পৰিকল্পনা উপদেষ্টাধৰ্মী সেৱাৰ অন্তৰ্ভূক্ত থাকে:
  - ✓ নগদ পৰিকল্পনা
  - ✓ বিনিয়োগ পৰিকল্পনা
  - ✓ বীমা পৰিকল্পনা
  - ✓ অৱসৰ পৰিকল্পনা
  - ✓ সমুদায় সম্পত্তি পৰিকল্পনা আৰু
  - ✓ কৰ পৰিকল্পনা

সুনিৰ্দ্দিষ্ট অৰ্থনিহিত গুৰুত্বপূৰ্ণ শব্দ

1. বিত্তীয় পৰিকল্পনা
2. জীবন পৰ্য্যায়
3. বিপদাশংকা-পাৰ্শ্বচিত্ৰ
4. নগদ পৰিকল্পনা

5. বিনিয়োগ পৰিকল্পনা

6. বীমা পৰিকল্পনা

7. অৱসৰ পৰিকল্পনা

8. সমুদায় সম্পত্তি পৰিকল্পনা

9. কৰ পৰিকল্পনা

" নিজক পৰখ কৰক"ৰ উত্তৰ

উত্তৰ 1

সঠিক বিকল্পটো হ' ল I

বীমাই অভাৱিত আকস্মিক ঘটনাবোৰৰ বিপৰীতে সুৰক্ষা দিয়ে ।

উত্তৰ 2

সঠিক বিকল্পটো হ'ল II

প্ৰথম দৰমহা পোৱাৰ লগে লগে বিত্তীয় পৰিকল্পনা আৰম্ভ কৰা উচিৎ ।

উত্তৰ 3

সঠিক বিকল্পটো হ'ল III

কৰ ফাঁকি দিয়া বিত্তীয় পৰিকল্পনাৰ উদ্দেশ্য নহয় ।

স্ব-পৰীক্ষণ প্ৰশ্ন

প্ৰশ্ন 1

বিপদাশংকা গ্ৰহণৰ আক্ৰমনাত্মক আগ্ৰহ (এগ্ৰেছিভ ৰিস্ক প্ৰ'ফাইল) থকা মানুহ এজনে সম্পদ_____ৰ ৰীতি অনুসৰণ কৰাৰ সম্ভাৱনা থাকে ।

I. সুদৃঢ়কৰণ

II. উপহাৰ প্ৰদান

III. একত্ৰীকৰণ

IV. ব্যয়কৰণ

প্ৰশ্ন 2

তলৰ কোনটো সম্পদ পুঞ্জীকৰণৰ পণ্য?

I. বেংক ঋণ

II. শ্বেয়াৰ

III. ম্যাদী বীমা পলিচি

IV. সঞ্চয় অধিকোষ হিচাব (ছেভিংছ বেংক একাউণ্ট)

প্ৰশ্ন 3

সঞ্চয়ক দুটা সিদ্ধান্তৰ সমন্বয় বুলি বিবেচনা কৰিব পাৰি ।তলৰ পৰা এই দুটাক বাছি উলিওৱাক ।

I. বিপদাশংকা সংৰক্ষণ আৰু ব্যয় সংকোচন

II. পহাৰ প্ৰদান আৰু পুঞ্জীকৰণ

III. ব্যয়কৰণ আৰু পুঞ্জীকৰণ

IV. ব্যয় স্থগিতকৰণ আৰু নগদ ধনলৈ সহজ-ৰূপান্তৰযোগ্য সম্পদৰ বিনিময়ত কম ৰূপান্তৰযোগ্য সম্পদ আহৰণ ।

প্ৰশ্ন 4

জীবনৰ কোনটো পৰ্য্যায়ত এজনে অতীতৰ সঞ্চয়ৰ মৰ্ম আটাইতকৈ বেছি উপলব্ধি কৰে?

I. অৱসৰ-পৰৱৰ্তী

II. উপাৰ্জনকাৰী

III. শিক্ষাৰ্থী

IV. সদ্যবিবাহিত

প্ৰশ্ন 5

বিনিয়োগ-পৰিসৰ (ইনভেষ্টমেণ্ট হৰাইজন) আৰু লাভৰ মাজত সম্পৰ্ক কি?

I. কোনো সম্পৰ্ক নাই

II. বিনিয়োগ-পৰিসৰ যিমানে বৃহৎ হয়, লাভৰ পৰিমাণ সিমানে বেছি হয়

III. বিনিয়োগ-পৰিসৰ যিমানে বৃহৎ হয়, লাভৰ পৰিমাণ সিমানে কম হয়

IV. বিনিয়োগ-পৰিসৰ যিমানে বৃহৎ হয়, লাভৰ ওপৰত কৰৰ পৰিমাণ সিমানে বেছি হয়

প্ৰশ্ন 6

তলৰ কোনটোক লেনদেনৰ পণ্য হিচাবে শ্ৰেণীবদ্ধ কৰিব পৰা যায়?

I. বেংক জমা

II. জীবন বীমা

III. শ্বেয়াৰ

IV. ব'ণ্ড

প্ৰশ্ন 7

তলৰ কোনটোক আকস্মিক দুৰ্য্যোগ সামৰা পণ্য হিচাবে শ্ৰেণীবদ্ধ কৰিব পৰা যায়?

I. বেংক জমা

II. জীবন বীমা

III. শ্বেয়াৰ

IV. ব''ণ্ড

প্ৰশ্ন 8

তলৰ কোনটোক সম্পত্তি পুঞ্জীকৰণৰ পণ্য হিচাবে শ্ৰেণীবদ্ধ কৰা যায়?

I. বেংক জমা

II. জীবন বীমা

III. সাধাৰণ বীমা

IV. শ্বেয়াৰ

প্ৰশ্ন 9

_____হ'ল অৰ্থব্যৱস্থা এটাত এটা নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত পণ্য আৰু সেৱাবোৰৰ মূল্যৰ সাধাৰণ স্তৰৰ বৃদ্ধি ।

I. মুদ্ৰা-সংকোচন

II. মুদ্ৰাস্ফীতি

III. অব্যাহত মুদ্ৰাস্ফীতি জনিত মন্দাৱস্থা

IV. অতি মাত্ৰাত মুদ্ৰাস্ফীতি

প্ৰশ্ন 10

তলৰ কোনটো স্ব-নিৰ্বাচনমূলক আয় সৰ্বাধিক বৃদ্ধি কৰাৰ ৰণনীতি নহয়?

I. ঋণৰ পুনৰবিন্যাস

II. ঋণ হস্তান্তৰকৰণ

III. বিনিয়োগৰ পুনৰবিন্যাস

IV. বীমা ক্ৰয় কৰা

স্ব-পৰীক্ষণমূলক প্ৰশ্নৰ উত্তৰ

উত্তৰ 1

সঠিক উত্তৰটো হৈছে III

বিপদাশংকা গ্ৰহণৰ আক্ৰমনাত্মক আগ্ৰহ (এগ্ৰেছিভ ৰিস্ক প্ৰ'ফাইল) থকা মানুহ এজনে সম্পত্তি পুঞ্জীকৰণৰ ৰীতি অনুসৰণ কৰাৰ সম্ভাৱনা থাকে ।

উত্তৰ 2

সঠিক উত্তৰটো হৈছে II

শ্বেয়াৰ হ'ল সম্পত্তি পুঞ্জীকৰণৰ এটা পণ্য ।

উত্তৰ 3

সঠিক উত্তৰটো হৈছে IV

সঞ্চয় এই দুটা সিদ্ধান্তৰ সমন্বয় - ব্যয় স্থগিতকৰণ আৰু নগদ ধনলৈ সহজ-ৰূপান্তৰযোগ্য সম্পদৰ বিনিময়ত কম ৰূপান্তৰযোগ্য সম্পদ আহৰণ ।

উত্তৰ 4

সঠিক উত্তৰটো হৈছে I

অৱসৰ-পৰৱৰ্তী পৰ্য্যায়ত এজনে অতীতৰ সঞ্চয়ৰ মৰ্ম আটাইতকৈ বেছি উপলব্ধি কৰে ।

উত্তৰ 5

সঠিক উত্তৰটো হৈছে II

বিনিয়োগ-পৰিসৰ যিমানে বৃহৎ হয়, লাভৰ পৰিমাণ সিমানে বেছি হয় ।

উত্তৰ 6

সঠিক উত্তৰটো হৈছে I

বেংক জমাক লেনদেনৰ পণ্য হিচাবে শ্ৰেণীবদ্ধ কৰিব পৰা যায় ।

উত্তৰ 7

সঠিক উত্তৰটো হৈছে II

জীবন বীমাক আকস্মিক দুৰ্য্যোগ সামৰা পণ্য হিচাবে শ্ৰেণীবদ্ধ কৰিব পৰা যায় ।

উত্তৰ 8

সঠিক উত্তৰটো হৈছে IV

শ্বেয়াৰক সম্পত্তি পুঞ্জীকৰণৰ পণ্য হিচাবে শ্ৰেণীবদ্ধ কৰা যায় ।

উত্তৰ 9

সঠিক উত্তৰটো হৈছে II

মুদ্ৰাস্ফীতি হ'ল অৰ্থব্যৱস্থা এটাত এটা নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত পণ্য আৰু সেৱাবোৰৰ মূল্যৰ সাধাৰণ স্তৰৰ বৃদ্ধি ।

উত্তৰ 10

সঠিক উত্তৰটো হৈছে IV

ক্ৰয়ৰ দ্বাৰা স্ব-নিৰ্বাচনমূলক আয় সৰ্বাধিকভাৱে বৃদ্ধি কৰিব নোৱাৰি ।

অধ্যায় 8

জীবন বীমা পণ্য – I

অধ্যায় পৰিচিতি

এই অধ্যায়টোৱে জীবন বীমা পণ্যৰ জগৎখনৰ সৈতে আপোনাৰ পৰিচয় কৰাই দিব । গতানুগতিক পণ্যসমূহৰে আৰম্ভ কৰি, জীবন বীমা পণ্যসমূহৰ আৱশ্যকীয়তা আৰু মানুহৰ জীবনৰ বিভিন্ন লক্ষ্য পূৰণৰ দিশত এইবোৰে কি ধৰণৰ ভূমিকা লয়, সেই বিষয়ে আলোচনা কৰা হ'ব । শেষত, কেইবিধমান পৰম্পৰাগত (ট্ৰেডিশ্বনেল) জীবন বীমা পণ্যৰ প্ৰতি দৃষ্টি দিয়া হ'ব ।

শিক্ষণৰ ফলাফল

A. জীবন বীমা পণ্যসমূহৰ এক সংক্ষিপ্ত ৰূপৰেখা

B. পৰম্পৰাগত জীবন বীমা পণ্যসমূহ

A. জীবন বীমা পণ্যসমূহৰ এক সংক্ষিপ্ত ৰূপৰেখা

1. পণ্য কি?

পণ্য (প্ৰ'ডাক্ট) বুলিলে কি বুজায়-সেইটোৰে আৰম্ভ কৰা যাওক ।সচৰাচৰ প্ৰচলিত অৰ্থত পণ্য আৰু পণ্য সামগ্ৰী (কম'ডিটি) প্ৰায় সমাৰ্থক । পণ্যসামগ্ৰী হ'ল ব্যৱসায় কৰিবৰ উপযোগী সামগ্ৰী যিটো অনা হয় আৰু বজাৰত বিক্ৰী কৰা হয় । আনহাতে পণ্য শব্দটো 'পুনৰ উৎপাদন' শব্দটোৰ পৰা আহিছে ।যাৰ অৰ্থ হৈছে সমুখলৈ অনা বা সৃষ্টি কৰা । আনকথাত, এটা পণ্য হৈছে নিৰ্দ্দিষ্ট কিছুমান শ্ৰম বা উদ্যমৰ ফচল ।

যি হওক, কোনো বস্তুৰ ব্যৱহাৰিকতা বা উপযোগিতা সেই বস্তুটোৰ পৰা নাহে, তাৰ বৈশিষ্ট্যবোৰৰ পৰাহে পোৱা যায় । এই কথাখিনিয়ে এটা বিপণন-পৰিপ্ৰেক্ষিত লৈ আনে । বিপণনৰ দৃষ্টিকোনৰ পৰা এটা পণ্য হ'ল বিভিন্ন বৈশিষ্ট্যৰ সমাহাৰ ।ব্যৱসায়িক প্ৰতিষ্ঠানবোৰে বজাৰত তেঁওলোকৰ 'পণ্য যাচন'টো (প্ৰ'ডাক্ট অফাৰ) আনতকৈ পৃথক কৰে বিভিন্ন ধৰণৰ বৈশিষ্ট্যবোৰ একেলগ কৰি নাইবা একে বৈশিষ্ট্যবোৰক ভিন ভিন মুঠা কৰি ।

বিপণনৰ দৃষ্টিভঙ্গীত এটা পণ্য আৰু এটা পণ্যসামগ্ৰীৰ মাজত থকা পাৰ্থক্যটো হ'ল যে পণ্যক পাৰ্থক্যযুক্ত কৰিব পৰা যায় কিন্তু পণ্যসামগ্ৰীক নোৱাৰি । ইয়াৰ অৰ্থ হ'ল যে বিভিন্ন কোম্পানীয়ে বিক্ৰী কৰা পণ্যবোৰ একেজাতীয় হলেও, বৈশিষ্ট্যমূলকভাৱে এটাৰ পৰা আনটো সম্পূৰ্ণ ভিন্ন হ'ব পাৰে ।

উদাহৰণ

কলগেট, ক্ল'জআপ আৰু প্ৰ'মিছ- এই গোটেইকেইটা হ'ল একেজাতীয় টুথপেষ্টৰ বিভিন্ন ব্ৰেণ্ড । কিন্তু এই প্ৰতিটো ব্ৰেণ্ডৰ বৈশিষ্ট্যবোৰ আন ব্ৰেণ্ডৰ বৈশিষ্ট্যতকৈ সুকীয়া ।

পণ্য নিজে লক্ষ্যৰ পৰিণতি নহয়, কিন্তু আনবোৰ লক্ষ্য পূৰণৰ এটা উপায় ।এনে অৰ্থত পণ্যবোৰ হ'ল সমস্যা সমাধানৰ আহিলা । এইবোৰে প্ৰয়োজন বা অভাৱ পূৰণকাৰী হিচাবে কাম কৰে ।নিৰ্দ্দিষ্ট উদ্দেশ্য সাধনৰ বাবে পণ্য এটা কিমান উপযুক্ত, সেইটো নিৰ্ভৰ কৰে পণ্যটোৰ বিশেষত্ববোৰৰ ওপৰত ।

পণ্য হ'ব পাৰে:

i. **স্পৰ্শগ্ৰাহ্য (টেনজিবল্):** বস্তুগত বা কায়িক উপস্থিতি থকা দ্ৰব্যবোৰ, যিবোৰক স্পৰ্শৰ দ্বাৰা প্ৰত্যক্ষভাৱে অনুভৱ কৰিব পাৰি (উদাহৰণস্বৰূপে এখন গাড়ী বা এটা টেলিভিছন ছেট) ।

ii. **স্পৰ্শনাতীত (ইনটেনজিবল্):** যিবোৰ পণ্যক কেৱল পৰোক্ষভাৱেহে উপলব্ধি কৰিব পাৰি ।

জীবন বীমা হ'ল এবিধ পণ্য যি স্পৰ্শনাতীত । এজন জীবন বীমাৰ এজেণ্টৰ দায়িত্ব হ'ল এটা নিৰ্দ্দিষ্ট জীবন বীমা পণ্যৰ বিশেষত্ববোৰ বুজিবলৈ গ্ৰাহকক সক্ষম কৰি তোলা যে এইটোৱে কি কৰিব পাৰে আৰু কেনেকৈ তেঁওলোকৰ অনন্য প্ৰয়োজনবোৰ পুৰাব পাৰে ।

2. জীবন বীমা পণ্যৰ উদ্দেশ্য আৰু সুৰক্ষা আৱৰণে সামৰা প্ৰয়োজনসমূহ

য'তেই বিপদাশংকা থাকে, তাতেই উৎকণ্ঠাৰ কাৰণ থাকে । মানুহে সদায় বিপদাশংকাক পৰাভূত কৰাৰ বা অন্ততঃ বুজি পোৱাৰ চেষ্টা কৰিছে যাতে আগতীয়াকৈ অনুমান কৰি ইয়াৰ বাবে সাজু থাকিব পাৰে । বিপদাশংকাৰ বিপৰীতে নিৰাপত্তা সৃষ্টি কৰাৰ জন্মগত প্ৰবৃত্তি আৰু প্ৰবল ইচ্ছাটো বীমা উদ্ভাৱনৰ অন্যতম মূল কাৰণ ।

আমি মানুহবোৰ হ'লো সামাজিক প্ৰাণী যি সকলে আমাৰ নিচিনা আন সকলৰ সৈতে জীবন ভগাই লওঁ – আমাৰ প্ৰিয় মানুহবোৰৰ সৈতে ।আমি আৰু এটা অতিশয় মূল্যৱান সম্পদৰ অধিকাৰী - আমাৰ মানব-মূলধন, যিটো হ'ল আমাৰ উৎপাদনশীল উপাৰ্জন-ক্ষমতাৰ উৎস । কিন্তু মানুহৰ জীবন আৰু সৰ্বাঙ্গীণ কুশলৰ বিষয়ে অনিশ্চয়তা এটা সদায় থাকি যায় । মৃত্যু আৰু ব্যাধিৰ দৰে ঘটনাবোৰে আমাৰ উৎপাদনশীল সক্ষমতা ধ্বংস কৰি দিব পাৰে আৰু আমাৰ মানব-মূলধনৰ মূল্য হ্ৰাস কৰিব বা ক্ষয় নিয়াব পাৰে ।

জীবন বীমা পণ্যবোৰে মানুহ এজনৰ উৎপাদনশীল ক্ষমতাৰ অৰ্থনৈতিক মূল্যৰ ক্ষতিৰ বিপৰীতে সুৰক্ষা আগ বঢ়ায়, যি তেঁওৰ ওপৰত নিৰ্ভৰ কৰোঁতাসকলৰ বা তেঁওৰ নিজৰ বাবে উপলব্ধ হয় । জীবন বীমাৰ বীমা বা ইনশ্বিউৰেন্স অৰ্থাৎ 'ক্ষতি প্ৰতিৰোধ-ব্যৱস্থা' বাক্যখণ্ডটোৱে, কাৰোবাৰ মৃত্যু বা স্থায়ী অক্ষমতাৰ ক্ষেত্ৰত তেঁওৰ নিজৰ বা তেঁওৰ প্ৰিয়জনৰ আৰ্থিক ক্ষতিৰ বিপৰীতে সুৰক্ষাৰ ব্যৱস্থাৰ প্ৰয়োজনীয়তাক তাৎপৰ্য্যপূৰ্ণভাৱে বুজাই দিয়ে ।

যদিও বীমাৰ অন্য উপযোগিতাও আছে, যেনে সঞ্চয় আৰু বিনিয়োগ, কিন্তু মৃত্যু অথবা ভয়াৱহ ব্যাধিৰ সুৰক্ষাবেষ্টনীয়েই হৈছে জীবন বীমা লোৱাৰ মূল কাৰণ ।নিৰ্দ্দিষ্টভাৱে কবলৈ হ'লে, চুক্তিৰ ম্যাদৰ ভিতৰত বীমাকৃত ব্যক্তিজনৰ উপাৰ্জন-ক্ষমতা ক্ষতিগ্ৰস্ত বা বিনাশপ্ৰাপ্ত হ'লে, তেঁওৰ কৰ্মজীবনৰ বাকীছোৱা উপাৰ্জনশীল সময়ত তেঁও সৃষ্টি কৰিব পৰা প্ৰত্যাশিত সম্পত্তিৰ সম্ভাৱনীয় সম্পদ-মূল্যৰ প্ৰতিস্থাপন বা ক্ষতিপূৰণ তেঁওৰ প্ৰিয়জনক বা তেঁওকেই দিয়াৰ প্ৰচেষ্টা কৰা হয় । যিটো মুহূৰ্তত বীমাকৃত ব্যক্তিজনে প্ৰথম প্ৰিমিয়ামৰ ধনৰাশি পৰিশোধ কৰে, সেই মুহূৰ্তৰে পৰাই তেঁওৰ নামত এটা তাৎক্ষণিক সম্পত্তি সৃজন কৰাৰ জৰিয়তে এইটো কৰা হয় ।

সেয়েহে, জীবন বীমা পলিচি এটা, সাৰগতভাৱে, মানুহজনৰ দুৰ্ভাগ্যজনক কিবা এটা ঘটিলে, তেঁওৰ নিকটতম প্ৰিয়জনৰ মানসিক শান্তিৰ ব্যৱস্থা কৰে আৰু সুৰক্ষা প্ৰদান কৰে ।জীবন বীমাৰ আন এটা ভূমিকা হ'ল সঞ্চয় আৰু সম্পত্তি পুঞ্জীকৰণৰ আহিলা ৰূপে কাম কৰা ।এই অৰ্থত, জীবন বীমাই বিনিয়োগৰ সুৰক্ষা তথা নিৰাপত্তাৰ লগতে কিছু পৰিমাণ লাভৰ হাৰো আগ বঢ়ায় ।

জীবন বীমা কেৱল মৃত্যু আৰু ৰোগৰ সুৰক্ষা দিয়া আহিলাতকৈয়ো কিছু বেছি ।ই এটা বিত্তীয় পণ্যও, যাক অনন্য স্বতন্ত্ৰ পণ্য হিচাবে বিচাৰ নকৰি বিত্তীয় সম্পদবোৰৰ পৰ্টফ'লিঅৰ এটা উপাদানস্বৰূপ গণ্য কৰিব পাৰি । এটা উদীয়মান বিত্তীয় বজাৰত গ্ৰাহকসকলৰ আগত বহুসংখ্যক বিকল্প আছে- কেৱল বৈকল্পিক ধৰণৰ জীবন বীমা পণ্যই নহয়, জীবন বীমাৰ পৰিবৰ্ত্ত অসংখ্য আন পণ্যও, যেনে ডিপ'জিট, ব'ণ্ড, ষ্ট'ক আৰু মিউচুৱেল ফাণ্ড আদি ।

এই পৰিপ্ৰেক্ষিতত, জীবন বীমাৰ স্বতন্ত্ৰতাসূচক বিশেষত্বসমুহৰ মানগত মূল্যৰ উপস্থাপন কি হ'ব- সেইটো হৃদয়ংগম কৰা উচিৎ, কিয়নো গ্ৰাহকৰ বিভিন্ন প্ৰয়োজনৰ সমাধান দিয়াৰ সামৰ্থ্যৰ বিষয়ে সম্যক উপলব্ধিৰ ওপৰতে গ্ৰাহক-মূল্য নিৰ্ভৰ কৰে ।

- ✓ এইটোৱে সঠিক সমাধান দিব পাৰেনে? বা ''এইটো কাৰ্য্যকৰী হয়নে?''
- ✓ ইয়াৰ দাম কিমান? বা ''এইটো কাৰ্য্যদক্ষ হয়নে?''

পণ্য আগ বঢ়োৱাৰ ক্ষেত্ৰত জীবন বীমা উদ্যোগে যোৱা দুই শতিকাত অগণিত উদ্ভাৱন কৰিছে । 'মৃত্যুৰ ক্ষেত্ৰত সুবিধা' যুক্ত পণ্যৰে যাত্ৰা আৰম্ভ হৈছিল যদিও, কালক্ৰমে একাধিক 'জীবদ্দশাৰ সুবিধা' যুক্ত পণ্য, যেনে বন্দৱস্তি (এনডাউমেণ্ট), অক্ষমতা ভাত্তা (ডিছএবিলিটি বেনিফিট), গুৰুতৰ ব্যাধিৰ সুৰক্ষা আদি আৰু বহুতো পণ্য অন্তৰ্ভূক্ত কৰা হৈছে ।

একেদৰে, ''লাভত অংশ গ্ৰহণকাৰী'' পৰম্পৰাগত পণ্যৰ পৰা আৰম্ভ কৰি উদ্ভাৱনে সৃষ্টি কৰিছে বজাৰ-ভিত্তিক (মাৰ্কেট-লিংকড্) পলিচি, য'ত বিনিয়োগ-সম্পদৰ মনোনীতকৰণ আৰু তত্বাৱধানত অংশ ল'বলৈ বীমাকৃত ব্যক্তিজনক আহ্বান জনোৱা হয় । ইয়াৰ উপৰিও আৰু এক নতুন মাত্ৰা যোগ হৈছে, য'ত এটা নিৰ্দ্দিষ্ট মুঠা (নিৰূপিত সুবিধাযুক্ত) বা বাণ্ডিলৰ পৰা জীবন বীমা পণ্যবোৰ উচ্চ নমনীয় আন-বাণ্ডলড্ বা মুঠামুক্ত পণ্যলৈ বিৱৰ্তিত হৈছে, যত পলিচিৰ অন্তৰ্গত বিভিন্ন সুবিধা তথা ব্যয়ৰ উপাংশবোৰ পলিচিধাৰকে তেঁওৰ পৰিবৰ্তন হৈ থকা প্ৰয়োজন, সামৰ্থ্য আৰু জীবনবৃত্তৰ পৰ্য্যায় সাপেক্ষে সলনি কৰিব পাৰে ।

3. জীবন বীমা পণ্যত ওপৰঞ্চি সুবিধা বা ৰাইডাৰ

ওপৰত দেখা গৈছে কেনেকৈ জীবন বীমা চুক্তিবোৰে বিভিন্ন সুবিধা আগ বঢ়ায়, যিবোৰে গ্ৰাহক সকলৰ বৃহৎ সংখ্যাৰ প্ৰয়োজনবোৰৰ সমাধান হিচাবে কাম কৰে । জীবন বীমা কোম্পানীবোৰে কেইবাটাও ওপৰঞ্চি সুবিধা (ৰাইডাৰ) আগ বঢ়ায়, যাৰ ফলত তেঁওলোকৰ পণ্যবোৰৰ মূল্যৰ মান বৃদ্ধি পায় ।

ওপৰঞ্চি সুবিধাবোৰ হ'ল সচৰাচৰ পৃষ্ঠাঙ্কণৰ জৰিয়তে সংযোজন কৰা উপবন্ধ, যিবোৰ পিছত চুক্তিৰ অংশ হৈ পৰে ।এই ওপৰঞ্চি সুবিধাবোৰ সাধাৰণতে ব্যৱহাৰ কৰা হয় অতিৰিক্ত সুবিধাৰ বাবে নাইবা মৃত্যুৰ ক্ষেত্ৰত পলিচিৰ অধীনত লভ্য বীমাৰাশিৰ পৰিমাণ বৃদ্ধিৰ বাবে ।

ওপৰঞ্চি সুবিধাবোৰক ''পিজ্জা''ৰ মূৰত বহুওৱা অতিৰিক্ত খাদ্যদ্ৰব্যৰ (টপিং) বাছনিৰ সৈতে তুলনা কৰিব পাৰি ।এটা মূল পলিচি হৈছে মূল পিজ্জাৰ নিচিনা আৰু ওপৰঞ্চি সুবিধাবোৰ হ'ল গ্ৰাহকৰ নিজা চাহিদা

অনুসৰি বিভিন্ন পিজ্জা টপিং আগ বঢ়াই পিজ্জাটো গ্ৰাহকৰ মনোমত কৰি তোলাটো । মানুহ এজনৰ বিভিন্ন প্ৰয়োজনবোৰ কেৱল এটা আঁচনিতেই সন্নিবিষ্ট কৰি তেঁওৰ মনোমত কৰি তোলাত ওপৰঞ্চি সুবিধাই সহায় কৰে ।

পাঠৰ ব্যাখ্যামূলক নক্সা 1: ওপৰঞ্চি সুবিধাৰ (ৰাইডাৰ) বাছনি



অক্ষমতা, দুৰ্ঘটনা আৰু গুৰুতৰ অসুস্থতাৰ বিপৰীতে দিয়া সুৰক্ষাৰ সুবিধা এই ৰাইডাৰ বা ওপৰঞ্চি সুবিধাবোৰৰ জৰিয়তে এটা মানগত বা ষ্টেণ্ডাৰ্ড পলিচি চুক্তিত অতিৰিক্ত সুবিধা হিচাবে অন্তৰ্ভূক্ত কৰা যায়। পলিচিধাৰকে এটা অতিৰিক্ত প্ৰিমিয়ামৰ বিনিময়ত এই ৰাইডাৰবোৰৰ সুযোগ ল'ব পাৰে।

নিজক পৰখ কৰক 1

তলৰ কোনটো এটা স্পৰ্শনাতীত পণ্য ?

I. গাড়ী

II. ঘৰ

III. জীবন বীমা

IV. চাবোন

B. পৰম্পৰাগত জীবন বীমা পণ্যসমূহ

এই অধ্যায়টোত আমি কেইবিধমান পৰম্পৰাগত প্ৰকাৰৰ জীবন বীমা পণ্যৰ বিষয়ে অৱগত হ'ম ।

পাঠৰ ব্যাখ্যামূলক নক্সা 2: পৰম্পৰাগত জীবন বীমা পণ্যসমূহ



1. ম্যাদী বীমা আঁচনি (টাৰ্ম ইনশ্বিউৰেন্স প্লেন)

ম্যাদী বীমা কেৱল চুক্তি মতে নিৰ্দ্দিষ্ট ম্যাদৰ বাবেহে বৈধ হয় ।এই ম্যাদ, বিমান ভ্ৰমণ এটা সম্পূৰ্ণ কৰিবলৈ লগা চমু সময় পৰিসৰৰ পৰা চল্লিছ বছৰীয়া দীৰ্ঘ সময়লৈকে বিস্তৃত হ'ব পাৰে । সুৰক্ষা দিয়াৰ ম্যাদ 60 বা 70 বছৰ বয়সলৈকে বঢ়াই দিয়া হ'ব পাৰে । এবছৰীয়া ম্যাদী বীমাবোৰ প্ৰায় সম্পত্তি আৰু দুৰ্ঘটনা বীমা চুক্তিৰ সদৃশ ।এই ধৰণৰ পলিচিৰ অধীনত সংগৃহীত সকলো প্ৰিমিয়াম কোম্পানীয়ে মৰণশীলতাৰ বিপদাশংকা গ্ৰহণ কৰাৰ ব্যয় বাবদ অৰ্জন কৰা বুলি ধৰি ল'ব পাৰি ।বীমাকৃত ব্যক্তি জনৰ কোনো নগদ মূল্যৰ উপাদানৰ আয় বা সঞ্চয় নহয় ।

a) উদ্দেশ্য

ম্যাদী জীবন বীমাই জীবন বীমাৰ প্ৰধান বা মৌলিক উদ্দেশ্যটো পূৰণ কৰে অৰ্থাৎ জীবন বীমাকৃতজনৰ অকাল মৃত্যু হ'লে তেঁওৰ পৰিয়ালটোৰ দায়িত্বভাৰ লোৱাৰ বাবে এটা ধনৰাশি উপলব্ধ হয় । এই প্ৰদেয় মুঠ ধনৰাশিটোৱে তেঁওৰ প্ৰিয়জনসকলৰ বাবে তেঁওৰ মানব জীবন মূল্যটোৰ প্ৰতিনিধিত্ব কৰে - ই যাদৃচ্ছিকভাৱে স্বনিৰ্বাচিত পৰিমাণেই হওক বা বিজ্ঞানসন্মতভাৱে গণনাকৃতই হওক ।

এটা ম্যাদী বীমা পলিচি এজনৰ আয়-প্ৰতিস্থাপক হিচাবে সুবিধাজনক হয় । ইয়াত, পলিচিৰ ম্যাদৰ ভিতৰত দুৰ্ভাগ্যবশত মানুহজনৰ মৃত্যু ঘটিলে এককালীন মুঠ ধনৰাশিৰ পৰিবৰ্তে এমাহ বা তিনিমাহৰ মূৰে মূৰে বা এনেদৰে আন কোনো নিৰ্দ্দিষ্ট সময়ান্তৰত তেঁওৰ ওপৰত নিৰ্ভৰশীল হিতাধিকাৰীসকলক এটা পুৰ্ব নিৰূপিত কালদৈৰ্ঘ্যৰ বাবে ধন দি থকাৰ ব্যৱস্থা কৰিব পৰা যায় ।

b) অক্ষমতা (ডিছএবিলিটি)

সাধাৰণতে এটা ম্যাদী বীমা পলিচিয়ে কেৱল মৃত্যুৰ বিপৰীতে সুৰক্ষা দিয়ে ।কিন্তু যেতিয়া এইটো মূল পলিচিৰ ওপৰত অক্ষমতাৰ বিপৰীতে সুৰক্ষাৰ ওপৰঞ্চি সুবিধা সহ ক্ৰয় কৰা হয়, আৰু যদি কোনোবা এজনে ম্যাদী বীমাৰ ম্যাদৰ ভিতৰত এনে দুৰ্য্যোগৰ সন্মুখীন হয়, তেনেহ'লে বীমা কোম্পানীয়ে বীমাকৃত ব্যক্তিজনক বা তেঁওৰ হিতাধিকাৰীসকলক ধন পৰিশোধৰ ব্যৱস্থা কৰিব । আকৌ, যদি ম্যাদ অন্ত হোৱাৰ পিছত বীমাকৃতৰ মৃত্যু হয়, তেন্তে কোনো সুবিধা উপলব্ধ নহয়, কিয়নো ম্যাদ উকলি যোৱাৰ লগে লগে ব্যৱসায়িক লেনদেনৰ পৰিসমাপ্তি ঘটে ।



c) ওপৰঞ্চি সুবিধা হিচাবে ম্যাদী বীমা

ম্যাদী বীমাৰ অন্তৰ্গত সুৰক্ষাৰ সুবিধাটো সাধাৰণতে এটা স্বতন্ত্ৰ পলিচি হিচাবে দিয়া হয়, কিন্তু ইয়াক মূল পলিচিত এটা ওপৰঞ্চি সুবিধা ৰূপেও অন্তৰ্ভূক্ত কৰিব পাৰি ।

উদাহৰণ

পেঞ্চন আৰম্ভ হোৱা তাৰিখৰ আগতেই কাৰোবাৰ মৃত্যু হ'লে, মৃত্যুৰ বিপৰীতে সুৰক্ষা দিয়াৰ সুবিধাটো পেঞ্চন আঁচনি এখনত অন্তৰ্ভূক্ত থাকিব পাৰে ।

d) পুনৰনৱীকৰণযোগ্যতা

প্ৰিমিয়ামবোৰ সাধাৰণতে এটা নিৰ্দ্দিষ্ট বাৰ্ষিক হাৰত ম্যাদী বীমাৰ সমগ্ৰ কালদৈৰ্ঘ্যৰ বাবে ধাৰ্য্য কৰা হয় । কিছুমান আঁচনিত ম্যাদৰ অন্তত পুনৰনৱীকৰণৰ সুবিধা থাকে । তেনে ক্ষেত্ৰত, সেই সময়ৰ বয়স আৰু স্বাস্থ্যৰ ওপৰ ভিত্তি কৰি এই পণ্যবোৰত প্ৰিমিয়ামটো পুনৰ গণনা কৰা হয় আৰু এটা নতুন ম্যাদ ধাৰ্য্য কৰা হয় যিটোৰ বাবে পলিচিটো পুনৰনৱীকৰণ কৰা হয় ।

e) ৰূপান্তৰযোগ্যতা

ৰূপান্তৰযোগ্য ম্যাদী বীমা পলিচিবোৰে এটা ম্যাদী বীমা পলিচিক বীমাযোগ্যতাৰ শেহতীয়া প্ৰমাণ নোহোৱাকৈয়ে এটা স্থায়ী আঁচনি, যেনে ''আজীবন'' বীমালৈ পৰিবৰ্তন বা ৰূপান্তৰণৰ সুবিধা পলিচিধাৰকক দিয়ে । এই বিশেষাধিকাৰটোৱে সেইসকল ব্যক্তিক সহায় কৰে যিসকলৰ স্থায়ী নগদ মূল্য যুক্ত বীমা কিনাৰ ইচ্ছা থাকে, কিন্তু উচ্চ প্ৰিমিয়াম বহন কৰাৰ সাময়িক অসমৰ্থতা হেতু নোৱাৰে। যেতিয়া ম্যাদী বীমা পলিচি এটা স্থায়ী বীমালৈ ৰূপান্তৰিত হয়, নতুন প্ৰিমিয়ামৰ হাৰটো উচ্চতৰ হয় ।

f) অনন্য বিক্ৰয় উপস্থাপন (ইউ এচ পি)

ম্যাদী বীমাৰ স্বতন্ত্ৰতাসূচক বিশেষত্ব হ'ল ইয়াৰ ন্যূন মূল্য, যাৰ ফলত এজনে সীমিত বাজেটৰ ভিতৰত অপেক্ষাকৃত বৃহৎ পৰিমাণৰ জীবন বীমা কিনিবলৈ সক্ষম হয় ।এইদৰে, পৰিয়ালৰ মুখ্য উপাৰ্জনকৰোঁতা, যিজনৰ প্ৰিমিয়াম পৰিশোধৰ বাবে অৰ্থ সীমিত অথচ তেঁওৰ অকাল মৃত্যুৰ ক্ষেত্ৰত প্ৰিয়জনক আৰ্থিক নিৰাপত্তাহীনতাৰ পৰা সুৰক্ষা দিব খোজে, তেঁওৰ বাবে

এইটো এটা উত্তম পৰিকল্পনা ৰূপে প্ৰতিপন্ন হয় ।

g) ৰূপভেদ (ভেৰিয়েন্ট)

ম্যাদী বীমাৰ বিভিন্ন ৰূপভেদ থকাটো সম্ভৱ ।

পাঠৰ ব্যাখ্যামূলক নক্সা 4: ম্যাদী বীমাৰ ৰূপভেদ



i. হ্ৰাসমান ম্যাদী বীমা

এই আঁচনিবোৰত সুৰক্ষা ম্যাদৰ লগে লগে মৃত্যুৰ বিপৰীতে লভ্য সুৰক্ষাৰ সুবিধাও হ্ৰাস পায় । প্ৰতিটো পলিচি-বাৰ্ষিকীত 10,000 টকাকৈ কমি যোৱা এটা দহবছৰীয়া ম্যাদী বীমাই প্ৰথম বছৰত মৃত্যুৰ ক্ষেত্ৰত 1, 00,000 টকাৰ সুবিধা আগ বঢ়ায়, যিটো অৱশেষত দশম বছৰৰ অন্তত শূণ্য অংকলৈ নামি আহে ।প্ৰতি বছৰে দিব লগা প্ৰিমিয়াম কিন্তু সুষম থাকে ।

বন্ধকী বিমোচন আৰু ঋণ জীবন বীমা হিচাবে হ্ৰাসমান ম্যাদী বীমাৰ বিপণন কৰা হয় ।

- ✓ **বন্ধকী বিমোচন :** ই হ'ল হ্ৰাসমান ম্যাদী বীমাৰ এক প্ৰকাৰৰ আঁচনি যিটো প্ৰস্তুত কৰা হৈছে বন্ধকী ঋণৰ বকেয়া পৰিমাণটোৰ লগত সমঞ্জস হোৱা মৃত্যু-ধনৰাশিৰ ব্যৱস্থা কৰাৰ বাবে । সচৰাচৰ এই ধৰণৰ ঋণৰ ক্ষেত্ৰত, প্ৰতিটো সম পৰিমাণ ধনৰ মাহেকীয়া কিস্তি (ই এম আই) পৰিশোধৰ ফলত বাকী ৰোৱা মূল পৰিমাণটো ক্ৰমান্বয়ে কমি আহে ।বীমাৰ ব্যৱস্থাটো এনে ধৰণে কৰা হয় যে যিকোনো সময়ত, মৃত্যুৰ ক্ষেত্ৰত প্ৰদেয় সুবিধাৰ পৰিমাণ আৰু মূল ঋণৰ বকেয়া পৰিমাণটো একে হয় । ইয়াত পলিচিৰ ম্যাদ আৰু বন্ধকী ঋণৰ কালদৈৰ্ঘ্য পৰস্পৰৰ সৈতে একে থাকে । প্ৰিমিয়ামৰ হাৰটো সাধাৰণতে গোটেই ম্যাদ জুৰি সুষম থাকে । বন্ধকী বিমোচন কিনাটো প্ৰায়েই বন্ধকী ঋণ লোৱাৰ এটা চৰ্ত থাকে ।
- ✓ **ঋণ জীবন বীমা :** ই হ'ল ম্যাদী বীমা আঁচনিৰ আন এটা ৰূপ ।ঋণ এটা সম্পূৰ্ণ পৰিশোধ কৰাৰ আগতে ঋণ-গ্ৰহীতাজনৰ মৃত্যু হ'লে ঋণৰ অৱশিষ্ট ৰাশিখিনি পৰিশোধৰ বাবে ইয়াৰ ৰূপাংকন কৰা হৈছে । বন্ধকী বিমোচনৰ দৰে, এইটোও সচৰাচৰ এটা হ্ৰাসমান ম্যাদী বীমা । ঋণ-প্ৰতিষ্ঠানবোৰক এই আঁচনি তেঁওলোকৰ পৰা ধাৰ লোৱা লোকসকলৰ জীবনক সুৰক্ষা দিয়াৰ উদ্দেশ্যে সমূহীয়া বীমা হিচাবে বিক্ৰী কৰাৰ প্ৰচলন অধিক । এই বীমা মটৰ-গাড়ী আৰু আন্যান্য ব্যক্তিগত ঋণৰ ক্ষেত্ৰতো উপলব্ধ । যদি বীমাকৃত ঋণগ্ৰহীতাৰ পলিচিৰ ম্যাদৰ ভিতৰত মৃত্যু হয়, তেন্তে এই পলিচিৰ অন্তৰ্গত সুবিধাসমূহ প্ৰায়েই ঋণদাতা বা পাওনাদাৰসকলক পোনপটীয়াকৈ দিয়া হয় ।

ii. বৰ্দ্ধমান ম্যাদী বীমা

নামটোৱে আভাস দিয়া মতে, এই আঁচনিখনত মৃত্যুৰ ক্ষেত্ৰত আগ বঢ়োৱা সুবিধাখিনি ম্যাদৰ লগে লগে বাঢ়ি যায় । পলিচিৰ গোটেই ম্যাদ জুৰি এটা নিৰ্দ্দিষ্ট সময়ান্তৰত, এটা নিৰ্দ্ধাৰিত পৰিমাণ বা ঘোষিত শতাংশ হিচাবে ধনৰাশিটো বাঢ়ি গৈ থাকে । অন্যথা, জীবযাত্ৰাৰ ব্যয়বৃদ্ধিৰ সূচ্যাংকানুসাৰে অভিহিত অংকটো বাঢ়িব পাৰে । সুৰক্ষাৰ পৰিমাণ বাঢ়ি যোৱাৰ লগে লগে প্ৰিমিয়ামৰ হাৰটোও সাধাৰণতে বাঢ়ি যায় ।

iii. প্ৰিমিয়াম প্ৰত্যৰ্পণৰ সৈতে ম্যাদী বীমা

ভাৰতবৰ্ষত খুবেই জনপ্ৰিয় আন এবিধ পলিচি হৈছে প্ৰিমিয়াম প্ৰত্যৰ্পণৰ সৈতে ম্যাদী বীমা । এই আঁচনিখনে পলিচিধাৰকৰ মনত এই সন্তুষ্টি বিধান কৰে যে ম্যাদ পাৰ হৈ গলেও তেঁও একো হেৰুৱাব লগা নহব ।স্বাভাৱিকতে এই পলিচিৰ প্ৰিমিয়ামৰ হাৰ প্ৰত্যৰ্পণৰ সুবিধা নথকা একে ধৰণৰ আন ম্যাদী বীমাৰ হাৰতকৈ বেছি হয় ।

h) প্ৰাসঙ্গিক পৰিপ্ৰেক্ষিত

নিম্নলিখিত পৰিস্থিতিবোৰত ম্যাদী বীমা খুবেই প্ৰাসঙ্গিক বুলি প্ৰতীয়মান হয়:

i. যিক্ষেত্ৰত বীমা-সুৰক্ষাৰ প্ৰয়োজনটো সম্পূৰ্ণ সাময়িক, যেনে বন্ধকী বিমোচন বা কোনো লাভকল্পি বিনিয়োগৰ সুৰক্ষাৰ বাবে

ii. এটা সঞ্চয়মুখী আঁচনিৰ অতিৰিক্ত সহায় হিচাবে, উদাহৰণস্বৰূপে, যুৱাবয়সৰ পিতৃ বা মাতৃয়ে তেঁওৰ ওপৰত নিৰ্ভৰকৰোঁতাসকল ডাঙৰ হ'বলৈ ধৰা বছৰকেইটাত অতিৰিক্ত সুৰক্ষাৰ ব্যৱস্থা কৰাৰ বাবে হ্ৰাসমান ম্যাদী বীমা ক্ৰয় কৰা ।এটা স্থায়ী আঁচনি কিনাৰ সামৰ্থ্য এজনৰ নাথাকিলে, ৰূপান্তৰযোগ্য ম্যাদী বীমা কিনাৰ পৰামৰ্শ তেঁওক দিব পৰা যায় ।

iii. ''ম্যাদী কিনক আৰু বাকীখিনি বিনিয়োগ কৰক'' - এই জীৱন-বোধৰ অংশ হিচাবে ক্ৰেতাই যেতিয়া বীমা কোম্পানীৰ পৰা কেৱল কম মূল্যৰ ম্যাদী বীমা সুৰক্ষা কিনি ইয়াৰ ফলস্বৰূপে প্ৰিমিয়ামৰ পাৰ্থক্যখিনি কোনো অধিক আকৰ্ষণীয় বিনিয়োগ-বিকল্পত বিনিয়োগ কৰিব খোজে ।এনেক্ষেত্ৰত অৱশ্যে পলিচিধাৰকে এই বিনিয়োগৰ বিপদাশংকা বহন কৰিব লাগিব ।

i) বিবেচনাযোগ্য মূল্য বা প্ৰতিদান

মুঠতে ম্যাদী বীমা আঁচনিবোৰৰ মূল্যটোৱেই হ'ল প্ৰতিযোগিতামূলক সুবিধাৰ মৌলিক বুনিয়াদ । এইটো বিশেষভাৱে বুজা যায় বাৰ্ষিক পুনৰনৱীকৰণযোগ্য ম্যাদী পলিচিৰ ক্ষেত্ৰত, যিটো ইয়াৰ অনুৰূপ সুষম প্ৰিমিয়ামৰ পলিচিতকৈ সস্তা ।

কিন্তু এই এবছৰীয়া ম্যাদী বীমাৰ সমস্যাটো হৈছে যে বয়সৰ লগতে ইয়াৰ মৰণশীলতাৰ ব্যয়ো বৃদ্ধি হয় । সেয়েহে এইবোৰ কেৱল তেঁওলোকৰ বাবেই আকৰ্ষণীয় যিসকলৰ বীমা-পৰিকল্পনাৰ সময় পৰিসৰ হ্ৰস্ব ।

গুৰুত্বপূৰ্ণ

ম্যাদী আঁচনিবোৰৰ সীমাবদ্ধতা

একে সময়তে ম্যাদী বীমা আঁচনিবোৰৰ সীমাবদ্ধতাৰ বিষয়ে অৱগত হোৱাটোও আৱশ্যক ।মূল সমস্যাটো হয় যেতিয়া বীমা সুৰক্ষা গ্ৰহণ কৰাৰ উদ্দেশ্যটো অধিক স্থায়ী হয় আৰু জীৱন বীমাৰ সুৰক্ষাৰ আৱশ্যকীয়তাটো পলিচিৰ সময়সীমাক অতিক্ৰম কৰি যায় ।পলিচিৰ ম্যাদ ওকলাৰ পিছত পলিচিৰ গৰাকীজন বীমা-অযোগ্য হ'ব পাৰে আৰু সেয়েহে, ধৰা যাওক 60 বা 70 বছৰ বয়সত তেঁও নতুন পলিচি ল'ব নোৱাৰে । মাৰাত্মক ব্যাধিৰ বাবে হ'ব পৰা খহনীয়াৰ বিপৰীতে নিজৰ সম্পত্তি সংৰক্ষণৰ নাইবা বংশধৰৰ বাবে এৰি যোৱাৰ উদ্দেশ্যে ব্যক্তি এজনে অধিক স্থায়ী আঁচনি এখন বিচাৰিব পাৰে । ম্যাদী বীমা এই ধৰণৰ পৰিস্থিতিৰ বাবে উপযুক্ত নহবও পাৰে ।

2. আজীবন বীমা (হ'ল লাইফ ইনশ্বিউৰেন্স)

যিক্ষেত্ৰত ম্যাদী বীমা পলিচিবোৰ হৈছে সাময়িক বীমাৰ উদাহৰণ, য'ত বীমা সুৰক্ষা এটা সাময়িক সময়ৰ বাবে উপলব্ধ, আজীবন বীমা হ'ল স্থায়ী জীবন বীমা পলিচিৰ এক নিদৰ্শন । আন কথাত ইয়াত বীমা-সুৰক্ষা প্ৰদানৰ কোনো নিৰ্দ্দিষ্ট সময় সীমা নাথাকে, কিন্তু বীমাকৃতৰ মৃত্যু হ'লে বীমাকাৰকে মৃত্যুৰ ক্ষেত্ৰত অঙ্গীকাৰকৃত সুবিধা প্ৰদান কৰে, বীমাকৃতৰ মৃত্যু যেতিয়াই নহওক কিয় । এজনৰ সমগ্ৰ জীৱন জুৰি প্ৰিমিয়াম পৰিশোধ কৰিব পৰা যায় নাইবা এটা নিৰ্দ্দিষ্ট সময়ৰ বাবে ইয়াক সীমিত কৰা যায়, যিটো তেঁওৰ জীৱনকালতকৈ কম ।

আজীবন বীমাৰ প্ৰিমিয়াম ম্যাদী বীমাৰ প্ৰিমিয়ামতকৈ বহুত বেছি হয় কিয়নো বীমাকৃত ব্যক্তিজনৰ মৃত্যু নোহোৱালৈকে আজীবন বীমা বলবৎ থাকে, অৰ্থাৎ মৃত্যুৰ বিপৰীতে লভ্য সুবিধাটো সকলো সময়তে উপলব্ধ হয় । ম্যাদী বীমাৰ বাবে লাগতিয়াল খৰছটো প্ৰিমিয়ামৰ পৰা উলিয়াই লোৱাৰ পিছত বাকী পইচাখিনি বীমাকোম্পানীয়ে পলিচিধাৰকৰ হৈ বিনিয়োগ কৰে । ইয়াক নগদ-মূল্য বুলি কোৱা হয় । জৰুৰী প্ৰয়োজনৰ সময়ত এজনে ঋণ হিচাবে পলিচিৰ পৰা নগদ অৰ্থ উলিয়াই ল'ব পাৰে বা পলিচি সমৰ্পণৰ বিনিময়ত মগদ মূল্য ঘুৰাই পাব পাৰে ।

এনে ক্ষেত্ৰত, পলিচিধাৰকৰ মৃত্যু হ'লে পলিচিৰ বকেয়া ঋণ আৰু ইয়াৰ সুত প্ৰদেয় বীমাৰাশিৰ পৰা কাটি লৈ মনোনীত হিতাধিকাৰীসকলক দিয়া হয় ।

যিসকল ব্যক্তি পৰিয়ালৰ মূল উপাৰ্জনকাৰী আৰু নিজৰ আগতীয়া মৃত্যুৰ বাবে উদ্ভূত হ'ব পৰা আৰ্থিক নিৰাপত্তাহীনতাৰ বিপক্ষে তেঁওৰ প্ৰিয়জনক সুৰক্ষা দিব বিচাৰে, তেঁওলোকৰ কাৰণে এটা আজীবন বীমা বৰ উপযোগী । এটা আজীবন বীমাৰ উচ্চ হাৰৰ প্ৰিমিয়াম সংগতিপূৰ্ণ আৰু দীৰ্ঘম্যাদী ভিত্তিত পৰিশোধ কৰাৰ সামৰ্থ্য এই ব্যক্তিসকলৰ থাকিব লাগিব আৰু এনে

এটা বীমা পলিচি তেঁওলোকৰ কাম্য হ'ব লাগিব যিটোৱে সময় নিৰ্বিশেষে মৃত্যুৰ ক্ষেত্ৰত উপলব্ধ সুবিধা প্ৰদান কৰাৰ লগতে প্ৰয়োজন সাপেক্ষে আজীবন বীমা পলিচিৰ নগদ-মূল্যখিনি অৱসৰকালীন প্ৰয়োজনাৰ্থে ব্যৱহাৰ কৰাৰ সক্ষমতা দিব ।

ঘৰুৱা সঞ্চয় আৰু পৰৱৰ্তী প্ৰজন্মলৈ হস্তান্তৰণৰ বাবে সম্পত্তি সৃষ্টি কৰাৰ ক্ষেত্ৰত এটা আজীবন বীমাই গুৰুত্বপূৰ্ণ ভূমিকা লয় । যি তাৎপৰ্য্যময় অভিপ্ৰায়টোৱে ইয়াক ক্ৰয় কৰাৰ সিদ্ধান্তক প্ৰভাৱিত কৰে, সেইটো হৈছে ভৱিষ্যৎ বংশধৰসকলৰ বাবে ধন-সম্পত্তিৰ এক উত্তৰাধিকাৰ এৰি থৈ যোৱাৰ আকাঙ্খা ।ল'ৰা-ছোৱালী থকা পৰিয়ালবোৰৰ মাজত জীবন বীমা পলিচিৰ মালিকানাৰ উচ্চতৰ হাৰ আৰু পৰিয়ালৰ প্ৰতি থকা উচ্চ শ্ৰদ্ধাপুৰ্ণ মনোভাৱে এই অভিপ্ৰায়টোক অধিক মাত্ৰাত নিশ্চিত কৰে ।

3. বন্দৱস্তি বীমা (এনডাউমেণ্ট এশ্বিউৰেন্স)

এটা বন্দৱস্তি বীমা চুক্তি প্ৰকৃততে দুটা আঁচনিৰ সমন্বয়:

- ✓ এটা ম্যাদী বীমা আঁচনি, যিটোৱে ম্যাদৰ ভিতৰত বীমাকৃতৰ মৃত্যু হ'লে সম্পুৰ্ণ আশ্বাসিত বীমাৰাশি প্ৰদান কৰে
- ✓ এটা বিশুদ্ধ বন্দৱস্তি আঁচনি, যিটোৱে ম্যাদৰ অন্তলৈকে বীমাকৃত জীৱিত থাকিলে এই ৰাশিটো প্ৰদান কৰে

এইদৰে এই পণ্যটোৰ মৃত্যু আৰু জীৱিতাৱস্থাৰ সুবিধাৰ দুটা উপাংশই আছে । অৰ্থনৈতিক দৃষ্টিকোনৰ পৰা চালে এই চুক্তিটো হ্ৰাসমান ম্যাদী বীমা আৰু বৰ্দ্ধমান বিনিয়োগ উপাদানৰ এক অনুবন্ধন । পলিচিৰ ম্যাদ যিমানে চুটি হ'ব, বিনিয়োগ উপাদান সিমানে বেছি হ'ব ।

ম্যাদ আৰু বিনিয়োগ উপাদানৰ মিশ্ৰণ আজীবন বীমা আৰু অন্য নগদ মূল্যৰ চুক্তিতো বিদ্যমান থাকে ।কিন্তু এই সমন্বয়টো বন্দৱস্তি বীমা চুক্তিৰ ক্ষেত্ৰত আৰু অধিক সুস্পষ্ট । ফলস্বৰূপে বন্দৱস্তি বীমাটো এটা নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত নিশ্চিত পৰিমাণৰ ধনৰাশি পুঞ্জীভূত কৰাৰ সফল মাধ্যম হৈ পৰিছে ।

প্ৰাথমিক ভাৱে বন্দৱস্তি হ'ল এক সঞ্চয় আঁচনি, যাক অকাল মৃত্যুৰ অনিশ্চয়তাৰ বিপৰীতে বীমা-ব্যৱস্থাৰ দ্বাৰা সুৰক্ষিত কৰা হয় । ইয়াৰ প্ৰতি গ্ৰাহকৰ আকৰ্ষণৰ ভেটিটো হ'ল এজনৰ সঞ্চয় কাৰ্য্যক্ৰমৰ লগত বীমাক সংযোজিত কৰি তেঁওৰ ব্যক্তিগত বিত্তীয় পৰিকল্পনাবোৰক নিশ্চয়তা দিয়াৰ আহিলা । বন্দৱস্তি বীমাই সঞ্চয় পুঞ্জীভৱনৰ এক নিৰাপদ আৰু বাধ্যতামূলক পদ্ধতিৰ সুবিধা আগ বঢ়ায় । এহাতে বিচক্ষন বিনিয়োগ আৰু সম্পদ-দায়বদ্ধতাৰ সতৰ্ক তত্ত্বাৱধানে নিৰাপত্তা দিয়ে, আনহাতে প্ৰিমিয়ামৰ অৰ্দ্ধ-বাধ্যতামূলক বৈশিষ্ট্যই সঞ্চয়ৰ বাবে প্ৰেৰণা যোগায় ।

বৃদ্ধাৱস্থাৰ সংস্থান বা 15 বছৰ পিছত এটা শিক্ষা পুঁজি হাতত থকা অথবা ছোৱালীৰ বিয়াৰ খৰছ চম্ভালাৰ বাবে পুঁজি এটা গঠনৰ লেখিয়া নিৰ্দ্দিষ্ট উদ্দেশ্য সাধনৰ নিৰ্ভৰযোগ্য পদ্ধতি হিচাবে মানুহে বন্দৱস্তি আঁচনি ক্ৰয় কৰে ।এইবোৰ লক্ষ্যক লঘুভাৱে লোৱা নাযায় । নিশ্চয়তাৰ সৈতে এই লক্ষ্যবোৰ পুৰণ কৰিব লাগে। এই আঁচনিবোৰক বন্ধকী (গৃহ) ঋণ পৰিশোধ কৰাৰ আদৰ্শ উপায় হিচাবেও ব্যৱহাৰ কৰিব পাৰি । মৃত্যুৰ ক্ষেত্ৰত পৰিশোধৰ অনিশ্চয়তাৰ পৰা কেৱল ঋণটোৱেই সুৰক্ষিত হৈ নাথাকে, বন্দৱস্তি বীমাৰ পৰা সংগৃহীত ধনৰ পৰিমাণটো ঋণৰ গোটেইখিনি মূল ৰাশি আদায় দিয়াৰ বাবে যথেষ্ট হ'ব পাৰে ।

পলিচিটোক মিতব্যয়ী সঞ্চয়ৰ এটা সাধনোপায় হিচাবেও প্ৰতিষ্ঠা কৰা হৈছে । যেতিয়া এজনে তেঁওৰ প্ৰতি মাহ / তিনিমাহ / বছৰৰ উদ্বৃত্ত আয় একাষৰীয়াকৈ থৈ ভৱিষ্যতৰ বাবে আবদ্ধ কৰি ৰাখিবলৈ উপায় বিচাৰে, তেনে ক্ষেত্ৰত বন্দৱস্তি বীমা এটা প্ৰচেষ্টাযোগ্য আঁচনি হিচাবে গ্ৰহণীয় হ'ব পাৰে ।

প্ৰিমিয়ামৰ ওপৰত কৰ-ৰেহাইৰ সুবিধা থকা বাবে আঁচনিখন অধিক আকৰ্ষণীয় হৈছে ।

ভাৰতীয় পৰিপ্ৰেক্ষিতত আৰু এটা প্ৰয়াস হ'ল বিবাহিতা মহিলাসকলৰ সম্পত্তি আইনৰ (মেৰিড উইমেনচ্ প্ৰপাৰ্টি এক্ট) অধীনত গঠিত ন্যাসত (ট্ৰাষ্ট) পলিচিটো স্থাপন কৰাৰ সুবিধা ।এই ক্ষেত্ৰত ধনৰাশি কেৱল পলিচিৰ

হিতাধিকাৰীসকলক দিয়া হয় আৰু এইদৰে বীমাকৃতজনৰ সম্পত্তিৰ ওপৰত সকলো পাওনাদাৰৰ দাবীৰ বিপৰীতে তেঁওলোক সুৰক্ষিত থাকে ।

55ৰ পৰা 65 বছৰ বয়সৰ ভিতৰত বহুতো বন্দৱস্তি পলিচিৰ ম্যাদপূৰ্তি হয়, যি সময়ছোৱাত বীমাকৃতই তেঁওৰ অৱসৰ-পৰিকল্পনা কৰে । এই ধৰণৰ পলিচি তেঁওৰ অৱসৰৰ সঞ্চয়ৰ অন্য উৎসবোৰৰ পৰিপূৰক হিচাবে কামত আহিব পাৰে ।

a) ৰূপভেদ

বন্দৱস্তি বীমাৰ অপৰ কিছুমান ৰূপ আছে যিবোৰ তলত আলোচনা কৰা হ'ল ।

i. মানি বেক আঁচনি

ভাৰতত বন্দৰস্তি আঁচনিৰ জনপ্ৰিয় আন এটা ৰূপ হৈছে মানি বেক পলিচি ।প্ৰৰূপীভাৱে এইটো হ'ল, পলিচিৰ ম্যাদৰ ভিতৰতে নিৰ্দ্দিষ্ট বিৰতিৰ ব্যৱধানত আশ্বাসিত বীমাৰাশিৰ এটা অংশ কিস্তি হিচাবে ঘুৰাই দিয়াৰ আৰু ম্যাদপূৰ্তিত আশ্বাসিত বীমাৰাশিৰ অৱশিষ্ট অংশ প্ৰদান কৰাৰ সুবিধা থকা এক বন্দৰস্তি আঁচনি ।

উদাহৰণ

এটা 20 বছৰ ম্যাদৰ মানি বেক পলিচিত 5, 10 আৰু 15 বছৰৰ শেষত বিদ্যমানতাৰ সুবিধা (ছাৰভাইভেল বেনিফিট) হিচাবে আশ্বাসিত বীমাৰাশিৰ 20 শতাংশকৈ ঘুৰাই দিয়াৰ আৰু 20 বছৰৰ পুৰ্ণ ম্যাদৰ শেষত বাকী থকা 40 শতাংশ পৰিশোধ কৰাৰ ব্যৱস্থা আছে ।

ধৰা যাওক 18 বছৰ পাৰ হোৱাৰ পিছত যদি বীমাধাৰকৰ মৃত্যু হয়, তেন্তে বীমাকাৰকে ইতিমধ্যে পৰিশোধ কৰা অভিহিত অংকৰ 60 শতাংশৰ সুবিধাখিনি হিচাবত নধৰি সম্পূৰ্ণ আশ্বাসিত বীমাৰাশিটো সংলগ্ন বোনাচৰ সৈতে প্ৰদান কৰা হয় ।

এই আঁচনিবোৰ অতিকৈ জনপ্ৰিয় হৈ পৰিছে কিয়নো নগদ ধনলৈ ৰূপান্তৰযোগ্যতাৰ (কেশ্ব বেক) উপাদান থকা হেতুকে এইবোৰ চমু আৰু মধ্যমীয়া ম্যাদৰ প্ৰয়োজন চম্ভালিব পৰা আহিলাত পৰিণত হৈছে । লগতে পলিচিৰ ম্যাদৰ ভিতৰত যিকোনো সময়ত বীমাকৃত ব্যক্তিজনৰ মৃত্যু ঘটিলে সম্পূৰ্ণ মৃত্যু-সুৰক্ষা প্ৰদানৰ ব্যৱস্থাও আছে ।

ii. সম মান (পাৰ) আৰু অ-সম মানৰ (নন-পাৰ) আঁচনি

''সম মান'' শব্দটোৱে বীমাকাৰকৰ লাভত অংশ গ্ৰহণ কৰা পলিচিবোৰক বুজায় । আনহাতে ''অ-সম মান''ৰ পলিচিবোৰে বীমাকাৰকৰ লাভত অংশ গ্ৰহণ নকৰে । পৰম্পৰাগত জীবন বীমাত এই দুবিধেই উপলব্ধ ।

সকলো পৰম্পৰাগত আঁচনিৰ ক্ষেত্ৰত, পলিচিধাৰকসকলৰ প্ৰিমিয়ামৰ পৰা সংগৃহীত ধনৰাশি একত্ৰীকৃত কৰি গঠন কৰা উমৈহতীয়া জীবন-পুঁজিটো এটা কটকটীয়া নিয়ন্ত্ৰক তত্বাৱধানত নিৰ্দ্ধাৰিত মান অনুসৰি বিনিয়োগ কৰা হয় আৰু ''লাভ সহিত'' (উইথ প্ৰফিট) বুলি জনাজাত পলিচিবোৰৰ অধীনত পলিচিধাৰকসকলক বৃদ্ধিৰ এক অংশৰ নিশ্চয়তা নতুবা বীমাকাৰকে উৎপাদন কৰা ৰাহিৰ এটা ভাগ দিয়াৰ ব্যৱস্থা কৰা হয় ।

লাভত অংশ গ্ৰহণ নকৰা পণ্যবোৰক সংযোজিত (লিংকড্) বা অসংযোজিত (নন-লিংকড্) ভিত্তিত আগ বঢ়োৱা হয় ।এই অধ্যায়টোত অসংযোজিত পলিচিবোৰক লৈ আলোচনা কৰা হ'ব । সাধাৰণতে লাভ-ৰহিত (উইদাউট প্ৰফিট) পলিচিৰ সুবিধাবোৰ চুক্তি কৰাৰ সময়তে নিৰ্দ্দিষ্ট আৰু নিশ্চিত হৈ যায় । পলিচিধাৰকে কেৱল এই সুবিধাখিনিয়েই পায়, তাতকৈ বেছি একো নাপায় ।

উদাহৰণ

এজনে 20 বছৰ ম্যাদৰ এখন বন্দৰস্তি পলিচি ল'ব পাৰে যিখনে ম্যাদৰ প্ৰতি বছৰৰ বাবে আশ্বাসিত বীমাৰাশিৰ 2 শতাংশ সংযোজন কৰাৰ গেৰাণ্টী দিয়ে যাৰ ফলত ম্যাদপূৰ্তিৰ সময়ত মুঠ সুবিধা বা ধনৰাশি হ'ব আশ্বাসিত বীমাৰাশি + আশ্বাসিত বীমাৰাশিৰ 40 শতাংশ সংযোজন ।

আই আৰ ডি এৰ নতুন নীতিগত নিৰ্দ্দেশাৱলী অনুযায়ী, অ-সম মানৰ পলিচিবোৰৰ ক্ষেত্ৰত কোনো নিৰ্দ্দিষ্ট ঘটনা সংঘটনৰ বিপৰীতে প্ৰদেয় সুবিধাখিনি সূচনাতেই স্পষ্টভাৱে উল্লেখ কৰিব লাগিব আৰু কোনো ধৰণৰ সূচ্যাংক বা তলচিহ্নৰ (বেঞ্চ মাৰ্ক) লগত সংযোজন কৰা নাযাব ।

একেদৰে, পলিচিৰ ম্যাদৰ ভিতৰত নিয়মিত বিৰতিত স্বাভাৱিক প্ৰক্ৰিয়াত যদি কিবা অতিৰিক্ত সুবিধা লাভ হয়, সেইবোৰকো সূচনাতেই স্পষ্ট কৰি দিব লাগিব আৰু কোনো সূচ্যাংক বা তলচিহ্নৰ সৈতে সংযুক্ত কৰিব পৰা নাযাব ।আনকথাত ইয়াৰ অৰ্থ হৈছে যে পলিচিৰ পৰা পাবলগীয়া লাভৰ পৰিমাণ পলিচিৰ আৰম্ভণিতেই প্ৰকাশ কৰিব লাগিব ।পলিচিধাৰকে তেতিয়া প্ৰকৃত লাভ হিচাব কৰি অন্য সাধন-মাৰ্গৰ লগত তুলনা কৰি পলিচিৰ দৰৰ মূল্যায়ন কৰিব পাৰিব ।

iii. লাভত অংশ গ্ৰহণকাৰী (সম মান) বা লাভ সহিত পলিচি

লাভ-ৰহিত বা নিশ্চয়তাযুক্ত আঁচনিৰ বিপৰীতে, এই আঁচনিবোৰৰ লাভত অংশ গ্ৰহণ কৰাৰ ব্যৱস্থা আছে । লাভ সহিত পলিচিৰ প্ৰিমিয়াম আন পলিচিতকৈ উচ্চ । লাভখিনি বোনাচ বা লভ্যাংশ (ডিভিডেণ্ড) ৰূপত দিয়া হয় । বোনাচবোৰক সাধাৰণতে প্ৰত্যাৱৰ্তনীয় (ৰিভাৰ্চ'নাৰী) বোনাচ হিচাবে দিয়া হয় । সচৰাচৰ এইবোৰক আশ্বাসিত বীমাৰাশিৰ এক অনুপাত হিচাবে ঘোষণা কৰা হয় (যেনে, 70 টকা প্ৰতি হেজাৰ আশ্বাসিত বীমাৰাশিত) । এইবোৰ প্ৰত্যাৱৰ্তনীয় ভিত্তিত (পলিচিৰ ম্যাদৰ অন্তত অৰ্থাৎ ম্যাদপূৰ্তিত বা মৃত্যুৰ ক্ষেত্ৰত আৰু পলিচি সমৰ্পণকালীন) অতিৰিক্ত সুবিধা হিচাবত প্ৰদেয় হয় ।

প্ৰত্যাৱৰ্তনীয় বোনাচৰ, যি এবাৰ সংলগ্ন হোৱাৰ পিছত গেৰাণ্টীযুক্ত হৈ যায়, ওপৰিও বীমাকাৰকে আৱসান (টাৰ্মিনেল) বোনাচও ঘোষণা কৰিব পাৰে ।এইবোৰ জীবন বীমাকাৰকৰ হঠাতে হ'ব পৰা সম্ভাব্য লাভৰ ওপৰত নিৰ্ভৰ কৰে আৰু সেয়েহে গেৰাণ্টীযুক্ত নহয় ।

বৃটিশ্ যুক্তৰাজ্যৰ পুঁজিবজাৰত বিনিয়োগৰ জৰিয়তে এক বৃহৎ অংকৰ অভাৱনীয় লাভ, অংশ গ্ৰহণকাৰী পলিচিধাৰক সকলৰ লগত ভগাই লোৱাৰ উপায় হিচাবে আৱসান বোনাচৰ উদ্ভৱ হৈছিল । আৱসান বোনাচৰ ধাৰণাটো ভাৰতকে ধৰি আন বহুতো উন্নয়নশীল বিত্তীয় বজাৰে গ্ৰহণ কৰিছে ।

তথ্য

লাভত অংশ গ্ৰহণৰ লভ্যাংশ পদ্ধতি

আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে আন কিছুমান বজাৰ আছে য'ত লাভক লভ্যাংশৰ ৰূপত বিতৰণ কৰা হয় । দুটা পদ্ধতিত লভ্যাংশক হিচাবভূক্ত কৰা হয় ।

i. প্ৰথাগত পদ্ধতিটো হৈছে ''পৰ্টফ'লিঅ পদ্ধতি'' । ইয়াত কোম্পানীৰ নিয়ন্ত্ৰণত থকা পৰ্টফ'লিঅটোৰ মুঠ বিনিয়োগ-লাভ নিৰ্দ্ধাৰণ কৰা হয় আৰু পলিচিধাৰকসকলে পাব লগা বিভাজ্য ৰাহিৰ অংশটো তেঁওলোকৰ নিজা নিজা হিচাবত অন্তৰ্ভূক্ত হৈ যায় । আগৰ বছৰকেইটাত কোম্পানীত বিনিযুক্ত ধনৰ ওপৰত অৰ্জিত লাভৰ হাৰ আৰু অতি সম্প্ৰতি জমা হোৱা অৰ্থই অৰ্জা হাৰৰ মাজত প্ৰভেদ কৰাৰ কোনো প্ৰচেষ্টা ইয়াত লোৱা নহয় ।পৰ্টফ'লিঅ পদ্ধতিটোৱে এনেদৰে বিভিন্ন লাভৰ হাৰক সুষমভাৱে মিশ্ৰণ কৰে আৰু কালক্ৰমে ইয়াক সুস্থিৰ কৰি তোলে । এই ক্ষেত্ৰত বিপদাশংকাৰ উমৈহতীয়া পুঞ্জীকৰণৰ নীতি প্ৰয়োগ কৰা হয়, আৰু ই একমানবিশিষ্ট প্ৰত্যাৱৰ্তনীয় বোনাচৰ ব্যৱস্থাৰ অনুৰূপ বুলি ক'ব পাৰি ।

ii. দ্বিতীয় ধৰণটো হৈছে ''চলিত ধনৰ পদ্ধতি'' । ইয়াত কেতিয়া বিনিয়োগটো কৰা হৈছিল আৰু তেতিয়া কি হাৰ পোৱা গৈছিল তাৰ ওপৰত লাভটো নিৰ্ভৰ কৰে ।ইয়াক খণ্ডিত বা ''বিনিয়োগ খণ্ড পদ্ধতি'' বুলিও কোৱা হয় কিয়নো বিভিন্ন বিনিয়োগ খণ্ডই ভিন্ন ভিন্ন লাভৰ হাৰ অৰ্জন কৰে।

এনেদৰে, পৰম্পৰাগত লাভ সহিত (অংশ গ্ৰহণকাৰী) পলিচিৰ কিছুপৰিমাণে জীবন-কাৰ্য্যালয়ৰ বিনিয়োগ ফলাফলৰ লগত সংযোগ থাকে, যদিও এই সংযোগ পোনপটীয়া নহয় । পলিচিধাৰকে বোনাচৰ ৰূপত যিটো লাভ কৰে সেইটো নিৰ্ভৰ কৰে পুঁজিৰ সম্পদ আৰু দায়বদ্ধতাৰ নিয়মিত সময়ান্তৰৰ (সাধাৰণতে বাৰ্ষিক) মূল্যাঙ্কনৰ ওপৰত ।

মূল্যাঙ্কনত ঘোষিত ৰাহি নিৰ্ভৰ কৰে কিছুমান পূৰ্বানুমান আৰু মূল্যাঙ্কন-গাণনিকে (একচুৱেৰী) বিবেচনাভূক্ত কৰা কেইটামান উপাদানৰ ওপৰত । আনকি ৰাহি ঘোষিত হোৱাৰ পিছতো পলিচিধাৰকসকলৰ মাজত ইয়াৰ আবণ্টন নিৰ্ভৰ কৰে কোম্পানীৰ পৰিচালক-পক্ষৰ সিদ্ধান্তৰ ওপৰত । এইবোৰ কাৰণতেই পলিচিত বোনাচ সংযোজনটো এক নিৰাপদ আৰু দূৰৱৰ্তী পন্থাৰ জৰিয়তে বিনিয়োগ-ফলাফলৰ সৈতে সম্পৰ্কিত হয় ।

এই পদ্ধতিটোৰ অন্তৰ্নিহিত মৌলিক যুক্তিটো হ'ল কালক্ৰমত বিনিয়োগ-আয়ৰ মসৃণ পৰিশোধ । এইটো সঁচা যে আৱসান বা চক্ৰবৃদ্ধি (ক'মপাউণ্ড) বোনাচে পলিচিধাৰক সকলক ইকুটি-বিনিয়োগৰ সুবিধা অধিক পৰিমাণে উপভোগ কৰিবলৈ সক্ষম কৰিছে, কিন্তু তৎসত্ত্বেও এই বোনাচবোৰ ঘোষনাকাৰী বীমা কাৰ্য্যালয়ৰ ইচ্ছাধীন ।

শেষত, এটা মূল্যাঙ্কনৰ অধীনত বোনাচ সাধাৰনতে বছৰত এবাৰ ঘোষণা কৰা হয় ।স্পষ্টত এইবোৰে সম্পদৰ মূল্যৰ দৈনিক উঠা-নমাটো প্ৰতিফলিত কৰিব নোৱাৰে ।

পৰম্পৰাগত লাভ সহিত আঁচনিবোৰে পণ্যৰ এটা শ্ৰেণীৰ প্ৰতিনিধিত্ব কৰে, য'ত প্ৰদেয় সুবিধা (আশ্বাসিত বীমাৰাশি আৰু বোনাচ) আৰু প্ৰিমিয়াম সমন্বিতে পণ্য বা আঁচনিৰ সম্পূৰ্ণ গাঁথনিটোৰ বিষয়ে জীবন বীমা কোম্পানীয়েই সিদ্ধান্ত লয় । আনকি যেতিয়া জীবন বীমা কোম্পানীয়ে বিনিয়োগ বজাৰৰ পৰা উচ্চ হাৰত লাভ অৰ্জন কৰে, তথাপিও এইটো নহয় যে বোনাচ বা লভ্যাংশক পোনপটীয়াকৈ এই লাভৰ লগত সংযোজিত কৰা হ'ব ।

পলিচিধাৰক বা বীমাকৃতজনৰ বাবে এটা গুৰুত্বপূৰ্ণ সুবিধা হ'ল যে বিনিয়োগৰ নিশ্চয়তাই এই আঁচনিবোৰক সেইবোৰ প্ৰয়োজন চম্ভালিব পৰা উপযুক্ত সঁজুলি এটাত পৰিণত কৰিছে, যিবোৰৰ বাবে এটা নিৰ্দ্দিষ্ট নিয়োজিত পুঁজিৰ আৱশ্যক হয় । এইবোৰে এজনৰ ব্যক্তিগত বিনিয়োগ পৰ্টফ'লিঅৰ সামগ্ৰিক পৰ্টফ'লিঅ-বিপদাশংকা কমোৱাত সহায় কৰে ।

গুৰুত্বপূৰ্ণ

পৰম্পৰাগত পণ্যৰ বাবে আই আৰ ডি এৰ নতুন নীতিগত নিৰ্দ্দেশাৱলী

এই নিৰ্দ্দেশাৱলী অনুসৰি পৰম্পৰাগত আঁচনিসমূহৰ পণ্য অভিকল্পনা প্ৰায় একে থাকিব ।

a) নতুন পৰম্পৰাগত পণ্যবোৰৰ মৃত্যু সুৰক্ষা-আৱৰণ উচ্চতৰ হ'ব ।

   i. একক প্ৰিমিয়ামৰ পলিচিৰ ক্ষেত্ৰত 45 বছৰ বয়সৰ তলৰ ব্যক্তিৰ বাবে মৃত্যু সুৰক্ষাৰ পৰিমাণ হ'ব একক প্ৰিমিয়ামৰ 125% আৰু 45 বছৰৰ ওপৰৰ ব্যক্তিৰ বাবে একক প্ৰিমিয়ামৰ 110% ।

   ii. নিয়মিত প্ৰিমিয়ামৰ পলিচিৰ ক্ষেত্ৰত 45 বছৰৰ তলৰখিনিৰ বাবে সুৰক্ষা-আৱৰণ হ'ব গোটেই বছৰত দিব লগা (এনুৱেলাইজড্) মুঠ প্ৰিমিয়ামৰ 10 গুণ আৰু অন্যান্য সকলৰ বাবে 7 গুণ ।

b) পৰম্পৰাগত আঁচনিৰ ক্ষেত্ৰত ন্যূনতম মৃত্যু সুবিধা হ'ল অন্ততঃ আশ্বাসিত বীমাৰাশিৰ পৰিমাণটো আৰু অতিৰিক্ত সুবিধাবোৰ (যদি থাকে) ।

c) আশ্বাসিত বীমাৰাশিৰ ওপৰঞ্চি, পলিচিত বিশদ কৰা আৰু মৃত্যুৰ তাৰিখলৈকে লাভ কৰা বোনাচ / অতিৰিক্ত সুবিধাসমূহ আগতে দিয়া নহ'লে মৃত্যুৰ সময়ত প্ৰদেয় হ'ব ।

d) এই আঁচনিবোৰ দুটা ৰূপত, লাভ সহিত (অংশ গ্ৰহণকাৰী) আৰু লাভ ৰহিত (অংশ গ্ৰহণ নকৰা) আঁচনি হিচাবে উপলব্ধ হোৱাটো অব্যাহত থকিব ।

   i. লাভ সহিত পলিচিৰ ক্ষেত্ৰত, বোনাচটো পুঁজিৰ সাফল্যৰ লগত সংযোজিত হয় আৰু আগতীয়াকৈ ঘোষণা কৰা বা নিশ্চয়তা দিয়া নহয় । কিন্তু এবাৰ ঘোষণা হৈ যোৱাৰ পিছত এইটো এটা গেৰাণ্টীত পৰিণত হয় । এইটো সাধাৰণতে পলিচিধাৰকৰ মৃত্যুত বা ম্যাদপূৰ্তিৰ সুবিধা হিচাবে প্ৰদানযোগ্য হ'ব । এই বিধ বোনাচক প্ৰত্যাৱৰ্তনীয় বোনাচ বুলিও কোৱা হয় ।

   ii. লাভ ৰহিত পলিচিৰ ক্ষেত্ৰত, পলিচিৰ পৰা প্ৰাপ্য লাভ পলিচিৰ আৰম্ভণিতেই প্ৰব্যক্ত ।

নিজক পৰখ কৰক 2

আজীবন বীমাত পৰিশোধ কৰিবলগীয়া প্ৰিমিয়ামৰ হাৰ ম্যাদী বীমাত পৰিশোধ কৰিবলগীয়া প্ৰিমিয়ামৰ হাৰতকৈ_____হয় ।

I. বেছি

II. কম

III. সমান

IV. যথেষ্ট পৰিমানে বেছি

সাৰ সংক্ষেপ

- জীবন বীমা পণ্যবোৰে মানুহ এজনৰ উৎপাদনশীল ক্ষমতাৰ অৰ্থনৈতিক মূল্যৰ ক্ষতিৰ বিপৰীতে সুৰক্ষা আগ বঢ়ায়, যি তেঁওৰ ওপৰত নিৰ্ভৰ কৰোঁতাসকলৰ বা তেঁওৰ নিজৰ বাবে উপলব্ধ হয়।
- এটা জীবন বীমা পলিচিয়ে, সাৰগতভাৱে, মানুহজনৰ দুৰ্ভাগ্যজনক কিবা এটা ঘটিলে, তেঁওৰ নিকটতম প্ৰিয়জনৰ মানসিক শান্তিৰ ব্যৱস্থা কৰে আৰু সুৰক্ষা প্ৰদান কৰে।
- ম্যাদী বীমাই আগ বঢ়োৱা সুৰক্ষা-আৱৰণ কেৱল চুক্তি মতে নিৰ্দ্দিষ্ট ম্যাদৰ বাবেহে বৈধ হয়।
- ম্যাদী বীমাৰ স্বতন্ত্ৰতাসূচক বিশেষত্ব হ'ল ইয়াৰ ন্যূন মূল্য, যাৰ ফলত এজনে সীমিত বাজেটৰ ভিতৰত অপেক্ষাকৃত বৃহৎ পৰিমাণৰ জীবন বীমা কিনিবলৈ সক্ষম হয়।
- যিক্ষেত্ৰত ম্যাদী বীমা পলিচিবোৰ হৈছে সাময়িক বীমাৰ উদাহৰণ, য'ত বীমা সুৰক্ষা এটা সাময়িক সময়ৰ বাবে উপলব্ধ, আজীবন বীমা হ'ল স্থায়ী জীবন বীমা পলিচিৰ এক নিদৰ্শন।
- এটা বন্দৱস্তি বীমা চুক্তি প্ৰকৃততে দুটা আঁচনিৰ সমন্বয়: এটা ম্যাদী বীমা আঁচনি, যিটোৱে ম্যাদৰ ভিতৰত বীমাকৃতৰ মৃত্যু হ'লে সম্পুৰ্ণ আশ্বাসিত বীমাৰাশি প্ৰদান কৰে আৰু এটা বিশুদ্ধ বন্দৱস্তি আঁচনি, যিটোৱে ম্যাদৰ অন্তলৈকে বীমাকৃত জীৱিত থাকিলে এই ৰাশিটো প্ৰদান কৰে।

সুনিৰ্দ্দিষ্ট অৰ্থনিহিত গুৰুত্বপূৰ্ণ শব্দ

1. ম্যাদী বীমা
2. আজীবন বীমা
3. মানি বেক আঁচনি
4. সম মান আৰু অ-সম মান আঁচনি
5. প্ৰত্যাৱৰ্তনীয় বোনাচ

"নিজক পৰখ কৰক"ৰ উত্তৰ

উত্তৰ 1

সঠিক বিকল্পটো হৈছে III

জীবন বীমা হৈছে এটা স্পৰ্শনাতীত পণ্য।

উত্তৰ 2

সঠিক বিকল্পটো হৈছে I

আজীবন বীমাত পৰিশোধ কৰিব লগীয়া প্ৰিমিয়ামৰ হাৰ ম্যাদী বীমাত পৰিশোধ কৰিব লগীয়া প্ৰিমিয়ামৰ হাৰতকৈ বেছি হয়।

স্ব-পৰীক্ষণ প্ৰশ্ন

প্ৰশ্ন 1

পলিচিধাৰকৰ মৃত্যুৰ ক্ষেত্ৰত_____জীবন বীমাই তেঁওৰ বন্ধকী পৰিশোধ কৰে।

I. ম্যাদী

II. বন্ধক

III. আজীবন

IV. বন্দৱস্তি

প্ৰশ্ন 2

আপুনি আপোনাৰ জীবন বীমাৰ বাবে প্ৰিমিয়াম যিমান_____ পৰিশোধ কৰিব, আপোনাৰ মৃত্যুৰ ক্ষেত্ৰত আপোনাৰ হিতাধিকাৰীলৈ আগ বঢ়োৱা ক্ষতিপূৰণ সিমানে_____হ'ব ।

I. বেছিকৈ, বেছি

II. কমকৈ, বেছি

III. বেছিকৈ, কম

IV. ক্ষিপ্ৰতাৰে, মন্থৰ

প্ৰশ্ন 3

ম্যাদী বীমা আঁচনিৰ সন্দৰ্ভত তলৰ কোনটো বিকল্প শুদ্ধ?

I. I. ম্যাদী বীমা আঁচনিত জীবনজোৰা পুনৰনৱীকৰণৰ বিকল্প থাকে

II. সকলো ম্যাদী বীমা আঁচনিত অক্ষমতাৰ বাবে ওপৰঞ্চি সুবিধাটো অংগ-স্বৰূপে নিৰ্মিত থাকে

III. এটা স্বতন্ত্ৰ পলিচি আৰু আন পলিচিত সংলগ্ন ওপৰঞ্চি সুবিধা - এই দুই ভাৱেই ম্যাদী বীমা ক্ৰয় কৰা যায়

IV. আজীবন বীমালৈ ৰূপান্তৰিত হ'ব পৰা কোনো সুবিধা ম্যাদী বীমাত উপলব্ধ নহয়

প্ৰশ্ন 4

হ্ৰাসমান ম্যাদী বীমাৰ ক্ষেত্ৰত সময়ৰ লগত প্ৰিমিয়াম_____ ।

I. বাঢ়ি গৈ থাকে

II. কমি গৈ থাকে

III. অপৰিবৰ্তনীয় থাকে

IV. ওভতাই দিয়া হয়

প্ৰশ্ন 5

ম্যাদী পলিচিত উপলব্ধ ৰূপান্তৰণৰ বিকল্পটো ব্যৱহাৰ কৰি ইয়াক _____লৈ ৰূপান্তৰিত কৰিব পৰা যায় ।

I. আজীবন পলিচি

II. বন্ধকী বিমোচন পলিচি

III. বেংকৰ সাৱধি জমা

IV. হ্ৰাসমান ম্যাদী পলিচি

প্ৰশ্ন 6

জীবন বীমা পণ্যৰ মৌলিক উদ্দেশ্যটো কি?

I. কৰ-ৰেহাই

II. নিৰাপদ বিনিয়োগ-উপায়

III. ব্যক্তি এজনৰ উৎপাদনশীল ক্ষমতাৰ অৰ্থনৈতিক মূল্যৰ ক্ষতিৰ বিপৰীতে সুৰক্ষা প্ৰদান কৰা

IV. সম্পদ-পুঞ্জীভৱন

প্ৰশ্ন 7

তলৰ কোনজনৰ বাবে এটা ম্যাদী আঁচনি ক্ৰয় কৰাৰ পৰামৰ্শটো সৰ্বাধিক উপযুক্ত?

I. বীমাৰ ম্যাদৰ অন্তত যিজন ব্যক্তিৰ ধনৰ প্ৰয়োজন আছে

II. উচ্চ বাজেট থকা যিজন ব্যক্তিৰ বীমাৰ প্ৰয়োজন আছে

III. যিজন ব্যক্তিৰ বীমাৰ প্ৰয়োজন আছে কিন্তু বাজেট স্বল্প

IV. যিজন ব্যক্তিয়ে উচ্চ লাভ প্ৰদানকাৰী বীমা পণ্য ক্ৰয় কৰিব খোজে

প্ৰশ্ন 8

হ্ৰাসমান ম্যাদী বীমা সম্পৰ্কে দিয়া তলৰ কোনটো বিবৃতি অশুদ্ধ?

I. সুৰক্ষা ম্যাদৰ লগতে মৃত্যুৰ ক্ষেত্ৰত প্ৰদেয় সুবিধা কমি গৈ থাকে

II. সুৰক্ষা ম্যাদৰ লগতে প্ৰিমিয়াম কমি গৈ থাকে

III. গোটেই ম্যাদ জুৰি প্ৰিমিয়াম সুষম থাকে

IV. বন্ধকী বিমোচন আঁচনিবোৰ হ্ৰাসমান ম্যাদী বীমাৰ উদাহৰণ

প্ৰশ্ন 9

বন্দৱস্তি বীমা আঁচনি সম্পৰ্কে কৰা তলৰ কোনটো মন্তব্য সঠিক?

I. ইয়াত কেৱল মৃত্যু-সুবিধাৰ উপাংশ আছে

II. ইয়াত কেৱল জীৱিতাৱস্থা-সুবিধাৰ উপাংশ আছে

III. ইয়াত মৃত্যু আৰু জীৱিতাৱস্থা - এই দুটা সুবিধাৰ উপাংশই আছে

IV. ই ম্যাদী আঁচনিৰ দৰে একে

প্ৰশ্ন 10

তলৰ কোনটো বন্দৱস্তি বীমা আঁচনিৰ এক উদাহৰণ?

I. বন্ধকী বিমোচন আঁচনি

II. ঋণ জীবন বীমা আঁচনি

III. মানি বেক আঁচনি

IV. আজীবন বীমা আঁচনি

স্ব-পৰীক্ষণমূলক প্ৰশ্নৰ উত্তৰ

উত্তৰ 1

সঠিক উত্তৰটো হৈছে II

বন্ধক জীবন বীমাই পলিচিধাৰকৰ মৃত্যুৰ ক্ষেত্ৰত তেঁওৰ বন্ধকী পৰিশোধ কৰে ।

উত্তৰ 2

সঠিক উত্তৰটো হৈছে I

আপুনি আপোনাৰ জীবন বীমাৰ বাবে প্ৰিমিয়াম যিমান বেছিকৈ পৰিশোধ কৰিব, আপোনাৰ মৃত্যুৰ ক্ষেত্ৰত আপোনাৰ হিতাধিকাৰীলৈ আগ বঢ়োৱা ক্ষতিপূৰণ সিমানে বেছি হ'ব ।

উত্তৰ 3

সঠিক উত্তৰটো হৈছে III

এটা স্বতন্ত্ৰ পলিচি আৰু আন পলিচিত সংলগ্ন ওপৰঞ্চি সুবিধা - এই দুই ভাৱেই ম্যাদী বীমা ক্ৰয় কৰা যায় ।

উত্তৰ 4

সঠিক উত্তৰটো হৈছে III

হ্ৰাসমান ম্যাদী বীমাৰ প্ৰিমিয়াম সময় জুৰি অপৰিবৰ্তনীয় থাকে ।

উত্তৰ 5

সঠিক উত্তৰটো হৈছে I

ম্যাদী পলিচিত উপলব্ধ ৰূপান্তৰণৰ বিকল্পটো ব্যৱহাৰ কৰি ইয়াক আজীবন বীমালৈ ৰূপান্তৰিত কৰিব পৰা যায় ।

উত্তৰ 6

সঠিক উত্তৰটো হৈছে III

ব্যক্তি এজনৰ উৎপাদনশীল ক্ষমতাৰ অৰ্থনৈতিক মূল্যৰ ক্ষতিৰ বিপৰীতে সুৰক্ষা প্ৰদান কৰাটোৱেই হ'ল এটা জীবন বীমা পণ্যৰ মৌলিক উদ্দেশ্য ।

উত্তৰ 7

সঠিক উত্তৰটো হৈছে III

যিজন ব্যক্তিৰ বীমাৰ প্ৰয়োজন আছে কিন্তু বাজেট স্বল্প, তেঁওৰ বাবে ম্যাদী আঁচনি এটা উত্তম নিৰ্বাচন ।

উত্তৰ 8

সঠিক উত্তৰটো হৈছে III

হ্ৰাসমান ম্যাদী বীমা আঁচনিত সম্পূৰ্ণ ম্যাদ জুৰি প্ৰিমিয়ামটো সুষম থাকে ।

উত্তৰ 9

সঠিক উত্তৰটো হৈছে III

বন্দৱস্তি বীমা আঁচনিত মৃত্যু-সুবিধা আৰু জীৱিতাৱস্থাৰ সুবিধা - এই দুইবিধ উপাংশই আছে ।

উত্তৰ 10

সঠিক উত্তৰটো হৈছে III

মানি বেক আঁচনি হ'ল বন্দৱস্তি বীমা আঁচনিৰ এটা উদাহৰণ ।

অধ্যায় 9

জীবন বীমা পণ্য -II

অধ্যায় পৰিচিতি

এই অধ্যায়টোৰ যোগেৰে অপৰম্পৰাগত জীবন বীমা পণ্যৰ জগৎখনৰ লগত আপোনাক চিনাকি কৰাই দিয়া হ'ব ।আৰম্ভণিতে আমি পৰম্পৰাগত জীবন বীমা পণ্যৰ সীমাবদ্ধতাখিনিক নিৰীক্ষণ কৰিম, তাৰ পিছত অপৰম্পৰাগত জীবন বীমা পণ্যৰ আকৰ্ষনীয় বৈশিষ্ট্যলৈ মন কৰিম ।শেষত, বজাৰত উপলব্ধ কেইবিধমান অপৰম্পৰাগত জীবন বীমা পণ্যৰ প্ৰতি দৃষ্টি দিম ।

শিক্ষণৰ ফলাফল

A. অপৰম্পৰাগত জীবন বীমা পণ্য সমূহৰ এক সংক্ষিপ্ত ৰূপৰেখা

B. অপৰম্পৰাগত জীবন বীমা পণ্য সমূহ

A. অপৰম্পৰাগত জীবন বীমা পণ্য সমূহৰ এক সংক্ষিপ্ত ৰূপৰেখা

1. অপৰম্পৰাগত জীবন বীমা পণ্য সমূহ – উদ্দেশ্য আৰু প্ৰয়োজনীয়তা

ইয়াৰ পূৰ্বৰ অধ্যায়টোত, আমি কিছুমান পৰম্পৰাগত জীবন বীমা প্ৰকল্পৰ আলোচনা কৰিলো, যিবিলাকত বীমা সুৰক্ষাৰ লগতে সঞ্চয়ৰো কিছুমান উপাদান সংযুক্ত হৈ আছে ।এই পণ্যবোৰক প্ৰায়েই বিত্তীয় বজাৰখনৰ এক অংশ ৰূপে গণ্য কৰা হয় আৰু মূলধন পুঞ্জীকৰণৰ অন্য আহিলাবোৰৰ সৈতে তুলনা কৰা হয় ।

সঞ্চয় আৰু বিনিয়োগৰ এক প্ৰধান বা মুখ্য উদ্দেশ্য হৈছে – ব্যৱহাৰ যোগ্য সম্পদৰ আন্তঃসময়গত আবন্টন বা ইন্টাৰ টেম্প'ৰেল এল'কেশ্বন- যি একাধাৰে কাৰ্য্যদক্ষ আৰু কাৰ্য্যক্ষম হ'ব ।

i. আন্তঃসময়গত আবন্টনৰ অৰ্থ হ'ল ''সময় জুৰি আবন্টন'' ।এই 'কাৰ্য্যক্ষম' শব্দটোৱে মানুহ এজনৰ জীবনবৃত্তৰ বিভিন্ন পৰ্য্যায়ত উদ্ভূত হোৱা বিভিন্ন চাহিদাবোৰ সৰ্বোত্তম উপায়ে পূৰণ কৰিব পৰা এক পৰ্য্যাপ্ত পুঁজিৰ ব্যৱস্থাকৰণ বুজায় ।

ii. অন্যহাতে, 'কাৰ্য্যদক্ষ' শব্দটোৱে ক্ষিপ্ৰতাৰে সৈতে অধিক ধনৰ পুঞ্জীভৱন বুজায় ।এটা নিৰ্দ্দিষ্ট স্তৰৰ বিপদাশংকাৰ বিপৰীতে বিনিয়োগৰ পৰা যিমান বেছি লাভ হ'ব, বিনিয়োগক সিমান বেছি কাৰ্য্যদক্ষ বুলি ধৰা হ'ব ।

জীবন বীমাৰ পলিচিবোৰে সচৰাচৰ সন্মুখীন হ'ব লগা এক গুৰুত্বপূৰ্ণ বিষয় হৈছে, বিত্তীয় বজাৰত লভ্য অন্যান্য সম্পদৰ লগত তুলনাযোগ্য এক প্ৰতিযোগিতামূলক লাভৰ হাৰ আগ বঢ়োৱাৰ সমস্যা। পূৰ্বৰ অধ্যায়সমূহত আলোচিত নগদমূল্যযুক্ত পৰম্পৰাগত জীবন বীমা আঁচনিবোৰৰ কিছুমান বৈশিষ্ট্য সম্পৰ্কে জানি লোৱাটো কাৰ্য্যকৰী হ'ব ।এইবোৰ আঁচনি বাণ্ডলড্ বা মুঠাবদ্ধ আঁচনি হিচাবে জনাজাত, কিয়নো, এইবোৰক সুবিধা আৰু প্ৰিমিয়ামৰ এক পেকেজ বা একীকৃত ৰূপত উপস্থাপিত কৰা হয় ।

2. পৰম্পৰাগত পণ্যসমূহৰ সীমাবদ্ধতা:

এক সমালোচনাত্মক দৃষ্টিকোনৰ পৰা বিশ্লেষন কৰিলে, কিছুমান ভাবিবলগীয়া কথা ওলাই পৰে:

a) **নগদমূল্য উপাংশ** - প্ৰথমতে, সঞ্চয় বা নগদমূল্য উপাংশ (কেশ্ভেল্যু কম্প'নেন্টচ্) পৰম্পৰাগত পলিচিসমূহত নিৰ্দ্দিষ্ট ভাবে দিয়া নেথাকে ।ই নিৰ্ভৰ কৰে বীমাগাণিতিক তহবিলৰ ওপৰত ।ই আকৌ নিৰ্দ্ধাৰিত হয় মৃত্যুহাৰ, সুতৰ হাৰ আৰু বিভিন্ন ব্যয় সম্পৰ্কিত অনুমান আৰু বীমাকাৰকে বাছি লোৱা কিছুমান স্থিতিমাপৰ ভিত্তিত ।এনে ধৰনৰ পূৰ্বানুমান প্ৰায়েই যথেচ্ছ বা একপক্ষীয় হয় ।

b) **লাভৰ হাৰ** – দ্বিতীয়তে, এই পলিচিবোৰত লাভৰ হাৰ কিমান হ'ব, তাক নিৰ্দ্দিষ্ট কৰা কঠিন ।ইয়াৰ মূল কাৰণটো হৈছে, ''লাভ সহিত'' পলিচিৰ ক্ষেত্ৰত সুবিধা বা বেনিফিট সমূহৰ মূল্য, বীমাচুক্তি সমাপ্ত হোৱাৰ পিছতহে নিশ্চিত ৰূপে জানিব পৰা যায় ।বীমাকাৰকসকলৰ প্ৰকৃত ব্যয় ইয়াত প্ৰকাশ কৰা নহয় ।লাভৰ হাৰৰ স্বচ্ছতাৰ অভাৱে অন্য বৈকল্পিক সুবিধাসমূহৰ সৈতে এই পলিচিবোৰৰ তুলনা কৰাটো কষ্টসাধ্য কৰি তোলে ।স্পষ্টত, এই তুলনা কৰাৰ সুবিধাৰ অভাৱত, সঞ্চয়ৰ আহিলা হিচাবে জীবন বীমা কিমান সাৰ্থক- এই কথাটো জানিব পৰা নেযায় ।

c) **সমৰ্পণ মূল্য বা চাৰেণ্ডাৰ ভেল্যু** – তৃতীয় সমস্যাটো হৈছে, এই সকল চুক্তিৰ ক্ষেত্ৰত, নগদমূল্য আৰু সমৰ্পণ মূল্য সকলো সময়তে কিছুমান আন মূল্যৰ – যেনে বীমাগাণিতিক সঞ্চয়ৰ পৰিমাণ আৰু পলিচিৰ সমানুপাতিক সম্পদ-অংশৰ (প্ৰো-ৰেটা এচেট্ শ্বেয়াৰ) ওপৰত নিৰ্ভৰশীল ।আৰু ই সম্পূৰ্ণ যাদৃচ্ছিক বা একপক্ষীয় ভাবে নিৰ্দ্ধাৰণ কৰা হয় ।গতিকে সমৰ্পণ মূল্য হিচাব কৰাৰ পদ্ধতিটো স্পষ্ট নহয় ।

d) **প্ৰাপ্তিৰ পৰিমাণ বা য়ীল্ড্** – এই পলিচিসমূহৰ আন এটা সমস্যা হৈছে প্ৰাপ্তিৰ পৰিমাণ ।বিনিয়োগৰ অতি সতৰ্কতাযুক্ত মান, কটকটীয়া তদাৰকি আৰু বীমাকাৰকৰ বিনিয়োগ কাৰ্য্যদক্ষতা বোনাচৰ জৰিয়তে লগে লগে প্ৰতিফলিত নোহোৱা – এই উভয় কাৰণতেই এইবোৰ পৰম্পৰাগত পলিচিত প্ৰাপ্তিৰ পৰিমাণ, অধিক বিপদাশংকাযুক্ত বিনিয়োগৰ সমান উচ্চ নহ'বও পাৰে ।

3. পৰিবৰ্তন বা শ্বিফট্

পৰম্পৰাগত জীবন বীমাৰ সীমাবদ্ধতাবোৰ স্পষ্ট হৈ পৰাৰ বাবে জীবন বীমা কোম্পানীসমূহৰ পণ্য-পাৰ্শ্বচিত্ৰ বা প্ৰ'ডাকট প্ৰ'ফাইলৰ ভালেমান সলনি হৈছে । তলত এইবোৰক সংক্ষিপ্ত ৰূপত দেখুওৱা হৈছে:

a) **মুঠামুক্তকৰণ বা আনবাণ্ডলিং**

এই ধাৰাত সুৰক্ষা আৰু সঞ্চয়ৰ উপাদানসমূহক পৃথক কৰি পণ্যবোৰৰ বিকাশ সাধন কৰা হয় ।ইয়াত সুৰক্ষা আৰু সঞ্চয়ৰ অস্পষ্ট মিশ্ৰণৰ পৰিবৰ্তে সুকীয়াকৈ সিঁহতৰ ওপৰত গুৰুত্ব দিয়া হয় ।

এই ধাৰাৰ ফলত, এহাতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে বজাৰত ম্যাদী বা টাৰ্ম বীমাৰ পুনৰাবিষ্কাৰ তথা ইউনিভাৰ্ছেল এশ্বুৰেন্স আৰু ভেৰিএব্ল ইনশ্বিউৰেন্স বা পৰিবৰ্তনশীল বীমাৰ দৰে নতুন বীমা পণ্যৰ উদ্ভাৱন ঘটিছে, আনহাতে বৃটিশ্ব যুক্তৰাজ্যত ইউনিট-লিংকড্ ইনশ্বিউৰেন্সৰ বজাৰ উৰ্দ্ধগামী হৈছে ।

b) **বিনিয়োগ সংযোগ বা ইনভেষ্টমেন্ট লিংকেজ**

ই দ্বিতীয় ধাৰাটো হ'ল বিনিয়োগযুক্ত পণ্যৰ প্ৰতি প্ৰৱণতা, য'ত পলিচিধাৰকে পাবলগীয়া লাভ বা সুবিধাসমূহ, বিনিয়োগৰ ফলাফলৰ এক সূচ্যাংকৰ লগত যুক্ত থাকে ।ইয়াৰ ফলস্বৰূপে, জীবন বীমাই নিজৰ মূল অৱস্থানৰ পৰা আঁতৰি আহিব লগা হৈছে।ইউনিট-লিংকডৰ দৰে পণ্যবোৰে পৰোক্ষভাবে জীবন বীমাকাৰকৰ পৰা এক নতুন ভূমিকা দাবী কৰিছে । কেবলমাত্ৰ বিত্তীয় সুৰক্ষা প্ৰদানকাৰী হিচাবেই নহয়, বীমাকাৰক সকলক এতিয়া বাধ্যতামূলক ভাবে উচ্চ স্তৰৰ প্ৰতিযোগিতামূলক লাভৰ হাৰ প্ৰদানকাৰী এক সুদক্ষ পুঁজি-কাৰ্য্যাধক্ষ বা ফাণ্ড মেনেজাৰৰ ৰূপত দেখা গৈছে ।

c) **স্বচ্ছতা বা ট্ৰেন্সপাৰেন্সি**

মুঠামুক্তকৰণ বা আনবাণ্ডলিঙে লাভালাভৰ হাৰ তথা সেৱাসমূহ (ব্যয় ইত্যাদি) ৰ বাবে কোম্পানীয়ে নিৰ্দ্ধাৰণ কৰা মুল্যসমূহ অতি স্পষ্ট ভাবে দেখুৱাই দিয়ে ।এই উপাংশবোৰৰ গোটেই কেইটা অতি বিশদ ভাবে বিবৃত কৰা হয় বুলি এইবোৰৰ তুলনা কৰাটো সহজসাধ্য হয় ।

d) **অ-মানগত পণ্য বা নন্-ষ্টেন্ডাৰ্ড প্ৰোডাক্টচ্**

চতুৰ্থ প্ৰধান ধাৰাটো হৈছে অনমনীয়তাৰ পৰা নমনীয়তালৈ পণ্যৰ গাঁথনিৰ পৰিবৰ্তন ।এই পৰিবৰ্তনে অ-মানগত পণ্যৰ ফালে ঢাল লোৱাটোও সূচায় ।এই অ-মানগত শব্দযোজনাটো - পলিচি গাঁথনিৰ বিন্যাস আৰু ইয়াৰ পৰা পাবলগীয়া সুবিধা বাছি লোৱাৰ স্বাধীনতাৰ মাত্ৰাৰ বিষয়েহে প্ৰযোজ্য ।

দুটা ক্ষেত্ৰত গ্ৰাহকসকলে সক্ৰিয় ভাবে অংশ গ্ৰহণ কৰিব পাৰে:

- ✓ প্ৰিমিয়াম আৰু সুবিধাসমূহৰ গাঁথনি নিৰ্দ্দিষ্ট আৰু সলনি কৰাৰ সময়ত
- ✓ কি ধৰনে প্ৰিমিয়াম বিনিয়োগ কৰা হ'ব - সেয়া বাছনি কৰাৰ সময়ত

4. এক আবেদন - প্ৰয়োজনীয়তাৰ পূৰ্ত্তি

নতুন ৰীতিৰ পণ্যসমূহৰ প্ৰতি বিশ্বজুৰি আকৰ্ষণৰ প্ৰধান উৎসসমূহ হ'ল:

a) **বিনিয়োগ-লাভৰ লগত পোনপটীয়া সম্পৰ্ক:** এক প্ৰানৱন্ত আৰু প্ৰতিশ্ৰুতিময় পুঁজিবজাৰত বিনিয়োগ কৰি জীবন বীমা কোম্পানীবোৰে অৰ্জা লাভৰ সৈতে এই পণ্যবোৰৰ এক প্ৰত্যক্ষ যোগাযোগৰ সম্ভাৱনা আছে ।বিনিয়োগযুক্ত বীমা পলিচিৰ সপক্ষে অতিকৈ গুৰুত্বপূৰ্ণ যুক্তি হ'ল যে, যদিও হ্ৰস্বম্যাদত পলিচিবোৰ সঘনে ইকুইটি বজাৰৰ উত্থান পতনৰ সন্মুখীন হ'ব লগা হয়, কিন্তু দীৰ্ঘ দিন চলা পলিচিবোৰক এই বজাৰে যি পৰিমাণ লাভ দিয়ে, সেয়া সুৰক্ষিত আৰু সুনিৰ্দ্দিষ্ট আয়কাৰী আহিলাবোৰে আগ বঢ়োৱা লাভৰ পৰিমাণতকৈ বহু বেছি ।যি সকল বীমাকাৰকে সুদক্ষভাৱে তেঁওলোকৰ বিনিয়োগ কাৰ্য্যভাৰ পৰিচালনা কৰিব পাৰে, তেঁওলোকে গ্ৰাহক সকলক লাভৰ উচ্চ হাৰ দিবলৈ সক্ষম হয় আৰু এনেকৈয়ে উচ্চমান-বিশিষ্ট পণ্যৰ বিকাশ কৰে ।

b) **মুদ্ৰাস্ফীতি প্ৰশমনকাৰী লাভৰ হাৰ:** সঞ্চয়ৰ ওপৰত মুদ্ৰাস্ফীতিৰ প্ৰভাৱে ''লাভৰ পৰিমাণ''ৰ প্ৰসঙ্গটোক অধিক গুৰুত্বপূৰ্ণ কৰি তোলে ।আমি সকলোৱে জানো যে ব্যক্তি এজনৰ সম্পদৰ ক্ৰয় ক্ষমতা মুদ্ৰাস্ফীতিয়ে বহু পৰিমাণে ক্ষয় নিয়াব পাৰে । যদি আজিৰ 1 টকাৰ মূল্য পোন্ধৰ বছৰ পিছত 30 পইচা হয়, তেন্তে আজিৰ 100 টকাৰ মূলধন এটাৰ মূল্যমান পোন্ধৰ বছৰ পিছতো একেই ৰাখিবলৈ হ'লে, ই কম পক্ষেও 300 টকালৈকে বৃদ্ধি পাব লাগিব ।ইয়াৰ অৰ্থ হৈছে যে, জীবন বীমা পলিচিয়ে দিয়া লাভৰ হাৰ মুদ্ৰাস্ফীতিৰ হাৰৰ তুলনাত যথেষ্ট বেছি হ'ব লাগিব ।এই ক্ষেত্ৰতেই বিনিয়োগযুক্ত বীমা পলিচিবোৰ আন পৰম্পৰাগত পলিচিবোৰৰ তুলনাত বিশেষ ভাবে সফল হয় ।

c) **নমনীয়তা বা ফ্লেকছিবিলিটি:** এই ধৰনৰ পলিচিৰ প্ৰতি আকৰ্ষণৰ তৃতীয় কাৰনটো হ'ল ইহঁতৰ নমনীয়তা ।এক নিৰ্দ্দিষ্ট পৰিসৰৰ ভিতৰত হলেও, এতিয়া পলিচিধাৰকে দেয় প্ৰিমিয়ামৰ পৰিমাণৰ বিষয়ে সিদ্ধান্ত ল'ব পাৰে । লগতে, মৃত্যুসুবিধা (ডেথ বেনিফিট) তথা নগদ মূল্যৰ পৰিমাণৰো তাৰতম্য ঘটাব পাৰে ।বিনিয়োগযুক্ত পণ্যবোৰৰ ক্ষেত্ৰত, যি যি পুঁজি বা ফাণ্ডৰ মিশ্ৰণত তেঁও বিনিয়োগ কৰিব খোজে, সেইবোৰ পছন্দ কৰাৰ অধিকাৰো পলিচিধাৰকৰ থাকে ।পলিচিৰ এই নমনীয়তাই জীবন বীমাত কৰা বিনিয়োগৰ ওপৰত পলিচিধাৰকৰ অধিকতৰ নিয়ন্ত্ৰণ থকাৰ ইংগিত দিয়ে ।

d) **সমৰ্পণ মূল্য বা চাৰেণ্ডাৰ ভেল্যু :** আৰম্ভণিৰ পৰা এটা নিৰ্দ্দিষ্ট সময় (যেনে 3ৰ পৰা 5বছৰ) পাৰ হৈ যোৱাৰ পিছত এই আঁচনিৰ পৰা প্ৰত্যাহাৰৰ সুযোগ দিয়া হয় ।পলিচিৰ ম্যাদ পূৰ্ণ হোৱাৰ আগতে কৰা এই সমৰ্পণ বা নগদীকৰণৰ মূল্য আগৰ পৰম্পৰাগত পলিচিত লভ্য সমৰ্পণ মূল্যতকৈ বহু বেছি হয় ।

এনে ধৰণৰ পলিচিবোৰ অধিক জনপ্ৰিয় হৈ পৰিছে আৰু ভাৰতকে ধৰি পৃথিবীৰ বিভিন্ন দেশত পৰম্পৰাগত পলিচিবোৰক প্ৰতিস্থাপিত কৰিছে - কাৰণ, বিনিয়োগকাৰী সকলৰ এক গুৰুত্বপুৰ্ণ অভিপ্ৰায় ''সম্পদ পুঞ্জীভৱনৰ আকাংক্ষা'' পূৰণ কৰাত এইবোৰ পলিচি সমৰ্থ হৈছে ।সেয়েহে বিনিয়োগৰ উদ্দেশ্য সফল কৰিব পৰা এক কাৰ্য্যদক্ষ মাধ্যমৰ বাবে চাহিদাৰ সৃষ্টি হৈছে ।উদাহৰণ স্বৰূপে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ বীমাকাৰক সকলে ধন বজাৰ বা পুঁজি বজাৰৰ পৰা অৰ্জিত উচ্চহাৰৰ চলিত সুতৰ লাভ অতি দ্ৰুততাৰে পলিচিধাৰকলৈ আগ বঢ়োৱাৰ এক দক্ষ আহিলা হ'ল ইউনিভাৰ্ছেল লাইফৰ দৰে পণ্য ।

প্ৰিমিয়াম আৰু ফেছ এমাউন্ট বা 'অভিহিত অংকৰ' নমনীয়তাই বিশেষ পৰিস্থিতিৰ লগত প্ৰিমিয়ামক খাপ খুৱাবলৈ পলিচিধাৰকক সহায় কৰে ।আকৌ, অযথা লোকচান নভৰাকৈয়ে আগতীয়াকৈ প্ৰত্যাহাৰৰ সুবিধাটোৰ অৰ্থ হ'ল যে দীৰ্ঘ সময়ৰ বাবে তেঁওৰ অৰ্থ আবদ্ধ কৰি ৰখাৰ কোনো প্ৰয়োজন নাই ।

নিজক পৰখ কৰক 1

তলত দিয়া কোনটো অপৰম্পৰাগত জীবন বীমা পণ্য?

I. ম্যাদী বীমা বা টাৰ্ম এশুৰেন্স

II. ইউনিভাৰ্ছেল লাইফ ইনশ্বিউৰেন্স

III. বন্দৱস্তি বীমা বা এনডাউমেন্ট ইনশ্বিউৰেন্স

IV. আজীবন বীমা বা হ'ল লাইফ ইনশ্বিউৰেন্স

B. অপৰম্পৰাগত জীবন বীমা পণ্য সমূহ

1. কিছুমান অপৰম্পৰাগত পণ্য

এই অধ্যায়ৰ অৱশিষ্ট অনুচ্ছেদবোৰত ভাৰত আৰু অন্যান্য দেশৰ বজাৰত প্ৰচলিত কিছুমান অপৰম্পৰাগত পণ্যৰ বিষয়ে আলোচনা কৰা হ'ব ।

a) ইউনিভাৰ্ছেল লাইফ

.ইউনিভাৰ্ছেল লাইফ ইনশ্বিউৰেন্স হৈছে এটা পলিচি, যাক 1979 চনত আমেৰিকা যুক্তৰাষ্ট্ৰত আৰম্ভ কৰা হৈছিল আৰু অতি দ্ৰুততাৰে আশীৰ দশকত প্ৰভূত জনপ্ৰিয় হৈ উঠিছিল ।

IRDAই জাৰী কৰা 2010 চনৰ নৱেম্বৰ মাহৰ চাৰ্কুলাৰ অনুসৰি ''সকলো ইউনিভাৰ্ছেল লাইফ প্ৰ'ডাক্টচ 'ভেৰিএবল্ ইনশ্বিউৰেন্স প্ৰ'ডাক্টচ্ (VIP) বুলি অভিহিত হ'ব ।

তথ্য

ইউনিভাৰ্ছেল লাইফৰ প্ৰসঙ্গত

ইউনিভাৰ্ছেল লাইফ ইনশ্বিউৰেন্স হ'ল এক প্ৰকাৰৰ স্থায়ী বীমা – যাৰ বৈশিষ্ট্য হ'ল নমনীয় প্ৰিমিয়াম, নমনীয় ফেছ এমাউন্ট বা 'অভিহিত অংক', পৰিবৰ্তন যোগ্য মৃত্যু সুবিধা, আৰু মূল্যৰ উপাংশবোৰক সুস্পষ্টভাৱে পৃথক কৰিব পৰা সুবিধা। য'ত নগদমূল্য যুক্ত পৰম্পৰাগত পলিচিসমূহক বলবৎ ৰখাৰ কাৰনে নিয়মিত ব্যাবধানত এক নিৰ্দ্দিষ্ট গ্ৰছ বা মুঠ প্ৰিমিয়াম অৰ্থাৎ অফিছ প্ৰিমিয়াম পৰিশোধ কৰাটো আৱশ্যকীয় হৈ পৰে, সেই ক্ষেত্ৰত ইউনিভাৰ্ছেল পলিচিয়ে, এটা সীমাৰ ভিতৰত, সুৰক্ষাৰ বাবে পৰিশোধ্য প্ৰিমিয়ামৰ পৰিমাণ বাছি লোৱাৰ স্বাধীনতা পলিচিধাৰকক দিয়ে । প্ৰিমিয়ামৰ পৰিমাণ যিমানেই বেছি হয়, সুৰক্ষাবেষ্টনীও সিমানেই ডাঙৰ হয় ।

ইউনিভাৰ্ছেল লাইফ ইনশ্বিউৰেন্সৰ এক মুখ্য উদ্ভাৱন হ'ল – প্ৰথম পলিচি-বছৰৰ পিছতেই এক সম্পূৰ্ণ নমনীয় প্ৰিমিয়ামৰ সুবিধা ।এই ক্ষেত্ৰত কেৱল এয়া নিশ্চিত কৰিব লাগে যে প্ৰিমিয়ামৰ সামগ্ৰিক পৰিমাণটো পলিচিখন বলবৎ ৰখাৰ কাৰনে প্ৰয়োজনীয় সকলো ব্যয়

সামৰি লোৱাৰ বাবে যথেষ্ট ।ইয়াৰ অৰ্থ হ'ল, যেতিয়ালৈকে নগদমূল্যৰ পৰিমাণ মৃত্যুদৰ আৰু অন্যান্য ব্যয় সামৰি লোৱাৰ বাবে পৰ্য্যাপ্ত থাকিব, তেতিয়ালৈকে পলিচিখন চলিত অৱস্থাত আছে বুলি গণ্য কৰা হ'ব।

প্ৰিমিয়ামৰ নমনীয়াতাই পলিচিধাৰকক নিৰ্দ্দিষ্ট প্ৰিমিয়ামৰ অতিৰিক্ত পৰিমাণ জমা কৰাৰ সুবিধা দিয়ে । এই নমনীয়তাৰ বাবে নিৰ্দ্দিষ্ট প্ৰিমিয়ামতৈক কমকৈ বা কেতিয়াবা একেবাৰে নিদিয়াকৈও পাৰি ।

আকৌ, ইয়াৰ গাঁথনিৰ নমনীয়তাই পলিচিত লভ্য নগদমূল্যৰ আংশিক প্ৰত্যাহাৰৰ সুবিধা দিয়ে, যাক ঘুৰাই দিয়াৰ কোনো বাধ্যবাধকতা নাথাকে আৰু উঠাই লোৱা ৰাশিৰ ওপৰত সুত পৰিশোধ কৰাৰো কোনো দায়িত্ব নাথাকে ।কেবল নগদমূল্য সেই পৰিমানে সঙ্কুচিত হৈ যায় ।

নমনীয়তাৰ আৰু এটা অৰ্থ হ'ল- প্ৰয়োজনানুসাৰি মৃত্যুদাবীৰ পৰিমানৰ সাল সলনি কৰিব পৰা যায়, আৰু অভিহিত অংকত ভিন্নতা অনা যায় ।

সি যি কি নহওক, এনে ধৰণৰ পলিচিৰ ক্ষেত্ৰত মিছ-ছেলিং বা অনৈতিক বিক্ৰয়ৰ সম্ভাৱনা থাকে । দৰাচলতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে বজাৰত-''প্ৰাৰম্ভিক কেইটামান প্ৰিমিয়াম দিয়াৰ পিছতেই পলিচিখনে নিজাকৈ নিজৰ ব্যৱস্থা ল'ব''-এই অনুবিধিয়ে সম্ভাব্য গ্ৰাহক সকলক প্ৰলুব্ধ কৰে ।কিন্তু বীমাকাৰকে প্ৰকাশ নকৰা তথ্যটো হ'ল যে পলিচিৰ নগদমূল্যই পলিচিখনক তেতিয়ালৈকে বলবৎ ৰাখিব, যেতিয়ালৈকে ইয়াৰ বিনিয়োগ-আয় ইয়াৰ বাবে পৰ্য্যাপ্ত থাকিব ।

আশীৰ দশকৰ দ্বিতীয়াৰ্দ্ধত বিনিয়োগ-প্ৰসূত লাভৰ পতনে নগদমূল্যৰ খহনীয়া সৃষ্টি কৰিছিল ।যি সকল পলিচিধাৰকে প্ৰিমিয়াম পৰিশোধ অব্যাহত ৰাখিব পৰা নাছিল, তেওঁলোকৰ পলিচিবোৰ লেপচড্ বা কালাতীত হৈ গৈছিল আৰু তেওঁলোকৰ কোনো জীবন বীমা সুৰক্ষা নাছিল ।

পাঠৰ ব্যাখ্যামূলক নক্সা 1: অপৰম্পৰাগত জীবন বীমা পণ্য সমূহ



ভাৰতবৰ্ষত IRDAৰ বিধি অনুসৰি কেৱলমাত্ৰ দুই প্ৰকাৰৰ সঞ্চয়মুখী জীবন বীমা পণ্যৰ অনুমতি দিয়া হৈছে:

- ✓ পৰিবৰ্তনশীল বীমা আঁচনি বা ভেৰিএবল্ ইনশ্বিউৰেন্স প্লেন
- ✓ ইউনিট লিংকড্ বীমা আঁচনি বা ইউনিট লিংকড্ ইনশ্বিউৰেন্স প্লেন

i. পৰিবৰ্তনশীল বীমা আঁচনি :

এই বিষয়ে আলোচনা আৰম্ভ কৰাৰ আগতে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু অন্যান্য বজাৰত প্ৰৱৰ্তিত হোৱা ভেৰিএবল্ লাইফ ইনশ্বিউৰেন্সৰ বিষয়ে জনাটো উপযোগী ।

এই পলিচি প্ৰথমতে 1977 চনত আমেৰিকা যুক্তৰাষ্ট্ৰত প্ৰৱৰ্তিত হৈছিল ।পৰিবৰ্তনশীল জীবন বীমা হৈছে এবিধ আজীবন বীমা ।ইয়াত প্ৰিমিয়ামবোৰ এক ''বিশেষ বিনিয়োগ একাউন্ট''ত জমা হয় ।এই একাউন্টৰ ফলাফলৰ লগত পলিচিৰ মৃত্যুসুবিধা বা নগদমূল্যৰ পৰিমাণ উঠা-নমা কৰে । সেয়েহে সুতৰ হাৰ বা ন্যূনতম নগদমূল্যৰ বিষয়ে কোনো নিশ্চয়তা বা গেৰাণ্টী এই পলিচিয়ে দিব নোৱাৰে । অৰ্থাৎ, তত্ত্বগত ভাবে এই পলিচিৰ নগদমূল্য শূন্য অংক (0) লৈ নামি যাব পাৰে । **এনে ক্ষেত্ৰত পলিচিৰ অৱসান ঘটিব ।**

পৰম্পৰাগত নগদমূল্যযুক্ত পলিচিৰ লগত ইয়াৰ পাৰ্থক্য সুস্পষ্ট । পৰম্পৰাগত নগদমূল্যযুক্ত পলিচিত থকা ফেছ এমাউন্ট বা অভিহিত অংকটো পলিচিৰ সমগ্ৰ ম্যাদ জুৰি সুষম থাকে। প্ৰিমিয়াম আৰু সুতৰ হাৰৰ লগতে নগদমূল্যও এটা নিৰ্দ্দিষ্ট হাৰত বাঢ়ে ।পলিচিৰ আছুতীয়া পুঁজি গঠনত সহায়ক সম্পদসমূহ এক ''সাধাৰণ বিনিয়োগ একাউন্ট''ৰ অংশ হৈ পৰে ।এই সাধাৰণ বিনিয়োগ একাউন্টতেই বীমাকাৰকে গেৰাণ্টীযুক্ত পণ্যবোৰৰ পুঁজিৰ ৰক্ষনাবেক্ষন কৰে ।এই সম্পদবোৰক সুৰক্ষিত বিনিয়োগৰ তালিকাত ৰখা হয় ।সেয়েহে এই একাউন্টত থকা সম্পদবোৰৰ পৰা বীমাকাৰকে এক বলিষ্ঠ লাভৰ হাৰ আশা কৰিব পাৰে ।

ইয়াৰ বিপৰীতে, পৰিবৰ্তনশীল জীবন বীমা পলিচিৰ তহবিল গঠনত সহায় কৰা সম্পদবোৰ এটা পৃথক পুঁজি অৰ্থাৎ ''চেপেৰেট ফাণ্ড''ত ৰখা হয়, যিটো পুঁজি সাধাৰণ বিনিয়োগ একাউন্টৰ অন্তভূৰ্ক্ত নহয় ।আমেৰিকা যুক্তৰাষ্ট্ৰত ইয়াক কোৱা হয় পৃথক বা ''চেপেৰেট একাউন্ট'' আৰু কেনেডাত ইয়াৰ নাম হৈছে বিচ্ছিন্ন বা ''ছেগ্ৰিগ্ৰেইটেড্ একাউন্ট'' ।সৰহভাগ পৰিবৰ্তনশীল পলিচিয়েই, বিভিন্ন 'পৃথক একাউন্টৰ' মাজৰ পৰা যিকোনো এটা বাছি লোৱাৰ, আৰু বছৰত কমেও এবাৰ এই বাছনি সলনি কৰাৰ অনুমতি পলিচিধাৰকক দিয়ে ।

এক কথাত, ই এনে ধৰণৰ এক পলিচি য'ত জীবন বীমা কোম্পানীটোৰ পৃথক একাউন্টৰ পৰা ইয়াৰ নগদ মূল্যৰ সংস্থান হয়, আৰু মৃত্যু সুবিধা তথা নগদমূল্যৰ পৰিমাণ কোম্পানীৰ বিনিয়োগৰ ফলাফলৰ সৈতে সলনি হয় । এই পলিচিবোৰে ন্যূনতম মৃত্যু-সুবিধাৰ নিশ্চয়তা দিয়ে । ফলস্বৰূপে, মৃত্যুহাৰ আৰু ব্যয়ৰ বিপদাশংকা কোম্পানীয়ে বহন কৰিব লগা হয় ।এইবোৰ পলিচিতো

পৰম্পৰাগত আজীবন বীমাৰ দৰে প্ৰিমিয়ামৰ পৰিমাণ নিৰ্দ্দিষ্ট থাকে ।গতিকে 'বিনিয়োগ উপাদান'টোৱেই এইবোৰক পৰম্পৰাগত আজীবন বীমাৰ পৰা পৃথক কৰে ।

যি সকলে তেঁওলোকৰ সম্পদ নিজৰ মনঃপূত বাৰেমিহলি পুঁজিত বিনিয়োগ কৰিব বিচাৰে, লগতে তেঁওলোকৰ বিনিয়োগৰ লাভ পোনপটীয়াকৈ পাব বিচাৰে - তেঁওলোকৰ বাবে পৰিবৰ্তনশীল জীবন বীমা হৈ পৰিছে এক আদৰ্শ বিকল্প ।এনে ধৰনৰ পলিচি ক্ৰয়ৰ সৰ্ব্ব প্ৰথম চৰ্ত হ'ল যে ক্ৰেতাজনে পলিচিৰ লগত জড়িত বিনিয়োগ-বিপদাশংকা মুকলি মনেৰে বহন কৰিবলৈ সাজু আৰু সক্ষম হ'ব লাগিব । ইয়াৰ অৰ্থ হ'ল - পৰিবৰ্তনশীল জীবন বীমা সাধাৰনতে তেঁওলোকেই ক্ৰয় কৰা উচিৎ, যি সকল ইকুইটি / ডেট (ঋণ) বজাৰত বিনিয়োগৰ তথা পুঁজি বজাৰৰ অস্থিৰতাৰ সৈতে পৰিচিত আৰু এইবোৰক অতি স্বচ্ছন্দ ভাবে গ্ৰহণ কৰিব পাৰে ।স্পষ্টত, ইয়াৰ জনপ্ৰিয়তা বিনিয়োগ বজাৰৰ পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰে - তেজী বজাৰত বৃদ্ধি পায় আৰু মন্দা বজাৰত, অৰ্থাৎ ষ্ট'ক বা বণ্ডৰ দৰ যেতিয়া বেগেৰে পৰে - তেতিয়া তললৈ ঢাল লয় ।পৰিবৰ্তনশীল জীবন বীমাৰ বিপণনৰ সময়ত পুঁজি বজাৰৰ অস্থিৰ চৰিত্ৰৰ কথাটো মনত ৰখা কৰ্তব্য ।

ii. ইউনিট-লিংকড্ বীমা আঁচনি

ইউনিট-লিংকড্ আঁচনি সমূহে, যিবোৰক সংক্ষেপে ইউলিপচ্ (ULIPs) বুলি কোৱা হয়, বিভিন্ন বজাৰত পৰম্পৰাগত আঁচনি সমূহক স্থানচ্যুত কৰি এক অতি জনপ্ৰিয় আৰু গুৰুত্বপূৰ্ণ পণ্য হিচাবে আত্মপ্ৰকাশ কৰিছে ।এই আঁচনিবোৰৰ প্ৰৱৰ্তন এনে এক পৰিস্থিতিত হৈছিল, যেতিয়া জীবন বীমা কোম্পানীবোৰে সাধাৰণ ইকুইটি শ্বেয়াৰত এক বিশাল পৰিমাণৰ ধন বিনিয়োগ কৰি এক বৃহৎ অংকৰ মূলধনী মুনাফা বা কেপিটেল গেইন তথা লাভ অৰ্জন কৰিবলৈ সক্ষম হৈছিল ।সেই সময়তে, ইকুইটিত আৰু অধিক পৰিমাণৰ বিনিয়োগ আৰু বিনিয়োগৰ পৰা হোৱা লাভ পলিচিধাৰকসকললৈ হস্তান্তৰণৰ বাবে ন্যায়সঙ্গত তথা আৰু অধিক দক্ষ পন্থাৰ প্ৰয়োজনীয়তা অনুভূত হৈছিল ।

পৰম্পৰাগত 'লাভ-সহিত' পলিচিবোৰৰো বীমা কাৰ্য্যালয়ৰ বিনিয়োগ-ফলাফলৰ লগত কিছু পৰিমাণে সংযোগ আছে ।কিন্তু এই সংযোগ পোনপটীয়া নহয়, কিয়নো পলিচিধাৰকৰ বোনাচ সম্পূৰ্ণ নিৰ্ভৰ কৰে 'ৰাহি' বা চাৰপ্লাছৰ ওপৰত । নিয়মিত সময়ান্তৰত (সাধাৰণতে এ বছৰ) কৰা সম্পদ আৰু দায়বদ্ধতাৰ বা ঋণ-দায়িত্বৰ মূল্যাঙ্কনৰ ফলত ৰাহিৰ সৃষ্টি হয় ।এই ৰাহি আকৌ মূল্যাঙ্কন গাণনিক বা একচুৱেৰীৰ অনুমান আৰু কিছুমান বিবেচ্য উপাদানৰ ওপৰত নিৰ্ভৰশীল ।

লগতে, এইবোৰ বীমা চুক্তিত দিয়া গেৰাণ্টীসমূহক বিশেষ ভাবে বিবেচনা কৰিব লগা বাধ্যকতা, মূল্যাঙ্কন প্ৰক্ৰিয়াৰ বাবে অতি গুৰুত্বপূৰ্ণ হৈ পৰে ।ইয়াৰ ফলত বীমাকাৰকৰ বুনিয়াদী সম্পদবোৰৰ মূল্য কেতিয়াও বোনাচে প্ৰত্যক্ষ ভাবে প্ৰতিফলিত নকৰে । আনকি ৰাহি ঘোষনা কৰাৰ পিছতো ইয়াক বোনাচৰ বাবে আবন্টিত নকৰি, ব্যৱসায়ৰ বিকাশ আৰু বিস্তাৰৰ উদ্দেশ্যত মুক্ত সম্পদ বৃদ্ধিৰ বাবে বীমাকাৰকে ব্যৱহাৰ কৰিব পাৰে ।

এই সকল কাৰণতেই পলিচিত বোনাচ সংযোজনৰ পদ্ধতিটো এক নিৰাপদ আৰু দূৰবৰ্তী পন্থাৰ জৰিয়তে বিনিয়োগ-ফলাফলৰ লগত সম্পৰ্কিত হয় ।

যি মৌলিক যুক্তিটোৱে পৰম্পৰাগত পলিচিবোৰক চালিত কৰে, সেয়া হ'ল কালক্ৰমে বিনিয়োগ-আয়ৰ মসৃন পৰিশোধ ।যদিও টাৰ্মিনেল বা আৱসান বোনাচ আৰু ক'মপাউণ্ড বা চক্ৰবৃদ্ধি বোনাচৰ যোগেদি পলিচিধাৰকে ইকুইটি আৰু অন্যান্য উচ্চ লাভ প্ৰদানকাৰী বিনিয়োগৰ সুবিধা অধিক পৰিমাণে উপভোগ কৰিব পাৰে, সেইবোৰো কিন্তু বোনাচ ঘোষণাকাৰী বীমা কাৰ্য্যালয়ৰ ইচ্ছাধীন।

আকৌ, মূল্যাঙ্কন যিহেতু বছৰত এবাৰ কৰা হয়, বোনাচৰ ঘোষণাও সেয়েহে বছৰত এবাৰহে কৰা হয় ।ফলত, লাভৰ পৰিমাণে সম্পদৰ মূল্যৰ দৈনিক উঠা-নমাটো প্ৰতিফলিত ন কৰে ।

ইউনিট-লিংকড্ পলিচিবোৰে পৰম্পৰাগত পলিচিৰ ওপৰোক্ত দুটা সীমাবদ্ধতাক অতিক্ৰম কৰাত সহায় কৰে । **পৰিশোধৰ বাবে নিৰ্দ্ধাৰিত তাৰিখত পলিচিধাৰকৰ জমা ধনৰ খতিয়ানত থকা ইউনিটৰ মুঠ মূল্যৰ দ্বাৰা এই চুক্তি সমূহৰ অন্তৰ্ভূক্ত লাভ বা সুবিধাসমূহ সম্পুৰ্ণ বা আংশিক ভাবে নিৰ্দ্ধাৰণ কৰা হয় ।**

ইউনিট-লিংকড্ পলিচিবোৰে বীমাকাৰকৰ কাৰ্য্যদক্ষতাৰ সুফল তুৰন্তে আৰু পোনপটীয়াকৈ পোৱাৰ সুযোগ দিয়ে ।এইবোৰ সাধাৰণতে নিৰ্দ্দিষ্ট আৰু অনুমোদিত ইউনিট ট্ৰাষ্ট নাইবা কোম্পানীয়ে ৰক্ষনাবেক্ষন কৰা ভিতৰুৱা বিচ্ছিন্ন পুঁজিৰ ইউনিট ।এই ইউনিটবোৰ একক নাইবা নিয়মিত সময়ান্তৰত দি থকা প্ৰিমিয়ামৰ মাধ্যমেৰে ক্ৰয় কৰা যায় ।

বৃটিশ্ যুক্তৰাজ্য আৰু অন্যান্য বজাৰত এই পলিচিবোৰে ইতিমধ্যে বিকাশপ্ৰাপ্ত আৰু বীমাউপাদান-যুক্ত এক বিনিয়োগ-মাধ্যম হিচাবে স্বীকৃতি লাভ কৰিছে ।এইবোৰৰ গাঁথনি পৰম্পৰাগত নগদমূল্য-চুক্তি সমূহৰ পৰা অৰ্থপূৰ্ণ ভাবে পৃথক

।আগতেই কোৱা হৈছে যে পৰম্পৰাগত চুক্তিসমূহ মুঠাবদ্ধ বা একীকৃত ৰূপত থাকে ।চৰ্ত,ব্যয় আৰু সঞ্চয়-উপাংশৰ পৰিপ্ৰেক্ষিতত এই চুক্তিবোৰ অস্বচ্ছ ।ইয়াৰ বিপৰীতে ইউনিট-লিংকড্ চুক্তিবোৰ হ'ল বৈশিষ্ট্যমূলক ভাবে পৃথকীকৃত ।বীমা ব্যয় বা মৃত্যুদৰ আৰু ব্যয়ৰ উপাংশবোৰৰ অতি স্পষ্ট আৰু সুনিৰ্দ্দিষ্ট উল্লেখৰ সন্দৰ্ভত এই চুক্তিবোৰৰ গাঁথনি অতি স্বচ্ছ ।

পাঠৰ ব্যাখ্যামূলক নক্সা 2: প্ৰিমিয়ামৰ বিঘটন বা ব্ৰেক আপ

প্ৰিমিয়ামৰ পৰা এইবোৰৰ খৰছ কাটি লোৱাৰ পিছত, বাকী ৰাশি আৰু ইয়াৰ আয়ক ইউনিটত বিনিয়োগ কৰা হয়। কাৰ্যদক্ষতা ভিত্তিক পুৰ্ব নিৰ্দ্দিষ্ট এক সুচ্যাংকৰ পৰিপ্ৰেক্ষিতত এই ইউনিট বোৰৰ মূল্য নিৰ্দ্ধাৰিত হয় ।

মুখ্য বিষয়টো হ'ল, আগতেই ঠিক কৰি ৰখা কিছু সূত্ৰ বা নীতিৰ আধাৰত এই মূল্য নিৰ্দ্ধাৰিত হয়।সাধাৰণতে নেট এছেট ভেল্যু (NAV) বা প্ৰকৃত সম্পদ মূল্যৰ হিচাবত ইউনিটৰ মুল্য নিৰ্দ্দিষ্ট কৰা হয় । যিবোৰ সম্পদত পুঁজিটো বিনিয়োগ কৰা হৈছে, সেই সম্পদ বোৰৰ বজাৰ দৰ NAVএ প্ৰতিফলিত কৰে । গতিকে একেই সূত্ৰ অনুসৰণ কৰি দুজন ভিন্ন ব্যক্তিয়ে একে ধৰণৰ লাভ পাব পাৰে ।

সেয়েহে, পলিচিধাৰকে পাব লগা সুবিধা বা লাভ বীমাকাৰকৰ অনুমান বা নিজস্ব ইচ্ছাৰ ওপৰত নিৰ্ভৰ নকৰে ।

ইউনিট-লিংকড্ পলিচিবোৰৰ এটা আকৰ্ষণীয় দিশ হ'ল - বিভিন্ন ধৰণৰ পুঁজিৰ মাজৰ পৰা যি কোনো এটাক ইউনিটধাৰকে বাছি ল'ব পৰাৰ সুবিধা বা স্বাধীনতা ।প্ৰতিটো পুঁজিতেই বিভিন্ন সম্পদৰ মিশ্ৰণৰ একোটা ভিন্ন প'ৰ্টফ'লিঅ থাকে ।সেয়েহে বিনিয়োগকাৰীয়ে ডেট, বেলেন্সড্ আৰু ইকুইটি ফাণ্ডৰ মাজৰ পৰা পছন্দ কৰাৰ এক বিস্তৃত বিকল্পৰ সুবিধা পায় ।ডেট্ ফাণ্ড বা ঋণ পুঁজি বুলিলে বুজায় যে এজনৰ সৰহ ভাগ প্ৰিমিয়াম, ডেট্ ছিকিউৰিটিজ্ অৰ্থাৎ ঋণ-প্ৰতিভূতি, যেনে গিল্ট্ আৰু ব'ণ্ড বিনিয়োগ কৰা হৈছে ।আৰু ইকুইটি ফান্ড বুলি ক'লে বুজি পোৱা যায় যে ইউনিটবোৰ প্ৰধানত ইকুইটি বা সাধাৰণ অংশীদাৰি শ্বেয়াৰৰ আকাৰত আছে ।এই মূখ্য বিভাগ সমূহৰ মাজতো আৰু অন্য প্ৰকাৰৰ বিকল্পও থাকিব পাৰে ।

ইকুইটি ফাণ্ড	ডেট্ ফাণ্ড	বেলেন্সড্ ফাণ্ড	মনি মাৰ্কেট ফাণ্ড
এই পুঁজিৰ মুখ্য অংশ ইকুইটি আৰু ইকুইটি সম্পৰ্কিত উপকৰণত বিনিয়োগ কৰা হয় ।	এই পুঁজিৰ মুখ্য অংশ চৰকাৰী ব'ণ্ড, কৰ্পোৰেট ব'ণ্ড, ফিক্সড্ ডিপ''জিট আদিত বিনিয়োগ কৰা হয় ।	এই পুঁজিৰ ধন ইকুইটি আৰু ডেটৰ মিশ্ৰ উপকৰণত বিনিয়োগ কৰ হয় ।	এই পুঁজিৰ ধন মূলতঃ ট্ৰেজাৰি বিল, ডিপ'জিট চাৰটিফিকেট, কমাৰ্চিয়েল পেপাৰ আদিত বিনিয়োগ কৰা হয় ।

এজন ব্যক্তিয়ে, গ্ৰ'থ ফাণ্ড -যাৰ ধন ঘাইকৈ গ্ৰ'থ ষ্টকত বিনিয়োগ কৰা হয়, অথবা বেলেন্সড্ ফাণ্ড -যিয়ে আয়ৰ চাহিদা আৰু মূলধনী আয়ৰ মাজত ভাৰসাম্য ৰক্ষা কৰে - ইয়াৰ যিকোনো এটাক প্ৰয়োজন অনুযায়ী বাছি ল'ব পাৰে ।কোনোবাই আকৌ চেক্ট'ৰেল অৰ্থাৎ ক্ষেত্ৰ ভিত্তিক ফাণ্ড্ বাছি ল'ব পাৰে -য'ত ধনৰ বিনিয়োগ বিশেষ ক্ষেত্ৰ বা কিছুমান উদ্যোগত কৰা হয় ।মূল কথা হ'ল, বাছি লোৱা বিকল্পটোৱে ব্যক্তিজনৰ বিপদাশংকা গ্ৰহণ কৰাৰ ক্ষমতা আৰু বিনিয়োগ চাহিদা যথাযথ ভাবে প্ৰিতবিম্বিত কৰাটো অতি আৱশ্যক ।যদি এক বা একাধিক ফাণ্ডৰ কাৰ্য্যফল আশানুৰূপ নহয়, তেন্তে এবিধৰ পৰা আনবিধ ফাণ্ডলৈ পৰিবৰ্তন কৰাৰ ব্যৱস্থাও আছে ।

এই সকলোবোৰ বিকল্পৰেই কিন্তু এটা সীমাবদ্ধতা আছে, যেনে- পৰ্টফ'লিঅ বিশেষৰ কাৰ্য্যসম্পাদনাৰ ক্ষেত্ৰত বীমাকাৰকৰ পৰা উচ্চ স্তৰৰ দক্ষতা আশা কৰিব পাৰিলেও, ইউনিটৰ মূল্য সম্বন্ধে বীমাকাৰকে কোনো গেৰাণ্টী নিদিয়ে ।সেয়েহে, বিনিয়োগ-বিপদাশংকাৰ এক গধুৰ দায়িত্বৰ পৰা বীমাকাৰকে অব্যাহতি পাই যায় ।ইউনিটধাৰকে এই বিপদাশংকা বহন কৰিব লগা হয় ।যি কি নহওঁক, বীমাকাৰকে ব্যয় আৰু মৃত্যুহাৰৰ বিপদাশংকা বহন কৰিব পাৰে ।আকৌ, ইউনিট-লিংকড্ পলিচিবোৰে ন্যূনতম প্ৰিমিয়ামৰ ভিত্তিত কাম কৰে, পৰম্পৰাগত আঁচনিবোৰৰ দৰে আশ্বাসিত বীমাৰাশিৰ ভিত্তিত নহয় ।নিয়মিত সময়ৰ ব্যবধানত দেয় প্ৰিমিয়ামৰ পৰিমাণৰ বিষয়ে

বীমাকৃতই নিৰ্ণয় ল'ব পাৰে ।এই ক্ষেত্ৰত বীমা সুৰক্ষাবেষ্টনী হ'ব প্ৰদত্ত প্ৰিমিয়ামৰ এক গুণিতক ।কম বা বেছি বীমা সুৰক্ষা বাছি লোৱাৰ বিকল্প বীমাকৃতৰ আছে ।ইউলিপ প্ৰিমিয়ামত দুটা উপাংশ থাকে । প্ৰথমটো অৰ্থাৎ টাৰ্ম কম্প'নেন্ট বা কালদৈৰ্ঘ্য উপাংশক এক গেৰান্টীযুক্ত পুঁজিত থোৱা হয় (বৃটিশ্ যুক্তৰাজ্যত যাক ষ্টেৰলিং ফাণ্ড বুলি কোৱা হয়), যিটোৱে মৃত্যুৰ ক্ষেত্ৰত এক ন্যূনতম আৰ্থিক সুৰক্ষা আগ বঢ়ায় ।প্ৰিমিয়ামৰ অৱশিষ্ট উপাংশটোক বীমাকাৰকে ইউনিট ক্ৰয়ৰ বাবে ব্যৱহাৰ কৰে ।এই ইউনিটবোৰ পুঁজি বজাৰ, বিশেষকৈ সন্তাৰ বজাৰ অৰ্থাৎ ষ্টক মাৰ্কেটত বিনিয়োগ কৰা হয় ।মৃত্যুৰ ক্ষেত্ৰত, আশ্বাসিত বীমাৰাশি বা ইউনিট ধাৰকৰ একাউন্টত থকা পুঁজিমূল্যৰ মাজত যিটো বেছি হয় - সেই পৰিমাণটোকেই মৃত্যুদাবীৰ ৰাশি বুলি ধৰা হয় ।সহজ কথাত, পুঁজিমূল্য হ'ল ইউনিট ধাৰকৰ একাউন্টত থকা ইউনিটৰ সংখ্যা আৰু এটা ইউনিটৰ মূল্যৰ পূৰণ ফল ।

নিজক পৰখ কৰক 2

তলৰ কোনটো বিবৃতি অশুদ্ধ?

I. পৰিবৰ্তনশীল জীবন বীমা হ'ল এক অস্থায়ী জীবন বীমা পলিচি

II. পৰিবৰ্তনশীল জীবন বীমা হ'ল এক স্থায়ী জীবন বীমা পলিচি

III. এই পলিচিত নগদমূল্য একাউন্ট আছে

IV. এই পলিচিয়ে এক ন্যূনতম মৃত্যুদাবীৰ গেৰাণ্টী দিয়ে

সাৰ সংক্ষেপ

- জীবন বীমা পলিচিৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ বিষয় হ'ল বিত্তীয় বজাৰত উপলব্ধ অন্যান্য সম্পদ বোৰৰ লগত তুলনাযোগ্য এক প্ৰতিযোগিতামূলক লাভৰ হাৰ প্ৰদান কৰাৰ সমস্যা ।
- যি সকল ধাৰাই অপৰম্পৰাগত জীবন বীমা পণ্যসমূহক উৰ্দ্ধমুখী কৰিছে - সেই বোৰৰ অন্তৰ্গত হ'ল মুঠা মুক্তকৰণ বা আনবাণ্ডলিং, বিনিয়োগ-সংযোগ আৰু স্বচ্ছতা ।
- ইউনিভাৰ্ছেল লাইফ ইনশ্বিউৰেন্স হ'ল এক প্ৰকাৰৰ স্থায়ী বীমা - যাৰ বৈশিষ্ট্য হ'ল নমনীয় প্ৰিমিয়াম, নমনীয় অভিহিত অংক, পৰিৱৰ্তনযোগ্য মৃত্যুসুবিধা, আৰু মূল্য-নিৰূপণৰ উপাদান সমূহৰ সুস্পষ্ট পৃথকীকৰণ ।
- ভেৰিএবল্ লাইফ ইনশ্বিউৰেন্স বা পৰিবৰ্তনশীল জীবন বীমা হ'ল আজীবন বীমাৰ এক প্ৰকাৰভেদ । প্ৰিমিয়াম জমা কৰা এক বিশেষ বিনিয়োগ একাউন্টৰ ফলাফলৰ লগত পলিচিৰ মৃত্যুসুবিধাৰ পৰিমাণ তথা নগদমূল্যৰ পৰিমাণ উঠা-নমা কৰে ।
- ইউনিট-লিংকড্ আঁচনিবোৰে, যি বোৰক চমুকৈ ইউলিপচ্ (ULIPs) বুলি কোৱা হ'য়, বিভিন্ন বজাৰত পৰম্পৰাগত আঁচনি সমূহক স্থানচ্যুত কৰি এক অতি জনপ্ৰিয় আৰু গুৰুত্বপুৰ্ণ পণ্য হিচাবে আত্ম প্ৰকাশ কৰিছে ।
- ইউনিট-লিংকড্ পলিচিবোৰে বীমকাৰকৰ বিনিয়োগ-কাৰ্য্যদক্ষতাৰ সুফল সমূহক তুৰন্তে আৰু পোনপটীয়াকৈ আগ বঢ়োৱাৰ ব্যবস্থা কৰে ।

সুনিৰ্দ্দিষ্ট অৰ্থনিহিত গুৰুত্বপূৰ্ণ শব্দ

1. ইউনিভাৰ্ছেল লাইফ ইনশ্বিউৰেন্স
2. ভেৰিএবল্ লাইফ ইনশ্বিউৰেন্স
3. ইউনিট-লিংকড্ ইনশ্বিউৰেন্স
4. নেট এছেট্ ভেল্যু বা প্ৰকৃত সম্পদ মূল্য

"নিজক পৰখ কৰক"ৰ উত্তৰ

উত্তৰ 1

সঠিক বিকল্পটো হৈছে II.

ইউনিভাৰ্ছেল লাইফ ইনশ্বিউৰেন্স হৈছে এক অপৰম্পৰাগত পণ্য ।

উত্তৰ 2

সঠিক বিকল্পটো হৈছে I

এই বিবৃতিটো, "পৰিবৰ্তনশীল জীবন বীমা হৈছে এক অস্থায়ী জীবন বীমা পলিচি" অশুদ্ধ ।

শুদ্ধ বিবৃতিটো হ'ল, "পৰিবৰ্তনশীল জীবন বীমা হৈছে এক স্থায়ী জীবন বীমা পলিচি" ।

স্ব-পৰীক্ষণ প্ৰশ্ন

প্ৰশ্ন 1

সম্পদৰ আন্তঃসময়গত আবন্টন বুলিলে কি বুজায়?

I. উপযুক্ত সময় নহালৈকে সম্পদৰ আবন্টন স্থগিতকৰণ

II. সম্পদৰ সময় জুৰি আবন্টন

III. সম্পদৰ অস্থায়ী আবন্টন

IV. সম্পদ আবন্টনৰ বহুমুখীকৰণ

প্ৰশ্ন 2

তলৰ কোনটো পৰম্পৰাগত জীবন বীমা পণ্যত থকা সীমাবদ্ধতা?

I. এইবোৰ পলিচিত লাভৰ পৰিমাণ অতি উচ্চ

II. সমৰ্পণ মুল্য হিচাব কৰাৰ বাবে এক স্বচ্ছ আৰু বোধগম্য পদ্ধতি

III. সুনিৰ্দ্দিষ্ট নগদ আৰু সঞ্চয় মূল্যৰ উপাংশ

IV. লাভৰ হাৰ নিৰূপণ কৰাটো সহজ সাধ্য নহয়

প্ৰশ্ন 3

ইউনিভাৰ্ছেল লাইফ পলিচি প্ৰথমে ক'ত আৰম্ভ কৰা হৈছিল?

I. ইউ এচ এ

II. গ্ৰেট বৃটেইন

III. জাৰ্মানী

IV. ফ্ৰান্স

প্ৰশ্ন 4

তলৰ কোনজন ব্যক্তিয়ে পৰিবৰ্তনশীল জীবন বীমা ক্ৰয় কৰাৰ সম্ভাৱনা আছে?

I. যি সকলে নিৰ্দ্দিষ্ট লাভ বিছাৰে

II. যিসকল ব্যক্তি বিপদাশংকা বিমুখ আৰু ইকুইটিত কোনো ধৰণৰ আগ্ৰহ নাই

III. ইকুটিৰ সৈতে স্বচ্ছন্দ বোধ কৰা বিজ্ঞ ব্যক্তি

IV. সচৰাচৰ যুৱ-সম্প্ৰদায়

প্ৰশ্ন 5

ইউলিপচ্ৰ ক্ষেত্ৰত কোনটো মন্তব্য সঁচা?

I. পূৰ্বেই নিৰ্দ্ধাৰিত এক সূত্ৰৰ দ্বাৰা ইউনিটৰ মূল্য নিৰ্ণীত হয়

II. বীমাকাৰকে বিপদাশংকা বহন কৰে

III. চৰ্ত, ব্যয় আৰু সঞ্চয় উপাংশ সমূহৰ বিষয়ে ইউলিপচ্ স্বচ্ছ নহয়

IV. ইউলিপচ্ হ'ল মুঠাবদ্ধ পণ্য

প্ৰশ্ন 6

তলৰ কোনটোৰ বাহিৰে বাকি কেইটা পৰিবৰ্তনশীল জীবন বীমাৰ বৈশিষ্ট্য?

I. নমনীয় প্ৰিমিয়াম পৰিশোধ

II. নগদ মূল্য গেৰান্টীযুক্ত নহয়

III. পলিচিধাৰকৰ জমাপুঁজি ক'ত বিনিয়োগ কৰা হ'ব সেয়া বাছি লোৱাৰ সুবিধা তেঁওৰ থাকে

IV. ন্যূনতম মৃত্যু সুবিধা গেৰান্টীযুক্ত থাকে

প্ৰশ্ন 7

ইউনিভাৰ্ছেল লাইফ সম্পৰ্কে তলত দিয়া কোনটো বিবৃতি সঠিক?

বিবৃতি I: এই পলিচিত পলিচিধাৰকে প্ৰিমিয়ামৰ পৰিমাণ সলাব পাৰে

বিবৃতি II: পলিচিধাৰকে নগদমূল্যৰ ওপৰত বজাৰ ভিত্তিক লাভৰ হাৰ আৰ্জিব পাৰে

I. I শুদ্ধ

II. II শুদ্ধ

III. I আৰু II শুদ্ধ

IV. I আৰু II অশুদ্ধ

প্ৰশ্ন 8

তলৰ কোনটোৰ বাহিৰে ইউলিপচৰ বিষয়ে গোটেই কেইটা সত্য?

I. ইউনিটধাৰকে বিভিন্ন ধৰণৰ পুঁজিৰ পৰা বাছি ল'ব পাৰে

II. বীমাকাৰকে ইউনিটৰ মূল্যৰ বিষয়ে গেৰান্টী প্ৰদান কৰে

III. ইউনিটসমূহ একক নাইবা নিয়মিত সময়ৰ অন্তৰত দেয় প্ৰিমিয়ামেৰে ক্ৰয় কৰিব পাৰি

IV. বীমা-ব্যয়ৰ উপাংশৰ সন্দৰ্ভত ইউলিপ পলিচিৰ গাঁথনি অতি স্বচ্ছ

প্ৰশ্ন 9

আই আৰ ডি এ-ৰ বিধি অনুসৰি বীমা কোম্পানীসমূহে ভাৰতত তলৰ কোন প্ৰকাৰৰ অপৰম্পৰাগত সঞ্চয়মুখী জীবন বীমা পণ্য আগ বঢ়াব পাৰে?

বাছনি I: ইউনিট-লিংকড্ বীমা আঁচনি

বাছনি II.পৰিবৰ্তনশীল বীমা আঁচনি

I. কেৱল I

II. কেৱল II

III. I আৰু II দুয়োটা

IV. I আৰু II এটাও নহয়

প্ৰশ্ন 10

মুঠামুক্তকৰণ বা আনবাণ্ডলিং বুলিলে কি বুজায়?

I. বণ্ডৰ সৈতে জীবন বীমা পণ্যসমূহৰ সহ-সম্পৰ্ক

II. ইকুটিৰ সৈতে জীবন বীমা পণ্যসমূহৰ সহ-সম্পৰ্ক

III. সুৰক্ষা আৰু সঞ্চয় উপাদানৰ একত্ৰীকৰণ

IV. সুৰক্ষা আৰু সঞ্চয় উপাদানৰ পৃথকীকৰণ

স্ব-পৰীক্ষণমূলক প্ৰশ্নৰ উত্তৰ

উত্তৰ 1

শুদ্ধ উত্তৰটো হৈছে II

সম্পদৰ আন্তঃসময়গত আবন্টনৰ অৰ্থ হ'ল সময় জুৰি আবন্টন।

উত্তৰ 2

শুদ্ধ উত্তৰটো হৈছে IV

পৰম্পৰাগত জীবন বীমা পণ্যৰ ক্ষেত্ৰত লাভৰ হাৰ নিৰূপণ কৰাটো সহজসাধ্য নহয়।

উত্তৰ 3

সঠিক উত্তৰটো হৈছে I

ইউনিভাৰ্ছেল লাইফ পলিচি প্ৰথমে ইউ এচ এ- ত প্ৰৱৰ্তিত হৈছিল।

উত্তৰ 4

শুদ্ধ উত্তৰটো হ'ল III

ইকুইটিৰ সৈতে স্বচ্ছন্দ বোধ কৰা বিজ্ঞ ব্যক্তিজনে পৰিবৰ্তনশীল জীবন বীমা ক্ৰয় কৰাৰ সম্ভাবনা আছে ।

উত্তৰ 5

সঠিক বিকল্পটো হ'ল I

পূৰ্বেই নিৰ্দ্ধাৰিত এক সূত্ৰৰ দ্বাৰা ইউনিটৰ মূল্য নিৰ্ণীত হয় ।

উত্তৰ 6

সঠিক বিকল্পটো হ'ল I

পৰিবৰ্তনশীল জীবন বীমাৰ ক্ষেত্ৰত প্ৰিমিয়াম পৰিশোধ নিৰ্দ্দিষ্ট, - নমনীয় নহয় ।

উত্তৰ 7

সঠিক বিকল্পটো হ'ল III

দুয়োটা বিবৃতিয়েই শুদ্ধ ।প্ৰিমিয়াম পৰিশোধৰ নমনীয়তা ইউনিভাৰ্ছেল লাইফ ইনশ্বিউৰেন্সৰ এক বিশেষত্ব ।এই প্ৰকাৰৰ জীবন বীমাই পলিচিধাৰকক কিছুমান বজাৰভিত্তিক সূচ্যাংকৰ লগত সংযোগ থকা লাভৰ হাৰ অৰ্জন কৰাৰ সুবিধা দিয়ে ।

উত্তৰ 8

সঠিক বিকল্পটো হ'ল II

ইউলিপৰ ক্ষেত্ৰত ইউনিটৰ মূল্যৰ কোনো গেৰান্টী বীমাকাৰকে নিদিয়ে ।

উত্তৰ 9

সঠিক বিকল্পটো হ'ল III

ভাৰতত আই আৰ ডি এৰ বিধি অনুসৰি অনুমতিপ্ৰাপ্ত দুই প্ৰকাৰৰ অপৰম্পৰাগত সঞ্চয়মুখী জীবন বীমা পণ্য হ'ল ইউনিট-লিংকড্ বীমা আঁচনি আৰু পৰিবৰ্তনশীল বীমা আঁচনি ।

উত্তৰ 10

সঠিক উত্তৰ্টো হৈছে IV

জীবন বীমা পণ্যৰ মুঠামুক্তকৰণ বা আনবাণ্ডলিং বুলিলে সুৰক্ষা আৰু সঞ্চয় উপাদানৰ পৃথকীকৰণ বুজায়।

অধ্যায় 10
জীবন বীমাৰ প্ৰয়োগ

অধ্যায় পৰিচিতি

জীবন বীমাই মানুহক কেৱল অকাল মৃত্যুৰ বিপৰীতেই আৰ্থিক সুৰক্ষা নিদিয়ে, ইয়াৰ অন্যান্য প্ৰয়োগো আছে ।এক ন্যাস গঠন কৰাৰ জৰিয়তে বীমাৰ সুবিধা বা লাভ পোৱাৰ বাবে ইয়াক ব্যৱহাৰ কৰিব পাৰি; কোনো উদ্যোগ বা শিল্পৰ মুখ্য ব্যাক্তিজনক বীমা সুৰক্ষা দিবৰ বাবে বিশেষ আঁচনি সৃষ্টি কৰাৰ অথবা বন্ধকী মোকোলোৱাৰ বাবেও ইয়াৰ প্ৰয়োগ কৰিব পাৰি ।জীবন বীমাৰ এই বিভিন্ন প্ৰয়োগ সমূহৰ বিষয়ে ইয়াত চমুকৈ আলোচনা কৰা হ'ব ।

শিক্ষণৰ ফলাফল

A. জীবন বীমাৰ প্ৰয়োগ

A. জীবন বীমাৰ প্ৰয়োগ

1. বিবাহিতা মহিলাসকলৰ সম্পত্তি আইন বা মেৰিড উইমেনচ্ প্ৰপাৰ্টি এক্ট (এম ডব্লিউ পি এক্ট)

বাৰ্ষিক বৃত্তিকে ধৰি জীবন বীমা পলিচিবোৰৰ অধীনত লভ্য সুবিধা সমূহৰ হস্তান্তৰণ / উত্তৰাধিকাৰৰ ওপৰত সম্পদ শুল্কৰ প্ৰযোজ্যতাই এক ট্ৰাষ্ট বা ন্যাস গঠনৰ ধাৰণাৰ জন্ম দিছিল ।ভাৰতত সম্পদ শুল্কৰ বিলুপ্তিকৰণৰ লগতে ন্যাসৰ প্ৰতি অভিৰুচি নাইকীয়া হ'ব পাৰে, কিন্তু বিষয়টো বিশদ ভাবে জনাটো লাভপ্ৰদ হ'ব ।

বিবাহিতা মহিলাসকলৰ সম্পত্তি আইন, 1874 ৰ 6 নং ধাৰাই জীবন বীমা পলিচি এখনৰ অধীনত পত্নী আৰু সন্তানৰ বাবে উপলব্ধ সুবিধা সমূহৰ নিৰাপত্তা দিয়ে ।বিবাহিতা মহিলাসকলৰ সম্পত্তি আইন, 1874 ৰ 6 নং ধাৰা অনুযায়ী পলিচিৰ ন্যাস গঠন কৰাৰ বাবে এটা বিশেষ অধিকাৰ দিয়া আছে ।

পাঠৰ ব্যাখ্যামূলক নক্সা 1: এম ডব্লিউ পি এক্টৰ অধীনত হিতাধিকাৰী সকল



"এজন বিবাহিত ব্যক্তিয়ে যদি নিজৰ জীবনৰ ওপৰত বীমা কৰে আৰু পলিচিটোত স্পষ্টকৈ ঘোষণা কৰে যে এইটো তেঁওৰ স্ত্ৰী বা স্ত্ৰী আৰু সন্তানসকল অথবা ইয়াৰে যিকোনো এজনৰ সুবিধালাভৰ অৰ্থে গৃহীত, তেন্তে তেঁওৰ প্ৰকাশিত ইচ্ছা অনুযায়ী তেঁওৰ স্ত্ৰী, স্ত্ৰী আৰু সন্তানসকল বা ইয়াৰে যিকোনো এজনৰ সুবিধালাভৰ উদ্দেশ্যে এইটো এটা ন্যাস হিচাবে গণ্য কৰা হ'ব আৰু যেতিয়ালৈকে ন্যাসৰ এই উদ্দেশ্য অপৰিবৰ্তিত থাকিব, তেতিয়ালৈকে এই পলিচি, স্বামী বা তেঁওৰ পাওনাদাৰসকলৰ নিয়ন্ত্ৰণত নাথাকে বা তেঁওৰ সম্পত্তিৰ অন্তৰ্ভূক্ত নহয় ।

a) এম ডব্লিউ পি এক্টৰ অধীনৰ পলিচি এখনৰ বৈশিষ্ট্যবোৰ:

i. প্ৰতিখন পলিচি এক পৃথক ন্যাস হ'ব ।পত্নী বা সাবালক সন্তান (18 বছৰৰ ওপৰত) ন্যাসপাল বা ট্ৰাষ্টি হ'ব পাৰে ।

ii. আদালতে পলিচিখন ক্ৰোক কৰিব নোৱাৰে আৰু ই পাওনাদাৰ আনকি জীবন বীমাকৃত ব্যক্তিজনৰ নিয়ন্ত্ৰণৰ বাহিৰত থাকে ।

iii. দাবীৰ ধন ন্যাসপালক পৰিশোধ কৰা হয় ।

iv. পলিচিখন সমৰ্পণ কৰিব নোৱাৰি আৰু নামাংকন নাইবা হস্তান্তৰকৰণৰ অনুমতি দিয়া নহয় ।

v. যদি পলিচিধাৰকে পলিচিৰ অধীনত আশ্বাসিত বীমা ৰাশি পৰিশোধ কৰাৰ সময়ত কোনো বিশেষ ন্যাসপালক এই অৰ্থ গ্ৰহণ কৰি তাক নিজৰ জিম্মাত ৰাখিবৰ বাবে বৈধ ভাবে নিয়োগ নকৰে, তেন্তে সেই ধনৰাশি সেই ৰাজ্যখনৰ চৰকাৰী ন্যাসপালক পৰিশোধ কৰা হ'ব য'ত বীমা চুক্তিটো কাৰ্য্যকৰী হোৱা কৰ্য্যালয়টো অৱস্থিত আছিল ।

b) সুবিধাসমূহ

ন্যাস বা ট্ৰাষ্টটো এক অপৰিবৰ্তনীয় আৰু অসংশোধনীয় ট্ৰাষ্ট ডীড় বা ন্যাস চুক্তিনামাৰ জৰিয়তে গঠন কৰা হয়, যাৰ অধীনত এক বা একাধিক পলিচি থাকিব পাৰে ।এই জীবন বীমা পলিচিৰ ধনৰাশিখিনি এটা ন্যাসৰ সম্পত্তি হোৱা হেতুকে, ইয়াৰ যথাযথ পৰিচালনাৰ বাবে এক ন্যাসপাল নিয়োগ কৰাটো জৰুৰী হৈ পৰে । পলিচি ধাৰণৰ বাবে ন্যাস গঠন কৰি প্ৰকৃততে পলিচিধাৰকে তেঁওৰ জীৱিতাৱস্থাৰ বা মৰণোত্তৰ সকলো অধিকাৰ পৰিত্যাগ কৰে ।ন্যাসপালে বীমাধনৰাশি বিনিয়োগ কৰে আৰু এক বা একাধিক হিতাধিকাৰী বা সুবিধাভোগীৰ হিতৰ উদ্দেশ্যে ন্যাস পৰিচালনা কৰে ।

যি সময়ত সাধাৰণতে পত্নী আৰু সন্তানৰ (নিজৰ বা তোলনীয়া) হিতৰ বাবে ন্যাস গঠন কৰা হয়, ন্যাসপাল কিন্তু কোনো বিধিসন্মত সত্তাও (লিগেল পাৰ্ছন) হ'ব পাৰে ।ন্যাস গঠন কৰাৰ ফলত, হিতাধিকাৰীৰ নাবালকত্বৰ কালছোৱাত বীমা ধনৰাশিৰ বিচক্ষন বিনিয়োগ সুনিশ্চিত হয় আৰু ভৱিষ্যত পাওনাদাৰৰ দাবীৰ বিপৰীতে ইয়াৰ সুবিধাসমূহ সুৰক্ষিত থাকে ।

2. মুখ্য ব্যক্তি বীমা বা কী মেন ইনশ্বিউৰেন্স

মুখ্য ব্যক্তি বীমা হৈছে ব্যৱসায়িক বীমাৰ এক গুৰুত্বপুৰ্ণ অঙ্গ ।

সংজ্ঞা

মুখ্য ব্যক্তি বীমা হৈছে ব্যৱসায় এটাই ইয়াৰ অতি গুৰুত্বপুৰ্ণ সদস্য এজনৰ মৃত্যু বা দীৰ্ঘকালীন অপাৰগতাৰ ফলত ব্যৱসায়ত হ'ব পৰা বিত্তীয় লোকচানৰ ক্ষতি পূৰণ কৰাৰ বাবে লোৱা বীমা ।

সৰল ভাষাত ক'বলৈ হ'লে, মুখ্য ব্যক্তি বীমা হৈছে এনে এক জীবন বীমা যাক ব্যৱসায় সুৰক্ষাৰ উদ্দেশ্যত ব্যৱহাৰ কৰা হয় ।এই পলিচিখনৰ ম্যাদ ব্যৱসায় ক্ষেত্ৰত মুখ্য ব্যক্তিজনৰ উপযোগিতা কালতকৈ অধিক নহয় । এক মুখ্য উপাৰ্জন উৎপাদনকাৰীক হেৰুৱালে ব্যৱসায়ত হ'ব পৰা আৰ্থিক লোকচানৰ ক্ষতি পূৰণ কৰি ব্যৱসায় অব্যাহত ৰখাটো সহজসাধ্য কৰাৰ বাবে সাধাৰণতে ব্যৱসায় প্ৰতিষ্ঠানবোৰে মুখ্য ব্যক্তি

বীমা কিনে ।মুখ্য ব্যক্তি বীমাই প্ৰকৃত লোকচানৰ ক্ষতি পূৰণ নিদিয়ে, কিন্তু বীমা পলিচিখনত অভিহিত নিৰ্দ্দিষ্ট পৰিমাণৰ ধন ৰাশিৰে ক্ষতি পূৰণ কৰে ।

বহু ব্যৱসায়ত এজন মুখ্য ব্যক্তি থাকে যিজন অধিকাংশ লাভৰ বাবে দায়বদ্ধ হয়, বা তেঁওৰ অসাধাৰণ আৰু কঠিন-লভ্য দক্ষতা কিছুমান আছে, যেনে বৌদ্ধিক সম্পদ, যি প্ৰতিষ্ঠানটোৰ বাবে জীবনদায়িনী শক্তিস্বৰূপ । এটা প্ৰতিষ্ঠানৰ যিজন কৰ্মচাৰীৰ জ্ঞান, কামৰ উৎকৰ্ষ, অথবা সামগ্ৰিক অৱদান হেতুকে তেঁওক প্ৰতিষ্ঠানটোৰ বাবে অপৰিসীম মূল্যবান বুলি বিবেচনা কৰা হয়, নিয়োগকৰ্তাজনে সেই জন কৰ্মচাৰীৰ জীবন বা স্বাস্থ্যৰ ওপৰত মুখ্য ব্যক্তি বীমা ল'ব পাৰে ।

প্ৰতিষ্ঠানটোৱে মুখ্য ব্যক্তিজনক হেৰুৱালে বহন কৰিবলগীয়া সম্ভাব্য ব্যয় (যেনে অস্থায়ী সহায়ৰ ব্যৱস্থা কৰা বা স্থলাভিষিক্ত ব্যক্তিজনক নিযুক্তি দিয়া) আৰু লোকচানৰ (যেনে স্থলাভিষিক্ত ব্যক্তিজন প্ৰশিক্ষণপ্ৰাপ্ত নোহোৱালৈ ব্যৱসায় অব্যাহত ৰখাৰ সঙ্কুচিত সামৰ্থ্য) ক্ষতিপূৰণৰ বাবে এই সুবিধা গ্ৰহণ কৰে ।

মুখ্য ব্যক্তি বীমা হৈছে এক ম্যাদী বীমা পলিচি য'ত আশ্বাসিত বীমা ৰাশিটো কোম্পানীৰ লাভজনকতাৰ সৈতে সম্পৰ্কিত, মুখ্য ব্যক্তিজনৰ নিজা উপাৰ্জনৰ সৈতে নহয় ।প্ৰিমিয়ামটো কোম্পানীয়ে দিয়ে ।ই কৰ-সুবিধাৰ বাবে উপযোগী কিয়নো সমুচ্চয় প্ৰিমিয়াম ব্যৱসায় সংক্ৰান্ত ব্যয় হিচাবে গণ্য কৰা হয় ।মুখ্য ব্যক্তিজনৰ মৃত্যু হ'লে বীমা ৰাশিটো কোম্পানীক পৰিশোধ কৰা হয় ।ব্যক্তিগত বীমা পলিচিৰ বিপৰীতে, মুখ্য ব্যক্তি বীমাৰ মৃত্যুদাবীৰ ৰাশিটোক উপাৰ্জন হিচাবে গণ্য কৰি ইয়াৰ ওপৰত কৰ আৰোপ কৰা হয় ।

বীমা ৰাশি নিৰ্দ্ধাৰণ কৰাৰ বাবে বীমাকাৰকে ব্যৱসায়ৰ লেখা পৰীক্ষাকৃত বিত্তীয় প্ৰতিবেদন (অডিটেড ফিনান্সিয়েল স্টেটমেন্টচ) আৰু দাখিল কৰা আয়কৰ প্ৰবিবৰণসমূহ (ইনকাম টেক্স ৰিটাৰ্ণচ) বিবেচনাভূক্ত কৰে ।সাধাৰণতে, মুখ্য ব্যক্তি বীমাৰ কাৰণে যোগ্য হ'বৰ বাবে কোম্পানীটো লাভজনক হ'ব লাগে ।কিন্তু কিছুমান ক্ষেত্ৰত, বীমাকাৰকসকলে লোকচান ভৰি থকা নতুন কোম্পানীৰ ক্ষেত্ৰত ব্যতিক্ৰম কৰিব পাৰে যদি সেই কোম্পানীটো ভালদৰে পুঁজিপুষ্ট হয় ।

a) মুখ্য ব্যক্তি কোন হ'ব পাৰে?

ব্যৱসায়টোৰ সৈতে পোনপটীয়াকৈ সম্পৰ্কিত যিকোনো ব্যক্তি এজন মুখ্য ব্যক্তি হ'ব পাৰে যিজনক হেৰুৱালে ব্যৱসায়টোৰ বিত্তীয় সঙ্কট হ'ব ।উদাহৰণ স্বৰূপে মুখ্য ব্যক্তিজন কোম্পানীৰ এজন অধিকৰ্তা, অংশীদাৰ, গুৰুত্বপূৰ্ণ বিক্ৰয় কৰ্মচাৰী, গুৰুত্বপূৰ্ণ প্ৰকল্প পৰিচালক, বা এনে কোনো ব্যক্তি হ'ব পাৰে যিজনৰ নিৰ্দ্দিষ্ট কোনো জ্ঞান বা দক্ষতা কোম্পানীটোৰ বাবে বিশেষকৈ মূল্যৱান ।

b) বীমাযোগ্য লোকচান

মুখ্য ব্যক্তি বীমাই নিম্নলিখিত লোকচানৰবোৰৰ বাবে ক্ষতিপূৰণ কৰিব পাৰে :

i. মুখ্য ব্যক্তিজনৰ দীৰ্ঘকালীন অপাৰগতা হেতুকে অস্থায়ী কৰ্মচাৰীৰ ব্যবস্থা, প্ৰয়োজন সাপেক্ষে বিকল্প ব্যক্তিৰ নিযুক্তিৰ আৰু প্ৰশিক্ষণৰ সংস্থান জনিত লোকচান ।

ii. হেৰোৱা বিক্ৰয়ৰ বাবে হেৰোৱা উপাৰ্জন, মুখ্য ব্যক্তিজন সংশ্লিষ্ট থকা ব্যৱসায় প্ৰকল্পৰ বিলম্ব বা বাতিলকৰণৰ ফলত হোৱা লোকচান, ব্যৱসায় সম্প্ৰসাৰণৰ সুযোগৰ হানি, বিশেষজ্ঞ সুলভ

পাৰদৰ্শিতাৰ অপচয় । এক কথাত ক'বলৈ হ'লে, বীমা হ'ল লাভ বা মুনাফা সুৰক্ষাৰ এক আহিলা ।

3. বন্ধকী বিমোচন বীমা বা ম'টগেজ ৰিডেম্পশ্বেন্ ইনশ্বিউৰেন্স (এম আৰ আই)

ধৰি লোৱা যাওক সম্পত্তি এটা কিনাৰ বাবে আপুনি ঋণ লৈছে ।ঋণ ব্যৱস্থাপনাৰ অংশ হিচাবে বেঙ্কে আপোনাক বন্ধকী বিমোচন বীমা এটা ল'বলৈ ক'ব পাৰে ।

a) বন্ধকী বিমোচন বীমা কি?

ই হৈছে এক বীমা আঁচনি যি গৃহ ঋণ গ্ৰহীতাসকলক বিত্তীয় সুৰক্ষা দিয়ে ।বন্ধকী বিমোচন বীমা হৈছে বন্ধকী ঋণটো সম্পূৰ্ণ ঘুৰাই দিয়াৰ আগতে বন্ধকদাতাৰ মৃত্যু হ'লে বন্ধকী ঋণৰ বাকী পৰিমাণখিনি আদায় দিয়াৰ কাৰণে বন্ধকদাতাই লোৱা এক হ্ৰাসমান ম্যাদী জীবন বীমা পলিচি । ইয়াক ঋণ ত্ৰানকৰ্তা বুলি ক'ব পাৰি। এই আঁচনিখন সেই সকল বয়োবৃদ্ধ লোকৰ বাবে উপযোগী, যি সকলৰ অপ্ৰত্যাশিত মৃত্যু ঘটিলে তেঁওলোকৰ উত্তৰাধিকাৰীসকলক তেঁওলোকৰ ঋণ পৰিশোধ কৰাৰ বাবে সহায়ৰ প্ৰয়োজন হ'ব পাৰে ।

b) বৈশিষ্ট্য সমূহ

পলিচিখনে সমৰ্পণ মূল্য বা ম্যাদপূৰ্তিৰ সুবিধাসমূহ বহন কৰে । অপৰিবৰ্তিত বীমা সুৰক্ষা থকা ম্যাদী বীমাৰ বিপৰীতে এই পলিচিৰ বীমা সুৰক্ষা প্ৰতি বছৰেই হ্ৰাস পায় ।

নিজক পৰখ কৰক 1

বন্ধকী বিমোচন বীমাৰ উদ্দেশ্য কি?

I. বন্ধকীৰ হাৰ হ্ৰাস কৰাত সহায়

II. গৃহ ঋণ গ্ৰহীতাসকলক বিত্তীয় সুৰক্ষা দিয়া

III. বন্ধকীত দিয়া সম্পত্তিৰ মূল্য সুৰক্ষিত কৰা

IV. ঋণ পৰিশোধ কৰিব নোৱাৰিলে গৃহৰ পৰ উচ্ছেদ হোৱা

সাৰ সংক্ষেপ

- বিবাহিতা মহিলাসকলৰ সম্পত্তি আইন,1874-ৰ 6 নং ধাৰাই জীবন বীমা পলিচি এখনৰ অধীনত পত্নী আৰু সন্তানৰ বাবে উপলব্ধ সুবিধা সমূহৰ নিৰাপত্তা দিয়ে।
- বিবাহিতা মহিলাসকলৰ সম্পত্তি আইনৰ অধীনত কাৰ্য্যকৰী কৰা পলিচিখন আদালতে ক্ৰোক কৰিব নোৱাৰে আৰু ই পাওনাদাৰ আনকি জীবন বীমাকৃত ব্যক্তিজনৰ নিয়ন্ত্ৰণৰ বাহিৰত থাকে।
- মুখ্য ব্যক্তি বীমা হৈছে ব্যৱসায়িক বীমাৰ এক গুৰুত্বপূৰ্ণ অংগ।ই হৈছে ব্যৱসায় এটাই ইয়াৰ অতি গুৰুত্বপুৰ্ণ সদস্য এজনৰ মৃত্যু বা দীৰ্ঘকালীন অপাৰগতাৰ ফলত ব্যৱসায়ত হ'ব পৰা বিত্তীয় লোকচানৰ ক্ষতি পূৰণ কৰাৰ বাবে লোৱা বীমা।
- বন্ধকী বিমোচন বীমা হৈছে বন্ধকী ঋণটো সম্পূৰ্ণ ঘুৰাই দিয়াৰ আগতে বন্ধকদাতাৰ মৃত্যু হ'লে বন্ধকী ঋণৰ বাকী পৰিমাণখিনি আদায় দিয়াৰ কাৰণে বন্ধকদাতাই লোৱা এক হ্ৰাসমান ম্যাদী বীমা পলিচি।

সুনিৰ্দ্দিষ্ট অৰ্থনিহিত গুৰুত্বপুৰ্ণ শব্দ

1. বিবাহিতা মহিলাসকলৰ সম্পত্তি আইন
2. মুখ্য ব্যক্তি বীমা
3. বন্ধকী বিমোচন বীমা

"নিজক পৰখ কৰক"ৰ উত্তৰ

উত্তৰ 1.

সঠিক উত্তৰটো হৈছে II

বন্ধকী বিমোচন বীমাই গৃহ ঋণ গ্ৰহীতাসকলক বিত্তীয় সুৰক্ষা দিয়ে।

স্ব-পৰীক্ষণ প্ৰশ্ন

প্ৰশ্ন 1

মুখ্য ব্যক্তি বীমাৰ অধীনত আশ্বাসিত বীমা ৰাশিটো সাধাৰণতে নিম্নলিখিত কোনটোৰ সৈতে সম্পৰ্কিত হয়?

I. মুখ্য ব্যক্তিজনৰ উপাৰ্জন

II. ব্যৱসায়ৰ লাভজনকতা

III. ব্যৱসায়ৰ ইতিহাস

IV. মুদ্ৰাস্ফীতি সূচ্যাংক

প্ৰশ্ন 2

বন্ধকী বিমোচন বীমাক (এম আৰ আই)_____অধীনত শ্ৰেণীবদ্ধ কৰিব পাৰি ।

I. বৰ্দ্ধমান ম্যাদী জীবন বীমা

II. হ্ৰাসমান ম্যাদী জীবন বীমা

III. পৰিবৰ্তনশীল জীবন বীমা

IV. ইউনিভাৰ্চেল লাইফ ইনশ্বিউৰেন্স

প্ৰশ্ন 3

মুখ্য ব্যক্তি বীমাৰ অধীনত নিম্নলিখিত কোনটো লোকচান অন্তৰ্ভূক্ত হয়?

I. সম্পত্তি চুৰি

II. মুখ্য ব্যক্তিজনৰ দীৰ্ঘকালীন অপাৰগতা সম্পৰ্কিত লোকচান

III. সাধাৰণ দায়বদ্ধতা

IV. ভুল ভ্ৰান্তিৰ ফলত হোৱা লোকচান

প্ৰশ্ন 4

বিবাহিতা মহিলাসকলৰ সম্পত্তি আইনৰ অধীনত পলিচি এখন লোৱা হৈছে । যদি পলিচিধাৰকে পলিচিৰ অধীনত আশ্বাসিত বীমা ৰাশি পৰিশোধ কৰাৰ সময়ত কোনো বিশেষ ন্যাসপালক এই অৰ্থ গ্ৰহণ কৰি তাক নিজৰ তদাৰকিত ৰাখিবৰ বাবে বৈধ ভাবে নিয়োগ নকৰে, তেন্তে সেই ধনৰাশি_____ক পৰিশোধ কৰা হ'ব ।

I. নিকটতম আত্মীয়

II. ৰাজ্যখনৰ চৰকাৰী ন্যাসপাল

III. বীমাকাৰক

IV. বীমাকৃত

প্ৰশ্ন 5

মহেশে ধাৰ লোৱা মূলধনেৰে ব্যৱসায় এটা চলাইছিল ।তেঁওৰ হঠাতে মৃত্যু হোৱাত, তেঁওৰ সকলো পাওনাদাৰে তেঁওৰ সম্পত্তিৰ অধিকাৰ পাবৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাই আছে ।নিম্নলিখিত কোনটো সম্পত্তি পাওনাদাৰসকলৰ নিয়ন্ত্ৰণৰ বাহিৰত আছে?

I. মহেশৰ নামত থকা সম্পত্তি

II. মহেশৰ বেঙ্ক জমাবোৰ

III. এম ডব্লিউ পি এক্টৰ অধীনত লোৱা ম্যাদী জীবন বীমা পলিচি

IV. মহেশৰ মালিকানাত থকা মিউচুৱেল ফাণ্ডবোৰ

প্ৰশ্ন 6

এম ডব্লিউ পি এক্টৰ ক্ষেত্ৰত নিম্নলিখিত কোনটো বিকল্প শুদ্ধ?

বিবৃতি I : ম্যাদপূৰ্তি দাবীৰ চেকবোৰ পলিচিধাৰকক দিয়া হয় ।

বিবৃতি II : ম্যাদপূৰ্তি দাবীৰ চেকবোৰ ন্যাসপালক দিয়া হয় ।

I. I শুদ্ধ

II. II শুদ্ধ

III. I আৰু II দুয়োটা শুদ্ধ

IV. I বা II এটাও শুদ্ধ নহয়

প্ৰশ্ন 7

এম ডব্লিউ পি এক্টৰ ক্ষেত্ৰত নিম্নলিখিত কোনটো বিকল্প শুদ্ধ?

বিবৃতি I: মৃত্যুদাবী নামাংকিত ব্যক্তিৰ সপক্ষে নিষ্পত্তি কৰা হয়

বিবৃতি II: মৃত্যুদাবী ন্যাসপালৰ সপক্ষে নিষ্পত্তি কৰা হয়

I. শুদ্ধ

II. II শুদ্ধ

III. I আৰু II দুয়োটা শুদ্ধ

IV. I বা II এটাও শুদ্ধ নহয়

প্ৰশ্ন 8

অজয়ে তেঁওৰ কৰ্মচাৰীসকলৰ বাবে বীমা প্ৰিমিয়াম দিয়ে ।নিম্নলিখিত কোনটো প্ৰিমিয়াম কৰ্মচাৰীক পৰিশোধ কৰা পাৰিশ্ৰমিক হিচাবে বিয়োগযোগ্য বুলি গণ্য কৰা নহ'ব?

বিকল্প I: স্বাস্থ্য বীমা, যাৰ লাভ কৰ্মচাৰীসকলে পাব

বিকল্প II: মুখ্য ব্যক্তি জীবন বীমা, যাৰ লাভ অজয়ে পাব

I. কেৱল I

II. কেৱল II

III. I আৰু II দুয়োটা

IV. I বা II এটাও নহয়

প্ৰশ্ন 9

ঋণ গ্ৰহীতাৰ দখলতে আনুষঙ্গিক ৰূপত ৰখা সম্পত্তিটো এৰি দি, তেঁওলোকৰ পৰা সুত আদায় কৰা প্ৰণালীটোক _____ বুলি কোৱা হয় ।

I. প্ৰতিভূতি

II. বন্ধক

III. সুদখোৰী

IV. দায় বন্ধক

প্ৰশ্ন 10

নিম্নলিখিত কোনটো পলিচিয়ে গৃহ ঋণ গ্ৰহীতাসকলক সুৰক্ষা দিব পাৰে?

I. জীবন বীমা

II. অক্ষমতা বীমা

III. বন্ধকী বিমোচন বীমা

IV. সাধাৰণ বীমা

স্ব-পৰীক্ষণমূলক প্ৰশ্নৰ উত্তৰ

উত্তৰ 1

সঠিক উত্তৰটো হৈছে II

মুখ্য ব্যক্তি বীমাৰ অধীনত আশ্বাসিত বীমা ৰাশিটো সাধাৰণতে ব্যৱসায়ৰ লাভজনকতাৰ সৈতে সম্পৰ্কিত হয় ।

উত্তৰ 2

সঠিক উত্তৰটো হৈছে II

বন্ধকী বিমোচন বীমাক (এম আৰ আই) হ্ৰাসমান ম্যাদী জীবন বীমাৰ অধীনত শ্ৰেণীবদ্ধ কৰিব পাৰি ।

উত্তৰ 3

সঠিক উত্তৰটো হৈছে II

মুখ্য ব্যক্তি বীমাৰ অধীনত মুখ্য ব্যক্তিজনৰ দীৰ্ঘকালীন অপাৰগতা সম্পৰ্কিত লোকচান অন্তৰ্ভূক্ত হয় ।

উত্তৰ 4

সঠিক উত্তৰটো হৈছে II

যদি পলিচিধাৰকে পলিচিৰ অধীনত আশ্বাসিত বীমা ৰাশি পৰিশোধ কৰাৰ সময়ত কোনো বিশেষ ন্যাসপালক এই অৰ্থ গ্ৰহণ কৰি তাক নিজৰ তদাৰকিত ৰাখিবৰ বাবে বৈধ ভাবে নিয়োগ নকৰে, তেন্তে সেই ধনৰাশি ৰাজ্যখনৰ চৰকাৰী ন্যাসপালক পৰিশোধ কৰা হ'ব ।

উত্তৰ 5

সঠিক উত্তৰটো হৈছে III

এম ডব্লিউ পি এক্টৰ অধীনত লোৱা ম্যাদী জীবন বীমা পলিচি পাওনাদাৰ সকলৰ নিয়ন্ত্ৰণৰ বাহিৰত থাকে।

উত্তৰ 6

সঠিক উত্তৰটো হৈছে II

ম্যাদপূৰ্তি দাবীৰ চেকবোৰ ন্যাসপালক দিয়া হয় ।

উত্তৰ 7

সঠিক উত্তৰটো হৈছে II

মৃত্যুদাবী ন্যাসপালৰ সপক্ষে নিষ্পত্তি কৰা হয় ।

উত্তৰ 8

সঠিক উত্তৰটো হৈছে II

অজয়লৈ লাভ আগ বঢ়োৱা "মুখ্য ব্যক্তি জীবন বীমা"ৰ প্ৰিমিয়াম, কৰ্মচাৰীক দিয়া পাৰিশ্ৰমিক হিচাবে বিয়োগযোগ্য বুলি গণ্য নহ'ব ।

উত্তৰ 9

সঠিক উত্তৰটো হৈছে II

ঋণ গ্ৰহীতাৰ দখলতে আনুষঙ্গিক ৰূপত ৰখা সম্পত্তিটো এৰি দি, তেঁওলোকৰ পৰা সুত আদায় কৰা প্ৰণালীটোক বন্ধক বুলি কোৱা হয় ।

উত্তৰ 10

সঠিক উত্তৰটো হৈছে III

বন্ধকী বিমোচন বীমাই গৃহ ঋণ গ্ৰহীতাসকলক সুৰক্ষা দিব পাৰে ।

অধ্যায় 11

জীবন বীমাৰ মূল্য নিৰ্দ্ধাৰণ আৰু মূল্যাঙ্কন

অধ্যায় পৰিচিতি

এই অধ্যায়টোৰ উদ্দেশ্য হৈছে জীবন বীমা চুক্তিৰ মূল্যনিৰ্দ্ধাৰণৰ লগত জড়িত মূল উপাদান সমূহ আৰু ইয়াৰ সুবিধাসমূহৰ লগত শিক্ষাৰ্থীসকলক চিনাকি কৰি দিয়া ।প্ৰথমে প্ৰিমিয়ামৰ উপাদান সমূহৰ বিষয়ে আলোচনা কৰা হ'ব আৰু তাৰ পিছত ৰাহি আৰু বোনাচৰ বিষয়ে আলোচনা কৰা হ'ব ।

শিক্ষণৰ ফলাফল

A. বীমাৰ মূল্য নিৰ্দ্ধাৰণ – মূল উপাদান সমূহ

B. ৰাহি আৰু বোনাচ

A. বীমাৰ মূল্য নিৰ্দ্ধাৰণ- মূল উপাদান সমূহ

1. প্ৰিমিয়াম

সাধাৰণ ভাষাত, প্ৰিমিয়াম শব্দটোৰ অৰ্থ হৈছে বীমাকৃত ব্যক্তি এজনে বীমা পলিচি কিনিবৰ বাবে দিয়া দাম ।প্ৰিমিয়ামৰ হাৰ সদায় আশ্বাসিত বীমা ৰাশিৰ প্ৰতি হাজাৰ টকাৰ হিচাবত ধৰা হয় ।এই প্ৰিমিয়ামৰ হাৰসমূহ এখন সাৰণীত লিপিবদ্ধ কৰা থাকে যিবোৰ কোম্পানীবোৰে প্ৰকাশ কৰি উলিৱায় ।

পাঠৰ ব্যাখ্যামূলক নক্সা 1: প্ৰিমিয়াম

এই সাৰণীভূক্ত প্ৰিমিয়াম হাৰবোৰক ‘‘অফিছ প্ৰিমিয়াম বুলি কোৱা হয় ।সাধাৰণতে এইবোৰ হৈছে প্ৰতি বছৰে দিব লগা লেভেল বা সুষম বাৰ্ষিক প্ৰিমিয়াম ।বেছিভাগ ক্ষেত্ৰতে পলিচিৰ সমগ্ৰ ম্যাদ জুৰি এয়া একেই থাকে আৰু এইবোৰক বাৰ্ষিক হাৰ হিচাবে দেখুওৱা হয় ।

উদাহৰণ

যদি কোনো নিৰ্দ্দিষ্ট বয়সত কুৰি বছৰৰ বন্দৱস্তি বীমা পলিচি এখনৰ প্ৰিমিয়াম 4,800 টকা ধাৰ্য্য হয়, তাৰ মানে এইটো বুজিব লাগিব যে কুৰি বছৰ ধৰি প্ৰতি বছৰে 4,800 টকাকৈ এই প্ৰিমিয়াম দি থাকিব লাগিব ।

অৱশ্যে এনে আঁচনিও আছে য’ত প্ৰিমিয়াম কেৱল প্ৰথম কেইবছৰমানৰ বাবেহে দিব লাগে । কোম্পানীবোৰৰ একক প্ৰিমিয়ামৰ চুক্তিও আছে য’ত চুক্তিৰ আৰম্ভণিত কেৱল এটা প্ৰিমিয়াম দিব লাগে । এইবোৰ আঁচনি সাধাৰণতে বিনিয়োগমুখী ।

2. ৰেহাই

জীবন বীমা কোম্পানীবোৰে দেয় প্ৰিমিয়ামৰ ওপৰত কিছুমান ৰিবেট বা ৰেহাইও আগ বঢ়াব পাৰে ।এনে দুবিধ ৰেহাই আছে:

- ✓ আশ্বাসিত বীমা ৰাশিৰ বাবে
- ✓ প্ৰিমিয়াম পৰিশোধৰ বিধিৰ বাবে

a) আশ্বাসিত বীমা ৰাশিৰ বাবে ৰেহাই

আশ্বাসিত বীমা ৰাশিৰ বাবে ৰেহাই তেঁওলোকলৈ আগ বঢ়োৱা হয় যিসকলে বৃহৎ অংকৰ আশ্বাসিত বীমা ৰাশিৰ বাবে বীমা কিনে ।এই উচ্চ মূল্যৰ বীমা পলিচিবোৰৰ সেৱা আগ বঢ়োৱাৰ বাবে বীমাকোম্পানীবোৰে যিমান লাভ কৰাৰ সম্ভাৱনা থাকে, সেইখিনিকেই ৰেহাই হিচাবে পলিচিধাৰকজনলৈ আগ বঢ়োৱা হয় ।ইয়াৰ কাৰণটো তেনেই সহজ ।পলিচি এখন 5 লাখ টকাৰে হওক বা 50 হেজাৰৰ, সেৱা আগ বঢ়োৱাৰ কাম আৰু কষ্ট, লগতে প্ৰাথমিক স্তৰৰ পৰাই পলিচিখন চলাই ৰখাৰ খৰছ একেই হয় । কিন্তু অধিক অংকৰ আশ্বাসিত বীমা ৰাশিৰ প্ৰিমিয়াম বেছি হয় গতিকে এইবোৰৰ পৰা লাভো বেছি হয় ।

b) প্ৰিমিয়াম পৰিশোধৰ ম'ড বা বিধিৰ বাবে ৰেহাই

একেদৰে প্ৰিমিয়াম পৰিশোধৰ বিধিৰ ক্ষেত্ৰতো ৰেহাই দিব পৰা যায় ।জীবন বীমা কোম্পানীবোৰে বছৰেকীয়া, ছমহীয়া, তিনিমহীয়া অথবা এমহীয়া হিচাবে প্ৰিমিয়াম দিয়াৰ দিন নিৰ্দ্ধাৰিত কৰিব পাৰে ।পৰিশোধৰ দিন যিমানে সঘন হয়, সেৱা প্ৰদানৰ খৰচো সিমানেই বাঢ়ি যায় ।এবছৰীয়া পৰিশোধ বিধিৰ কাৰণে বছৰত এবাৰে প্ৰিমিয়াম সংগ্ৰহ কৰা হয় আৰু হিচাব-নিকাচ বছৰত এবাৰেই কৰা হয়, য'ত তিনিমহীয়া আৰু এমহীয়া প্ৰিমিয়ামৰ ক্ষেত্ৰত এইটো ঘনাই কৰিব লগীয়া হয় ।সেয়েহে, তিনিমহীয়া আৰু এমহীয়া পৰিশোধ বিধিৰ তুলনাত ছমহীয়া বা বছৰেকীয়া বিধিত প্ৰশাসনিক ব্যয় যথেষ্ট কম হয় । তদুপৰি পৰিশোধৰ বিধি এবছৰীয়া হ'লে বীমাকাৰকে এই ধনৰাশি এটা সম্পূৰ্ণ বছৰৰ কাৰণে বিনিয়োগ কৰি সুত উপাৰ্জন কৰিব পাৰে ।গতিকে এবছৰীয়া আৰু ছমহীয়া পৰিশোধৰ বিধিৰ ক্ষেত্ৰত ৰেহাইৰ অনুমোদন দি বীমাকাৰকে ইয়াক উদগনি দিয়ে ।এই একেই কাৰণতে, প্ৰশাসনীয় খৰছ সামৰাৰ বাবে এমহীয়া পৰিশোধৰ বিধিৰ ক্ষেত্ৰত অলপ অতিৰিক্ত প্ৰিমিয়াম আদায় কৰা হয় ।

3. অতিৰিক্ত মাচুল

সাৰণীভূক্ত প্ৰিমিয়ামৰ হাৰ বীমাকৃত সেই বৰ্গটোৰ বাবে যিসকলৰ এনে কোনো প্ৰতিবন্ধকতা নাই যাৰ কাৰণে কোনো অতিৰিক্ত বিপদাশংকা থাকিব পাৰে । এনে ধৰণৰ জীবনক নিৰ্দ্দিষ্ট মানদণ্ডযুক্ত বা স্বাভাবিক বুলি গণ্য কৰা হয় আৰু তেঁওলোকৰ বাবে ধাৰ্য্য কৰা প্ৰিমিয়ামৰ হাৰটোক সাধাৰণ হাৰ বা অৰ্ডিনাৰি ৰেট বুলি কোৱা হয় ।

বীমাৰ কাৰণে প্ৰস্তাৱ দিয়া ব্যক্তিজনৰ যদি এনে কোনো শাৰীৰিক অসুস্থতা থাকে, যেনে হৃদৰোগ বা বহুমূত্ৰ আদি, যাৰ কাৰণে মানুহজনৰ জীবন সঙ্কটাপন্ন হৈ পৰিব পাৰে, তেন্তে এই ধৰণৰ মানুহৰ জীবনৰ স্তৰ সাধাৰণ জীবন বা মানগত জীবনৰ তুলনাত তলত আছে বুলি ধৰি লৈ এওঁলোকক নিকৃষ্ট মানৰ জীবন বুলি গণ্য কৰা হয় ।এনে ক্ষেত্ৰত বীমাকাৰকে হয়তো ''হেলথ্ এক্সট্ৰা'' অৰ্থাৎ স্বাস্থ্য জনিত কাৰণত ওপৰঞ্চি প্ৰিমিয়াম ধাৰ্য্য কৰাৰ সিদ্ধান্ত ল'ব পাৰে ।একেদৰে, বিপদসংকুল জীৱিকাত নিযুক্ত লোকসকল, যেনে চাৰ্কাচত বিপদজনক খেল দেখুওৱা খেলুৱৈজনৰ ক্ষেত্ৰত, ''অকুপেশ্বনেল এক্সট্ৰা'' অৰ্থাৎ পেছাগত বিপদাশংকাৰ বাবে ওপৰঞ্চি মাচুল আৰোপ কৰা হ'ব পাৰে । এই ওপৰঞ্চিবোৰৰ অন্তৰ্ভূক্তিৰ ফলত প্ৰিমিয়ামৰ পৰিমান সাৰণীভূক্ত প্ৰিমিয়াম হাৰতকৈ বেছি হ'ব ।

আকৌ, কোনো বীমাকাৰকে ওপৰঞ্চি প্ৰিমিয়ামৰ বিনিময়ত পলিচিত কিছুমান অতিৰিক্ত সুবিধাও যুক্ত কৰিব পাৰে ।

উদাহৰণ

কোনো বীমাকাৰকে দুৰ্ঘটনা জনিত দুগুণ সুবিধা বা ডাবল একছিডেন্ট বেনিফিট আগ বঢ়াব পাৰে ।এই ক্ষেত্ৰত দুৰ্ঘটনাৰ ফলত পলিচিধাৰকৰ মৃত্যু হ'লে আশ্বাসিত বীমা ৰাশিৰ দুগুণ মৃত্যুদাবী হিচাবে পৰিশোধ কৰা হ'ব । এই অতিৰিক্ত সুবিধা দিয়াৰ বাবে বীমাকাৰকে প্ৰতি হেজাৰ আশ্বাসিত বীমা ৰাশিত এটকা হাৰত ওপৰঞ্চি প্ৰিমিয়াম ধাৰ্য্য কৰিব পাৰে ।এনেদৰে, প্ৰতি হেজাৰ আশ্বাসিত বীমা ৰাশিৰ হিচাবত অতিৰিক্ত প্ৰিমিয়াম দি আন এক সুবিধা, যাক স্থায়ী অক্ষমতা ভাট্টা বা পাৰমানেণ্ট ডিছএবিলিটি বেনিফিট কোৱা হয়, পাব পৰা যায় ।

4. প্ৰিমিয়াম নিৰ্দ্ধাৰণ

প্ৰিমিয়ামৰ হাৰৰ সাৰণীখন জীৱন বীমাকাৰকসকলে কেনেকৈ বা কি হিচাবত ঠিক কৰে? এই কাম একচুৱেৰীসকলে কৰে ।ম্যাদী বীমা, আজীৱন বীমা আৰু বন্দৱস্তি বীমা আদিৰ দৰে পৰম্পৰাগত জীৱন বীমা পলিচিবোৰৰ প্ৰিমিয়াম ঠিক কৰাৰ বাবে নিম্নলিখিত উপাদান কেইটা বিবেচনা কৰা হয়:--

- ✓ মৃত্যুৰ হাৰ
- ✓ প্ৰশাসনিক ব্যয়সমূহ
- ✓ তহবিল বা ৰিজাৰ্ভ
- ✓ বোনাচৰ সংযোজন বা বোনাচ ল'ডিং

পাঠৰ ব্যাখ্যমূলক নক্সা 2: প্ৰিমিয়ামৰ উপাদানবোৰ



ইয়াৰে প্ৰথম দুটা উপাদানেৰে ''নেট'' অৰ্থাৎ প্ৰকৃত প্ৰিমিয়াম গঠিত হয় আৰু বাকীবোৰ প্ৰকৃত প্ৰিমিয়ামৰ লগত বোজা আৰোপ বা ল'ডিং হিচাবে যোগ দিয়া হয়, যাৰ ফলত মুঠ বা গ্ৰ'ছ প্ৰিমিয়াম পোৱা যায় ।এইটোকেই অফিছ প্ৰিমিয়াম বুলি কোৱা হয় ।

a) মৃত্যুহাৰ আৰু সুত

মৃত্যুৰ হাৰ হৈছে প্ৰিমিয়ামৰ প্ৰথমটো উপাদান ।মৃত্যুদৰ তালিকাৰ সহায়ত মৃত্যুৰ হাৰ হিচাব কৰি উলিওৱা হয় যাৰ পৰা জানিব পৰা যায় যে বিভিন্ন বয়সত মৃত্যুৰ হাৰ কি হয় ।

উদাহৰণ

35 বছৰ বয়সীয়া মানুহৰ মৃত্যুৰ হাৰ যদি 0.0035 হয়, তাৰ অৰ্থ এইটো হ'ব যে প্ৰতিটো 1000 জনীয়া 35 বছৰীয়া মানুহৰ বৰ্গত 3.5 জন (বা 10000 জনৰ মাজত 35 জন) মানুহৰ 35 ৰ পৰা 36 বছৰ বয়সৰ ভিতৰত মৃত্যু হোৱাৰ সম্ভাৱনা আছে ।

এই সাৰণীখনৰ দ্বাৰা বিভিন্ন বয়সৰ মৰটালিটি কষ্ট বা মৃত্যুদৰ ব্যয়ৰো হিচাব উলিওৱা হয় । উদাহৰণস্বৰূপে 35 বছৰ বয়সৰ মৃত্যুদৰ 0.0035 সংখ্যাটোৱে সূচায় যে 35 বছৰ বয়সত বীমাৰ ব্যয় হ'ব 0.0035 x 1000 (আশ্বাসিত বীমা ৰাশি) = প্ৰতি হেজাৰ আশ্বাসিত বীমা ৰাশিত 3.50 টকা ।

এই ব্যয়ক ''ৰিস্ক প্ৰিমিয়াম'' বুলিও কোৱা হয় ।বয়স বাঢ়াৰ লগতে ৰিস্ক প্ৰিমিয়ামো বাঢ়ি যায় ।

বিভিন্ন বয়সৰ বাবে ৰিস্ক প্ৰিমিয়াম বেলেগে বেলেগে উলিৱাই লৈ সেইখিনিৰ পৰা এই গোটেই বয়সখিনিৰ বাবে, ধৰি লোৱা যাওক 35ৰ পৰা 55লৈকে, দাবী বা ক্লেইমৰ সম্ভাব্য খৰছখিনি উলিৱাই ল'ব পৰা যায় । এই দাবীবোৰৰ মুঠ খৰছৰ পৰা গম পোৱা যাব যে পলিচি এখনৰ বাবে ভৱিষ্যতৰ দায়বদ্ধতা কিমান হ'ব পাৰে ।আন কথাত কবলৈ গলে,

এইটো জানিব পৰা যাব যে ভৱিষ্যতে উত্থাপিত হ'ব পৰা দাবীবোৰ পৰিশোধ কৰাৰ কাৰণে কিমান টকাৰ প্ৰয়োজন হ'ব ।

প্ৰকৃত বা নেট প্ৰিমিয়াম হিচাব কৰাৰ প্ৰথম পদক্ষেপটো হ'ল ভবিষ্যত দাবীবোৰৰ নিষ্পত্তিৰ বাবে লাগিব পৰা খৰছখিনিৰ বৰ্তমান মূল্যৰ অনুমান কৰা ।বৰ্তমান মূল্য গণনা কৰাৰ কাৰণটো হ'ল যে ভৱিষ্যতে উত্থাপিত হ'ব পৰা দাবীবোৰৰ নিষ্পত্তিৰ কাৰণে আজিৰ দিনত কিমান টকাৰ প্ৰয়োজন হ'ব, তাৰ হিচাব কৰা । বৰ্তমান মূল্য নিৰূপণৰ প্ৰক্ৰিয়াটোৱে প্ৰিমিয়াম নিৰ্দ্ধাৰণ কৰাৰ পৰৱৰ্তী উপাদানটোক আনে, যিটোৰ নাম হৈছে সুত ।

ভৱিষ্যতৰ দাবীবোৰৰ কাৰণে যিখিনি ধনৰাশি নিষ্পত্তি কৰিব লাগিব, সেইখিনিৰ বৰ্তমান মূল্যটোৰ হিচাব উলিওৱাৰ বাবে অনুমিত বা ধৰি লোৱা ৰেহাইৰ হাৰটোৱেই হ'ল সুত ।

উদাহৰণ

যদি পাঁচ বছৰৰ পিচত বীমাদাবী নিষ্পত্তি কৰাৰ বাবে প্ৰতি হেজাৰত 5 টকাৰ হিচাবত পুঁজিৰ প্ৰয়োজন হয়, আৰু যদি সুতৰ হাৰ 6 শতাংশ হয়, তেন্তে পাঁচ বছৰৰ পিছত পৰিশোধ কৰিব লগীয়া 5 টকাৰ বৰ্তমান মূল্য হ'ব - (5x1) / (1.06)5 = 3.74 ।

যদি 6 শতাংশৰ পৰিবৰ্তে সুতৰ হাৰ 10 শতাংশ বুলি ধৰা হয়, তেনে হ'লে বৰ্তমানৰ মূল্য হ'ব মাত্ৰ 3.10 । এক কথাত, সুতৰ হাৰ যিমানেই বেছি হ'ব, বৰ্তমান মূল্য সিমানেই কমি যাব ।

মৃত্যুহাৰ আৰু সুতৰ বিষয়ে অধ্যয়নৰ পৰা দুটা মুখ্য সিদ্ধান্তত আহিব পাৰি:-

- ✓ মৃত্যুদৰৰ সাৰণীত মৰণশীলতাৰ হাৰ যিমানেই বেছি হয়, প্ৰিমিয়ামো সিমানে বেছি হ'ব ।
- ✓ ধৰি লোৱা সুতৰ হাৰ যিমান বেছি হয়, প্ৰিমিয়াম সিমানেই কমিব ।

একচুৱেৰীসকল সতৰ্ক আৰু কিছু ৰক্ষণশীল হোৱা দেখা যায় । সাধাৰণতে তেঁওলোকে প্ৰত্যাশা কৰা প্ৰকৃত অভিজ্ঞতাৰ তুলনাত বেছিকৈ মৃত্যুহাৰ অনুমান কৰে আৰু লগতে বিনিয়োগৰ পৰা প্ৰত্যাশিত লাভৰ হাৰতকৈ নিম্নতৰ সুতৰ হাৰ ধৰি লয় ।

নেট বা প্ৰকৃত প্ৰিমিয়াম

ভৱিষ্যতে হ'ব লগা বীমাদাবীৰ দায়বদ্ধতাৰ বৰ্তমানৰ ৰেহাই মূল্যই আমাক প্ৰকৃত একক প্ৰিমিয়ামৰ হিচাবটো দিয়ে ।এই প্ৰকৃত একক প্ৰিমিয়ামৰ পৰা প্ৰকৃত লেভেল বা সুষম বছৰেকীয়া প্ৰিমিয়ামৰ হিচাব আমি কৰিব পাৰো ।এয়া হৈছে প্ৰকৃত একক প্ৰিমিয়ামৰ সম বিভাজিত সুষম ৰূপ ।দৰাচলতে প্ৰিমিয়াম পৰিশোধ্য ম্যাদত এই প্ৰকৃত একক প্ৰিমিয়ামহে পৰিশোধ কৰিব লাগে ।

মুঠ প্ৰিমিয়াম

পাঠৰ ব্যাখ্যামূলক নক্সা 3: ল'ডিং বা বোজাইৰ পৰিমাণ নিৰ্দ্ধাৰণৰ বাবে নিৰ্দেশক নীতিসমূহ



মুঠ বা গ্ৰ'ছ প্ৰিমিয়াম হৈছে প্ৰকৃত প্ৰিমিয়ামৰ লগত বোজাই বা ল'ডিং যোগ হোৱাৰ বা আৰোপিত হোৱাৰ পাছত সমুদায় প্ৰিমিয়ামটো ।ল'ডিংৰ পৰিমাণ নিৰ্দ্ধাৰণ কৰাৰ সময়ত তিনিটা বিষয় বা নিৰ্দেশক নীতি মনত ৰাখিব লাগে ।

i. পৰ্য্যাপ্ততা

সকলো পলিচিৰ পৰা সংগৃহীত মুঠ ল'ডিং, ব্যৱসায় পৰিচালনা সংক্ৰান্ত সম্পূৰ্ণ খৰছ সামৰিব পৰাকৈ পৰ্য্যাপ্ত হ'ব লাগিব ।লগতে ই বীমাকাৰকৰ ব্যৱসায়ৰ প্ৰতিকূলতা চম্ভালিবৰ কাৰণে এক নিৰাপদ উপান্ত বা ''চেফটি মাৰ্জিন''ৰ ব্যৱস্থা কৰিব লাগিব আৰু শেহত ই কোম্পানীৰ লাভ বা ৰাহিত অৰিহণা যোগাব লাগিব ।

ii. সমদৰ্শিতা

আঁচনিৰ প্ৰকাৰ, বয়স, ম্যাদ আদিৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন ধৰণৰ পলিচিৰ মাজত ব্যয় আৰু নিৰাপদ উপান্ত ইত্যাদি ন্যায়সঙ্গত ভাবে বিতৰণ কৰিব লাগিব ।ইয়াৰ উদ্দেশ্য হৈছে যে প্ৰতিটো শ্ৰেণীৰ পলিচিয়ে নিজৰ খৰছ নিজেই বহন কৰিব লাগিব, যাতে যিমান দূৰ সম্ভৱ, এক শ্ৰেণীৰ পলিচিয়ে আন শ্ৰেণীক ভৰ্তুকী দিব নালাগে ।

iii. প্ৰতিযোগিতামূলকতা

মুঠ প্ৰিমিয়ামটো এনে ধৰণে নিৰ্দ্ধাৰণ কৰা উচিৎ যাতে ইয়াৰ দ্বাৰা কোম্পানীটোৱে নিজৰ প্ৰতিযোগিতামূলক স্থিতি উন্নত কৰিবলৈ সক্ষম হয় ।অত্যধিক বোজা আৰোপে পলিচিবোৰক অতি মহাৰ্ঘ কৰি তুলিব পাৰে আৰু ফলস্বৰূপে মানুহে এইবোৰ নিকিনিবও পাৰে ।

b) ব্যয় আৰু তহবিল

ব্যৱসায় পৰিচালনা কৰাৰ বাবে জীবন বীমা কোম্পানীবোৰে বিভিন্ন ধৰণৰ খৰছ কৰিব লাগে, যাৰ ভিতৰত আছে:-

- ✓ এজেন্টৰ প্ৰশিক্ষণ আৰু নিযুক্তি
- ✓ এজেন্টৰ কমিচন
- ✓ কৰ্মচাৰীৰ বেতন
- ✓ অফিছ ঘৰৰ খৰছ
- ✓ অফিছৰ লেখন সামগ্ৰী তথা অন্য বয়-বস্তু
- ✓ বিজুলী মাচুল
- ✓ অন্যান্য বিবিধ খৰছ ইত্যাদি

এই সকলোবোৰ বীমাকাৰকৰ সংগৃহীত প্ৰিমিয়াম ৰাশিৰ পৰা খৰছ কৰা হয় ।এই খৰছবোৰক প্ৰকৃত প্ৰিমিয়ামৰ লগত যুক্ত অৰ্থাৎ ল'ডিং কৰা হয় ।

জীবন বীমা কোম্পানীয়ে দুই প্ৰকাৰৰ খৰছ বহন কৰিব লগা হয়:-

i. প্ৰথমটো হ'ল ''নতুন ব্যৱসায়ৰ খৰছ', যিটো চুক্তিৰ আৰম্ভণিৰ পৰ্য্যায়টোত হয় ।

ii. দ্বিতীয়টো হ'ল ৰিনিউৱেল বা পুনৰ্নৱীকৰণৰ খৰছ, যি চুক্তিৰ পৰৱৰ্তী বছৰবোৰত হয় ।

আৰম্ভণিত নতুন ব্যৱসায়ৰ খৰছ যথেষ্ট বেছি হ'ব পাৰে ।আকৌ, প্ৰকৃত অভিজ্ঞতা অনুমানতকৈ বেয়া হ'লেও, আইনানুসৰি বীমাকাৰকবোৰে তেঁওলোকৰ দায়বদ্ধতা পুৰাবৰ বাবে এক নিৰ্দ্দিষ্ট তহবিল বা ৰিজাৰ্ভৰ ব্যৱস্থা কৰিব লাগে ।আৰম্ভণিৰ খৰছ আৰু আইনানুগ পৰিমাণৰ তহবিলৰ যুক্ত-পৰিমাণ সাধাৰণতে আৰম্ভণিত অহা প্ৰিমিয়ামৰ পৰিমাণতকৈ বেছি হয় ।

কোম্পানীয়ে এনেদৰে এটা প্ৰতিকূল অৱস্থাৰ সন্মুখীন হয়, যাক নতুন ব্যৱসায়ৰ প্ৰতিকূলতা বুলি কোৱা হয় । আৰম্ভণিৰ বহিঃপ্ৰবাহটো পিছৰ বছৰবোৰৰ প্ৰিমিয়ামৰ দ্বাৰাহে পুৰাব পৰা যায় ।সেই কাৰণেই বীমাকাৰকসকলে, এই বিশাল খৰছৰ পূৰ্তি হোৱাৰ আগতেই আৰম্ভণিৰ বছৰ কেইটাত এক বৃহৎ সংখ্যক পলিচিক বাতিল বা কালাতীত (লেপচড্) হ'ব দিব নোৱাৰে ।নতুন ব্যৱসায়ৰ এই প্ৰতিকূলতাৰ ফলত, লাভ আৰ্জিব পৰা পৰ্য্যায়টোলৈ যোৱাৰ আগত বিকাশ আৰু পূৰ্ণতা প্ৰাপ্তিৰ বাবে জীবন বীমা কোম্পানীবোৰৰ কিছু সময়ৰ প্ৰয়োজন হৈ পৰে ।

ব্যয়ৰ প্ৰকাৰৰ ওপৰত নিৰ্ভৰ কৰি ব্যয়বোৰ বিভিন্ন প্ৰকাৰে নিৰ্দ্ধাৰণ কৰা হয় ।

i. উদাহৰণ স্বৰূপে, এজেঞ্চি মেনেজাৰ বা ডেভেলপমেন্ট অফিছাৰৰ বাবে কমিচন আৰু ইনছেন্টিভ সাধাৰণতে তেঁওলোকে অৰ্জা প্ৰিমিয়ামৰ শতাংশ হিচাবে নিৰ্ণয় কৰা হয় ।

ii. আনহাতে, ডাক্তৰী পৰীক্ষকৰ ফিজ আৰু পলিচি ষ্টাম্প আদিৰ দৰে খৰছ পলিচিৰ আশ্বাসিত বীমা ৰাশিৰ সন্দৰ্ভত বিবেচিত হয় আৰু পলিচিৰ আশ্বাসিত বীমা ৰাশি বা অভিহিত মূল্যৰ ভিত্তিত পৰিবৰ্তিত হয় ।

iii. তৃতীয় শ্ৰেণীৰ খৰছটো হৈছে বেতন, ভাৰা আদিৰ দৰে ব্যৱসায় পৰিচালনাৰ আনুষঙ্গিক খৰছ ।পলিচিৰ সংখ্যাৰ লগতে পলিচিৰ সেৱা জনিত কামৰ পৰিমাণৰ তাৰতম্য ঘটে । আৰু এই কামৰ পৰিমাণৰ ওপৰতে এই ধৰণৰ খৰছৰ পৰিমাণ নিৰ্ভৰ কৰে ।

ওপৰোক্ত শ্ৰেণীবিন্যাসৰ প্ৰেক্ষিতত প্ৰকৃত প্ৰিমিয়ামৰ ওপৰত সাধাৰণতে আৰোপিত বোজাই বা ল'ডিংত তিনিটা অংশ থাকে:-

i. প্ৰিমিয়ামৰ এক নিৰ্দ্দিষ্ট শতাংশ

ii. প্ৰতি '1000 আশ্বাসিত বীমা ৰাশি' (বা অভিহিত মুল্য) ৰ বাবে এক অপৰিবৰ্তনীয় পৰিমাণ যাক প্ৰকৃত প্ৰিমিয়ামৰ লগত যুক্ত কৰা হয়

iii. প্ৰতি পলিচিৰ বাবে এক অপৰিবৰ্তনীয় পৰিমাণ

কালাতীততা আৰু আকস্মিক প্ৰতিকূলতা

বীমাকাৰকসকলে চুক্তি এখন অভিকল্পনা কৰাৰ সময়ত পলিচিত দিবলগীয়া সুবিধাসমূহ আৰু ইয়াৰ ম্যাদ কালত বহন কৰিব লগা সম্ভাব্য খৰছবোৰৰ এক মূল্যানুমান কৰে ।আৰু এই পৰিমাণটো সামৰিব পৰাকৈ এক ল'ডিং প্ৰকৃত প্ৰিমিয়ামৰ লগত যুক্ত কৰে । কিন্তু এই মূল্যানুমানৰ সৈতে প্ৰকৃত অভিজ্ঞতা ভিন্ন হ'ব পৰা এক সম্ভাব্য প্ৰতিকূলতাৰ শংকাৰ সন্মুখীন তেঁওলোক নিৰন্তৰ ভাৱে হয় ।

অপ্ৰত্যাশিত প্ৰতিকূলতাজনিত শংকাৰ এক উৎস হৈছে কালাতীততা আৰু প্ৰত্যাহাৰ ।পলিচি কালাতীত হোৱাৰ অৰ্থ হৈছে পলিচিধাৰকে প্ৰিমিয়াম দিয়া বন্ধ কৰা ।প্ৰত্যাহাৰৰ ক্ষেত্ৰত পলিচিধাৰকে পলিচিখন সমৰ্পণ বা চাৰেণ্ডাৰ কৰে আৰু পলিচিখনে অৰ্জা নগদ মূল্যৰ পৰা এটা পৰিমাণ পায় ।

কালাতীত হোৱাটোৱে গুৰুতৰ সমস্যাৰ সৃষ্টি কৰিব পাৰে, কিয়নো, ই সাধাৰণতে প্ৰথম তিনি বছৰৰ ভিতৰত হয় আৰু সৰ্বাধিক পৰিমাণে চুক্তিৰ প্ৰথম বছৰটোতেই হয় ।ইয়াৰ ফলত হ'ব পৰা লোকচানৰ অনুমানত জীবন বীমাকাৰকে এক বোজাই বা ল'ডিং অন্তৰ্ভূক্ত কৰে ।

জীবন বীমাকাৰকসকলে এই পৰিস্থিতিৰ বাবে সাজু থাকিব লাগে যে তেঁওলোকে যি ধাৰণাৰ ওপৰত ভিত্তি কৰি তেঁওলোকৰ প্ৰিমিয়াম নিৰ্দ্ধাৰণ কৰে, সেয়া বাস্তৱ অভিজ্ঞতাতকৈ পৃথক হ'ব পাৰে ।দুটা কাৰণত এনে অনিশ্চয়তাৰ সৃষ্টি হ'ব পাৰে ।

i. প্ৰথমে, ধাৰণাবোৰেই অশুদ্ধ হ'ব পাৰে ।উদাহৰণ স্বৰূপে, জীবন বীমাকাৰকে এনে এখন মৃত্যুদৰ সাৰণী ব্যৱহাৰ কৰিব পাৰে, যিখনে চলিত মৃত্যুহাৰ প্ৰতিফলিত নকৰে বা মুদ্ৰাস্ফীতি উপাদানটোক যথাযথ গুৰুত্ব সহকাৰে বিবেচনা কৰা হোৱা নাই ।

ii. দ্বিতীয়তে, কিছুমান নীতি নিয়ম নোহোৱা তাৰতম্য আছে যি কেইটাই ধাৰণাবোৰক ভুল প্ৰতিপন্ন কৰে ।

ওপৰোক্ত ধৰণৰ বিপদাশংকাবোৰৰ মোকাবিলা কৰাৰ বাবে তিনিটা উপায় আছে:

i. কিছুমান বিপদাশংকা গ্ৰাহকলৈ হস্তান্তৰণ কৰা, যেনে, ইউলিপ আদি বিনিয়োগ-যুক্ত পণ্যবোৰ, য'ত লাভৰ নিম্ন হাৰৰ বিপদাশংকা গ্ৰাহকেই বহন কৰিব লগীয়া হয় ।

ii. দ্বিতীয়টো উপায় হৈছে পলিচিখন এক ৰি-ইনশ্বিউৰাৰ বা পুনৰ্বীমাকাৰকৰ ওচৰত পুনৰ্বীমা কৰা ।এনে ক্ষেত্ৰত মৃত্যুহাৰৰ বিপদাশংকা পুনৰ্বীমাকাৰকে বহন কৰে ।

iii. তৃতীয় আৰু অধিকতৰ প্ৰচলিত উপায়টো হৈছে প্ৰিমিয়ামত এক ল'ডিং মাৰ্জিন বা অতিৰিক্ত ৰাশি অন্তৰ্ভুক্ত কৰা, যি প্ৰত্যাশিত আৰু প্ৰকৃত খৰছৰ মাজৰ পাৰ্থক্যক দূৰ কৰাত সহায় কৰে

c) লাভ সহিত বা উইথ প্ৰফিট পলিচি আৰু বোনাচ ল''ডিং

লাভ সহিত পলিচিৰ ধাৰণাটো কেনেকৈ উদ্ভৱ হৈছিল সেই বিষয়ে একচুৱেৰী ব্ৰায়ান কোৰ্বীয়ে কি কৈছিল শুনোঁ আহক ।

''প্ৰায় দুশ বছৰ আগতে, জীবন বীমাৰ আৰম্ভণিৰ সময়ত, মুখ্য অনিশ্চয়তা আছিল মৰণশীলতাৰ হাৰ । এই সমস্যাটোৰ গৃহীত সমাধানৰ সূত্ৰটো আছিল অত্যধিক প্ৰিমিয়াম আদায় কৰা ।অৱশ্যে তেঁওলোকে বুজা নাছিল যে এই পৰিমাণটো আগতীয়াকৈ পোৱা এক অতিৰিক্ত অৰ্থ । সেয়েহে এই আধিক্যক স্বচ্ছলতা বুলি ধৰি লৈছিল ।পৰৱৰ্তী কালত, উচিৎ প্ৰিমিয়াম নিৰ্ণয় কৰাৰ পৰ্য্যাপ্ত অভিজ্ঞতা সঞ্চয় কৰাৰ পিছত, এই সংগৃহীত অতিৰিক্ত ৰাশিখিনি সম্পূৰ্ণ বা আংশিক ভাবে পলিচিধাৰকসকলক বোনাচ সংযোজন হিচাবে ঘুৰাই দিয়াৰ ব্যৱস্থা কৰিছিল ।এনেদৰে আজিৰ দিনৰ পৰম্পৰাগত লাভ সহিত পলিচিৰ আৰম্ভণি হৈছিল'' ।

এই লাভৰ অংশীদাৰীৰ ধাৰণাটোৱে প্ৰিমিয়ামত 'বোনাচ ল'ডিং' বোলা এক নতুন উপাদান সুমুৱাইছে ।ইয়াৰ উদ্দেশ্য আছিল প্ৰিমিয়ামৰ ভিতৰতে লাভৰ বাবে কিছু পৰিমাণৰ অৰ্থৰ ব্যৱস্থা কৰা, যাতে ই অভাৱিত বিপৰ্য্যয়ৰ বিপক্ষে এক অতিৰিক্ত সুৰক্ষা হিচাবে কাম কৰে, আৰু লগতে, ৰাহিৰ প্ৰাপ্য অংশ হিচাবে পলিচিখনত ইয়াক সংলগ্ন কৰিব পৰা যায় ।বোনাচ ল'ডিংৰ বৈশিষ্ট্যই বীমাকাৰক সকলক ঋণ পৰিশোধ কৰাৰ দীৰ্ঘ ম্যাদী ক্ষমতা আৰু পুঁজিৰ পৰ্য্যাপ্ততাৰ বিষয়ে আত্মবিশ্বাসী কৰি তুলিছে ।

চমুকৈ ক'ব পৰা যায় যে :

মুঠ প্ৰিমিয়াম = প্ৰকৃত প্ৰিমিয়াম + খৰছৰ বাবে ল'ডিং + আকস্মিক দুৰ্যোগৰ বাবে ল'ডিং + বোনাচ ল'ডিং

যদি ওপৰোক্ত ল'ডিং বা বোজাইবোৰৰ সমষ্টি মুঠ প্ৰিমিয়াম (GP) ৰ K শতাংশ হয়, আৰু ধৰি লোৱা প্ৰকৃত প্ৰিমিয়াম (NP) হয়, তেন্তে এইদৰে মুঠ প্ৰিমিয়াম (GP) উলিৱাব পৰা যায় :

$GP = NP + K(GP)$

উদাহৰণ স্বৰূপে, যদি বন্দৱস্তি পলিচি এখনৰ প্ৰকৃত একক প্ৰিমিয়াম 380 টকা হয় আৰু ল'ডিং গুণনীয়ক K 50% হয়, তেনেহ'লে মুঠ প্ৰিমিয়াম হ'ব 760 টকা ।

নিজক পৰখ কৰক 1

পলিচি কালাতীত হোৱা মানে কি?

I. পলিচিধাৰকে পলিচিৰ প্ৰিমিয়াম দিয়া সম্পুৰ্ণ কৰিছে

II. পলিচিধাৰকে পলিচিৰ প্ৰিমিয়াম দিয়া বন্ধ কৰিছে

III. পলিচিৰ ম্যাদপূৰ্তি হৈছে

IV. পলিচিটোক বজাৰৰ পৰা উঠাই লোৱা হৈছে

B. ৰাহি আৰু বোনাচ

1. ৰাহি আৰু বোনাচ নিৰ্দ্ধাৰণ

প্ৰত্যেক জীবন বীমা কোম্পানীয়ে নিৰ্দ্দিষ্ট সময়ান্তৰত ইয়াৰ সম্পদ আৰু দায়বদ্ধতাবোৰৰ মূল্যাঙ্কন কৰিব বুলি আশা কৰা হয় ।এনে মূল্যাঙ্কনৰ দুটা উদ্দেশ্য আছে:-

i. জীবন বীমাকাৰকৰ আৰ্থিক অৱস্থাৰ অনুমান বা ইয়াৰ ঋণ পৰিশোধ কৰাৰ ক্ষমতা কিমান আছে, সেইটোৰ হিচাব উলিওৱা ।

ii. পলিচিধাৰক / শ্বেয়াৰ হ'ল্ডাৰ সকলৰ মাজত বিতৰণ কৰাৰ বাবে উপলব্ধ ৰাহিৰ পৰিমাণ নিৰ্দ্ধাৰণ কৰা ।

সংজ্ঞা

ৰাহি হৈছে দায়বদ্ধতাৰ মূল্যতকৈ অতিৰিক্ত সম্পদৰ মূল্য ।যদি ই ঋণাত্মক হয়, ইয়াক প্ৰবল হেঁচা (ব্যৱসায়ৰ সম্পদৰ ওপৰত অত্যধিক দাবী) বুলি জনা যায় ।

এতিয়া জীবন বীমাত 'ৰাহি'ৰ ধাৰণা আৰু আন প্ৰতিষ্ঠান এটাৰ 'লাভ'- এই দুটাৰ মাজত পাৰ্থক্য কি চোৱা যাওক ।প্ৰতিষ্ঠানবোৰৰ সাধাৰণতে লাভৰ দুটা ধাৰণা থাকে ।হিচাব পৰীক্ষাৰ দৃষ্টিৰে চালে, এটা নিৰ্দ্দিষ্ট হিচাব ৰক্ষণৰ সময়ছোৱা বা একাউন্টিং পিৰিয়ডৰ ভিতৰত হোৱা ব্যয়ৰ তুলনাত অতিৰিক্ত আয়ক অৰ্থকৰী লাভ বুলি কোৱা হয় আৰু ই লাভ-ক্ষতিৰ প্ৰতিবেদনখনত অন্তৰ্ভূক্ত হয় ।এই লাভ প্ৰতিষ্ঠানটোৰ উদ্বৃত্ত পত্ৰ বা বেলেন্স শ্বীটৰো অংশ হয় ।বছৰৰ বাবে প্ৰস্তুত বেলেন্স শ্বীটত দায়বদ্ধতাৰ তুলনাত অতিৰিক্ত সম্পদ কিমান, সেইটোৱেই দেখুওৱা হয় ।লাভ-ক্ষতিৰ প্ৰতিবেদনত অন্তৰ্ভূক্ত লাভৰ পৰিমানটোও বেলেন্স শ্বীটত প্ৰতিফলিত হয় ।দুয়োটা ক্ষেত্ৰতে ঘটি যোৱাৰ পিছৰ বা প্ৰকৃত ফলাফলৰ ওপৰত ভিত্তি কৰি লাভ নিৰূপণ কৰা হয় ।

উদাহৰণ

31 মাৰ্চ, 2013 তাৰিখে XYZ প্ৰতিষ্ঠানটোৰ লাভ:- ইয়াৰ আয়ৰ পৰা ব্যয়ৰ বা সেই তাৰিখত ইয়াৰ সম্পদৰ পৰা দায়বদ্ধতাৰ বিয়োগ ফল হিচাবে দেখুওৱা হৈছে ।

দুয়োটা ক্ষেত্ৰতে লাভটো স্পষ্টভাবে নিৰ্দ্ধাৰিত আৰু জ্ঞাত ।

জীবন বীমাৰ মূল্যাঙ্কণৰ ক্ষেত্ৰত একে যুক্তি প্ৰয়োগ কৰি আমি দায়বদ্ধতা আৰু সম্পদ নিৰ্দ্দিষ্ট কৰিব পাৰোঁনে?

এনে ক্ষেত্ৰত, ৰাহি এনেদৰে নিৰ্দ্ধাৰণ কৰা হ'ব:-

ৰাহি = সম্পদ - দায়বদ্ধতা

অৰ্থাৎ পলিচি গোট এটাৰ বাবে উদ্ভূত হ'ব পৰা দায়বদ্ধতা, সেই পলিচিবোৰৰ ভৱিষ্যৎ দাবী, ব্যয় আৰু অন্যান্য কিছুমান প্ৰত্যাশিত পৰিশোধৰ বৰ্তমান মূল্য আৰু এই পলিচিবোৰৰ পৰা পাব লগা প্ৰিমিয়ামসমূহৰ বৰ্তমান মূল্যৰ বিয়োগ ফল হিচাবে নিৰূপিত হয় ।

পাঠৰ ব্যাখ্যামূলক নক্সা 4: সম্পদ মূল্যাঙ্কণৰ পদ্ধতিসমূহ



তিনিটাৰ ভিতৰত যিকোনো এটা পদ্ধতিৰে সম্পদৰ মূল্যাঙ্কণ কৰা হয়

i. লিপিবদ্ধ মূল্য

এয়া হৈছে জীবন বীমাকাৰকে তেঁওৰ সম্পদবোৰ ক্ৰয় বা অৰ্জন কৰোঁতে পৰিশোধ কৰা মূল্য

ii. বজাৰ মূল্য

বজাৰত জীবন বীমাকাৰকৰ সম্পদবোৰৰ মূল্য

iii. ৰেহাইকৃত বৰ্তমান মূল্য

বিভিন্ন সম্পদৰ পৰা ভবিষ্যতৰ উপাৰ্জ্জন-প্ৰবাহৰ মূল্যানুমান কৰা আৰু ৰেহাই দি সেইবোৰৰ বৰ্তমান মূল্য নিৰূপণ কৰা ।

সমস্যাটো হৈছে যে, এই দায়বদ্ধতাবোৰৰ এক সঠিক মূল্যায়ন একেবাৰেই কৰিব নোৱাৰি, কিয়নো ভৱিষ্যতে কি ঘটিব সেই বিষয়ে কোনেও সুনিশ্চিত ভাবে ভৱিষ্যদ্বাণী কৰিব নোৱাৰে ।মৃত্যুহাৰ, সুত, ব্যয় আৰু ব্যাঘাতহীন ধাৰাবাহিকতা, অৰ্থাৎ যি উপাদানবোৰৰ মূল্যানুমানৰ ভিত্তিত দায়বদ্ধতাৰ বৰ্তমান মূল্য নিৰূপণ কৰা হৈছিল, সেই কেইটাৰ মূল্যানুমানৰ ওপৰতেই দায়বদ্ধতাৰ মূল্য নিৰ্ভৰ কৰে ।মূল্যায়নৰ সময়ত অনুমান বা ধাৰণাৰ প্ৰবল উপস্থিতিৰ বাবেই ''লাভ'' শব্দটোৰ পৰিবৰ্তে জীবন বীমাত ''ৰাহি'' শব্দটো ব্যবহাৰ কৰা হয় ।

সেয়েহে, কি দৰে সম্পদ আৰু দায়বদ্ধতাৰ মূল্যাঙ্কণ কৰা হয় তাৰেই ফলশ্ৰুতি হ'ল 'ৰাহি':-

i. মূল্যাঙ্কণৰ সময়ত বীমাকাৰক অতিকৈ সাৱধানী হ'লে দায়বদ্ধতাৰ মূল্য ন্যায্যতকৈ অধিক আৰু সম্পদৰ মূল্য ন্যায্যতকৈ কমকৈ ধৰা হ'ব ।ফল স্বৰূপে, ঘোষিত ৰাহিৰ পৰিমাণো কম হ'ব । ইয়াৰ অৰ্থ হ'ল, বৰ্তমান পলিচিধাৰকৰ মাজত বিতৰণ কৰাৰ বাবে ৰাহিৰ পৰিমাণ তেনেই কম হ'ব ।কিন্তু প্ৰকৃত ৰাহি দৰাচলতে ঘোষিত ৰাহিতকৈ বেছি হোৱা কাৰণে বীমাকাৰকৰ আৰ্থিক সবলতা বৃদ্ধি পাব আৰু সেয়েহে ভৱিষ্যতৰ বাবে অধিক সংস্থানৰ ব্যৱস্থা কৰিব পাৰিব । ইয়ৰ ফলত ভৱিষ্যৎ পলিচিধাৰকসকল উপকৃত হ'ব ।

ii. আনহাতে, যদি বীমাকাৰক সকল অতি বেছি উদাৰ বা মুক্তহস্ত হয়, তেন্তে ইয়াৰ পৰিণাম বিপৰীত হ'ব । অৰ্থাৎ ভৱিষ্যৎ পলিচিধাৰকৰ মূল্যত বৰ্তমান পলিচিধাৰক সকল লাভান্বিত হ'ব ।

জীবন বীমা কোম্পানীয়ে বৰ্তমান আৰু ভৱিষ্যতৰ পলিচিধাৰকসকলৰ মাজত সঠিক ভাৰসাম্য ৰক্ষা কৰিব লাগিব ।

2. ৰাহিৰ আবণ্টন

বীমাকাৰকে অনুমান কৰাতকৈ বাস্তৱ অভিজ্ঞতা বেছি ভাল হোৱাৰ ফলত ৰাহিৰ সৃষ্টি হয় ।যিসকল পলিচিধাৰকে, লাভ সহিত চুক্তিৰ অধীনত, লাভৰ অংশীদাৰিত্ব স্বীকাৰ কৰি লাভ সহিত পলিচি কিনিছিল, প্ৰকৃত আৰু প্ৰত্যাশিত ফলাফলৰ মাজৰ অনুকূল ব্যৱধানৰ সুবিধাখিনি তেঁওলোকলৈ আগ বঢ়োৱাৰ বাবে বীমাকাৰক দায়বদ্ধ ।

একে সময়তে, ৰাহি হৈছে এক উৎস য'ৰ পৰা কোম্পানীৰ বুনিয়াদী মূলধন (নিজা অংশ বা ইকুইটি অথবা প্ৰকৃত আৰ্থিক স্থিতি বা নেট ৱৰ্থ) আভ্যন্তৰীণ ভাবে বৃদ্ধি / উন্নত কৰিব পাৰি । এই অৰ্থত, জীবন বীমা কোম্পানী এটাৰ ৰাহি সাধাৰণ কোম্পানী এটাৰ লাভৰ দৰে একে, যাক বিতৰণ নকৰি ৰাখি থোৱা হৈছে । এইবোৰক ''প্ৰতিধাৰিত উপাৰ্জন'' অৰ্থাৎ ধৰি ৰখা উপাৰ্জন বুলি কোৱা হয় ।ই কোম্পানীটোৰ আৰ্থিক স্থিতিক শক্তিশালী কৰে ।

নিৰূপিত ৰাহিৰ পৰিমাণটো কেনেদৰে আবণ্টন কৰা হয় চোৱা হওক:-

a) ঋণ পৰিশোধ-ক্ষমতাৰ আৱশ্যকীয়তা

প্ৰথমতে, ভৱিষ্যতৰ অভাৱনীয় প্ৰতিকূলতাৰ হাতৰ পৰা পলিচিধাৰক সকলক সুৰক্ষিত ৰখাৰ বাবে, দায়বদ্ধতাতকৈ অতিৰিক্ত সম্পদৰ এক অংশ আছুতীয়াকৈ ৰখা আৱশ্যক ।দায়বদ্ধতা পুৰণ কৰাৰ পাছত উদ্বৃত্ত সম্পদৰ এক অংশক, প্ৰত্যাশিত আৰু বাস্তৱ অভিজ্ঞতাৰ ভিতৰৰ অভাৱনীয় বিচ্যুতিক চম্ভালিবৰ বাবে বিশেষৰূপে একাষৰীয়াকৈ থৈ দিয়া হয় ।উদ্বৃত্তৰ এই অংশখিনিক চলভেঞ্চি মাৰ্জিন বুলি কোৱা হয় ।

b) মুক্ত সম্পদ

বিতৰণ নকৰাকৈ ৰাহিৰ এটা অংশ সুকীয়াভাবে ৰাখি থোৱাৰ আন এক উদ্দেশ্য হৈছে মুক্ত সম্পদৰ পৰিমাণ বৃদ্ধি কৰা ।মুক্ত সম্পদবোৰ দায়মুক্ত অৰ্থাৎ কোনো ধৰণৰ দায়বদ্ধতা পূৰণ কৰাৰ বাবে এইবোৰৰ প্ৰয়োজন নহয় । সেয়েহে জীবন বীমাকাৰকে স্বাধীন ভাবে এইবোৰক ব্যৱহাৰ কৰিব পাৰে ।বীমাকাৰকে দুটা কাৰণত এনে মুক্ত সম্পদ ৰখা প্ৰয়োজন:-

i. প্ৰথমতে, নতুন ব্যৱসায়ৰ অৰ্থ যোগাবৰ বাবে কোম্পানীবোৰৰ পুঁজিৰ প্ৰয়োজন হয় ।ইতিমধ্যে দেখা গৈছে কেনেদৰে নতুন ব্যৱসায়ৰ প্ৰবল হেঁচাৰ মোকাবিলা কৰাৰ বাবে অৰ্থৰ যোগানৰ প্ৰয়োজন হয় ।

ii. মুক্ত সম্পদে বীমাকাৰকক বিনিয়োগ ৰণনীতি বাছি লোৱাৰ ক্ষেত্ৰত অধিক শক্তি আৰু স্বাধীনতাও দিয়ে ।উচ্চতৰ আৰু প্ৰতিযোগিতামূলক লাভৰ হাৰ দিব খোজা কোম্পানীবোৰৰ বাবে এই সম্পদ অতি গুৰুত্বপুৰ্ণ হৈ পৰে ।

বিতৰণযোগ্য ৰাহি ঘোষণা কৰাৰ পিছত, পৰৱৰ্তী পদক্ষেপটো হৈছে জীবন বীমাকাৰকৰ পলিচিধাৰক সকলৰ মাজত ইয়াৰ বিতৰণ পদ্ধতি নিৰ্দ্ধাৰণ কৰা (যদি কোনো শ্বেয়াৰহ'ল্ডাৰ থাকে, তেন্তে তেঁওলোকৰ মাজত বিতৰণৰ বাবে এক অংশ ৰাখি থোৱাৰ পিছত) ।ৰাহি বিতৰণ কৰাৰ বাবে ভাৰতত জনপ্ৰিয় পদ্ধতি হৈছে ''বোনাচ ব্যৱস্থা''- যাৰ জৰিয়তে ৰাহি হোৱা পৰিমাণটো বোনাচৰ ৰূপত বিতৰণ কৰা হয় ।এই ব্যৱস্থাটো যুক্তৰাজ্য, ভাৰত আৰু আন বহু দেশত জনপ্ৰিয় ।

3. বোনাচ

চুক্তি এখনৰ অধীনত দেয় মূল সুবিধাবোৰৰ ওপৰঞ্চি হিচাবে বোনাচ দিয়া হয় ।বোনাচ সাধাৰণতে মূল আশ্বাসিত বীমা ৰাশি বা বছৰেকীয়া মূল পেঞ্চনৰ লগত সংযোজন হিচাবে আহে, যেনে, প্ৰতি হেজাৰ আশ্বাসিত বীমা ৰাশিত 60 টকা বা আশ্বাসিত বীমা ৰাশিৰ 60 শতাংশ হিচাবে ইয়াক উল্লেখ কৰা হয় ।

সৰ্বাধিক প্ৰচলিত প্ৰকাৰৰ বোনাচ হৈছে ৰিভাৰ্চ'নাৰী বা প্ৰত্যাৱৰ্তনীয় বোনাচ । বীমাকোম্পানী এটাই চুক্তিৰ ম্যাদ জুৰি প্ৰতি বছৰেই এনে ধৰণৰ বোনাচ সংযোজনৰ ঘোষণা কৰিব বুলি আশা কৰিব পাৰি । এবাৰ ঘোষণা কৰাৰ পিছত এই বোনাচ পলিচিখনৰ সৈতে সংলগ্ন হৈ যায় আৰু ইয়াক আঁতৰাব নোৱাৰি ।ই কোম্পানীটোৰ দায়বদ্ধতাৰ অংশ হৈ পৰে ।ইয়াক প্ৰত্যাৱৰ্তনীয় বোনাচ বুলি কোৱা হয়, কাৰণ পলিচিধাৰকে তেতিয়াহে কেৱল ইয়াক পাব পাৰে।

যেতিয়া মৃত্যু বা ম্যাদপূৰ্তিৰ বাবে পলিচিখন দাবীযোগ্য হয় ।পলিচিৰ সমৰ্পণৰ ক্ষেত্ৰতো চৰ্ত সাপেক্ষে বোনাচ সংযোজিত হয়, যেনে চুক্তিখন এটা ন্যূনতম নিৰ্দ্দিষ্ট ম্যাদলৈকে (যেনে 5 বছৰ) চলিব লাগিব ।

পাঠৰ ব্যাখ্যামূলক নক্সা 5: প্ৰত্যাৱৰ্তনীয় বোনাচৰ প্ৰকাৰ



i. সৰল প্ৰত্যাৱৰ্তনীয় বা ছিম্পল ৰিভাৰ্চ'নাৰী বোনাচ

ই হৈছে চুক্তিৰ অধীনত মূল নগদ সুবিধাৰ এক শতাংশ হিচাবে ঘোষণা কৰা বোনাচ ।উদাহৰণ স্বৰূপে, ভাৰতত ইয়াক প্ৰতি হেজাৰ আশ্বাসিত বীমা ৰাশিত এক পৰিমাণ হিচাবে উল্লেখ কৰা হয় ।

ii. চক্ৰবৃদ্ধি বা ক'ম্পাউন্ড বোনাচ

এই ক্ষেত্ৰত কোম্পানীয়ে মূল সুবিধা আৰু ইতিমধ্যে সংলগ্ন হোৱা বোনাচৰ এক শতাংশ হিচাবে বোনাচ ঘোষণা কৰে ।সেয়েহে ই হৈছে বোনাচৰ ওপৰত এক বোনাচ ।ইয়াক প্ৰকাশ কৰাৰ এটা পদ্ধতি হ'ব পাৰে- মূল আশ্বাসিত বীমা ৰাশি আৰু ইতিমধ্যে সংলগ্ন হোৱা বোনাচৰ সমষ্টিৰ ওপৰত 8% হাৰত বোনাচ হিচাবে ।

iii. আৱসান বা টাৰ্মিনেল বোনাচ

নামটোৰ পৰাই গম পায়, এই বোনাচটো কেৱলমাত্ৰ চুক্তিখনৰ অৱসানতহে (মৃত্যু বা ম্যাদপূৰ্তি) চুক্তিৰ সৈতে সংলগ্ন হয় ।পিছৰ বছৰবোৰৰ বাবে কোনো প্ৰতিশ্ৰুতি (প্ৰত্যাৱৰ্তনীয় বোনাচৰ দৰে) নিদিয়াকে এই বোনাচটো কেৱল আসন্ন বছৰটোৰ দাবীবোৰৰ বাবে ঘোষণা কৰা হয় । অৰ্থাৎ 2013 চনৰ বাবে ঘোষণা কৰা আৱসান বোনাচ কেৱল 2013-14 চনত উত্থাপিত হোৱা দাবীবোৰৰ ওপৰতহে প্ৰযোজ্য হ'ব- তাৰ পিছৰ বছৰবোৰৰ বাবে নহয় ।

সৰ্বশেষত, আৱসান বোনাচ নিৰ্ভৰ কৰে চুক্তিখনৰ কালদৈৰ্ঘ্যৰ ওপৰত আৰু কালদৈৰ্ঘ্য বাঢ়িলে বোনাচো বৃদ্ধি পায় । সেয়েহে, 25 বছৰ ধৰি চলা চুক্তি এখনৰ আৱসান বোনাচ 15 বছৰ ধৰি চলা চুক্তি এখনতকৈ বেছি হ'ব ।

শ্বেয়াৰ আৰু সম্পত্তিত বৰ্দ্ধিত বিনিয়োগৰ ফলত অৰ্জিত এক বৃহৎ পৰিমাণৰ অনাদায়ী লাভ কেনেদৰে বিতৰণ কৰা যায়- এই সমস্যাৰ এক সমাধান হিচাবে বৃটিশ্ব যুক্তৰাজ্যত এই আৱসান বোনাচৰ ধাৰণাটোৰ উদ্ভৱ হৈছিল ।বীমাকাৰক সকলে এই বোনাচ চালু ৰখাৰ সমস্যাটো দূৰ কৰাৰ বাবে ইয়াক পলিচিৰ ম্যাদৰ লগত

সম্পৰ্কিত কৰি এককালীন পৰিশোধ কৰাৰ সিদ্ধান্ত লয় ।এই বোনাচ এতিয়া পলিচিধাৰক সকলৰ মাজত সমদৰ্শিতাৰ নীতি স্থাপনৰ এক উপায় হৈ পৰিছে ।

4. অৱদান পদ্ধতি

ৰাহি বিতৰণ কৰাৰ আৰু এটা পদ্ধতি হৈছে অৱদান পদ্ধতি- ইয়াক উত্তৰ আমেৰিকাত গ্ৰহণ কৰা হৈছিল । এই পদ্ধতিত, তিনিটা উৎস বিবেচিত হয়: - অতিৰিক্ত সুত, মৃত্যুহাৰ জনিত সঞ্চয়, খৰছ তথা অন্যান্য ল'ডিংৰ বাবে উদ্ভৱ হোৱা সঞ্চয় ।

মৃত্যুহাৰ, সুত আৰু খৰছৰ ক্ষেত্ৰত বছৰটোত প্ৰত্যাশিত আৰু প্ৰকৃত সংঘটণৰ মাজৰ পাৰ্থক্যটোৰ পৰা ৰাহি নিৰ্দ্ধাৰণ কৰা হয় ।

ঘোষণা কৰা লভ্যাংশ বা ডিভিডেণ্ডবোৰ নিম্নলিখিত চাৰি প্ৰকাৰৰ এক প্ৰকাৰে পৰিশোধ কৰা হয়:-

i. নগদ মুল্যৰ লভ্যাংশ ৰূপে

ii. ভৱিষ্যতৰ প্ৰিমিয়ামবোৰৰ সৈতে অভিযোজিত কৰি নাইবা প্ৰিমিয়ামৰ পৰা হ্ৰাস কৰি

iii. পলিচিত এক অ-বাজেয়াপ্তকৰণযোগ্য পৰিশোধিত সংযোজন লোৱাৰ অনুমোদন দি

iv. শেষত, লভ্যাংশসমূহক সুতেৰে সৈতে পলিচিখনত পুঞ্জীভূত হ'বলৈ দিয়াৰ অনুমতি দি । এই জমাপুঁজিক পলিচিধাৰকে ইচ্ছানুযায়ী যিকোনো সময়ত উলিয়াই ল'ব পাৰে, নাইবা চুক্তিৰ ম্যাদ শেষ হোৱালৈকে অপেক্ষা কৰিব পাৰে ।

5. ইউনিট লিংকড পলিচি

ওপৰত বৰ্ণিত পৰম্পৰাগত লাভ সহিত পলিচিবোৰত জীবন বীমাকাৰকে আগ বঢ়োৱা বোনাচৰ লগত তেঁওলোকৰ বিনিয়োগ ফলাফলৰ এক সংযোগ থাকে, যদিও এই সংযোগ পোণপটীয়া নহয় ।বীমাকাৰকৰ সম্পদ আৰু দায়বদ্ধতাৰ নিয়মিত ব্যৱধানৰ মূল্যাঙ্কনৰ সময়ত ঘোষিত ৰাহিৰ পৰিমাণৰ ওপৰত পলিচিধাৰকৰ বোনাচ নিৰ্ভৰ কৰে ।ফল স্বৰূপে, বোনাচৰ গাঁথনিয়ে বীমাকাৰকৰ ভিত্তিস্বৰূপ সম্পদৰ মূল্য প্ৰত্যক্ষ ভাবে প্ৰতিফলিত নকৰে ।

তদুপোৰি, মূল্যাঙ্কণৰ ফলত উদ্ভূত বোনাচ সাধাৰণতে বছৰত কেৱল এবাৰ ঘোষণা কৰা হয় ।সেয়েহে, এই বোনাচে সম্পদবোৰৰ মূল্যৰ দৈনিক উঠা-নমাটো প্ৰতিফলিত নকৰে ।ওপৰত উল্লেখ কৰা সীমাবদ্ধতাৰ সৰহখিনি নাইকীয়া কৰাৰ উদ্দেশ্যে খুঁটি-নাটিলৈ চকু ৰাখি ইউনিট লিংকড পলিচিবোৰ বিন্যাস কৰা হৈছে ।

এই ধৰণৰ পণ্য ৰূপাংকণৰ বাবে এক ভিন্ন দৃষ্টিভঙ্গীৰে সৈতে এক ভিন্ন নীতিশৃঙ্খলা অনুসৰণ কৰা হয় ।

a) ইউনিটলৈ ৰূপান্তৰণ

এই পলিচিবোৰৰ স্বতন্ত্ৰতাসূচক বিশেষত্ব হৈছে যে এইবোৰৰ লাভ বা সুবিধা, দাবী পৰিশোধ কৰিব লগা তাৰিখত পলিচিধাৰকৰ একাউন্টত জমা থকা ইউনিটবোৰৰ মূল্যৰ ওপৰত সম্পূৰ্ণ বা আংশিক ভাবে নিৰ্ভৰশীল ।বিনিয়োগ পুঁজি এটাক কেইবাটাও সমান ভাগত বিভক্ত কৰি ইউনিট এটা সৃষ্টি কৰা হয় ।

b) স্বচ্ছ গাঁথনি

ইউনিট লিংকড পণ্যবোৰত বীমা সুৰক্ষা আৰু খৰছৰ উপাংশবোৰৰ মূল্য স্পষ্ট ভাবে নিৰ্দ্ধাৰিত থাকে । এই মূল্যবোৰ প্ৰিমিয়ামৰ পৰা বাদ দিয়াৰ পিছত পলিচিধাৰকৰ একাউন্টত থকা বাকী ধন আৰু ইয়াৰ পৰা হোৱা আয়, গোটেইখিনি ইউনিটত বিনিয়োগ কৰা হয় ।কৰ্ম দক্ষতা ভিত্তিক পূৰ্ব নিৰ্দ্দিষ্ট সূচ্যাংকৰ পৰিপ্ৰেক্ষিতত এই ইউনিটবোৰৰ মূল্য নিৰ্দ্ধাৰিত হয় ।

পুৰ্বেই বৰ্ণিত কিছুমান সূত্ৰ বা নীতিৰ ভিত্তিত এই মূল্য নিৰ্দ্ধাৰিত হয় ।এই সূত্ৰ সমূহ অনুসৰণ কৰি দুজন ভিন্ন ব্যক্তিয়ে একে ধৰণৰ সুবিধা বা লাভ পাব পাৰে ।আন কথাত ক'বলৈ গলে, পলিচিধাৰকে পাব লগা সুবিধা বীমা কোম্পানীৰ অনুমান বা নিজস্ব ইচ্ছাৰ ওপৰত নিৰ্ভৰ নকৰে ।

c) মূল্য নিৰ্দ্ধাৰণ

বন্দৰস্তি আদিৰ দৰে পৰম্পৰাগত আঁচনিত, বীমাকৃত ব্যক্তিজনেই কিনিব লগা আশ্বাসিত বীমা ৰাশিৰ পৰিমাণৰ বিষয়ে সিদ্ধান্ত লয় ।এই আশ্বাসিত বীমা ৰাশিটো গেৰান্টী যুক্ত । সেয়েহে মৃত্যুহাৰ, সুত আৰু খৰছৰ অনুমানৰ ভিত্তিত পৰিমানটো এনেদৰে নিৰ্দ্ধাৰণ কৰা হয় যে এই আশ্বাসিত বীমা ৰাশিটো পৰিশোধ কৰাৰ বাবে ই পৰ্য্যাপ্ত হয় ।যদি প্ৰিমিয়াম নিৰ্দ্ধাৰণৰ বাবে কৰা অনুমানতকৈ প্ৰকৃত অভিজ্ঞতা উন্নততৰ হয়, তেন্তে এই সুবিধা বা লাভক এক বোনাচ ৰূপে পলিচিধাৰকলৈ আগ বঢ়োৱা হয় ।

ইউনিট লিংকড পলিচিত, বীমাকৃতই নিৰ্ণয় কৰে যে কি পৰিমাণৰ প্ৰিমিয়াম তেঁও নিয়মিত ব্যবধানত দিব পাৰিব ।আৱশ্যিক ন্যূনতম দেয় প্ৰিমিয়াম সাপেক্ষে, প্ৰিমিয়ামৰ পৰিমাণ ভিন্ন ভিন্ন হ'ব পাৰে । বীমা সুৰক্ষাৰ পৰিমান, প্ৰদত্ত প্ৰিমিয়ামৰ এক গুণিতক হয়- যেনে ই বছৰেকীয়া প্ৰিমিয়ামৰ দহ গুণ হ'ব পাৰে ।

প্ৰিমিয়ামক তিনিটা ভাগত বিভক্ত কৰা হয়:-

i. প্ৰথমতে হৈছে পলিচি ব্যৱস্থাকৰণৰ খৰছ বা পলিচি এল'কেশ্বন চাৰ্জ (পি এ চি), য'ত অন্তৰ্ভূক্ত হৈ থাকে এজেন্টৰ কমিচন, পলিচি সূচনা কৰাৰ খৰছ, প্ৰশাসনিক খৰছসমূহ আৰু আইনত আৱশ্যকীয় কৰসমূহ ।

ii. দ্বিতীয় উপাদানটো হৈছে মৃত্যুহাৰৰ মূল্য, অৰ্থাৎ বীমা সুৰক্ষা প্ৰদান কৰাৰ খৰছ ।

iii. ওপৰৰ দুই ধৰণৰ ব্যয় পূৰণ কৰাৰ পিছত প্ৰিমিয়ামৰ অৱশিষ্ট পৰিমানটো ইউনিট কিনাৰ বাবে আবন্টন কৰা হয় ।

আৰম্ভণিৰ বছৰ কেইটাত, প্ৰিমিয়ামৰ অনুপাত হিচাবে পলিচি ব্যৱস্থাকৰণৰ খৰছ (পি এ চি) পৰম্পৰাগত আৰু ইউলিপ দুয়ো প্ৰকাৰৰ আঁচনিতেই বেছি হয় । পৰম্পৰাগত পলিচিৰ ক্ষেত্ৰত গোটেই খৰছখিনি ভাগ কৰি সমগ্ৰ ম্যাদ জুৰি ভগাই দিয়া হয় ।কিন্তু ইউলিপৰ ক্ষেত্ৰত এইবোৰ প্ৰাৰম্ভিক প্ৰিমিয়ামৰ পৰাই কাটি লোৱা হয় ।ইয়াৰ অৰ্থ হৈছে যে বিনিয়োগৰ বাবে আবন্টিত ধনৰ পৰিমাণ প্ৰাৰম্ভিক অৱস্থাত এই খৰছবোৰৰ বাবে যথেষ্ট কমি যাব ।সেইবাবে প্ৰদত্ত প্ৰিমিয়ামৰ তুলনাত লাভৰ মাত্ৰা বেছ কম হ'ব ।

d) বিনিয়োগৰ বিপদাশংকা বহন

সৰ্বশেষত, ইউনিটবোৰৰ মূল্য জীবন বীমাকাৰকৰ বিনিয়োগৰ মূল্যৰ ওপৰত নিৰ্ভৰ কৰে বাবে এনে আশংকাক নুই কৰিব নোৱাৰি যে ইউনিটৰ মূল্য আশা কৰাতকৈ কম হ'ব পাৰে আৰু সেয়েহে লাভৰ হাৰো কম আনকি ঋণাত্মকো হ'ব পাৰে ।জীবন বীমাকাৰকে এই বিনিয়োগৰ পৰিচালনা দক্ষতা আৰু সুবিবেচনাৰ সৈতে কৰিব বুলি আশা কৰিলেও, ইউনিটৰ মূল্যৰ বিষয়ে কোনো গেৰান্টী নিদিয়ে । আন কথাত, বিনিয়োগৰ বিপদাশংকা ইউনিটধাৰকে বহন কৰে ।বীমাকাৰকে মৃত্যুহাৰ আৰু ব্যয় জনিত বিপদাশংকা বহন কৰিব পাৰে ।

নিজক পৰখ কৰক 2

ইউলিপৰ ক্ষেত্ৰত বিনিয়োগৰ বিপদাশংকা কোনে বহন কৰে?

I. বীমাকাৰক

II. বীমাকৃত

III. ৰাষ্ট্ৰ

IV. আই আৰ ডি এ

সাৰ সংক্ষেপ

- সাধাৰণ ভাষাত, প্ৰিমিয়াম শব্দটোৰ অৰ্থ হৈছে বীমাকৃত ব্যক্তি এজনে বীমা পলিচি কিনিবৰ বাবে দিয়া দাম ।
- জীবন বীমা পলিচিৰ বাবে প্ৰিমিয়াম নিৰ্দ্ধাৰণ প্ৰক্ৰিয়াত, মৃত্যুৰ হাৰ, সুত, ব্যয়ৰ ব্যৱস্থাপনা আৰু তহবিল বা ৰিজাৰ্ভ - এই কেইটা উপাদান বিবেচনাভূক্ত হয় ।
- মুঠ প্ৰিমিয়াম হৈছে প্ৰকৃত প্ৰিমিয়াম আৰু ইয়াৰ লগত যুক্ত হোৱা ল'ডিং বা বোজাইৰ সমষ্টি ।
- পলিচি কালাতীত হোৱাৰ অৰ্থ হৈছে পলিচিধাৰকে প্ৰিমিয়াম দিয়া বন্ধ কৰা ।প্ৰত্যাহাৰৰ ক্ষেত্ৰত পলিচিধাৰকে পলিচিখন সমৰ্পণ বা চাৰেণ্ডাৰ কৰে আৰু পলিচিখনে অৰ্জা নগদ মূল্যৰ পৰা এটা পৰিমাণ পায় ।
- জীবন বীমাকাৰকে অনুমান কৰাতকৈ বাস্তৱ অভিজ্ঞতা বেছি ভাল হোৱাৰ ফলত ৰাহিৰ সৃষ্টি হয় ।
- ঋণ পৰিশোধ-ক্ষমতাৰ আৱশ্যকীয়তা, মুক্ত সম্পদ বৃদ্ধি আদিৰ বাবে ৰাহিৰ আবন্টন কৰা হ'ব পাৰে।
- সৰ্বাধিক প্ৰচলিত প্ৰকাৰৰ বোনাচ হৈছে প্ৰত্যাৱৰ্তনীয় বা ৰিভাৰ্চ'নাৰী বোনাচ

সুনিৰ্দ্দিষ্ট অৰ্থনিহিত গুৰুত্বপূৰ্ণ শব্দ

1. প্ৰিমিয়াম
2. ৰেহাই
3. বোনাচ
4. ৰাহি
5. তহবিল
6. ল'ডিং বা বোজা আৰোপ
7. প্ৰত্যাৱৰ্তনীয় বা ৰিভাৰ্চ'নাৰী বোনাচ

" নিজক পৰখ কৰক"ৰ উত্তৰ

উত্তৰ 1

সঠিক উত্তৰটো হৈছে II

পলিচিধাৰকে পলিচি এখনৰ বাবে প্ৰিমিয়াম দিয়া বন্ধ কৰিলে পলিচিখন কালাতীত হৈ যোৱা বুলি কোৱা হয় ।

উত্তৰ 2

সঠিক উত্তৰটো হৈছে II

ইউলিপৰ ক্ষেত্ৰত বীমাকৃত ব্যক্তিজনে বিনিয়োগৰ বিপদাশংকা বহন কৰে ।

স্ব-পৰীক্ষণ প্ৰশ্ন

প্ৰশ্ন 1

বীমা পলিচি এখনৰ সম্পৰ্কত "প্ৰিমিয়াম" শব্দটোৱে কি বুজায়?

I. বীমাকাৰকে অৰ্জা লাভ

II. পলিচি এখন কিনাৰ বাবে বীমাকৃত ব্যক্তিয়ে দিয়া দাম

III. পলিচি এখনত বীমাকাৰকৰ মুনাফা

IV. পলিচি এখনৰ বাবে বীমাকাৰকে কৰা খৰছ

প্ৰশ্ন 2

নিম্নলিখিত কোনটো জীবন বীমাৰ প্ৰিমিয়াম নিৰ্দ্ধাৰণ প্ৰক্ৰিয়াৰ উপাদান নহয়?

I. মৃত্যুৰ হাৰ

II. ৰেহাই

III. তহবিল

IV. প্ৰশাসনিক খৰছসমূহ

প্ৰশ্ন 3

পলিচি প্ৰত্যাহাৰ কি?

I. পলিচিধাৰকে প্ৰিমিয়াম দিয়া বন্ধ কৰা

II. অৰ্জিত সমৰ্পণ মূল্যৰ বিনিময়ত পলিচিখনৰ স্বত্ব ত্যাগ কৰা

III. পলিচি উন্নীতকৰণ

IV. পলিচি অৱনমিতকৰণ

প্ৰশ্ন 4

নিম্নলিখিত কোনটোৱে 'ৰাহি'ৰ সংজ্ঞা নিৰূপণ কৰে?

I. অত্যধিক দায়বদ্ধতা

II. অত্যধিক উৎপাদন বা উপাৰ্জ্জন

III. সম্পদৰ তুলনাত অতিৰিক্ত দায়বদ্ধতাৰ মূল্য

IV. দায়বদ্ধতাৰ তুলনাত অতিৰিক্ত সম্পদৰ মূল্য

প্ৰশ্ন 5

নিম্নলিখিত কোনটো ইউলিপ প্ৰিমিয়ামৰ উপাংশ নহয়?

I. পলিচি-ব্যৱস্থাকৰণ ব্যয়

II. বিনিয়োগ-বিপদাশংকাৰ প্ৰিমিয়াম

III. মৃত্যুহাৰ ব্যয়

IV. সামাজিক সুৰক্ষা ব্যয়

প্ৰশ্ন 6

জীবন বীমা কোম্পানীবোৰে_____ৰ ভিত্তিত দেয় প্ৰিমিয়ামৰ ওপৰত ক্ৰেতাক ৰেহাই আগ বঢ়াব পাৰে ।

I. ক্ৰেতাই বাছনি কৰা আশ্বাসিত বীমা ৰাশি

II. ক্ৰেতাই বাছনি কৰা পলিচিৰ প্ৰকাৰ

III. ক্ৰেতাই বাছনি কৰা পলিচিৰ ম্যাদ

IV. ক্ৰেতাই বাছনি কৰা পৰিশোধৰ ধৰণ (নগদ, চেক, কাৰ্ড)

প্ৰশ্ন 7

প্ৰিমিয়াম নিৰ্দ্ধাৰণ কৰোঁতে সুতৰ হাৰ হৈছে এক গুৰুত্বপূৰ্ণ উপাদান ।সুতৰ হাৰ সম্পৰ্কে নিম্নলিখিত কোনটো বিবৃতি শুদ্ধ?

I. ধৰি লোৱা সুতৰ হাৰ যিমান কম হ'ব, প্ৰিমিয়াম সিমানে কম হব

II. ধৰি লোৱা সুতৰ হাৰ যিমান বেছি হ'ব, প্ৰিমিয়াম সিমানে বেছি হব

III. ধৰি লোৱা সুতৰ হাৰ যিমান বেছি হ'ব, প্ৰিমিয়াম সিমানে কম হব

IV. সুতৰ হাৰে প্ৰিমিয়ামক প্ৰভাৱিত নকৰে

প্ৰশ্ন 8

তলৰ কোনটো বিবৃতি শুদ্ধ?

I. প্ৰকৃত প্ৰিমিয়ামৰ ওপৰত আৰোপিত বোজাই বা ল'ডিংত সচৰাচৰ 3 টা অংশ থাকে: ক) প্ৰিমিয়ামৰ এক অপৰিবৰ্তনীয় পৰিমাণ, খ) প্ৰতি '1000 টকা আশ্বাসিত বীমা ৰাশিৰ বাবে এক অপৰিবৰ্তনীয় পৰিমাণ আৰু গ) প্ৰতি পলিচিৰ বাবে এক অপৰিবৰ্তনীয় পৰিমাণ

II. প্ৰকৃত প্ৰিমিয়ামৰ ওপৰত আৰোপিত বোজাই বা ল'ডিংত সচৰাচৰ 3 টা অংশ থাকে: ক) প্ৰিমিয়ামৰ এক শতাংশ, খ) প্ৰতি '1000 টকা আশ্বাসিত বীমা ৰাশিৰ বাবে এক অপৰিবৰ্তনীয় পৰিমাণ আৰু গ) প্ৰতি পলিচিৰ বাবে এক অপৰিবৰ্তনীয় পৰিমাণ

III. প্ৰকৃত প্ৰিমিয়ামৰ ওপৰত আৰোপিত বোজাই বা ল'ডিংত সচৰাচৰ 3 টা অংশ থাকে: ক) প্ৰিমিয়ামৰ এক শতাংশ, খ) প্ৰতি '1000 টকা আশ্বাসিত বীমা ৰাশিৰ বাবে এক অপৰিবৰ্তনীয় শতাংশ, আৰু গ) প্ৰতি পলিচিৰ বাবে এক অপৰিবৰ্তনীয় পৰিমাণ

IV. প্ৰকৃত প্ৰিমিয়ামৰ ওপৰত আৰোপিত বোজাই বা ল'ডিংত সচৰাচৰ 3 টা অংশ থাকে: ক) প্ৰিমিয়ামৰ এক শতাংশ, খ) প্ৰতি '1000 টকা আশ্বাসিত বীমা ৰাশিৰ বাবে এক অপৰিবৰ্তনীয় পৰিমাণ, আৰু গ) প্ৰতি পলিচিত এক শতাংশৰ পৰিমাণ

প্ৰশ্ন 9

বীমা কোম্পানীবোৰোৰ দ্বাৰা সম্পদৰ মূল্যাঙ্কণৰ ক্ষেত্ৰত,_____হৈছে সেই মূল্য, যিটোৰে জীবন বীমাকাৰকে তেঁওৰ সম্পদবোৰ কিনিছে বা অৰ্জন কৰিছে ।

I. ৰেহাইকৃত ভৱিষ্যত মূল্য

II. ৰেহাইকৃত বৰ্তমান মূল্য

III. বজাৰ মূল্য

IV. লিপিবদ্ধ মূল্য

প্ৰশ্ন 10

_____ৰ ক্ষেত্ৰত, কোম্পানীয়ে মূল সুবিধা আৰু ইতিমধ্যে সংলগ্ন হোৱা বোনাচৰ সমষ্টিৰ এক শতাংশ হিচাবে বোনাচ ঘোষণা কৰে ।

I. প্ৰত্যাৱৰ্তনীয় বোনাচ

II. চক্ৰবৃদ্ধি বোনাচ

III. আৱসান বোনাচ

IV. নিৰৱচ্ছিন্ন বিদ্যমানতা বা পাৰ্ছিস্টেনছি বোনাচ

স্ব-পৰীক্ষণমূলক প্ৰশ্নৰ উত্তৰ

উত্তৰ 1

সঠিক উত্তৰটো হৈছে II.

পলিচি এখন কিনাৰ বাবে বীমাকৃত ব্যক্তিয়ে দিয়া দামক প্ৰিমিয়াম বুলি কোৱা হয় ।

উত্তৰ 2

সঠিক উত্তৰটো হৈছে II

ৰেহাই জীবন বীমাৰ প্ৰিমিয়াম নিৰ্দ্ধাৰণ প্ৰক্ৰিয়াৰ কোনো উপাদান নহয় ।

উত্তৰ 3

সঠিক উত্তৰটো হৈছে II

অৰ্জিত সমৰ্পণ মূল্যৰ বিনিময়ত পলিচিখনৰ স্বত্ব ত্যাগ কৰাক পলিচি প্ৰত্যাহাৰ বুলি কোৱা হয় ।

উত্তৰ 4

সঠিক উত্তৰটো হৈছে IV

দায়বদ্ধতাৰ তুলনাত অতিৰিক্ত সম্পদৰ মূল্যই 'ৰাহি'ৰ সংজ্ঞা নিৰূপণ কৰে ।

উত্তৰ 5

সঠিক উত্তৰটো হৈছে IV

সামাজিক সুৰক্ষা ব্যয় ইউলিপ প্ৰিমিয়ামৰ উপাংশ নহয় ।ইউলিপ প্ৰিমিয়ামত পলিচি-ব্যৱস্থাকৰণ ব্যয়, বিনিয়োগ-বিপদাশংকাৰ প্ৰিমিয়াম আৰু মৃত্যুহাৰ ব্যয় থাকে ।

উত্তৰ 6

সঠিক উত্তৰটো হৈছে I

জীবন বীমা কোম্পানীবোৰে ক্ৰেতাই বাছনি কৰা আশ্বাসিত বীমা ৰাশিৰ ভিত্তিত দেয় প্ৰিমিয়ামৰ ওপৰত ক্ৰেতাক ৰেহাই আগ বঢ়াব পাৰে ।

উত্তৰ 7

সঠিক উত্তৰটো হৈছে III

ধৰি লোৱা সুতৰ হাৰ যিমান বেছি হ'ব, প্ৰিমিয়াম সিমানে কম হব ।

উত্তৰ 8

সঠিক উত্তৰটো হৈছে II

প্ৰকৃত প্ৰিমিয়ামৰ ওপৰত আৰোপিত বোজাই বা ল'ডিংত সচৰাচৰ 3 টা অংশ থাকে: ক) প্ৰিমিয়ামৰ এক শতাংশ, খ) প্ৰতি '1000 টকা আশ্বাসিত বীমা ৰাশিৰ বাবে এক অপৰিবৰ্তনীয় পৰিমাণ আৰু গ) প্ৰতি পলিচিৰ বাবে এক অপৰিবৰ্তনীয় পৰিমাণ ।

উত্তৰ 9

সঠিক উত্তৰটো হৈছে IV

বীমা কোম্পানীবোৰোৰ দ্বাৰা সম্পদৰ মূল্যাঙ্কণৰ ক্ষেত্ৰত, লিপিবদ্ধ মূল্য হৈছে সেই মূল্যটো, যিহেৰে জীবন বীমাকাৰকে তেঁওৰ সম্পদবোৰ কিনিছে বা অৰ্জন কৰিছে ।

উত্তৰ 10

সঠিক উত্তৰটো হৈছে II

চক্ৰবৃদ্ধি বোনাচৰ ক্ষেত্ৰত, কোম্পানীয়ে মূল সুবিধা আৰু ইতিমধ্যে সংলগ্ন হোৱা বোনাচৰ সমষ্টিৰ এক শতাংশ হিচাবে বোনাচ ঘোষণা কৰে ।

অধ্যায় 12

তথ্য সহকাৰে প্ৰতিপাদন – প্ৰস্তাৱ পৰ্য্যায়

অধ্যায় পৰিচিতি

জীবন বীমা উদ্যোগত এক বৃহৎ সংখ্যক প্ৰপত্ৰ আৰু নথিৰ ব্যৱহাৰ হয় । বীমাকৃত আৰু বীমাকাৰকৰ মাজৰ সম্বন্ধটোত স্পষ্টতা আনিবলৈ এইবোৰৰ দৰকাৰ হয় ।এই অধ্যায়টোত প্ৰস্তাৱ পৰ্য্যায়ৰ লগত জড়িত বিভিন্ন নথিপত্ৰৰ আৰু এইবোৰৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰা হ'ব । নিম্নলিখিত নথিবোৰ আলোচনাৰ অন্তৰ্ভূক্ত হ'ব:

i. বিবৰণ-পত্ৰ (প্ৰছপেক্টাছ)

ii. প্ৰস্তাৱ-পত্ৰ (প্ৰপ'জেল)

iii. এজেন্টৰ ৰিপৰ্ট

iv. ডাক্তৰি পৰীক্ষকৰ ৰিপ'ৰ্ট

v. নৈতিক সঙ্কট সম্বন্ধীয় (মৰেল হেজাৰ্ড) ৰিপৰ্ট

vi. বয়সৰ প্ৰমাণ পত্ৰ

vii. আপোনাৰ গ্ৰাহকক জানক (ন' য়ুৰ কাষ্টমাৰ বা কে ওৱাই চি) সম্বন্ধীয় দলিল

শিক্ষণৰ ফলাফল

A. জীবন বীমা – প্ৰস্তাৱ পৰ্য্যায়ৰ দলিল পত্ৰ

A. জীবন বীমা – প্ৰস্তাৱ পৰ্য্যায়ৰ দলিল পত্ৰ

1. বিবৰণ-পত্ৰ

সংজ্ঞা

বিবৰণ-পত্ৰ হৈছে বীমা কোম্পানীসমূহে ব্যৱহাৰ কৰা এখন প্ৰথাগত আইনানুগ দলিল, যিখনে পণ্য সম্পৰ্কে খুঁটি-নাটি তথ্য দাঙি ধৰে ।

এজন ভাবী পলিচিধাৰকে পলিচি এটা ক্ৰয় কৰাৰ বিষয়ে বিজ্ঞ সিদ্ধান্ত গ্ৰহণৰ বাবে প্ৰয়োজনীয় তথ্যবোৰ বিবৰণ-পত্ৰ এখনত সন্নিবিষ্ট হোৱা উচিৎ ।

জীবন বীমা কোম্পানীবোৰে ব্যৱহাৰ কৰা বিবৰণ-পত্ৰত তেঁওলোকৰ প্ৰতিখন বীমা আঁচনিৰ বাবে নিম্নোক্ত বিষয়বোৰৰ বিবৰণ থকা উচিত:

i. চৰ্ত আৰু নিয়মাৱলী

ii. সুবিধাসমূহৰ অৱকাশ – গেৰাণ্টী-যুক্ত আৰু গেৰাণ্টী-অযুক্ত

iii. অধিকাৰসমূহ

iv. ব্যতিক্ৰমসমূহ

v. আঁচনিখন অংশ গ্ৰহণকাৰী নে অংশ গ্ৰহণকাৰী নহয়

বিবৰণ-পত্ৰ হ'ল এখন পৰিচয়জ্ঞাপক নথিৰ দৰে, যিখনে কোম্পানীৰ পণ্যবোৰৰ সৈতে সম্ভাব্য গ্ৰাহকজনক চিনাকি কৰাই দিয়ে ।

2. প্ৰস্তাৱ-পত্ৰ

বীমা পলিচি হৈছে বীমাকাৰক আৰু পলিচিধাৰকৰ মাজত হোৱা এক বিধিসন্মত চুক্তি । যিকোনো চুক্তিৰ বাবে অপৰিহাৰ্য্য ''প্ৰস্তাৱ আৰু স্বীকৃতি'' - ইয়াতো আছে ।প্ৰস্তাৱ কৰাৰ কাৰণে ব্যৱহৃত আৱেদন-নথিখনক সাধাৰণতে ''প্ৰস্তাৱ-পত্ৰ'' বুলি কোৱা হয় ।প্ৰস্তাৱ-পত্ৰত উল্লিখিত সকলো তথ্য উভয় পক্ষৰ বাবে বাধ্যতামূলক হৈ পৰে আৰু বিষয়বস্তুৰ গুৰুত্ব বুজাত অসমৰ্থ হ'লে দাবী নিষ্পত্তিৰ ক্ষেত্ৰত প্ৰতিকূল পৰিণামৰ সন্মুখীন হোৱাৰ পূৰ্ণ সম্ভাৱনা থাকে ।

সংজ্ঞা

আই আৰ ডি এ (পলিচিধাৰকৰ স্বাৰ্থ সুৰক্ষা) বিধি, 2010 অনুসৰি প্ৰস্তাৱ-পত্ৰক এইদৰে সংজ্ঞাবদ্ধ কৰা হৈছে:

''ইয়াৰ অৰ্থ হৈছে যে বীমা লোৱাৰ কাৰণে, বীমাকাৰকৰ বাবে আৱশ্যকীয় বিপদাশংকা সম্বন্ধীয় সকলো গুৰুত্বপূৰ্ণ তথ্য যোগান দিয়াৰ উদ্দেশ্যত প্ৰস্তাৱকে প্ৰপত্ৰ এখন ভৰ্তি কৰিব লাগিব যাতে বিপদাশংকাটো স্বীকাৰ বা অস্বীকাৰ কৰা, গ্ৰহণ কৰা আৰু গ্ৰহণ কৰিলে প্ৰদেয় সুৰক্ষাৰ নিৰিখ, চৰ্ত আৰু নিয়মাৱলী নিৰ্দ্ধাৰণ কৰাৰ সিদ্ধান্ত লোৱাত বীমাকাৰক সক্ষম হয়'' ।

এই বিধিসমূহৰ পৰিসৰত, বীমাকাৰকে গ্ৰহণ কৰিবলৈ লোৱা বিপদাশংকাটোৰ বীমাঙ্কনৰ (আন্ডাৰৰাইটিং) পৰিপ্ৰেক্ষিতত সকলো উল্লেখযোগ্য, অপৰিহাৰ্য্য আৰু প্ৰাসঙ্গিক তথ্যবোৰক ''গুৰুত্বপূৰ্ণ'' শব্দযোজনাটোৰে বুজোৱা আৰু অন্তৰ্ভূক্ত কৰা হৈছে ।

গুৰুত্বপূৰ্ণ

আইআৰ ডি এ-ই প্ৰস্তাৱ-পত্ৰখনৰ সংজ্ঞা নিৰূপন কৰিছে যদিও, ইয়াৰ ডিজাইন আৰু অন্তৰ্বস্তু বীমাকাৰকৰ ইচ্ছাধীন ।সি যি কি নহওক, পলিচিধাৰক, মধ্যস্থকাৰ্য্যকাৰী, লোকপাল (অমবুডযমেন) আৰু বীমা কোম্পানীবোৰৰ প্ৰতিক্ৰিয়াৰ ভিত্তিত প্ৰস্তাৱ-পত্ৰৰ অন্তৰ্বস্তু আৰু প্ৰপত্ৰ দুটাই প্ৰমানীকৃত কৰাৰ প্ৰয়োজনীয়তা আই আৰ ডি এ-ই উপলব্ধি কৰিছে ।

আই আৰ ডি এ-ই এই উদ্দেশ্যত আই আৰ ডি এ (জীবন বীমাৰ মানগত প্ৰস্তাৱ-পত্ৰ) 2013 বিধি বলবৎ কৰিছে । য'ত আই আৰ ডি এ-ই প্ৰস্তাৱ-পত্ৰৰ আৰ্হি আৰু অন্তৰ্বস্তু নিৰ্দ্দিষ্ট কৰি দিছে, বীমা কোম্পানীবোৰক অতিৰিক্ত তথ্য বিচাৰিব পৰাকৈ নমনীয়তা প্ৰদান কৰিছে ।প্ৰস্তাৱ-পত্ৰখনত কেৱল প্ৰস্তাৱক বা প্ৰস্তাৱিত জীবন বীমাকৃতৰ বাবেই নহয়, মধ্যস্থকাৰ্য্যকাৰী অৰ্থাৎ যিসকলে পলিচিৰ বাবে অনুৰোধ কৰে আৰু প্ৰপত্ৰখন পূৰণ কৰাত প্ৰস্তাৱকক সহায় কৰে, তেঁওলোকৰ বাবেও বিতং নিৰ্দ্দেশ সন্নিবিষ্ট থাকে ।

3. এজেন্টৰ ৰিপ'ৰ্ট

এজেন্টসকল হৈছে প্ৰাথমিক বীমাঙ্কনকাৰী । পলিচিধাৰকৰ বিষয়ে এনে সকলো গুৰুত্বপূৰ্ণ তথ্য আৰু বৈশিষ্ট্য এজেন্টে তেঁওৰ ৰিপ'ৰ্টত বেকত কৰাটো আৱশ্যক যিবোৰ পলিচিধাৰকৰ বিপদাশংকাৰ মূল্যায়নৰ বাবে প্ৰাসঙ্গিক ।স্বাস্থ্য, অভ্যাস, পেছা, আয় আৰু পাৰিবাৰিক খুঁটি-নাটিবোৰৰ বিষয়ে তেঁওৰ ৰিপ'ৰ্টত উল্লেখ থকা আৱশ্যক ।

4. ডাক্তৰি পৰীক্ষকৰ ৰিপ''ৰ্ট

বহুত ক্ষেত্ৰত বীমাকোম্পানীৰ তালিকাভূক্ত চিকিৎসকৰ দ্বাৰা প্ৰস্তাৱিত বীমাকৃতক ডাক্তৰি পৰীক্ষা কৰাবলগীয়া হয় । শাৰীৰিক সাধাৰণ বৈশিষ্ট্যসমূহ, যেনে উচ্চতা, ওজন, ৰক্তচাপ, হৃদযন্ত্ৰৰ অৱস্থা ইত্যাদি নথিবদ্ধ কৰা হয় আৰু পৰীক্ষকে তেঁওৰ ৰিপ'ৰ্টত, যিটোক ডাক্তৰি পৰীক্ষকৰ ৰিপ'ৰ্ট বুলি কোৱা হয়, এইবোৰৰ উল্লেখ কৰে ।

এইখিনিতে মনত ৰখা উচিৎ যে বহুবোৰ বীমা প্ৰস্তাৱ ডাক্তৰি পৰীক্ষণৰ দ্বাৰা নিশ্চিত নকৰোৱাকৈয়ে বীমাঙ্কিত আৰু বীমাৰ বাবে অনুমোদিত হৈ যায় ।এইবোৰক নন-মেডিকেল বীমাঙ্কন বুলি কোৱা হয় । ডাক্তৰি পৰীক্ষকৰ ৰিপ'ৰ্ট সচৰাচৰ তেতিয়াই প্ৰয়োজন হয় যেতিয়া কোনো বীমা প্ৰস্তাৱ নন-মেডিকেল বীমাঙ্কনৰ বাবে বিবেচনা কৰিব পৰা নাযায়, যাৰ কাৰণ হয়তোবা

প্ৰস্তাৱিত আশ্বাসিত বীমাৰাশি বা প্ৰস্তাৱকৰ বয়স অধিক, নাইবা প্ৰস্তাৱকৰ এনে কিছুমান বৈশিষ্ট্য আছে যিবোৰৰ বাবে ডাক্তৰি পৰীক্ষকৰ দ্বাৰা পৰীক্ষণ আৰু ৰিপ'ৰ্ট আৱশ্যকীয় হৈ পৰে ।

ইয়াৰ দ্বাৰা বীমা কোম্পানীৰ বীমাঙ্কনকাৰীয়ে প্ৰস্তাৱিত বীমাকৃতজনৰ স্বাস্থ্যৰ বৰ্তমান অৱস্থাৰ বিষয়ে সম্যক ধাৰণা এটা পায় ।

5. নৈতিক সঙ্কট সম্বন্ধীয় ৰিপ'ৰ্ট

জীবন বীমা হ'ল ব্যক্তি এজন আৰু বীমা কোম্পানীৰ মাজত হোৱা এটা চুক্তি, যিটোৱে পলিচিৰ ম্যাদৰ ভিতৰত সুৰক্ষাবৃত ব্যক্তিজনৰ মৃত্যু হ'লে এটা নিৰ্দ্দিষ্ট পৰিমাণৰ ধনৰাশি প্ৰদান কৰে ।জীবন বীমা ক্ৰয় কৰিলে আৱেদন পত্ৰ পূৰণৰ পৰা আৰম্ভ কৰি স্বাস্থ্য পৰীক্ষাৰ সন্মুখীন হোৱালৈকে বিভিন্ন বীমাঙ্কন প্ৰক্ৰিয়াৰ মাজেৰে যাবলগীয়া হয় । বিপদাশংকাক প্ৰভাৱিত কৰা যি কাৰকটোৰ বিষয়ে বীমাঙ্কনকাৰীয়ে অতি সজাগ থাকিব লাগে, সেইটোক ''নৈতিক সঙ্কট'' বুলি কোৱা হয় ।

সংজ্ঞা

জীবন বীমা পলিচি এখন কিনাৰ ফলত গ্ৰাহক এজনৰ আচৰণৰ পৰিবৰ্তন হোৱাৰ সম্ভাৱনাক, যি পৰিবৰ্তনটোৱে ক্ষতিৰ সম্ভাৱনীয়তাক বৃদ্ধি কৰে, তাক নৈতিক সঙ্কট বুলি কোৱা হয় ।

উদাহৰণ

জন ডো-ই সম্প্ৰতি জীবন বীমা পলিচি এখন কিনিছে ।তাৰ পিছত তেঁও পৃথিবীৰ আটাইতকৈ বিপজ্জনক স্কীইং স্থানত স্কীইং অভিযানত যোৱাৰ সিদ্ধান্ত লৈছে ।অতীতত কিন্তু এই ধৰণৰ অভিযানত যাবলৈ তেঁও মান্তি হোৱা নাছিল ।

নিজৰ জীবন বা আন এজনৰ জীবন শেষ কৰি দিয়া কাৰ্য্যৰ জৰিয়তে লাভ ঘটাৰ অভিসন্ধিৰে জীবন বীমা ক্ৰয় কৰাৰ সম্ভাৱনাৰ বিপৰীতে জীবন বীমা কোম্পানীবোৰ সতৰ্ক থাকিব বিচাৰে ।সেয়েহে, জীবন বীমাৰ বীমাঙ্কনকাৰীসকলে এই ধৰনৰ সঙ্কটৰ উমান দিয়া কাৰকবোৰ বিচাৰি চায় ।

এই উদ্দেশ্যত বীমা কোম্পানীৰ কোনো বিষয়াৰ পৰা এটা নৈতিক সঙ্কট সম্বন্ধীয় ৰিপ'ৰ্ট কোম্পানীয়ে বিচাৰিব পাৰে ।ৰিপ'ৰ্টখন সম্পূৰ্ণ কৰাৰ আগতে ৰিপ'ৰ্টদাতা বিষয়াজন নিজে প্ৰস্তাৱকজনৰ পৰিচয় সম্বন্ধে নিশ্চিত আৰু সন্তুষ্ট হ'ব লাগিব । ৰিপ'ৰ্ট সম্পূৰ্ণ কৰাৰ আগতে ব্যক্তিজনক তেঁওৰ নিজৰ বাসস্থানত লগ ধৰাটো অধিকতৰ শ্ৰেয় হ'ব ।প্ৰস্তাৱিত বীমাকৃতৰ স্বাস্থ্য আৰু অভ্যাস, পেছা, আয়, সামাজিক পৃষ্ঠভূমি আৰু আৰ্থিক অৱস্থাৰ বিষয়ে ৰিপ'ৰ্ট প্ৰদানকাৰীয়ে স্বাধীনভাৱে অনুসন্ধান কৰা উচিৎ ।

6. বয়সৰ প্ৰমাণ পত্ৰ

ইতিমধ্যে পৰিলক্ষিত হৈছে যে জীবন বীমাত বয়স বৃদ্ধিৰ লগে লগে মৃত্যুৰ হাৰ বৃদ্ধি হয় । সেয়েহে প্ৰস্তাৱিত বীমাকৃতৰ বিপদাশংকা-পাৰ্শ্বচিত্ৰ নিৰূপণ কৰাৰ বাবে বীমাকোম্পানীয়ে ব্যৱহাৰ কৰা এটা কাৰক হৈছে বয়স । তদনুসাৰে, প্ৰতিটো বয়স-বৰ্গৰ বাবে প্ৰিমিয়াম ধাৰ্য্য কৰা হয় ।প্ৰকৃত বয়স প্ৰমাণৰ উপযুক্ত আৰু শুদ্ধ দলিলৰ সত্যাসত্য নিৰূপণ প্ৰক্ৰিয়াটো সেয়েহে জীবন বীমাত অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে ।

বয়সৰ বৈধ প্ৰমাণ পত্ৰবোৰ মানগত বা অ-মানগত হ'ব পাৰে ।

a) বয়সৰ মানগত প্ৰমাণ পত্ৰসমূহ

i. স্কুল বা কলেজৰ ছাৰ্টিফিকেট
ii. মিউনিচিপেলিটিৰ নথিৰ পৰা উলিওৱা জন্মৰ প্ৰমাণপত্ৰ (বাৰ্থ ছাৰ্টিফিকেট)
iii. পাছপ'ৰ্ট
iv. পান (পি এ এন) কাৰ্ড
v. কৰ্ম-প্ৰতিষ্ঠানৰ পঞ্জী (ছাৰ্ভিছ ৰেজিষ্টাৰ)
vi. খৃষ্ট ধৰ্মত শৰণ লোৱা প্ৰমাণপত্ৰ (বেপ্টিযম ছাৰ্টিফিকেট)
vii. জন্ম তাৰিখ সন্নিবিষ্ট ''ফেমিলি বাইবেল''ৰ পৰা লোৱা প্ৰত্যায়িত উদ্ধৃতি (ছাৰ্টিফায়েড এক্সট্ৰেক্ট)
viii. প্ৰতিৰক্ষা বিভাগৰ কৰ্মচাৰীসকলৰ পৰিচয়-জ্ঞাপক পত্ৰ (আইডেণ্টিটি কাৰ্ড)
ix. ৰোমান কেথ'লিক গীৰ্জাই জাৰি কৰা বিবাহ-প্ৰমাণপত্ৰ

b) বয়সৰ অ-মানগত প্ৰমাণ পত্ৰ

বয়সৰ ওপৰোক্ত প্ৰমাণ পত্ৰবোৰৰ অভাবত, জীবন বীমাকাৰকে কেতিয়াবা অ-মানগত প্ৰমাণ পত্ৰ স্বীকাৰ কৰিব পাৰে ।অ-মানগত হিচাবে বিবেচিত হোৱা কিছুমান প্ৰমাণ পত্ৰ হ''ল:

i. সোঁৱৰণী (হৰস্ক'প)
ii. ৰেচন কাৰ্ড
iii. স্ব-ঘোষিত শপতপত্ৰ বা হলফনামা
iv. গ্ৰাম পঞ্চায়তে দিয়া বয়সৰ প্ৰমাণপত্ৰ

পাঠৰ ব্যাখ্যামূলক নক্সা 1: বয়সৰ বৈধ প্ৰমাণ পত্ৰ



7. এন্টি মানি ল'ণ্ডাৰিং (এ এম এল)

সংজ্ঞা

''ধন-পৰিষ্কৰণ'' বা মানি ল'ণ্ডাৰিং হ'ল বেআইনী উৎস গোপন কৰি এটা অৰ্থ ব্যৱস্থালৈ বেআইনী অৰ্থ আনয়ন কৰাৰ প্ৰক্ৰিয়া যাতে এই অৰ্থ আইনানুসাৰে অৰ্জিত বুলি প্ৰতীয়মান হয় ।

অবৈধ উপায়ে অৰ্জা ধন বৈধ ব্যৱসায়ত নিয়োগ কৰা কাৰ্য্যকলাপ নিয়ন্ত্ৰণ আৰু এই কাৰ্য্যকলাপৰ দ্বাৰা আহৰিত সম্পত্তি বাজেয়াপ্তকৰণৰ বাবে ''প্ৰিভেনশ্বন অব মানি লণ্ডাৰিং (পি এম এল এ) এক্ট, 2002'' বলবৎ কৰা হয় 2005 চনত ।ইয়াত মানি লণ্ডাৰিং অৰ্থাৎ ধন-পৰিষ্কৰণক তিনিৰ পৰা সাত বছৰৰ কাৰাদণ্ডৰ শাস্তি আৰু লগতে পাঁচ লাখ টকালৈকে জৰিমনাযোগ্য অপৰাধ ৰূপে ঘোষনা কৰা হৈছে ।

প্ৰতিটো বীমাকাৰকৰ এটা এ এম এল নীতি থকা আৱশ্যকীয় আৰু তদনুসাৰে ইয়াৰ প্ৰতিলিপি এখন আই আৰ ডি এ-ৰ ওচৰত নথিবদ্ধ কৰিব লাগে ।এ এম এল কৰ্মসূচীত অন্তৰ্ভূক্ত হোৱা উচিৎ:

i. আভ্যন্তৰীণ কৰ্মনীতি, কাৰ্য্য-প্ৰণালী আৰু নিয়ন্ত্ৰণ

ii. মুখ্য অনুৰোধ-পালন বিষয়াৰ (কমপ্লায়েনছ অফিছাৰ) নিযুক্তি

iii. এজেন্টৰ নব নিযুক্তি আৰু এ এম এল কাৰ্য্যপন্থাৰ বিষয়ে তেঁওলোকক প্ৰশিক্ষণ দিয়া

iv. আভ্যন্তৰীণ নিৰীক্ষা / নিয়ন্ত্ৰণ

8. আপোনাৰ গ্ৰাহকক জানক (ন' য়ুৰ কাষ্টমাৰ বা কে ওৱাই চি)

"আপোনাৰ গ্ৰাহকক জানক" হ'ল এটা ব্যৱসায় প্ৰতিষ্ঠানে গ্ৰাহকৰ পৰিচয়ৰ সত্যাসত্য নিৰূপণৰ বাবে প্ৰয়োগ কৰা এক পদ্ধতি ।পৰিচয়-তথ্য চুৰি, আৰ্থিক প্ৰবঞ্চনা আৰু বেআইনী ধনৰ ব্যৱহাৰ প্ৰতিৰোধৰ বাবে অনুপুংখ তথ্য যোগানাৰ্থে বেংক আৰু বীমাকাৰকসকলে গ্ৰাহকসকলৰ ওপৰত ক্ৰমবৰ্দ্ধমান হেঁচাৰ সৃষ্টি কৰিছে ।

কে ওৱাই চি-ৰ নীতিগত নিৰ্দ্দেশাৱলীৰ উদ্দেশ্য হৈছে অপৰাধী শক্তিসমূহে বিত্তীয় প্ৰতিষ্ঠানবোৰক অবৈধ অৰ্থ বৈধ ব্যৱসায়ত নিয়োগৰ মাধ্যম ৰূপে ব্যৱহাৰ কৰাৰ প্ৰচেষ্টাক প্ৰতিহত কৰা ।

সেয়েহে, বীমাকাৰকসকলে তেঁওলোকৰ গ্ৰাহকসকলৰ প্ৰকৃত পৰিচিতি নিৰূপণ কৰাটো আৱশ্যকীয় । কে ওৱাই চি-ৰ কৰ্মসূচীৰ অংশ হিচাবে গ্ৰাহক এজনে তেঁওৰ প্ৰস্তাৱ পত্ৰৰ লগত তলৰ নথিখিনি দাখিল কৰাটো এজেণ্টসকলে নিশ্চিত কৰিব লাগে:

i. ফট'

ii. বয়সৰ প্ৰমাণ পত্ৰ

iii. ঠিকনাৰ প্ৰমাণ পত্ৰঃ- ড্ৰাইভিং লাইছেঞ্চ, পাছপ'ৰ্ট, টেলিফ'ন বিল, ইলেক্ট্ৰিছিটি বিল, বেংক পাছবুক আদি ।

iv. পৰিচয়-প্ৰমাণ পত্ৰঃ- ড্ৰাইভিং লাইচেঞ্চ, পাছপ'ৰ্ট, ভোটাৰ-পৰিচয় পত্ৰ, পান কাৰ্ড ইত্যাদি ।

v. উচ্চ মূল্যৰ লেনদেনৰ ক্ষেত্ৰত আয়ৰ পৰিমাণজ্ঞাপক প্ৰমাণ পত্ৰ ।

9. মুকলি বাছনিৰ সুবিধা কাল (ফ্ৰী লুক পিৰিয়ড)

ধৰক, ব্যক্তি এজনে এটা নতুন জীবন বীমা পলিচি ক্ৰয় কৰিছে আৰু পলিচি ডকুমেণ্টখন পাইছে । ভালকৈ নিৰীক্ষণ কৰাৰ পিছত তেঁও গম পালে যে তেঁও বিচৰা চৰ্ত আৰু নিয়মাৱলী আৰু পলিচি ডকুমেণ্টখনত থকাবোৰ একে নহয় ।

তেঁও এতিয়া কি কৰিব পাৰে?

আই আৰ ডি এ-ই এই সমস্যাটো বিবেচনা কৰি স্বীয় বিধিত এটা গ্ৰাহক-অনুকূল অনুবিধি অন্তৰ্ভূক্ত কৰিছে, যাক কোৱা হয় 'মুকলি বাছনিৰ সুবিধা কাল' বা শীতলীকৰণ কাল (কুলিং পিৰিয়ড) ।

যদি পলিচিধাৰকে এটা পলিচি কিনে আৰু ই তেঁওৰ মনঃপূত নহয়, তেন্তে এই সময়ছোৱাত, নিম্নলিখিত চৰ্ত-সাপেক্ষে পলিচিখন ওভতাই দি তেঁও টকা ঘুৰাই পাব পাৰে:

i. পলিচি ডকুমেণ্টখন পোৱাৰ 15 দিনৰ ভিতৰত তেঁও এই সুবিধা প্ৰয়োগ কৰিব পাৰিব ।

ii. তেঁও লিখিত ভাৱে এই কথাটো কোম্পানীক জনাব লাগিব ।

iii. ইতিমধ্যে প্ৰদত্ত সুৰক্ষাৰ আনুপাতিক বিপদাশংকা (ৰিস্ক) প্ৰিমিয়াম আৰু ডাক্তৰি পৰীক্ষাৰ তথা মোহৰ শুল্ক (ষ্টেম্প ডিউটি) ৰ বাবদ হোৱা বীমাকাৰকৰ ব্যয় কাটি লৈ প্ৰিমিয়ামটো পৰিশোধ কৰা হ'ব ।

জীবন বীমা পলিচিধাৰক সকলৈ এই মুকলি বাছনিৰ সুবিধা কালটো এটা বিশেষাধিকাৰ ৰূপত আগ বঢ়োৱা হয় । তেঁওলোকে এই অধিকাৰটো পলিচিখন পোৱাৰ 15 দিনৰ ভিতৰতে প্ৰয়োগ কৰিব লাগিব ।

নিজক পৰখ কৰক

যদি পলিচিধাৰক এজনে পলিচি এখন কিনে আৰু ই তেঁওৰ মনঃপূত নহয়, তেনেহ'লে_____কালত তেঁও পলিচিটো ওভতাই দিব পাৰে আৰু তেঁওৰ টকাখিনি ঘুৰাই পাব পাৰে ।

I. মুকলি মূল্যায়ন

II. মুকলি বাছনিৰ সুবিধা

III. বাতিলকৰণ

সাৰ সংক্ষেপ

- বিবৰণ-পত্ৰ হৈছে বীমা কোম্পানীসমূহে ব্যৱহাৰ কৰা এখন প্ৰথাগত আইনানুগ দলিল, যিখনে পণ্য সম্পৰ্কে খুঁটি-নাটি তথ্য দাঙি ধৰে ।
- বীমা-প্ৰস্তাৱ কৰাৰ কাৰণে ব্যৱহৃত আৱেদন-নথিখনক সাধাৰণতে ''প্ৰস্তাৱ-পত্ৰ'' বুলি কোৱা হয় ।
- প্ৰস্তাৱিত বীমাধাৰীৰ স্বাস্থ্য, অভ্যাস, পেছা, আয় আৰু পাৰিবাৰিক খুঁটি-নাটিবোৰৰ বিষয়ে এজেণ্ট এজনে তেঁওৰ ৰিপ'ৰ্টত উল্লেখ কৰাটো আৱশ্যক ।
- শাৰীৰিক সাধাৰণ বৈশিষ্ট্যসমূহৰ খুঁটি-নাটি, যেনে উচ্চতা, ওজন, ৰক্তচাপ, হৃদযন্ত্ৰৰ অৱস্থা ইত্যাদি ডাক্তৰে নথিবদ্ধ কৰে আৰু তেঁওৰ ৰিপ'ৰ্টত, যিটোক ডাক্তৰি পৰীক্ষকৰ ৰিপ'ৰ্ট বুলি কোৱা হয়, এইবোৰৰ উল্লেখ কৰে ।
- কিছুমান দলিল বয়সৰ মানগত প্ৰমাণ পত্ৰ বুলি বিবেচিত হয় যিবোৰৰ অন্তৰ্ভূক্ত হ'ল স্কুল বা কলেজৰ ছাৰ্টিফিকেট, মিউনিচিপেলিটিৰ নথিৰ পৰা উলিওৱা জন্মৰ প্ৰমানপত্ৰ (বাৰ্থ ছাৰ্টিফিকেট) ।
- প্ৰতিটো বীমাকাৰকৰ এটা এ এম এল নীতি থকা আৱশ্যকীয় আৰু তদনুসাৰে ইয়াৰ প্ৰতিলিপি এখন আই আৰ ডি এ-ৰ ওচৰত নথিবদ্ধ কৰিব লাগে । আভ্যন্তৰীণ কৰ্মনীতি, কাৰ্য্য-প্ৰণালী আৰু নিয়ন্ত্ৰণ তথা মুখ্য অনুৰোধ-পালন বিষয়াৰ (কমপ্লায়েনছ অফিছাৰ) নিযুক্তি এ এম এল কৰ্মসূচীত অন্তৰ্ভূক্ত হোৱা উচিৎ ।
- বীমাকাৰক সকলে তেঁওলোকৰ গ্ৰাহকসকলৰ প্ৰকৃত পৰিচিতি নিৰূপণ কৰাটো আৱশ্যকীয় । কে ওৱাই চি কাৰ্য্যক্ৰমৰ অংশ হিচাবে কে ওৱাই চি নথিবোৰ, যেনে ঠিকনাৰ প্ৰমান, পান কাৰ্ড আৰু ফট' ইত্যাদি সংগ্ৰহ কৰাটো আৱশ্যক ।

সুনিৰ্দ্দিষ্ট অৰ্থনিহিত গুৰুত্বপূৰ্ন শব্দ

1. বিবৰণ পত্ৰ
2. প্ৰস্তাৱ পত্ৰ
3. নৈতিক সঙ্কট
4. বয়সৰ মানগত আৰু অ-মানগত প্ৰমাণ পত্ৰ
5. এণ্টি মানি লণ্ডাৰিং
6. আপোনাৰ গ্ৰাহকক জানক (কে ওৱাই চি)
7. মুকলি বাছনিৰ সুবিধা কাল

"নিজক পৰখ কৰক"ৰ উত্তৰ

উত্তৰ 1

সঠিক বিকল্পটো হৈছে II

যদি পলিচিধাৰক এজনে পলিচি এখন কিনে আৰু ই তেঁওৰ মনঃপূত নহয়, তেনেহ'লে মুকলি বাছনিৰ সুবিধা কালত তেঁও পলিচিটো ওভতাই দিব পাৰে আৰু তেঁওৰ টকাখিনি ঘুৰাই পাব পাৰে ।

স্ব-পৰীক্ষণ প্ৰশ্ন

প্ৰশ্ন 1

তলৰ কোনটো বিকল্প বয়সৰ মানগত প্ৰমাণ পত্ৰৰ এটা উদাহৰণ?

I. ৰেচন কাৰ্ড

II. সোঁৱৰণী

III. পাছপ'ৰ্ট

IV. গ্ৰাম পঞ্চায়তে দিয়া প্ৰমাণপত্ৰ

প্ৰশ্ন 2

তলৰ কোনটো নৈতিক সঙ্কটৰ এটা লক্ষণ বুলি ক'ব পাৰি?

I. বীমা ক্ৰয় কৰাৰ পিছত বিপজ্জনক আচৰণ বৃদ্ধি পোৱা

II. বীমা ক্ৰয় কৰাৰ আগত বিপজ্জনক আচৰণ বৃদ্ধি পোৱা

III. বীমা ক্ৰয় কৰাৰ পিছত বিপজ্জনক আচৰণ হ্ৰাস পোৱা

IV. বীমা সুৰক্ষা পোৱাৰ পিছত অপৰাধমূলক কামত লিপ্ত হোৱা

প্ৰশ্ন 3

তলৰ কোনটো বৈশিষ্ট্য ডাক্তৰি ৰিপ'ৰ্টত পৰীক্ষা কৰা হ'ব?

I. প্ৰস্তাৱকৰ আৱেগিক আচৰণ

II. উচ্চতা, ওজন আৰু ৰক্তচাপ

III. সামাজিক মৰ্য্যাদা

IV. সত্যপৰায়ণতা

প্ৰশ্ন 4

_____হৈছে বীমা কোম্পানীসমূহে ব্যৱহাৰ কৰা এখন প্ৰথাগত আইনানুগ দলিল, যিখনে পণ্য সম্পৰ্কে খুঁটি-নাটি তথ্য দাঙি ধৰে ।

I. প্ৰস্তাৱ পত্ৰ

II. প্ৰস্তাৱ উদ্ধৃতি

III. তথ্য-টোকা

IV. বিবৰণ পত্ৰ

প্ৰশ্ন 5

বীমা-প্ৰস্তাৱ কৰাৰ কাৰণে ব্যৱহৃত আৱেদন-নথিখনক সাধাৰণতে_____বুলি কোৱা হয় ।

I. আৱেদন পত্ৰ

II. প্ৰস্তাৱ পত্ৰ

III. পঞ্জীয়ন পত্ৰ

IV. বৰঙনি পত্ৰ

প্ৰশ্ন 6

তলত দিয়া বয়সৰ প্ৰমাণ পত্ৰবোৰৰ পৰা বীমা কোম্পানীবোৰে অ-মানগত ৰূপে শ্ৰেণীবদ্ধ কৰাটোক বাছি লওক ।

I. স্কুল ছাৰ্টিফিকেট

II. সামৰিক বাহিনীৰ পৰিচয় পত্ৰ

III. ৰেচন কাৰ্ড

IV. খৃষ্ট ধৰ্মত শৰণ লোৱা প্ৰমাণপত্ৰ (বেপ্টিযম ছাৰ্টিফিকেট)

প্ৰশ্ন 7

ধন-পৰিষ্কৰণ বা মানি ল'ণ্ডাৰিং হ'ল_____উৎস গোপন কৰি এটা অৰ্থ ব্যৱস্থালৈ_____ অৰ্থ আনয়ন কৰাৰ প্ৰক্ৰিয়া যাতে এই অৰ্থ আইনানুসাৰে অৰ্জিত বুলি প্ৰতীয়মান হয় ।

I. বেআইনী, বেআইনী

II. আইনসিদ্ধ, আইনসিদ্ধ

III. বেআইনী, আইনসিদ্ধ

IV. আইনসিদ্ধ, বেআইনী

প্ৰশ্ন 8

যিক্ষেত্ৰত পলিচিটোক লৈ পলিচিধাৰক সন্তুষ্ট নহয়, তেঁও ''মুকলি বাছনিৰ সুবিধা কাল'' ৰ সময়ছোৱাত অৰ্থাৎ পলিচি ডকুমেণ্টখন পোৱাৰ_____দিনৰ ভিতৰত ইয়াক ওভতাই দিব পাৰে ।

I. 60 দিন

II. 45 দিন

III. 30 দিন

IV. 15 দিন

প্ৰশ্ন 9

''মুকলি বাছনিৰ সুবিধা কাল'' ৰ সময়ছোৱাত পলিচি এটা ওভতাই দিয়া সম্পৰ্কে দিয়া তলৰ কোনটো বিবৃতি সঠিক?

I. জীবন বীমা কোম্পানীয়ে 100% প্ৰিমিয়াম ঘুৰাই দিব

II. জীবন বীমা কোম্পানীয়ে 50% প্ৰিমিয়াম ঘুৰাই দিব

III. ইতিমধ্যে প্ৰদত্ত সুৰক্ষাৰ আনুপাতিক বিপদাশংকা (ৰিস্ক) প্ৰিমিয়াম আৰু ডাক্তৰি পৰীক্ষাৰ তথা মোহৰ শুল্ক (ষ্টেম্প ডিউটি) ৰ বাবদ হোৱা বীমাকাৰকৰ ব্যয় কাটি লৈ প্ৰিমিয়ামটো পৰিশোধ কৰা হ'ব ।

IV. বীমাকাৰকে সম্পূৰ্ণ প্ৰিমিয়ামটো বাজেয়াপ্ত কৰিব

প্ৰশ্ন 10

তলৰ কোনটো ঠিকনাৰ বৈধ প্ৰমাণ পত্ৰ নহয়?

I. পান কাৰ্ড

II. ভোটাৰ পৰিচয়পত্ৰ

III. বেংক পাছবুক

IV. ড্ৰাইভিং লাইছেঞ্চ

স্ব-পৰীক্ষণমূলক প্ৰশ্নৰ উত্তৰ

উত্তৰ 1

সঠিক উত্তৰটো হৈছে III

পাছপ'ৰ্ট হ'ল বয়সৰ এটা বৈধ প্ৰমাণ পত্ৰ ।

উত্তৰ 2

সঠিক উত্তৰটো হৈছে I

বীমা ক্ৰয় কৰাৰ পিছত বিপজ্জনক আচৰণ বৃদ্ধি পোৱাটো নৈতিক সঙ্কটৰ এটা লক্ষণ বুলি ক'ব পাৰি ।

উত্তৰ 3

সঠিক উত্তৰটো হৈছে II

ডাক্তৰি পৰীক্ষকৰ ৰিপ'ৰ্টত পৰীক্ষা কৰা বিভিন্ন পদৰ ভিতৰত উচ্চতা, ওজন আৰু ৰক্তচাপ থাকে ।

উত্তৰ 4

সঠিক উত্তৰটো হৈছে IV

বিবৰণ পত্ৰ হৈছে বীমা কোম্পানীসমূহে ব্যৱহাৰ কৰা এখন প্ৰথাগত আইনানুগ দলিল, যিখনে পণ্য সম্পৰ্কে খুঁটি-নাটি তথ্য দাঙি ধৰে ।

উত্তৰ 5

সঠিক উত্তৰটো হৈছে II

বীমা-প্ৰস্তাৱ কৰাৰ কাৰণে ব্যৱহৃত আৱেদন-নথিখনক সাধাৰণতে প্ৰস্তাৱ পত্ৰ বুলি কোৱা হয় ।

উত্তৰ 6

সঠিক উত্তৰটো হৈছে III

ৰেচন কাৰ্ডক বয়সৰ অ-মানগত প্ৰমাণ পত্ৰ ৰূপে শ্ৰেণীবদ্ধ কৰা হয় ।

উত্তৰ 7

সঠিক উত্তৰটো হৈছে I

ধন-পৰিষ্কৰণ বা মানি ল'ণ্ডাৰিং হ'ল বেআইনী উৎস গোপন কৰি এটা অৰ্থ ব্যৱস্থালৈ বেআইনী অৰ্থ আনয়ন কৰাৰ প্ৰক্ৰিয়া যাতে এই অৰ্থ আইনানুসাৰে অৰ্জিত বুলি প্ৰতীয়মান হয় ।

উত্তৰ 8

সঠিক উত্তৰটো হৈছে IV

যিক্ষেত্ৰত পলিচিটোক লৈ পলিচিধাৰক সন্তুষ্ট নহয়, তেঁও ‘‘মুকলি বাছনিৰ সুবিধা কাল’’ ৰ সময়ছোৱাত অৰ্থাৎ পলিচি ডকুমেণ্টখন পোৱাৰ 15 দিনৰ ভিতৰত ইয়াক ওভতাই দিব পাৰে।

উত্তৰ 9

সঠিক উত্তৰটো হৈছে III

‘‘মুকলি বাছনিৰ সুবিধা কাল’’ ৰ সময়ছোৱাৰ ভিতৰত পলিচি ওভতাই দিয়াৰ ক্ষেত্ৰত, ইতিমধ্যে প্ৰদত্ত সুৰক্ষাৰ আনুপাতিক বিপদাশংকা (ৰিস্ক) প্ৰিমিয়াম আৰু ডাক্তৰি পৰীক্ষাৰ তথা মোহৰ শুল্ক (ষ্টেম্প ডিউটি) ৰ বাবদ হোৱা বীমাকাৰকৰ ব্যয় কাটি লৈ প্ৰিমিয়ামটো পৰিশোধ কৰা হ’ব।

উত্তৰ 10

সঠিক উত্তৰটো হৈছে II

পান কাৰ্ড ঠিকনাৰ এটা বৈধ প্ৰমান পত্ৰ নহয়।

অধ্যায় 13

তথ্য সহকাৰে প্ৰতিপাদন – পলিচি চৰ্ত – I

অধ্যায় পৰিচিতি

প্ৰস্তাৱ এটা বীমা পলিচিলৈ ৰূপান্তৰিত হোৱাৰ প্ৰক্ৰিয়াৰ লগত জড়িত নথিবোৰ হ'ল এই অধ্যায়ৰ আলোচনাৰ বিষয়-বস্তু ।

শিক্ষণৰ ফলাফল

A. প্ৰস্তাৱ পৰ্য্যায়ত তথ্য সহকাৰে প্ৰতিপাদন

A. প্ৰস্তাৱ পৰ্য্যায়ত তথ্য সহকাৰে প্ৰতিপাদন

1. প্ৰথম প্ৰিমিয়াম ৰচিদ (ফাৰ্ষ্ট প্ৰিমিয়াম ৰিছীট)

বীমা চুক্তি এটাৰ সূচনা হয় যেতিয়া জীবন বীমা কোম্পানীয়ে প্ৰথম প্ৰিমিয়াম ৰচিদ (ফাৰ্ষ্ট প্ৰিমিয়াম ৰিছীট বা এফ পি আৰ) জাৰি কৰে । এই ফাৰ্ষ্ট প্ৰিমিয়াম ৰিছীটখনেই হ'ল পলিচি চুক্তি আৰম্ভ হোৱাৰ প্ৰমাণ ।

প্ৰথম প্ৰিমিয়াম ৰচিদখনত নিম্নলিখিত তথ্যবোৰ সন্নিবিষ্ট থাকে:

i. বীমাকৃত ব্যক্তিজনৰ নাম আৰু ঠিকনা

ii. পলিচি নম্বৰ

iii. কিমান প্ৰিমিয়াম দিয়া হৈছে

iv. প্ৰিমিয়াম দিয়াৰ পদ্ধতি আৰু সঘনতা

v. ৰিস্ক আৰম্ভ হোৱাৰ তাৰিখ

vi. চূড়ান্ত ম্যাদপূৰ্তিৰ তাৰিখ

vii. শেষ প্ৰিমিয়াম জমা দিয়াৰ তাৰিখ

viii. আশ্বাসিত বীমাৰাশি

প্ৰথম প্ৰিমিয়াম ৰচিদ জাৰি কৰাৰ পিছত বীমাকোম্পানীয়ে প্ৰস্তাৱকৰ পৰা আৰু কোনো প্ৰিমিয়াম পালে পৰৱৰ্তী প্ৰিমিয়াম ৰচিদবোৰ জাৰি কৰিব ।এই ৰচিদ বোৰক পুনৰনৱীকৰণ প্ৰিমিয়াম ৰচিদ (ৰিনিউৱেল প্ৰিমিয়াম ৰিছীট বা আৰ পি আৰ) বুলি কোৱা হয় । প্ৰিমিয়াম পৰিশোধ সংক্ৰান্ত বিতৰ্কৰ ক্ষেত্ৰত এই ৰচিদবোৰে প্ৰমাণ ৰূপে কাম কৰে ।

2. পলিচি ডকুমেণ্ট

পলিচি ডকুমেণ্টখন হ'ল বীমাৰ লগত জড়িত আটাইতকৈ গুৰুত্বপূৰ্ণ দলিল ।ই হ'ল বীমাকৃত আৰু বীমা কোম্পানীৰ মাজত হোৱা চুক্তিটোৰ প্ৰমাণ ।ই নিজে এটা চুক্তি নহয় ।পলিচিধাৰকে এইখন দলিল হেৰুৱাই পেলালেও চুক্তিটোৰ ওপৰত ইয়াৰ কোনো প্ৰভাৱ নপৰে । চুক্তিত কোনো পৰিবৰ্তন নকৰাকৈয়ে বীমা কোম্পানীয়ে এখন হুবহু প্ৰতিলিপি (ডূপ্লিকেট) পলিচি জাৰি কৰে । পলিচি ডকুমেণ্টখন এজন অৰ্হতাসম্পন্ন কৰ্তৃপক্ষই চহী কৰিব লাগে আৰু ইণ্ডিয়ান ষ্টেম্প এক্ট অনুসৰি ইয়াত ষ্টেম্প সংলগ্ন কৰিব লাগে ।

এখন মানগত পলিচি ডকুমেণ্টত সাধাৰণতে তিনিটা অংশ থাকে:

a) পলিচি অনুসূচী (পলিচি শ্বেডিউল)

পলিচি অনুসূচীয়ে প্ৰথম অংশটো গঠন কৰে । এইটো সাধাৰণতে পলিচিৰ সমুখৰ পৃষ্ঠাত থাকে ।জীবন বীমা চুক্তিবোৰৰ অনুসূচীবোৰ সচৰাচৰ একে ধৰণৰ হয় ।এইবোৰত সাধাৰণতে তলত দিয়া তথ্যবোৰ থাকে:

পাঠৰ ব্যাখ্যামূলক নক্সা 1: পলিচি ডকুমেণ্টৰ উপাংশসমূহ



i. বীমাকোম্পানীৰ নাম

ii. নিৰ্দ্দিষ্ট পলিচিৰ বাবে কিছুমান বিশেষ বিবৰণ, যেনে

- ✓ পলিচিৰ গৰাকীৰ নাম আৰু ঠিকনা
- ✓ জন্মৰ তাৰিখ আৰু শেহতীয়া জন্মদিনত তেঁওৰ বয়স
- ✓ বীমাচুক্তিটোৰ আঁচনিখনৰ প্ৰকাৰ (প্লেন) আৰু ম্যাদ (টাৰ্ম)
- ✓ আশ্বাসিত বীমাৰাশি
- ✓ প্ৰিমিয়ামৰ পৰিমাণ
- ✓ প্ৰিমিয়াম পৰিশোধৰ ম্যাদ
- ✓ চুক্তিটোৰ সূচনাৰ তাৰিখ, ম্যাদপূৰ্তিৰ তাৰিখ, সৰ্বশেষ প্ৰিমিয়াম দিয়াৰ নিৰ্দ্ধাৰিত তাৰিখ
- ✓ পলিচিটো লাভ-সহিত নে লাভ-ৰহিত
- ✓ নামাংকিত বা মনোনীত ব্যক্তিজনৰ (নমিনী) নাম
- ✓ প্ৰিমিয়াম পৰিশোধৰ বিধি – বছৰেকীয়া, ছমহীয়া, তিনিমহীয়া, এমহীয়া, দৰমহাৰ পৰা কৰ্তন
- ✓ পলিচি নম্বৰ – যিটো পলিচি চুক্তিৰ অদ্বিতীয় আৰু একক পৰিচয় জ্ঞাপক সংখ্যা

iii. বীমাকাৰকে দিয়া পৰিশোধৰ প্ৰতিশ্ৰুতি ।এইটো হ'ল বীমাচুক্তিটোৰ প্ৰাণ ।

iv. কৰ্তৃত্বপ্ৰাপ্ত স্বাক্ষৰকাৰীৰ চহী আৰু পলিচি ষ্টেম্প

v. স্থানীয় বীমা লোকপালৰ (ইনশ্বিউৰেন্স অমবুডযমেন) ঠিকনা

b) মানগত সা-সুবিধাসমূহ (ষ্টেণ্ডাৰ্ড প্ৰৱিজনছ)

পলিচিৰ দ্বিতীয় অংশটোত, পূৰ্বনিৰ্দ্ধাৰিত ভাৱে কিছুমান সুবিধাৰ পৰা বঞ্চিত কৰা পলিচিবোৰক বাদ দি, বাকী সকলো জীবন বীমা চুক্তিৰ ক্ষেত্ৰত সাধাৰণতে প্ৰযোজ্য হোৱা পলিচিৰ মানগত সা-সুবিধাবোৰৰ বিষয়ে বৰ্ণনা কৰা থাকে । কোনো কোনো বীমাচুক্তিৰ ক্ষেত্ৰত ইয়াৰ কিছুমান সুবিধা প্ৰযোজ্য নহ'ব পাৰে, যেনে ম্যাদী বীমা, একক প্ৰিমিয়াম যুক্ত বা লাভ-ৰহিত পলিচিবোৰ ।এই মানগত সা-সুবিধাবোৰে নিৰ্দ্দিষ্টভাৱে চুক্তিটোৰ অধীনত প্ৰযোজ্য সুবিধা, বিশেষাধিকাৰ তথা আন চৰ্তসমূহৰ ব্যাখ্যা কৰে ।

c) পলিচিৰ বিশেষ উপবন্ধসমূহ (স্পেছিফিক পলিচি প্ৰৱিজনছ)

পলিচি ডকুমেণ্টৰ তৃতীয় অংশটো, প্ৰতিটো বীমাচুক্তিৰ বাবে বিশেষভাৱে নিৰ্দ্দিষ্ট উপবন্ধবোৰেৰে গঠিত হয় । এইবোৰ দলিলখনৰ প্ৰথম পৃষ্ঠাতে লিখা থাকে নাইবা বেলেগ কাগজত ছপা কৰি সুকীয়া সংযোজন হিচাবে মূল দলিলখনত সন্নিৱিষ্ট কৰা হয় ।

যিক্ষেত্ৰত পলিচিৰ মানগত সা-সুবিধাবোৰ, যেনে অনুগ্ৰহ-কাল বা কালাতীত হ'লে অ-বাজেয়াপ্তকৰণৰ সুবিধা, চুক্তিটোৰ অধীনতেই বিধিবদ্ধ হয়, বিশেষ উপবন্ধবোৰৰ ক্ষেত্ৰত এইবোৰ থকা-নথকাটো কিন্তু সাধাৰণতে বীমাকৃত আৰু বীমাকাৰকৰ মাজৰ বিশেষ চুক্তিৰ ওপৰতহে নিৰ্ভৰ কৰে ।

উদাহৰণ

গৰ্ভৱতী মহিলা এগৰাকীৰ জীবনৰ ওপৰত চুক্তিটো কৰাৰ সময়ত গৰ্ভাৱস্থাজনিত মৃত্যুক সুৰক্ষাবেষ্টনীৰ পৰা আগতীয়াকৈ বাদ দিয়াৰ অৰ্থে এটা বিশেষ ধাৰা বা ক্ল'জ আৰোপ কৰিব পাৰি ।

13 নম্বৰ অধ্যায়টোত সা-সুবিধাবোৰৰ বিষয়ে বিশদভাৱে ব্যাখ্যা কৰা হৈছে ।

নিজক পৰখ কৰক 1

প্ৰথম প্ৰিমিয়াম ৰচিদ এখনে (এফ পি আৰ) কি সূচায়? সৰ্বাধিক উপযুক্ত বিকল্পটো বাছি লওক ।

I. মুকলি বাছনিৰ সুবিধা কাল শেষ হৈছে

II. পলিচি চুক্তি আৰম্ভ হোৱাৰ প্ৰমাণ

III. এতিয়া পলিচিটো বাতিল কৰিব নোৱাৰি

IV. পলিচিটোয়ে কিছু পৰিমাণে নগদ মূল্য অৰ্জন কৰিছে

সাৰ সংক্ষেপ

- বীমা চুক্তি এটাৰ সূচনা হয় যেতিয়া জীবন বীমা কোম্পানীয়ে প্ৰথম প্ৰিমিয়াম ৰচিদ (এফ পি আৰ) জাৰি কৰে । এই প্ৰথম প্ৰিমিয়াম ৰচিদখনেই হ'ল পলিচি চুক্তি আৰম্ভ হোৱাৰ প্ৰমাণ ।
- পলিচি ডকুমেণ্টখন হ'ল বীমাৰ লগত জড়িত আটাইতকৈ গুৰুত্বপূৰ্ণ দলিল ।ই হ'ল বীমাকৃত আৰু বীমা কোম্পানীৰ মাজত হোৱা চুক্তিটোৰ প্ৰমাণ ।
- এখন মানগত পলিচি ডকুমেণ্টত সাধাৰণতে তিনিটা অংশ থাকে যি কেইটা হৈছে পলিচি অনুসূচী, মানগত সা-সুবিধাসমূহ আৰু পলিচিটোৰ বিশেষভাৱে নিৰ্দ্দিষ্ট উপবন্ধসমূহ ।

সুনিৰ্দ্দিষ্ট অৰ্থনিহিত গুৰুত্বপূৰ্ণ শব্দ

1. প্ৰথম প্ৰিমিয়াম ৰচিদ (এফ পি আৰ)
2. পলিচি ডকুমেণ্ট
3. পলিচি অনুসূচী
4. মানগত সা-সুবিধাসমূহ
5. বিশেষ উপবন্ধসমূহ

"নিজক পৰখ কৰক"ৰ উত্তৰ

উত্তৰ 1

সঠিক বিকল্পটো হৈছে II

পলিচি চুক্তিটো যে আৰম্ভ হৈছে তাৰ প্ৰমাণ হ'ল প্ৰথম প্ৰিমিয়াম ৰচিদ (এফ পি আৰ) ।

স্ব-পৰীক্ষণ প্ৰশ্ন

প্ৰশ্ন 1

তলৰ কোনখন দলিল বীমাকাৰক আৰু বীমাকৃতৰ মাজৰ চুক্তিটোৰ প্ৰমাণ?

I. প্ৰস্তাৱ পত্ৰ

II. পলিচি ডকুমেণ্ট

III. বিবৰণ পত্ৰ

IV. দাবী পত্ৰ

প্ৰশ্ন 2

যদি কোনো পলিচি ডকুমেণ্টত শব্দ প্ৰয়োগৰ ক্ষেত্ৰত জটিল ভাষা ব্যৱহাৰ কৰাৰ ফলত অস্বচ্ছতা বা দ্বৰ্থতাৰ সৃষ্টি হয়, তেন্তে তেনে ধৰণৰ বাক্যাংশৰ ভাঙনি বা ব্যাখ্যা সাধাৰণতে কেনেকৈ কৰা হয়?

I. বীমাকৃতৰ সপক্ষে

II. বীমাকাৰকৰ সপক্ষে

III. পলিচিটো বাতিল বুলি ঘোষিত হ'ব আৰু সুত সহ প্ৰিমিয়ামটো বীমাকৃতলৈ ঘুৰাই দিয়াৰ বাবে বীমাকাৰকক নিৰ্দ্দেশ দিয়া হ'ব

IV. পলিচিটো বাতিল বুলি ঘোষিত হ'ব আৰু সুত নিদিয়াকে কেৱল প্ৰিমিয়ামটো বীমাকৃতলৈ ঘুৰাই দিবলৈ বীমাকাৰকক নিৰ্দ্দেশ দিয়া হ'ব

প্ৰশ্ন 3

কোনটো বিকল্পই পলিচি ডকুমেণ্ট এখনক সৰ্বোত্তম উপায়ে বৰ্ণনা কৰে?

I. এইটো হৈছে বীমাচুক্তি এটাৰ প্ৰমাণ

II. এইটো হৈছে কোম্পানীৰ পৰা বীমা পলিচি কিনাৰ বাবে বীমাকৃতই দেখুওৱা আগ্ৰহৰ এটা প্ৰমাণ

III. এইটো হৈছে বীমা কোম্পানীবোৰে তেঁওলোকৰ চেনেল-চৰিক সকল, যেনে বেংক, ব্ৰ'কাৰ আৰু অন্যান্য সত্তাৰ লগত লেনদেনৰ ক্ষেত্ৰত মানি চলা নীতি (কাৰ্য্য-প্ৰণালী) ৰ এটা প্ৰমাণ

IV. এইটো হৈছে প্ৰথম প্ৰিমিয়াম দিওঁতে বীমাকোম্পানীয়ে জাৰি কৰা প্ৰাপ্তি-স্বীকাৰ পত্ৰ

প্ৰশ্ন 4

তলৰ কোনটো বিবৃতি শুদ্ধ?

I. প্ৰস্তাৱ পত্ৰখন গ্ৰহন কৰাটো হ'ল পলিচি চুক্তিৰ আৰম্ভণিৰ প্ৰমাণ

II. প্ৰিমিয়াম গ্ৰহন কৰাটো হ'ল পলিচিটো আৰম্ভ হোৱাৰ প্ৰমাণ

III. প্ৰথম প্ৰিমিয়াম ৰচিদখন হ'ল পলিচি চুক্তি আৰম্ভ হোৱাৰ প্ৰমাণ

IV. প্ৰিমিয়ামৰ উদ্ধৃতিটো হ'ল পলিচি চুক্তি আৰম্ভ হোৱাৰ প্ৰমাণ

প্ৰশ্ন 5

প্ৰথম প্ৰিমিয়ামটোৰ পিছত লাভ কৰা পৰৱৰ্তী প্ৰিমিয়ামবোৰৰ বাবে বীমা কোম্পানীয়ে _____জাৰি কৰে ।

I. পুনৰচলন (ৰিভাইভেল) প্ৰিমিয়াম ৰচিদ

II. পুনৰপ্ৰতিষ্ঠা প্ৰিমিয়াম ৰচিদ

III. পুনৰস্থাপন প্ৰিমিয়াম ৰচিদ

IV. পুনৰনৱীকৰণ প্ৰিমিয়াম ৰচিদ

প্ৰশ্ন 6

বীমাকৃত ব্যক্তিজনে মূল জীবন বীমা পলিচি ডকুমেণ্ট হেৰুৱাই পেলালে কি হ'ব?

I. চুক্তিত কোনো পৰিবৰ্তন নকৰাকৈয়ে বীমা কোম্পানীয়ে এখন হুবহু প্ৰতিলিপি (ডুপ্লিকেট) পলিচি জাৰি কৰিব

II. বীমাচুক্তিটোৰ অন্ত পৰিব

III. বীমাকৃতই কৰা তেঁওৰ শেহতীয়া স্বাস্থ্যৰ বিষয়ে ঘোষণাৰ ওপৰত ভিত্তি কৰি বীমা কোম্পানীয়ে পুনৰায় নতুন চৰ্ত আৰু নিয়মাৱলীৰ সৈতে এখন দ্বিতীয় পলিচি জাৰি কৰিব

IV. আদালতৰ আদেশ পোৱাৰ পিছতহে চুক্তিত কোনো পৰিবৰ্তন নকৰাকৈয়ে বীমা কোম্পানীয়ে এখন হুবহু প্ৰতিলিপি (ডুপ্লিকেট) পলিচি জাৰি কৰিব

প্ৰশ্ন 7

তলৰ কোনটো বিবৃতি সঠিক?

I. পলিচিখন এজন অৰ্হতাসম্পন্ন কৰ্তৃপক্ষই চহী কৰিব লাগে কিন্তু ইণ্ডিয়ান ষ্টেম্প এক্ট অনুসৰি ষ্টেম্প সংলগ্ন কৰাটো বাধ্যতামূলক নহয়

II. পলিচিখন এজন অৰ্হতাসম্পন্ন কৰ্তৃপক্ষই চহী কৰিব লাগে আৰু ইণ্ডিয়ান ষ্টেম্প এক্ট অনুসৰি ইয়াত ষ্টেম্প সংলগ্ন কৰিব লাগে

III. পলিচিখন এজন অৰ্হতাসম্পন্ন কৰ্তৃপক্ষই চহী কৰিব নালাগে কিন্তু ইণ্ডিয়ান ষ্টেম্প এক্ট অনুসৰি ষ্টেম্প সংলগ্ন কৰিব লাগে

IV. পলিচিখন কোনো অৰ্হতাসম্পন্ন কৰ্তৃপক্ষই চহী কৰিব নালাগে আৰু ইণ্ডিয়ান ষ্টেম্প এক্ট অনুসৰি ষ্টেম্প সংলগ্ন কৰাৰো কোনো আৱশ্যকীয়তা নাই

প্ৰশ্ন 8

তলৰ কোনটোৱে এটা মানগত বীমা পলিচি ডকুমেণ্টৰ প্ৰথম অংশটো গঠন কৰে?

I. পলিচি অনুসূচী

II. মানগত সা-সুবিধাসমূহ

III. বিশেষ পলিচি উপবন্ধসমূহ

IV. দাবী প্ৰক্ৰিয়া

প্ৰশ্ন 9

এখন মানগত বীমা পলিচিৰ মানগত সা-সুবিধাসমূহৰ অংশটোত তলৰ কোনখিনি তথ্য থাকে?

I. চুক্তিটোৰ সূচনাৰ তাৰিখ, ম্যাদপূৰ্তিৰ তাৰিখ, সৰ্বশেষ প্ৰিমিয়াম দিয়াৰ নিৰ্দ্ধাৰিত তাৰিখ

II. নামাংকিত বা মনোনীত ব্যক্তিজনৰ নাম

III. চুক্তিটোৰ অধীনত প্ৰযোজ্য সুবিধা, বিশেষাধিকাৰ তথা আন চৰ্তসমূহ

IV. কৰ্তৃত্বপ্ৰাপ্ত স্বাক্ষৰকাৰীজনৰ চহী আৰু পলিচি ষ্টেম্প

প্ৰশ্ন 10

"গৰ্ভৱতী মহিলা এগৰাকীৰ জীবনৰ ওপৰত চুক্তিটো কৰাৰ সময়ত গৰ্ভাৱস্থাজনিত মৃত্যুক সুৰক্ষাবেষ্টনীৰ পৰা আগতীয়াকৈ বাদ দিয়াৰ অৰ্থে এটা বিশেষ ধাৰা বা ক্লজ আৰোপ কৰিব পাৰি" - এইটো এটা মানগত পলিচি ডকুমেণ্টৰ কোনটো অংশত অন্তৰ্ভূক্ত হয়?

I. পলিচি অনুসূচী

II. সাধাৰণ সা-সুবিধাসমূহ

III. মানগত সা-সুবিধাসমূহ

IV. বিশেষ পলিচি উপবন্ধসমূহ

স্ব-পৰীক্ষণমূলক প্ৰশ্নৰ উত্তৰ

উত্তৰ 1

সঠিক উত্তৰটো হৈছে II

পলিচি ডকুমেণ্ট হ'ল বীমাকাৰক আৰু বীমাকৃতৰ মাজৰ চুক্তিটোৰ প্ৰমাণ ।

উত্তৰ 2

সঠিক উত্তৰটো হৈছে I

যদি কোনো পলিচি ডকুমেণ্টত শব্দ-প্ৰয়োগৰ ক্ষেত্ৰত জটিল ভাষা ব্যৱহাৰ কৰাৰ ফলত অস্বচ্ছতা বা দ্বৰ্থতাৰ সৃষ্টি হয়, তেন্তে তেনে ধৰণৰ বাক্যাংশৰ ভাঙনি বা ব্যাখ্যা সাধাৰণতে বীমাকৃতৰ সপক্ষে কৰা হয় ।

উত্তৰ 3

সঠিক উত্তৰটো হৈছে I

পলিচি ডকুমেণ্ট হৈছে বীমাচুক্তিটোৰ প্ৰমাণ ।

উত্তৰ 4

সঠিক উত্তৰটো হৈছে III

প্ৰথম প্ৰিমিয়াম ৰচিদখন হ'ল পলিচি চুক্তি আৰম্ভ হোৱাৰ প্ৰমাণ ।

উত্তৰ 5

সঠিক উত্তৰটো হৈছে IV

প্ৰথম প্ৰিমিয়ামটোৰ পিছত লাভ কৰা পৰৱৰ্তী প্ৰিমিয়ামবোৰৰ বাবে বীমা কোম্পানীয়ে পুনৰনৱীকৰণ প্ৰিমিয়াম ৰচিদ জাৰি কৰে ।

উত্তৰ 6

সঠিক উত্তৰটো হৈছে I

বীমাকৃত ব্যক্তিজনে মূল জীবন বীমা পলিচি ডকুমেণ্ট হেৰুৱাই পেলালে চুক্তিত কোনো পৰিবৰ্তন নকৰাকৈয়ে বীমাকোম্পানীয়ে এখন হুবহু প্ৰতিলিপি (ডুপ্লিকেট) পলিচি জাৰি কৰিব ।

উত্তৰ 7

সঠিক উত্তৰটো হৈছে II

পলিচিখন এজন অৰ্হতাসম্পন্ন কৰ্তৃপক্ষই চহী কৰিব লাগে আৰু ইণ্ডিয়ান ষ্টেম্প এক্ট অনুসৰি ইয়াত ষ্টেম্প সংলগ্ন কৰিব লাগে ।

উত্তৰ 8

উত্তৰটো হৈছে I

পলিচি অনুসূচীয়ে এটা মানগত বীমা পলিচি ডকুমেণ্টৰ প্ৰথম অংশটো গঠন কৰে ।

উত্তৰ 9

সঠিক উত্তৰটো হৈছে III

এখন মানগত বীমা পলিচিৰ মানগত সা-সুবিধাসমূহৰ অংশটোত চুক্তিটোৰ অধীনত প্ৰযোজ্য সুবিধা, বিশেষাধিকাৰ তথা আন চৰ্তসমূহ বিষয়ক তথ্যখিনি থাকে ।

উত্তৰ 10

সঠিক উত্তৰটো হৈছে IV

''গৰ্ভৱতী মহিলা এগৰাকীৰ জীবনৰ ওপৰত চুক্তিটো কৰাৰ সময়ত গৰ্ভাৱস্থাজনিত মৃত্যুক সুৰক্ষাবেষ্টনীৰ পৰা আগতীয়াকৈ বাদ দিয়াৰ অৰ্থে এটা বিশেষ ধাৰা বা ক্ল'জ আৰোপ কৰিব পাৰি'' - এইটো এটা মানগত পলিচি ডকুমেণ্টৰ বিশেষ পলিচি উপবন্ধসমূহৰ অংশত অন্তৰ্ভূক্ত হয় ।

অধ্যায় 14

তথ্য সহকাৰে প্ৰতিপাদন – পলিচি চৰ্ত – II

অধ্যায় পৰিচিতি

এই অধ্যায়টোত পলিচি ডকুমেণ্টত সন্নিৱিষ্ট বিধিবদ্ধ সুবিধাসমূহৰ বিষয়ে আলোচনা কৰা হ'ব। এই অধ্যায়ত আলোচ্য বিষয়-বস্তুৰ অন্তৰ্গত হ'ল অনুগ্ৰহ-কাল, পলিচি কালাতীততা আৰু অ-বাজেয়াপ্তকৰণ সম্পৰ্কিত গুৰুত্বপূৰ্ণ সুবিধাসমূহ।

শিক্ষণৰ ফলাফল

A. পলিচিৰ চৰ্ত আৰু বিশেষাধিকাৰসমূহ

A. পলিচিৰ চৰ্ত আৰু বিশেষাধিকাৰসমূহ

1. অনুগ্ৰহ-কাল

প্ৰতিটো জীবন বীমা চুক্তিয়ে মৃত্যুৰ ক্ষেত্ৰত সুবিধা প্ৰদান কৰিবলৈ সন্মত হয় এটা চৰ্তত যে নিয়মিতভাৱে প্ৰিমিয়ামটো দি থাকিব লাগিব আৰু পলিচিটো বলবৎ থাকিব লাগিব । ''অনুগ্ৰহ-কাল''ৰ বিশেষ ধাৰাটোৱে প্ৰিমিয়াম পৰিশোধৰ কাৰণে পলিচিধাৰকক নিৰ্দ্ধাৰিত তাৰিখটোৰ পিছতো অতিৰিক্ত সময় মঞ্জুৰ কৰে ।

গুৰুত্বপূৰ্ণ

অনুগ্ৰহ-কালৰ মানগত দৈৰ্ঘ্য হ'ল এমাহ বা 31 দিন । প্ৰিমিয়াম পৰিশোধৰ বাবে নিৰ্দ্ধাৰিত তাৰিখৰ পিছৰ দিনটোৰ পৰা অনুগ্ৰহ-কালৰ দিন গণনা আৰম্ভ হয় । প্ৰিমিয়াম নিদিয়া বাবে যিবোৰ পলিচি কালাতীত (লেপচড্) হৈ যোৱাৰ কথা, সেইবোৰক ''অনুগ্ৰহ-কাল''ৰ সময়ছোৱাত চলিত অৱস্থাত ৰখাত এই বিশেষ সুবিধাটোৱে সক্ষম কৰে ।

সি যি কি নহওক, প্ৰিমিয়ামটো কিন্তু দিব লগীয়া হৈ থাকে আৰু যদি এই সময়ৰ ভিতৰত পলিচিধাৰকৰ মৃত্যু হয়, তেন্তে মৃত্যুৰ ক্ষেত্ৰত লভ্য সুবিধাখিনিৰ পৰা দেয় প্ৰিমিয়ামখিনি বীমাকাৰকে কাটি লয় । যদি অনুগ্ৰহ-কাল পাৰ হৈ যোৱাৰ পিছতো প্ৰিমিয়ামটো দিয়া নহয়, তেনেহ'লে পলিচিটোক কালাতীত বুলি বিবেচনা কৰা হয় আৰু মৃত্যুৰ ক্ষেত্ৰত প্ৰদেয় সুবিধা প্ৰদানৰ কোনো দায়বদ্ধতা কোম্পানীৰ নাথাকে ।অ-বাজেয়াপ্তকৰণৰ বিশেষ সুবিধাৰ অধীনত প্ৰাপ্য ৰাশিখিনিয়েই কেৱল এনেক্ষেত্ৰত প্ৰদানযোগ্য হ'ব ।এক অৰ্থত, অনুগ্ৰহ-কালৰ সময়ছোৱাত বীমাকৃতই বিনামূলীয়া বীমাসুৰক্ষা লাভ কৰে বুলি ক'ব পাৰি ।

2. কালাতীততা আৰু পুনৰচলন (লেপচ এণ্ড ৰিইনষ্টেইটমেণ্ট / ৰিভাইভেল)

আমি ইতিমধ্যে দেখা পাইছো যে অনুগ্ৰহ-কালৰ ভিতৰত প্ৰিমিয়াম নিদিলে পলিচিটো কালাতীত হৈ যায় । কিন্তু সুখবৰ হ'ল যে বাস্তৱিকতে সকলো জীবন বীমা চুক্তিয়ে কালাতীত হোৱা পলিচিটো পুনৰচলন কৰাৰ অনুমোদন দিয়ে ।

সংজ্ঞা

যিবোৰ পলিচি প্ৰিমিয়াম পৰিশোধ নকৰাৰ বাবে বাতিল হৈ যায় বা অ-বাজেয়াপ্তকৰণ অনুবিধিৰ কোনো এটা সুবিধাৰ অধীনত চালু থাকে, জীবন বীমা কোম্পানীয়ে সেইবোৰক পুনৰ সচল কৰি তোলাৰ প্ৰক্ৰিয়াটোক ''পুনৰচলন'' বুলি কোৱা হয় ।

কিন্তু পলিচিৰ পুনৰচলনটো বীমাকৃতৰ নিঃচৰ্ত অধিকাৰ হ'ব নোৱাৰে । এইটো কেৱল কিছুমান চৰ্ত-সাপেক্ষেহে সম্পন্ন হ'ব পাৰে:

i. বীমাকাৰকৰ বাবে বিপদাশংকা বৃদ্ধি হ'ব নোৱাৰে: পলিচিটোৰ পুনৰচলনৰ পৰিণতিত বীমা কোম্পানীয়ে গ্ৰহণ কৰিব লগা বিপদাশংকাৰ মাত্ৰা বাঢ়িব নোৱাৰে ।

ii. তহবিল গঠন: পলিচিটো কালাতীত নহ'লে যি পৰিমাণৰ ধনৰাশি তহবিল হিচাবে পূঞ্জীভূত হ'ল হেতেন, সেই একে পৰিমাণৰ ধনৰাশি পলিচিধাৰকে প্ৰিমিয়াম আৰু সুত হিচাবে দিব লাগিব ।

iii. নিৰ্দ্ধাৰিত সময় সীমাৰ ভিতৰত পুনৰচলনৰ আৱেদন: পলিচিটোৰ পুনৰচলনৰ বাবে পলিচিৰ গৰাকীয়ে প্ৰাসঙ্গিক অনুবিধিটোৱে নিৰ্দ্দিষ্ট কৰি দিয়া সময় সীমাৰ ভিতৰত আৱেদন জনাব লাগিব ।ভাৰতবৰ্ষত এটা নিৰ্দ্ধাৰিত সময় সীমাৰ, যেনে কালাতীত হোৱাৰ পাঁচ বছৰৰ ভিতৰত পলিচিটোৰ পুনৰচলন হোৱাটো আৱশ্যক ।

iv. অব্যাহত বীমাযোগ্যতাৰ সন্তোষজনক প্ৰমাণ: বীমাকৃতই বীমাকোম্পানীৰ ওচৰত তেঁওৰ অব্যাহত বীমাযোগ্যতাৰ প্ৰমাণ দাখিল কৰাটো অৱশ্যকৰ্তব্য । কেৱল তেঁওৰ স্বাস্থ্যৰ অৱস্থা সন্তোষজনক হ'লেই নহ'ব, অন্যান্য কাৰকবোৰো, যেনে তেঁওৰ আৰ্থিক অৱস্থা আৰু নৈতিক আচৰণৰ বুজন অৱনতি ঘটিব নালাগিব ।

v. সুতৰ সৈতে বকেয়া প্ৰিমিয়াম পৰিশোধ: পলিচিৰ গৰাকীয়ে প্ৰতিটো বাকী পৰা প্ৰিমিয়াম দিবলগীয়া তাৰিখৰ পৰা সুতৰ সৈতে পৰিশোধ কৰাটো আৱশ্যক ।

vi. বকেয়া ঋণ পৰিশোধ: বীমাকৃতই অৱশ্যেই বকেয়া পলিচি ঋণ পৰিশোধ কৰিব লাগিব বা বৰ্তি থকা ঋণ-দায়িত্ব পুনৰস্থাপিত কৰিব লাগিব ।

সম্ভবত, ওপৰৰ গোটেই কেইটা চৰ্তৰ ভিতৰত সৰ্বাধিক গুৰুত্বপূৰ্ণ হৈছে পুনৰচলনৰ বাবে লাগতিয়াল অব্যাহত বীমাযোগ্যতাৰ প্ৰমাণটো । কি ধৰণৰ প্ৰমাণ দাবী কৰা হ'ব সেইটো নিৰ্ভৰ কৰিব প্ৰতিটো পলিচিৰ নিজা পৰিস্থিতিৰ ওপৰত । যদি খুব কম সময়ৰ বাবে পলিচিটো কালাতীত অৱস্থাত থাকে, তেন্তে বীমাকাৰকে বীমাযোগ্যতাৰ প্ৰমাণ অবিহনেই পলিচিটোক পুনৰায় চলিত কৰিব পাৰে নাইবা তেঁও সুস্বাস্থ্যৰ অধিকাৰী হৈ আছে বুলি স্ব-ঘোষিত এটা সৰল বিবৃতি তেঁওৰ পৰা বিচাৰিব পাৰে ।

কিছুমান পৰিস্থিতিত কোম্পানীয়ে ডাক্তৰি পৰীক্ষণ বা বীমাযোগ্যতাৰ অন্য প্ৰমাণ দাবী কৰিব পাৰে:

i. এটা হ'ল, য'ত অনুগ্ৰহ-কাল বহু দিনৰ আগতে উকলি গৈছে আৰু পলিচিটো প্ৰায় এবছৰেই হ'ল কালাতীত অৱস্থাত আছে ।

ii. অন্য এটা পৰিস্থিতি হ'ল য'ত স্বাস্থ্য বা আন কোনো সমস্যা আছে বুলি বীমাকাৰকৰ সন্দেহ হোৱাৰ থল আছে ।নতুনকৈ ডাক্তৰি পৰীক্ষণৰ আৱশ্যকীয়তা হ'ব পাৰে যদি আশ্বাসিত বীমাৰাশি বা পলিচিটোৰ অভিহিত অংকটো বৃহৎ হয় ।

যিহেতু পুনৰচলন বা ৰিভাইভেলৰ বাবে পলিচিধাৰকে এক বুজন পৰিমাণৰ ধনৰাশি দিব লগা হ'ব পাৰে (বকেয়া প্ৰিমিয়ামবোৰ আৰু সুত), সেয়েহে প্ৰতিজন পলিচিধাৰকে নিজাববীয়াকৈ সিদ্ধান্ত লোৱা দৰকাৰ যে পুৰণা পলিচিটো পুনৰ চালু কৰা নে এটা নতুন পলিচি লোৱা - কোনটো তেঁওৰ কাৰণে বেছি লাভজনক হ'ব । পলিচিৰ পুনৰচলনটো প্ৰায়েই বেছি লাভজনক হয় কিয়নো নতুন পলিচি এটা কিনিলে তেঁও প্ৰিমিয়াম বেছি দিব লাগিব, কাৰণ পুনৰচলনৰ তাৰিখত উপনীত হোৱা বয়সৰ ভিত্তিতহে বীমাকৃতৰ নতুন পলিচিৰ প্ৰিমিয়াম ধাৰ্য্য কৰা হ'ব ।

a) পলিচি পুনৰচলনৰ ব্যৱস্থা

এতিয়া চোৱা যাওক কি কি উপায়ে পলিচিৰ পুনৰচলন কৰিব পাৰি । সাধাৰণতে 'অনাদায় প্ৰথম প্ৰিমিয়ামটো'ৰ ধাৰ্য্য তাৰিখটোৰ পৰা এটা নিৰ্দ্দিষ্ট সময় সীমাৰ, যেনে 5 বছৰৰ ভিতৰত ব্যক্তি এজনে পলিচিটো পুনৰ চালু কৰিব পাৰে ।

i. সাধাৰণ পুনৰচলন (অৰ্ডিনাৰি ৰিভাইভেল)

পুনৰচলনৰ সৰলতম পদ্ধতিটো হ'ল সুতৰ সৈতে সম্পূৰ্ণ বকেয়া প্ৰিমিয়াম পৰিশোধ কৰাটো । ইয়াক সাধাৰণ পুনৰচলন বা অৰ্ডিনাৰি ৰিভাইভেল বুলি কোৱা হয় আৰু সমৰ্পণ মূল্য অৰ্জন কৰিলেহে ই কাৰ্য্যকৰী হয় । এই ক্ষেত্ৰত বীমাকাৰকে সু-স্বাস্থ্য সম্পৰ্কিত ঘোষণা বা বীমাযোগ্যতাৰ অন্য প্ৰমাণ, যেনে ডাক্তৰি পৰীক্ষণ আদি বিচাৰিব ।

ii. বিশেষ পুনৰচলন (স্পেশ্বিয়েল ৰিভাইভেল)

য'ত পলিচি এটা তিনি বছৰতকৈ কম চলিছে আৰু ন্যূনতম সমৰ্পণ মূল্যও অৰ্জন কৰা নাই (অৰ্থাৎ সঞ্চিত তহবিল বা নগদ-মূল্যৰ পৰিমাণ অতি নগণ্য) অথচ কালাতীততাৰ ম্যাদ দীৰ্ঘ, ধৰক, প্ৰথম নিদিয়া প্ৰিমিয়ামটোৰ তাৰিখৰ পৰা এক বা একাধিক বছৰৰ পিছত কোনো পলিচি ৰিভাইভেলৰ বাবে আহিছে, এনে পৰিস্থিতিত কি কৰিব পৰা যায়?

এটা উপায় হ'ল বিশেষ পুনৰচলন (স্পেশ্বিয়েল ৰিভাইভেল) বুলি জনাজাত (উদাহৰণস্বৰূপে ভাৰতীয় জীবন বীমা নিগমত চলি থকা) এটা আঁচনিৰ জৰিয়তে ইয়াক পুনৰ চলিত কৰা ।এই পুনৰচলনটো এটা নতুন পলিচি জাৰি কৰাৰ দৰে হয়, যাৰ সূচনাৰ তাৰিখটো কালাতীত পলিচিটো আৰম্ভ হোৱাৰ আচল তাৰিখটোৰ দুই বছৰৰ ভিতৰত থাকে । ইয়াৰ ম্যাদপূৰ্তিৰ তাৰিখটো, পলিচি লোৱাৰ সময়ত নিৰ্দ্দিষ্ট জীবনটোৰ বাবে প্ৰযোজ্য মূল নিৰ্দ্ধাৰিত ম্যাদক অতিক্ৰম নকৰে ।

উদাহৰণ

যদি মূল পলিচিটো 40 বছৰ বয়সত লোৱা হৈছিল আৰু নতুন আৰম্ভণিৰ তাৰিখটো 42 বছৰ বয়সত হয়, তেন্তে সেইবোৰ পলিচিৰ ক্ষেত্ৰত ম্যাদটো 20ৰ পৰা 18লৈ কমাই দিয়া হ'ব, যিবোৰৰ ম্যাদপূৰ্তিৰ সময়সীমা 60 বছৰ বয়সত সমাপ্ত হৈ যায় ।পুৰণা আৰু নতুন প্ৰিমিয়ামৰ পাৰ্থক্যখিনি সুতেৰে সৈতে আদায় দিব লাগিব ।

iii. ঋণ তথা পুনৰচলন (ল'ন কাম ৰিভাইভেল)

এল আই চি তথা অন্য কোম্পানীবোৰত আৰু এটা তৃতীয় পদ্ধতি উপলব্ধ, যিটোক ঋণ তথা পুনৰচলন বুলি কোৱা হয় ।এইটো অকল পুনৰচলনেই নহয়, ইয়াৰ লগত দুটা লেনদেন জড়িত হৈ থাকে:

- ✓ যুগপৎ ঋণ প্ৰদান আৰু
- ✓ পুনৰচলন

এই ক্ষেত্ৰত সাধাৰণ পুনৰচলনৰ নিয়মানুসাৰে বকেয়া প্ৰিমিয়াম আৰু সুতৰ হিচাব কৰা হয় । লগতে পুনৰচলনৰ তাৰিখত পলিচিটোৰ অধীনত উপলব্ধ ঋণৰ পৰিমাণটোও নিৰূপণ কৰা হয় । পুনৰচলনৰ উদ্দেশ্যে এই ঋণটোকেই বিবেচনাযোগ্য মূল্য হিচাবে ব্যৱহাৰ কৰা হয় । ইয়াৰ পৰা বকেয়া প্ৰিমিয়ামখিনি আৰু সুত কাটি লোৱাৰ পিছতো যদি কিবা বাকী থাকি যায়, তেন্তে সেইখিনি পলিচিধাৰকক প্ৰদান কৰা হয় ।স্পষ্টত, ৰিভাইভেলৰ তাৰিখত যিবোৰ পলিচিয়ে সমৰ্পণ মূল্য অৰ্জন কৰিছে, সেইবোৰৰ ক্ষেত্ৰতে ল'ন কাম ৰিভাইভেলৰ অনুমোদন দিয়া হয় ।

iv. কিস্তিৰ জৰিয়তে পুনৰচলন (ইনষ্টলমেণ্ট ৰিভাইভেল)

সৰ্বশেষ উপায় হ'ল কিস্তিৰ জৰিয়তে পুনৰচলন । যেতিয়া পলিচি এটাৰ ''বিশেষ পুনৰচলন''ৰ সুবিধা পোৱাৰ অৰ্হতা নাথাকে আৰু ইফালে পলিচিধাৰকৰ এককালীন মুঠ ধন দিয়াৰো সামৰ্থ্য নাথাকে, তেতিয়া এই পদ্ধতিটোৰ বাবে অনুমতি দিয়া হয় । সচৰাচৰ এই ক্ষেত্ৰতো ''সাধাৰণ পুনৰচলন''ৰ দৰে বকেয়া প্ৰিমিয়ামৰ হিচাব কৰা হয় ।

প্ৰিমিয়াম পৰিশোধৰ বিধি সাপেক্ষে (তিনিমহীয়া বা ছমহীয়া) জীবন বীমাকৃতই এটা ছমহীয়া বা দুটা তিনিমহীয়া প্ৰিমিয়াম দিব লাগে । মুঠ বকেয়া প্ৰিমিয়ামৰ বাকী পৰিমাণখিনি ভৱিষ্যৎ প্ৰিমিয়ামৰ লগতেই প্ৰিমিয়াম দিয়াৰ ধাৰ্য্য তাৰিখবোৰত পৰিশোধৰ কাৰণে দুই বা ততোধিক বছৰৰ ম্যাদ জুৰি ভগাই দিয়া হয় য'ত অন্তৰ্ভূক্ত থাকে চলি থকা পলিচি বাৰ্ষিকী আৰু পৰৱৰ্তী দুটা সম্পূৰ্ণ পলিচি বাৰ্ষিকী । এই ক্ষেত্ৰত এটা চৰ্ত আৰোপ কৰা হয় যে পুনৰচলনৰ সময়ত পলিচিৰ অধীনত কোনো বকেয়া ঋণ থাকিব নোৱাৰে ।

গুৰুত্বপূৰ্ণ

কালাতীত পলিচিবোৰৰ পুনৰচলনটো এটা গুৰুত্বপূৰ্ণ সেৱা-কৰ্মসূচী, যাক জীবন বীমাকাৰকসকলে অতি সক্ৰিয়ভাৱে উৎসাহিত কৰাৰ প্ৰচেষ্টা লয় কিয়নো কালাতীত হৈ থকা পলিচিবোৰ বীমাকাৰক বা বীমাকৃত কাৰো উপকাৰত নাহে ।

3. অ-বাজেয়াপ্তকৰণৰ অনুবিধি (নন-ফৰফিচ্চাৰ প্ৰভিজনছ)

ভাৰতীয় বীমা অধিনিয়ম, ধাৰা 113ৰ (ইণ্ডিয়ান ইনশ্বিউৰেন্স এক্ট, ছেকশ্বন 113) অধীনত এটা অন্যতম গুৰুত্বপূৰ্ণ অনুবিধি হ'ল স্বাভাৱিক প্ৰক্ৰিয়াৰে লাভ হোৱা কিছুমান সুবিধাৰ অধিকাৰ পলিচিধাৰক সকলে পোৱাৰ অনুমোদন, আনকি পৰৱৰ্তী প্ৰিমিয়ামবোৰ দি পলিচিটো চালু ৰখাত অক্ষম হলেও ।ইয়াত প্ৰযোজ্য যুক্তিটো হ'ল যে পলিচিৰ অধীনত পুঞ্জীভূত হোৱা নগদ-মূল্যৰ ওপৰত পলিচিধাৰকৰ দাবী আছে ।

ভাৰতবৰ্ষৰ আইনে এইদৰে বিধিবদ্ধ কৰিছে যে যদি ক্ৰমান্বয়ে ন্যূনতম তিনি বছৰৰ প্ৰিমিয়াম পৰিশোধ কৰা হয়, তেন্তে এটা ন্যূনতম সমৰ্পণ মূল্য দিয়াৰ গেৰাণ্টী থাকিব ।যদি পলিচিটো সমৰ্পণ কৰা নহয়, তেনেহ'লে এইটো এটা সঙ্কুচিত আশ্বাসিত বীমাৰাশিৰ পৰিশোধিত (ৰিডিউচড্ পেইড আপ) পলিচি হিচাবে বৰ্তি থাকিব । সচৰাচৰ পলিচিৰ অন্তৰ্ভূক্ত সুবিধাটোৱে আইন নিৰ্দ্ধাৰিত পৰিমাণতকৈ অধিক উদাৰভাৱে সমৰ্পণ মূল্য নিৰ্দ্ধাৰণ কৰে ।

a) সমৰ্পণ মূল্য (ছাৰেণ্ডাৰ ভেল্যু)

জীবন বীমাকাৰকসকলৰ ওচৰত সাধাৰণতে সাৰণী এখন থাকে যিখনত বিভিন্ন সময়ৰ সমৰ্পণ মূল্য আৰু সমৰ্পণ মূল্য গণনা কৰিবলৈ ব্যৱহাৰ কৰাৰ পদ্ধতিটো থাকে ।ফৰ্মুলাটোৱে বীমাৰ প্ৰকাৰ আৰু আঁচনি, পলিচিৰ বয়স আৰু পলিচিৰ প্ৰিমিয়াম পৰিশোধৰ কালদৈৰ্ঘ্য বিৱেচনাভূক্ত কৰে । সমৰ্পণ কৰাৰ ফলত হাতলৈ অহা প্ৰকৃত নগদৰ পৰিমাণ পলিচিয়ে বিধান দিয়া পৰিমাণতকৈ পৃথক হ'ব পাৰে ।

ইয়াৰ কাৰণটো হৈছে যে স্বাভাৱিক প্ৰক্ৰিয়াত লাভ কৰা নগদ সমৰ্পণ মূল্যৰ লগত ''পেইড-আপ'' বা পৰিশোধিত সংযোজন, বোনাচ বা লভ্যাংশৰ পুঞ্জীভৱন, অগ্ৰিম প্ৰিমিয়াম পৰিশোধ বা প্ৰিমিয়াম-অন্তৰ্বৰ্তী ফাক (গেপ), পলিচি ঋণ

আদিৰ সংযোজন বা বিয়োজনৰ ফলত এই পাৰ্থক্যৰ সৃষ্টি হয় ।অন্তিমত পলিচিধাৰকে যিটো পায় সেইটো হ'ল প্ৰকৃত সমৰ্পণ মূল্য ।

প্ৰিমিয়ামৰ শতাংশ হিচাবে যি সমৰ্পণ মূল্যটো পোৱা যায়, তাক কোৱা হয় নিশ্চিত সমৰ্পণ মূল্য (গেৰাণ্টীড ছাৰেণ্ডাৰ ভেল্যু) ।

b) পলিচি-ঋণ (পলিচি ল'ন)

যিবোৰ জীবন বীমা পলিচিত নগদ মূল্য জমা হয়, সেইবোৰত পলিচিৰ নগদ মূল্যক ঋণ-প্ৰতিভূতি ৰূপে ব্যৱহাৰ কৰি বীমাকাৰকৰ পৰা ঋণ লোৱাৰ অধিকাৰ পলিচিধাৰকৰ থাকে । পলিচি ঋণৰ পৰিমাণটো সাধাৰণতে পলিচিটোৰ সমৰ্পণ মূল্যৰ এটা নিৰ্দ্দিষ্ট শতাংশত (যেনে 90%) সীমিত থাকে । এইখিনিত মনত ৰাখিব লাগিব যে পলিচিধাৰকে তেঁওৰ নিজৰ হিচাবৰ জমা ধনৰ পৰাই ধাৰ লয় । পলিচিটো সমৰ্পণ কৰিলে তেঁও এই পৰিমাণটো পালেহেঁতেন ।

সমৰ্পণৰ ক্ষেত্ৰত অৱশ্যে বীমাটোৰো সমাপ্তি ঘটিলহেঁতেন । ইয়াৰ সলনি পলিচিৰ পৰা ঋণ লৈ পলিচিধাৰকে পিঠাখন ৰাখি থোৱাৰ লগতে খাবলৈও সক্ষম হ'ল । ঋণ এটাই বীমাটো অব্যাহত ৰাখি নগদ পুঁজিৰ চাহিদা পুৰায় । যিজন ব্যক্তিক আপুনি গ্ৰাহক হিচাবে থাকি যোৱাটো বিচাৰে, তেঁওৰ জৰুৰী পুঁজিৰ প্ৰয়োজন হ'লে এই ঋণৰ পৰামৰ্শ দিব পাৰে ।

পলিচি ঋণ এটা আন সাধাৰণ বাণিজ্যিক ঋণতকৈ দুটা ক্ষেত্ৰত পৃথক:

পলিচি ঋণ	বাণিজ্যিক ঋণ
ঋণ পৰিশোধৰ আইনগত বাধ্যবাধকতা নাই: ঋণটো পৰিশোধ কৰাৰ বাবে পলিচিধাৰক আইনগতভাৱে বাধ্য নহয় । তেঁও নিজৰ সুবিধামতে ঋণটো সম্পূৰ্ণ বা আংশিকভাৱে পৰিশোধ কৰিব পাৰে ।ঋণটো পৰিশোধ কৰা নহ'লে বীমাকাৰকে বকেয়া ঋণ আৰু সুতৰ ৰাশিখিনি প্ৰদেয় পলিচি-সুবিধাৰ পৰা কাটি লয় ।	এটা বাণিজ্যিক ঋণে দেনাদাৰ - পাওনাদাৰ সম্পৰ্ক সৃষ্টি কৰে, য'ত ঋণ-গ্ৰহীতাজন ঋণ পৰিশোধ কৰিবলৈ আইনতঃ বাধ্য থাকে ।
ক্ৰেডিট-চেকৰ প্ৰয়োজন নাই: যিহেতু বীমাকাৰকে প্ৰকৃততে নিজা পুঁজি পলিচিধাৰকক ধাৰলৈ নিদিয়ে, পলিচিধাৰকে ঋণৰ বাবে আৱেদন কৰিলে, সেয়েহে বিত্তীয় লেন-দেন সন্দৰ্ভত বিশ্বাসযোগ্যতাৰ খতিয়ান লোৱাৰ কোনো প্ৰয়োজন নাথাকে । কেৱল বীমাকাৰকে এইটো নিশ্চিত কৰিব লাগে যে ঋণটো যাতে প্ৰদানযোগ্য পৰিমাণটোতকৈ (ওপৰোক্ত দিহা মতে সমৰ্পণ মূল্যৰ 90%) বেছি নহয় ।	ঋণদাতাই বিত্তীয় লেন-দেন সন্দৰ্ভত ঋণ-গ্ৰহীতাৰ বিশ্বাসযোগ্যতাৰ পুংখানুপুংখ খতিয়ান লয় ।

অৱশ্যে বীমাকাৰকে নীতিগতভাৱে এই ধৰণৰ ঋণ সম্বন্ধীয় চৰ্ত আৰু নিয়মাৱলীৰ বিষয়ে সিদ্ধান্ত লোৱাৰ অধিকাৰ সংৰক্ষিত ৰাখে । যিহেতু পলিচিটো প্ৰতিভূতি ৰূপে ৰাখি ঋণটো দিয়া হয়, পলিচিটোৰ স্বত্বাধিকাৰ সেয়েহে বীমাকাৰকলৈ হস্তান্তৰিত কৰিব লাগে ।য'ত পলিচিধাৰকে তেঁওৰ মৃত্যুৰ ক্ষেত্ৰত বীমাৰাশিটো গ্ৰহণ কৰিবলৈ কোনোবা এজনক নামাংকিত বা মনোনীত কৰে, পৰৱৰ্তী কালৰ হস্তান্তৰকৰণে এই নামাংকন বাতিল নকৰে ।

নামাংকিত ব্যক্তিজনৰ অধিকাৰৰ পৰিসৰ পলিচিটোত থকা বীমাকাৰকৰ আৰ্থিক স্বাৰ্থৰ সীমালৈকে সংকুচিত হয় ।

উদাহৰণ

অৰ্জুনে এটা জীবন বীমা পলিচি কিনিছে যাৰ অধীনত প্ৰদেয় মৃত্যুদাবীৰ পৰিমান হৈছে 2.5 লাখ টকা ।এই পলিচিটোৰ বিপৰীতে অৰ্জুনে আদায় দিব লগা 1.5 লাখ টকাৰ ঋণ আৰু সুত আছে ।

সেই বাবে অৰ্জুনৰ মৃত্যুৰ ক্ষেত্ৰত নামাংকিত ব্যক্তিজনে কেৱল অৱশিষ্ট 1 লাখ টকাহে পাবলৈ সমৰ্থ হ'ব ।

বীমাকাৰকে পলিচি-ঋণৰ ওপৰত যি সুত ধাৰ্য্য কৰে, সেইবোৰ ষান্মাসিক বা বাৰ্ষিক বিধিত পৰিশোধ কৰিবলগীয়া হয় ।যদি সুত পৰিশোধ কৰা নহয়, সেইবোৰো পলিচি-ঋণৰ অংশ হৈ পৰে আৰু দেয় ঋণৰ অন্তৰ্ভূক্ত হৈ যায় ।

যিমান দিনলৈ প্ৰিমিয়াম দি থকা হয় আৰু পলিচিটো চলিত অৱস্থাত থাকে, তেতিয়ালৈকে সাধাৰণতে পলিচিৰ সঞ্চিত নগদ-মূল্যটো ঋণ আৰু সুতৰ মুঠ পৰিমাণটো সামৰিব পৰাকৈ পৰ্য্যাপ্ত থাকে ।কিন্তু যদি পলিচিটো কালাতীত অৱস্থাত থাকে আৰু আহিবলগীয়া প্ৰিমিয়ামবোৰ নাহে, তেনেহ'লে এনে এটা পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে য'ত দেয় ঋণ আৰু সুত লগ লাগি (সমুদায় ঋণ) পলিচিটোয়ে অৰ্জা নগদ-মূল্যৰ পৰিমাণতকৈয়ো বেছি হৈ যাব পাৰে ।

বীমাকাৰকে স্বাভাৱিকতে এই ধৰণৰ পৰিস্থিতি অনুমোদন কৰিব নোৱাৰে ।এনে ধৰণৰ সম্ভাৱনীয়তা সৃষ্টিৰ আগতেই বীমাকাৰকে সচৰাচৰ ''পূৰ্বাৱসান কাৰ্য্য'' (ফ'ৰক্লজাৰ একশ্বন) গ্ৰহণ কৰে । বীমা কোম্পানীয়ে পূৰ্বাৱসান কাৰ্য্যৰ আশ্ৰয় লোৱাৰ আগতে পলিচিধাৰকলৈ জাননী দিব লাগে । এই ক্ষেত্ৰত পলিচিটোৰ সমাপ্তি ঘটে আৰু দেয় ঋণ আৰু সুতখিনি পলিচিৰ নগদ মূল্যৰ পৰা কাটি লোৱা হয় । উদ্বৃত্ত ধনৰাশি পলিচিধাৰকক দি দিয়া হয় ।

4. পলিচিৰ বিশেষ সুবিধাবোৰ আৰু পৃষ্ঠাঙ্কন

a) নামাংকন (নমিনেশ্বন)

i. নামাংকন হ'ল য'ত জীবন বীমাকৃতই এজন (বা একাধিক) ব্যক্তিৰ নাম প্ৰস্তাৱ কৰে যিজনক (যিসকলক) বীমা কোম্পানীয়ে তেঁওৰ মৃত্যুৰ পিছত আশ্বাসিত বীমাৰাশিটো পৰিশোধ কৰিব ।

ii. জীবনবীমাকৃতই নামাংকিত হিচাবে এক বা একাধিক ব্যক্তিৰ মনোনয়ন কৰিব পাৰে ।

iii. নামাংকিত ব্যক্তিজন হ'ল সেই বিধিসন্মত মানুহজন, যিজনৰ মৃত্যুদাবী পৰিশোধ কৰাৰ বাবে বীমাকাৰকক এখন বৈধ ঋণ-মুক্তকৰণৰ (ভেলিড ডিছচাৰ্জ) স্বীকৃতি পত্ৰ দিয়াৰ অধিকাৰ থাকে আৰু যিজনে প্ৰকৃত হিতাধিকাৰী সকলৰ হৈ ন্যাসপাল ৰূপে বীমাৰাশিটোৰ দায়িত্ব ধাৰণ কৰিব লাগে ।

iv. পলিচিটো কিনাৰ সময়তেই নাইবা পিছতো নামাংকন কৰিব পাৰি ।

v. বীমা অধিনিয়ম, 1938, ধাৰা 39ৰ অধীনত নিজৰ জীবনৰ ওপৰত লোৱা পলিচিৰ গৰাকীজনে এজন বা কেইবাজনো ব্যক্তিক নামাংকিত কৰিব পাৰে যাক বা যিসকলক তেঁওৰ মৃত্যুৰ ক্ষেত্ৰত পলিচিৰ দ্বাৰা সুৰক্ষিত অৰ্থৰাশিটো প্ৰদান কৰা হ'ব ।

পলিচিটোত আৰু এটা পৃষ্ঠাঙ্কনৰ জৰিয়তে নামাংকন পৰিবৰ্তন কৰিব পাৰি ।

গুৰুত্বপূৰ্ণ

নামাংকনে নামাংকিত ব্যক্তিজনক কেৱল জীবন বীমাধাৰীৰ মৃত্যুৰ ক্ষেত্ৰত পলিচিৰ অধীনৰ অৰ্থ গ্ৰহণ কৰাৰ অধিকাৰ দিয়ে ।কিন্তু সম্পূৰ্ণ (নাইবা আংশিক) দাবীৰ ওপৰত নামাংকিত ব্যক্তিৰ কোনো অধিকাৰ নাথাকে ।

নামাংকিত ব্যক্তিজন নাবালক হ'লে পলিচিধাৰকে এজন ''নিযুক্ত ব্যক্তি'' (এপইণ্টী) ৰাখিব লাগে ।নিযুক্ত ব্যক্তিজনে প্ৰস্তাৱ পত্ৰখনত নাইবা পলিচি ডকুমেণ্টত স্বাক্ষৰ কৰি তেঁওৰ নিযুক্তিত সন্মতি জনোৱাটো আৱশ্যক । নামাংকিত ব্যক্তিজন প্ৰাপ্তবয়স্ক হোৱাৰ লগে লগে নিযুক্ত ব্যক্তিজনে সেই পদমৰ্য্যাদা হেৰুৱায় । জীবন বীমাধাৰীয়ে যিকোনো সময়তে নিযুক্ত ব্যক্তি পৰিবৰ্তন কৰিব পাৰে । যদি নামাংকিত ব্যক্তিজন নাবালক হয় আৰু কোনো নিযুক্ত ব্যক্তিও নাথাকে, তেনে অৱস্থাত বীমাকৃতৰ মৃত্যু হ'লে মৃত্যুদাবী পলিচিধাৰকৰ বৈধ উত্তৰাধিকাৰী সকলক দিয়া হয় ।

নামাংকিত ব্যক্তি যেতিয়া একাধিক হয়, তেতিয়া মৃত্যুদাবী যুটীয়াভাৱে তেঁওলোকক পৰিশোধ কৰা হয় নাইবা তেঁওলোকৰ মাজৰ বাচি থকা জনক বা বাচি থকা সকলক দিয়া হয় । প্ৰতিজন নামাংকিত ব্যক্তিৰ বাবে প্ৰাপ্য অংশটো নিৰ্দ্দিষ্ট কৰিব নোৱাৰি । পলিচি আৰম্ভ হোৱাৰ পিছত কৰা নামাংকনৰ বিষয়ে বীমাকাৰকক জনোৱাটো অত্যাৱশ্যকীয়, অন্যথা এই ব্যৱস্থা কাৰ্য্যকৰী নহয় ।

পাঠৰ ব্যাখ্যামূলক নক্সা 1: নামাংকন সংক্ৰান্ত উপবন্ধসমূহ



b) অধিকাৰ-হস্তান্তৰকৰণ (এছাইনমেণ্ট)

অধিকাৰৰ হস্তান্তৰকৰণ শব্দটোৱে লিখিতভাৱে সম্পত্তিৰ হস্তান্তৰণ বুজায়, যিটো প্ৰদান কৰা হস্তান্তৰণতকৈ পৃথক ।সম্পত্তিৰ মালিকী স্বত্বটো সম্পত্তি সংক্ৰান্ত বিভিন্ন অধিকাৰৰ দ্বাৰা গঠিত, যিবোৰৰ দায়িত্ব এক বা একাধিক ব্যক্তিৰ ওপৰত ন্যস্ত ।

হস্তান্তৰকৰণৰ ফলত নামাংকন ৰদ হৈ যায় । ইয়াৰ ব্যতিক্ৰম হয় যেতিয়া পলিচি ঋণৰ কাৰণে বীমা কোম্পানীলৈ অধিকাৰ হস্তান্তৰকৰণ কৰা হয় ।

জীৱন বীমা পলিচি এটাৰ এছাইনমেণ্ট বুলিলে এজনৰ পৰা আনজনলৈ পলিচিটোৰ অধিকাৰ, বৈধ স্বত্ব আৰু পলিচিটোত থকা স্বাৰ্থ (সম্পত্তি হিচাবে) হস্তান্তৰকৰণ কাৰ্য্যটোকে বুজায় ।যিজন ব্যক্তিয়ে এইবোৰ স্বত্ব হস্তান্তৰ কৰে তেঁওক স্বত্ব নিয়োগকাৰী (এছাইনৰ) আৰু যিজনলৈ স্বত্ব হস্তান্তৰ কৰা হয়, তেঁওক স্বত্ব নিয়োগী (এছাইনী) বুলি কোৱা হয় ।

পাঠৰ ব্যাখ্যামূলক নক্সা 2: হস্তান্তৰকৰণ

ভাৰতবৰ্ষত জীৱন বীমা পলিচিৰ হস্তান্তৰকৰণ, বীমা অধিনিয়ম, 1938ৰ 38 নং ধাৰাৰ দ্বাৰা নিয়ন্ত্ৰিত হয় ।হস্তান্তৰকৰণ সম্পন্ন হোৱাৰ পিছত হস্তান্তৰিত সম্পত্তিটোৰ অধিকাৰ, বৈধ স্বত্ব আৰু স্বাৰ্থ সকলোখিনি স্বত্ব নিয়োগীজনে

লাভ কৰে, আৰু এই উপবন্ধ সাপেক্ষে পলিচিটোৰ মালিকানা অৰ্জন কৰে য'ত স্বত্ব নিয়োগকাৰীতকৈ শ্ৰেয়ঃ মালিকানা স্বত্ব নিয়োগীৰ থাকিব নোৱাৰে ।

শেষৰ উপবন্ধটো অতিকে গুৰুত্বপূৰ্ণ ।ইয়াৰ সৰল অৰ্থ হ'ল যে যি দাবীটো কিবা এটা কাৰণত বীমাকৃতক দিবলৈ অস্বীকাৰ কৰা হৈছে, স্বত্ব নিয়োগীও সেইটো পাবৰ যোগ্য নহয় । হস্তান্তৰকৰণৰ বাবে সকলো পক্ষৰ চুক্তি কৰাৰ অৰ্হতা থকাটো অত্যাৱশ্যক আৰু তেঁওলোক আইনৰ দ্বাৰা অযোগ্য বুলি ঘোষিত হ'ব নালাগে ।

হস্তান্তৰকৰণ দুই প্ৰকাৰৰ হয় ।

পাঠৰ ব্যাখ্যামূলক নক্সা 3: হস্তান্তৰকৰণৰ প্ৰকাৰ



চৰ্ত সাপেক্ষ হস্তান্তৰকৰণ	সম্পূৰ্ণ হস্তান্তৰকৰণ
চৰ্ত সাপেক্ষ হস্তান্তৰকৰণৰ ক্ষেত্ৰত, বীমাকৃত যদি ম্যাদপূৰ্তি পৰ্য্যন্ত জীবিত থাকে বা স্বত্ব নিয়োগী ব্যক্তিৰ আগতে মৃত্যু হয়, তেনেহ'লে পলিচিটো স্বয়ংক্ৰিয়ভাৱে বীমাকৃতলৈ ঘুৰি আহে ।	সম্পূৰ্ণ হস্তান্তৰকৰণৰ ক্ষেত্ৰত, পলিচিৰ ওপৰত থকা সকলো অধিকাৰ, বৈধ স্বত্ব আৰু স্বাৰ্থ – এই সকলোবোৰ স্বত্ব নিয়োগীলৈ গুচি যায় আৰু কোনো ঘটনাৰ পৰিপ্ৰেক্ষিততেই স্বত্ব নিয়োগকাৰীলৈ বা তেঁওৰ সম্পত্তিলৈ ঘুৰি নাহে ।এইদৰে পলিচিটো সম্পূৰ্ণৰূপে স্বত্ব নিয়োগীৰ মালিকীস্বত্বভূক্ত হৈ যায় আৰু তেঁও যেনেকৈ ইচ্ছা কৰে তেনেকৈ পলিচিটোৰ ব্যৱস্থাপনা কৰিব পাৰে ।আৰু এই ক্ষেত্ৰত তেঁও স্বত্ব নিয়োগকাৰীৰ সন্মতি লোৱাৰ কোনো প্ৰয়োজন নাথাকে ।

সম্পূৰ্ণ হস্তান্তৰকৰণটো বহুতো বাণিজ্যিক পৰিস্থিতিত সচৰাচৰ দেখিবলৈ পোৱা যায় য'ত ঋণ গ্ৰহণ কৰাৰ বিপৰীতে পলিচিটো বন্ধকত থোৱা হয়, যেনে গৃহ-ঋণ ।

বৈধ হস্তান্তৰকৰণৰ চৰ্তসমূহ

এটা বৈধ হস্তান্তৰকৰণৰ বাবে প্ৰয়োজনীয় চৰ্তবোৰ হ'ল:

i. প্ৰথমতে, যিজন ব্যক্তিয়ে (স্বত্ব নিয়োগকাৰী) হস্তান্তৰ কৰিব খুজিছে, সেই হস্তান্তৰিত হ'বলৈ যোৱা পলিচিটোৰ ওপৰত তেঁওৰ সম্পূৰ্ণ অধিকাৰ আৰু বৈধ স্বত্ব বা হস্তান্তৰযোগ্য স্বাৰ্থ থাকিব লাগিব ।

ii. দ্বিতীয়তে, হস্তান্তৰকৰণটো এটা মূল্যৱান বিবেচনাযোগ্য মূল্যৰ দ্বাৰা সমৰ্থিত হোৱাটো আৱশ্যক । ইয়াত মৰম আৰু স্নেহও অন্তৰ্ভূক্ত হ'ব পাৰে ।

iii. তৃতীয়তে, এইটো বাধ্যতামূলক যে হস্তান্তৰকৰণটোৱে যাতে কোনো বলবৎ থকা আইনৰ বিৰুদ্ধাচৰণ নকৰে । উদাহৰণস্বৰূপে, আন এখন দেশত বসবাসকাৰী কোনো বিদেশী নাগৰিকক পলিচি হস্তান্তৰ কৰা কাৰ্য্যটোৱে বিনিময়-নিয়ন্ত্ৰণ বিধিটো ভঙ্গ কৰিব পাৰে ।

iv. স্বত্ব নিয়োগী ব্যক্তিজনে আন এটা হস্তান্তৰণ কৰিব পাৰে, কিন্তু নামাংকন কৰিব নোৱাৰে, কাৰণ তেঁও বীমাকৃত নহয় ।

হস্তান্তৰকৰণটো লিখিত আৰু স্বাক্ষৰিত হ'ব লাগিব, আৰু ইয়াক অতিকমেও এজন সাক্ষীয়ে প্ৰত্যয়িত কৰিব লাগিব । মালিকানা হস্তান্তৰকৰণৰ বাস্তৱটো পৃষ্ঠাঙ্কনৰ ৰূপত নিৰ্দ্দিষ্টভাৱে পলিচিটোত সন্নিবিষ্ট কৰিব লাগিব ।পলিচিধাৰকে

বীমাকাৰকক এই হস্তান্তৰকৰণৰ বিষয়ে এখন নোটিচ (জাননী) দিয়াটো জৰুৰী কিয়নো লিখিতভাৱে বীমাকাৰকে এই নোটিচ নাপালে স্বত্ব নিয়োগীয়ে পলিচিটোৰ বৈধ স্বত্বৰ ওপৰত কোনো অধিকাৰ অৰ্জন নকৰে ।

পৃষ্ঠাঙ্কনৰ বাবে পলিচি ডকুমেণ্টৰ লগত নোটিচখন পোৱাৰ পিছত জীবন বীমা কোম্পানীয়ে হস্তান্তৰকৰণটো কাৰ্য্যকৰী আৰু পঞ্জীভূক্ত কৰিব পাৰে ।এইটো মনত ৰখাটো অতি আৱশ্যক যে এছাইনমেণ্টটো পঞ্জীয়ন কৰাৰ ক্ষেত্ৰত কোম্পানীয়ে কোনো ধৰণৰ দায়িত্ব নলয় আৰু ইয়াৰ বৈধতা বা আইনী পৰিণামৰ বিষয়ে কোনো মতামত প্ৰকাশ নকৰে । জীবন বীমা কোম্পানীৰ সংশ্লিষ্ট কাৰ্য্যালয়টোয়ে যি তাৰিখত এছাইনমেণ্ট আৰু ইয়াৰ নোটিচ গ্ৰহন কৰিছে, সেইটোৱেই বহীত নথিবদ্ধ কৰা অৰ্থাৎ এছাইনমেণ্টটোৰ পঞ্জীভূক্ত হোৱাৰ তাৰিখ হ'ব । যিক্ষেত্ৰত নোটিচ আৰু এছাইনমেণ্ট ভিন্ন ভিন্ন দিনত পোৱা হয়, তেনে ক্ষেত্ৰত পিছত পোৱাটোৰ তাৰিখটোকেই পঞ্জীয়নৰ তাৰিখ বুলি গণ্য কৰা হয় ।

এজন স্বত্ব নিয়োগীয়ে (এছাইনী) পলিচিৰ ম্যাদৰ ভিতৰত, পলিচিত থকা স্বাৰ্থটো পুনৰ পলিচিধাৰক / জীবন বীমাকৃতলৈ হস্তান্তৰ কৰিব পাৰে ।এনে পুনৰহস্তান্তৰকৰণৰ (ৰি-এছাইনমেণ্ট) ক্ষেত্ৰত দ্ৰুত দাবী নিষ্পত্তি হেতুকে নতুনকৈ নামাংকন বা হস্তান্তৰকৰণ কাৰ্য্যকৰী কৰাৰ বাবে পলিচিধাৰক / জীবন বীমাধাৰীক দিহা দিব পাৰি ।আকৌ, চৰ্ত সাপেক্ষ হস্তান্তৰকৰণৰ চৰ্ত অনুযায়ী স্বত্ব নিয়োগীৰ মৃত্যুৰ ক্ষেত্ৰত জীবন বীমাধাৰীয়ে পলিচিৰ বৈধ স্বত্ব ঘুৰাই পায় ।আনহাতে, সম্পূৰ্ণ হস্তান্তৰকৰণৰ ক্ষেত্ৰত এই বৈধ স্বত্বটো মৃত স্বত্ব নিয়োগীৰ সা-সম্পত্তিৰ অন্তৰ্ভূক্ত হৈ যায় ।

পাঠৰ ব্যাখ্যামূলক নক্সা 4: বীমা পলিচিৰ হস্তান্তৰকৰণৰ লগত জড়িত উপবন্ধসমূহ



নামাংকন বনাম হস্তান্তৰকৰণ (নমিনেশ্বন ভাৰ্ছাছ এছাইনমেণ্ট)

মৌলিক পাৰ্থক্য	নামাংকন	হস্তান্তৰকৰণ
নামাংকন বা হস্তান্তৰকৰণ কি?	নামাংকন হ'ল মৃত্যুদাবী গ্ৰহণ কৰাৰ বাবে কোনো ব্যক্তিক নিযুক্ত কৰাৰ প্ৰক্ৰিয়া	হস্তান্তৰকৰণ হ'ল আন এজন ব্যক্তি বা প্ৰতিষ্ঠানলৈ বীমা পলিচিৰ বৈধ স্বত্ব হস্তান্তৰ কৰাৰ প্ৰক্ৰিয়া
নামাংকন বা হস্তান্তৰকৰণ কোন সময়ত কৰিব পাৰি?	প্ৰস্তাৱ-পৰ্য্যায়ত বা পলিচি আৰম্ভ হোৱাৰ পিছত নামাংকন কৰিব পাৰি	হস্তান্তৰকৰণ কেৱল পলিচি আৰম্ভ হোৱাৰ পিছত কৰিব পাৰি
নামাংকন বা হস্তান্তৰকৰণ কোনে কৰিব পাৰে?	নিজৰ জীবনৰ ওপৰত লোৱা পলিচিতহে কেৱল বীমাধাৰীয়ে নামাংকন কৰিব পাৰে	হস্তান্তৰকৰণ কৰিব পাৰে পলিচিটোৰ গৰাকীয়েহে, অৰ্থাৎ জীবন বীমাকৃতই, যদি তেঁও নিজেই পলিচিধাৰক হয়, নতুবা স্বত্ব নিয়োগীয়ে

এইটো কোন ক্ষেত্ৰত প্ৰযোজ্য?	এইটো সেই ক্ষেত্ৰত প্ৰযোজ্য হয় য'ত বীমা অধিনিয়ম, 1938 প্ৰযোজ্য হয়	এইটো বিশ্ব জুৰি প্ৰতিখন দেশতেই সম্পত্তি-হস্তান্তৰ সম্পৰ্কিত নিজ নিজ আইন অনুযায়ী প্ৰযোজ্য হয়
পলিচিধাৰকে পলিচিৰ ওপৰত তেঁওৰ নিয়ন্ত্ৰণ বজাই ৰাখে নে?	পলিচিধাৰকে পলিচিত থকা তেঁওৰ বৈধ স্বত্ব আৰু পলিচিৰ ওপৰত নিয়ন্ত্ৰণ ধৰি ৰাখে আৰু নামাংকিত ব্যক্তিজনৰ পলিচিৰ অধীনত আইনগত ব্যৱস্থা লোৱাৰ কোনো অধিকাৰ নাথাকে	পলিচিধাৰকে পলিচিটোৰ অধিকাৰ, বৈধ স্বত্ব বা পলিচিত থকা স্বাৰ্থ – এই সকলোবোৰ হেৰুৱায় আৰু যেতিয়ালৈ পুনৰহস্তান্তৰকৰণ নহয় বা পলিচিটোৰ অধীনত আইনগত ব্যৱস্থা ল'ব পৰা অধিকাৰ স্বত্ব নিয়োগীৰ থাকি যায়, তেতিয়ালৈকে পলিচিৰ ওপৰত পলিচিধাৰকৰ কোনো নিয়ন্ত্ৰণ নাথাকে
কোনো সাক্ষীৰ আৱশ্যকীয়তা আছে নে?	কোনো সাক্ষীৰ আৱশ্যকীয়তা নাই সাক্ষী	থকাটো এটা বাধ্যতামূলক আৱশ্যকীয়তা
এঁওলোকৰ কিবা অধিকাৰ আছে নে?	পলিচিৰ ওপৰত নামাংকিত ব্যক্তিজনৰ কোনো অধিকাৰ নাই	স্বত্ব নিয়োগীজনে পলিচিৰ ওপৰত সম্পূৰ্ণ অধিকাৰ লাভ কৰে আৰু পলিচিৰ অধীনত আইনগত ব্যৱস্থা লোৱাৰ অধিকাৰ তেঁওৰ থাকে
এইটো ৰদ কৰিব পাৰি নে?	পলিচিৰ ম্যাদৰ ভিতৰত যিকোনো সময়ত নামাংকন ৰদ বা বাতিল কৰিব পাৰিএবাৰ	হস্তান্তৰকৰণৰ প্ৰক্ৰিয়া সমাপ্ত হোৱাৰ পিছত ইয়াক ৰদ বা বাতিল কৰিব নোৱাৰি, কিন্তু পুনৰহস্তান্তৰকৰণ কৰিব পাৰি
অপ্ৰাপ্তবয়স্কৰ ক্ষেত্ৰত :	নামাংকিত ব্যক্তি নাবালক হ'লে, নিযুক্ত ব্যক্তি এজনৰ নিযুক্তিৰ প্ৰয়োজন হয় স্বত্ব	নিয়োগী নাবালক হ'লে অভিভাৱক এজনৰ নিযুক্তিৰ প্ৰয়োজন হয়
নামাংকিত ব্যক্তি বা স্বত্ব নিয়োগী ব্যক্তিজনৰ মৃত্যু হ'লে কি হ'ব?	নামাংকিত ব্যক্তিজনৰ মৃত্যু হ'লে পলিচিৰ অধিকাৰ পলিচিধাৰকলৈ বা তেঁওৰ বিধিসন্মত উত্তৰাধিকাৰী সকলোলৈ ঘুৰি যায়	চৰ্ত সাপেক্ষ হস্তান্তৰকৰণৰ ক্ষেত্ৰত, স্বত্ব নিয়োগীজনৰ মৃত্যু হ'লে, চৰ্ত অনুযায়ী পলিচিৰ অধিকাৰসমূহ জীবন বীমাধাৰীলৈ ঘুৰি যায় । সম্পূৰ্ণ স্বত্ব নিয়োগীৰ মৃত্যুৰ ক্ষেত্ৰত, তেঁওৰ বিধিসন্মত উত্তৰাধিকাৰী সকল পলিচিৰ অধিকাৰ প্ৰাপ্ত হয়
জীবন বীমাকৃতৰ মৃত্যুৰ পিছত, কিন্তু মৃত্যুদাবী পৰিশোধৰ আগতে, নামাংকিত ব্যক্তি বা স্বত্ব নিয়োগীৰ মৃত্যু হ'লে কি হ'ব?	মৃত্যুদাবী নিষ্পত্তিৰ আগতে নামাংকিত ব্যক্তিৰ মৃত্যু হ'লে, মৃত্যুদাবী জীবন বীমাকৃতৰ বিধিসন্মত উত্তৰাধিকাৰী সকলোলৈ প্ৰদেয় হ'ব	মৃত্যুদাবী নিষ্পত্তিৰ আগতে স্বত্ব নিয়োগী ব্যক্তিজনৰ মৃত্যু হ'লে, বীমাৰাশি স্বত্ব নিয়োগীৰ বিধিসন্মত উত্তৰাধিকাৰী সকলক দিয়া হ'ব – স্বত্ব নিয়োগকাৰী জীবন বীমাকৃতৰ উত্তৰাধিকাৰী সকলক নহয়

পাওনাদাৰ সকলে পলিচিটো ক্ৰোক কৰিব পাৰে নে?	নামাংকনকৃত পলিচিটোক পাওনাদাৰে ক্ৰোক কৰিব পাৰে	হস্তান্তৰকৰণটো পাওনাদাৰ সকলক প্ৰতাৰণা কৰাৰ উদ্দেশ্যে কৰা হৈছে বুলি প্ৰমান কৰিব নোৱাৰিলে, পলিচিটো পাওনাদাৰ সকলে ক্ৰোক কৰিব নোৱাৰে

c) হুবহু প্ৰতিলিপি পলিচি (ডুপ্লিকেট পলিচি)

জীবন বীমাৰ পলিচি ডকুমেণ্টখন কেৱল প্ৰতিশ্ৰুতি এটাৰ প্ৰমান । পলিচি ডকুমেণ্ট হেৰোৱা বা নষ্ট হোৱাটোৱে কোনো পধ্যেই কোম্পানীক চুক্তিৰ অধীনত গ্ৰহণ কৰা দায়িত্বৰ পৰা অব্যাহতি নিদিয়ে ।পলিচি ডকুমেণ্ট হেৰোৱাৰ ক্ষেত্ৰত জীবন বীমা কোম্পানীবোৰে সচৰাচৰ এটা মানগত কাৰ্য্য-প্ৰণালী অনুসৰণ কৰে ।

সাধাৰণতে কাৰ্য্যালয়ে পৰীক্ষা কৰি চাব তথাকথিত হেৰুওৱাৰ খবৰটোত সন্দেহ কৰাৰ কোনো কাৰণ আছে নেকি । পলিচিটো যে আন কোনো উদ্দেশ্যত ব্যৱহাৰ কৰা হোৱা নাই আৰু সঁচাকৈয়ে হেৰাইছে – ইয়াৰ সন্তোষজনক প্ৰমান দাখিল কৰাৰ দৰকাৰ হ'ব পাৰে । সাধাৰণতে দাবীদাৰে জামিন সহ বা জামিন বিনা এটা ক্ষতিপূৰণৰ মুচুলুকা (ইনডেমনিটি বণ্ড) দিলে দাবীৰ নিষ্পত্তি কৰা হয় ।

যদি পৰিশোধ কৰাৰ তাৰিখটো কাষ চাপিছে আৰু পৰিশোধ কৰিব লগা ৰাশিটো ডাঙৰ, তেনেহ'লে বহল প্ৰচালনৰ জাতীয় বাতৰি কাকত এখনত পলিচি হেৰোৱাৰ বৃত্তান্ত সহ বিজ্ঞাপন এটা দিয়াৰ বাবে কোম্পানীয়ে দৃঢ়ভাৱে দাবী কৰিব পাৰে । আন কাৰো পৰা আপত্তি নাহে বুলি নিশ্চিত হোৱাৰ পিছতহে এটা হুবহু প্ৰতিলিপি পলিচি জাৰি কৰা হ'ব ।

d) পৰিবৰ্তন (অলটাৰেশ্বন)

পলিচিধাৰকসকলে পলিচিটোৰ চৰ্ত বা নিয়মাৱলীৰ ক্ষেত্ৰত কিছুমান সালসলনি বিচাৰিব পাৰে । বীমাকাৰক আৰু বীমাধাৰী ব্যক্তি দুয়োৰে অনুমতি সাপেক্ষে এই সালসলনি কৰাৰ সুবিধা দিয়া হয় । সাধাৰণতে পলিচিটোৰ প্ৰথম বছৰত, প্ৰিমিয়াম পৰিশোধৰ বিধি বা আন কিছুমান বাধ্যতামূলক সালসলনিৰ বাহিৰে কোনো অলটাৰেশ্বনৰ অনুমতি দিয়া নহয় । বাধ্যতামূলক জাতীয় সালসলনিৰ ভিতৰ আছে :

- ✓ নাম বা / আৰু ঠিকনা পৰিবৰ্তন
- ✓ বয়স কম বা বেছি প্ৰমানিত হ'লে বয়সৰ পুনৰগ্ৰাহ্যকৰণ (ৰি-এডমিশ্বন অব এইজ)
- ✓ দুৰ্ঘটনা জনিত মৃত্যুৰ দুগুণ সুবিধা আৰু স্থায়ী অক্ষমতা ভাত্তা অনুমোদনৰ বাবে অনুৰোধ আদি

পৰৱৰ্তী বছৰ কেইটাত অলটাৰেশ্বনৰ অনুমতি থাকে ।এইবোৰ কিছুমান সালসলনি পলিচিখনত বা পৃথককৈ কাগজ এখনত যথাযথ পৃষ্ঠাঙ্কনৰ জৰিয়তে কাৰ্য্যকৰী কৰিব লাগে ।অন্যান্য অলটাৰেশ্বনবোৰ, যিবোৰত পলিচি চৰ্তাৱলীৰ গুৰুত্বপূৰ্ণ তথ্য কিছুমান পৰিবৰ্তন কৰাৰ দৰকাৰ থাকে, সেইবোৰত চলি থকা পলিচি ডকুমেণ্টখন বাতিল কৰি, তাৰ ঠাঁইত নতুনকৈ পলিচি জাৰি কৰাৰ প্ৰয়োজন হ'ব পাৰে ।

বীমা কোম্পানীবোৰৰ অনুমোদিত কেইটামান মুখ্য প্ৰকাৰৰ পৰিবৰ্তন হ'ল:

i. বীমাৰ কিছুমান শ্ৰেণী বা ম্যাদৰ পৰিবৰ্তন (য'ত বিপদাশংকা বৃদ্ধি নহয়)

ii. আশ্বাসিত বীমাৰাশি হ্ৰাসকৰণ

iii. প্ৰিমিয়াম পৰিশোধৰ বিধিৰ পৰিবৰ্তন

iv. পলিচিটো আৰম্ভ হোৱাৰ তাৰিখটোৰ পৰিবৰ্তন

v. এটা পলিচিক বিভাজিত কৰি দুটা বা ততোধিক পলিচিলৈ পৰিবৰ্তন

vi. ওপৰঞ্চি প্ৰিমিয়াম বা নিষেধাত্মক / সীমিতাত্মক ধাৰা (ৰেট্ৰিক্টটিভ ক্ল'জ) উঠাই লোৱা

vii. লাভ-ৰহিত আঁচনিৰ পৰা লাভ-সহিত আঁচনিলৈ পৰিবৰ্তন কৰা

viii. নাম শুদ্ধ কৰা

ix. দাবী পৰিশোধৰ নিষ্পত্তি-প্ৰক্ৰিয়াৰ বিকল্প আৰু দুৰ্ঘটনা জনিত মৃত্যুত দুগুণ সুবিধাৰ মঞ্জুৰি

এইবোৰ পৰিবৰ্তনত সাধাৰণতে বিপদাশংকা বৃদ্ধিৰ সম্ভাৱনা নাথাকে ।কিন্তু পলিচিত আন কিছুমান অলটাৰেশ্বন আছে যিবোৰৰ অনুমোদন দিয়া নহয় কিয়নো এইবোৰে প্ৰিমিয়াম কমাই দিব পাৰে । উদাহৰণস্বৰূপে, প্ৰিমিয়াম পৰিশোধৰ সময় সীমাৰ বৃদ্ধি, লাভ-সহিত আঁচনিৰ পৰা লাভ-ৰহিত আঁচনিলৈ পৰিবৰ্তন, এটা শ্ৰেণীৰ বীমাৰ পৰা আন এটা শ্ৰেণীৰ বীমালৈ পৰিবৰ্তন য'ত অধিক বিপদাশংকা জড়িত থাকে আৰু য'ত আশ্বাসিত বীমাৰাশি বৃদ্ধি হয় ।

সাধাৰণতে, সৰ্বত্ৰ বীমা কোম্পানীবোৰক তেঁওলোকৰ পলিচি ডকুমেণ্টত ব্যৱহাৰৰ কৰাৰ বাবে প্ৰকৃত শব্দ বাছনি কৰাৰ অনুমতি দিয়া হয়, কিন্তু সেইবোৰ নিয়ন্ত্ৰকৰ ওচৰত অনুমোদনৰ বাবে দাখিল কৰিব লাগে ।

নিজক পৰখ কৰক 1

কোনটো পৰিস্থিতিত পলিচিধাৰকে এজন ''এপইণ্টী''ক নিযুক্তি দিয়াটো আৱশ্যক হৈ পৰে?

I. বীমাকৃতজন অপ্ৰাপ্তবয়স্ক

II. নামাংকিত ব্যক্তিজন অপ্ৰাপ্তবয়স্ক

III. পলিচিধাৰকজন মানসিকভাৱে সুস্থ নহয়

IV. পলিচিধাৰকজন বিবাহিত নহয়

সাৰ সংক্ষেপ

- অনুগ্ৰহ-কাল ধাৰাটোৱে প্ৰিমিয়াম দেয় হোৱাৰ পিছতো পলিচিধাৰকক প্ৰিমিয়াম দিবলৈ এটা অতিৰিক্ত সময় মঞ্জুৰ কৰে ।
- পুনৰচলন হ'ল এটা প্ৰক্ৰিয়া যিটোৰ দ্বাৰা এটা জীবন বীমা কোম্পানীয়ে সেইবোৰ পলিচিক পুনৰ সচল কৰি তোলে যিবোৰ পলিচি প্ৰিমিয়াম পৰিশোধ নকৰাৰ বাবে সমাপ্ত হৈ যায় বা অ-বাজেয়াপ্তকৰণ অনুবিধিৰ কোনো এটা সুবিধাৰ অধীনত চালু থাকে ।
- এটা পলিচি-ঋণ দুটা দিশত এটা সাধাৰণ বাণিজ্যিক ঋণতকৈ পৃথক: প্ৰথমতে পলিচিৰ গৰাকীজন ঋণ পৰিশোধৰ বাবে আইনত বাধ্য নহয় আৰু বীমাকাৰকে বীমাকৃতৰ বিত্তীয় লেন-দেন সন্দৰ্ভত বিশ্বাসযোগ্যতাৰ খতিয়ান লোৱাৰ (ক্ৰেডিট চেকৰ) কোনো প্ৰয়োজন নাথাকে ।
- নামাংকন হ'ল য'ত জীবন বীমাকৃতই কোনো ব্যক্তিৰ (ব্যক্তি কেইজনৰ) নাম প্ৰস্তাৱ কৰে যিজনক (যিসকলক) বীমাকোম্পানীয়ে তেঁওৰ মৃত্যুৰ পিছত আশ্বাসিত বীমাৰাশিটো পৰিশোধ কৰিব ।
- জীবন বীমা পলিচি এটাৰ হস্তান্তৰকৰণ (এছাইনমেণ্ট) বুলিলে এজনৰ পৰা আনজনলৈ পলিচিটোৰ অধিকাৰ, বৈধ স্বত্ব আৰু পলিচিটোত থকা স্বাৰ্থ (সম্পত্তি হিচাবে) হস্তান্তৰকৰণ কাৰ্য্যটোকে বুজায় । যিজন ব্যক্তিয়ে এইবোৰ হস্তান্তৰ কৰে তেঁওক স্বত্ব নিয়োগকাৰী (এছাইনৰ) আৰু যিজনলৈ হস্তান্তৰ কৰা হয়, তেঁওক স্বত্ব নিয়োগী (এছাইনী) বুলি কোৱা হয় ।
- অলটাৰেশ্বন বা পৰিবৰ্তনটো বীমাকাৰক আৰু বীমাকৃত - দুয়োৰে সন্মতি সাপেক্ষ । সাধাৰণতে কিছুমান সৰল সালসলনিৰ বাহিৰে পলিচিৰ প্ৰথম বছৰটোত আন কোনো ধৰণৰ সালসলনিৰ অনুমতি দিয়া নহয় ।

সুনিৰ্দ্দিষ্ট অৰ্থনিহিত গুৰুত্বপূৰ্ণ শব্দ

1. অনুগ্ৰহ-কাল
2. পলিচি কালাতীত
3. পলিচি পুনৰচলন
4. সমৰ্পণ মূল্য
5. নামাংকন (নমিনেশ্বন)
6. হস্তান্তৰকৰণ (এছাইনমেণ্ট)

"নিজক পৰখ কৰক"ৰ উত্তৰ

উত্তৰ 1

সঠিক বিকল্পটো হৈছে II.

নামাংকিত ব্যক্তিজন অপ্ৰাপ্তবয়স্ক হ'লে পলিচিধাৰকে "এপইণ্টী" এজনক নিযুক্ত কৰাটো প্ৰয়োজনীয় হয় ।

স্ব-পৰীক্ষণ প্ৰশ্ন

প্ৰশ্ন 1

নামাংকন সম্পৰ্কে দিয়া তলৰ কোনটো বিবৃতি সঠিক নহয়?

I. পলিচিৰ নামাংকনটো বাতিল নহয় যদি ঋণৰ বিনিময়ত পলিচিটো জীবন বীমাকাৰকলৈ হস্তান্তৰ কৰা হয়।

II. পলিচি লোৱাৰ সময়ত নাইবা পৰৱৰ্তী কালছোৱাত নামাংকন কৰিব পৰা যায় ।

III. পলিচিত এটা পৃষ্ঠাঙ্কনৰ জৰিয়তে নামাংকন সলনি কৰা যায়

IV. সমগ্ৰ দাবীটোৰ ওপৰত নামাংকিত ব্যক্তিজনৰ সম্পূৰ্ণ অধিকাৰ থাকে

প্ৰশ্ন 2

পলিচিয়ে এটা নিশ্চিত (গেৰাণ্টীড) সমৰ্পণ মূল্য অৰ্জন কৰিবৰ বাবে আইন অনুযায়ী কিমান দিন প্ৰিমিয়াম পৰিশোধ কৰিব লাগে?

I. কম পক্ষেও একেৰাহে দুই বছৰ প্ৰিমিয়াম দিব লাগিব

II. কম পক্ষেও একেৰাহে তিনি বছৰ প্ৰিমিয়াম দিব লাগিব

III. কম পক্ষেও একেৰাহে চাৰি বছৰ প্ৰিমিয়াম দিব লাগিব

IV. কম পক্ষেও একেৰাহে পাঁচ বছৰ প্ৰিমিয়াম দিব লাগিব

প্ৰশ্ন 3

পলিচি এটাক কেতিয়া কালাতীত বুলি গণ্য কৰা হয়?

I. যদি প্ৰিমিয়ামবোৰ নিৰ্দ্ধাৰিত তাৰিখত দিয়া নহয়

II. যদি প্ৰিমিয়ামবোৰ নিৰ্দ্ধাৰিত তাৰিখৰ আগত দিয়া নহয়

III. যদি কোনো প্ৰিমিয়াম অনুগ্ৰহ-কালৰ ভিতৰতো দিয়া নহয়

IV. যদি পলিচিটো সমৰ্পণ কৰা হয়

প্ৰশ্ন 4

বীমা পলিচি এটাৰ অনুগ্ৰহ-কালৰ বিষয়ে তলৰ কোনটো বিবৃতি শুদ্ধ?

I. অনুগ্ৰহ-কালৰ মানগত দৈৰ্ঘ্য হৈছে এমাহ

II. অনুগ্ৰহ-কালৰ মানগত দৈৰ্ঘ্য হৈছে 30 দিন

III. অনুগ্ৰহ-কালৰ মানগত দৈৰ্ঘ্য হৈছে এমাহ বা 30 দিন

IV. অনুগ্ৰহ-কালৰ মানগত দৈৰ্ঘ্য হৈছে এমাহ বা 31 দিন

প্ৰশ্ন 5

যদি পলিচিধাৰকে প্ৰিমিয়াম দিবলগীয়া ধাৰ্য্য তাৰিখটোত প্ৰিমিয়াম পৰিশোধ নকৰে আৰু তাৰ পিছত অনুগ্ৰহ-কালৰ সময়ছোৱাত তেঁওৰ মৃত্যু হয়, তেন্তে কি হব?

I. ধাৰ্য্য তাৰিখটোত প্ৰিমিয়াম নিদিয়া কাৰণে বীমাকাৰকে পলিচিটোক অকাৰ্য্যকৰী বুলি গণ্য কৰিব আৰু দাবীটো অগ্ৰাহ্য কৰিব

II. বীমাকাৰকে দাবীটো পৰিশোধ কৰিব আৰু নিদিয়া প্ৰিমিয়ামটো অধিত্যাগ কৰিব

III. নিদিয়া প্ৰিমিয়ামটো কাটি লৈ বীমাকাৰকে দাবীটো পৰিশোধ কৰিব

IV. নিদিয়া প্ৰিমিয়ামটো বেংক-জমাৰ সুতৰ হাৰতকৈ আৰু 2 শতাংশ অধিক সুতৰ সৈতে কাটি লোৱাৰ পিছত বীমাকাৰকে দাবীটো পৰিশোধ কৰিব

প্ৰশ্ন 6

এটা কালাতীত পলিচিৰ পুনৰচলন প্ৰক্ৰিয়াত বীমাকাৰকে তলৰ কোনটো দিশক সৰ্বাধিক গুৰুত্বপূৰ্ণ বুলি গণ্য কৰে?

I. পুনৰচলনৰ সময়ত বীমাযোগ্যতাৰ প্ৰমান

II. পুনৰচলনটোৱে বীমাকোম্পানীৰ বিপদাশংকা বৃদ্ধি কৰা

III. সুতৰ সৈতে বকেয়া প্ৰিমিয়াম

IV. বীমাকৃতই নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত পুনৰচলনৰ বাবে আৱেদনপত্ৰ দাখিল কৰা

প্ৰশ্ন 7

বীমা অধিনিয়ম, 1938 ৰ_____ৰ অধীনত বীমা পলিচিত নামাংকনৰ অনুমতি দিয়া হৈছে ।

I. 10 নং ধাৰা

II. 38 নং ধাৰা

III. 39 নং ধাৰা

IV. 45 নং ধাৰা

প্ৰশ্ন 8

বীমাকোম্পানীৰ পৰা ঋণ লোৱা পলিচি এটাৰ বাবে তলৰ কোনটো বিবৃতি প্ৰযোজ্য নহয়?

I. পলিচিটো বীমাকোম্পানীলৈ হস্তান্তৰকৰণ কৰিব লাগিব

II. পলিচিটো বীমাকোম্পানীলৈ হস্তান্তৰকৰণৰ পৰিণামত পলিচিত থকা নামাংকনটো বাতিল হৈ যাব

III. নামাংকিত ব্যক্তিজনৰ অধিকাৰৰ পৰিসৰ পলিচিটোত থকা বীমাকাৰকৰ আৰ্থিক স্বাৰ্থৰ সীমালৈকে সংকুচিত হ'ব ।

IV. পলিচি ঋণৰ পৰিমাণটো সাধাৰণতে পলিচিটোৰ সমৰ্পণ মূল্যৰ এটা নিৰ্দ্দিষ্ট শতাংশত সীমিত থাকিব

প্ৰশ্ন 9

বীমা পলিচি এটাৰ হস্তান্তৰকৰণৰ সম্পৰ্কে তলত দিয়া কোনটো বিবৃতি সঠিক নহয়?

I. সম্পূৰ্ণ হস্তান্তৰকৰণৰ ক্ষেত্ৰত, স্বত্ব নিয়োগীজনৰ মৃত্যু হ'লে পলিচিটোৰ বৈধ স্বত্ব মৃত স্বত্ব নিয়োগীৰ সা-সম্পত্তিৰ অন্তৰ্ভূক্ত হৈ যায়

II. জীবন বীমা পলিচি এটাৰ এছাইনমেণ্ট বুলিলে এজনৰ পৰা আনজনলৈ পলিচিটোৰ অধিকাৰ, বৈধ স্বত্ব আৰু পলিচিটোত থকা স্বাৰ্থ (সম্পত্তি হিচাবে) হস্তান্তৰকৰণ কাৰ্য্যটোকে বুজায়

III. পলিচিধাৰকে হস্তান্তৰকৰণৰ জাননী বীমাকাৰকক দিয়াটো অত্যাৱশ্যক

IV. সম্পূৰ্ণ হস্তান্তৰকৰণৰ ক্ষেত্ৰত, পলিচিৰ সম্পূৰ্ণ অধিকাৰ ম্যাদপূৰ্তিলৈকে স্বত্ব নিয়োগীৰ লগত ন্যস্ত থাকে, কেৱল ব্যতিক্ৰম হ'ল যে বীমাকৃতৰ মৃত্যুত পলিচিটোৰ অধিকাৰ তেঁওৰ হিতাধিকাৰী সকলোলৈ পুনৰ ঘুৰি যায় ।

প্ৰশ্ন 10

তলৰ কোনটো পৰিবৰ্তন (অলটাৰেশ্বন) বীমাকোম্পানীয়ে অনুমোদন কৰিব?

I. এটা পলিচিক বিভাজিত কৰি দুটা বা ততোধিক পলিচিলৈ পৰিবৰ্তন

II. প্ৰিমিয়াম পৰিশোধ কৰাৰ সময়সীমা বৃদ্ধি

III. লাভ-সহিত পলিচিৰ পৰা লাভ-ৰহিত পলিচিলৈ সলনি

IV. আশ্বাসিত বীমাৰাশিৰ বৃদ্ধি

স্ব-পৰীক্ষণমূলক প্ৰশ্নৰ উত্তৰ

উত্তৰ 1

সঠিক উত্তৰটো হৈছে IV

দাবীটোৰ ওপৰত নামাংকিত ব্যক্তিজনৰ সম্পূৰ্ণ বা আংশিক কোনো অধিকাৰেই নাথাকে ।

উত্তৰ 2

সঠিক উত্তৰটো হৈছে II

আইন অনুযায়ী পলিচিয়ে এটা নিশ্চিত (গেৰাণ্টীড) সমৰ্পণ মূল্য অৰ্জন কৰিবৰ বাবে কম পক্ষেও একেৰাহে তিনি বছৰ প্ৰিমিয়াম দিব লাগিব ।

উত্তৰ 3

সঠিক উত্তৰটো হৈছে III

যদি এটা প্ৰিমিয়াম অনুগ্ৰহ-কালৰ ভিতৰতো পৰিশোধ কৰা নহয়, তেনেহ'লে পলিচিটোক কালাতীত বুলি ধৰা হ'ব ।

উত্তৰ 4

সঠিক উত্তৰটো হৈছে IV

অনুগ্ৰহ-কালৰ মানগত দৈৰ্ঘ্য হৈছে এমাহ বা 31 দিন ।

উত্তৰ 5

সঠিক উত্তৰটো হৈছে III

যদি পলিচিধাৰকে প্ৰিমিয়াম দিবলগীয়া ধাৰ্য্য তাৰিখটোত প্ৰিমিয়াম পৰিশোধ নকৰে আৰু তাৰ পিছত অনুগ্ৰহ-কালৰ সময়ছোৱাত তেঁওৰ মৃত্যু হয়, তেন্তে নিদিয়া প্ৰিমিয়ামটো কাটি লৈ বীমাকাৰকে দাবীটো পৰিশোধ কৰিব ।

উত্তৰ 6

সঠিক উত্তৰটো হৈছে I

এটা কালাতীত পলিচিৰ পুনৰচলন প্ৰক্ৰিয়াত বীমাকাৰকে পুনৰচলনৰ সময়ত বীমাযোগ্যতা থকাৰ প্ৰমানটোক সৰ্বাধিক গুৰুত্বপূৰ্ণ বুলি গণ্য কৰে ।

উত্তৰ 7

সঠিক উত্তৰটো হৈছে III

বীমা অধিনিয়ম, 1938 ৰ 39 নং ধাৰাৰ অধীনত বীমা পলিচিত নামাংকনৰ অনুমতি দিয়া হৈছে ।

উত্তৰ 8

সঠিক বিকল্পটো হৈছে II

বীমাকোম্পানীৰ পৰা ঋণ লোৱা পলিচি এটাৰ বাবে এই বিবৃতিটো প্ৰযোজ্য নহয় - ‘‘পলিচিটো বীমাকোম্পানীলৈ হস্তান্তৰকৰণৰ পৰিণামত পলিচিত থকা নামাংকনটো বাতিল হৈ যাব’’

উত্তৰ 9

সঠিক উত্তৰটো হৈছে IV

কাৰণ বিকল্প IVটোৱেই কেৱল অশুদ্ধ ।

সম্পূৰ্ণ হস্তান্তৰকৰণৰ ক্ষেত্ৰত, পলিচিৰ সম্পূৰ্ণ অধিকাৰ ম্যাদপূৰ্তিলৈকে স্বত্ব নিয়োগীৰ লগত ন্যস্ত থাকে । বীমাকৃতৰ মৃত্যুত পলিচিটোৰ অধিকাৰ তেঁওৰ হিতাধিকাৰী সকলোলৈ পুনৰ ঘুৰি নাযায় ।স্বত্ব নিয়োগীজনেই পলিচিৰ সকলো সুবিধাৰ অধিকাৰী হয় ।

উত্তৰ 10

সঠিক উত্তৰটো হৈছে I

এটা পলিচিক বিভাজিত কৰি দুটা বা ততোধিক পলিচিলৈ পৰিবৰ্তন কৰাৰ বাবে বীমাকোম্পানীয়ে অনুমোদন দিয়ে ।

অধ্যায় 15

বীমাঙ্কন (আণ্ডাৰৰাইটিং)

অধ্যায় পৰিচিতি

এজন ভাবী গ্ৰাহকৰ পৰা প্ৰস্তাৱ এটা সংগ্ৰহ কৰাৰ লগতেই এজন জীবন বীমা এজেণ্টৰ কাম শেষ হৈ নাযায় ।প্ৰস্তাৱটো বীমা কোম্পানীটোৱে গ্ৰহণ কৰি এটা পলিচিলৈ ৰূপান্তৰিত কৰিব লাগিব ।

প্ৰতিটো জীবন বীমা প্ৰস্তাৱ দৰাচলতে জপনা এখন পাৰ হৈ যাব লাগে, য'ত জীবন বীমাকাৰকে প্ৰস্তাৱটো গ্ৰহণ কৰা-নকৰা আৰু কৰিলে কি কি চৰ্ত সাপেক্ষে গ্ৰহণ কৰিব সেই বিষয়ে সিদ্ধান্ত লয় ।এই অধ্যায়ত বীমাঙ্কনৰ প্ৰক্ৰিয়া আৰু ইয়াৰ লগত জড়িত উপাদানসমূহৰ বিষয়ে আলোচনা কৰা হ'ব ।

শিক্ষণৰ ফলাফল

A. বীমাঙ্কন – মৌলিক ধাৰণাসমূহ

B. ডাক্তৰি পৰীক্ষা বিহীন বীমাঙ্কন

C. ডাক্তৰি পৰীক্ষা জড়িত বীমাঙ্কন

A. বীমাঙ্কন – মৌলিক ধাৰণাসমূহ

1. বীমাঙ্কনৰ উদ্দেশ্য

প্ৰথমতে বীমাঙ্কনৰ উদ্দেশ্যৰ বিষয়ে অৱহিত হোৱাটো আৱশ্যক ।ইয়াৰ দুটা উদ্দেশ্য থাকে :

i. প্ৰতিকূল বাছনি বা বীমাকাৰক-বিৰোধী বাছনি প্ৰতিৰোধ কৰা

ii. বিপদাশংকাবোৰৰ শ্ৰেণী বিভাজন কৰা আৰু এইবোৰৰ প্ৰতি সমদৰ্শিতা নিশ্চিত কৰা

সংজ্ঞা

জীবন বীমাৰ প্ৰতিটো প্ৰস্তাৱৰ লগত জড়িত থকা বিপদাশংকাৰ মাত্ৰাটোৰ মূল্যায়ন কৰাৰ পিছত বিপদাশংকাটো গ্ৰহণ কৰা হ'ব নে নহয় আৰু গ্ৰহণীয় হ'লে কি ধৰণৰ চৰ্ত সাপেক্ষে গ্ৰহণ কৰা হ'ব সেইবোৰৰ বিষয়ে সিদ্ধান্ত লোৱাৰ প্ৰক্ৰিয়াটোক ''বিপদাশংকাৰ বাছনি'' বুলি কোৱা হয় ।

প্ৰতিকূল নিৰ্বাচন হ'ল মানুহৰ এনে এক প্ৰৱনতা যাৰ ফলত নিজৰ বিপন্নতা আসন্ন জানিও বীমাৰ দ্বাৰা লাভৱান হোৱাৰ উদ্দেশ্যত তেঁও বীমা কিনাৰ বাবে অধীৰ হৈ পৰে ।

উদাহৰণ

কালৈ বীমা প্ৰস্তাৱ আগ বঢ়োৱা হৈছে, সেই বিষয়ে বীমাকাৰক সতৰ্ক আৰু সচেতন নহ'লে, যিসকল মানুহৰ বেছিদিন জীয়াই থকাৰ আশা নাই, যেনে হৃদযন্ত্ৰৰ সমস্যা বা কেঞ্চাৰৰ দৰে গুৰুতৰ বেমাৰত ভুগি থকা ৰোগী, তেঁওলোকেও বীমা কিনাৰ বাবে আগ্ৰহী হ'ব ।

আনকথাত, বীমাকাৰকে যদি সচেতনভাৱে বাছনি নকৰে, তেনেহ'লে বীমাকাৰকৰ স্বাৰ্থৰ বিপৰীতে এনে বাছনি হোৱাৰ সম্ভাৱনা থাকে যে তাৰ ফলত বীমা কোম্পানীটো ক্ষতিৰ সন্মুখীন হ'ব পাৰে ।

2. বিপদাশংকাবোৰৰ মাজত সমদৰ্শিতা

এতিয়া বিপদাশংকাৰ মাজত সমদৰ্শিতানো কি সেইটো বিবেচনা কৰা যাওক ।ইয়াত ''সমদৰ্শিতা'' শব্দটোৰ অৰ্থ হ'ল যে বীমাৰ বাবে আৱেদন কৰা মানুহবোৰৰ ভিতৰত যিবোৰ মানুহ একে মাত্ৰাৰ বিপদাশংকাৰ সন্মুখীন হোৱাৰ সম্ভাৱনা আছে, তেঁওলোকক একেটা প্ৰিমিয়াম হাৰৰ শ্ৰেণীভূক্ত কৰা । ইতিমধ্যে দেখা গৈছে যে বীমাকাৰকসকলে প্ৰিমিয়াম ধাৰ্য্য কৰাৰ কাৰণে কিদৰে মৃত্যুদৰ তালিকাৰ ব্যৱহাৰ কৰে ।এই তালিকাবোৰ গড়মানৰ বিপদাশংকাৰ বা মানগত জীবন (ষ্টেণ্ডাৰ্ড লাইফ) ৰ মৃত্যুৰ অভিজ্ঞতাৰ আধাৰত প্ৰস্তুত কৰা হয় ।বীমাৰ বাবে প্ৰস্তাৱ কৰা বেছিভাগ জীবনেই এই তালিকাৰ ভিতৰত পৰে ।

a) বিপদাশংকাৰ শ্ৰেণীবিন্যাস

বীমাঙ্কন প্ৰক্ৰিয়াটোত সমদৰ্শিতা উপাদানটো সুমুৱাৰ বাবে বীমাঙ্কনকাৰীয়ে এটা পদ্ধতি গ্ৰহণ কৰে, যাক ''বিপদাশংকাৰ শ্ৰেণীবিন্যাস'' বুলি কোৱা হয়, অৰ্থাৎ সন্মুখীন হৈ থকা বিপদাশংকাৰ মাত্ৰাৰ ওপৰত ভিত্তি কৰি প্ৰতিটো জীবনক ভিন্ন ভিন্ন শ্ৰেণীৰ বিপদাশংকাৰ অন্তৰ্ভূক্ত কৰা হয় ।

বিপদাশংকাৰ শ্ৰেণী চাৰি প্ৰকাৰৰ হ'ব পাৰে:

পাঠৰ ব্যাখ্যামূলক নক্সা 1: বিপদাশংকাৰ শ্ৰেণীবিন্যাস



i. মানগত জীবন (ষ্টেণ্ডাৰ্ড লাইভছ)

মৃত্যুদৰ তালিকাত থকা মানগত জীবনৰ প্ৰত্যাশিত মৃত্যুৰ সময়ৰ সৈতে যিসকলৰ প্ৰত্যাশিত মৃত্যুৰ হাৰ খাপ খাই যায়, তেনে মানুহবোৰক ইয়াৰ অধীনত শ্ৰেণীবদ্ধ কৰা হয় ।

ii. মনঃপুত বিপদাশংকা (প্ৰেফাৰ্ড ৰিস্কছ)

এই শ্ৰেণীটোত সেইসকল মানুহ অন্তৰ্ভূক্ত হয়, যিবোৰৰ প্ৰত্যাশিত মৃত্যুৰ হাৰ মানগত জীবনৰ মৃত্যুদৰতকৈ যথেষ্ট কম হয় আৰু সেয়েহে তেঁওলোকৰ পৰা কম প্ৰিমিয়াম দাবী কৰিব পাৰি ।

iii. নিম্ন মানবিশিষ্ট জীবন (ছাব-ষ্টেণ্ডাৰ্ড লাইভছ)

এইবোৰ জীবনৰ প্ৰত্যাশিত মৃত্যূৰ হাৰ মানগত বা সাধাৰণতে দেখা মৃত্যুদৰতকৈ বেছি হয় যদিও, এইবোৰ জীবনক বীমাযোগ্য বুলি বিবেচনা কৰা হয় ।এনে ধৰণৰ জীবনৰ বাবে প্ৰিমিয়ামৰ হাৰ বেছি (বা অতিৰিক্ত) ধাৰ্য্য কৰা হয় বা কিছুমান নিষেধাজ্ঞা আৰোপ কৰা হয় ।

iv. অস্বীকৃত জীবন (ডিক্লাইনড লাইভছ)

এইটো শ্ৰেণীত সেইবোৰ মানুহ পৰে, যিবোৰৰ দৌৰ্বল্য আৰু প্ৰত্যাশিত অতিৰিক্ত মৃত্যুৰ হাৰ ইমান বেছি হয় যে বীমাকাৰকৰ বাবে এটা সামৰ্থ্যযোগ্য ন্যায্য দামত এঁওলোকক বীমা সুৰক্ষা দিয়াটো অসম্ভৱ হৈ পৰে । কেতিয়াবা সাম্প্ৰতিক চিকিৎসা সম্পৰ্কিত ঘটনা, যেনে অলপতে হোৱা কিবা ডাঙৰ অপাৰেশ্বনৰ বাবে মানুহ এজনৰ বীমা-প্ৰস্তাৱ সাময়িকভাৱে হলেও অস্বীকাৰ কৰা হয় ।

3. বাছনি প্ৰক্ৰিয়া

বীমাঙ্কন বা বাছনি প্ৰক্ৰিয়া দুটা স্তৰত হ'ব পাৰে:

- ✓ ক্ষেত্ৰভিত্তিক স্তৰত
- ✓ বীমাঙ্কন বিভাগ স্তৰত

পাঠৰ ব্যাখ্যামূলক নক্সা 2: বীমাঙ্কন বা বাছনি প্ৰক্ৰিয়া



a) ক্ষেত্ৰ ভিত্তিক বা প্ৰাথমিক স্তৰ

ক্ষেত্ৰভিত্তিক বীমাঙ্কনক প্ৰাথমিক বীমাঙ্কন বুলিও কোৱা হয় । ইয়াৰ অন্তৰ্ভূক্ত হ'ল এজেণ্ট বা কোম্পানীৰ প্ৰতিনিধিসকলে সংগ্ৰহ কৰা সেইবোৰ তথ্য যাৰ ভিত্তিত বীমা প্ৰস্তাৱ এটা গ্ৰহণযোগ্য হয়নে নহয় তাৰ সিদ্ধান্ত লোৱা হয় । এজেণ্ট এজনে প্ৰাথমিক বীমাঙ্কক হিচাবে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে কিয়নো বীমা কৰাব লগা মানুহজনৰ বিষয়ে বিশদ জনাৰ সকলোতকৈ ভাল সুযোগ কেৱল এজেণ্টজনৰেই থাকে ।

বহুতো বীমা কোম্পানীয়ে এজেণ্টসকলৰ পৰা প্ৰস্তাৱিত বীমাধাৰীৰ বিষয়ে কিছুমান বিশেষ তথ্য, মতামত বা বীমা গ্ৰহণৰ বাবে অনুমোদন জনাই লিখা এটা সম্পূৰ্ণ বিবৃতি বা গোপনীয় ৰিপ'ৰ্ট বিচাৰে ।

একে ধৰণৰ আৰু এটা বিবৃতি, যাক ''মৰেল হেজাৰ্ড ৰিপ'ৰ্ট'' বুলি কোৱা হয়, জীবন বীমা কোম্পানীটোৰ বিষয়া এজনৰ পৰাও বিচৰা হ'ব পাৰে ।সচৰাচৰ এই ৰিপৰ্টবোৰত প্ৰস্তাৱিত বীমাধাৰীৰ জীৱিকা, আয়, আৰ্থিক অৱস্থা তথা সামাজিক সুনাম বিষয়ক তথ্যবোৰ সামৰা হয় ।

প্ৰৱঞ্চনা নিৰীক্ষণ আৰু প্ৰাথমিক বীমাঙ্কক ৰূপে এজেণ্টৰ ভূমিকা

এটা বিপদাশংকা গ্ৰহণ কৰাৰ সিদ্ধান্তটো প্ৰস্তাৱকজনে প্ৰস্তাৱ পত্ৰৰ জৰিয়তে প্ৰকাশ কৰা তথ্যবোৰৰ ওপৰত বৃহৎ পৰিমাণে নিৰ্ভৰ কৰে ।এই তথ্যবোৰ অসত্য, নে প্ৰতাৰণা কৰাৰ উদ্দেশ্যে ইচ্ছাকৃতভাৱে এই প্ৰৱঞ্চনামূলক অসত্য / ভ্ৰমাত্মক তথ্য পৰিবেশন কৰা হৈছে - বীমাঙ্কন বিভাগত বহি থাকি বীমাঙ্কনকাৰীৰ পক্ষে এইবোৰৰ সত্যাসত্য জনাটো কঠিন হৈ পৰে ।

এনেকুৱা ক্ষেত্ৰত এজেণ্টজনৰ ভূমিকা বৰ গুৰুত্বপূৰ্ণ হৈ উঠে । প্ৰস্তাৱিত জীবনটোৰ লগত যিহেতু এজেণ্টজনৰ পোনপটীয়া আৰু ব্যক্তিগত সম্পৰ্ক থাকে, সেয়েহে পৰিবেশন কৰা তথ্যবোৰৰ সত্যতা বিচাৰি উলিয়াব পৰা সুবিধা তেঁওয়েই আটাইতকৈ বেছি পায়, আৰু লগতে বীমাকাৰকক বিপথে পৰিচালনা কৰাৰ বাবে প্ৰস্তাৱিত বীমাকৃতই উদ্দেশ্য প্ৰণোদিতভাৱে কোনো তথ্য গোপন কৰা বা অসত্য তথ্য পৰিবেশন কৰাত লিপ্ত হৈছেনে নাই সেইবোৰৰ ওপৰত নজৰ ৰাখিব পাৰে ।

b) বীমাঙ্কন বিভাগ স্তৰ

বিভাগ বা কাৰ্য্যালয় স্তৰটো হৈছে বীমাঙ্কন অৰ্থাৎ আণ্ডাৰৰাইটিংৰ দ্বিতীয় স্তৰ ।এই বিভাগত হোৱা বীমাঙ্কনত এনে কিছুমান ব্যক্তি আৰু বিশেষজ্ঞ জড়িত থাকে যিসকল এই ধৰণৰ কামত নিপুন হয় । প্ৰাসঙ্গিক সকলো ডেটা বা তথ্য বিৱেচনা কৰি তেঁওলোকে সেই জীবন বীমা প্ৰস্তাৱটো গ্ৰহণ কৰিবনে নাই আৰু গৃহীত হ'লে তাৰ চৰ্তবোৰ কি হ'ব, সেই বিষয়ে সিদ্ধান্ত লয় ।

4. বীমাঙ্কনৰ পদ্ধতিসমূহ

পাঠৰ ব্যাখ্যামূলক নক্সা 3: বীমাঙ্কনৰ পদ্ধতিসমূহ



বীমাঙ্কনকাৰীসকলে এই কামৰ বাবে দুটা পদ্ধতি ব্যৱহাৰ কৰিব পাৰে:

বিবেচনা-প্ৰসূত সিদ্ধান্তমূলক পদ্ধতি	সাংখ্যিক পদ্ধতি
এই পদ্ধতিত আত্মপ্ৰসূত বিচাৰবুদ্ধিৰে বীমাঙ্কনকাৰীয়ে সিদ্ধান্ত লয়, বিশেষকৈ পৰিস্থিতি যেতিয়া জটিল হয় ।	এই পদ্ধতিটোত বীমাঙ্কনকাৰীয়ে প্ৰতিটো নেতিবাচক বা প্ৰতিকূল উপাদানৰ বিপৰীতে ধনাত্মক মূল্যাঙ্কন পইণ্ট দি যায় (ইতিবাচক বা অনুকূল উপাদানৰ বাবে ঋণাত্মক মূল্যাঙ্কন পইণ্ট দিয়ে) ।
উদাহৰণ: এজন ডায়েবেটিছ থকা মানুহক বীমা সুৰক্ষা দিয়া হ'বনে নহয় আৰু দিলে কি কি চৰ্ত সাপেক্ষে দিব পৰা যাব ।	
এই ধৰণৰ পৰিস্থিতিত সিদ্ধান্ত লবৰ বাবে বীমাঙ্কন বিভাগে বিশেষজ্ঞ ডাক্তৰৰ মতামত লব পাৰে, যিজনক মেডিকেল ৰেফাৰী বুলিও কোৱা হয় ।	মানুহজনক দিয়া পইণ্টৰ সংখ্যাৰ পৰা শেষত জানিব পৰা যাব যে অতিৰিক্ত মৃত্যুদৰ মূল্য (এক্সট্ৰা মৰ্টেলিটি ৰেইট বা ই এম আৰ) কিমান হ'ল ।ই এম আৰ যিমান বেছি হয়, জীবনটো সিমানেই নিম্ন মানবিশিষ্ট হয় । যদি ই এম আৰ বহুত বেছি হয়, তেন্তে বীমা অস্বীকৃত হোৱাৰো সম্ভাৱনা থাকে ।

বীমাঙ্কনৰ সিদ্ধান্ৎসমূহ

পাঠৰ ব্যাখ্যামূলক নক্সা 4: বীমাঙ্কনৰ সিদ্ধান্তসমূহ



এতিয়া বীমাঙ্কনৰ বাবে অহা জীবন বীমাৰ প্ৰস্তাৱবোৰৰ ক্ষেত্ৰত বীমাঙ্কনকাৰীয়ে লব পৰা সিদ্ধান্তবোৰৰ বিষয়ে আলোচনা কৰা যাওক:

a) সাধাৰণ হাৰত (অৰ্ডিনেৰি ৰেইট – সংক্ষিপ্ত ৰূপত ও আৰ) অধিকাংশ প্ৰস্তাৱ গ্ৰহণ কৰাটো এটা সাধাৰণ সিদ্ধান্ত ।এই সিদ্ধান্তটোৱে বুজায় যে সাধাৰণতে দেখা বা মানগত জীবনৰ ক্ষেত্ৰত প্ৰযোজ্য প্ৰিমিয়ামৰ হাৰত এই প্ৰস্তাৱটো গ্ৰহণ কৰা হৈছে ।

b) ওপৰঞ্চি প্ৰিমিয়ামৰ সৈতে গ্ৰহণ কৰা: অধিকাংশ নিম্ন মানবিশিষ্ট জীবনৰ লগত জড়িত বিপদাশংকাৰ এক বৃহৎ অংশক বীমা সুৰক্ষা দিয়াৰ এইটো এটা সৰল উপায় ।এনে ক্ষেত্ৰত সাৰণীভূক্ত প্ৰিমিয়ামৰ হাৰৰ ওপৰত এটা অতিৰিক্ত প্ৰিমিয়াম ধাৰ্য্য কৰা হয় ।

c) আশ্বাসিত বীমাৰাশিৰ ওপৰত ''লিয়েন'' অৰ্থাৎ ''গ্ৰহণাধিকাৰ'' সহ গ্ৰহণ কৰা: ''গ্ৰহণাধিকাৰ'' হৈছে এক ধৰণৰ নিয়ন্ত্ৰণ, যিটো দাবী উত্থাপন হ'লে জীবন বীমা কোম্পানীয়ে সম্পূৰ্ণ বা আংশিক ভাৱে প্ৰদেয় সুবিধাৰ ওপৰত লাগু কৰিব পাৰে ।

উদাহৰণ: যেতিয়া বীমাৰ বাবে প্ৰস্তাৱিত জীবনটো কিছুমান ৰোগ, যেনে টি বি ৰোগৰ পিছত সুস্থ হৈ উঠিছে, তেনে ক্ষেত্ৰত এই লিয়েন আৰোপ কৰিব পাৰি, কাৰণ যদিও বীমাধাৰীৰ লগত জড়িত বিপদাশংকাটো মানগত নহয়, কিন্তু অদূৰ ভৱিষ্যতত এইটো নোহোৱা হৈ যোৱাৰ সম্ভাৱনা আছে । যদি কোনো নিৰ্দ্দিষ্ট কাৰণত (যেনে এইক্ষেত্ৰত টি বি ৰোগৰ পুনৰাক্ৰমণৰ ফলত) আৰু এটা নিৰ্দ্দিষ্ট সময়সীমাৰ ভিতৰত জীবন বীমাধাৰীৰ মৃত্যু হয়, তেনেহ'লে এটা সঙ্কুচিত পৰিমাণৰ মৃত্যু সুবিধা প্ৰদানযোগ্য হ'ব ।

d) **সীমিতাত্মক ধাৰাৰ সৈতে গ্ৰহণ কৰা:** কিছুমান বিপত্তিৰ ক্ষেত্ৰত এটা সীমিতাত্মক ধাৰা আৰোপ কৰা হয় অৰ্থাৎ কিছুমান বিশেষ পৰিস্থিতিত হোৱা মৃত্যুৰ বাবে সীমিত মৃত্যুদাবী পৰিশোধ কৰা হয় । উদাহৰণ: গৰ্ভৱতী মহিলা এগৰাকীৰ ক্ষেত্ৰত গৰ্ভাৱস্থাৰ ধাৰা লগোৱা হয় আৰু সন্তান জন্ম দিয়াৰ এটা নিৰ্দ্দিষ্ট সময়ৰ, যেনে তিনিমাহৰ ভিতৰত গৰ্ভাৱস্থা সম্পৰ্কিত কিবা কাৰণত মানুহগৰাকীৰ মৃত্যু হ'লে সীমিত আশ্বাসিত বীমাৰাশি পৰিশোধ কৰা হয় ।

e) অস্বীকাৰ বা মুলতুবি: জীবন বীমাৰ বীমাঙ্কনকাৰী এজনে বীমাৰ বাবে অহা প্ৰস্তাৱ এটা অস্বীকাৰ বা নাকচ কৰিব পাৰে । এই সিদ্ধান্ত লোৱা হয় যেতিয়া কিছুমান স্বাস্থ্য / আন বৈশিষ্ট্য ইমানেই বেছি প্ৰতিকূল থাকে যে এইবোৰে বিপদাশংকাৰ লগত জড়িত ঘটনাটো সংঘটনৰ হাৰ যথেষ্ট পৰিমাণে বৃদ্ধি কৰিব পাৰে ।

উদাহৰণ: কেঞ্চাৰত ভুগি থকা ব্যক্তিজন, যিজনৰ ৰোগ উপশম হোৱাৰ কোনো আশাই নাই, তেঁওৰ বীমা প্ৰস্তাৱটো নাকচযোগ্য ।

একেধৰণে, কিছুমান বিপদাশংকাৰ ক্ষেত্ৰত, পৰিস্থিতিটো অধিক উন্নত আৰু অনুকূল নোহোৱালৈকে প্ৰস্তাৱটো স্বীকাৰ নকৰি মুলতুবি ৰখাটো বিবেচনাপূৰ্ণ কাম হ'ব ।

উদাহৰণ

অতি সম্প্ৰতি অস্ত্ৰোপচাৰৰ দ্বাৰা যি গৰাকী মহিলাৰ জৰায়ু অপসাৰণ কৰা হৈছে, তেঁওৰ জীবনৰ ওপৰত বীমা প্ৰস্তাৱ স্বীকাৰ কৰাৰ আগতে তেঁওৰ অস্ত্ৰোপচাৰ-পৰৱৰ্তী জটিলতাবোৰ শাম কটালৈকে তেঁওক কেইমাহমান অপেক্ষা কৰিবলৈ কোৱা হ'ব ।

নিজক পৰখ কৰক 1

তলৰ কোনটো ক্ষেত্ৰত জীবন বীমাকাৰকে নাকচ বা মুলতুবিৰ সিদ্ধান্ত গ্ৰহণ কৰিব?

I. 18 বছৰ বয়সৰ নিৰোগী ব্যক্তি

II. এজন বৰ শকত ব্যক্তি

III. এইডছত ভুগি থকা ব্যক্তি

IV. নিজা উপাৰ্জন নথকা এগৰাকী গৃহিণী

B. ডাক্তৰি পৰীক্ষা বিহীন বীমাঙ্কন

1. ডাক্তৰি পৰীক্ষা বিহীন বীমাঙ্কন (নন-মেডিকেল আণ্ডাৰৰাইটিং)

প্ৰস্তাৱিত জীবন বীমাকৃতৰ বীমাযোগ্যতা ডাক্তৰি পৰীক্ষণৰ দ্বাৰা নিশ্চিত নকৰাকৈয়ে সাধাৰণতে এক বৃহৎ সংখ্যক জীবন বীমা প্ৰস্তাৱ বীমাৰ বাবে অনুমোদিত হৈ যায় ।এইবোৰক নন-মেডিকেল বা ডাক্তৰি পৰীক্ষা বিহীন প্ৰস্তাৱ বুলি কোৱা হয় ।

ডাক্তৰি পৰীক্ষা বিহীন বীমাঙ্কনৰ সপক্ষে যুক্তিটো প্ৰবল হয় যেতিয়া দেখা যায় যে ডাক্তৰি পৰীক্ষণৰ দ্বাৰা ধৰা পৰা বেমেজালিৰ অনুপাত অতি নগন্য, যেনে মাত্ৰ 10 শতাংশহে । বাকী সকলোখিনি তথ্য প্ৰস্তাৱ পত্ৰ বা ছুটীৰ তথ্য-পাতি আৰু অন্যান্য নথিপত্ৰৰ পৰাই জানিব পৰা যায় । অৰ্হতাসম্পন্ন ডাক্তৰৰ দ্বাৰা ডাক্তৰি পৰীক্ষণৰ বাবে ডাক্তৰৰ ফিজো দিব লাগে । ডাক্তৰি পৰীক্ষণ নকৰোৱাৰ ফলত উদ্ভূত হোৱা ৰাহিৰ পৰিমাণ, পৰীক্ষণটো নকৰাৰ বাবে হোৱা অতিৰিক্ত মৃত্যুৰ ফলত উত্থাপিত দাবীৰ পৰিমাণতকৈ

বহুত বেছি হয় । সেয়েহে বীমাকাৰকে এতিয়া ডাক্তৰি পৰীক্ষণৰ ওপৰত জোৰ নিদিয়াকৈয়েই বীমা প্ৰস্তাৱ অনুমোদন কৰাৰ পদ্ধতি গ্ৰহণ কৰিছে ।

2. ডাক্তৰি পৰীক্ষা বিহীন বীমাঙ্কনৰ চৰ্তবোৰ

ডাক্তৰি পৰীক্ষা বিহীন বীমাঙ্কনৰ বাবে কিছুমান চৰ্ত থাকে:

i. কিছুমান নিৰ্দ্দিষ্ট শ্ৰেণীৰ মহিলা, যেনে চাকৰি কৰা মহিলাসকলকহে অৰ্হতাসম্পন্ন বুলি ধৰা হয় ।

ii. আশ্বাসিত বীমাৰাশি সীমিত কৰা থাকে, যেনে আশ্বাসিত বীমাৰাশি পাঁচ লাখ টকা অতিক্ৰম কৰিলে ডাক্তৰি পৰীক্ষণৰ প্ৰয়োজন হ''ব ।

iii. বীমা চুক্তিটোত সোমোৱাৰ বয়স সীমিত কৰা হ'ব পাৰে, যেনে বয়স 40 বা 45 ৰ বেছি হ'লে ডাক্তৰি পৰীক্ষণ কৰাব লাগিব ।

iv. নিৰ্দ্দিষ্ট কিছুমান বীমা আঁচনিৰ ক্ষেত্ৰত বিধি-নিষেধ আৰোপ কৰিব পাৰে, যেনে ম্যাদী বীমাৰ ক্ষেত্ৰত ডাক্তৰি পৰীক্ষা বিহীন বীমাঙ্কনৰ অনুমোদন দিয়া নহয় ।

v. বীমাৰ ম্যাদৰ সৰ্বাধিক সীমা কুৰি বছৰত /60 বছৰ বয়সলৈকে সীমিত কৰা হ'ব পাৰে ।

vi. বিশেষ শ্ৰেণীভূক্ত জীবন: নিৰ্দ্দিষ্ট কোনো বিশেষ শ্ৰেণীৰ মানুহক নন-মেডিকেল বীমাৰ অনুমোদন দিয়া হ'ব পাৰে, যেনে সুনামযুক্ত প্ৰতিষ্ঠান এটাৰ যিসকল কৰ্মচাৰীৰ চাকৰি এবছৰ হৈ গৈছে, তেঁওলোকক নন-মেডিকেল স্পেশ্বেলৰ সুবিধা দিয়া হয় ।এইবোৰ কোম্পানীয়ে কৰ্মচাৰীসকলৰ ছুটীৰ নথিপত্ৰ সুচাৰু ৰূপে সংৰক্ষণ কৰে আৰু নিয়মিত ব্যৱধানত স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা কৰে, যাৰ ফলত কৰ্মচাৰী এজনৰ স্বাস্থ্যৰ প্ৰকৃত স্থিতি অনায়াসে নিৰূপণ কৰিব পাৰি ।

3. যোগ্যতাৰ মান নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত বীমাঙ্কনক প্ৰভাৱিত কৰা উপাদানসমূহ

বীমা প্ৰস্তাৱ এটাৰ মান নিৰ্দ্ধাৰণ কৰাৰ সময়ত বীমাঙ্কনক বহুতো উপাদানে প্ৰভাৱান্বিত কৰিব পাৰে । এইবোৰ ভাবী বীমা গ্ৰাহকজনৰ জীবনৰ লগত জড়িত ব্যক্তিগত কোনো পৰিস্থিতি বা তেঁওৰ আৰ্থিক অৱস্থা, জীবন শৈলী, অভ্যাস, পাৰিবাৰিক ইতিহাস অথবা নিজৰ ব্যক্তিগত স্বাস্থ্যৰ ইতিবৃত্তও হ'ব পাৰে, যিবোৰে সঙ্কট সৃষ্টি কৰি বিপদাশংকাৰ মাত্ৰা বঢ়াই তুলিব পাৰে ।

বীমাঙ্কন প্ৰক্ৰিয়াটোৱে এই সঙ্কটবোৰক চিনাক্ত কৰে আৰু এইবোৰৰ সম্ভাব্য প্ৰভাৱৰ পৰিমাণ অনুমান কৰি বিপদাশংকাবোৰক সেই অনুযায়ী শ্ৰেণীবদ্ধ কৰে । এটা ব্যক্তিগত জীবনৰ বৈশিষ্ট্যসমূহে কেনেকৈ বিপদাশংকাক প্ৰভাৱান্বিত কৰে, চোৱা যাওক ।প্ৰধানত এই বৈশিষ্ট্যসমূহ দুটা শ্ৰেণীত পৰে – প্ৰথমটো হ'ল যিবোৰে নৈতিক সঙ্কট সৃষ্টি কৰে আৰু দ্বিতীয় শ্ৰেণীটো হ'ল যিবোৰে শাৰীৰিক (স্বাস্থ্য সম্বন্ধীয়) সঙ্কট সৃষ্টিত অৰিহনা যোগায় ।এতেকে, বীমা কোম্পানীবোৰেও প্ৰায়েই তেঁওলোকৰ বীমাঙ্কন প্ৰক্ৰিয়াক দুটা ভাগত শ্ৰেণীবদ্ধ কৰে । নৈতিক সঙ্কট সৃষ্টি কৰোঁতা উপাদানবোৰ, যেনে উপাৰ্জন, জীৱিকা, জীবনশৈলী আৰু অভ্যাস – এইবোৰক বিত্তীয় বীমাঙ্কনৰ (ফিনেনশ্বিয়েল আণ্ডাৰৰাইটিং) অংশ হিচাবে মূল্যায়ন কৰা হয় আৰু আনহাতে, স্বাস্থ্যৰ চিকিৎসা সম্বন্ধীয় দিশটোক স্বাস্থ্য সম্পৰ্কিত বীমাঙ্কনৰ (মেডিকেল আণ্ডাৰৰাইটিং) অংশ ৰূপে মূল্যায়ন কৰা হয় ।

a) মহিলাসকলৰ বীমা

সাধাৰণতে পুৰুষতকৈ মহিলাসকল অধিক দীৰ্ঘজীৱি হয় । তৎসত্ত্বেও, নৈতিক সঙ্কটৰ ক্ষেত্ৰত তেঁওলোকে কিছুমান অসুবিধাৰো সন্মুখীন হ'ব লগা হয় ।ইয়াৰ কাৰণ হৈছে যে এতিয়াও ভাৰতীয় সমাজত অসংখ্য নাৰী পুৰুষতান্ত্ৰিক শাসন আৰু সামাজিক শোষণৰ বলি হৈ আছে ।যৌতুক-মৃত্যুৰ দৰে কদাচাৰটো আজিৰ দিনতো এটা সাধাৰণ ঘটনা । মহিলা এগৰাকীৰ আয়ুসক প্ৰভাৱিত কৰিব পৰা আন এটা উপাদান হৈছে গৰ্ভাৱস্থাৰ লগত জড়িত সমস্যা কিছুমান ।

মহিলাসকলৰ বীমাযোগ্যতা নিৰ্দ্ধাৰিত হয় তেঁওলোকৰ বীমাৰ প্ৰয়োজনীয়তা তথা প্ৰিমিয়াম পৰিশোধৰ ক্ষমতাৰ দ্বাৰা ।সেয়েহে যিসকল মহিলাৰ স্বোপাৰ্জিত আয় আছে, বীমাকোম্পানীয়ে কেৱল তেঁওলোককহে সম্পূৰ্ণ বীমা সুৰক্ষা দিয়াৰ সিদ্ধান্ত লয় আৰু আন শ্ৰেণীবদ্ধ মহিলাসকলৰ ক্ষেত্ৰত বীমাৰ পৰিমাণটো সীমিত কৰে ।এনেদৰে, গৰ্ভৱতী মহিলাসকলে বীমা লোৱাৰ ক্ষেত্ৰতো কিছুমান বিশেষ চৰ্ত আৰোপ কৰা হয় ।

b) নাবালক জীবন

নাবালকসকলৰ নিজে চুক্তি কৰাৰ বিধিসন্মত ক্ষমতা নাথাকে ।সেয়েহে নাবালক এজনৰ জীবনৰ বাবে প্ৰস্তাৱটো অন্য এজন ব্যক্তিয়ে, যিজন সম্পৰ্কত নাবালকজনৰ পিতৃ-মাতৃ বা আইনানুগ অভিভাৱক, জমা দিব লগীয়া হয় ।যিহেতু সৰু ল'ৰা-ছোৱালীৰ স্বোপাৰ্জিত আয় নাথাকে, তেঁওলোকৰ বীমাৰ প্ৰয়োজনীয়তা নিৰ্ণয় কৰাটো অপৰিহাৰ্য্য হৈ পৰে ।

নাবালকৰ বাবে বীমা বিবেচনা কৰিবলৈ হ'লে সাধাৰণতে তিনিটা চৰ্ত পূৰণ হোৱা আৱশ্যক ।

i. তেঁওলোকৰ দেহৰ গঠন আৰু অৱয়ব যথাযথভাৱে বৃদ্ধিপ্ৰাপ্ত নে ?

   অপুষ্টি বা অন্য স্বাস্থ্যজনিত সমস্যাৰ ফলত হোৱা দুৰ্বল শাৰীৰিক গঠনে উদ্বেগজনক বিপদাশংকাৰ সৃষ্টি কৰিব পাৰে ।

ii. উপযুক্ত পাৰিবাৰিক আৰু ব্যক্তিগত ইতিহাস

   এইবোৰত প্ৰতিকূল সূচক থাকিলে বিপদাশংকা সৃষ্টি হোৱাৰ সম্ভাৱনা থাকে ।

iii. গোটেই পৰিয়ালটোৰ পৰ্য্যাপ্ত বীমা আছেনে?

   যিবোৰ পৰিয়ালত বীমা কৰাৰ প্ৰৱনতা থাকে, তেঁওলোকেই সাধাৰণতে সৰু ল'ৰা-ছোৱালীৰ বীমা কৰাৰ বাবে আগ্ৰহী হয় ।সেয়েহে, নিজৰ জীবনৰ ওপৰত বীমা নথকা পিতৃ-মাতৃয়ে সন্তানৰ বাবে বীমা প্ৰস্তাৱ দিলে, সতৰ্ক হোৱা উচিৎ । তেঁওলোকে বীমা নোলোৱাৰ কাৰণটো বীমাঙ্কনকাৰীয়ে বিচাৰি উলিওৱাটো আৱশ্যক ।নাবালকক দিব পৰা বীমাৰ পৰিমাণটোও মাক-দেউতাকৰ বীমাৰ পৰিমাণৰ লগত জড়িত ।

c) বৃহৎ অংকৰ আশ্বাসিত বীমাৰাশি

প্ৰস্তাৱিত বীমাকৃতৰ উপাৰ্জনৰ অনুপাতে বীমাৰাশিটো অতি বৃহৎ হ'লে বীমাঙ্কনকাৰী সাৱধান হোৱা আৱশ্যক । সাধাৰণতে আশ্বাসিত বীমাৰাশিটো এজনৰ বাৰ্ষিক আয়ৰ দহৰ পৰা বাৰগুণৰ ওচৰে-পাঁজৰে হোৱা উচিৎ বুলি ধৰা হয় । যদি এই অনুপাতটো বহুত বেছি হয়, তেন্তে ই বীমাকাৰকৰ বিপক্ষে নিৰ্বাচনৰ সম্ভাৱনীয়তা বৃদ্ধি কৰে ।

উদাহৰণ

যদি ব্যক্তি এজনৰ বছৰেকীয়া আয় হয় 5 লাখ টকা আৰু তেঁও 3 কোটী টকাৰ জীবন বীমাৰ প্ৰস্তাৱ দিয়ে, তেন্তে ই চিন্তাৰ কাৰণ বৃদ্ধি কৰে ।

এনেকুৱা ক্ষেত্ৰত চিন্তাৰ উদ্ৰেক হোৱাটো স্বাভাৱিক কিয়নো আত্মহত্যা কৰাৰ আগতে বা স্বাস্থ্যৰ গুৰুতৰ অৱনতি হোৱাৰ আশংকা কৰিও ইমান বৃহৎ অংকৰ বীমা প্ৰস্তাৱটো দিয়া হ'ব পাৰে । বিক্ৰয়কাৰীজনৰ অত্যধিক মিছ-ছেলিং বা অনৈতিক বিক্ৰয় এই ধৰণৰ বৃহৎ বীমাৰাশিৰ তৃতীয় কাৰণ হ'ব পাৰে ।

এটা বৃহৎ অংকৰ বীমাৰাশিয়ে যিহেতু এটা ডাঙৰ প্ৰিমিয়ামো বুজায়, ইয়াৰ অব্যাহত পৰিশোধৰ প্ৰশ্নটোও স্বাভাৱিকতে আহি পৰে । সেয়েহে বীমাৰ পৰিমাণটো সচৰাচৰ এনেদৰে সীমিত কৰা উচিৎ যাতে সৰ্বাধিক প্ৰদেয় প্ৰিমিয়ামৰ পৰিমাণ ব্যক্তিজনৰ বাৰ্ষিক আয়ৰ এক-তৃতীয়াংশতকৈ বেছি নহয় ।

d) বয়স

এই পাঠ্যক্ৰমৰ জৰিয়তে আমি আগতেই অৱগত হৈছো যে বয়সৰ লগত মৰণশীলতাৰ বিপদাশংকা অতি ঘনিষ্টভাৱে জড়িত ।সেয়েহে অধিক বয়সস্থ মানুহৰ বীমা বিবেচনা কৰোঁতে বীমাঙ্কনকাৰীজন সতৰ্ক হোৱা প্ৰয়োজন ।

উদাহৰণ

যদি বীমাৰ বাবে প্ৰথম প্ৰস্তাৱটো 50 বছৰ বয়সৰ পিছত কৰা হয়, তেনেহ'লে ইয়াত নৈতিক সঙ্কট সন্দেহ কৰাৰ অৱকাশ আছে আৰু সেয়েহে অনুসন্ধান কৰা দৰকাৰ কিয় মানুহজনে আগতে বীমা কৰা নাই ।

এই খিনিতে মনত ৰখাটো কৰ্তব্য যে হৃদযন্ত্ৰ আৰু বৃক্ক বিফলতাৰ দৰে অৱক্ষয়কাৰী ৰোগবোৰৰ প্ৰাদুৰ্ভাৱৰ সম্ভাৱনা বয়সৰ লগতে বৃদ্ধি পায় আৰু অধিক বয়সত অতি বেছি হয় ।

যেতিয়া বৃহৎ আশ্বাসিত বীমাৰাশিৰ বাবে অথবা বেছি বয়সত, নাইবা বেছি বয়সত বৃহৎ ৰাশিৰ বাবে বীমাৰ আৱেদন কৰা হয় তেতিয়া জীবন বীমাকাৰকে কিছুমান বিশেষ ৰিপ'ৰ্ট বিচাৰিব পাৰে ।

উদাহৰণ

এই ধৰণৰ বিশেষ ৰিপ'ৰ্টৰ দৃষ্টান্ত হৈছে ই চি জি, ই ই জি, বুকুৰ এ'ক্স-ৰে আৰু ব্লাড-শুগাৰ টেষ্ট । প্ৰস্তাৱ পত্ৰত দিয়া উত্তৰবোৰে বা সাধাৰণ ডাক্তৰি পৰীক্ষণে প্ৰকাশ কৰিব পৰা তথ্যবোৰৰ তুলনাত এই পৰীক্ষণবোৰে প্ৰস্তাৱিত জীবনটোৰ স্বাস্থ্যৰ বিষয়ে গভীৰতৰ তথ্যৰ অনুপুঙ্খ প্ৰকাশ কৰিব পাৰে ।

বীমাঙ্কন প্ৰক্ৰিয়াৰ এটা অন্যতম গুৰুত্বপূৰ্ণ অংশ হৈছে সত্যাসত্য নিৰূপন কৰি বয়সৰ গ্ৰাহ্যকৰণ (এডমিশ্বন অব এইজ) ।বয়স প্ৰমাণ কৰাৰ বাবে দুই ধৰণৰ প্ৰমাণ পত্ৰ আছে:

- ✓ মানগত (ষ্টেণ্ডাৰ্ড)
- ✓ অ-মানগত (নন-ষ্টেণ্ডাৰ্ড)

বয়সৰ মানগত প্ৰমাণ পত্ৰ সাধাৰণতে প্ৰতিষ্ঠিত অফিচ কৰ্তৃপক্ষৰ দ্বাৰা জাৰি কৰা হয়, যেনে

- ✓ মিউনিচিপেলিটি বা আন কোনো চৰকাৰী নিকায়ৰ ফালৰ পৰা দিয়া জন্মৰ ছাৰ্টিফিকেট ;
- ✓ স্কুল এৰাৰ সময়ত দিয়া ছাৰ্টিফিকেট ;
- ✓ পাছপ'ৰ্ট; আৰু
- ✓ নিয়োগকৰ্তাই দিয়া বয়সৰ প্ৰমাণপত্ৰ

কেতিয়াবা এই ধৰণৰ মানগত প্ৰমাণ পত্ৰৰ অভাবত বয়সৰ অ-মানগত প্ৰমাণ পত্ৰ স্বীকাৰ কৰা হয়, উদাহৰণস্বৰূপে সোঁৱৰণী; স্ব-ঘোষিত শপতপত্ৰ বা হলফনামা ।

মানগত প্ৰমাণ পত্ৰ উপলব্ধ নহ'লে অ-মানগত প্ৰমাণ পত্ৰ সতকাই স্বীকাৰ কৰা উচিৎ নহয় । অবশ্যে এনেক্ষেত্ৰত প্ৰায়ে বীমাকাৰকে বীমাৰ আঁচনি, ম্যাদ, ম্যাদপূৰ্তিত সৰ্বোচ্চ বয়সৰ সীমা আৰু সৰ্বাধিক আশ্বাসিত বীমাৰাশিৰ ওপৰত কিছুমান সীমাৰেখা টানি দিয়ে ।

e) নৈতিক সঙ্কট (মৰেল হেজাৰ্ড)

যেতিয়া প্ৰস্তাৱিত জীবনটোৰ ব্যক্তিগত আৰ্থিক পৰিস্থিতি, জীবন নিৰ্বাহৰ ধৰণ আৰু অভ্যাস, সুনাম আৰু মানসিক স্বাস্থ্যৰ লগত জড়িত কিছুমান বৈশিষ্ট্য বা কোনো বিশেষ পৰিস্থিতিয়ে ইংগিত দিয়ে যে তেঁও ইচ্ছাকৃত ভাৱে বিপদশংকা বঢ়াব পৰা কাৰ্য্যত প্ৰবৃত্ত হ'ব পাৰে, তেতিয়া নৈতিক সঙ্কট থকা বুলি ধৰি লোৱা হয় । অসংখ্য এনেধৰণৰ উপাদান আছে যিবোৰে নৈতিক সঙ্কটৰ বিদ্যমানতাৰ আভাস দিয়ে ।

উদাহৰণ

যেতিয়া ঘৰৰ পৰা বহু দূৰৈত অৱস্থিত বীমা কোম্পানীটোৰ শাখা কাৰ্য্যালয় এটাত প্ৰস্তাৱিত বীমাকৃতই প্ৰস্তাৱটো জমা কৰে ।

অৰ্হতাসম্পন্ন ডাক্তৰি পৰীক্ষক ঘৰৰ ওচৰত থকা সত্ত্বেও যেতিয়া ডাক্তৰি পৰীক্ষণ আন ক'ৰোবাত কৰোৱা হয়।

তৃতীয় পৰিস্থিতিটো উদ্ভূত হয় যেতিয়া স্পষ্ট বীমাযোগ্য স্বাৰ্থ নথকা সত্ত্বেও আন এজনৰ জীবনৰ ওপৰত বীমাৰ প্ৰস্তাৱ কৰা হয় অথবা নামাংকিত ব্যক্তিজন প্ৰস্তাৱিত বীমাধাৰীৰ ওপৰত নিৰ্ভৰশীল নিকট পৰিজন নহয়।

এনেকুৱা প্ৰতিটো পৰিস্থিতিত তদন্ত কৰা দৰকাৰ হ'ব পাৰে। শেষতীয়াকৈ, এজেণ্টজন যেতিয়া ভাবী বীমাকৃতৰ সম্বন্ধীয় মানুহ হয়, তেতিয়া শাখা কাৰ্য্যালয়ৰ কোনো বিষয়া, যেনে এজেঞ্চি মেনেজাৰ / ডেভেলপমেণ্ট অফিছাৰ এজনৰ পৰা এটা নৈতিক সঙ্কট সম্বন্ধীয় ৰিপ'ৰ্ট (মৰেল হেজাৰ্ড ৰিপ'ৰ্ট) লোৱা হয়।

f) জীৱিকা বা পেছা (অকুপেশ্বন)

নিম্নলিখিত উৎসবোৰৰ যিকোনো এটাৰ পৰা পেছাগত সঙ্কটৰ উদ্ভব হ'ব পাৰে:

- ✓ দুৰ্ঘটনা
- ✓ স্বাস্থ্য জনিত সঙ্কট
- ✓ নৈতিক সঙ্কট

পাঠৰ ব্যাখ্যামূলক নক্সা 5: পেছাগত সঙ্কটৰ উৎসবোৰ



i. দুৰ্ঘটনা জনিত সঙ্কট উদ্ভৱ হয় যেতিয়া কিছুমান বৃত্তি বা পেছাৰ লগত দুৰ্ঘটনাৰ সম্ভাৱনা জড়িত থাকে।এই শ্ৰেণীৰ অন্তৰ্ভূক্ত বহু পেছা আছে, উদাহৰণস্বৰূপে, চাৰ্কাচৰ খেলুৱৈ, চাং বন্ধা কৰ্মী, ঘৰ-দুৱাৰ ভঙা (ডিম'লিশ্বন) কামৰ বিশেষজ্ঞ আৰু বোলছবিৰ ষ্টাণ্ট শিল্পীসকল।

ii. স্বাস্থ্য জনিত সঙ্কট উদ্ভূত হয় যেতিয়া কোনো পেছাই স্বাস্থ্যগত বিকলতা বা শাৰীৰিক দৌৰ্বল্যৰ সম্ভাৱনাৰ জন্ম দিয়ে। স্বাস্থ্য জনিত সঙ্কট বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে।

- ✓ ৰিক্সা চলোৱাৰ নিচিনা কিছুমান জীৱিকাৰ লগত কঠোৰ কায়িক কষ্ট জড়িত থাকে আৰু শ্বসন প্ৰক্ৰিয়াৰ অপকাৰ কৰে।
- ✓ দ্বিতীয় পৰিস্থিতিটো হৈছে য'ত এজনে অনবৰত খনিৰ ধূলিৰ (মাইনিং ডাষ্ট) দৰে বিষাক্ত বস্তুৰ মাজত বা ৰাসায়নিক আৰু পাৰমাণৱিক বিকিৰণ আদিৰ দৰে কেঞ্চাৰ সৃষ্টিকাৰী (কাৰ্চিনজেনিক) পদাৰ্থৰ ঘনিষ্ট সম্পৰ্কত থাকিব লগা হয়।
- ✓ উচ্চ চাপযুক্ত পৰিবেশত, যেনে মাটিৰ তলত থকা সুৰঙ্গ বা গভীৰ সাগৰ তলিৰ পৰিবেশত কাম কৰাৰ বাবে তৃতীয় প্ৰকাৰৰ সঙ্কটটো সৃষ্টি হয়।

✓ শেষত, কিছুমান কৰ্ম-পৰিস্থিতিত একেলেথাৰিয়ে বহু বেছি সময় থকা বাবে শৰীৰৰ কিছুমান অঙ্গ ক্ষতিগ্ৰস্ত হ'ব পাৰে, উদাহৰণস্বৰূপে, কে পি অ (নলেজ প্ৰছে'ছ আউটছ'ৰছিং) এটাত পেশী সংকুচিত কৰি অনবৰত কম্পিউটাৰৰ সমুখত আঠা লগাদি বহি থকা বা উচ্চ ধ্বনিযুক্ত পৰিবেশত কাম কৰা ইত্যাদি ।

iii. যেতিয়া কোনো কাম বা চাকৰি, অপৰাধমূলক উপাদান বা মদ আৰু অন্যান্য মাদক দ্ৰব্যৰ সামীপ্যত থাকে নাইবা এনে কামৰ পৰা যদি এইবোৰৰ প্ৰতি আকৰ্ষিত হোৱাৰ সম্ভাৱনা থাকে, তেনেহ'লে পেছাগত সঙ্কটৰ উদ্ভৱ হয় ।এনে উদাহৰণ হৈছে – নাইট-ক্লাবৰ নৰ্তকী, মদৰ বাৰৰ ৰক্ষী বা অপৰাধ-সংক্ৰান্ত কৰ্য্যকলাপত জড়িত থকা বুলি সন্দেহযুক্ত ব্যৱসায়ী এজনৰ দেহ-ৰক্ষীৰ কাম । আকৌ কিছুমান মানুহৰ কৰ্ম-পাৰ্শ্বচিত্ৰ, যেনে, মনোৰঞ্জনকাৰী ছুপাৰ ষ্টাৰ এজনৰ উত্তেজনাপূৰ্ণ জীবনশৈলীয়ে তেঁওক এক শোকাৱহ পৰিণতিলৈ ঠেলি দিব পাৰে ।যেতিয়া

আৱেদকজনৰ পেছা কোনোবা এটা বিপদসঙ্কুল শ্ৰেণীত পৰে, তেতিয়া তেঁওৰ পৰা তেঁওৰ পেছা সম্বন্ধীয় বিশেষ খুঁটিনাটি, তেঁওৰ কামৰ লগত কি ধৰণৰ দায়িত্ব আৰু বিপদাশংকা জড়িত হৈ আছে - এই সকলোবোৰ সামৰি পেছা সংক্ৰান্ত এটা প্ৰশ্নাৱলীৰ উত্তৰ বিচৰা হয় । তেঁওৰ পেছাৰ বাবে বীমাকাৰকে এটা সমমাত্ৰিক ওপৰঞ্চি হিচাবে (যেনে প্ৰতি হেজাৰ আশ্বাসিত বীমাৰাশিত দুটকাকৈ) অতিৰিক্ত প্ৰিমিয়ামৰ হাৰ ধাৰ্য্য কৰিব পাৰে, যিটো, বীমাকৃতৰ পেছা সলনি হ'লে কমাই দিয়া বা সমূলি উঠাই দিয়া হয় ।

g) জীবন নিৰ্বাহৰ শৈলী আৰু অভ্যাস

জীবন নিৰ্বাহৰ শৈলী আৰু অভ্যাস – এই দুটা শব্দই এজনৰ ব্যক্তিগত বৈশিষ্ট্যসূচক গুণবোৰক বহুলাংশে সাঙুৰি লয় ।মানুহ এজনৰ জীবন যাত্ৰা বা অভ্যাসত যদি এনে এটাও বিশেষত্ব থাকে, যিটোৱে বিপদাশংকাৰ সঙ্কেত দিয়ে, তেন্তে এজেণ্টৰ গোপনীয় ৰিপ'ৰ্ট আৰু নৈতিক সঙ্কট-সম্বন্ধীয় ৰিপ'ৰ্টত সাধাৰণতে এইবোৰৰ উল্লেখ থকাটো প্ৰত্যাশিত ।বিশেষকৈ তলৰ তিনিটা বৈশিষ্ট্য খুবেই গুৰুত্বপূৰ্ণ:

i. **ধূমপান আৰু ধঁপাত ব্যৱহাৰ:** বৰ্তমান সময়ত এইটো সম্পূৰ্ণৰূপে স্বীকৃত যে ধঁপাতৰ ব্যৱহাৰটো কেৱল নিজেই এটা বিপদাশংকা নহয়, ই স্বাস্থ্য সম্পৰ্কীয় অন্যান্য বিপদাশংকা বৃদ্ধিতো সহায় কৰে । বীমা কোম্পানীবোৰে আজিকালি ধূমপায়ী আৰু অধূমপায়ী ব্যক্তিৰ বাবে তাৰতম্য থকা হাৰ ধাৰ্য্য কৰে, য'ত ধূমপায়ীসকলে বহু বেছি প্ৰিমিয়াম দিব লগা হয় ।ধঁপাতৰ অন্য প্ৰকাৰৰ ব্যৱহাৰ, যেনে গুটকা বা পান মচলা আদিৰ বাবেও প্ৰতিকূল মৃত্যুদৰ মূল্য নিৰ্দ্ধাৰণ কৰা হ'ব পাৰে ।

ii. **মদ্যপান:** নৈমিত্তিক আৰু পৰিমিত মদ্যপানক সঙ্কট বুলি ধৰা নহয় ।আনকি পৃথিবীৰ বহুতো দেশত মদ্যপানটো সমাজ জীবনৰ এক অঙ্গ হিচাবে ধৰা হয় ।কিন্তু দীৰ্ঘ দিন ধৰি নিয়মিতভাৱে অত্যধিক মদ্যপানে মৰণশীলতাৰ বিপদাশংকাৰ ওপৰত গুৰুতৰ প্ৰভাৱ পেলাব পাৰে ।দীৰ্ঘকাল ব্যাপী প্ৰচুৰ মদ্যপানে যকৃতৰ কাৰ্য্যক্ষমতা হ্ৰাস আৰু পৰিপাক প্ৰণালীৰ ক্ষতিসাধন কৰিব পাৰে ।আনকি মানসিক বিকাৰো ঘটাব পাৰে ।

দুৰ্ঘটনা, হিংসাত্মক ঘটনা, পাৰিবাৰিক অশান্তি, মানসিক অৱসাদ আৰু আত্মহত্যা আদিৰ লগতো অত্যধিক সুৰাসক্তি জড়িত থাকে ।যিক্ষেত্ৰত প্ৰস্তাৱ পত্ৰত সুৰাৰ ব্যৱহাৰৰ উল্লেখ থাকে, বীমাঙ্কনকাৰীয়ে তেনেক্ষেত্ৰত অধিক মাত্ৰাত খুঁটি-নাটি তথ্য বিচাৰে, আৰু সুৰাৰ মাত্ৰা তথা ইয়াৰ ব্যৱহাৰৰ ফলত সৃষ্ট জটিলতাবোৰৰ ওপৰত ভিত্তি কৰি প্ৰস্তাৱটোৰ বিষয়ে সিদ্ধান্ত লয় ।

iii. **নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰ:** মাদক দ্ৰব্য (ড্ৰাগছ), চেতনা লোপকাৰী ৰাগিয়াল দ্ৰব্য (নাৰ্ক'টিকছ), নিদ্ৰা উদ্ৰেককাৰী ঔষধ আৰু অন্যান্য উত্তেজক দ্ৰব্য আদিৰ ব্যৱহাৰক নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰ বুলি উল্লেখ কৰা হয় ।এইবোৰৰ কিছুমান সম্পূৰ্ণ অবৈধ আৰু সিহঁতক ব্যৱহাৰ কৰাটোৱে অপৰাধমূলক প্ৰৱণতা আৰু নৈতিক সঙ্কটৰ ইঙ্গিত দিয়ে ।যিক্ষেত্ৰত নিচাযুক্ত দ্ৰব্যৰ ব্যৱহাৰ সম্পৰ্কে সন্দেহ ওপজে, সেইটো বিচাৰি উলিয়াবৰ বাবে বীমাঙ্কনকাৰীয়ে কেইবাটাও পৰীক্ষাৰ (টেষ্ট) দাবী কৰে । এনেকুৱা ক্ষেত্ৰত বীমা সুৰক্ষা দিবলৈ বীমাকাৰক প্ৰায়েই অস্বীকৃত হয় ।

নিজক পৰখ কৰক 2

তলৰ কোনটো নৈতিক সঙ্কটৰ এটা উদাহৰণ?

I. বিপজ্জনক খেল দেখুৱাই থাকোতে ষ্টাণ্ট শিল্পী এজনৰ মৃত্যু হোৱা

II. নিজৰ জীবনৰ বীমা সুৰক্ষা আছে কাৰণে ব্যক্তি এজনে প্ৰচুৰ পৰিমাণে মদ্য পান কৰিবলৈ ধৰা

III. বীমাকৃত ব্যক্তিজন প্ৰিমিয়াম পৰিশোধ কৰিবলৈ অসমৰ্থ হৈ থকা

IV. পলিচি ডকুমেণ্টত প্ৰস্তাৱকে মিছা কোৱা

C. ডাক্তৰি পৰীক্ষা জড়িত বীমাঙ্কন

1. ডাক্তৰি পৰীক্ষা জড়িত বীমাঙ্কন (মেডিকেল আণ্ডাৰৰাইটিং)

বীমাঙ্কনকাৰীৰ সিদ্ধান্তত প্ৰভাৱ পেলাব পাৰে এনে কিছুমান স্বাস্থ্য সম্পৰ্কিত কাৰণৰ বিষয়ে এতিয়া আলোচনা কৰা হ'ব । সাধাৰণতে মেডিকেল আণ্ডাৰৰাইটিঙৰ দ্বাৰা এইবোৰৰ মূল্যাঙ্কন কৰা হয় আৰু ইয়াৰ বাবে প্ৰায়েই ডাক্তৰি পৰীক্ষকৰ ৰিপ'ৰ্টৰ প্ৰয়োজন হৈ পৰে ।পৰীক্ষা কৰি চাবলগীয়া কেইটামান কাৰকলৈ মন কৰা যাওক ।

পাঠৰ ব্যাখ্যামূলক নক্সা 6: বীমাঙ্কনকাৰীৰ সিদ্ধান্তক প্ৰভাৱান্বিত কৰিব পৰা স্বাস্থ্য সম্বন্ধীয় কাৰকবোৰ

a) পাৰিবাৰিক ইতিহাস (ফেমিলি হিষ্ট্ৰি)

মৰণশীলতাৰ বিপদাশংকাৰ ওপৰত পাৰিবাৰিক ইতিহাসৰ প্ৰভাৱটোক তিনিটা দৃষ্টিকোণৰ পৰা অধ্যয়ন কৰা গৈছে:

i. বংশগতি: কিছুমান ব্যাধি এটা প্ৰজন্মৰ পৰা পিছৰ প্ৰজন্মবোৰলৈকে সঞ্চাৰিত হ'ব পাৰে, যেনে পিতৃ-মাতৃৰ পৰা সন্তানসকললৈ ।

ii. পৰিয়ালটোৰ গড় আয়ুস: যেতিয়া কিছুমান ৰোগত, যেনে হৃদযন্ত্ৰৰ জটিলতা বা কেঞ্চাৰৰ কাৰণে কোনো পিতৃ-মাতৃৰ আগতীয়াকৈ মৃত্যু হয়, এইটো এটা সূচক হ'ব পাৰে যে তেঁওলোকৰ সন্তান-সন্ততিবোৰো বেছিদিন জীৱিত নাথাকে ।

iii. পাৰিবাৰিক পৰিবেশ: পৰিয়ালটোৱে বসবাস কৰা পৰিবেশটো সংক্ৰমন আৰু অন্যান্য বিপদাশংকাৰ কাৰণ হ'ব পাৰে ।

সেয়েহে প্ৰতিকূল পাৰিবাৰিক ইতিহাস থকা ব্যক্তি এজনৰ বীমা প্ৰস্তাৱ বিবেচনা কৰাৰ ক্ষেত্ৰত জীবন বীমাকাৰকসকল যথেষ্ট সাৱধান হ'ব লাগে । এইবোৰ ক্ষেত্ৰত তেঁওলোকে অন্যান্য ৰিপ'ৰ্ট বিচাৰিব পাৰে আৰু অতিৰিক্ত মৃত্যুদৰ মূল্য আৰোপ কৰিব পাৰে ।

b) ব্যক্তিগত ইতিহাস (পাৰ্ছনেল হিষ্ট্ৰি)

মানুহ এজনৰ ব্যক্তিগত ইতিহাস বুলিলে মানুহজনে আগতে ভুগি উঠা শৰীৰৰ বিভিন্ন প্ৰণালীবোৰৰ বৈকল্যক বুজায় ।এই ধৰণৰ কোনো ৰোগৰ বাবে প্ৰস্তাৱিত বীমাকৃতই চিকিৎসা ল'ব লগীয়া হৈছিল নে নাই এই তথ্যখিনি উলিয়াবৰ বাবে জীবন বীমাৰ প্ৰস্তাৱ পত্ৰখনত সাধাৰণতে কিছুমান প্ৰশ্ন-সমষ্টি থাকে ।

এই সমস্যাবোৰৰ সংকেত ডাক্তৰি পৰীক্ষকৰ ৰিপ'ৰ্ট বা আহ্বান কৰা কোনো বিশেষ ৰিপ'ৰ্টতো থাকিব পাৰে। প্ৰধান প্ৰাণঘাতী অসুখবোৰৰ অন্তৰ্ভূক্ত হ'ল:

i. হৃদযন্ত্ৰলৈ ৰক্ত প্ৰৱাহনকাৰী নলী সংক্ৰান্ত অসুখ যিটোৱে হৃদযন্ত্ৰ আৰু ৰক্ত প্ৰণালীক প্ৰভাৱান্বিত কৰে, যেনে হৃদযন্ত্ৰৰ জটিলতা (হাৰ্ট এটাক), পক্ষাঘাত (ষ্ট্ৰ'ক) আৰু ৰক্তক্ষৰণ।

ii. শ্বসন প্ৰণালীৰ অসুখ, যেনে যক্ষ্মাৰোগ (টিউবাৰকিউল'ছিছ)।

iii. দেহকোষৰ অত্যধিক উৎপাদন আৰু বিভাজন, যিটোৱে অনিষ্টসাধক টেমুনা (মেলিগনেণ্ট টিউমাৰ) বা কেঞ্চাৰৰ পিনে লৈ যায়।

iv. বৃক্ক প্ৰণালী সংক্ৰান্ত অসুখ, য'ত অন্তৰ্ভূক্ত হ'ল বৃক্ক আৰু মূত্ৰ সম্পৰ্কীয় অন্যান্য অঙ্গ যিবোৰে বৃক্ক বিফলতা (কিডনি ফেইলিয়াৰ) আনকি মৃত্যুও ঘটাব পৰে।

v. অন্তঃস্ৰাৱী গ্ৰন্থিৰ বিকলতা, যিটো বহুমূত্ৰ ৰোগ ৰূপে সমধিক পৰিচিত।শৰীৰৰ ৰক্তপ্ৰবাহক চেনিৰ (গ্লুক'জ) পুষ্টিৰে সজীৱ কৰি ৰখা ইনছিউলিনটো পৰ্য্যাপ্ত পৰিমাণে উৎপন্ন কৰাৰ অক্ষমতাৰ পৰা এই ৰোগৰ সৃষ্টি হয়।

vi. পৰিপাক প্ৰণালীৰ অসুখ, যেনে উদৰীয় দুষ্টক্ষত (গেস্ট্ৰিক আলছাৰ) আৰু যকৃতৰ দুৰাৰোগ্য ক্ষত (লিভাৰ ছিৰ'ছিছ)

vii. স্নায়ুতন্ত্ৰৰ ৰোগবোৰ

c) ব্যক্তিগত বৈশিষ্ট্যসমূহ (পাৰ্ছনেল কেৰেকটেৰিছটিকছ)

এইবোৰো ৰোগৰ প্ৰৱনতাৰ গুৰুত্বপূৰ্ণ নিৰ্দেশক হ'ব পাৰে।

i. শাৰীৰিক গঠন (বিল্ড)

মানুহ এজনৰ শাৰীৰিক গঠনৰ অন্তৰ্ভূক্ত হৈছে তেঁওৰ উচ্চতা, ওজন, বুকুৰ মাপ আৰু পেটৰ ঘেৰ।এটা নিৰ্দ্দিষ্ট বয়স আৰু উচ্চতাৰ বাবে এটা মানগত (ষ্টেণ্ডাৰ্ড) ওজন নিৰ্দ্ধাৰিত থাকে আৰু এই মানগত ওজনৰ তুলনাত মানুহজনৰ প্ৰকৃত ওজন বেছি বা কম হ'লে মানুহজনক অনুমোদিত ওজনতকৈ বেছি ওজনৰ বা কম ওজনৰ মানুহ বুলি কোৱা হয়।

একে ধৰণে, স্বাভাৱিক মানুহ এজনৰ বুকুখন কমপক্ষেও চাৰি ছেন্টিমীটেৰ সম্প্ৰসাৰিত হ'ব লাগে আৰু তেঁওৰ পেটৰ ঘেৰ তেঁওৰ সম্প্ৰসাৰিত বুকুতকৈ অধিক হ'ব নালাগে।

ii. ৰক্তচাপ (ব্লাড প্ৰেছাৰ)

আন এটা সূচক হৈছে মানুহ এজনৰ ৰক্তচাপ।ইয়াৰ দুটা জোখ আছে:

- ✓ দেহত ৰক্ত প্ৰবাহিত কৰা হৃৎস্পন্দনৰ চাপ (ছিষ্টট'লিক)
- ✓ হৃদযন্ত্ৰ আৰু ৰক্তবাহী নলীবোৰৰ ছন্দোময় সম্প্ৰসাৰণ (ডাইএষ্টলিক)

এটা নিৰ্দ্দিষ্ট বয়সৰ স্বাভাৱিক ৰক্তচাপ হিচাব কৰাৰ সুবিধাজনক মান্য নিয়ম হ'ল:

ছিষ্টট'লিকৰ বাবে = 115 + সেই বয়সৰ 2/5 অংশ

ডাইএষ্টলিকৰ বাবে = 75 + সেই বয়সৰ 1/5 অংশ

যদি বয়স 40 বছৰ হয়, তেন্তে স্বাভাৱিক ৰক্তচাপ হোৱা উচিত: ছিষ্টট'লিকঃ-131 আৰু ডাইএষ্টলিকঃ- 83 ।

যেতিয়া প্ৰকৃত জোখটো ওপৰোক্ত মান দুটাতকৈ অধিক উচ্চ হয়, তেতিয়া উচ্চ ৰক্তচাপ বা হাইপাৰটেনশ্বন থকা বুলি কোৱা হয় আৰু অধিক নিম্ন হ'লে এইটোক হাইপোটেনশ্বন কোৱা হয়। প্ৰথমটোৱে উদ্বেগজনক পৰিণতি কঢ়িয়াই আনিব পাৰে।

ধমনী তন্ত্ৰেৰে প্ৰবাহিত হোৱা ৰক্তচাপটো নাড়ীৰ স্পন্দনৰ গতিৰ (পালছ ৰেইট) পৰাও বুজা যায়। 72 গড় মানৰ সৈতে প্ৰতি মিনিটত 50 ৰ পৰা 90 ঘাতলৈকে নাড়ীৰ স্পন্দনৰ হাৰৰ তাৰতম্য ঘটিব পাৰে।

iii. প্ৰস্ৰাৱ – আপেক্ষিক গুৰুত্ব (স্পেছিফিক গ্ৰেভিটি)

শেষ উপাদানটো হৈছে প্ৰস্ৰাৱৰ আপেক্ষিক গুৰুত্বৰ মান । এই জোখটোৱে মূত্ৰ প্ৰণালীত থকা বিভিন্ন (ৰাসায়নিক) লৱনৰ মাজৰ ভাৰসাম্য নিৰ্দ্দেশ কৰে আৰু সেয়েহে প্ৰণালীটোৰ সঠিকভাৱে কাৰ্য্য সম্পাদন কৰাৰ অক্ষমতাৰ ইংগিত দিব পাৰে ।

নিজক পৰখ কৰক 3

ডাক্তৰি পৰীক্ষা জড়িত বীমাঙ্কনৰ ক্ষেত্ৰত বংশগতিৰ ইতিহাসটো গুৰুত্বপূৰ্ণ কিয়?

I. ধনী পিতৃ-মাতৃৰ সন্তানবোৰ স্বাস্থ্যৱান হয়

II. কিছুমান ৰোগ পিতৃ-মাতৃৰ পৰা সন্তানসকলোলৈ সঞ্চাৰিত হ'ব পাৰে

III. দৰিদ্ৰ পিতৃ-মাতৃৰ সন্তানবোৰ অপুষ্ট হয়

IV. পাৰিবাৰিক পৰিবেশ এটা গুৰুত্বপূৰ্ণ কাৰক

সাৰ সংক্ষেপ

- বীমাঙ্কন প্ৰক্ৰিয়াটোত সমদৰ্শিতা উপাদানটো সুমুৱাৰ বাবে বীমাঙ্কনকাৰীয়ে ''বিপদাশংকাৰ শ্ৰেণীবিন্যাস'' কৰে, য'ত প্ৰতিটো জীবনৰ লগত জড়িত হৈ থকা বিপদাশংকাৰ মাত্ৰাৰ ওপৰত ভিত্তি কৰি এইবোৰ জীবনৰ শ্ৰেণী বিভাজন কৰা হয় আৰু ভিন্ন ভিন্ন শ্ৰেণীৰ বিপদাশংকাৰ অন্তৰ্ভূক্ত কৰা হয় ।
- বীমাঙ্কন বা বাছনি প্ৰক্ৰিয়াটো দুটা স্তৰত সংঘটিত হয় বুলি কোৱা হয় :
  - ✓ ক্ষেত্ৰভিত্তিক স্তৰত
  - ✓ বীমাঙ্কন বিভাগ স্তৰত
- বীমা প্ৰস্তাৱবোৰৰ বীমাঙ্কনৰ বাবে বিবেচনা-প্ৰসূত সিদ্ধান্তমূলক পদ্ধতি আৰু সাংখ্যিক মূল্যাঙ্কন পদ্ধতি – এই দুটাৰেই ব্যৱহাৰ ব্যাপকভাৱে প্ৰচলিত ।
- বীমাঙ্কনকাৰীয়ে লোৱা বীমাঙ্কন সম্পৰ্কিত সিদ্ধান্তবোৰত অন্তৰ্ভূক্ত থাকে মানগত বিপদাশংকাক সাধাৰণ হাৰত গ্ৰহণ কৰা অথবা নিম্ন মানবিশিষ্ট বিপদাশংকাবোৰৰ বাবে ওপৰঞ্চি ধাৰ্য্য কৰা । কেতিয়াবা প্ৰস্তাৱবোৰ আশ্বাসিত বীমাৰাশিৰ ওপৰত লিয়েনৰ সৈতে গ্ৰহণ কৰা হয় আৰু কেতিয়াবা সীমিতাত্মক ধাৰাৰ সৈতে প্ৰস্তাৱবোৰ স্বীকাৰ কৰা হয় । যিক্ষেত্ৰত বিপদাশংকাৰ মাত্ৰাটো অতি বৃহৎ, তাত প্ৰস্তাৱটো নাকচ কৰা হয় নাইবা মুলতুবি ৰখা হয় ।
- প্ৰস্তাৱিত জীবন-বীমাকৃতৰ বীমাযোগ্যতা ডাক্তৰি পৰীক্ষণৰ দ্বাৰা নিশ্চিত নকৰাকৈয়ে সাধাৰণতে এক বৃহৎ সংখ্যক জীবন বীমা প্ৰস্তাৱ বীমাৰ বাবে অনুমোদিত হৈ যায় ।এইবোৰক নন-মেডিকেল বা ডাক্তৰি পৰীক্ষা বিহীন প্ৰস্তাৱ বুলি কোৱা হয় ।
- যোগ্যতাৰ মান নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত বীমাঙ্কনক প্ৰভাৱিত কৰা উপাদানসমূহৰ অন্তৰ্গত হ'ল:
  - ✓ বয়স
  - ✓ বৃহৎ আশ্বাসিত বীমাৰাশি
  - ✓ নৈতিক সঙ্কট ইত্যাদি
- ডাক্তৰি পৰীক্ষা জড়িত বীমাঙ্কন বা মেডিকেল আণ্ডাৰৰাইটিঙৰ অন্তৰ্ভূক্ত হ'ল:
  - ✓ পাৰিবাৰিক ইতিহাস
  - ✓ বংশগতি আৰু ব্যক্তিগত ইতিহাস ইত্যাদি

সুনিৰ্দ্দিষ্ট অৰ্থনিহিত গুৰুত্বপূৰ্ণ শব্দ

1. বীমাঙ্কন বা আণ্ডাৰৰাইটিং
2. মানগত জীবন
3. ডাক্তৰি পৰীক্ষা বিহীন বীমাঙ্কন বা নন-মেডিকেল আণ্ডাৰৰাইটিং
4. যোগ্যতাৰ মান নিৰ্দ্ধাৰক উপাদানসমূহ
5. ডাক্তৰি পৰীক্ষা জড়িত বীমাঙ্কন বা মেডিকেল আণ্ডাৰৰাইটিং
6. প্ৰতিকূল নিৰ্বাচন

"নিজক পৰখ কৰক"ৰ উত্তৰ

উত্তৰ 1

সঠিক বিকল্পটো হৈছে III

এইডছ সংক্ৰমিত ব্যক্তিজনক বীমা সুৰক্ষা প্ৰদান কৰিবলৈ অস্বীকাৰ কৰা হ'ব ।

উত্তৰ 2

সঠিক বিকল্পটো হৈছে II

নিজৰ জীবনৰ বীমা সুৰক্ষা আছে কাৰণে ব্যক্তি এজনে প্ৰচুৰ পৰিমাণে মদ্য পান কৰিবলৈ ধৰাটো নৈতিক সঙ্কটৰ এটা উদাহৰণ ।

উত্তৰ 3

সঠিক উত্তৰটো হৈছে II

কিছুমান ব্যাধি পিতৃ-মাতৃৰ পৰা সন্তানসকলোলৈ সঞ্চাৰিত হ'ব পাৰে আৰু সেয়েহে ডাক্তৰি পৰীক্ষা জড়িত বীমাঙ্কনত বংশগতিৰ ইতিহাস বিবেচনাভূক্ত কৰাটো আৱশ্যক হৈ পৰে ।

স্ব-পৰীক্ষণ প্ৰশ্ন

প্ৰশ্ন 1

তলৰ কোনটোৱে বীমা কোম্পানী এটাত বীমাঙ্কনকাৰীৰ ভূমিকা নিৰ্দ্দেশ কৰে?

I. দাবী-প্ৰক্ৰিয়া সম্পাদন কৰোঁতা

II. বিপদাশংকাবোৰৰ গ্ৰহণযোগ্যতা নিৰ্ণয় কৰোঁতা

III. পণ্যৰ আৰ্হি ৰূপাঙ্কনকাৰী

IV. গ্ৰাহক-সম্পৰ্ক পৰিচালক

প্ৰশ্ন 2

তলৰ কোনটো এটা বীমাঙ্কন সংক্ৰান্ত সিদ্ধান্ত নহয়?

I. সাধাৰণ হাৰত বিপদাশংকা গ্ৰহণ

II. বিপদাশংকা অস্বীকাৰকৰণ

III. বিপদাশংকা মুলতুবিকৰণ

IV. দাবী অগ্ৰাহ্যকৰণ

প্ৰশ্ন 3

তলৰ কোনটো বয়সৰ এটা মানগত প্ৰমাণ পত্ৰ নহয়?

I. পাছপ'ৰ্ট

II. স্কুল এৰাৰ সময়ত দিয়া ছাৰ্টিফিকেট

III. সোঁৱৰণী

IV. জন্মৰ ছাৰ্টিফিকেট

প্ৰশ্ন 4

তলৰ কোনটো অৱস্থাই ব্যক্তি এজনৰ বীমাযোগ্যতাক নেতিবাচকভাৱে প্ৰভাৱান্বিত কৰিব?

I. প্ৰতিদিনে জগিং কৰা

II. নিষিদ্ধ নিচাযুক্ত দ্ৰব্যৰ ব্যৱহাৰ

III. এলেহুৱা স্বভাৱ

IV. দীৰ্ঘ-সূত্ৰীতা

প্ৰশ্ন 5

কোনটো পদ্ধতিত বীমাঙ্কনকাৰীয়ে প্ৰতিটো নেতিবাচক বা প্ৰতিকূল উপাদানৰ বিপৰীতে ধনাত্মক মূল্যাঙ্কন পইণ্ট দিয়ে (ইতিবাচক বা অনুকূল উপাদানৰ বাবে ঋণাত্মক মূল্যাঙ্কন পইণ্ট দিয়ে)?

I. বিবেচনা-প্ৰসূত সিদ্ধান্তমূলক পদ্ধতি

II. যাদৃচ্ছিক

III. সাংখ্যিক মূল্যাঙ্কন পদ্ধতি

IV. একক পদক্ষেপ

প্ৰশ্ন 6

মৃত্যুদৰ তালিকাত থকা মানগত জীবনৰ প্ৰত্যাশিত মৃত্যুৰ সময়ৰ সৈতে যিসকলৰ প্ৰত্যাশিত মৃত্যুৰ হাৰ খাপ খাই যায়, বিপদাশংকাৰ শ্ৰেণীবিন্যাসত তেনে মানুহবোৰক_____ৰ অধীনত শ্ৰেণীবদ্ধ কৰা হয় ।

I. মানগত জীবন

II. মনঃপুত বিপদাশংকা

III. নিম্ন মানবিশিষ্ট জীবন

IV. অস্বীকৃত জীবন

প্ৰশ্ন 7

অমৃতা গৰ্ভৱতী ।তেঁও এটা ম্যাদী বীমা সুৰক্ষাৰ বাবে আৱেদন কৰিছে ।অমৃতাক বীমা সুৰক্ষা দিয়াৰ কাৰণে তলৰ কোনটো বিকল্প বীমাঙ্কনকাৰীৰ বাবে সৰ্বাধিক উপযুক্ত বিকল্প হ'ব? অধিকতম সম্ভাব্য বিকল্পটো বাছি লওক ।

I. সাধাৰণ হাৰত গ্ৰহণ কৰা

II. ওপৰঞ্চি প্ৰিমিয়ামৰ সৈতে গ্ৰহণ কৰা

III. প্ৰস্তাৱটো নাকচ কৰা

IV. সীমিতাত্মক ধাৰাৰ সৈতে গ্ৰহণ কৰা

প্ৰশ্ন 8

তলৰ কোনটো বীমা প্ৰস্তাৱ ডাক্তৰি পৰীক্ষা বিহীন বীমাঙ্কনৰ অধীনত বিবেচিত হোৱাৰ অৰ্হতা লাভ নকৰে?

I. সবিতা, 26 বছৰ বয়স, ছফটৱেৰ ইঞ্জিনিয়াৰ হিচাবে আই টি কোম্পানীত কাম কৰে

II. মহেশ, 50 বছৰ বয়স, কয়লা খনিত কাম কৰে

III. সতীশ, 28 বছৰ বয়স, বেংকত কাম কৰে আৰু 1 কোটী টকাৰ বীমা সুৰক্ষাৰ কাৰণে আৱেদন কৰিছে

IV. প্ৰবীন, 30 বছৰ বয়স, এটা ডিপাৰ্টমেণ্টেল ষ্টোৰত কাম কৰে আৰু এটা 10 বছৰ ম্যাদৰ বন্দৱস্তি বীমা আঁচনিৰ বাবে আৱেদন কৰিছে

প্ৰশ্ন 9

শীনাই জটিল ডায়েবেটিছত ভুগি আছে ।তেঁও এটা বীমা আঁচনিৰ বাবে আৱেদন কৰিছে ।এই ক্ষেত্ৰত বীমাঙ্কনকাৰীজনে খুব সন্তৱত বীমাঙ্কনৰ বাবে_____পদ্ধতিটো প্ৰয়োগ কৰিব ।

I. বিবেচনা-প্ৰসূত সিদ্ধান্তমূলক পদ্ধতি

II. সাংখ্যিক মূল্যাঙ্কন পদ্ধতি

III. যিকোনো এটা পদ্ধতি, কিয়নো বীমাঙ্কন প্ৰক্ৰিয়াত ডায়েবেটিছ ৰোগটোৰ কোনো গুৰুত্বপূৰ্ণ ভূমিকা নাই

IV. ওপৰৰ এটা পদ্ধতিও নহয়, কিয়নো ডায়েবেটিছৰ প্ৰস্তাৱবোৰ নিশ্চিত নাকচ কৰা হয়

প্ৰশ্ন 10

সন্তোষে এটা ম্যাদী বীমা পলিচিৰ বাবে আৱেদন কৰিছে ।তেঁওৰ প্ৰত্যাশিত মৃত্যুৰ হাৰ মানগত জীবনতকৈ উল্লেখনীয়ভাৱে কম আৰু সেয়েহে কম প্ৰিমিয়াম ধাৰ্য্য কৰিব পৰা যায় ।বিপদাশংকাৰ শ্ৰেণীবিন্যাসত সন্তোষক_____ৰ অধীনত শ্ৰেণীবদ্ধ কৰা হ'ব ।

I. মানগত জীবন

II. মনঃপুত জীবন

III. নিম্ন মানবিশিষ্ট জীবন

IV. অস্বীকৃত জীবন

স্ব-পৰীক্ষণমূলক প্ৰশ্নৰ উত্তৰ

উত্তৰ 1

সঠিক উত্তৰটো হৈছে II

বীমাঙ্কনকাৰীয়ে বিপদাশংকাৰ গ্ৰহণযোগ্যতা নিৰ্ণয় কৰে ।

উত্তৰ 2

সঠিক উত্তৰটো হৈছে IV

দাবী অগ্ৰাহ্য কৰাটো বীমাঙ্কন সংক্ৰান্ত সিদ্ধান্ত নহয় ।

উত্তৰ 3

সঠিক উত্তৰটো হৈছে III

সোঁৱৰণীটো বয়সৰ এটা মানগত প্ৰমাণ পত্ৰ নহয় ।

উত্তৰ 4

সঠিক উত্তৰটো হৈছে II

নিষিদ্ধ নিচাযুক্ত দ্ৰব্যৰ সেৱনে ব্যক্তি এজনৰ বীমাযোগ্যতাক নেতিবাচকভাৱে প্ৰভাৱান্বিত কৰে ।

উত্তৰ 5

সঠিক উত্তৰটো হৈছে III

সাংখ্যিক মূল্যাঙ্কন পদ্ধতিত বীমাঙ্কনকাৰীয়ে প্ৰতিটো নেতিবাচক বা প্ৰতিকূল উপাদানৰ বিপৰীতে ধনাত্মক মূল্যাঙ্কন পইণ্ট দিয়ে (ইতিবাচক বা অনুকূল উপাদানৰ বাবে ঋণাত্মক মূল্যাঙ্কন পইণ্ট দিয়ে) ।

উত্তৰ 6

সঠিক উত্তৰটো হৈছে I

মৃত্যুদৰ তালিকাত থকা মানগত জীবনৰ প্ৰত্যাশিত মৃত্যুৰ সময়ৰ সৈতে যিসকলৰ প্ৰত্যাশিত মৃত্যুৰ হাৰ খাপ খাই যায়, বিপদাশংকাৰ শ্ৰেণীবিন্যাসত তেনে মানুহবোৰক মানগত জীবনৰ অধীনত শ্ৰেণীবদ্ধ কৰা হয় ।

উত্তৰ 7

সঠিক উত্তৰটো হৈছে IV

অমৃতাৰ অন্তঃসত্ত্বা অৱস্থাক বিৱেচনা কৰি অমৃতাক এটা সীমিতাত্মক ধাৰাৰ সৈতে বীমা সুৰক্ষা আগ বঢ়োৱাটো হৈছে বীমাঙ্কনকাৰীৰ বাবে সৰ্বোত্তম বিকল্প ।এই সীমিতাত্মক ধাৰাটো এনে হ'ব পাৰে যে, যদি সন্তান জন্ম দিয়াৰ তিনিমাহৰ ভিতৰত গৰ্ভাৱস্থা সম্বন্ধীয় কাৰণত অমৃতাৰ মৃত্যু হয়, তেন্তে আশ্বাসিত বীমাৰাশি কম কৰি মৃত্যুদাবী হিচাবে পৰিশোধ কৰা হ'ব ।

উত্তৰ 8

সঠিক উত্তৰটো হৈছে II

মহেশৰ বীমা প্ৰস্তাৱটো ডাক্তৰি চিকিৎসা বিহীন বীমাঙ্কনৰ অধীনত বিৱেচিত হোৱাৰ অৰ্হতা লাভ নকৰে কাৰণ তেঁওৰ বয়স অধিক (50 বছৰ) আৰু তেঁওৰ পেছাটো ছফটৱেৰ, বেংকিং আদি আন পেছাবোৰৰ তুলনাত অধিক বিপদাশংকাযুক্ত ।

উত্তৰ 9

সঠিক উত্তৰটো হৈছে I

শীনাৰ দৰে প্ৰবলভাৱে ডায়েবেটিছ ইত্যাদিত ভুগি থকা জটিল পৰিস্থিতিবোৰত বীমাঙ্কনকাৰীয়ে বিবেচনা-প্ৰসূত সিদ্ধান্ত মূলক বীমাঙ্কন-পদ্ধতি ব্যৱহাৰ কৰিব ।

উত্তৰ 10

সঠিক উত্তৰটো হৈছে II

বিপদাশংকাৰ শ্ৰেণীবিন্যাস কৰোঁতে সন্তোষক মনঃপুত বিপদাশংকাৰ অধীনত শ্ৰেণীবদ্ধ কৰা হ'ব ।

অধ্যায় 16

জীবন বীমা পলিচিৰ অধীনত পৰিশোধ

অধ্যায় পৰিচিতি

এই অধ্যায়টোৱে জীবন বীমাৰ অধীনত উত্থাপিত দাবীবোৰৰ সম্যক ধাৰণা এটা দিব আৰু কেনেকৈ দাবীবোৰ নিৰূপণ কৰা হয় সেইটো স্পষ্ট কৰিব । তাৰ পিছত বিভিন্ন প্ৰকাৰৰ দাবীৰ বিষয়ে ব্যাখ্যা কৰা হ'ব ।শেষত, মৃত্যুদাবীৰ ক্ষেত্ৰত দাখিল কৰিব লগা বিভিন্ন ফৰ্ম আৰু বীমাধাৰীয়ে গুৰুত্বপূৰ্ণ কোনো তথ্য গোপন নকৰা সত্ত্বেও বীমাকাৰকৰ দ্বাৰা দাবী অগ্ৰাহ্যকৰণৰ পৰা হিতাধিকাৰীক সুৰক্ষা দিয়াৰ উদ্দেশ্যে বলবৎ থকা ৰক্ষাকৱচবোৰৰ (অবিসম্বাদিত্ব অনুচ্ছেদ আৰু পলিচিধাৰকৰ স্বাৰ্থ সুৰক্ষা বিনিয়ম) বিষয়ে অৱহিত কৰাব ।

শিক্ষণৰ ফলাফল

A. দাবীৰ প্ৰকাৰ আৰু দাবী প্ৰক্ৰিয়া

A. দাবীৰ প্ৰকাৰ আৰু দাবী প্ৰক্ৰিয়া

1. দাবীৰ ধাৰণা

এটা বীমা কোম্পানী বা এটা বীমা পলিচিৰ আচল পৰীক্ষা তেতিয়াহে হয়, যেতিয়া পলিচিটো দাবী বা ক্লেইমত পৰিণত হয় । দাবী নিষ্পত্তিৰ ধৰণ আৰু প্ৰদেয় সুবিধাবোৰৰ পৰিশোধৰ মাজেৰেই জীবন বীমাৰ প্ৰকৃত মূল্যৰ বিচাৰ হয় ।

সংজ্ঞা

দাবী হৈছে এটা চাহিদা, যিটো বীমাকাৰকে চুক্তিত নিৰ্দ্ধাৰিত প্ৰতিশ্ৰুতি অনুযায়ী ক্ষতিপূৰণ হিচাবে দিব লাগে ।

জীবন বীমা চুক্তি এটাত সামৰি লোৱা এক বা একাধিক ঘটনাৰ সংঘটনে বীমা চুক্তিটোৰ অধীনত দাবী উত্থাপনৰ সূত্ৰপাত কৰে ।কিছুমান ক্ষেত্ৰত দাবী উত্থাপন হোৱাৰ পিছতো চুক্তিটো চলি থাকে আৰু কিছুমানত চুক্তিটোৰ সমাপ্তি ঘটে ।

পাঠৰ ব্যাখ্যামূলক নক্সা 1: বিপদাশংকা পীড়িত ঘটনা আৰু দাবী উত্থাপন

দাবী দুই প্ৰকাৰৰ হ'ব পাৰে :

i. জীৱিতাৱস্থাৰ দাবী (ছাৰভাইভেল ক্লেইম), যিটো বীমাধাৰী জীৱিত থাকিলেও প্ৰদানযোগ্য হয় ।

ii. মৃত্যুদাবী

পাঠৰ ব্যাখ্যামূলক নক্সা 2: দাবীৰ প্ৰকাৰ



য'ত মৃত্যুদাবী কেৱল জীবন বীমাকৃতৰ মৃত্যুতহে উত্থাপিত হয়, জীৱিতাৱস্থাৰ দাবী কিন্তু এক বা একাধিক ঘটনা ঘটাৰ ফলত উত্থাপিত হ'ব পাৰে।

উদাহৰণ

জীৱিতাৱস্থাৰ দাবীবোৰৰ সূচনাকাৰী ঘটনাবোৰৰ উদাহৰণ হ'ল:

i. পলিচিৰ ম্যাদপূৰ্তি;

ii. মানি বেক পলিচিৰ অধীনত এটা বিশিষ্ট পৰ্য্যায়ত উপস্থিত হোৱাৰ পিছত প্ৰদেয় কিস্তি;

iii. পলিচিত অন্তৰ্ভূক্ত গুৰুতৰ অসুস্থতাৰ বাবে প্ৰদেয় ওপৰঞ্চি সুবিধা;

iv. পলিচিধাৰক বা স্বত্ব নিয়োগীৰ দ্বাৰা পলিচি-সমৰ্পণ;

2. দাবী পৰিশোধ কৰিব লগা ঘটনাটো ঘটিছে নে নাই সেইটো নিশ্চিত কৰা

i. জীৱিতাৱস্থাৰ দাবী পৰিশোধৰ বাবে বীমাকাৰকে নিৰ্ণয় কৰিব লাগিব যে পলিচিত থকা চৰ্ত অনুযায়ী ঘটনাটো ঘটিছে নে নাই ।

ii. ম্যাদপূৰ্তিৰ দাবী আৰু মানি বেকৰ কিস্তিৰ দাবীটো চুক্তিৰ সূচনাতেই নিৰ্দ্দিষ্ট কৰা তাৰিখৰ ভিত্তিত সহজেই প্ৰতিপন্ন হয় ।

উদাহৰণস্বৰূপে, ম্যাদপূৰ্তিৰ তাৰিখ আৰু মানি বেক পলিচিৰ অধীনত প্ৰদেয় বিদ্যমানতাৰ সুবিধাৰ (ছাৰভাইভেল বেনিফিট) কিস্তিবোৰৰ তাৰিখকেইটা চুক্তিটোৰ প্ৰস্তুতিপৰ্বতেই স্পষ্টকৈ নিৰ্দ্ধাৰিত হৈ যায় ।

iii. সমৰ্পণ মূল্য পৰিশোধটো অন্যান্য দাবী পৰিশোধৰ পৰা ভিন্ন ।আন দাবী অসদৃশ, এই ক্ষেত্ৰত ঘটনাটোৰ সূচনা হয় যেতিয়া পলিচিধাৰক বা স্বত্ব নিয়োগী ব্যক্তিজনে চুক্তিটো বাতিল কৰি চুক্তিটোৰ অধীনত প্ৰাপ্য পইচাখিনি উঠাই লোৱাৰ সিদ্ধান্ত লয় । সাধাৰণতে সমৰ্পণ মূল্য পৰিশোধৰ ক্ষেত্ৰত, আগতীয়াকৈ প্ৰত্যাহাৰ কৰাৰ বাবে এটা জৰিমনা ধাৰ্য্য কৰা হয় আৰু সেয়েহে সমৰ্পণ মূল্যৰ পৰিমাণটো সম্পূৰ্ণ পৰিশোধযোগ্য দাবীৰ প্ৰদেয় পৰিমাণতকৈ কম হয় ।

iv. গুৰুতৰ অসুস্থতাৰ দাবী নিৰূপিত হয় চিকিৎসা সংক্ৰান্ত ৰেকৰ্ড তথা দাবীৰ সমৰ্থনত পলিচিধাৰকে দাখিল কৰা অন্যান্য নথি-পত্ৰৰ ভিত্তিত ।

জটিলতাৰ সৃষ্টি হয় যেতিয়া গুৰুতৰ অসুস্থতাৰ ওপৰঞ্চি সুবিধাযুক্ত পলিচি এটা হস্তান্তৰিত বা এছাইনড হয় । গুৰুতৰ অসুস্থতাৰ সুবিধাৰ উদ্দেশ্য হৈছে এই ধৰণৰ অসুস্থতাৰ ক্ষেত্ৰত পলিচিধাৰকে বহন কৰিবলগীয়া ব্যয়খিনি পৰিশোধ কৰা ।কিন্তু পলিচিটো হস্তান্তৰিত হৈ গ'লে এই সকলো সুবিধা স্বত্ব নিয়োগীজনলৈ প্ৰদানযোগ্য হয় ।যদিও এইটো আইনগত দিশৰ পৰা শুদ্ধ, কিন্তু উদ্দিষ্ট লক্ষ্য পূৰণ নকৰে ।সেয়েহে, এই ধৰণৰ পৰিস্থিতি এৰাই চলাৰ বাবে এই বিষয়ে পলিচিধাৰকক অৱহিত কৰাটো গুৰুত্বপূৰ্ণ যে চৰ্ত-সাপেক্ষ হস্তান্তৰকৰণৰ দ্বাৰা কেনেকৈ তেঁও সুবিধাৰ পৰিসৰ সীমিত কৰি পলিচিটো হস্তান্তৰ কৰিব পাৰে ।

এটা ম্যদপূৰ্তিৰ দাবী বা মৃত্যুদাবী অথবা পলিচিৰ সমৰ্পণে চুক্তিৰ অধীনস্থ বীমা সুৰক্ষাবেষ্টনীৰ অৱসান ঘটায় আৰু কোনো বীমা সুৰক্ষা উপলব্ধ নাথাকে ।দাবীটো প্ৰকৃততে পৰিশোধ কৰা হওক বা নহওক, পৰিস্থিতিৰ কিন্তু সলনি নহয় - একেই থাকে, কাৰণ দাবী অপৰিশোধে চুক্তিৰ অধীনত বীমা সুৰক্ষাবেষ্টনীৰ ধাৰাবাহিকতা নিশ্চিত নকৰে ।

3. দাবীৰ প্ৰকাৰ

পলিচি চলি থকা সময়ছোৱাত নিম্নলিখিত পৰিশোধবোৰ উদ্ভৱ হ'ব পাৰে:

a) বিদ্যমানতাৰ সুবিধাৰ (ছাৰভাইভেল বেনিফিট) পৰিশোধ

পলিচি ম্যাদৰ অন্তৰ্বৰ্তী সময়কালীন বীমাকাৰকে নিৰ্দ্দিষ্ট সময়ান্তৰত বীমাকৃতক এই পৰিশোধবোৰ কৰে । বিদ্যমানতাৰ সুবিধাৰ প্ৰতিটো কিস্তি পৰিশোধ কৰাৰ পিছত পৰিশোধৰ পৰিমাণসূচক এটা পৃষ্ঠাঙ্কন সংলগ্ন কৰি পলিচি বণ্ডখন পলিচিধাৰকলৈ ঘুৰাই দিয়া হয় ।

b) পলিচি সমৰ্পণ

ইয়াত পলিচিধাৰকে পলিচিটোৰ অকাল সমাপ্তি বাছি লয় ।এইটো পলিচি চুক্তিৰ ঐচ্ছিক সমাপন । পৰিশোধিত মূল্য (পেইড আপ ভেল্যু) অৰ্জন কৰিলেহে কেৱল পলিচি এটা সমৰ্পণ কৰিব পাৰি । পলিচিধাৰকলৈ প্ৰদানযোগ্য ৰাশিটোৱেই হ'ল সমৰ্পণ মূল্য, যিটো সাধাৰণতে প্ৰদত্ত প্ৰিমিয়ামৰ এটা শতাংশ হয় । বিধিগত ৰূপত এটা ন্যূনতম নিশ্চিত সমৰ্পণ মূল্যও (গেৰাণ্টীড ছাৰেণ্ডাৰ ভেল্যু বা জি এছ ভি) পলিচিত থাকে, কিন্তু পলিচিধাৰকক পৰিশোধ কৰা প্ৰকৃত সমৰ্পণ মূল্যটো ''জি এছ ভি''তকৈ বেছি হয় ।

c) ওপৰঞ্চি সুবিধা (ৰাইডাৰ বেনিফিট)

চৰ্ত আৰু নিয়মাৱলী অনুযায়ী নিৰ্দ্দিষ্ট ঘটনাটো সংঘটিত হ'লে বীমা কোম্পানীয়ে ওপৰঞ্চি সুবিধাৰ অধীনত পৰিশোধটো কৰে ।

সঙ্কটজনক অসুস্থতা নিৰ্ণয় হোৱাৰ ক্ষেত্ৰত, গুৰুতৰ অসুস্থতাৰ ওপৰঞ্চি সুবিধাৰ অধীনত চৰ্ত অনুসৰি নিৰ্দ্দিষ্ট ৰাশিটো পৰিশোধ কৰা হয় ।অসুস্থতাটো বীমা কোম্পানী দ্বাৰা নিৰ্দ্ধাৰিত গুৰুতৰ অসুস্থতাৰ তালিকাৰ অন্তৰ্ভূক্ত হ'ব লাগিব ।

হাস্পতাল-যত্নৰ ওপৰঞ্চি সুবিধাৰ (হস্পিটেল কেয়াৰ ৰাইডাৰ) অধীনত বীমাকৃতৰ হাস্পতালত চিকিৎসাধীন হোৱাৰ খৰচ কিছুমান চৰ্ত সাপেক্ষে বীমাকাৰকে পৰিশোধ কৰে ।

ওপৰঞ্চি সুবিধাৰ ৰাশিটো পৰিশোধ কৰাৰ পিছতো পলিচি চুক্তিটো বাহাল থাকে ।

বীমা চুক্তিত নিৰ্দ্দিষ্ট কৰা মতে পলিচিৰ ম্যাদৰ অন্তত তলৰ দাবীকেইটা পৰিশোধ কৰা হয় ।

d) ম্যাদপূৰ্তিৰ দাবী

এই ধৰণৰ দাবীৰ ক্ষেত্ৰত বীমাকাৰকে পলিচিটোৰ ম্যাদ শেষ হোৱাৰ পিছত এটা নিৰ্দ্দিষ্ট পৰিমাণৰ ধনৰাশি বীমাধাৰীক পৰিশোধ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে, যদি পলিচিৰ ম্যাদ শেষ হোৱালৈকে বীমাধাৰী জীৱিত অৱস্থাত থাকে । এইটো ম্যাদপূৰ্তিৰ দাবী হিচাবে পৰিচিত ।

i. লাভ সহিত (লাভত অংশ গ্ৰহণকাৰী) আঁচনি: যদি আঁচনিটো লাভ সহিত হয়, তেনেহ'লে ইয়াৰ ম্যাদপূৰ্তিৰ দাবীত পৰিশোধযোগ্য মুঠ পৰিমাণটো হ'ব আশ্বাসিত বীমাৰাশি যোগ পলিচিত সংলগ্ন বোনাচ বিয়োগ বাকী ৰোৱা প্ৰিমিয়াম, পলিচি ঋণ, আৰু ঋণৰ ওপৰত সুত ।

ii. প্ৰিমিয়াম প্ৰত্যৰ্পণ কৰা (ৰিটাৰ্ন অব প্ৰিমিয়াম বা আৰ ও পি) আঁচনি: কিছুমান ক্ষেত্ৰত পলিচিৰ ম্যাদ পূৰ্ণ হ'লে পলিচিৰ ম্যাদকালীন প্ৰদত্ত গোটেই প্ৰিমিয়ামখিনি ঘুৰাই দিয়া হয় ।

iii. ইউনিট লিংকড বীমা আঁচনি (ইউলিপ): ইউলিপৰ ক্ষেত্ৰত ম্যাদপূৰ্তিৰ দাবী হিচাবে বীমাকাৰকে পুঁজিমূল্যটো পৰিশোধ কৰে ।

iv. মানি বেক আঁচনি: মানি বেক পলিচিৰ ক্ষেত্ৰত বীমাকাৰকে পলিচিৰ ম্যাদৰ ভিতৰত প্ৰদান কৰা বিদ্যমানতাৰ সুবিধাখিনি কাটি লৈ ম্যাদপূৰ্তিৰ দাবী পৰিশোধ কৰে ।

দাবী পৰিশোধৰ পিছত বীমা চুক্তিৰ সমাপ্তি ঘটে ।

e) মৃত্যুদাবী

যদি পলিচিৰ ম্যাদৰ ভিতৰত দৈৱাৎ বা অন্য কাৰণত পলিচিধাৰকৰ মৃত্যু হয়, তেনেহ'লে বীমাকাৰকে আশ্বাসিত বীমাৰাশিৰ লগত সংলগ্ন বোনাচ (লাভ সহিত পলিচি হ'লে) যোগ কৰাৰ পিছত তাৰ পৰা পাবলগীয়া পৰিমাণখিনি, যেনে বাকী ৰোৱা পলিচি ঋণ, প্ৰিমিয়াম, আৰু এইবোৰৰ বাকী পৰা সুত - এই গোটেইখিনি কাটি লৈ অৱশিষ্ট পৰিমাণটো প্ৰদান কৰে । এইটোৱেই হৈছে মৃত্যুদাবী, পৰিস্থিতি সাপেক্ষে যি ৰাশিটোক নামাংকিত ব্যক্তি বা স্বত্ব নিয়োগী অথবা বীমাধাৰীৰ বৈধ উত্তৰাধিকাৰীক পৰিশোধ কৰা হয় ।

এটা মৃত্যুদাবী হ'ব পাৰে:

- ✓ আগতীয়া বা আৰ্লি ক্লেইম (পলিচিৰ কালদৈৰ্ঘ্য তিনি বছৰৰ কম) আৰু
- ✓ অনা-আগতীয়া বা নন-আৰ্লি ক্লেইম (পলিচিৰ কালদৈৰ্ঘ্য তিনি বছৰৰ বেছি)

নামাংকিত ব্যক্তি বা স্বত্ব নিয়োগী বা বিধিসন্মত উত্তৰাধিকাৰীজনে বীমাধাৰীৰ মৃত্যুৰ কাৰণ, তাৰিখ আৰু স্থান বীমাকাৰকক জনাব লাগে ।

i. মৃত্যুদাবীৰ বাবে দাখিল কৰিব লগা দলিল-পত্ৰ



দাবী সম্পৰ্কিত দলিল-পত্ৰ

দাবী প্ৰক্ৰিয়াটো সহজসাধ্য কৰিবলৈ নিম্নলিখিত নথি-পত্ৰবোৰ হিতাধিকাৰীয়ে বীমাকাৰকৰ ওচৰত দাখিল কৰিব লাগে:

- ✓ নামাংকিত ব্যক্তিজনে পূৰণ কৰা দাবীপত্ৰ (ক্লেইম ফৰ্ম)
- ✓ সমাধিস্থ বা শৱদাহ কৰাৰ প্ৰমাণপত্ৰ (ছাৰ্টিফিকেট অব বেৰিএল এণ্ড ক্ৰিমেইশ্বন)
- ✓ শেহতীয়াকৈ চিকিৎসা কৰা ডাক্তৰজনৰ প্ৰমাণপত্ৰ
- ✓ হাস্পতালৰ কৰ্তৃপক্ষই দিয়া প্ৰমাণপত্ৰ
- ✓ নিয়োগকৰ্তাজনে দিয়া প্ৰমাণপত্ৰ
- ✓ দুৰ্ঘটনা জনিত মৃত্যুৰ ক্ষেত্ৰত, প্ৰথম অভিযোগ প্ৰতিৱেদন (ফাৰ্ষ্ট ইনফৰমেশ্বন ৰিপৰ্ট বা এফ আই আৰ), মৃত্যুৰ কাৰণ সম্বন্ধে ন্যায়িক তদন্তৰ প্ৰতিৱেদন (ইনকুৱেষ্ট ৰিপ'ৰ্ট), মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিৱেদন (প'ষ্ট মৰ্টেম ৰিপ'ৰ্ট) , চূড়ান্ত প্ৰতিৱেদন (ফাইনেল ৰিপ'ৰ্ট) আদি পুলিচ প্ৰতিৱেদনবোৰৰ আদালত-প্ৰত্যয়িত প্ৰতিলিপি দাখিল কৰাৰ প্ৰয়োজন হয় ।
- ✓ মৃত্যুৰ প্ৰমাণ হিচাবে নগৰ পালিকা আদি কৰ্তৃপক্ষৰ দ্বাৰা জাৰি কৰা মৃত্যুৰ প্ৰমাণপত্ৰ

পাঠৰ ব্যাখ্যামূলক নক্সা 3: মৃত্যুদাবীৰ বাবে জমা দিবলগীয়া ফৰ্মবোৰ



ii. মৃত্যুদাবী অগ্ৰাহ্যকৰণ (ৰেপুডিএইশ্বন)

মৃত্যুদাবী পৰিশোধ কৰা হ'ব পাৰে নাইবা প্ৰত্যাখ্যান বা অস্বীকাৰো কৰা হ'ব পাৰে । দাবী প্ৰক্ৰিয়া চলাৰ সময়ত যদি বীমাকাৰকে ধৰা পেলায় যে প্ৰস্তাৱকে কোনো অশুদ্ধ বিবৃতি দিছে বা পলিচিৰ বাবে প্ৰাসঙ্গিক কোনো গুৰুত্বপূৰ্ণ তথ্য গোপন কৰিছে, তেনেহ'লে পলিচিটো অবৈধ বুলি গণ্য হ'ব আৰু ইয়াৰ অধীনৰ সকলো সুবিধা বাজেয়াপ্ত হৈ যাব ।

iii. ধাৰা নং 45 : অবিসম্বাদিত্ব অনুচ্ছেদ (ইনডিছপিউটেবিলিটি ক্ল'জ)

কিন্তু এই দণ্ডটো, বীমা অধিনিয়ম,1938 ৰ 45 নং ধাৰাৰ নিয়মাধীন ।

গুৰুত্বপূৰ্ণ

45 নং ধাৰাত কোৱা হৈছে যে:

জীবন বীমা পলিচি এটা কাৰ্য্যকৰী হোৱাৰ তাৰিখটোৰ পৰা দুবছৰ পাৰ হৈ যোৱাৰ পিছত ইয়াৰ বৈধতাক কোনো বীমাকাৰকে এই কাৰণত প্ৰত্যাহ্বান কৰিব নোৱাৰে যে প্ৰস্তাৱ পত্ৰখনত বা ডাক্তৰি বিষয়াৰ ৰিপ'ৰ্ট নাইবা মেডিকেল ৰেফাৰীৰ ৰিপ'ৰ্টত থকা কোনো তথ্য বা বীমাকৃতৰ বন্ধুয়ে কৰা এটা উক্তি বা পলিচিটো জাৰি হোৱাত ভূমিকা থকা অন্য কোনো দলিলত থকা কোনো বিবৃতি অশুদ্ধ বা অসত্য আছিল, যদিহে বীমাকাৰকে দৰ্শাব নোৱাৰে যে উক্ত বিবৃতিটো এটা গুৰুত্বপূৰ্ণ বিষয়ত কৰা হৈছিল বা এনে তথ্য গোপন কৰা হৈছে যিবোৰ প্ৰকাশ কৰাটো অতি গুৰুত্বপূৰ্ণ আছিল, আৰু যে এইটো পলিচিধাৰকজনে প্ৰৱঞ্চনামূলক উদ্দেশ্যেৰে কৰিছিল, আৰু যে বিবৃতিটো পৰিবেশন কৰাৰ সময়তেই পলিচিধাৰকে জানিছিল যে এইটো অসত্য বা এইটোৱে এনে তথ্য গোপন কৰিছে যিবোৰ প্ৰকাশ কৰাটো অতি গুৰুত্বপূৰ্ণ ।

ব্যাখ্যা :

যদি এজন বীমাধাৰীয়ে গুৰুত্বপূৰ্ণ কোনো তথ্য গোপন কৰে আৰু যদি প্ৰস্তাৱ পত্ৰত থকা গুৰুত্বপূৰ্ণ তথ্যসমূহ অসত্য হয়, তেনেহ'লে বীমাটো কৰাৰ দুই বছৰৰ ভিতৰত যিকোনো সময়ত বীমাকাৰকে পলিচিটো প্ৰত্যাহাৰ কৰিব পাৰে ।

এই দুই বছৰ কাল গ্ৰাহকৰ বাবে অপেক্ষা আৰু নিৰীক্ষণ কাল । এই সময়ছোৱা অতিক্ৰম কৰিলে বীমাকাৰকে প্ৰমাণ কৰিব লাগিব যে পলিচিধাৰকে প্ৰতাৰণামূলক তথ্য পৰিবেশন কৰিছে আৰু গুৰুত্বপূৰ্ণ তথ্য গোপন কৰিছে আৰু তেঁও

জানিছিল যে প্ৰদত্ত তথ্যবোৰ অসত্য । উপযুক্ত প্ৰমাণ লাভৰ পিছতেই কেৱল বীমাকাৰকে দুই বছৰ অতিক্ৰান্ত পলিচি এটা অস্বীকাৰ কৰিব পাৰে ।

iv. মৃত্যুৰ অনুমান (প্ৰিযাম্পশ্বন অব ডেথ)

কেতিয়াবা একোজন ব্যক্তি কোনো খবৰ-খাতি নোহোৱাকৈ হঠাতে নিখোজ বা নিৰুদ্দেশ হৈ যোৱাৰ খবৰ পোৱা যায় । ভাৰতীয় সাক্ষ্য আইন (ইণ্ডিয়ান এভিডেন্স এক্ট) অনুযায়ী এইবোৰক আনুমানিক মৃত্যু হিচাবে গণ্য কৰিব পাৰি যদিহে সাত বছৰ ধৰি এই ব্যক্তিজনৰ কোনো খা-খবৰ পোৱা নাযায় । যদি নামাংকিত ব্যক্তি বা বীমাধাৰী ব্যক্তিজনৰ উত্তৰাধিকাৰীসকলে ব্যক্তিজনক নিখোজ বুলি কৈ ইতিমধ্যে তেঁওৰ মৃত্যু হৈছে বুলি ধৰি লোৱাৰ বাবে দাবী জনায়, তেন্তে বীমাকাৰকে এই মৰ্মে কোনো অৰ্হতাসম্পন্ন আদালতৰ ডিক্ৰীৰ বাবে দাবী কৰে । আদালতে মৃত্যুৰ অনুমানৰ মৰ্মে ডিক্ৰি জাৰি কৰা পৰ্য্যন্ত সকলো প্ৰিমিয়াম পৰিশোধ কৰাটো জৰুৰী ।বীমাকাৰকে ৰেহাই হিচাবে এই সাত বছৰকালৰ প্ৰিমিয়াম মকুব কৰিব পাৰে ।

4. জীবন বীমা পলিচিৰ দাবী প্ৰক্ৰিয়া

আই আৰ ডি এ (পলিচিধাৰকৰ স্বাৰ্থ সুৰক্ষা) বিনিয়ম, 2002 অনুযায়ী নিম্নলিখিত বিষয়বস্তু বিধিভূক্ত হৈছে:

প্ৰবিধান 8: জীবন বীমা পলিচিৰ ক্ষেত্ৰত দাবী প্ৰক্ৰিয়া

i. জীবন বীমা পলিচি এটাত দাবীদাৰজনে দাবী এটাৰ সমৰ্থনত সচৰাচৰ জমা দিবলগীয়া প্ৰাথমিক নথিপত্ৰবোৰৰ উল্লেখ থকাটো আৱশ্যক ।

ii. জীবন বীমা কোম্পানীয়ে দাবী এটা পোৱাৰ পিছত কালক্ষেপ নকৰাকৈ দাবীটোৰ প্ৰক্ৰিয়াকৰণ আৰম্ভ কৰিব লাগিব । কোনো জানিব লগা প্ৰশ্ন বা অতিৰিক্ত নথিৰ প্ৰয়োজনীয়তাখিনি খণ্ড খণ্ডকৈ দাঙি নধৰি দাবীটোৰ প্ৰাপ্তিৰ 15 দিনৰ ভিতৰত যথাসম্ভৱ একেলগে উত্থাপিত কৰিব লাগিব ।

iii. জীবন বীমা পলিচিৰ অধীনত উত্থাপিত এটা দাবী, প্ৰাসঙ্গিক সকলো নথিপত্ৰ আৰু আৱশ্যকীয় স্পষ্টীকৰণ পোৱাৰ 30 দিনৰ ভিতৰত পৰিশোধ কৰা হ'ব নাইবা যথাযথ কাৰণ ব্যাখ্যা কৰি দাবীটো প্ৰতিৰোধ কৰা হ'ব । কিন্তু বীমা কোম্পানীটোৱে যদি ভাবে যে দাবীৰ পৰিস্থিতিবোৰ এনেকুৱা যে এটা তদন্ত কৰি চোৱাৰ প্ৰয়োজন আছে, তেনেহলে কোম্পানীটোৱে অনুসন্ধান আৰম্ভ কৰিব আৰু যিমান সোনকালে সম্ভৱ শেষ কৰিব, যাৰ সৰ্বাধিক সময়সীমা কোনো অৱস্থাতেই দাবী উত্থাপিত হোৱাৰ 6 মাহতকৈ বেছি হ'ব নোৱাৰিব ।

iv. এই আইনৰ 47 নং ধাৰাৰ অনুবিধি অনুসৰি, য'ত দাবী এটা পৰিশোধৰ বাবে প্ৰস্তুত হৈ আছে, কিন্তু কিবা এটা কাৰণত প্ৰাপকজনৰ যথাৰ্থ চিনাক্তকৰণ হোৱা নাই বাবে পৰিশোধ কৰিব পৰা নাই, তেনেক্ষেত্ৰত

v. উপ-বিনিয়ম (iv)ত অন্তৰ্ভূক্ত নথকা কোনো কাৰণত যদি বীমাকাৰকৰ পক্ষৰ পৰা দাবী প্ৰক্ৰিয়াত বিলম্ব হয়, তেনেহলে যি বিত্তীয় বছৰটোত বীমা কোম্পানীটোৱে দাবীটোৰ সমীক্ষা কৰিছিল সেই বছৰৰ আৰম্ভণিতে চলি থকা বেংকৰ হাৰতকৈ 2 শতাংশ বেছি হাৰত জীবন বীমা কোম্পানীটোৱে দাবীৰাশিৰ ওপৰত সুত প্ৰদান কৰিব ।

5. এজেন্ট এজনৰ ভূমিকা

এজেণ্ট এজনে শুদ্ধ আৰু যথাযথভাৱে ক্লেইম ফৰ্ম পুৰণৰ বাবে নামাংকিত ব্যক্তি / বৈধ উত্তৰাধিকাৰীজনলৈ সকলো ধৰণৰ সেৱা তথা সহযোগিতা আগ বঢ়াব আৰু এইবোৰক বীমাকাৰকৰ অফিছত জমা কৰাৰ বাবে প্ৰয়োজনীয় সহযোগ কৰিব ।

এনেকুৱা পৰিস্থিতিত দায়িত্ব পালনৰ বাহিৰেও সদিচ্ছা আৰু বন্ধুত্বৰ পৰিবেশৰ সৃষ্টি হয় য'ত ভৱিষ্যতে মৃতকৰ পৰিয়ালৰ পৰা নতুন ব্যৱসায় সংগ্ৰহ কৰাৰ বা ব্যৱসায়ৰ বাবে চুপাৰিছৰ প্ৰচুৰ সুযোগ থাকে ।

নিজক পৰখ কৰক 1

তলৰ কোনটো বিবৃতিয়ে দাবীৰ ধাৰণাটো সৰ্বাধিক উপযুক্তভাৱে বৰ্ণনা কৰে?

I. দাবী হৈছে এটা অনুৰোধ, যিটো বীমাকাৰকে চুক্তিত নিৰ্দ্ধাৰিত প্ৰতিশ্ৰুতি অনুযায়ী ক্ষতিপূৰণ হিচাবে দিব লাগে

II. দাবী হৈছে এটা চাহিদা, যিটো বীমাকাৰকে চুক্তিত নিৰ্দ্ধাৰিত প্ৰতিশ্ৰুতি অনুযায়ী ক্ষতিপূৰণ হিচাবে দিব লাগে

III. দাবী হৈছে এটা চাহিদা, যিটো বীমাকাৰকে পাৰস্পৰিক ঐকমত্যত নিৰ্দ্ধাৰিত বাধকতা অনুযায়ী ক্ষতিপূৰণ হিচাবে দিব লাগে

IV. দাবী হৈছে এটা অনুৰোধ, যিটো বীমাকাৰকে পাৰস্পৰিক ঐকমত্যত নিৰ্দ্ধাৰিত প্ৰতিশ্ৰুতি অনুযায়ী ক্ষতিপূৰণ হিচাবে দিব লাগে

সাৰ সংক্ষেপ

- দাবী হৈছে এটা চাহিদা, যিটো বীমাকাৰকে চুক্তিত নিৰ্দ্ধাৰিত প্ৰতিশ্ৰুতি অনুযায়ী ক্ষতিপূৰণ হিচাবে দিব লাগে ।
- দাবী এটা জীৱিতাৱস্থাৰ দাবী বা মৃত্যুদাবী হ'ব পাৰে ।য'ত মৃত্যুদাবী কেৱল জীবন বীমাকৃতৰ মৃত্যুতহে উত্থাপিত হয়, জীৱিতাৱস্থাৰ দাবী কিন্তু এক বা একাধিক ঘটনা ঘটাৰ ফলত উত্থাপিত হ'ব পাৰে।
- জীৱিতাৱস্থাৰ দাবী পৰিশোধৰ বাবে বীমাকাৰকে নিৰ্ণয় কৰিব লাগিব যে পলিচিত থকা চৰ্ত অনুযায়ী ঘটনাটো ঘটিছে নে নাই ।
- পলিচি এটাৰ ম্যাদৰ ভিতৰত নিম্নলিখিত পৰিশোধবোৰ প্ৰদেয় হ'ব পাৰে:
  - ✓ বিদ্যমানতাৰ সুবিধাৰ পৰিশোধ
  - ✓ পলিচিৰ সমৰ্পণ
  - ✓ ওপৰঞ্চি সুবিধা
  - ✓ ম্যাদপূৰ্তিৰ দাবী
  - ✓ মৃত্যুদাবী
- বীমা অধিনিয়মৰ 45 নং ধাৰাই (অবিসম্বাদিত্ব অনুচ্ছেদ) বীমাকাৰকৰ দ্বাৰা দাবী অগ্ৰাহ্যকৰণৰ পৰা বীমাকৃতক সুৰক্ষা প্ৰদান কৰে, যদিহে পলিচিটোৱে দুই বছৰ সম্পূৰ্ণ কৰিছে আৰু বীমাকৃতই কোনো গুৰুত্বপূৰ্ণ তথ্য গোপন কৰা নাই ।
- আই আৰ ডি এ (পলিচিধাৰক স্বাৰ্থ সুৰক্ষা) বিনিয়ম,2002ৰ অধীনত আই আৰ ডি এ-ই দাবীৰ ক্ষেত্ৰত বীমাকৃত বা তেঁওৰ হিতাধিকাৰীক ৰক্ষাকৱচ / সুৰক্ষা দিয়াৰ বাবে কিছু নিয়ম বিধিভূক্ত কৰিছে ।

"নিজক পৰখ কৰক"ৰ উত্তৰ

উত্তৰ 1

সঠিক বিকল্পটো হৈছে II

দাবী হৈছে এটা চাহিদা, যিটো বীমাকাৰকে চুক্তিত নিৰ্দ্ধাৰিত প্ৰতিশ্ৰুতি অনুযায়ী ক্ষতিপূৰণ হিচাবে দিব লাগে ।

স্ব-পৰীক্ষণ প্ৰশ্ন

প্ৰশ্ন 1

তলত পলিচিবোৰৰ এখন তালিকা দিয়া হৈছে ।কোন প্ৰকাৰ পলিচিৰ ক্ষেত্ৰত পৰ্য্যাবৃত্তিক বা নিৰ্দ্দিষ্ট সময়ান্তৰৰ পৰিশোধৰ ৰূপত দাবীটো পৰিশোধ কৰা হয়, বাছি লওক ।

I. মানি বেক পলিচি

II. ইউনিট লিংকড বীমা পলিচি

III. প্ৰিমিয়াম প্ৰত্যৰ্পণ কৰা পলিচি

IV. ম্যাদী বীমা পলিচি

প্ৰশ্ন 2

মহেশে গুৰুতৰ অসুস্থতাৰ ওপৰঞ্চি সুবিধাৰ সৈতে জীবন বীমা পলিচি এটা লৈছে । তেঁও কৰণৰ সপক্ষে পলিচিটোৰ সম্পুৰ্ণ হস্তান্তৰকৰণ কৰিছে ।মহেশ হৃদযন্ত্ৰৰ জটিলতাত আক্ৰান্ত হ'ল আৰু গুৰুতৰ অসুস্থতাৰ ওপৰঞ্চি সুবিধাৰ অধীনত 50,000 টকাৰ দাবী এটা উত্থাপিত হ'ল । এই ক্ষেত্ৰত পৰিশোধটো কাক কৰা হ'ব?

I. মহেশ

II. কৰণ

III. পৰিশোধৰ ৰাশিটো দুজনৰ মাজত সমানে ভগাই দিয়া হ'ব

IV. কাকো দিয়া নহয় কিয়নো মহেশ অসুস্থতাত আক্ৰান্ত হৈছে যদিও, পলিচিটো কিন্তু কৰণৰ সপক্ষে হস্তান্তৰকৰণ কৰা হৈছে

প্ৰশ্ন 3

এটা মটৰ দুৰ্ঘটনাত প্ৰবীনৰ মৃত্যু হৈছে ।তেঁওৰ হিতাধিকাৰীজনে মৃত্যুদাবীৰ বাবে দলিল পত্ৰ দাখিল কৰিছে । তলৰ কোনটো নথি স্বাভাৱিক মৃত্যুৰ তুলনাত দুৰ্ঘটনা জনিত মৃত্যুৰ বাবে লগা অতিৰিক্ত নথি?

I. সমাধিস্থ বা শৱদাহ কৰাৰ প্ৰমাণপত্ৰ

II. শেহতীয়াকৈ চিকিৎসা কৰা ডাক্তৰজনে দিয়া প্ৰমাণপত্ৰ

III. নিয়োগকৰ্তাই দিয়া প্ৰমাণপত্ৰ

IV. মৃত্যুৰ কাৰণ সম্বন্ধে ন্যায়িক তদন্তৰ প্ৰতিৱেদন

প্ৰশ্ন 4

তলৰ কোনটো মৃত্যুদাবী আগতীয়া মৃত্যুদাবী হিচাবে গণ্য কৰা হ'ব?

I. যদি জীবন বীমাধাৰীৰ মৃত্যু পলিচিৰ ম্যাদৰ তিনি বছৰৰ ভিতৰত হয়

II. যদি জীবন বীমাধাৰীৰ মৃত্যু পলিচিৰ ম্যাদৰ পাঁচ বছৰৰ ভিতৰত হয়

III. যদি জীবন বীমাধাৰীৰ মৃত্যু পলিচিৰ ম্যাদৰ সাত বছৰৰ ভিতৰত হয়

IV. যদি জীবন বীমাধাৰীৰ মৃত্যু পলিচিৰ ম্যাদৰ দহ বছৰৰ ভিতৰত হয়

প্ৰশ্ন 5

তলত কেইটামান ঘটনাৰ উল্লেখ কৰা হৈছে, যিবোৰে জীৱিতাৱস্থাৰ দাবীৰ সূত্ৰপাত কৰে ।এই পৰিপ্ৰেক্ষিতত তলৰ কোনটো বিবৃতি সঠিক নহয়?

I. এটা ম্যাদী বীমা পলিচিৰ ম্যাদপূৰ্তিত দাবী পৰিশোধ

II. মানি বেক পলিচিৰ অধীনত এটা বিশিষ্ট পৰ্য্যায়ত উপস্থিত হোৱাৰ পিছত প্ৰদেয় কিস্তি

III. পলিচি এটাত ওপৰঞ্চি সুবিধা হিচাবে অন্তৰ্ভূক্ত গুৰুতৰ অসুস্থতাৰ সুবিধাৰ পৰিশোধ

IV. পলিচিধাৰকে বন্দৱস্তি পলিচি এটা সমৰ্পণ কৰা বাবে সমৰ্পণ মূল্যৰ পৰিশোধ

প্ৰশ্ন 6

মানি বেক পলিচি এটাৰ অধীনত এটা বিশিষ্ট পৰ্য্যায়ত উপস্থিত হোৱাৰ পিছত পৰিশোধ কৰাটো কোন প্ৰকাৰৰ দাবীত শ্ৰেণীবদ্ধ কৰা হয়?

I. মৃত্যুদাবী

II. ম্যাদপূৰ্তিৰ দাবী

III. পৰ্য্যাবৃত্তিক বিদ্যমানতাৰ দাবী

IV. সমৰ্পণ দাবী

প্ৰশ্ন 7

শঙ্কৰে এটা দহ বছৰীয়া ইউনিট লিংকড আঁচনি ক্ৰয় কৰিছে ।যদি পলিচিটোৰ ম্যাদপূৰ্তিৰ আগতেই তেঁওৰ মৃত্যু হয়, তেনেহলে তলৰ কোনটো পৰিশোধ কৰা হব?

I. আশ্বাসিত বীমাৰাশি আৰু পুঁজিমূল্যৰ মাজত যিটো কম হ'ব

II. আশ্বাসিত বীমাৰাশি আৰু পুঁজিমূল্যৰ মাজত যিটো বেছি হ'ব

III. বেংকৰ ছেভিং ডিপ'জিটৰ তুলনাত আৰু 2 শতাংশ অধিক হাৰৰ সুতৰ সৈতে প্ৰিমিয়ামখিনি ঘুৰাই দিয়া হ'ব

IV. সমৰ্পণ মূল্য

প্ৰশ্ন 8

দাবীৰ শ্ৰেণীবিন্যাসৰ (আগতীয়া বা অনা-আগতীয়া) ওপৰত ভিত্তি কৰি খাপ নোখোৱাটো বিচাৰি লওক ।

I. এটা ম্যাদী বীমা আঁচনি কিনাৰ ছমাহ পিছত ৰম্যৰ মৃত্যু হ'ল

II. এটা ম্যাদী বীমা আঁচনি কিনাৰ ডেৰ বছৰ পিছত মনোজৰ মৃত্যু হ'ল

III. এটা ম্যাদী বীমা আঁচনি কিনাৰ আঢ়ৈ বছৰ পিছত ডেভিডৰ মৃত্যু হ'ল

IV. এটা ম্যাদী বীমা আঁচনি কিনাৰ চাৰে পাঁচ বছৰ পিছত প্ৰবীনৰ মৃত্যু হ'ল

প্ৰশ্ন 9

জীবন বীমাকৃতৰ স্বাভাৱিক মৃত্যুৰ পিছত তেঁওৰ সকলো হিতাধিকাৰীয়ে জমা কৰিব লগীয়া নথিপত্ৰবোৰৰ তালিকাখন তলত দিয়া হ'ল ।ইয়াৰ পৰা বাকীবোৰৰ লগত নিমিলাটো বিচাৰি লওক, যিটো দুৰ্ঘটনাৰ ফলত মৃত্যুৰ ক্ষেত্ৰতহে অতিৰিক্তভাৱে দাখিল কৰিব লগা হয় ।

I. মৃত্যুৰ কাৰণ সম্বন্ধে ন্যায়িক তদন্তৰ প্ৰতিৱেদন

II. দাবীপত্ৰ

III. সমাধিস্থ বা শৱদাহ কৰাৰ প্ৰমাণপত্ৰ

IV. হাস্পতালে দিয়া প্ৰমাণপত্ৰ

প্ৰশ্ন 10

আই আৰ ডি এ (পলিচিধাৰকৰ স্বাৰ্থ সুৰক্ষা) বিনিয়ম, 2002 অনুযায়ী জীবন বীমা পলিচি এটাৰ দাবী প্ৰাসঙ্গিক সকলো নথিপত্ৰ আৰু আৱশ্যকীয় স্পষ্টীকৰণ পোৱাৰ_____ৰ ভিতৰত পৰিশোধ কৰা হ'ব নাইবা যথাযথ কাৰণ ব্যাখ্যা কৰি দাবীটো প্ৰতিৰোধ কৰা হ'ব ।

I. 7 দিন

II. 15 দিন

III. 30 দিন

IV. 45 দিন

স্ব-পৰীক্ষণমূলক প্ৰশ্নৰ উত্তৰ

উত্তৰ 1

সঠিক উত্তৰটো হৈছে I

মানি বেক পলিচি এটাৰ ক্ষেত্ৰত পৰ্য্যাবৃত্তিক বা নিৰ্দ্দিষ্ট সময়ান্তৰৰ পৰিশোধৰ ৰূপত দাবীটো পৰিশোধ কৰা হয়।

উত্তৰ 2

সঠিক উত্তৰটো হৈছে II

এই ক্ষেত্ৰত 50,000 টকাৰ গোটেই পৰিমাণটো কৰণক পৰিশোধ কৰা হ'ব কাৰণ কৰণৰ সপক্ষে পলিচিৰ স্বত্বটো সম্পূৰ্ণ হস্তান্তৰকৰণৰ জৰিয়তে হস্তান্তৰণ হৈছে।

উত্তৰ 3

সঠিক উত্তৰটো হৈছে IV

নামাংকিত ব্যক্তিজনে পূৰণ কৰা দাবীপত্ৰ, সমাধিস্থ বা শৱদাহ কৰা প্ৰমাণপত্ৰ, শেহতীয়াকৈ চিকিৎসা কৰা ডাক্তৰজনে দিয়া ৰিপ'ৰ্ট, হাস্পতাল কৰ্তৃপক্ষই দিয়া ৰিপ'ৰ্ট, নিয়োগকৰ্তাজনে দিয়া ছাৰ্টিফিকেটৰ দৰে নথিপত্ৰবোৰ স্বাভাৱিক মৃত্যু বা দুৰ্ঘটনা জনিত মৃত্যু দুটা ক্ষেত্ৰতেই জমা দিব লগা হয়।

স্বাভাৱিক মৃত্যুৰ তুলনাত দুৰ্ঘটনা জনিত মৃত্যুৰ ক্ষেত্ৰত, প্ৰথম অভিযোগ প্ৰতিৱেদন (ফাৰ্স্ট ইনফৰমেশ্বন ৰিপৰ্ট বা এফ আই আৰ), মৃত্যুৰ কাৰণ সম্বন্ধে ন্যায়িক তদন্তৰ (ইনকুৱেষ্ট) ৰিপৰ্ট, প'ষ্ট মৰ্টেম ৰিপৰ্ট, চূড়ান্ত (ফাইনেল) ৰিপৰ্ট আদি পুলিচ ৰিপৰ্টবোৰ অতিৰিক্ত দলিল হিচাবে জমা দিব লগা হয়।

উত্তৰ 4

সঠিক উত্তৰটো হৈছে I

যদি জীবন বীমাধাৰীৰ মৃত্যু পলিচিৰ ম্যাদৰ তিনি বছৰৰ ভিতৰত হয়, তেনেহলে মৃত্যুদাবীটোক আগতীয়া মৃত্যুদাবী বা আৰ্লি ক্লেইম বুলি গণ্য কৰা হ'ব।

উত্তৰ 5

সঠিক উত্তৰটো হৈছে I

এটা ম্যাদী বীমা পলিচিৰ ম্যাদপূৰ্তিত কোনো দাবী পৰিশোধ কৰা নহয়।

উত্তৰ 6

সঠিক উত্তৰটো হৈছে III

মানি বেক পলিচি এটাৰ অধীনত এটা বিশিষ্ট পৰ্য্যায়ত উপস্থিত হোৱাৰ পিছত পৰিশোধ কৰা দাবীটোক পৰ্য্যাবৃত্তিক বা নিয়মিত ব্যৱধানত প্ৰদান কৰা বিদ্যমানতাৰ দাবীৰ শ্ৰেণীভূক্ত কৰা হয়।

উত্তৰ 7

সঠিক উত্তৰটো হৈছে II

যদি ইউলিপ পলিটোৰ ম্যাদপূৰ্তিৰ আগতেই শংকৰৰ মৃত্যু হয়, তেনেহলে আশ্বাসিত বীমাৰাশি আৰু পুঁজিমূল্যৰ মাজত যিটো বেছি হ'ব সেইটোকেই দাবী হিচাবে পৰিশোধ কৰা হ'ব।

উত্তৰ 8

সঠিক উত্তৰটো হৈছে IV

IVটোৱেই হ'ল জাকত নিমিলা বিকল্প কিয়নো ইয়াক অনা-আগতীয়া দাবী বা নন-আৰ্লি ক্লেইম বুলি গণ্য কৰা হ'ব য'ত I, II আৰু IIIক আগতীয়া দাবী বা আৰ্লি ক্লেইম হিচাবে গণ্য কৰা হ'ব ।

উত্তৰ 9

সঠিক উত্তৰটো হৈছে I

দুৰ্ঘটনাৰ ফলত মৃত্যুৰ ক্ষেত্ৰত অতিৰিক্ত দলিল হিচাবে মৃত্যুৰ কাৰণ সম্বন্ধে ন্যায়িক তদন্তৰ ৰিপৰ্টৰ প্ৰয়োজন হয় । অন্যান্য নথি, যেনে দাবীপত্ৰ, সমাধিস্থ বা শৱদাহ কৰাৰ প্ৰমাণপত্ৰ, হাস্পতাল কৰ্তৃপক্ষই জাৰি কৰা ছাৰ্টিফিকেট সকলোবোৰ জীবন বীমাধাৰীৰ মৃত্যুৰ ক্ষেত্ৰত হিতাধিকাৰীসকলে জমা দিয়াটো আৱশ্যক ।

উত্তৰ 10

সঠিক উত্তৰটো হৈছে III

আই আৰ ডি এ (পলিচিধাৰকৰ স্বাৰ্থ সুৰক্ষা) বিনিয়ম, 2002 অনুযায়ী জীবন বীমা পলিচিৰ অধীনত উত্থাপিত এটা দাবী, প্ৰাসঙ্গিক সকলো নথিপত্ৰ আৰু আৱশ্যকীয় স্পষ্টীকৰণ পোৱাৰ 30 দিনৰ ভিতৰত পৰিশোধ কৰা হ'ব নাইবা যথাযথ কাৰণ ব্যাখ্যা কৰি দাবীটো প্ৰতিৰোধ কৰা হ'ব ।

SECTION 3
Health INSURANCE

অধ্যায় 17

স্বাস্থ্য বীমাৰ পৰিচয়

পাঠ পৰিচয়

সময়ৰ সোঁতত বীমাৰ কেনেকৈ বিকাশ হৈছে এই পাঠটোৱে আপোনাক কব. এইটোৱে লগতে স্বাস্থ্যৰ যতন কি, স্বাস্থ্য যতনৰ স্তৰবোৰ আৰু স্বাস্থ্যৰ যতনৰ প্ৰকাৰবোৰ বিষয়ে ব্যাখ্যা কৰিব. আপুনি লগতে ভাৰতবৰ্ষত উপলব্ধ স্বাস্থ্য যতনৰ প্ৰণালী আৰু ইয়াক প্ৰভাৱিত কৰা কাৰকবোৰৰ বিষয়ে শিকিব পাৰিব. শেষত, এইটোৱে ভাৰতবৰ্ষত স্বাস্থ্য বীমাৰ কেনেকৈ বিকাশ হৈছিল আৰু লগতে ভাৰতবৰ্ষৰ স্বাস্থ্য বীমা বজাৰত থকা বিভিন্ন অংশগ্ৰহণকাৰীৰ বিষয়ে ব্যাখ্যা কৰিব.

পাঠটোৰ পৰা শিকিবলগীয়াবোৰ

A. স্বাস্থ্যৰ যতন কি
B. স্বাস্থ্য যতনৰ স্তৰবোৰ
C. স্বাস্থ্য যতনৰ প্ৰকাৰবোৰ
D. ভাৰতবৰ্ষত স্বাস্থ্যৰ প্ৰণালীবোৰ প্ৰভাৱিত কৰা কাৰকবোৰ
E. ভাৰতবৰ্ষত স্বাহ্য বীমাৰ বিকাশ
F. স্বাস্থ্য বীমাৰ বজাৰ

এই পাঠটো পঢ়াৰ পিছত, আপুনি সক্ষম হোৱা উচিত:

1. কেনেকৈ বীমাৰ বিকাশ হৈছে বুজিবলৈ.
2. স্বাস্থ্য যতনৰ ধাৰণা আৰু প্ৰকাৰবোৰ আৰু স্বাস্থ্য যতনৰ স্তৰবোৰ ব্যাখ্যা কৰিবলৈ.
3. ভাৰতবৰ্ষত স্বাস্থ্যৰ যতন প্ৰভাৱিত কৰা কাৰকবোৰ আৰু স্বাধীনতাৰ পিছৰে পৰা লাভ কৰা অগ্ৰগতিবোৰৰ মূল্যাংকন কৰিবলৈ.
4. ভাৰতবৰ্ষ হোৱা স্বাস্থ্য বীমাৰ ক্ৰম বিকাশটো আলোচনা কৰিবলৈ.
5. ভাৰতবৰ্ষত স্বাস্থ্য বীমাৰ বজাৰখনৰ বিষয়ে জানিবলৈ.

A. *স্বাস্থ্যৰ যতন কি*

আপুনি "স্বাস্থ্যই পৰম ধন" বুলি কোৱা শুনিছে. স্বাস্থ্যই আচলতে কি বুজায় আপুনি কেতিয়াবা জানিবলৈ চেষ্টা কৰিছে নে? 'স্বাস্থ্য' শব্দটো 'হোল্থ' ৰ পৰা আহিছে, যাৰ অৰ্থ হল 'শৰীৰ দৃঢ়তা'.

পুৰণি দিনত, স্বাস্থ্যটো 'ইশ্বৰ প্ৰদত্ত' বুলি ভবা হৈছিল আৰু ৰোগবোৰ সংলিষ্ট ব্যক্তিজনে কৰা পাপৰ ফল বুলি ভবা হৈছিল. এইটো আছিল হিপ্পোক্ৰেটছ (৪৬০ পৰা ৩৭০ বি.চি. লৈ) যিয়ে ৰোগৰ আঁৰৰ কাৰণ বিচাৰি উলিয়াইছিল. তেওঁৰ মতে পৰিৱেশ, স্বচ্ছতা, ব্যক্তিগত স্বাস্থ্য বিজ্ঞান আৰু আহাৰ আদিৰ সৈতে সম্পৰ্কীয় বিভিন্ন কাৰকবোৰৰ বাবে ৰোগ হয়.

আয়ুৰ্বেদৰ ভাৰতীয় প্ৰণালীটো হিপ্পোক্ৰেটছৰ আগতে কেইবা শতিকা আগৰে পৰা বৰ্তি আছিল, স্বাস্থ্যটো চাৰিটা তৰলৰ সুষম সমতা হিচাপে বিবেচনা কৰক: ৰক্ত, হালধীয়া পিত্ত, কলা পিত্ত আৰু ফ্লেগম আৰু এই তৰলবোৰৰ অসমতাটোৱেই শৰীৰ অসুস্থ কৰি তোলে. শুশ্ৰুত, ভাৰতীয় চিকিৎসা বিজ্ঞান পিতৃ যিয়ে আনকি দক্ষতাৰে জটিল অস্ত্ৰোপচাৰ সম্পন্ন কৰিছিল, সেইসময়ত পশ্চিমত সেইটো জ্ঞাত নাছিল.

সময়ৰ সোঁতত আধুনিক চিকিৎসাটোৰ জটিল বিজ্ঞানলৈ ক্ৰম বিকাশ ঘটিছে আৰু আধুনিক চিকিৎসাৰ লক্ষ্যটো মাত্ৰ বেমাৰৰ শুশ্ৰুষা হৈ থকা নাই, বেমাৰৰ প্ৰতিৰোধ আৰু জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰাটোও ইয়াত অন্তৰ্ভুক্ত হৈ পৰিছে. বিশ্ব স্বাস্থ্য

সংস্থাই ১৯৪৮ চনত স্বাস্থ্যৰ এটা বিস্তৃতভাৱে গ্ৰহণযোগ্য সংজ্ঞা আগবঢ়াইছে, এইটোৱে কয় যে " স্বাস্থ্য হল সম্পূৰ্ণ দৈহিক, মানসিক আৰু সামাজিক সুখৰ এটা অৱস্থা আৰু কেৱল মাত্ৰ বেমাৰৰ অনুপস্থিতিটো নহয়". এইটো জনা উচিত যে আয়ুৰ্বেদৰ দৰে চিকিৎসাৰ ভাৰতীয় প্ৰণালীটোৱ অতি প্ৰাচীনকালৰে পৰা স্বাস্থ্যৰ তেনেকুৱা এটা সম্পূৰ্ণ অৱস্থা চামিল কৰি আহিছে.

সংজ্ঞা

বিশ্ব স্বাস্থ্য সংস্থা (WHO): স্বাস্থ্য হল সম্পূৰ্ণ দৈহিক, মানসিক আৰু সামাজিক সুখৰ এটা অৱস্থা আৰু কেৱল মাত্ৰ বেমাৰৰ অনুপস্থিতিটো নহয়.

স্বাস্থ্যৰ নিৰ্ধাৰকবোৰ

এইটো সাধাৰণতে বিশ্বাস কৰা হয় যে নিম্নোক্ত কাৰকবোৰে যিকোনো ব্যক্তিৰ স্বাস্থ্যটো নিৰ্ধাৰণ কৰে :

a) **জীৱনশৈলীৰ কাৰকবোৰ**

জীৱনশৈলী কাৰকবোৰ হল সেইবোৰ যিবোৰ প্ৰায়ে ব্যক্তিগত বিবেচনাৰ দ্বাৰা নিয়ন্ত্ৰিত হয় উদাহৰণস্বৰূপে সীমিতভাৱে ব্যায়াম কৰা আৰু খোৱা, চিন্তা পৰিহাৰ কৰা আৰু সুস্বাস্থ্য অধিকাৰী হোৱা; আৰু ধুম্ৰপান, ড্ৰাগ সেৱন, অসুৰক্ষিত যৌন সম্পৰ্ক আৰু নিষ্ক্ৰিয় জীৱন শৈলী (কোনো ব্যায়াম নকৰা) ইত্যাদিৰ দৰে বেয়া জীৱনশৈলী আৰু অভ্যাসবোৰে কৰ্কট ৰোগ, এইডছ, উচ্চৰক্তচাপ আৰু মধুমেহ আদিৰ দৰে বেমাৰত আক্ৰান্ত হোৱাৰ সম্ভাৱনা বৃদ্ধি কৰে.

যদিও চৰকাৰে তেনেকুৱা আচৰণ নিয়ন্ত্ৰণ / প্ৰভাৱিত কৰিবলৈ চৰকাৰে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে (উদাহৰণস্বৰূপে, ড্ৰাগ সেৱনকাৰীক যাৱতজীৱন কাৰাদণ্ড বিহা, টম্বাকুৰ দ্বাৰা তৈয়াৰী দ্ৰব্যবোৰৰ ওপৰত অধিক কৰ আৰোপ কৰা.), তথাপিও ব্যক্তি এজনৰ ব্যক্তিগত সজাগতাটোৱে জীৱনশৈলী কাৰকবোৰৰ বাবে হোৱা ৰোগবোৰ নিয়ন্ত্ৰণ কৰাত নিৰ্ধাৰকৰ ভূমিকা গ্ৰহণ কৰে.

b) **পৰিৱেশজনিত কাৰকবোৰ**

সুৰক্ষিত খোৱা পানী, স্বচ্ছতা আৰু পুষ্টি আদিবোৰ হল স্বাস্থ্যৰ বাবে মহত্বপূৰ্ণ, যাৰ অভাৱৰ ফলত সমগ্ৰ পৃথিৱীত দেখা পোৱাৰ দৰে গুৰুত্বপূৰ্ণ স্বাস্থ্যজনিত সমস্যাৰ সৃষ্টি কৰিব পাৰে, বিশেষকৈ উন্নয়ণশীল দেশবোৰত. ইনফ্লুৱেঞ্জা আৰু চিকেনপক্সৰ দৰে সচৰা বেমাৰবোৰ অস্বাস্থ্যকৰ পৰিৱেশৰ বাবে বিয়পে, মেলেৰিয়া আৰু ডেংগু আদি বেয়া পৰিৱেশজনিত সচ্ছতাৰ বাবে বিয়পে, সেইদৰে অন্য কিছুমান ৰোগও পৰিৱেশজনিত কাৰকৰ বাবে হয় উদাহৰণস্বৰূপে এছবেছটোছ নিৰ্মাণৰ কাৰখানাত কাম কৰা শ্ৰমিকবোৰৰ এছবেছটোছ আৰু লগতে কয়লা খনিকবোৰৰ হাওফাওৰ ৰোগ হোৱাৰ দৰে কিছুমান নিৰ্মাণ কাৰখানাত কৰ্মৰত ব্যক্তিবোৰৰ বৃত্তিজনিত সংকটবোৰৰ সৈতে সম্পৰ্কীয় ৰোগত আক্ৰান্ত হোৱাৰ সম্ভাৱনা অধিক.

c) **আনুবংশিক কাৰকবোৰ**

জিনৰ জৰিয়তে ৰোগবোৰ পিতৃ-মাতৃৰ পৰা সন্তানলৈ বিয়পিব পাৰে. তেনেকুৱা আনুবংশিক কাৰকবোৰে জাতি, ভৌগোলিক স্থান আৰু আনকি সম্প্ৰদায়বোৰৰ ওপৰত ভিত্তি কৰি বিশ্বব্যাপি থকা জনসংখ্যাৰ বিভিন্ন স্বাস্থ্যৰ ধাৰাত ফলাফল দেখুৱায়.

এইটো সম্পূৰ্ণৰূপে স্পষ্ট যে দেশ এখনৰ সামাজিক আৰু আৰ্থিক প্ৰগতিটো ইয়াৰ ব্যক্তিবোৰৰ স্বাস্থ্যৰ ওপৰত নিৰ্ভৰ কৰে. এটা স্বাস্থ্যৱান জনসংখ্যাই কেবল মাত্ৰ আৰ্থিক কাৰ্যকলাপৰ বাবে উৎপাদনক্ষম জনবল আগ নবঢ়ায় কিন্তু লগতে মূল্যৱান সম্পদবোৰ মুকলি কৰে যিটো ভাৰতবৰ্ষৰ দৰে উন্নয়ণশীল ৰাষ্ট্ৰ এখনৰ বাবে সকলোতকৈ বেছি গুৰুত্বপূৰ্ণ. এটা ব্যক্তিগত স্তৰত, ৰুগীয়া স্বাস্থ্যই জীৱিকাত ক্ষতি সাধন কৰিব পাৰে, দৈনিক প্ৰয়োজনীয় কাৰ্যকলাপবোৰ সম্পাদন কৰিবলৈ অক্ষম হোৱা আৰু ব্যক্তিক দৰিদ্ৰতালৈ ঠেলি দিয়া আৰু আনকি আত্মহত্যা কৰিবলৈ বাধ্য কৰোৱা.

এইদৰে পৃথিৱীৰ চাৰিওফালে চৰকাৰবোৰে দেশৰ মানুহবোৰৰ স্বাস্থ্য আৰু সুখৰ বাবে বিভিন্ন পদক্ষেপ লয় আৰু সকলো নাগৰিকৰ বাবে স্বাস্থ্যৰ যতন লাভ আৰু বহনৰ সামৰ্থ্যটো নিশ্চিত কৰে. এইদৰে স্বাস্থ্যৰ যতনত 'খৰচ' কৰাটোৱে দৰাচলতে প্ৰতিখন দেশৰ GDP ৰ গুৰুত্বপূৰ্ণ অংশ এটা তৈয়াৰ কৰে.

ভিন্ন পৰিস্থিতিৰ বাবে ভিন্ন প্ৰকাৰৰ স্বাস্থ্যৰ যতন প্ৰয়োজন হয়নে এই সম্পৰ্কত এইটোৱে এটা প্ৰশ্নৰ উত্থাপন কৰে.

B. *স্বাস্থ্য যতনৰ স্তৰবোৰ*

স্বাস্থ্যৰ যতনটো হল মানুহৰ স্বাস্থ্য বিকাশ, প্ৰতিপালন, নিৰীক্ষণ বা উভতাই আনিবলৈ চৰকাৰকে ধৰি বিভিন্ন এজেন্সী আৰু যোগানধৰ্তাবোৰে আগবঢ়োৱা সেৱাবোৰৰ এটা শ্ৰেণী. স্বাস্থ্যৰ যতন কাৰ্যকৰী হবলৈ অপৰিহাৰ্য:

- মানুহৰ প্ৰয়োজন অনুসৰি উপযুক্ত
- ব্যাপক
- পৰ্য্যপ্ত
- সহজে উপলব্ধ
- বহন কৰিবলৈ সক্ষম

ব্যক্তি এজনৰ স্বাস্থ্যৰ অৱস্থাটো এজন পাৰস্পৰিকভাৱে চালিত হয়. সকলো ধৰণৰ স্বাস্থ্যজনিত সমস্যাৰ বাবে একেটা স্তৰত আন্ত:গাঁথনি উপলব্ধ কৰাটো সাধ্যও নহয়, প্ৰয়োজনীয়ও নহয়. স্বাস্থ্য যতনৰ সুবিধাবোৰ জনসংখ্যাটোৰ ৰোগাক্ৰান্ত হোৱাৰ সম্ভাৱনাটোৰ ওপৰত ভিত্তি কৰি প্ৰদান কৰা উচিত. উদাহৰণস্বৰূপে, ব্যক্তি এজনৰ বছৰত বহুত বাৰ জ্বৰ, চৰ্দি, কাঁহ, ছালৰ এলাৰ্জি ইত্যাদি হব পাৰে, কিন্তু চৰ্দি আৰু কাঁহৰ তুলনাত তেওঁ/তেখেতৰ হেপাটাইটিছ B ত আক্ৰান্ত হোৱাৰ সম্ভাৱনাটো কম.

একেদৰে, একেজন ব্যক্তিৰ হেপাটাইটিছ B ৰ তুলনাত হৃদযন্ত্ৰৰ ৰোগ বা কৰ্কটৰোগৰ দৰে কঠিন ৰোগ এটাত আক্ৰান্ত হোৱাৰ সম্ভাৱনা কম. সেয়েহে, এখন গাওঁ বা এখন জিলা বা এখন ৰাজ্যৰ যিকোনো অঞ্চলত স্বাস্থ্যৰ যতনৰ সুবিধাবোৰ স্থাপন কৰাটো তলত উল্লেখ কৰাৰ দৰে সেই অঞ্চলটোৰ সূচক বুলি কোৱা বিভিন্ন স্বাস্থ্য যতনৰ কাৰকবোৰৰ ওপৰত নিৰ্ভৰ কৰে:

- ✓ জনসংখ্যাৰ আকাৰ
- ✓ মৃত্যুৰ হাৰ
- ✓ ৰুগ্নতাৰ হাৰ
- ✓ অক্ষমতাৰ হাৰ
- ✓ মানুহবোৰৰ সামাজিক আৰু মানসিক স্বাস্থ্য
- ✓ মানুহবোৰৰ সাধাৰণ পুষ্টিজনিত অৱস্থা
- ✓ পৰিৱেশজনিত কাৰকবোৰ যদি এইটো এটা খনিৰ অঞ্চল বা এটা উদ্যোগিক অঞ্চল হয়
- ✓ সাম্ভাব্য স্বাস্থ্যৰ যতন আগবঢ়োৱা প্ৰণালীটো উদাহৰণস্বৰূপে হাৰ্টৰ চিকিৎসক এজন গ্ৰাম্য অঞ্চলত সহজে উপলব্ধ নাথাকিব পাৰ আৰু জিলা চহৰ থাকিব পাৰে
- ✓ স্বাস্থ্যৰ যতন প্ৰণালীটোৰ সম্ভৱত কিমান ব্যৱহাৰ কৰা হব
- ✓ সুলভ দৰে সামাজিক-আৰ্থিক কাৰকবোৰ

ওপৰোক্ত কাৰকবোৰৰ ওপৰত ভিত্তি কৰি, চৰকাৰে প্ৰাথমিক, দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ স্বাস্থ্যৰ যতনৰ বাবে কেন্দ্ৰবোৰ স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু ৰাইজলৈ সুলভ আৰু সহজলভ্য উপযুক্ত স্বাস্থ্যৰ যতন আগবঢ়াবলৈ অন্য পদক্ষেপবোৰ গ্ৰহণ কৰে.

C. *স্বাস্থ্যৰ যতনৰ প্ৰকাৰবোৰ*

স্বাস্থ্যৰ যতনক বিস্তৃতভাৱে তলত দিয়া ধৰণে শ্ৰেণীবিভাগ কৰিব পাৰি:

1. প্ৰাথমিক স্বাস্থ্যৰ যতন

প্ৰাথমিক স্বাস্থ্যৰ যতনটোৱে যিকোনো ৰোগৰ বাবে ৰোগীয়ে প্ৰথমে যোগাযোগ কৰা চিকিৎসক, নাৰ্ছ আৰু আন ক্ষুদ্ৰ ক্লিনিকবোৰে আগবঢ়োৱা সেৱাবোৰক বুজায়, গতিকে কব পাৰি যে প্ৰাথমিক স্বাস্থ্যৰ যতন আগবঢ়োৱাটো হল স্বাস্থ্য প্ৰণালী এটাৰ ভিতৰত থকা সকলোবোৰ ৰোগীৰ বাবে যোগাযোগৰ প্ৰথম বিন্দু.

উন্নত দেশবোৰত, প্ৰাথমিক স্বাস্থ্য যতনৰ প্ৰতি অধিক গুৰুত্ব প্ৰদান কৰা হয় যাতে সেইটো ব্যাপক, জটিল আৰু দীৰ্ঘকালিন বা প্ৰচণ্ড হোৱাৰ আগতে স্বাস্থ্যজনিত সমস্যাবোৰ সমাধান কৰিব পাৰি. প্ৰাথমিক স্বাস্থ্যৰ যতন প্ৰতিষ্ঠানবোৰে লগতে ৰোগ নিবাৰক স্বাস্থ্যৰ যতন, টিকাকৰণ, সজাগতা, চিকিৎসা সম্বন্ধীয় আলোচনাচক্ৰ ইত্যাদিৰ ওপৰতও মনোনিবেশ কৰে আৰু ৰোগীক প্ৰয়োজন সাপেক্ষে পৰৱৰ্তী স্তৰৰ বিশেষজ্ঞলৈ প্ৰেৰণ কৰে.

উদাহৰণস্বৰূপে, যদি ব্যক্তি এজনে জ্বৰৰ বাবে চিকিৎসকৰ ওচৰলৈ যায় আৰু যদি প্ৰথমটো লক্ষণটোৱে ডেংগু সূচিত কৰে, তেন্তে প্ৰাথমিক চিকিৎসাৰ যতন আগবঢ়াওতাই কিছুমান ঔষধ দিব কিন্তু লগতে বিশেষ চিকিৎসাৰ বাবে এখন চিকিৎসালয়ত ভৰ্তি হবলৈ ৰোগীজনক নিৰ্দেশ দিব. অধিকাংশ প্ৰাথমিক যতনৰ ক্ষেত্ৰত, চিকিৎসকে 'পৰিয়ালৰ চিকিৎসক' ৰ দৰে কাৰ্য কৰে যত পৰিয়ালৰ সকলোবোৰ সদস্যই যিকোনো সাধাৰণ অসুস্থতাৰ বাবে চিকিৎসকৰ কাষ চাপে.

এই পদ্ধতিটোৱে লগতে চিকিৎসাৰ অভ্যাসকৰ্তা আনুবংশিক কাৰকবোৰৰ ওপৰত ভিত্তি কৰি লক্ষণবোৰ নিৰ্ধাৰণ কৰাত আৰু উপযুক্তভাৱে চিকিৎসাৰ পৰামৰ্শ দিয়াত সহায় কৰে. উদাহৰণস্বৰূপে, চিকিৎসকে ৰোগী এজনক অভিভাৱকীয় মধুমেহৰ ইতিহাসৰ সৈতে যিমান সম্ভৱ মধুমেহ আওকাণ কৰিবলৈ ডেকা কালৰ পৰাই জীৱনশৈলীৰ প্ৰতি সতৰ্ক হবলৈ পৰামৰ্শ দিব.

দেশীয় স্তৰ এটাত, চৰকাৰ আৰু ব্যক্তিগত অংশগ্ৰহণকাৰী উভয়ে প্ৰাথমিক স্বাস্থ্য যতন কেন্দ্ৰবোৰ স্থাপন কৰে. জনসংখ্যাৰ আকাৰটোৰ ওপৰত ভিত্তি কৰি চৰকাৰী প্ৰাথমিক স্বাস্থ্য যতন কেন্দ্ৰবোৰ স্থাপন কৰা হয় আৰু কিছুমান ধৰণে বা অন্যভাৱে গ্ৰাম্য স্তৰলৈ উপলব্ধ হয়.

2. মাধ্যমিক স্বাস্থ্যৰ যতন

মাধ্যমিক স্বাস্থ্যৰ যতনটোৱে চিকিৎসা বিশেষজ্ঞবোৰ আৰু অন্য স্বাস্থ্য পেছাদাৰীবোৰৰ দ্বাৰা আগবঢ়োৱা স্বাস্থ্যৰ যতন সেৱাবোৰক বুজায় যাৰ সাধাৰণতে ৰোগীৰ সৈতে প্ৰথম যোগাযোগ নহয়. এইটোৱে এটা গুৰুতৰ ৰোগৰ চিকিৎসাৰ বাবে কম সময়ৰ ভিতৰত প্ৰয়োজন হোৱা অত্যাধিক যত্নটো অন্তৰ্ভুক্তকৰে, প্ৰায়ে (কিন্তু আৱশ্যক ৰূপে নহয়) এজন ভৰ্তি হোৱা ৰোগীৰ দৰে, তীব্ৰ যত্নৰ সেৱাবোৰ, এম্বুলেঞ্চ সুবিধাবোৰ, পেথ'লজি, ডাইগ্নোষ্টিক আৰু অন্যান্য সম্পৰ্কীয় চিকিৎসা সেৱাবোৰ অন্তৰ্ভুক্ত কৰি.

বেছিভাগ সময়ত, প্ৰাথমিক স্বাস্থ্যৰ যতন আগবঢ়াওতাবোৰে / প্ৰাথমিক চিকিৎসকে ৰোগীবোৰক মাধ্যমিক যতনৰ বাবে প্ৰেৰণ কৰে. কিছুমান ক্ষেত্ৰত, মাধ্যমিক যতন আগবঢ়াওতাই অখণ্ড সেৱা প্ৰদান কৰিবলৈ 'আভ্যন্তৰীণ' প্ৰাথমিক স্বাস্থ্যৰ যতনৰ সুবিধাটো চলাই নিয়ে.

জনসংখ্যাৰ ওপৰত ভিত্তি কৰি মাধ্যমিক স্বাস্থ্যৰ যতন আগবঢ়াওতাবোৰ প্ৰধানত তালুক / ব্লক স্তৰত থাকে.

3. তৃতীয় শ্ৰেণীৰ স্বাস্থ্যৰ যতন

তৃতীয় স্বাস্থ্যৰ যতনটো হল বিশেষীকৃত পৰামৰ্শকাৰী স্বাস্থ্যৰ যতন, দৰাচলতে ভৰ্তি হোৱা ৰোগীবোৰ আৰু প্ৰাথমিক/মাধ্যমিক যতন আগবঢ়াওতাবোৰৰ পৰা প্ৰেৰিতবোৰৰ বাবে. তৃতীয় শ্ৰেণীৰ যতন আগবঢ়াওতাবোৰ প্ৰধানত ৰাজ্যৰ ৰাজধানীবোৰত আৰু কিছুমান জিলাৰ সদৰত থাকে.

তৃতীয় শ্ৰেণীৰ স্বাস্থ্যৰ যতন আগবঢ়াওতাবোৰ হল সেইবোৰ যাৰ উন্নত চিকিৎসাৰ সুবিধা আৰু পেছাদাৰী চিকিৎসক, মাধ্যমিক স্বাস্থ্যৰ যতন আগবঢ়াওতাই ঢুকি নোপোৱা সুবিধাবোৰ থাকে, উদাহৰণস্বৰূপে অন্কল'জি (কৰ্কটৰোগৰ চিকিৎসা), অংগ প্ৰতিৰোপণৰ সুবিধাবোৰ, উচ্চ ৰিস্কৰ গৰ্ভাৱস্থাৰ বিশেষজ্ঞবোৰ ইত্যাদি.

এইটো মন কৰা উচিত যে যতনৰ স্তৰটো বৃদ্ধি পোৱাৰ লগে লগে, যতন সৈতে জড়িত খৰচবোৰও বৃদ্ধি পায়. সেইদৰে মানুহবোৰৰ বাবে প্ৰাথমিক যতনবোৰৰ বাবে পৰিশোধটো সহজ হয়, মাধ্যমিক যতনৰ ক্ষেত্ৰত তেওঁলোকৰ বাবে এইটো কঠিন

হৈ পৰে আৰু তৃতীয় শ্ৰেণীৰ যতনৰ বাবে এইটো আৰু অধিক কঠিন হৈ পৰে. যতনৰ বিভিন্ন স্তৰবোৰৰ বাবে আন্ত:গাঁথনিটো দেশ সাপেক্ষে, গ্ৰাম্য-চহৰ অঞ্চল সাপেক্ষে ভিন্ন হয়, সেইদৰে সামাজিক-আৰ্থিক কাৰকবোৰেও সেইটো প্ৰভাৱিত কৰে.

D. *ভাৰতবৰ্ষত স্বাস্থ্যৰ প্ৰণালীবোৰ প্ৰভাৱিত কৰা কাৰকবোৰ*

ভাৰতীয় স্বাস্থ্যৰ প্ৰণালীটোৱে ধাৰাবাহিকভাৱে বহুতো সমস্যা আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হব লাগে. এইবোৰে স্বাস্থ্য যতন প্ৰণালীটো আৰু ব্যক্তিগত স্তৰত প্ৰয়োজনীয়তাটো আৰু আন্ত:গাঁথনিৰ স্তৰত স্বাস্থ্য সংস্থাৰ চৰিত্ৰ আৰু বিস্তাৰটো প্ৰভাৱিত কৰে. এইবোৰ তলত আলোচনা কৰা হল:

1. জনসাংখ্যিক বা জনসংখ্যা সম্বন্ধীয় ধাৰাবোৰ

a) ভাৰতবৰ্ষ হল পৃথিৱীৰ দ্বিতীয় জনবহুল দেশে.

b) এইটোৱে জনসংখ্যা বৃদ্ধিৰ সৈতে জড়িত সমস্যাবোৰৰ প্ৰতি আমাক প্ৰকট কৰে.

c) দাৰিদ্ৰতাৰ স্তৰটোৱেও চিকিৎসাৰ যতনৰ বাবে ব্যক্তি এজনৰ পৰিশোধৰ দক্ষতা প্ৰভাৱিত কৰে.

2. সামাজিক ধাৰাবোৰ

a) নগৰীকৰণ বৃদ্ধি পোৱাৰ লগে লগে বা মানুহবোৰে গাঁৱৰ পৰা চহৰ অঞ্চললৈ স্থানান্তৰ হোৱাৰ লগে লগে স্বাস্থ্যৰ যতন আগবঢ়োৱাত প্ৰত্যাহ্বান দেখা দিছে.

b) গ্ৰাম্য অঞ্চলবোৰতও স্বাস্থ্যজনিত সমস্যাবোৰ আছে, প্ৰধানত চিকিৎসা সুবিধাবোৰৰ উপলব্ধতা আৰু গ্ৰহণযোগ্যতা একেদৰে বহন ক্ষমতা.

c) ব্যায়মৰ প্ৰয়োজনীয়তাবোৰ হ্ৰাস কৰি অধিক নিষ্ক্ৰিয় জীৱন-যাপন কৰাটোৱে ব্যক্তি এজনক মধুমেহ আৰু ৰক্তচাপ আদিৰ দৰে নতুন ধৰণৰ ৰোগৰফালে ঠেলি দিয়ে.

3. জীৱন প্ৰত্যাশা

a) জীৱন প্ৰত্যাশাটোৱে আজি ওপজা শিশু এটা জীয়াই থকা বছৰবোৰৰ প্ৰত্যাশিত সংখ্যাটো বুজায়.

b) জীৱন প্ৰত্যাশাটো স্বাধীনতাৰ সময়ত থকা ৩০ বছৰৰ পৰা আজিৰ দিনত ৬০ বছৰলৈ বৃদ্ধি পাইছে কিন্তু এই সুদীৰ্ঘ জীৱনকালৰ মানদণ্ডৰ সৈতে সম্পৰ্কীয় বিৰ্তকবোৰ চৰ্চা নকৰে.

c) এইটোৱে 'স্বাস্থ্যকৰ জীৱন প্ৰত্যাশা' ৰ নতুন ধাৰণা এটাৰ জন্ম দিয়ে.

d) এইটোৱে লগতে 'বৃদ্ধজনিত' (বুঢ়া বয়সৰ সম্পৰ্কীয়) ৰোগবোৰৰ বাবে আন্ত:গাঁথনি তৈয়াৰ কৰাৰ দাবী কৰে.

E. *ভাৰতবৰ্ষত স্বাস্থ্য বীমাৰ ক্ৰম বিকাশ*

চৰকাৰে ইয়াৰ পলিচীৰ সিদ্ধান্তবোৰৰ সৈতে ব্যস্ত থকাৰ সময়তে স্বাস্থ্য বীমা আঁচনিবোৰৰ প্ৰতিও সমান গুৰুত্ব প্ৰদান কৰে. বীমা কোম্পানীবোৰে সিহঁতৰ স্বাস্থ্য বীমা পলিচীটো বহুত পলমকৈ আৰম্ভ কৰিছিল. ভাৰতবৰ্ষত স্বাস্থ্য বীমাৰ কেনেকৈ উন্নয়ণ হৈছে ইয়াত উল্লেখ কৰা হল :

a) কৰ্মচাৰীবোৰৰ ৰাজ্যিক বীমা আঁচনি

কৰ্মচাৰীবোৰৰ ৰাজ্যিক বীমা আঁচনিটোৰ আৰম্ভণিৰ লগে লগে ভাৰতবৰ্ষত আনুষ্ঠানিকভাৱে স্বাস্থ্যৰ বীমা আৰম্ভ হৈছিল, ১৯৪৭ চনত হোৱা দেশৰ স্বাধীনতাৰ কিছুদিন পিছতে ESI আইন, ১৯৪৮ টো ভাইড কৰা আৰম্ভ কৰা হৈছিল. এই আঁচনিটো বিধিগত ব্যক্তিগত খণ্ডত নিযুক্ত শ্ৰমিকবোৰৰ বাবে সূচনা কৰা হৈছিল আৰু ইয়াৰ নিজা ঔষধালয় আৰু চিকিৎসালয়বোৰৰ শৃংখল এটাৰ জৰিয়তে ব্যাপক স্বাস্থ্য সেৱাবোৰ আগবঢ়াইছিল.

ESIC (কৰ্মচাৰীৰ ৰাজ্যিক বীমা নিগম) টো হল এটা কাৰ্যকৰী এজেন্সী যিয়ে ইয়াৰ নিজা চিকিৎসালয় আৰু ঔষধালয়বোৰ চলায় আৰু লগতে ৰাজহুৱা/ব্যক্তিগত যোগানধৰ্তাবোৰৰ ঠিকা লয় যত নেকি ইয়াৰ নিজা সুবিধাবোৰ অপৰ্য্যপ্ত হয়.

১৫,০০০ টকালৈকে উপাৰ্জন কৰা সকলোবোৰ শ্ৰমিকক অংশীদাৰী আঁচনিৰ অধীনত সামৰিলোৱা হয়, যত কৰ্মচাৰী আৰু মালিকে পেৰোলৰ ক্ৰমে ১.৭৫% আৰু ৪.৭৫% বৰঙণি দিয়ে; ৰাজ্য চৰকাৰে চিকিৎসা ব্যয়ৰ ১২.৫% শতাংশ বৰঙণি দিয়ে.

সামৰিলোৱা লাভবোৰ হল :

a) ESIS সুবিধাবোৰত বিনামূলীয়া ব্যাপক স্বাস্থ্যৰ যতন

b) মাতৃত্বৰ সুবিধা

c) অক্ষমতাৰ সুবিধা

d) ৰোগত আক্ৰান্ত আৰু উপশমৰ বাবে হোৱা পাৰিশ্ৰমিকৰ ক্ষতিৰ বাবে নগদ ক্ষতিপূৰণ

e) শ্ৰমিকৰ মৃত্যুৰ ক্ষেত্ৰত অন্ত্যষ্টিক্ৰিয়াৰ খৰচ

এইটো লগতে কৰ্তৃত্বপ্ৰাপ্ত চিকিৎসাৰ পৰিচাৰক আৰু ব্যক্তিগ চিকিৎসালয়বোৰৰ পৰা কিনা সেৱাবোৰৰ দ্বাৰাও যোগান ধৰা হয়. ২০১২ ৰ মাৰ্চলৈকে ESIS য়ে ৬৫.৫ মিলিয়ন হিতাধিকাৰী সামৰি লৈছে.

b) কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য আঁচনি

ESIS ক অতিসোনকালে কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য আঁচনি (CGHS) ৰ দ্বাৰা অনুসৰণ কৰা হৈছিল, যিটো পেঞ্চনভোগী আৰু অপ্ৰশাসনিক কাৰ্য কৰা সিহঁতৰ পৰিয়ালৰ সদস্যবোৰকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীবোৰৰ বাবে ১৯৫৪ চনত আৰম্ভ কৰা হৈছিল. এইটোৱে কৰ্মচাৰীবোৰ আৰু সিহঁতৰ পৰিয়ালবোৰলৈ ব্যাপক চিকিৎসাৰ যতন আগবঢ়ায় আৰু ইয়াত কৰ্মচাৰীবোৰৰ দ্বাৰা আংশিকভাৱে আৰু মালিকৰ (কেন্দ্ৰীয় চৰকাৰ) দ্বাৰা বৃহতভাৱে বৰঙণি প্ৰদান কৰা হয়.

সেৱাবোৰ CGHS ৰ নিজা ঔষধালয়, পলিক্লিনিক, আৰু তালিকাভুক্ত ব্যক্তিগত চিকিৎসালয়বোৰৰ জৰিয়তে আগবঢ়োৱা হয়.

এইটোৱে চিকিৎসাৰ সকলোবোৰ প্ৰণালী, এলোপেথিক প্ৰণালীত জৰুৰীকালীন সেৱাবোৰ, বিনামূলীয়া ঔষধবোৰ, পেথোলজি আৰু ৰেডিঅ'লজি, গুৰুতৰভাৱে অসুস্থ ৰোগীবোৰক আবাসিক সাক্ষাত, বিশেষজ্ঞৰ পৰামৰ্শবোৰ ইত্যাদি.

যদিও উত্তৰাত্মকভাৱে দৰমহাৰ সৈতে জড়িত, কৰ্মচাৰীবোৰৰ বৰঙণিটো সম্পূৰ্ণৰূপে মামুলী - প্ৰতি মাহে ১৫ টকাৰ পৰা ১৫০ টকালৈ.

২০১০ চনত, CGHS ৰ ৮০০,০০০ পৰিয়ালক প্ৰতিনিধিত্ব কৰা ৩ মিলিয়ন হিতাধিকাৰীৰ সদস্য-সংখ্যা এটা আছিল.

c) বাণিজ্যিক স্বাস্থ্য বীমা

বাণিজ্যিক স্বাস্থ্য বীমাটো বীমা উদ্যোগৰ ৰাষ্ট্ৰীয়কৰণ হোৱাৰ আগত আৰু পিছত কিছুমান জীৱন বীমাৰ অন্তৰ্গত নোহোৱা বীমাকাৰীয়ে আগবঢ়াইছিল. কিন্তু, এইটোৱ বীমাকৰীবোৰক বাবে লোচকানৰ সন্মুখীন কৰাইছিল, আৰাম্ভণিতে এইটো প্ৰধানত কেৱল বাণিজ্যিক গ্ৰাহকবোৰৰ বাবে উপলব্ধ আছিল আৰু সেইটোও এটা সীমালৈকে আছিল.

ভাৰতবৰ্ষৰ বজাৰত চাৰিটা ৰাষ্ট্ৰীয়কৰণ কৰা জীৱন বীমাৰ অন্তৰ্গত নোহোৱা বীমা কোম্পানীয়ে ১৯৮৬ চনত ব্যক্তিবোৰ আৰু সিহঁতৰ পৰিয়ালবৰ্গৰ বাবে প্ৰথম মানবিশিষ্ট স্বাস্থ্য বীমাৰ প্ৰডাক্ট সূচনা কৰিছিল (এইবোৰ তেতিয়া ভাৰতীয় জীৱন বীমা নিগমৰ সহায়ক আছিল). গৰ্ভাৱস্থা, পূৰ্বৰে পৰা থকা ৰোগ ইত্যাদিৰ দৰে কিছুমান বহিষ্কৰণৰ সৈতে ক্ষতিপূৰণৰ এটা নিৰ্দিষ্ট বছৰেকীয়া সীমালৈকে চিকিৎসালয়ৰ খৰচবোৰৰ বাবে সামৰিলোৱা আগবঢ়াবলৈ মেডিক্লেম প্ৰডাক্টটো সূচনা কৰা হৈছিল. বজাৰৰ ক্ৰমবিকাশৰ লগতে এইটোৱে বহুবাৰ পুনৰনিৰীক্ষণ কৰিছে, অন্তিমটো ২০১২ চনত কৰা হৈছিল.

বহুবাৰ পুনৰনিৰীক্ষণ কৰাৰ পিছতো চিকিৎসালয়ত ভৰ্তিকৰণৰ ক্ষতিপূৰণ-ভিত্তিক বছৰেকীয়া চুক্তিটো আজিৰ দিনত ভাৰতবৰ্ষত ব্যক্তিগত স্বাস্থ্য বীমাৰ আটাইতকৈ জনপ্ৰিয় ৰূপ, মেডিক্লেমৰ শেহতীয়া সংস্কৰণটোৱে মুখ্য ভূমিকা গ্ৰহণ কৰে. এইটো ইমানেই জনপ্ৰিয় যে বহুতো মানুহে ব্যক্তিগত স্বাস্থ্য বীমা প্ৰডাক্টবোৰক প্ৰায়ে 'মেডিক্লেম সামৰিলোৱা' ৰ দৰে প্ৰডাক্টৰ শ্ৰেণী এটাৰ দৰে বিবেচনা কৰে, বীমাকাৰীবোৰৰ দৰে আগবঢ়োৱা এটা বিশেষ প্ৰডাক্টৰ পৰিৱৰ্তে.

২০০১ চনত বীমা খণ্ডত ব্যক্তিগত অংশগ্ৰহণকাৰীবোৰৰৰ আগমনৰ ফলত স্বাস্থ্য বীমাটো উল্লেখনীয়ভাৱে বৃদ্ধি পাইছে কিন্তু তাত আজিও এখন বৃহত অব্যৱহৃত বজাৰ আছে. সামৰিলোৱাবোৰত যথেষ্ট ভিন্নতা আছে, বহিষ্কাৰ কৰা আৰু নতুনকৈ যোগ কৰা সামৰিলোৱাবোৰ সূচনা কৰা হৈছে যিটো পিছৰ পাঠবোৰত আলোচনা কৰা হব.

আজিৰ দিনটোত ভাৰতবৰ্ষৰ বজাৰত ৩০০ তকৈ বেছি বীমাৰ প্ৰডাক্ট উপলব্ধ.

F. *স্বাস্থ্য বীমাৰ বজাৰ*

আজিৰ দিনত স্বাস্থ্য বীমা বজাৰত বহুতো অংশগ্ৰহণকাৰী আছে, আগবঢ়াওতা বুলি কোৱা বোৰে স্বাস্থ্যৰ যতনৰ সুবিধাবোৰ আগবঢ়ায়, আনবোৰে বীমাৰ সেৱাবোৰ আগবঢ়ায় আৰু লগতে বিভিন্ন মধ্যস্থতাকাৰীবোৰ. কিছুমানে প্ৰাথমিক আন্ত:গাঁথনি তৈয়াৰ কৰে সেইদৰে আনবোৰে সমৰ্থনৰ সুবিধাবোৰ আগবঢ়ায়. কিছুমান হল চৰকাৰী খণ্ডৰ সেইদৰে আনবোৰ হল ব্যক্তিগত খণ্ডৰ অন্তৰ্গত. এইবোৰ তলত বিস্তৃতভাৱে ব্যাখ্যা কৰা হল:

A. আন্ত:গাঁথনি:

1. *ৰাজহুৱা স্বাস্থ্য খণ্ড*

ৰাজহুৱা স্বাস্থ্য প্ৰণালীটোৱে ৰাষ্ট্ৰীয় স্তৰত, ৰাজ্যিক স্তৰত, জিলা স্তৰত আৰু সীমিতভাৱে গ্ৰাম্য স্তৰ কাৰ্য কৰে, গাঁৱবোৰত, ৰাষ্ট্ৰীয় স্বাস্থ্য আঁচনিটো কাৰ্যকৰি কৰিবলৈ গাঁৱৰ সম্প্ৰদায় আৰু চৰকাৰী আন্ত:গাঁথনিটোৰ মাজত সংযোগ হিচাপে কাৰ্য সেৱা আগবঢ়াবলৈ সম্প্ৰদায়ৰ স্বেচ্ছা-সেৱকবোৰ জড়িত হব লাগে:

a) **অংগনবাদী কৰ্মীবোৰ** (প্ৰত্যেক ১০০০ জনসংখ্যাৰ বাবে ১ জনী) যিসকলক মানৱ সম্পদ উন্নয়ণ মন্ত্ৰণালয়ৰ অবিভাজ্য শিশু উন্নয়ণ সেৱা আঁচনি (ICDS) আৰু পুষ্টি অনুপূৰণ কাৰ্যসূচীৰ অধীনত নিয়োজিত কৰা হয়.

b) **প্ৰশিক্ষিত জন্মৰ পৰিচাৰিকা** (TBA) আৰু গ্ৰাম্য স্বাস্থ্যৰ পৰামৰ্শক (ৰাজ্যবোৰৰ স্বাস্থ্য বিভাগবোৰৰ এখন পূৰ্ব আঁচনি).

c) **ASHA** (মান্যতাপ্ৰাপ্ত সামাজিক স্বাস্থ্য কৰ্মী) সেচ্ছা-সেৱিকাবোৰ, সম্প্ৰদায়টোৱে NRHM (ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান) কাৰ্যসূচীৰ অধীনত নিৰ্বাচিত কৰে, যিসকল হল গ্ৰাম্য অঞ্চলবোৰত স্বাস্থ্য খণ্ডৰ সংযোগৰ দৰে সেৱা আগবঢ়াবলৈ প্ৰশিক্ষিত নতুন, গ্ৰাম্য-স্তৰৰ, অবৈতনিক স্বাস্থ্য কৰ্মী.

উপ-কেন্দ্ৰবোৰ প্ৰত্যেক ৫,০০০ জনসংখ্যাৰ বাবে স্থাপন কৰা হয় (পাহাৰীয়া, জনজাতি আৰু পিছপৰা অঞ্চলবোৰত ৩,০০০ জনসংখ্যাৰ বাবে) আৰু এইবোৰ এগৰাকী মহিলা স্বাস্থ্য কৰ্মী, সহকাৰী নাৰ্ছ মিড-ৱাইফ (ANM) বুলিও কোৱা হয় আৰু এজন পুৰুষ স্বাস্থ্য কৰ্মীৰ দ্বাৰা চলোৱা হয়.

প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰবোৰ হল ছয়টা উপ-কেন্দ্ৰৰ বাবে পৰামৰ্শৰ গোট, প্ৰত্যেক ৩০,০০০ জনসংখ্যাৰ বাবে প্ৰতিষ্ঠা কৰা হয় (পাহাৰীয়া, জনজাতি আৰু পিছপৰা অঞ্চলবোৰৰত ২০,০০০). সকলোবোৰ PHC য়ে বহিৰাগত ৰোগীক সেৱা আগবঢ়ায় আৰু লগতে অধিকাংশৰে চাৰিখনৰ পৰা ছয়খন ৰোগী ভৰ্তিৰ বিচনা আছে. সেইবোৰৰ ষ্টাফটো এজন চিকিৎসা বিষয়া আৰু ১৪ গৰাকী পৰাচিকিৎসাকৰ্মীৰ দ্বাৰা গঠিত (যত এজন পুৰুষ আৰু এজন মহিলা স্বাস্থ্যৰ সহকাৰী, এজনী নাৰ্ছ-মিডৱাইফ, এজন লেৱৰেটৰীৰ কাৰিকৰী, এজন ফাৰ্মাচিষ্ট আৰু অন্য সহায়ক ষ্টাফ অন্তৰ্ভুক্ত).

সম্প্ৰদায় স্বাস্থ্য কেন্দ্ৰবোৰ হল চাৰিটা PHC ৰ বাবে প্ৰথম পৰামৰ্শৰ গোট আৰু লগতে বিশেষ যত্ন প্ৰদান কৰে. মানক অনুসৰি প্ৰতিটো CHC ত (প্ৰত্যেক ১ লাখ জনসংখ্যাৰ বাবে) অতিকমেও ৩০ বিচনা, এটা অপাৰেচন কক্ষ, X-ৰে যন্ত্ৰ, শ্ৰমিকৰ কোঠা আৰু গৱেষণাগাৰৰ সুবিধাবোৰ থাকিব লাগে আৰু ২১ জন পেৰাচিকিৎসক আৰু অন্য ষ্টাফৰ দ্বাৰা সমৰ্থিত অতিকমেও

চাৰিজন বিশেষজ্ঞৰ যেনে, এজন শল্য চিকিৎসক, এজন চিকিৎসক, এজন স্ত্ৰীৰোগ বিশেষজ্ঞ আৰু এজন শিশুৰোগ বিশেষজ্ঞৰ ষ্টাফ এটা থকা উচিত.

গ্ৰাম্য চিকিৎসালয়বোৰও প্ৰতিষ্ঠা কৰা হয় আৰু এইবোৰত উপ-জিলা চিকিৎসালয়বোৰ অন্তৰ্ভুক্ত, মহকুমা / টালুক চিকিৎসালয় / বিশেষ চিকিৎসালয় বুলি কোৱা হয় (দেশত প্ৰায় ২০০০ খন পৰিকল্পনা কৰা হৈছিল);

বিশেষ আৰু শিক্ষা চিকিৎসালয়বোৰৰ সংখ্যা অতিকম আৰু এইবোৰত চিকিৎসা মহাবিদ্যালয়বোৰ (বৰ্তমান প্ৰায় ৩০০ খন মান আছে) আৰু অন্য তৃতীয় শ্ৰেণীৰ পৰামৰ্শ কেন্দ্ৰবোৰ অন্তৰ্ভুক্ত. এইবোৰ প্ৰধানত জিলা সদৰ আৰু নগৰ অঞ্চলত থাকে কিন্তু সিহঁতৰ কিছুমানে অতি বিশেষ আৰু উন্নত চিকিৎসা সেৱা আগবঢ়ায়.

আন এজেন্সীবোৰ চৰকাৰৰ সৈতে জড়িত, যেনে ৰেলৱে, প্ৰতিৰক্ষা আৰু তেনেকুৱা ডাঙৰ বিভাগবোৰৰ (বন্দৰ/খনি ইত্যাদি) চিকিৎসালয় আৰু ঔষধগাৰবোৰেও স্বাস্থ্য সেৱাত এটা ভূমিকা গ্ৰহণ কৰে. যদিও সিহঁত সেৱাবোৰ প্ৰায়ে সংলিষ্ট সংস্থাবোৰৰ কৰ্মচাৰী আৰু সিহঁতৰ আশ্ৰিতবোৰত সীমাবদ্ধ থাকে.

2. ***ব্যক্তিগত খণ্ডৰ যোগানধৰ্তাবোৰ***

ভাৰতবৰ্ষৰ এটা অতি বৃহত ব্যক্তিগত স্বাস্থ্য খণ্ড আছে, যিয়ে প্ৰাথমিক, মাধ্যমিক আৰু একেদৰে তৃতীয় এই তিনওটা প্ৰকাৰৰ স্বাস্থ্য যতন সেৱা আগবঢ়ায়. এইবোৰ স্বেচ্ছা-সেৱকৰ পৰা আৰম্ভ কৰি, মুনাফা নিবিচৰা সংস্থা আৰু ব্যক্তিগত মুনাফাদায়ক কৰ্পোৰেট, ন্যাসবোৰ, অকলশৰীয়া চিকিৎসক, স্বচ্ছল বিশেষজ্ঞৰ সেৱা, লক্ষণ নিৰ্ণয়ৰ গৱেষণাগাৰবোৰ, ফাৰ্মাচী, আৰু লগতে অৰ্হতাহীন যোগানধৰ্তাবোৰলৈকে (ভুৱা চিকিৎসক) বিস্তৃত হৈ আছে. ভাৰতবৰ্ষত প্ৰায়ে ৭৭% এলোপেথিক (MBBS আৰু ওপৰৰ) চিকিৎসকে ব্যক্তিগত খণ্ডত অভ্যাস কৰি আছে. ভাৰতবৰ্ষত সকলো স্বাস্থ্যজনিত ব্যয়ৰ ৭৫% তকৈ বেছি ব্যক্তিগত স্বাস্থ্য খণ্ডত ব্যয় হয়. সৰ্বভাৰতীয় স্তৰত সকলো বাহিৰৰ ৰোগী সাক্ষাতৰ ৮২% আৰু চিকিৎসালয়ত ভৰ্তি ৰোগীৰ ৫২% ব্যক্তিগত খণ্ডত হয়.

ভাৰতবৰ্ষত লগতে ঔষধৰ প্ৰণালীবোৰৰ ক্ষেত্ৰত বৃহত সংখ্যক অৰ্হতাপ্ৰাপ্ত শিক্ষাৰ্থী আছে (আয়ুৰ্বেদ/ সিদ্ধ/ উনানী/ হোমিঅ'পেথি) যিবোৰৰ ৭ লাখতকৈ অধিক শিক্ষাৰ্থী আছে. এওঁলোক ৰাজহুৱাৰ লগতে ব্যক্তিগত খণ্ডবোৰত সংস্থাপিত.

মুনাফাদায়ক ব্যক্তিগত স্বাস্থ্যৰ যতন যোগানধৰ্তাবোৰৰ উপৰিও, NGO বোৰ আৰু স্বেচ্ছাসেৱক খণ্ডটোও সম্প্ৰদায়টোলৈ স্বাস্থ্য সেৱাৰ যতন আগবঢ়োৱাৰ সৈতে জড়িত.

এইটো নিৰূপণ কৰা হৈছে যে ৭,০০০ তকৈ অধিক স্বেচ্ছাসেৱক এজেন্সী স্বাস্থ্য-সম্পৰ্কীয় কাৰ্যকলাপবোৰৰ সৈতে জড়িত. বৃহত সংখ্যক মাধ্যমিক আৰু তৃতীয় শ্ৰেণীৰ চিকিৎসালয় মুনাফাহীন চচাইটি বা ন্যাসবোৰৰ দৰে পঞ্জীয়ন কৰা হৈছে, আৰু বীমাকৃত ব্যক্তিবোৰৰ বাবে ভৰ্তি হোৱা ৰোগীৰ সেৱাৰ ব্যৱস্থাটোলৈ উল্লেখনীয় বৰঙণি আগবঢ়ায়.

3. ঔষধ প্ৰস্তুতকাৰী উদ্যোগ

ঔষধ আৰু স্বাস্থ্য সম্পৰ্কীয় প্ৰডাক্টবোৰ যোগানধৰোতাবোৰৰ কথা বিবেচনা কৰক, ভাৰতবৰ্ষত এটা বৃহত ঔষধ প্ৰস্তুতকাৰী উদ্যোগ আছে, যিয়ে ১৯৫০ চনত থকা ১০ কোটিৰ পৰা বৃদ্ধি লাভ কৰি আজি ৫৫,০০০ কোটি ব্যৱসায় কৰি আছে (ৰপ্তানিবোৰ অন্তৰ্ভুক্ত কৰি). ৬০০০ টা গোটত প্ৰস্তুত কৰাৰ দ্বাৰা ই ৫ মিলিয়ন লোকক সংস্থাপন দিছে.

উদ্যোগটোৰ বাবে কেন্দ্ৰীয় স্তৰৰ মূল্য নিয়ন্ত্ৰক হল ৰাষ্ট্ৰীয় ঔষধীয় মূল্য নিৰ্ধাৰণ কৰ্তৃপক্ষ (NPPA), সেইদৰে ঔষধ খণ্ডটো ৰসায়ন মন্ত্ৰণালয়ৰ অধীনস্থ. কেৱল মাত্ৰ কিছু সংখ্যক ড্ৰাগছহে (৫০০ ৰ ভিতৰত ৭৬ বা তাতকৈ বেছি ড্ৰাগছবোৰ) মূল্য নিয়ন্ত্ৰণৰ অধীনস্থ, সেইদৰে বাকী থকা ড্ৰাগছ আৰু প্ৰস্তুতবোৰ বিনামূলীয়া শাসন অধীনস্থ, মূল্য নিয়ন্ত্ৰকে সতৰ্কতাৰে পৰ্য্যবেক্ষণ কৰে. ৰাজ্যৰ ড্ৰাগছ নিয়ন্ত্ৰকবোৰে ক্ষেত্ৰ শক্তিবোৰ পৰিচালনা কৰে যিয়ে বিদেশী মানদণ্ড আৰু ড্ৰাগছৰ মূল্য নিৰ্ধাৰণ আৰু সিহঁতৰ নিৰ্দিষ্ট অঞ্চলবোৰ নিৰূপণ কৰে.

B. বীমা যোগানধৰ্তাবোৰ:

বীমা কোম্পানীবোৰে বিশেষকৈ সাধাৰণ বীমা খণ্ডটোৱে স্বাস্থ্য বীমা সেৱাবোৰৰ আকাৰটো আগবঢ়ায়. এইবোৰ আগতে তালিকাভুক্ত কৰা হৈছে. আজিৰ দিনত পাঁচটা স্বচালিত স্বাস্থ্য বীমা কোম্পানীৰ উপস্থিতিটো উৎসাহজনক, স্বাস্থ্য বীমা যোগানধৰ্তাৰ নেটৱৰ্কটো বৃদ্ধি কৰিবলৈ আৰু কিছু অহাৰ সম্ভাৱনা আছে.

C. মধ্যস্থতাকাৰীবোৰ:

যথেষ্ট সংখ্যক মানুহ আৰু সংস্থাই বীমা উদ্যোগটোৰ অংশ হিচাপে সেৱা আগবঢ়ায় লগতে স্বাস্থ্য বীমা বজাৰৰ অংশ এটাও তৈয়াৰ কৰে. তেনেকুৱা সকলোবোৰ মধ্যস্থতাকাৰীক IRDA য়ে নিয়ন্ত্ৰণ কৰে. এইবোৰ হল:

1. **বীমাৰ ব্ৰকাৰবোৰ** যি নিজাৱৰীয়া বা বাণিজ্যিক আৰু বীমা কোম্পানীবোৰৰ স্বতন্ত্ৰ কাৰ্য হব পাৰে. তেওঁলোকে বীমা কৰিব খোজা ব্যক্তিবোৰক প্ৰতিনিধিত্ব কৰে আৰু সাম্ভাব্য শ্ৰেষ্ঠ প্ৰিমিয়ামৰ হাৰত অতি উত্তম বীমাৰ সামৰিলোৱাবোৰ লাভ কৰিবলৈ সিহঁতক বীমা কোম্পানীবোৰৰ সৈতে যোগাযোগ কৰাই দিয়ে. তেওঁলোকে লগতে বীমাকৃত ব্যক্তিবোৰক ক্ষতিৰ সময়ত আৰু বীমা দাবীবোৰ প্ৰস্তুত কৰাত সহায় কৰে. ব্ৰকাবোৰে বীমা ব্যৱসায়টো তেনেকুৱা ব্যৱসায় পৰিচালনা কৰা যিকোনো বীমা কোম্পানীৰ সৈতে লগ লগাব পাৰে. বীমাৰ কমিছনৰ যোগেদি বীমা কোম্পানীবোৰে তেওঁলোকক পাৰিশ্ৰমিক প্ৰদান কৰে

2. **বীমাৰ এজেন্টবোৰ** দৰাচলতে ব্যক্তিগত কিন্তু কিছুমান বাণিজ্যিক এজেন্টও থাকে. ব্ৰকাৰবোৰৰ দৰে এজেন্টবোৰে যিকোনো বীমা কোম্পানী সৈতে বীমাৰ কাম কৰিব নোৱাৰে কিন্তু কেৱল তেওঁলোকে এজেন্সীৰ অনুমোদন লাভ কৰা কোম্পানীটোৰ বাবেহে কাৰ্য কৰিব পাৰে. শেহতীয়া নিয়মাৱলীবোৰ মতে, এজেন্ট এজনে কেৱল এটা সাধাৰণ বীমা কোম্পানী আৰু এটা জীৱন বীমা কোম্পানী, এটা স্বাস্থ্যবীমাকাৰী আৰু প্ৰতিটো ম'ন' লাইন বীমাকাৰীৰ এটাৰ হকে কাৰ্য কৰিব পাৰে. তেওঁলোকক বীমা কোম্পানীবোৰে বীমা কমিছনৰ যোগেদি পাৰিশ্ৰমিক প্ৰদান কৰে.

3. **তৃতীয় পক্ষৰ কৰ্তৃপক্ষবোৰ** হল এটা নতুন প্ৰকাৰৰ সেৱা যোগাধৰ্তা যিয়ে ২০০১ চনৰ পৰা কাৰ্য কৰি আছে. বীমা বিক্ৰী কৰিবলৈ তেওঁলোকৰ কৰ্তৃত্ব নাই কিন্তু বীমা কোম্পানীবোৰ প্ৰশাসনীয় সেৱা আগবঢ়ায়. এবাৰ এটা স্বাস্থ্য বীমা পলিচী বিক্ৰী কৰিলে, বীমাকৰ্তা ব্যক্তিজনৰ পূংখানুপূংখ বিৱৰণ নিযুক্তিপ্ৰাপ্ত TPA এজনৰ সৈতে বিনিময় কৰা হয় যিয়ে তেতিয়া ডাটাবেছ তৈয়াৰ কৰে আৰু বীমাকৰ্তা ব্যক্তিবোৰলৈ স্বাস্থ্য পত্ৰবোৰ প্ৰদান কৰে. তেনেকুৱা স্বাস্থ্য পত্ৰবোৰে বীমাকৰ্তা ব্যক্তিজনক চিকিৎসালয় আৰু ক্লিনিকবোৰত নগদবিহীন চিকিৎসা সুবিধাবোৰৰ (তৎক্ষণাত নগদ পৰিশোধ নকৰাকৈ চিকিৎসা লাভ) লাভ উঠাবলৈ সক্ষম কৰে. যদিও বীমাকৰ্তা ব্যক্তিজনে নগদবিহীন সুবিধাটো ব্যৱহাৰ নকৰে, তেন্তে তেওঁ বিল পৰিশোধ কৰিব পাৰে আৰু নিয়োজিত TPA ৰ পৰা ক্ষতিপূৰণ বিচাৰিব পাৰে. বীমা কোম্পানীবোৰে সিহঁতৰ সংশ্লিষ্ট দাবীবোৰ আৰু মাচুলৰ জৰিয়তে সিহঁতৰ দ্বাৰা প্ৰদান কৰা ক্ষতিপূৰণবোৰ যিবোৰ হল প্ৰমিয়ামটোৰ শতকৰা হাৰ ইত্যাদিৰ বাবে TPAবোৰ গঠন কৰে.

4. **বীমা ৱেব এগ্ৰেগেটৰবোৰ** হল IRDAI ৰ নিয়মাৱলীবোৰৰ দ্বাৰা পৰিচালিত নতুন ধৰণৰ সেৱাৰ যোগানধৰ্তা. সিহঁতৰ ৱেব ছাইট আৰু/বা টেলিমাৰ্কেটিংৰ জৰিয়তে, সিহঁতে প্ৰত্যাশিতৰ সৈতে মুখা মুখি নোহোৱাকৈ দূৰৱৰ্তী বিপণনৰ জৰিয়তে বীমাৰ ব্যৱসায় আগুৱাই নিব পাৰে আৰু বীমাকাৰীবোৰলৈ আগ্ৰহী প্ৰত্যাশিতৰ সংখ্যা বৃদ্ধি কৰে যাৰ সৈতে সিহঁতে এটা চুক্তি সম্পন্ন কৰে. সিহঁতে লগতে তুলনাৰ বাবে তেনেকুৱা বীমা কোম্পানীবোৰৰ প্ৰডাক্টবোৰ প্ৰদৰ্শন কৰে. সিহঁতে লগতে টেলিমাৰ্কেটিং কৰিবৰ বাবে IRDAI ৰ কৰ্তৃত্বকৰণও বিচাৰিব পাৰে আৰু বীমাকাৰীবোৰৰ বাবে অনলাইন পোৰ্টেলৰ জৰিয়তে প্ৰিমিয়াম সংগ্ৰহ, প্ৰিমিয়াম ৰিমাইণ্ডাৰ প্ৰেৰণ কৰা ইত্যাদিৰ দৰে আৰু লগতে পলিচী সম্পৰ্কীয় বিভিন্ন প্ৰকাৰৰ সেৱাবোৰৰ আউটচৰ্চিং কৰিব পাৰে. ব্যৱসায়, বীমাৰ প্ৰডাক্টবোৰ প্ৰদৰ্শন আৰু একেদৰে সিহঁতে সম্পাদন কৰা আউটচৰ্চিং সেৱাবোৰৰ ওপৰত ভিত্তি কৰি বীমা কোম্পানীবোৰে সিহঁতক পাৰিশ্ৰমিক প্ৰদান কৰে.

5. **বীমাৰ বিপণন প্ৰতিষ্ঠানবোৰ** হল IRDAI ৰ দ্বাৰা পৰিচালিত শেহতীয়া ধৰণৰ মধ্যস্থতাকাৰী. সিহঁতে তেনেকুৱা প্ৰডাক্টবোৰৰ বিপণন, বিতৰণ আৰু সেৱা আগবঢ়াবলৈ নিযুক্ত ব্যক্তিবোৰক অনুজ্ঞাপত্ৰ প্ৰদানৰ দ্বাৰা নিম্নোক্ত কাৰ্যবোৰ সম্পাদন কৰিব পাৰে:

   বীমা বিক্ৰীৰ কাৰ্যকলাপবোৰ : যিকোনো সময়তে দুটা জীৱন, দুটা সাধাৰণ আৰু দুটা স্বাস্থ্য বীমা কোম্পানীৰ প্ৰডাক্টবোৰ বীমা বিক্ৰেতা (ISP) নিযুক্ত কৰি বিক্ৰী কৰিবলৈ, কৰ্তৃপক্ষক অৱগত কৰি. সাধাৰণ বীমা সাপেক্ষে, IMF ক ফাইল আৰু ব্যৱহৃত নিৰ্দেশনাবোৰত উল্লেখ কৰাৰ দৰে মটৰ, স্বাস্থ্য, ব্যক্তিগত দূৰ্ঘটনা, ঘৰৰ মালিক, দোকানী আৰু সময়ে সময়ে কৰ্তৃপক্ষৰ দ্বাৰা অনুমোদিত তেনেকুৱা অন্য বীমা প্ৰডাক্টবোৰৰ দৰে বীমা প্ৰডাক্টবোৰৰ কেৱল খুচুৰা শাৰীবোৰ উপলব্ধ কৰিবলৈ অনুমতি দিয়া হয়. কৰ্তৃপক্ষৰ আগতীয়া অনুমোদন আৰু বৰ্তি থকা পলিচীধাৰকবোৰৰ বাবে উপযুক্ত ব্যৱস্থাৰ বন্দোৱস্তৰ সৈতে বীমা কোম্পানীবোৰৰ সৈতে কৰা নিযুক্তিত যিকোনো সলনি সম্পন্ন কৰিব পাৰি.

   বীমা সেৱাৰ কাৰ্যকলাপবোৰ : সেৱাৰ এই কাৰ্যকলাপবোৰ কেৱল সেইবোৰ বীমা কোম্পানীৰ বাবে যাৰ সৈতে সিহঁতে বীমাৰ প্ৰডাক্টবোৰ উপলব্ধ কৰাৰ বাবে চুক্তি কৰে আৰু তলত গণনা কৰা হল:

   a. বীমা কোম্পানীবোৰৰ দ্বাৰা আউটচৰ্চিং কৰাৰ ক্ষেত্ৰত কৰ্তৃপক্ষই প্ৰদান কৰা নিৰ্দেশনাবোৰত অনুমোদন কৰাৰ দৰে বীমাকাৰীবোৰৰ বেক অফিচ কাৰ্যকলাপবোৰৰ উত্তৰদায়িত্ব গ্ৰহণ কৰা;

b. বীমাৰ ভঁৰালৰ অনুমোদিত ব্যক্তি হোৱা;

c. অনুজ্ঞাপত্ৰ প্ৰাপ্ত ছাৰ্ভেকৰ্তা আৰু ক্ষতি নিৰূপণকৰ্তা নিয়োজিত কৰি ছাৰ্ভে আৰু ক্ষতি নিৰূপণ কাৰ্যৰ উত্তৰদায়িত্ব গ্ৰহণ কৰা;

d. কৰ্তৃপক্ষৰ দ্বাৰা সময়ে সময়ে অনুমোদিত বীমা সম্পৰ্কীয় যিকোনো কাৰ্যকলাপ.

বিত্তীয় প্ৰডাক্টবোৰৰ বিতৰণ: বিত্তীয় সেৱা কাৰ্যবাহীবোৰৰ (FSE) নিয়োজিত কৰি বিতৰণ কৰিবলৈ, যিবোৰ হল ব্যক্তি যাক বিপণন, বিতৰণ আৰু সেৱাৰ বাবে অনুজ্ঞাপত্ৰ প্ৰদান কৰা হয় লগতে তলত উল্লেখ কৰাৰ দৰে অন্য বিত্তীয় প্ৰডাক্টবোৰ:

a. SEBI ৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা মিউচুৱেল পুঁজি কোম্পানীবোৰৰ মিউচুৱেল পুঁজিবোৰ;
b. PFRDA ৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা পেঞ্চন প্ৰডাক্টবোৰ;
c. SEBI ৰ অনুজ্ঞাপত্ৰ প্ৰাপ্ত বিনিয়োগ পৰামৰ্শদাতাবোৰৰ দ্বাৰা বিতৰণ কৰা অন্য বিত্তীয় প্ৰডাক্টবোৰ;
d. বেংকিং/ বেংকবোৰৰ বিত্তীয় প্ৰডাক্টবোৰ / RBI ৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা NBFC;
e. ভাৰত চৰকাৰৰ ডাক বিভাগৰ দ্বাৰা আগবঢ়োৱা বীমাহীন প্ৰডাক্টবোৰ;
f. সময়ে সময়ে কৰ্তৃপক্ষৰ দ্বাৰা অনুমোদিত আন যিকোনো বিত্তীয় প্ৰডাক্ট বা কাৰ্যকলাপ.

D. আন গুৰুত্বপূৰ্ণ সংস্থাবোৰ

আৰু কিছুমান উপাদান আছে যিবোৰে স্বাস্থ্যবীমা বজাৰৰ অংশ এটা তৈয়াৰ কৰে আৰু এইবোৰ হল:

1. **ভাৰতীয় বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ণ কৰ্তৃপক্ষ (IRDAI)** যি হল বীমা নিয়ন্ত্ৰক, সংসদৰ আইনৰ দ্বাৰা গঠন কৰা হৈছে যিয়ে বীমাৰ বজাৰৰ সকলো ব্যৱসায় আৰু অংশগ্ৰহণকাৰীবোৰক নিয়ন্ত্ৰণ কৰে. এইটো ২০০০ চনত আৰম্ভ হৈছিল আৰু ই কেৱল নিয়ন্ত্ৰণ কৰা কাৰ্যটোতে আৱদ্ধ নাথাকি বীমা ব্যৱসায়ৰ উন্নয়ণও সাধন কৰিছে.

2. **সাধাৰণ বীমা আৰু জীৱন বীমা পৰিষদ**, যিয়ে লগতে IRDAI ক সিহঁতৰ সংশ্লিষ্ট জীৱন বা সাধাৰণ বীমা ব্যৱসায়টো নিয়ন্ত্ৰণ কৰাৰ বাবে অনুৰোধ কৰে.

3. IRDA ৰ দ্বাৰা ২০০৯ চনত ভাৰতীয় বীমা তথ্য সংস্থাৰ সূচনা কৰা হৈছিল আৰু এইটো হল বীমা খণ্ডৰ পৰা নিৰ্বাচিত ২০ জন সদস্যৰ দ্বাৰা গঠিত শাসিত পৰিষদ এখনৰ সৈতে এটা পঞ্জীয়নভুক্ত চচাইটি. ব্যৱসায়িক পৰিকল্পনাবোৰ প্ৰস্তুত আৰু মূল্য নিৰ্ধাৰণকে ধৰি ডাটাবেছ আৰু বিজ্ঞানসন্মত সিদ্ধান্ত গ্ৰহণ কৰাটো সক্ষম কৰিবলৈ বীমা খণ্ডৰ বাবে এইটোৱে বিভিন্ন খণ্ড-স্তৰৰ ৰিপোৰ্ট সংগ্ৰহ, বিশ্লেষণ আৰু তৈয়াৰ কৰে. এইটোৱে লগতে নীতি প্ৰস্তুত কৰাত নিয়ন্ত্ৰণকৰ্তা আৰু চৰকাৰক সহায় কৰিবলৈ মুখ্য ইনপুটবোৰ আগবঢ়ায়. উদ্যোগটোৰ উপকাৰীতাৰ বাবে সংস্থাটোৱে সাময়িক আৰু এটা সময় ভিত্তিক বহুতো ৰিপোৰ্ট তৈয়াৰ কৰে.

   IIB য়ে চেন্ট্ৰেল ইণ্ডেক্স ছাৰ্ভাৰটো পৰিচালনা কৰে যিয়ে বিভিন্ন বীমা ৰিপোজিটোৰীবোৰৰ মাজত এটা নোডাল বিন্দু হিচাপে কাৰ্য কৰে আৰু নতুন একাউন্ট এটা তৈয়াৰ কৰাৰ সময়ত ডিমেট একাউন্টবোৰৰ ডি-ডুপ্লিকেশ্বনত সহায় কৰে. চেন্ট্ৰেল ইণ্ডেক্স ছাৰ্ভাৰটোৱে লগতে এটা বীমাকাৰী আৰু বীমাৰ ৰিপোজিটোৰীটোৰ মাজত প্ৰতিটো পলিচীৰ ক্ষেত্ৰত লেনদেনবোৰৰ সৈতে সম্বন্ধীয় তথ্যৰ সঞ্চাৰ/ৰাউটিংৰ বাবে বিনিময় এটাৰ দৰে কাৰ্য কৰে.

   স্বাস্থ্য বীমা খণ্ডত সেৱা আগবঢ়োৱা 'পছন্দ কৰা যোগানধৰ্তা নেটৱৰ্ক' ত তালিকাভুক্ত কৰাৰ দ্বাৰা IIB য়ে ইতিমধ্যে চিকিৎসালয়ৰ অদ্বিতীয় ID মুখ্য কাৰ্যসূচী আৰম্ভ কৰিছে.

   TPA, বীমাকাৰী আৰু চিকিৎসালয় সমূহক সংযোগ কৰা স্বাস্থ্য বীমা গ্ৰীড এখন তত্বাৱধান কৰাটো IIB ৰ শেহতীয়া পদক্ষেপ হব পাৰে. পদক্ষেপটোৰ লক্ষ্য হল স্বাস্থ্য বীমা প্ৰডাক্টবোৰৰ সক্ষম মূল্য আৰু চিকিৎসা ব্যয়ৰ স্বচ্ছতাৰ সৈতে বীমাৰ দাবীবোৰ পৰিচালনাৰ প্ৰণালী এটা যুগুত কৰাত স্বাস্থ্য বীমা খণ্ডটোক সহায় কৰা.

4. ভাৰতীয় বীমা প্ৰতিষ্ঠান আৰু ৰাষ্ট্ৰীয় বীমা একাডেমীৰ দৰে **শিক্ষামূলক প্ৰতিষ্ঠানবোৰ** যিয়ে বীমা আৰু পৰিচালনা সম্পৰ্কীয় বিভিন্ন প্ৰশিক্ষণ প্ৰদান কৰে আৰু ব্যক্তিগত প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ এজন আয়োজনক হয় যিয়ে এজেন্ট হবলৈ প্ৰয়োজনীয় প্ৰশিক্ষণ আগবঢ়ায়

5. **চিকিৎসাৰ অভ্যাসকৰ্তাবোৰেও** বীমা কোম্পানী আৰু TPA বোৰক ৰিস্কটো গ্ৰহণৰ সময়ত সাম্ভাব্য গ্ৰাহকবোৰৰ স্বাস্থ্য বীমাৰ ৰিস্কবোৰ মূল্যাংকন কৰাত সহায় কৰে আৰু লগতে জটিল দাবীবোৰৰ ক্ষেত্ৰত বীমা কোম্পানীবোৰক পৰামৰ্শ প্ৰদান কৰে.

6. বীমা লোকপাল, উপভোক্তাৰ আদালত একেদৰে নাগৰিক আদালত আদিৰ দৰে **আইনী উপাদানবোৰেও** স্বাস্থ্য বীমাৰ বজাৰত ভূমিকা এটা গ্ৰহণ কৰে যেতিয়া ই উপভোক্তাৰ অভিযোগ নিবাৰণ কৰিবলগীয়া হয়.

সাৰাংশ

a) বীমাটো কিছুমান বিশেষ ধৰণত বা অন্য ৰূপত হাজাৰ বছৰ আগৰে পৰা বৰ্তি আছিল কিন্তু ইয়াৰ আধুনিক ৰূপটো মাত্ৰ কেইটামান শতিকা পুৰণি. চৰকাৰী অধিনিয়মৰ সৈতে ভাৰতবৰ্ষত বীমাটোৱে বিভিন্ন অৱস্থা অতিক্ৰম কৰিছে.

b) নাগৰিকবোৰৰ স্বাস্থ্যটো অতি গুৰুত্বপূৰ্ণ হোৱা বাবে চৰকাৰে উপযুক্ত স্বাস্থ্যৰ যতন প্ৰণালী এটা তৈয়াৰ কৰাত মুখ্য ভূমিকা গ্ৰহণ কৰে.

c) আগবঢ়োৱা স্বাস্থ্যৰ যতনৰ স্তৰটো দেশৰ জনসংখ্যাৰ সৈতে সম্পৰ্কীয় বহুতো কাৰকৰ ওপৰত নিৰ্ভৰ কৰে.

d) দাবী কৰা চিকিৎসাৰ মনোনিবেশৰ স্তৰটোৰ ওপৰত ভিত্তি কৰি তিনি প্ৰকাৰৰ স্বাস্থ্যৰ যতন হল প্ৰাথমিক, মাধ্যমিক আৰু তৃতীয় শ্ৰেণীৰ. প্ৰতিটো স্তৰৰ সৈতে স্বাস্থ্যৰ যতনৰ মূল্যটো বৃদ্ধি পায়, তৃতীয় শ্ৰেণীৰ যতনটো আটাইতকৈ বেছি ব্যয় বহুল.

e) জনসংখ্যা বৃদ্ধি আৰু নগৰীকৰণৰ দৰে ভাৰতবৰ্ষৰ নিজা বিশেষ প্ৰত্যাহ্বানবোৰ আছে যিবোৰে সঠিক স্বাস্থ্যৰ যতন দাবী কৰে.

f) চৰকাৰে প্ৰথমে স্বাস্থ্য বীমাৰ বাবে আঁচনি তৈয়াৰ কৰিছিল যিটো পিছত ব্যক্তিগত বীমা কোম্পানীবোৰে বাণিজ্যিক বীমাৰ দ্বাৰা অনুসৰণ কৰিছিল.

g) স্বাস্থ্য বীমাৰ বজাৰখন বহুতো অংশগ্ৰহণকাৰীৰ দ্বাৰা গঠিত, কিছুমান আন্ত:গাঁথনি প্ৰদান কৰে, আনবোৰে বীমাৰ সেৱাবোৰ আগবঢ়ায়, ব্ৰকাৰ, এজেন্ট আৰু তৃতীয় পক্ষৰ কৰ্তৃপক্ষৰ দৰে মধ্যস্থতাকাৰীবোৰে স্বাস্থ্য বীমা ব্যৱসায়ৰ সেৱা প্ৰদান কৰে আৰু লগতে অন্য নিয়ন্ত্ৰণ, শিক্ষামূলক একেদৰে আইনী উপাদানবোৰে সিহঁতৰ ভূমিকা গ্ৰহণ কৰে.

মুখ্য পদবোৰ

a) স্বাস্থ্যৰ যতন

b) বাণিজ্যিক বীমা

c) ৰাষ্ট্ৰীয়কৰণ

d) প্ৰাথমিক, দ্বিতীয় আৰু তৃতীয় স্বাস্থ্যৰ যতন

e) মেডিক্লেম

f) ব্ৰকাৰ

g) এজেন্ট

h) তৃতীয় পক্ষৰ কৰ্তৃপক্ষ

i) IRDA

অধ্যায় 18

বীমাৰ নথি প্ৰস্তুত

পাঠ পৰিচয়

বীমা উদ্যোগত আমি যথেষ্ট সংখ্যক ফৰ্ম, নথি ইত্যাদিৰ সৈতে লেনদেন কৰো. এই পাঠটোৱে আমাক বিভিন্ন নথি আৰু বীমা চুক্তি এটাত সিহঁতৰ গুৰুত্বৰ বিষয়ে অৱগত কৰে. এইটোৱে লগতে প্ৰত্যেকখন ফৰ্মৰ প্ৰকৃত চৰিত্ৰটোৰ ধাৰণা দিয়ে, ইয়াক কেনেকৈ পূৰ কৰিব লাগে আৰু নিৰ্দিষ্ট তথ্য বিচৰাৰ কাৰণবোৰ অৱগত কৰে.

পাঠটোৰ পৰা শিকিবলগীয়াবোৰ

A. প্ৰস্তাৱৰ ফৰ্মবোৰ
B. প্ৰস্তাৱটোৰ স্বীকৃতি *(আণ্ডাৰৰাইটিং)*
C. পুস্তিকা
D. প্ৰিমিয়ামৰ ৰছিদ
E. পলিচীৰ নথি
F. চৰ্ত আৰু আশ্বাসবোৰ
G. বিজ্ঞাপনবোৰ
H. পলিচীবোৰৰ বাখ্যা
I. নবীকৰণৰ জাননী
J. কলাধন বৈধ কৰাটো ৰোধ কৰা আৰু আপোনাৰ গ্ৰাহকক জানক নিৰ্দেশিকাবোৰ

এই পাঠটো পঢ়াৰ পিছত আপুনি সক্ষম হব:

a) প্ৰস্তাৱৰ ফৰ্মৰ উপাদানবোৰ বাখ্যা কৰিবলৈ.
b) পুস্তিকাৰ গুৰুত্ব বাখ্যা কৰিবলৈ.
c) প্ৰিমিয়ামৰ ৰছিদ আৰু বীমা আইন, ১৯৩৮ ৰ খণ্ড 64VB বাখ্যা কৰিবলৈ.
d) বীমা পলিচী নথিত থকা চৰ্ত আৰু কথাবোৰ বাখ্যা কৰিবলৈ.
e) পলিচী চৰ্ত, আশ্বাস আৰু বিজ্ঞাপনবোৰ আলোচনা কৰিবলৈ.
f) বিজ্ঞাপনবোৰ কিয় প্ৰদান কৰা হয় ধাৰণা কৰিবলৈ.
g) আইনৰ আদালতত পলিচীৰ কথাবোৰ কেনেকৈ চোৱা হয় বুজিবলৈ.
h) নবীকৰণৰ জাননীবোৰ কিয় প্ৰদান কৰা হয় ধাৰণা কৰিবলৈ.
i) কলাধন বৈধ কৰাটো কি জানক আৰু আপোনাৰ গ্ৰাহক নিৰ্দেশিকাবোৰ প্ৰসংগত এজেন্ট এজনে কি কৰিব লাগে.

A. প্ৰস্তাৱৰ ফৰ্মবোৰ

আগতে উল্লেখ কৰাৰ দৰে, বীমা হল এটা চুক্তি যিটো লিখিতভাৱে পলিচী এটাত পৰিণত কৰা হয়. বীমাৰ নথি প্ৰস্তুতটো পলিচীবোৰ প্ৰদানতে সীমিত নহয়. যিহেতু তাত ব্ৰকাৰ আৰু এজেন্টবোৰৰ দৰে বহুতো মধ্যস্থতাকাৰী আছে যিয়ে সিহঁতৰ মাজত কাৰ্য কৰে, এইটো সম্ভৱ যে এজন বীমাকৰ্তা আৰু তেওঁৰ বীমাকাৰীৰ মাজত কেতিয়াও সাক্ষাত নহব পাৰে.

বীমাকোম্পানীটোৱে কেৱল গ্ৰাহকে জমা দিয়া নথিবোৰৰ পৰা গ্ৰাহকজনৰ বিষয়ে আৰু তেওঁ/তেখেতৰ বীমাৰ প্ৰয়োজনীয়তাৰ বিষয়ে জানিবলৈ সক্ষম হয়. তেনেকুৱা নথিবোৰে লগতে বীমাকাৰীক ৰিস্কটো ভালকৈ বুজাত সহায় কৰে. সেয়েহে বীমাৰ নথি প্ৰস্তুতকৰণটো বীমাকাৰী আৰু বীমাকৰ্তাৰ মাজত বুজাবুজি আৰু স্বচ্ছতা অনাৰ বাবে নথি প্ৰস্তুত কৰাটো প্ৰয়োজনীয়. কিছুমান নিৰ্দিষ্ট নথি আছে যিবোৰ বীমা ব্যৱসায়ত সাধাৰণতে ব্যৱহাৰ কৰা হয়.

গ্ৰাহকৰ অত্যন্ত ওচৰৰ ব্যক্তি হিচাপে বীমা এজেন্টে গ্ৰাহকৰ মুখামুখি হব লাগে আৰু নথিবোৰ সম্বন্ধীয় সকলো সন্দেহৰ অৱকাশ ঘটাব লাগে আৰু সেইবোৰ পূৰাওতে তেওঁ/তেখেতক সহায় কৰিব লাগে. এজেন্টবোৰে জড়িত প্ৰতিখন নথিৰ উদ্দেশ্যটো আৰু বীমাত ব্যৱহৃত নথিবোৰে ধাৰণ কৰা তথ্যৰ গুৰুত্ব আৰু প্ৰসংগটো বুজা উচিত.

1. প্ৰস্তাৱৰ ফৰ্মবোৰ

নথি প্ৰস্তুতকৰণৰ প্ৰথম স্তৰটো হল প্ৰস্তাৱৰ ফৰ্মবোৰ যাৰ জৰিয়তে বীমাকৰ্তাক জনোৱা হয়:

- ✓ তেওঁ/তেখেত কোন
- ✓ তেওঁ/তেখেতক কেনেকুৱা ধৰণৰ বীমাৰ প্ৰয়োজন
- ✓ তেওঁ/তেখেতে কি বীমা কৰিব বিচাৰিছে তাৰ পূংখানুপূংখ বিৱৰণ, আৰু
- ✓ কিমান সময়সীমাৰ বাবে

পূংখানুপূংখ বিৱৰণটোৱে বীমাৰ বিষয়বস্তুৰ আৰ্থিক মূল্যটো আৰু প্ৰস্তাৱিত বীমাটোৰ সৈতে সম্পৰ্কীয় সকলোবোৰ বস্তুনিষ্ঠ তথ্য বুজাব.

a) বীমাকাৰীৰ দ্বাৰা ৰিস্ক নিৰ্ধাৰণ

i. ৰিস্ক এটাৰ প্ৰসংগত বীমাকাৰীয়ে দাবী কৰা সকলোবোৰ বস্তুনিষ্ঠ তথ্য প্ৰকাশ কৰিবৰ বাবে প্ৰস্তাৱকে "প্ৰস্তাৱৰ ফৰ্ম" খন পূৰ কৰিব লাগে, যিয়ে বীমাকাৰীক সিদ্ধান্ত গ্ৰহণ কৰিবলৈ সক্ষম কৰে:

- ✓ বীমাৰ অনুমোদনটো গ্ৰহণ কৰিব নে অগ্ৰাহ্য কৰিব আৰু
- ✓ ৰিস্ক এটা গ্ৰহণৰ ক্ষেত্ৰত, অনুমোদন কৰিবলগীয়া সামৰিলোৱাটোৰ নিয়ম আৰু চৰ্ত, নিৰিখ নিৰ্ধাৰণ কৰা

প্ৰস্তাৱৰ ফৰ্মখনে বীমাৰ বাবে আগবঢ়োৱা ৰিস্কটো গ্ৰহণ কৰিবলৈ বীমা কোম্পানীৰ বাবে উপযোগী তথ্যবোৰ ধাৰণ কৰে. পৰম সদিচ্ছাৰ নীতিটো আৰু বস্তুনিষ্ঠ তথ্য প্ৰকাশৰ কৰ্তব্যটো বীমাৰ প্ৰস্তাৱৰ ফৰ্মৰ সৈতে আৰম্ভ হয়.

বস্তুনিষ্ঠ তথ্য প্ৰকাশৰ কৰ্তব্যটো পলিচীটো আৰম্ভ হোৱাৰ আগতে উদ্ভৱ হয়, আৰু বীমাৰ সমগ্ৰ সময়চোৱাত অব্যাহত থাকে আৰু আনকি চুক্তিটো সমাপ্ত হোৱাৰ পিছলৈকে বৰ্তি থাকে.

উদাহৰণ

ব্যক্তিগত দূৰ্ঘটনা পলিচীৰ ক্ষেত্ৰত, যদি বীমাকৰ্তাই প্ৰস্তাৱৰ ফৰ্মত স্বীকাৰোক্তি দিয়ে যে তেওঁ গাড়ীৰ খেল বা ঘোঁৰা চেঁকুৰোৱাৰ সৈতে জড়িত নহয়, তেওঁ নিশ্চয়তা প্ৰদান কৰিব লাগিব যে পলিচীৰ সময়চোৱাত তেওঁ তেনেকুৱা খেলবোৰত নিয়োজিত নহয়. বীমাকাৰীৰ বাবে এইটো এটা বস্তুনিষ্ঠ তথ্য যিয়ে এই তথ্যবোৰৰ ওপৰত ভিত্তি কৰি ৰিস্কটো গ্ৰহণ কৰিব আৰু একেদৰে ৰিস্কটো মূল্য নিৰ্ধাৰণ কৰিব.

বীমাকাৰীবোৰে ছপা কৰা প্ৰস্তাৱৰ ফৰ্মবোৰত সাধাৰণতে বীমা কোম্পানীৰ নাম, প্ৰতীক, ঠিকনা আৰু শ্ৰেণী / বীমাৰ প্ৰকাৰ / প্ৰডাক্টৰ বিষয়ে উল্লেখ থাকে. বীমা কোম্পানীবোৰৰ বাবে প্ৰস্তাৱৰ ফৰ্মত ছপা কৰা টোকা এটা যোগ কৰাটো এটা প্ৰচলিত নিয়ম, যদিও এই সংক্ৰান্তত কোনো মানবিশিষ্ট ফৰমেট বা অভ্যাস নাই.

উদাহৰণবোৰ

তেনেকুৱা টোকাৰ কিছুমান উদাহৰণ হল:

'ৰিস্কটোৰ মূল্যাংকন কৰোতে বস্তুনিষ্ঠ তথ্যবোৰ প্ৰকাশ নকৰা, ভুল তথ্য আগবঢ়োৱা, বীমাকৰ্তাৰ দ্বাৰা প্ৰৱঞ্চনা বা সহযোগ নকৰাটোৱে প্ৰদান কৰা বীমাটোৰ অধীনত সামৰি লোৱাটো বাতিল কৰিব',

'প্ৰস্তাৱটো কোম্পানীয়ে গ্ৰহণ নকৰালৈকে আৰু সম্পূৰ্ণ প্ৰিমিয়াম পৰিশোধ নকৰালৈকে কোম্পনীয়ে ৰিস্ক নলব'.

প্ৰস্তাৱৰ ফৰ্মত স্বীকাৰোক্তি: বীমা কোম্পানীবোৰে সাধাৰণতে প্ৰস্তাৱৰ ফৰ্মৰ শেষৰ ফালে প্ৰস্তাৱকৰ চহী সম্বলিত স্বীকাৰোক্তি এটা সংযোগ কৰে. এইটোৱে নিশ্চিত কৰে যে বীমাকৰ্তাই ফৰ্মখন সঠিকভাৱে পূৰ কৰিছে আৰু তাত উল্লেখিত তথ্যবোৰ বুজি পাইছে, যাতে দাবী এটা উত্থাপনৰ সময়ত তথ্যবোৰৰ ভুল উপস্থাপনৰ বাবে অসন্মতি প্ৰদৰ্শনৰ কোনো সুবিধা নাথাকে.

এইটোৱে লগতে বীমাকৰ্তাৰ হৈ পৰম সদিচ্ছাৰ মুখ্য নীতিটো আৰু সকলোবোৰ বস্তুনিষ্ঠ তথ্যৰ প্ৰকাশটো আগবঢ়ায়.

স্বীকাৰোক্তিটোৱে পৰম সদিচ্ছাৰ সাধাৰণ আইনী নীতিটোক পৰম সদিচ্ছাৰ ঠিকাভিত্তিক কৰ্তব্য এটালৈ ৰূপান্তৰিত কৰে.

স্বীকাৰোক্তিৰ মানবিশিষ্ট ফৰ্ম

স্বাস্থ্য বীমা প্ৰস্তাৱটোত মানবিশিষ্ট স্বীকাৰোক্তিৰ ফৰমেটটো IRDAI তলত দিয়া ধৰণে নিৰ্ধাৰণ কৰিছে:

1. 'মই/আমি ইয়াৰদ্বাৰা মোৰ হৈ আৰু বীমা কৰিবলগীয়া সকলোবোৰ প্ৰস্তাৱিত ব্যক্তিৰ হৈ জনাও যে মোৰ দ্বাৰা প্ৰদান কৰা উপৰোক্ত উক্তি, উত্তৰ আৰু/বা নথিবোৰ মোৰ জ্ঞান সাপেক্ষে সঁচা আৰু সম্পূৰ্ণ আৰু এই অন্য ব্যক্তিবোৰৰ হৈ প্ৰস্তাৱ কৰিবলৈ মো/আমাৰ কৰ্তৃত্ব আছে.
2. মই বুজি পাও যে মোৰ দ্বাৰা প্ৰদান কৰা তথ্যটোৱে বীমা পলিচীটোৰ ভেটিটো তৈয়াৰ কৰিব, এইটো বীমা কোম্পানীটোৰ বোৰ্ডৰ দ্বাৰা অনুমোদিত আণ্ডাৰৰাইটিং নীতিটোৰ বিষয় বস্তু আৰু আৰোপিত প্ৰিমিয়ামটো সম্পূৰ্ণ লাভৰ পিছত পলিচীটো কাৰ্যকৰী হব.
3. মই/আমি লগতে ঘোষণা কৰো যে প্ৰস্তাৱটো জমা দিয়াৰ পিছত বীমাকৰ্তা/প্ৰস্তাৱিতৰ জীৱিকা বা জীৱনৰ সাধাৰণ স্বাস্থ্যত হোৱা যিকোনো সলনিৰ বিষয়ে লিখিতভাৱে অৱগত কৰিম কিন্তু কোম্পানীটোৰ দ্বাৰা ৰিস্কৰ গ্ৰহ্যতাটো আৰম্ভ হোৱাৰ আগতে.
4. সাম্ভাব্য বীমাকৰ্তা/প্ৰস্তাৱকৰ জীৱনত উপস্থিত থকা যিকোনো চিকিৎসকৰ পৰা বা চিকিৎসালয়ৰ পৰা কোম্পানীয়ে চিকিৎসাৰ তথ্য বিচৰাটোত মই/আমি সহমত প্ৰদৰ্শন কৰো আৰু ঘোষণা বা বীমাকৰ্তা/প্ৰস্তাৱকৰ শাৰীৰিক বা মানসিক স্বাস্থ্য প্ৰভাৱিত কৰা যিকোনোৰ বিষয়ে অতীতৰ বা বৰ্তমানৰ মালিকৰ পৰা আৰু যত প্ৰস্তাৱটো আণ্ডাৰৰাইট কৰা আৰু/বা দাবী নিষ্পত্তি কৰাৰ বাবে বীমকৰ্তা/প্ৰস্তাৱকে আবেদন কৰা যিকোনো বীমা কোম্পানীৰ পৰা তথ্য বিচৰাটো মই/আমি সমৰ্থন কৰো.
5. প্ৰস্তাৱৰ আণ্ডাৰৰাইটিংৰ বাবে চিকিৎসাৰ তথ্যকে ধৰি মোৰ প্ৰস্তাৱৰ সৈতে সম্পৰ্কীয় তথ্য বিনিময় কৰিবলৈ মই/আমি কোম্পানীটোক কৰ্তৃত্ব প্ৰদান কৰো আৰু/বা দাবীবোৰৰ নিষ্পত্তি আৰু যিকোনো চৰকাৰী আৰু/বা নিয়ন্ত্ৰণ কৰ্তৃপক্ষ সম্বন্ধীয়ৰ সৈতে.

b) প্ৰস্তাৱৰ ফৰ্মত থকা প্ৰশ্নবোৰৰ ধৰণ

প্ৰস্তাৱৰ ফৰ্ম এখনত থাকিব পৰা প্ৰশ্নবোৰৰ সংখ্যা আৰু ধৰণটো বিবেচিত বীমাৰ শ্ৰেণীটোৰ ওপৰত নিৰ্ভৰ কৰে.

স্বাস্থ্য, ব্যক্তিগত দুৰ্ঘটনা আৰু ভ্ৰমণ বীমা আদিৰ দৰে ব্যক্তিগত শাৰীবোৰৰ ক্ষেত্ৰত প্ৰস্তাৱকৰ স্বাস্থ্য, জীৱনধাৰণৰ পদ্ধতি আৰু অভ্যাসবোৰ, পূৰ্বৰে পৰা বৰ্তি থকা স্বাস্থ্যৰ অৱস্থাবোৰ, চিকিৎসাৰ ইতিহাস, বংশগত লক্ষণ, অতীতৰ বীমাৰ অভিজ্ঞতা ইত্যাদিৰ বিষয়ে তথ্য লাভ কৰিবলৈ আৰ্হি কৰা হয়.

প্ৰস্তাৱ এটাৰ উপাদানবোৰ

i. **প্ৰস্তাৱকৰ সম্পূৰ্ণ নাম**

প্ৰস্তাৱকে নিজকে স্পষ্টভাৱে পৰিচয় দিবলৈ সক্ষম হোৱা উচিত. কাৰ সৈতে চুক্তিটো কৰিছে বীমাকাৰীৰ বাবে সেইটো জ্ঞাত হোৱাটো গুৰুত্বপূৰ্ণ, যাতে পলিচীটোৰ অধীনত থকা মুনাফাবোৰ কেৱল বীমাকৰ্তাই লাভ কৰিবলৈ সক্ষম হয়. পৰিচয় প্ৰতিপন্ন কৰাটো আনকি কোনোবাই বীমা কৰা ৰিস্কটোৰ ওপৰত সুত অৰ্জন কৰা (মৃত্যুৰ ক্ষেত্ৰত আইনী উত্তৰাধিকাৰীৰ দৰে) আৰু দাবী এটা উত্থাপন কৰাৰ ক্ষেত্ৰতও গুৰুত্বপূৰ্ণ.

ii. **প্ৰস্তাৱকৰ ঠিকনা আৰু যোগাযোগৰ পূংখানুপূংখ বিৱৰণ**

ওপৰত উল্লেখ কৰা কাৰণবোৰ একেদৰে প্ৰস্তাৱকৰ ঠিকনা আৰু যোগাযোগৰ পূংখানুপূংখ বিৱৰণবোৰ সংগ্ৰহ কৰাৰ বাবেও প্ৰযোজ্য.

iii. **প্ৰস্তাৱকৰ পেছা, জীৱিকা বা ব্যৱসায়**

স্বাস্থ্য আৰু ব্যক্তিগত দুৰ্ঘটনাৰ বীমাৰ দৰে কিছুমান ক্ষেত্ৰত প্ৰস্তাৱকৰ পেছা, বৃত্তি বা ব্যৱসায়ৰ বিষয়ে জনাটো গুৰুত্বপূৰ্ণ যিহেতু সেইবোৰ ৰিস্ক বহনৰ কাৰক এটা হব পাৰে.

উদাহৰণ

ফাষ্ট-ফুড ৰেষ্টুৰেন্টৰ বিতৰক এজনে গ্ৰাহকক খাদ্যৰ যোগনা ধৰিবৰ বাবে দ্ৰুত গতিত সঘনাই মটৰচাইকেলত ভ্ৰমণ কৰিবলগীয়া হয়, সেয়ে তেখেত উক্ত ৰেষ্টুৰেন্টখনৰ গাণিক বিষয়া এজনতকৈ অধিক দূৰ্ঘটনা প্ৰৱণ হব পাৰে.

iv. **বীমাৰ বিষয়বস্তুৰ পূংখানুপূংখ বিৱৰণ আৰু পৰিচয়**

প্ৰস্তাৱকে বীমাৰ বাবে প্ৰস্তাৱিত বিষয় বস্তুটো স্পষ্টভাৱে জনোৱাটো দাবী কৰে.

উদাহৰণ

প্ৰস্তাৱকক জনাব লাগে যদি এইটো:

i. এটা বিদেশ ভ্ৰমণ (কোনে, কেতিয়া, কোন দেশত, কি উদ্দেশ্যে) বা
ii. ব্যক্তি এজনৰ স্বাস্থ্য (ব্যক্তিজনৰ নাম, ঠিকনা আৰু পৰিচয়ৰ সৈতে) ইত্যাদি ঘটনাবোৰৰ ওপৰত নিৰ্ভৰ কৰি

v. **মুঠ পাবলগীয়াটোৱে** পলিচীটোৰ অধীনত বীমাকাৰীৰ দায়িত্ববোধৰ সীমাটো সূচিত কৰে আৰু সকলো প্ৰস্তাৱৰ ফৰ্মত উল্লেখ কৰিব লাগে.

উদাহৰণ

স্বাস্থ্য বীমাৰ ক্ষেত্ৰত, এইটো চিকিৎসালয়ৰ চিকিৎসা ব্যয় হব পাৰে, একেদৰে ব্যক্তিগত দূৰ্ঘটনাৰ বীমাৰ বাবে এইটো দূৰ্ঘটনা এটাৰ ফলত জীৱন হেৰুওৱা, অংগ এটা হেৰুওৱা, বা দৃষ্টি হেৰুওৱাৰ বাবে এটা নিৰ্দিষ্ট ৰাশি হব পাৰে.

vi. **পূৰ্বৰ আৰু বৰ্তমানৰ বীমা**

প্ৰস্তাৱকে বীমাকাৰীক তেখেতৰ পূৰ্ব বীমাবোৰৰ বিষয়ে পূংখানুপূংখভাৱে জনোৱাটো প্ৰয়োজনীয়. এইটোৱে তেখেতৰ বীমাৰ ইতিহাসটো বুজাত সহায় কৰে. কিছুমান বজাৰত পদ্ধতিবোৰ আছে যাৰ দ্বাৰা বীমাকাৰীবোৰে বীমাকৰ্তাৰ তথ্যবোৰ গোপনীয়ভাৱে বিনিময় কৰে.

কোনো বীমাকাৰীয়ে তেখেতৰ প্ৰস্তাৱটো অগ্ৰাহ্য কৰিছিল নে, বিশেষ চৰ্তবোৰ আৰোপ কৰা হৈছিল নে, নবীকৰণৰ সময়ত প্ৰিমিয়াম বৃদ্ধি কৰা হৈছিল নেকি বা নবীকৰণ কৰিবলৈ অস্বীকাৰ কৰিছিল নেকি বা পলিচীটো বাতিল কৰিছিল নেকি ইত্যাদিৰ বিষয়েও প্ৰস্তাৱকে জনোৱাটো প্ৰয়োজন.

বীমাকাৰীবোৰৰ নামটো অন্তৰ্ভুক্ত কৰি আন যিকোনো বীমাৰ সৈতে শেহতীয়া বীমাটোৰ পূংখানুপূংখ বিৱৰণ প্ৰকাশ কৰাটো প্ৰয়োজন. বিশেষকৈ সম্পত্তি বীমাৰ ক্ষেত্ৰত বীমাকৰ্তাই বিভিন্ন বীমাকাৰীৰ পৰা পলিচী লোৱাৰ সম্ভাৱনা এটা

থাকে আৰু ক্ষতি এটা সংঘটিত হলে এজনতকৈ অধিক বীমাকাৰীৰ পৰা ক্ষতিপূৰণ দাবী কৰে. বৰঙণিৰ নীতি প্ৰয়োগ কৰাটো নিশ্চিত কৰিবলৈ এই তথ্যটো দাবী কৰে যাতে বীমাকৰ্তাক বীমাৰ ধন ঘূৰাই দিব পাৰি আৰু যাতে একেটা ৰিস্কৰ বাবে লোৱা বিভিন্ন বীমা পলিচীবোৰৰ দ্বাৰা লাভ/মুনাফ অৰ্জন কৰিব নোৱাৰে.

পিছলৈ, ব্যক্তিগত দূৰ্ঘটনা বীমাৰ ক্ষেত্ৰত বীমাকাৰী এজনে একেজন বীমাকৰ্তাই লোৱা অন্য PA পলিচীবোৰৰ অধীনত মুঠ পাবলগীয়াটোৰ ওপৰত নিৰ্ভৰ কৰি সামৰি লোৱাৰ পৰিমাণটো (বীমাৰ নগদ পৰিমাণ) সীমাবদ্ধ কৰিব বিচাৰিব.

vii. ক্ষতিৰ অভিজ্ঞতা

প্ৰস্তাৱকক তেওঁ / তেখেত সন্মুখীন হোৱা সকলোবোৰ ক্ষতিৰ পূংখানুপূংখ বিৱৰণ প্ৰকাশ কৰিবলৈ কোৱা হয়, সেইবোৰ বীমা কৰা থাকক বা নাথাকক. এইটোৱে বীমাকাৰীক বীমাৰ বিষয়বস্তু সম্পৰ্কে আৰু অতীতত বীমাকৰ্তাই ৰিস্কটো কেনেকৈ পৰিচালনা কৰিছিল তাৰ বিষয়ে তথ্য প্ৰদান কৰিব. তেনেকুৱা উত্তৰবোৰৰ পৰা আণ্ডাৰৰাইটাৰবোৰে ৰিস্কবোৰ বেছিভালকৈ বুজিব পাৰে আৰু ৰিস্কৰ অনুসন্ধানবোৰ অনুষ্ঠিত কৰা বা অন্য পূংখানুপূংখ বিৱৰণ সংগ্ৰহ কৰাৰ সিদ্ধান্ত লব পাৰে.

viii. বীমাকৰ্তাৰ দ্বাৰা দিয়া স্বীকাৰোক্তি

যিদৰে প্ৰস্তাৱৰ ফৰ্মৰ উদ্দেশ্যটো হল বীমাকাৰীবোৰক সকলোবোৰ বস্তুনিষ্ঠ তথ্য যোগানধৰা, সেইদৰে ফৰ্মখনে উত্তৰবোৰ সঁচা আৰু সঠিক আৰু ফৰ্মখন বীমা চুক্তিটোৰ আধাৰ হিচাপে তেওঁ মানি লোৱা বুলি বীমাকৰ্তাই দিয়া স্বীকাৰোক্তি এটা অন্তৰ্ভুক্ত কৰে. যিকোনো অশুদ্ধ উত্তৰে বীমাকাৰীবোৰক চুক্তিটো বাতিল কৰিবলৈ অধিকাৰ প্ৰদান কৰিব. সকলোবোৰ প্ৰস্তৱৰ ফৰ্মত থকা অন্য সাধাৰণ খণ্ডবোৰ চহী, তাৰিখ আৰু কিছুমান ক্ষেত্ৰত এজেন্টৰ পৰামৰ্শৰ সৈতে সম্পৰ্কীয়.

ix. যত প্ৰস্তাৱৰ ফৰ্ম এখন ব্যৱহাৰ কৰা নহয়, তেনেকুৱা ক্ষেত্ৰত বীমাকাৰীয়ে লাভ কৰা তথ্যবোৰ মৌখিকভাৱে বা লিখিতভাৱে ৰেকৰ্ড কৰিব আৰু প্ৰস্তাৱকৰ সৈতে সেইবোৰ ১৫ দিনৰ ভিতৰত নিশ্চিত কৰিব আৰু পলিচীটো বা ইয়াৰ পলিচীটোত তথ্যটো সংলগ্ন কৰিব. যত বীমাকৰ্তাই পিছত দাবী কৰিব পাৰে যে প্ৰস্তাৱকে কোনো বস্তুনিষ্ঠ তথ্য প্ৰকাশ কৰা নাছিল বা সামৰিলোৱা এটা লাভ কৰিবলৈ যিকোনো বস্তুনিষ্ঠৰ মিছা তথ্য বা ভুল উপস্থাপন আগবঢ়াইছিল, এইটো মিছা প্ৰমাণিত কৰাৰ দায়িত্ব বীমাকৰ্তাৰ.

এইটোৱে বুজায় যে আনকি মৌখিকভাৱে লাভ কৰা সকলোবোৰ তথ্য ৰেকৰ্ড কৰাটো বীমা কোম্পানীৰ কৰ্তব্য, যিটো এজেন্টে কাৰ্য কৰোতে মনত ৰাখিব লাগে.

গুৰুত্বপূৰ্ণ

তলত উল্লেখিতবোৰ হল স্বাস্থ্য বীমা পলিচী এটাৰ প্ৰস্তাৱৰ ফৰ্মৰ কিছুমান পূংখানুপূংখ বিৱৰণ:

1. ১. প্ৰস্তাৱৰ ফৰ্মখনে পুস্তিকা এখন সংযোজিত কৰে যিয়ে সামৰিলোৱা, বহিষ্কৰণ, আৰক্ষণ ইত্যাদিৰ দৰে সামৰিলোৱাৰ বিৱৰণবোৰ উল্লেখ কৰে. পুস্তিকাখনে প্ৰস্তাৱৰ ফৰ্মখনৰ অংশ এটা তৈয়াৰ কৰে আৰু ইয়াৰ উপাদানবোৰৰ বিষয়ে জ্ঞাত হোৱাটো অৱগত কৰিবলৈ প্ৰস্তাৱকে ইয়াত চহী কৰিব লাগে.

2. প্ৰস্তাৱৰ ফৰ্মখনে নাম, ঠিকনা, জীৱিকা, জন্মৰ তাৰিখ, লিংগ, আৰু প্ৰতিজন বীমাকৃত ব্যক্তিৰ প্ৰস্তাৱকৰ সৈতে সম্পৰ্ক, গড় মাহেকীয়া আয় আৰু আয় কৰ PAN No., চিকিৎসকৰ নাম আৰু ঠিকনা, তেওঁৰ অৰ্হতা আৰু পঞ্জীয়ন সংখ্যা ইত্যাদিৰ সৈতে সম্পৰ্কীয় তথ্য সংগ্ৰহ কৰে আৰু বেংক স্থানান্তৰণৰ যোগদি দাবীৰ ধনটো প্ৰত্যক্ষভাৱে পৰিশোধ কৰিবলৈ আজিকালি বীমাকৰ্তাৰ বেংকৰ পূংখানুপূংখ বিৱৰণবোৰ সংগ্ৰহ কৰা হয়.

3. লগতে, তাত বীমাকৃত ব্যক্তিৰ চিকিৎসাৰ অৱস্থা সম্বন্ধীয় প্ৰশ্নবোৰ থাকে. ফৰ্মখনত থকা এই বিস্তৃত প্ৰশ্নবোৰ অতীতৰ দাবীবোৰৰ অভিজ্ঞতাৰ ওপৰত আধাৰিত আৰু লাভ কৰিবলৈ ৰিস্কটোৰ উপযুক্ত আণ্ডাৰৰাইটিং কৰিব লাগে.

4. বীমাকৰ্তা ব্যক্তিজনে সম্পূৰ্ণ বিৱৰণ দাঙি ধৰাটো প্ৰয়োজনীয় যদি তেওঁ ফৰ্মত উল্লেখিত যিকোনো ৰোগত আক্ৰান্ত হৈছে.

5. লগতে, আক্ৰান্ত হোৱা যিকোনো ৰোগ বা বেমাৰ বা দূৰ্ঘটনাৰ বিৱৰণ তলত দিয়া ধৰণে উল্লেখ কৰিব লাগে:

   a. ক. ৰোগৰ চৰিত্ৰ / আঘাত আৰু চিকিৎসা
   b. খ. প্ৰথম চিকিৎসাৰ তাৰিখ
   c. গ. উপস্থিত থকা চিকিৎসকৰ নাম আৰু ঠিকনা
   d. ঘ. সম্পূৰ্ণ আৰোগ্য লাভ কৰিছেনে

6. বীমাকৰ্তা ব্যক্তিয়ে যিকোনো অতিৰিক্ত তথ্য উল্লেখ কৰিব লাগে যিটো বীমাকাৰীবোৰৰ আগত প্ৰকাশ কৰা হব আৰু যদি চিকিৎসাৰ প্ৰয়োজনীয়তা দাবী কৰা যিকোনো ৰোগ বা আঘাতৰ উপস্থিতিৰ বিষয়ে তেওঁ জ্ঞাত হয়.

7. ফৰ্মখনে লগতে অতীতৰ বীমা আৰু দাবীবোৰৰ ইতিহাসৰ আৰু যিকোনো বীমাকাৰীৰ সৈতে কৰা অতিৰিক্ত বৰ্তমানৰ বীমাৰ সৈতে সম্পৰ্কীয় প্ৰশ্নবোৰ অন্তৰ্ভুক্ত কৰে.

8. প্ৰস্তাৱকৰ দ্বাৰা চহী কৰা স্বীকাৰোক্তি বিশেষ বৈশিষ্ট্যবোৰ টোকা কৰাটো অপৰিহাৰ্য.

9. বীমাকৰ্তা ব্যক্তিজনে যিকোনো চিকিৎসালয় / উপস্থিত থকা চিকিৎসকৰ পৰা তথ্য বিচৰা বা তেওঁ শাৰীৰিক বা মানসিক স্বাস্থ্য প্ৰভাৱিত কৰা যিকোনো ৰোগৰ উপস্থিত থকাৰ বিষয়ে আলোচনা কৰিবলৈ বীমাকাৰীক কৰ্তৃত্ব প্ৰদান কৰে.

10. বীমাকৰ্তা ব্যক্তিয়ে নিশ্চিত কৰে যে তেওঁ ফৰ্মখনৰ পুস্তিকা তৈয়াৰ কৰা অংশটো পঢ়িছে আৰু নিয়ম আৰু চৰ্তবোৰৰ মানিবলৈ সন্মত হৈছে.

11. চুক্তিটোৰ আধাৰ অনুসৰি উক্তিবোৰ আৰু প্ৰস্তাৱৰ ফৰ্মখনৰ সত্যটো সাপেক্ষে স্বীকাৰোক্তিটোৱে সাধাৰণ আশ্বাসবোৰ অন্তৰ্ভুক্ত কৰে.

চিকিৎসাৰ প্ৰশ্নাৱলী

প্ৰস্তাৱৰ ফৰ্মত বিপৰীত চিকিৎসা ইতিহাসৰ ক্ষেত্ৰত, বীমাকৃত ব্যক্তিজনে মধুমেহ, উচ্চৰক্তচাপ, বুকুৰ বিষ বা কৰোনাৰি অপৰ্য্যপ্ততা বা মায়'কাৰ্ডিয়েল ইফাৰ্কশ্বন আদিৰ দৰে ৰোগবোৰৰ বিষয়ে এটা বিস্তৃত প্ৰশ্নাৱলী পূৰ্ণ কৰিব লাগে.

পৰামৰ্শকাৰী চিকিৎসক এজনৰ দ্বাৰা পূৰ কৰা ফৰ্ম এখনৰ সৈতে এইবোৰ সমৰ্থন কৰিব লাগে. এই ফৰ্মখন কোম্পানীৰ চিকিৎসক মণ্ডলীৰ দ্বাৰা পূংখানুপূংখভাৱে নিৰীক্ষণ কৰা হয়, যাৰ ওপৰত ভিত্তি কৰি মত, গ্ৰাহ্যতা, বহিষ্কৰণ ইত্যাদি নিৰ্ধাৰণ কৰা হয়.

IRDAI য়ে প্ৰস্তাৱৰ ফৰ্মখন আৰু তাত থকা অনুবন্ধবোৰৰ প্ৰতিলিপি এটা পলিচী নথিটোৰ সৈতে সংলগ্ন কৰাটো আৰু সেইটো বীমাকৰ্তালৈ তেওঁ ৰেকৰ্ডৰ বাবে প্ৰেৰণ কৰাটো বিচাৰে.

2. মধ্যস্থতাকাৰীৰ ভূমিকা

মধ্যস্থতাকাৰীৰ দুয়োটা ফৈদৰ প্ৰতি দায়বদ্ধ যেনে, বীমাকৰ্তা আৰু বীমাকাৰী

বীমাকৰ্তাই বীমাকৰীলৈ আগবঢ়োৱা ৰিস্ক সম্বন্ধীয় সকলোবোৰ বস্তুনিষ্ঠ তথ্য নিশ্চিত কৰাটো বীমা কোম্পানী আৰু বীমাকৰ্তাৰ মাজত মধ্যস্থতাকাৰী হিচাপে কাৰ্য কৰা এজন এজেন্ট বা এজন ব্ৰকাৰৰ দায়িত্ব.

সাম্ভাব্য গ্ৰাহকৰ প্ৰতি থকা মধ্যস্থতাকাৰীবোৰৰ দায়িত্বটো IRDA ৰ নিয়মাৱলীবোৰে প্ৰদৰ্শন কৰে.

গুৰুত্বপূৰ্ণ

সাম্ভাব্য গ্ৰাহকৰ প্ৰতি মধ্যস্থতাকাৰী এজনৰ কৰ্তব্য (গ্ৰাহক)

IRDA নিয়মাৱলীয়ে উল্লেখ কৰিছে যে ''এটা বীমাকাৰী বা ইয়াৰ এজেন্ট বা অন্য মধ্যস্থতাকাৰীবোৰে সাম্ভাব্য গ্ৰাহকক তেওঁ বা তেখেতৰ আগ্ৰহমৰ্মে উপযুক্ত সামৰিলোৱাৰ প্ৰস্তাৱ এটাৰ বাবে সিদ্ধান্ত লবলৈ সকলোবোৰ বস্তুনিষ্ঠ তথ্য আগবঢ়াব

যত সাম্ভাব্য গ্ৰাহকে বীমা কোম্পানী বা তেওঁৰ এজেন্ট বা বীমাৰ মধ্যস্থতাকাৰী এজনৰ উপদেশৰ ওপৰত নিৰ্ভৰ কৰে, তেনেকুৱা ব্যক্তি এজনে প্ৰত্যাশিত গ্ৰাহকক নিৰপেক্ষতাৰে উপদেশ দিয়াটো অপৰিহাৰ্য.

যত, যিকোনো কাৰণবশত, সাম্ভাব্য গ্ৰাহকে প্ৰস্তাৱনাৰ আৰু আন সংযোজিত কাগজবোৰ পূৰ নকৰিব পাৰে, তেনেকুৱা ক্ষেত্ৰত সাম্ভাব্য গ্ৰাহকে প্ৰস্তাৱৰ ফৰ্মৰ শেষৰফালে প্ৰমাণপত্ৰ এখন সংলগ্ন কৰি দিব পাৰে যে ফৰ্ম আৰু নথিবোৰৰ বিষয়বস্তুবোৰ তেওঁক সম্পূৰ্ণভাৱে ব্যাখ্যা কৰিব লাগে আৰু যাতে তেওঁ প্ৰস্তাৱিত চুক্তিটোৰ গুৰুত্বটো সম্পূৰ্ণৰূপে বুজিপায়."

B. প্ৰস্তাৱটোৰ গ্ৰহণযোগ্যতা (আণ্ডাৰৰাইটিং)

আমি দেখিবলৈ পাও যে এখন সম্পূৰ্ণ প্ৰস্তাৱৰ ফৰ্মত তলত দিয়া তথ্যবোৰ থাকে:

- ✓ বীমাকৰ্তাৰ পূংখানুপূংখ বিৱৰণ
- ✓ বিষয়বস্তুৰ পূংখানুপূংখ বিৱৰণ
- ✓ প্ৰয়োজনীয় সামৰিলোৱাটোৰ প্ৰকাৰ
- ✓ শাৰীৰিক বৈশিষ্ট্যবোৰৰ পূংখানুপূংখ বিৱৰণবোৰ, ধনাত্মক আৰু ঋণাত্মক দুয়োটা
- ✓ বীমা আৰু ক্ষতিৰ পূৰ্বৰ ইতিহাস

স্বাস্থ্য বীমাৰ প্ৰস্তাৱ এটাৰ ক্ষেত্ৰত, বীমাকাৰীয়ে লগতে প্ৰত্যাশিত গ্ৰাহকক পৰামৰ্শ কৰিব পাৰে উদাহৰণস্বৰূপে, ৪৫ বছৰ বয়সৰ ওপৰৰ ব্যক্তিক চিকিৎসকৰ ওচৰলৈ আৰু/বা চিকিৎসা পৰীক্ষাৰ বাবে. প্ৰস্তাৱৰ ফৰ্মত উপলব্ধ তথ্যৰ ওপৰত ভিত্তি কৰি আৰু যত চিকিৎসা পৰীক্ষাৰ পৰামৰ্শ কৰা হৈছিল, তাৰ চিকিৎসাৰ ৰিপোৰ্ট আৰু চিকিৎসকৰ পৰামৰ্শটোৰ ওপৰত ভিত্তি কৰি বীমাকাৰীয়ে সিদ্ধান্ত গ্ৰহণ কৰে. কেতিয়াবা, যত চিকিৎসাৰ ইতিহাসটো সন্তোষজনক নহয়, তেনেকুৱা ক্ষেত্ৰত সাম্ভাব্য গ্ৰাহকজনৰ পৰা অধিক তথ্য লাভ কৰিবলৈ অতিৰিক্ত প্ৰশ্নমালা এটাৰ প্ৰয়োজনীয়তা এটা আহি পৰে. বীমাকাৰীয়ে তেতিয়া ৰিস্কৰ কাৰকটোত প্ৰয়োগ কৰিবলগীয়া নিৰিখটো নিৰ্ধাৰণ কৰে আৰু বিভিন্ন কাৰকবোৰৰ ওপৰত ভিত্তি কৰি প্ৰিমিয়ামটো গণনা কৰে, যিটো পিছত বীমাকৰ্তাক জনোৱা হয়.

বীমাকাৰীয়ে খৰতকীয়াকৈ আৰু সুচাৰুৰূপে প্ৰস্তাৱবোৰ প্ৰক্ৰিয়া কৰে আৰু এটা যথাযুক্ত সময়সীমাৰ ভিতৰত ইয়াৰ দ্বাৰা গ্ৰহণ কৰা সকলোবোৰ সিদ্ধান্ত লিখিতভাৱে জনায়.

আণ্ডাৰৰাইটিং আৰু প্ৰস্তাৱবোৰৰ প্ৰক্ৰিয়াত টোকা

নিৰ্দেশনাবোৰৰ মতে, কোম্পানীয়ে প্ৰস্তাৱটো ১৫ দিনৰ ভিতৰত প্ৰক্ৰিয়া কৰিব লাগে. এজেন্টে এই সময়সীমাবোৰৰ প্ৰতি নজৰ ৰাখিব লাগে, আভ্যন্তৰীণভাৱে বিচাৰ কৰিব লাগে আৰু যেতিয়াই প্ৰয়োজন হয় গ্ৰাহক সেৱাৰ জৰিয়তে সাম্ভাব্য গ্ৰাহক / বীমাকৰ্তাকৰ সৈতে যোগাযোগ স্থাপন কৰিব লাগে. প্ৰস্তাৱটো নিৰীক্ষণ কৰা আৰু গ্ৰহণৰ বিষয়ে সিদ্ধান্ত লোৱা এই সমগ্ৰ প্ৰক্ৰিয়াটোক আণ্ডাৰৰাইটিং হিচাপে জনাজায়.

নিজক পৰীক্ষা কৰক *1*

নিৰ্দেশনাবোৰ অনুসৰি বীমা কোম্পানী এটাই বীমাৰ প্ৰস্তাৱ এটা _____ৰ ভিতৰত প্ৰক্ৰিয়া কৰিব লাগে.

I. ৭ দিন

II. ১৫ দিন

III. ৩০ দিন

IV. ৪৫ দিন

C. পুস্তিকা

পুস্তিকা হল বীমাকাৰীৰ দ্বাৰা প্ৰকাশ কৰা বা বীমাৰ সাম্ভাব্য ক্ৰেতাক প্ৰদান কৰা এখন নথি. এইখন সাধাৰণতে বিৱৰণিকা বা সূচনা-পত্ৰৰ ৰূপত থাকে আৰু সাম্ভাব্য ক্ৰেতাবোৰলৈ তেনেকুৱা প্ৰডাক্ট এটা আৰম্ভ কৰাৰ উদ্দেশ্যটো আগবঢ়ায়. পুস্তিকাৰ বিতৰ্কবোৰ বীমা আইন, ১৯৩৮ একেদৰে পলিচীধাৰকৰ আগ্ৰহ সুৰক্ষাৰ নিয়মাৱলী ২০০২ আৰু IRDAI ৰ স্বাস্থ্য বীমা নিয়মাৱলী ২০১৩ ৰ দ্বাৰা পৰিচালনা কৰা হয়.

যিকোনো বীমা প্ৰডাক্টৰ পুস্তিকাখনে মুনাফাৰ সুবিধাবোৰ, বীমা সামৰিলোৱাৰ প্ৰসাৰটো স্পষ্টভাৱে উল্লেখ কৰা উচিত আৰু বীমা সামৰিলোৱাটোৰ আশ্বাস, আপত্তি আৰু চৰ্তবোৰ স্পষ্টভাৱে ব্যাখ্যা কৰা উচিত.

লগতে সিহঁতৰ মুনাফাবোৰৰ সুবিধা সাপেক্ষে প্ৰডাক্টটোৰ ওপৰত প্ৰযোজ্য অনুমোদিত ৰাইডাৰবোৰ (এড-অন সামৰিলোৱা বুলিও কোৱা হয়) স্পষ্টভাৱে উল্লেখ কৰা উচিত. লগতে সকলোবোৰ ৰাইডাৰৰ সৈতে সম্পৰ্কীয় প্ৰিমিয়ামৰ সমষ্টিটো মুখ্য প্ৰডাক্টৰ প্ৰিমিয়ামটোৰ ৩০% অতিক্ৰম কৰা উচিত নহয়.

পুস্তিকা এখনে প্ৰকাশ কৰিবলগীয়া অন্য গুৰুত্বপূৰ্ণ তথ্যবোৰ হল:

1. বিভিন্ন বয়সৰ গোটবোৰৰ বাবে বা বিভিন্ন প্ৰৱিষ্টি বয়সবোৰৰ বাবে সামৰিলোৱা আৰু প্ৰিমিয়ামত থকা যিকোনো পাৰ্থক্য
2. পলিচীটোৰ নবীকৰণৰ নিয়মবোৰ
3. নিৰ্দিষ্ট পৰিস্থিতিবোৰৰ অধীনত পলিচীটো বাতিলৰ নিয়মবোৰ
4. বিভিন্ন পৰিস্থিতিৰ অধীনত প্ৰযোজ্য যিকোনো ৰেহাই বা লোডিংৰ পূংখানুপূংখ বিৱৰণ
5. প্ৰিমিয়ামটোকে ধৰি পলিচীটোৰ নিয়মবোৰৰ যিকোনো নিৰীক্ষণ বা পৰিৱৰ্তনৰ সম্ভাৱনাটো
6. একেটা বীমাকাৰীৰ সৈতে আগতীয়া প্ৰৱিষ্টি, ধাৰাবাহিক নবীকৰণ, অনুকূল দাবীৰ অভিজ্ঞতা ইত্যাদিৰ বাবে পুৰস্কিত পলিচীধাৰকবোৰলৈ যিকোনো ইনচেন্টিভ
7. ৭. এটা স্বীকাৰোক্তি যে ইয়াৰ সকলো স্বাস্থ্য বীমা পলিচী পোৰ্টেবল, যাৰ অৰ্থ হল এই পলিচীবোৰ আন যিকোনো বীমাকাৰীৰ সৈতে নবীকৰণ কৰিব পাৰি যিয়ে বৰ্তি থকা বীমাকাৰীটোৰ সৈতে তেওঁ ভোগ কৰা একেধৰণৰ সামৰিলোৱাৰ মুনাফা আগবঢ়ায়.

স্বাস্থ্য পলিচীৰ বীমাকাৰীবোৰে সাধাৰণতে পুস্তিকাবোৰত সিহঁতৰ স্বাস্থ্য বীমা প্ৰডাক্টবোৰৰ বিষয়ে প্ৰকাশ কৰে. তেনেকুৱা ক্ষেত্ৰত প্ৰস্তাৱৰ ফৰ্মখনে স্বীকাৰোক্তি এটা ধাৰণ কৰিব যে গ্ৰাহকে পুস্তিকাখন পঢ়িছে আৰু ইয়াত সন্মতি জনাইছে .

D. প্ৰিমিয়ামৰ ৰছিদ

যেতিয়া গ্ৰাহকে বীমাকাৰী প্ৰিমিয়ামটো পৰিশোধ কৰে, বীমাকাৰীয়ে ৰছিদ এখন প্ৰদান কৰাটো অনিবাৰ্য. যিকোনো প্ৰিমিয়াম আগতীয়াকৈ পৰিশোধ কৰাৰ ক্ষেত্ৰতও ৰছিদ এখন প্ৰদান কৰিব লাগে.

সংজ্ঞা

প্ৰিমিয়াম হল বীমা চুক্তি এটাৰ অধীনত বীমাৰ বিষয়বস্তু এটা বীমা কৰিবৰ বাবে বীমাকৰ্তাই বীমাকাৰীক পৰিশোধ কৰা ৰাশিটো.

1. আগতীয়াকৈ প্ৰিমিয়ামৰ পৰিশোধ (বীমা আইন, ১৯৩৮ ৰ খণ্ড 64 VB)

বীমা আইন মতে, বীমা চুক্তিটোৰ আৰম্ভণি তাৰিখটোৰ আগতে আগতীয়াকৈ প্ৰিমিয়াম পৰিশোধ কৰিব পাৰি. এইটো হল এটা গুৰুত্বপূৰ্ণ ব্যৱস্থা, যিয়ে বীমাকোম্পানীয়ে প্ৰিমিয়ামটো লাভ কৰাৰ লগে লগে এটা বৈধ বীমা চুক্তি সম্পন্ন হোৱা আৰু বীমা কোম্পানীটোৱে ৰিস্কটো ধাৰণ কৰাটো নিশ্চিত কৰে. এই খণ্ডটো হল ভাৰতবৰ্ষৰ জীৱন বীমাৰ বাহিৰৰ বীমাৰ এটা বিশেষ বৈশিষ্ট্য.

গুৰুত্বপূৰ্ণ

a) বীমা আইন-১৯৩৮ ৰ খণ্ড ৬৪ VB য়ে আগবঢ়ায় যে প্ৰিমিয়ামটো আগতীয়াকৈ লাভ নকৰা বা পৰিশোধ কৰাৰ আশ্বাস নিদিয়া বা নিৰ্ধাৰিত ধৰণে আগতীয়াকৈ জমা নিদিয়ালৈকে কোনো বীমাকাৰীয়ে যিকোনো ৰিস্ক ধাৰণ নকৰিব.

b) যত বীমাকাৰী এজনৰ হৈ বীমা পলিচী এটাৰ প্ৰিমিয়ামটো এজেন্ট এজনে সংগ্ৰহ কৰে, তেনেকুৱা ক্ষেত্ৰত তেওঁ বেংক আৰু ডাকৰ ছুটিৰ দিনবোৰ বাদ দি তেওঁৰ কমিছনটো কাটি নৰখাকৈ সংগ্ৰহৰ চৌবিশ ঘন্টাৰ ভিতৰত জমা দিব লাগে বা ডাকযোগে পথাব লাগে.

c) লগতে এইটোও জনোৱা হয় যে কেৱল নগদ বা চেকৰ দ্বাৰা প্ৰিমিয়াম পৰিশোধ কৰা তাৰিখটোৰ পৰাহে ৰিস্কটো ধাৰণ কৰা হব পাৰে.

d) যত ডাক বা মানি অৰ্ডাৰ বা ডাকযোগে পথোৱা চেকৰ দ্বাৰা প্ৰিমিয়াম পৰিশোধ কৰাৰ ক্ষেত্ৰত মানি অৰ্ডাৰৰ বন্দোবস্তি কৰা বা চেকখন পোষ্ট কৰা তাৰিখটোত ৰিস্কটো ধাৰণ কৰা হব পাৰে.

e) পলিচী বাতিল কৰা বা ইয়াৰ নিয়ম আৰু চৰ্তবোৰ সলনি কৰা বা আন যিকোনো কাৰণত প্ৰিমিয়াম উভোতাই দিয়াটো বীমাকাৰীয়ে এখন ক্ৰছ বা অৰ্ডাৰ চেক বা ডাক / মানি অৰ্ডাৰৰ যোগেদি বীমাকৰ্তাক প্ৰত্যক্ষভাৱে পৰিশোধ কৰিব আৰু বীমাকৰ্তাৰ পৰা এখন প্ৰকৃত প্ৰাপ্তিৰ ৰছিদ সংগ্ৰহ কৰিব. আজিকালি বীমাকৰ্তাৰ বেংক একাউন্টটোত পৰিমাণটো প্ৰত্যক্ষভাৱে দিয়া হয়. ক্ৰেডিট আৰু তেনেকুৱা পৰিশোধটো কোনো ক্ষেত্ৰতে এজেন্টৰ একাউন্টত দিয়া নহব.

বীমাৰ নিয়ম ৫৮ আৰু ৫৯ত উল্লেখিত প্ৰিমিয়ামৰ ওপৰোক্ত পূৰ্ব-চৰ্তযুক্ত পৰিশোধটোত কিছুমান আপত্তি আছে. এটা হল পলিচীবোৰৰ ক্ষেত্ৰত কিস্তিত পৰিশোধ কৰাৰ বাবে যিটো জীৱন বীমা পলিচীবোৰৰ দৰে ১২ মাহতকৈ অধিক দিনৰ বাবে চলে. অইনবোৰে নিৰ্ধাৰিত ঘটনাবোৰত বেংকৰ আশ্বাস এটাৰ জৰিয়তে পৰিশোধটো অন্তৰ্ভুক্ত কৰে যত সঠিক পৰিশোধটো আগতীয়াকৈ লাভ কৰিব নোৱাৰি বা বীমাকাৰীৰ সৈতে গ্ৰাহকৰ দ্বাৰা তত্বাৱধান কৰা নগদ জমা একাউন্ট এটালৈ ডেবিটৰ দ্বাৰা.

2. প্ৰিমিয়াম পৰিশোধৰ পদ্ধতি

গুৰুত্বপূৰ্ণ

বীমা পলিচী এটা লবৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা যিকোনো ব্যক্তি বা পলিচীধাৰকে বীমাকাৰী এটালৈ পৰিশোধ কৰিবলগীয়া প্ৰিমিয়ামটো তলত উল্লেখিত যিকোনো এটা বা অধিক পদ্ধতিৰ দ্বাৰা দিব পাৰে:

a) নগদ
b) ভাৰতবৰ্ষত অৱস্থিত যিকোনো বেংকত ভাঙিব পৰা চেক, ডিমাণ্ড ড্ৰাফ্ট, পে অৰ্ডাৰ, বেংকাৰ চেক ইত্যাদিৰ দৰে যিকোনো স্বীকৃতিপ্ৰাপ্ত প্ৰাপ্তিৰ মাধ্যম;
c) ডাকঘৰৰ মানি অৰ্ডাৰ;
d) ক্ৰেডিট বা ডেবিট কাৰ্ডবোৰ;
e) বেংক গ্যেৰান্টী বা নগদ জমা;
f) ইন্টাৰনেট;
g) ই-ট্ৰেন্সফাৰ
h) বেংক স্থানান্তৰণৰ জৰিয়তে প্ৰস্তাৱক বা পলিচীধাৰক বা জীৱন বীমাকৰ্তাৰ পোনপোটীয়া নিৰ্দেশৰ যোগেদি প্ৰতক্ষ্য ক্ৰেডিটবোৰ;
i) সময়ে সময়ে কৰ্তৃপক্ষৰ দ্বাৰা অনুমোদিত কৰা আন যিকোনো পদ্ধতি বা পৰিশোধ;

IRDA ৰ নিয়মাৱলীবোৰ অনুসৰি, প্ৰস্তাৱক / পলিচীধাৰকে নেট বেংকিং বা ক্ৰেডিট / ডেবিট কাৰ্ডৰ যোগেদি প্ৰিমিয়াম পৰিশোধ কৰিব বিচাৰিলে, পৰিশোধটো কেৱল তেনেকুৱা প্ৰস্তাৱক / পলিচীধাৰকৰ নামত থকা নেট বেংকিং একাউন্ট বা ক্ৰেডিট / ডেবিট কাৰ্ডৰ দ্বাৰা কৰাটো অপৰিহাৰ্য.

নিজক পৰীক্ষা কৰক *2*

চেকৰ দ্বাৰা প্ৰিমিয়াম পৰিশোধ কৰাৰ ক্ষেত্ৰত তলৰ কোনটো উক্তি সঁচা?

I. চেক পোষ্ট কৰা তাৰিখটোৰ পৰা ৰিস্কটো ধাৰণ কৰা হব পাৰে

II. বীমা কোম্পানীয়ে চেকখন জমা দিয়া তাৰিখটোৰ পৰা ৰিস্কটো ধাৰণ কৰিব পাৰে

III. বীমা কোম্পানীয়ে চেকখন লাভ কৰা তাৰিখটোৰ পৰা ৰিস্কটো ধাৰণ কৰিব পাৰে

IV. প্ৰস্তাৱকে চেকখন প্ৰদান কৰা তাৰিখটোৰ পৰা ৰিস্কটো ধাৰণ কৰিব পাৰে

E. পলিচী নথি

পলিচী নথি

পলিচীটো হল এখন আনুষ্ঠানিক নথি যিয়ে বীমাৰ চুক্তিটো প্ৰমাণ এটা দাঙি ধৰে. এই নথিখন ভাৰতীয় মোহৰ আইন, ১৮৯৯ৰ আৰক্ষণ অনুযায়ী মোহৰ কৰা হৈছে.

পলিচী ধাৰক আগ্ৰহ সুৰক্ষিত কৰাৰ বাবে IRDAI ৰ নিয়মাৱলীবোৰে কি নিৰ্ধাৰণ কৰে

স্বাস্থ্য বীমা পলিচী এটাই ধাৰণ কৰা উচিত:

a) বীমাকৰ্তাৰ নাম(বোৰ) আৰু ঠিকনা(বোৰ)আৰু বিষয়বস্তুটোত প্ৰতি আগ্ৰহী অন্য যিকোনো ব্যক্তিৰ;
b) সম্পত্তিটো বা আগ্ৰহী বীমাকৰ্তাৰ সম্পূৰ্ণ বিৱৰণ;
c) পলিচীৰ ব্যক্তিজনৰ অধীনত বীমাৰ নগদ পৰিমাণটো আৰু/বা সংকট অনুযায়ী
d) বীমাৰ সময়সীমা
e) সংকটবোৰ সামৰি লোৱা আৰু বাদ দিয়াবোৰ;
f) যিকোনো অতিৰিক্ত / কাটি ৰখা প্ৰযোজ্য
g) পৰিশোধ কৰিবলগীয়া প্ৰিমিয়াম আৰু যত মিলোৱাৰ বিষয় হিচাপে প্ৰিমিয়ামটো অস্থায়ী, প্ৰিমিয়াম মিলোৱাৰ আধাৰ
h) পলিচীৰ নিয়ম, চৰ্ত আৰু আশ্বাসবোৰ
i) পলিচীটোৰ অধীনত দাবী এটা উত্থাপনৰ দৰে আকস্মিকতা এটাৰ ক্ষেত্ৰত বীমাকৰ্তাৰ দ্বাৰা কৰিবলগীয়া কাৰ্য;
j) দাবীৰ সৃষ্টি কৰা ঘটনা এটা উদ্ভৱ হোৱাৰ সময়ত বীমাৰ বিষয়বস্তু সম্পৰ্কত বীমাকৰ্তাৰ দায়িত্ববোৰ আৰু এই সংক্ৰান্তত বীমাকাৰীৰ অধিকাৰবোৰ;
k) যিকোনো বিশেষ চৰ্তবোৰ;
l) ভুল-উপস্থাপন, প্ৰৱঞ্চনা, বস্তুনিষ্ঠ তথ্যবোৰ প্ৰকাশ নকৰা বা বীমাকৰ্তাৰ অসহযোগ ইত্যাদিৰ ক্ষেত্ৰত পলিচীটো বাতিলৰ ব্যৱস্থা আছে;
m) বীমাকাৰীৰ ঠিকনাটো যলৈ পলিচীটো সাপেক্ষে সকলো ধৰণেৰ যোগাযোগ কৰা হব;
n) ৰাইডাৰবোৰৰ পূংখানুপূংখ বিৱৰণ, যদি কিবা আছে
o) অভিযোগ নিবাৰণ তন্ত্ৰৰ পূংখানুপূংখ বিৱৰণ আৰু লোকপালৰ ঠিকনা

প্ৰত্যেক বীমাকাৰীয়ে পলিচীটোৰ নিয়ম অনুযায়ী সময়ে সময়ে প্ৰত্যেক বীমাকৰ্তাক দাবী এটা উত্থাপনৰ বাবে পূৰ কৰিবলগীয়া প্ৰয়োজনীয়তাবোৰৰ বিষয়ে আৰু তেওঁ পালন কৰিবলগীয়া প্ৰক্ৰিয়াবোৰৰ জাননী দিব থাকিব লাগে যাতে বীমাকাৰীয়ে দাবী এটা সোনকালে নিষ্পত্তি কৰিব পাৰে.

F. চৰ্ত আৰু আশ্বাসবোৰ

ইয়াত, পলিচী শব্দবোৰ ব্যৱহৃত দুটা গুৰুত্বপূৰ্ণ নিয়ম ব্যাখ্যা কৰাটো গুৰুত্বপূৰ্ণ. এইবোৰক চৰ্ত আৰু আশ্বাস বুলি কোৱা হয়.

1. চৰ্তবোৰ

বীমা চুক্তি এটাত চৰ্তটো হল এটা ব্যৱস্থা যিয়ে চুক্তিটোৰ আধাৰ তৈয়াৰ কৰে.

উদাহৰণবোৰ:

a. বেছিভাগ বীমা পলিচীয়ে উল্লেখ কৰা মানবিশিষ্ট চৰ্তবোৰৰ এটা হল:

যদি দাবীটোত যিকোনো প্ৰৱঞ্চনা কৰা হয়, বা যদি মিছা স্বীকাৰোক্তি দিয়া হয়, বা যদি বীমাকৰ্তাই যিকোনো প্ৰৱঞ্চনাৰ মাধ্যম বা যোজনাৰ আশ্ৰয় লয় বা পলিচীটোৰ অধীনত মুনাফা অৰ্জন কৰিবৰ বাবে তেওঁৰ হৈ অইন কোনোবাই অভিনয়কৰে বা যদি ক্ষতি বা নষ্টটো ইচ্ছাকৃতভাৱে কৰা কাৰ্য হয় বা বীমাকৰ্তাৰ মৌন সন্মতিত কৰা হয়, তেন্তে এই পলিচীটোৰ অধীনস্থ সকলোবোৰ মুনাফা বাজায়েপ্ত কৰা হব.

b. স্বাস্থ্য পলিচী এটাত দাবী জাননীৰ চৰ্তটোৱে উল্লেখ কৰিব পাৰে:

চিকিৎসালয়ৰ পৰা অব্যাহতি লাভৰ নিৰ্ধাৰিত কেইদিনমানৰ ভিতৰত দাবী উত্থাপন কৰাটো অপৰিহাৰ্য. সেইদৰে চূড়ান্ত কঠিন ঘটনাবোৰৰ ক্ষেত্ৰত এই চৰ্তটো অমান্য কৰাটো মঞ্জুৰ কৰা হয়, যত কোম্পানীৰ সন্তুষ্টিৰ বাবে এইটো প্ৰমাণিত কৰা হয় যে সন্মুখীন হোৱা জটিল পৰিস্থিতিবোৰৰ বাবে বীমাকৰ্তা বা অন্য ব্যক্তিৰ দ্বাৰা নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত তেনেকুৱা জাননী প্ৰদান কৰা বা দাবী উত্থাপন কৰাটো সম্ভৱ নাছিল.

চৰ্ত ভংগ কৰাটোৱে বীমাকাৰীৰ পলিচীটো বাতিল কৰাৰ অধিকাৰ প্ৰদান কৰে.

2. আশ্বাসবোৰ

নিৰ্ধাৰিত পৰিস্থিতিবোৰৰ অধীনত বীমাকাৰী দায়িত্বটো সীমিত কৰিবলৈ বীমা চুক্তি এটাত আশ্বাসবোৰ ব্যৱহাৰ কৰা হয়. বীমাকৰীবোৰে লগতে আপদটো হ্ৰাস কৰিবলৈ পলিচী এটাত আশ্বাসবোৰ সংযোজিত কৰে. আশ্বাস এটাৰ সৈতে বীমাকৰ্তাই নিৰ্দিষ্ট দায়িত্ববোৰ বহন কৰে যিটো এটা নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত পালন কৰিব লাগে আৰু লগতে পলিচীটোৰ সময়চোৱাত আৰু বীমাকাৰীৰ দায়িত্বটো এই দায়িত্ববোৰৰ সৈতে বীমাকৰ্তাৰ সন্মতিটোৰ ওপৰত নিৰ্ভৰ কৰে. ৰিস্কটো উন্নত কৰাত আৰু পৰিচালনা কৰাত আশ্বাসবোৰে এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে.

আশ্বাস এটা হল পলিচীটোত বিস্তৃতভাৱে উল্লেখিত এটা চৰ্ত যিটো চুক্তিটোৰ বৈধতাৰ বাবে প্ৰকৃতাৰ্থত পালন কৰিব লাগে. আশ্বাসটো এটা পৃথক নথি নহয়. এইটো পলিচী নথিৰ এটা অংশ. এইটো হল চুক্তিৰ আগতীয়া এটা চৰ্ত (যিয়ে আন নিয়মবোৰতকৈ আগতে কাৰ্য কৰে). এই কঠোৰভাৱে আৰু প্ৰকৃতাৰ্থত নিৰীক্ষণ কৰা আৰু পালন কৰাটো অপৰিহাৰ্য, এইটো বস্তুনিষ্ঠ হয়নে নহয় বিচাৰ নকৰাকৈ.

যদি আশ্বাস এটা পূৰণ নকৰে, তেন্তে পলিচীটো বাতিল হব, আনকি ভংগটোৱে বিশেষ ক্ষতি এটা সংঘটিত নকৰা বা বৰঙণি নোযোগোৱা বুলি স্পষ্টকৈ প্ৰমাণিত হোৱাৰ পিছতো. সেইদৰে, অভ্যাসমতে, যদি আশ্বাস ভংগটো সম্পূৰ্ণৰূপে কাৰিকৰী ধৰণৰ হয় আৰু যদি কোনো ধৰণে ক্ষতিটোত বৰঙণি নোযোগায়, তেন্তে বীমাকাৰীবোৰে কোম্পানী পলিচীৰ নিৰ্দেশনাবোৰ অনুযায়ী দাবীবোৰ প্ৰক্ৰিয়া কৰিব পাৰে. তেনেকুৱা ক্ষেত্ৰত, ক্ষতিবোৰক বুজাবুজিৰ দাবীবোৰৰ দৰে ব্যৱস্থা কৰিব পাৰি আৰু দাবীটোৰ এটা উচ্চ শতাংশৰ বাবে সাধাৰণতে নিষ্পত্তি কৰা হয় কিন্তু ১০০ শতাংশৰ বাবে নহয়.

ব্যক্তিগত দূৰ্ঘটনা পলিচী এটাত নিম্নোক্ত আশ্বাসবোৰ থাকিব পাৰে:

এইটো সতৰ্ক কৰি দিয়া হয় যে একেটা সময়ত একেখন উৰাজাহাজত একেলেগে পাঁচজন বীমাকৰ্তা ব্যক্তিয়ে যাত্ৰ কৰা উচিত নহয়. যদি এই আশ্বাসটো ভংগ হয় তেন্তে দাবীবোৰে কেনেকৈ লেনদেন কৰিব কবলৈ আশ্বাসটো চলি থাকিব পাৰে.

নিজক পৰীক্ষা কৰক *3*

আশ্বাস এটাৰ সম্পৰ্কত তলৰ কোনটো উক্তি শুদ্ধ?

I. আশ্বাস হল এটা চৰ্ত যিটো পলিচীটোত উল্লেখ নকৰাকৈ প্ৰয়োগ কৰা হয়

II. আশ্বাস হল পলিচীটোত বিস্তৃতভাৱে উল্লেখিত এটা চৰ্ত

III. আশ্বাস হল পলিচীটোত বিস্তৃতভাৱে উল্লেখিত এটা চৰ্ত আৰু বীমাকৰ্তাক পৃথকভাৱে যোগাযোগ কৰে আৰু পলিচী ডকুমেন্টৰ অংশ নহয়

G. কৃতজ্ঞতাৰ ৰছিদবোৰ

এইটো হল কিছুমান সংকট সামৰি আৰু আন কিছুমান বাদদি মানবিশিষ্ট ফৰ্ম এখনত পলিচীবোৰ প্ৰদান কৰিবলৈ বীমাকাৰীবোৰে কৰা অভ্যাস.

সংজ্ঞা

যদি বীমাৰ সময়ত পলিচীটোৰ কিছুমান নিয়ম আৰু চৰ্ত সলনি কৰিবলগীয়া হয়, তেন্তে এইটো কৃতজ্ঞতাৰ ৰছিদ বুলি কোৱা নথি এখনৰ জৰিয়তে সংশোধনবোৰ / সলনিবোৰ কৰি কৰা হয়.

এইটো পলিচীটোৰ সৈতে সংলগ্ন আৰু ইয়াৰ অংশ এটা তৈয়াৰ কৰে. পলিচীটো আৰু কৃতজ্ঞতাৰ ৰছিদ উভয়ে মিলি চুক্তি প্ৰস্তুত কৰে. পলিচীটো চলি থাকোতে সলনিবোৰ / সংশোধনবোৰ ৰেকৰ্ড কৰিবলৈও কৃতজ্ঞতাৰ ৰছিদবোৰ ব্যৱহাৰ কৰিব পাৰে.

যেতিয়া বস্তুনিষ্ঠ তথ্য সলনি হয়, তেতিয়া বীমাকৰ্তাই বীমা কোম্পানীক এইটোৰ বিষয়ে জনাব লাগে যিয়ে এইটো টোকা কৰিব আৰু কৃতজ্ঞতাৰ ৰছিদৰ জৰিয়তে সেইটোক বীমা চুক্তিৰ অংশ হিচাপে সংযোজিত কৰিব.

নিম্নোক্তবোৰৰ সৈতে সম্পৰ্কীয় পলিচী এটাৰ অধীনত সাধাৰণতে কৃতজ্ঞতাৰ ৰছিদৰ প্ৰয়োজন হয়:

a) বীমাৰ নগদ পৰিমাণটোত বিভন্নতা/সলনিবোৰ

b) ঋণ এটা লোৱা আৰু বেংক এটাত পলিচীটো বন্ধক ৰখাৰ দ্বাৰা বীমাযোগ্য আগ্ৰহটো সলনি কৰা.

c) অতিৰিক্ত সংকটবোৰ সামৰিলবলৈ / পলিচীৰ সময়সীমাৰ প্ৰসাৰ কৰিবলৈ বীমাৰ সম্প্ৰসাৰণ

d) ৰিস্কত সলনি, উদাহৰণস্বৰূপে বিদেশ ভ্ৰমণৰ পলিচী এটাৰ ক্ষেত্ৰত গন্তব্যস্থানবোৰৰ সলনি

e) অন্য এটা স্থানলৈ সম্পত্তি স্থানান্তৰ কৰা

f) বীমাৰ বাতিল

g) নাম বা ঠিকনা ইত্যাদিত সলনি কৰা.

কৃতজ্ঞতাৰ ৰছিদবোৰৰ নমুনা

বাখ্যাৰ বাবে কিছুমান কৃতজ্ঞতাৰ ৰছিদৰ শব্দবোৰ তলত দিয়া ধৰণে ব্যৱহাৰ কৰা হয়:

<u>পলিচীৰ বাতিলকৰণ</u>

বীমাকৰ্তাৰ অনুৰোধমৰ্মে এই পলিচীটোৰ দ্বাৰা কৰা বীমাটো ইয়াৰ জৰিয়তে <তাৰিখ> ৰ পৰা বাতিল হোৱা বুলি ঘোষণা কৰা হৈছে. বীমাটো ন মাহৰ বাবে চলি থাকিব, বীমাকৰ্তাক কোনো পৰিশোধ কৰিবলগীয়া নাই.

<u>পলিচীটোত অতিৰিক্ত সদস্যলৈ সামৰিলোৱাৰ সম্প্ৰসাৰণ</u>

বীমাকৰ্তাৰ অনুৰোধমৰ্মে, <তাৰিখ> ৰ পৰা কাৰ্যকৰী হোৱাকৈ ৩ লাখ টকাৰ বীমাৰ নগদ পৰিমাণৰ সৈতে বীমাকৰ্তাৰ ৫ বছৰীয়া কন্যা সন্তান শ্ৰীমতী ৰত্না মিষ্ট্ৰিক অন্তৰ্ভুক্ত কৰিবলৈ ইয়াৰ জৰিয়তে মানি লোৱা হৈছে.

বিবেচনাৰ যোগেদি, বীমাকৰ্তাক ..... টকাৰ অতিৰিক্ত প্ৰিমিয়াম আৰোপ কৰা হব.

নিজক পৰীক্ষা কৰক *4*

যদি বীমাৰ সময়ত পলিচীটোৰ কিছুমান নিয়ম আৰু চৰ্ত পৰিৱৰ্তন কৰিবলগীয়া হয়, তেন্তে এইটো _____ জৰিয়তে সংশোধন কৰি কৰা হয়.

I. আশ্বাস

II. কৃতজ্ঞতাৰ ৰছিদ

III. বিকল্পকৰণ

IV. পৰিৱৰ্তনবোৰ সম্ভৱ নহয়

H. পলিচীবোৰৰ বাখ্যা

বীমাৰ চুক্তিবোৰ লিখিতভাৱে প্ৰকাশ কৰা হয় আৰু বীমা পলিচীৰ শব্দবোৰ বীমাকাৰীবোৰৰ দ্বাৰা ড্ৰাফ্ট কৰা হয়. গাঁথনি বা বাখ্যাৰ কিছুমান ভালদৰে বৰ্ণনা কৰা নিয়মৰ দ্বাৰা এই পলিচীবোৰ বাখ্যা কৰা হয় যিবোৰ বিভিন্ন আদালতৰ দ্বাৰা প্ৰতিষ্ঠা কৰা হৈছে. গাঁথনিৰ আটাইতকৈ গুৰুত্বপূৰ্ণ নিয়মটো হল ফৈদবোৰৰ উদ্দেশ্যবোৰ পূৰণ কৰা আৰু এই উদ্দেশ্যবোৰ পলিচীটোৱে নিজে নিৰীক্ষণ কৰা. যদি পলিচীটো অস্পষ্টভাৱে প্ৰদান কৰা হৈছে, তেন্তে এইটো আদালতে সাধাৰণ নীতিত বীমাকৰ্তাৰ সপক্ষে আৰু বীমাকাৰীৰ বিপক্ষে ৰায় দিব যে পলিচীটো বীমাকাৰীৰ দ্বাৰা ড্ৰাফ্ট কৰা হৈছিল.

নিম্নোক্ত নিয়মবোৰ অনুযায়ী পলিচীৰ শব্দবোৰ বুজা হয় আৰু বাখ্যা কৰা হয়:

a) প্ৰকাশ কৰা বা লিখিত চৰ্ত এটাই অন্তৰ্নিহিত চৰ্ত এটা আওকাণ কৰে, সেইটো কৰোতে অস্থিৰতাই দেখা দিয়াবোৰ বাদদি.

b) মানবিশিষ্ট ছপা কৰা পলিচী ফৰ্ম আৰু টাইপ কৰা বা হাতেলিখা অংশবোৰৰ মাজত মতবিৰোধৰ ক্ষেত্ৰত, টাইপ বা হাতেলিখাটোৱে ফৈদবোৰৰ উদ্দেশ্যটো বুজাত সহায় কৰে.

c) যদি কৃতজ্ঞতাৰ ৰছিদ এখনে চুক্তিটোৰ আন অংশবোৰৰ সৈতে মতবিৰোধ কৰে তেন্তে পৰৱৰ্তী নথি হিচাপে ইয়াক ৰখা হব.

d) ইটালিকছ দফাবোৰে সাধাৰণ ছপা শব্দবোৰক আওকাণ কৰে যত সিহঁত সুস্থিৰ নহয়.

e) পলিচীটোৰ গাঁথনিটোৰ ভিতৰত থকা শব্দবোৰতকৈ পলিচীটোৰ সীমাৰেখাত ছপা কৰা বা টাইপ কৰা দফাবোৰক অধিক গুৰুত্ব দিয়া হয়.

f) পলিচীটোত সংলগ্ন কৰা বা আঠা লগোৱা দফাবোৰে কাষৰ দফাবোৰ আৰু পলিচীটোৰ গাঁথনিত থকা দফাবোৰ আওকাণ কৰা.

g) ছপা কৰা শব্দবোৰ টাইপ কৰি ওপৰাওপৰি কৰা বা চিয়াহীযুক্ত ৰাবাৰ ষ্টেম্প এটাৰ দ্বাৰা শব্দৰ চাপ পেলোৱা.

h) টাইপ কৰা বা ষ্টেম্প কৰা শব্দবোৰতকৈ হাতেলিখাই অগ্ৰাধিকাৰ লাভ কৰে.

i) শেষত ব্যাকৰণ আৰু বিৰাম-চিহ্নৰ সাধাৰণ নিয়মবোৰ প্ৰয়োগ কৰা হয় যদি তাত কোনো অস্পষ্টতা দেখা দিয়ে.

গুৰুত্বপূৰ্ণ

1. পলিচীবোৰৰ গাঁথনি

বীমা পলিচী এটা হল বাণিজ্যিক চুক্তি এটাৰ প্ৰমাণ আৰু অন্য চুক্তিবোৰত কৰাৰ দৰে বীমা চুক্তিবোৰতও আদালতৰ দ্বাৰা প্ৰৱৰ্তন কৰা গাঁথনি আৰু বাখ্যাৰ সাধাৰণ নিয়মবোৰ প্ৰয়োগ কৰা হয়.

গাঁথনিৰ মুখ্য নিয়মটো হল যে চুক্তিটোত থকা ফৈদবোৰৰ উদ্দেশ্যবোৰ অধিক গুৰুত্বপূৰ্ণ. সেই উদ্দেশ্যটো পলিচী নথি আৰু ইয়াৰ সৈতে সংলগ্ন কৰা প্ৰস্তাৱৰ ফৰ্ম, দফাবোৰ, কৃতজ্ঞতাৰ ৰছিদবোৰ, আশ্বাসবোৰ ইত্যাদিৰ পৰা সংগ্ৰহ কৰাটো আৰু চুক্তিটোৰ অংশ এটা তৈয়াৰ কৰাটো অপৰিহাৰ্য.

2. **শব্দবোৰৰ অৰ্থ**

ব্যৱহৃত শব্দবোৰ সাধাৰণ আৰু জনপ্ৰিয় ধৰণে কৰা হয়. ব্যৱহাৰ কৰিবলগীয়া শব্দবোৰৰ অৰ্থবোৰ এনেকুৱা হব লাগে যাতে সাধাৰণ বাটৰুৱাইও বুজিব পাৰে.

আনহাতে, এটা সাধাৰণ ব্যৱসায়িক বা বাণিজ্যিক অৰ্থ থকা শব্দবোৰক সেই অৰ্থটো সহিত ব্যৱহাৰ কৰা হব উক্তিটোৰ প্ৰসংগই বেলেগ নুবুজোৱালৈকে. **যত শব্দবোৰ আইনৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয়, সেই সংজ্ঞাটোৰ অৰ্থটো আইন অনুসৰি ব্যৱহাৰ কৰা হয়.**

বীমা পলিচীবোৰত ব্যৱহাৰ কৰা বিভিন্ন শব্দবোৰ পূৰ্বৰ আইনী সিদ্ধান্তৰ বিষয়বস্তু যিবোৰ সাধাৰণভাৱে প্ৰয়োগ কৰা হব. পুনৰ, উচ্চ আদালত এখনৰ সিদ্ধান্তবোৰে নিম্ন আদালত এখনৰ সিদ্ধান্তটো নস্যাত কৰিব. কাৰিকৰী পদবোৰে সদায় সিহঁতৰ কাৰিকৰী অৰ্থটো বহন কৰে, অমিল এটা নথকালৈকে.

I. নবীকৰণৰ জাননী

জীৱন বীমাৰ অন্তৰ্গত নোহোৱা বীমা পলিচীৰ অধিকাংশ বছৰেকীয়া ভিত্তিত প্ৰদান কৰা হয়.

নিৰ্দিষ্ট তাৰিখ এটা পলিচীটোৰ ম্যাদ উকলি যোৱাৰ বিষয়ে বীমাকৰ্তাক জনোৱাটো বীমাকাৰীবোৰৰ আইনী দায়িত্ব নহয়. তথাপিও সদ্ভাৱ আৰু সুস্থ-সবল ব্যৱসায়ৰ বিষয় হিচাপে বীমাকাৰীবোৰে ম্যাদ উকলিযোৱা তাৰিখটোৰ আগতে পলিচীটো নবীকৰণৰ বাবে আমন্ত্ৰণ জনাই জাননী এখন প্ৰেৰণ কৰে. জাননী খনত বীমাৰ নগদ পৰিমাণ, বছৰেকীয়া প্ৰিমিয়াম ইত্যাদিৰ দৰে পলিচীটো সম্পৰ্কীয় সকলো তথ্য সংযোজিত থাকে. এইটোৱে লগতে বীমাকৰ্তাক উপদেশ দিবলৈ সংযোজিত কৰা টোকা এটা অন্তৰ্ভুক্ত কৰে যে ৰিস্কটোত কৰা যিকোনো বস্তুনিষ্ঠ সলনিৰ বিষয়ে তেওঁ অৱগত কৰা উচিত.

লগতে সাংবিধানিক ব্যৱস্থাটোলৈ বীমাকৰ্তাৰ মনোযোগটোও আমন্ত্ৰণ কৰা হয় যে আগতীয়াকৈ প্ৰিমিয়াম পৰিশোধ নকৰালৈকে কোনো ৰিস্ক ধাৰণ কৰা নহব.

নিজক পৰীক্ষা কৰক *5*

নবীকৰণৰ জাননী প্ৰসংগত তলৰ কোনটো উক্তি শুদ্ধ?

I. নিয়াৱলীবোৰ মতে পলিচীটোৰ ম্যাদ উকলিযোৱাৰ ৩০ দিনৰ আগতে বীমাকৰ্তালৈ নবীকৰণৰ জাননী এখন পথোৱাটো বীমাকাৰীৰ এটা আইনী দায়িত্ব

II. নিয়াৱলীবোৰ মতে পলিচীটোৰ ম্যাদ উকলিযোৱাৰ ১৫ দিনৰ আগতে বীমাকৰ্তালৈ নবীকৰণৰ জাননী এখন পথোৱাটো বীমাকাৰীৰ এটা আইনী দায়িত্ব

III. নিয়াৱলীবোৰ মতে পলিচীটোৰ ম্যাদ উকলিযোৱাৰ ৭ দিনৰ আগতে বীমাকৰ্তালৈ নবীকৰণৰ জাননী এখন পথোৱাটো বীমাকাৰীৰ এটা আইনী দায়িত্ব

IV. নিয়াৱলীবোৰ মতে পলিচীটোৰ ম্যাদ উকলিযোৱাৰ আগতে বীমাকৰ্তালৈ নবীকৰণৰ জাননী এখন পথোৱাটো বীমাকাৰীৰ আইনী দায়িত্ব নহয়

J. কলাধন বৈধ কৰা ৰোধ আৰু আপোনাৰ গ্ৰাহকক জনাৰ নিৰ্দেশনাবোৰ

অপৰাধীবোৰে সিহঁতৰ অবৈধ কাৰ্যকলাপৰ জৰিয়তে পুঁজি সংগ্ৰহ কৰে আৰু এইবোৰ প্ৰক্ৰিয়া এটাৰ যোগেদি বৈধ কৰিব বিচাৰে যাক কলাধন বৈধ কৰা বুলি কোৱা হয়.

কলাধন বৈধ কৰাটো হল এটা প্ৰক্ৰিয়া যাৰ দ্বাৰা অপৰাধীবোৰে প্ৰকৃতটো বৰ্ধিত অপৰাধমূলক কাৰ্যকলাপৰ গৰাকীক লুকুৱাবলৈ পুঁজি স্থানান্তৰ কৰে. এই প্ৰক্ৰিয়াটোৰ দ্বাৰা ধনখিনিয়ে ইয়াৰ অপৰাধী পৰিচয়টো হেৰুৱায় আৰু বৈধ হৈ পৰে.

বেংক আৰু বীমাকে ধৰি বিত্তীয় সেৱাবোৰ ব্যৱহাৰ কৰি অপৰাধীবোৰে সিহঁত কলাধন বৈধ কৰিবলৈ চেষ্টা কৰে. সিহঁতে ভুৱা পৰিচয় ব্যৱহাৰ কৰি লেনদেন কৰে, উদাহৰণস্বৰূপে, বীমাৰ কিছুমান ধৰণ কিনা আৰু তাৰপিছত সেই ধন উঠাবলৈ ব্যৱস্থা কৰা আৰু এবাৰ সিহঁতৰ উদ্দেশ্যটো সফল হোৱাৰ পিছত এইটো নাইকিয়া হয়.

কলাধন বৈধ কৰা ৰোধ কৰাৰ ক্ষেত্ৰত লোৱা তেনেকুৱা পদক্ষেপবোৰে ভাৰতকে ধৰি বিশ্বব্যাপি চৰকাৰী স্তৰত সফলতা লাভ কৰিছে.

চৰকাৰে ২০০২ চনত কলাধনৰ বৈধতা ৰোধ আইনৰ বিধান প্ৰৱৰ্তন কৰিছিল. বীমাৰ সেৱাৰ বাবে দাবী কৰা গ্ৰাহকবোৰৰ প্ৰকৃত পৰিচয়টো নিৰ্ধাৰণ কৰিবলৈ উপযুক্ত পদক্ষেপ লোৱা, সন্দেহজনক লেনদেনৰ ৰিপোৰ্ট কৰা আৰু জড়িত নগদ সঠিক ৰেকৰ্ড ৰখা বা কলাধন বৈধ কৰাৰ সন্দেহটো সূচিত কৰাৰ পিছত IRDAI য়ে কলাধন বৈধতা ৰোধ কৰাৰ নিৰ্দেশনাবোৰ আগবঢ়াইছিল.

আপোনাৰ গ্ৰাহকক জানক নিৰ্দেশনাবোৰ অনুসৰি, নিম্নোক্ত নথিবোৰৰ সংগ্ৰহৰ দ্বাৰা প্ৰতিজন গ্ৰাহকে সঠিকভাৱে চিনাক্ত হোৱাটো অপৰিহাৰ্য:

1. ঠিকনা প্ৰমাণিতকৰণ
2. শেহতীয়া ফটোগ্ৰাফ
3. বিত্তীয় অৱস্থা
4. বীমা চুক্তিৰ উদ্দেশ্য

সেইবাবে গ্ৰাহকৰ পৰিচয় প্ৰমাণ কৰিবলৈ এজেন্টে ব্যৱসায়ৰ লাভৰ সময়ত নথি সংগ্ৰহ কৰাটো প্ৰয়োজনীয়:

1. ব্যক্তিবোৰৰ ক্ষেত্ৰত - সম্পূৰ্ণ নাম, ঠিকনা, ID আৰু ঠিকনাৰ প্ৰমাণৰ সৈতে বীমাকৰ্তাৰ যোগাযোগ নম্বৰ, PAN সংখ্যা আৰু NEFT ৰ উদ্দেশ্যে বেংকৰ সম্পূৰ্ণ বিৱৰণ সংগ্ৰহ কৰা.
2. নিগমবোৰৰ ক্ষেত্ৰত - নিগমীকৰণৰ প্ৰমাণপত্ৰ, স্মাৰক আৰু সংস্থাৰ অনুচ্ছেদ, ব্যৱসায়টোত চলাবলৈ কৰিবলৈ অধিকাৰ লাভ কৰা, PAN কাৰ্ডৰ প্ৰতিলিপি সংগ্ৰহ কৰা.
3. অংশীদাৰী প্ৰতিষ্ঠানবোৰৰ ক্ষেত্ৰত - পঞ্জীয়নৰ প্ৰমাণ পত্ৰ (যদি পঞ্জীয়ন কৰা হৈছে), অংশীদাৰী কাৰ্য, অংশীদাৰ এজনক বা প্ৰতিষ্ঠানটোৰ কৰ্মচাৰী এজনক ইয়াৰ হৈ ব্যৱসায় চলাবলৈ অধিকাৰ প্ৰদান কৰা, তেনেকুৱা ব্যক্তিৰ পৰিচয়ৰ প্ৰমাণ সংগ্ৰহ কৰা.
4. ন্যাস আৰু সংস্থাবোৰৰ ক্ষেত্ৰত - অংশীদাৰীৰ দৰে একে.

এইটো ইয়াত টোকা কৰা গুৰুত্বপূৰ্ণ যে তেনেকুৱা তথ্যবোৰে লগতে প্ৰডাক্টবোৰৰ ওপৰা-ওপৰি বিক্ৰীত সহায় কৰে আৰু এইটো এটা সহায়ক বিপণন আহিলা.

সাৰাংশ

a) নথিপ্ৰস্তুতকৰণৰ প্ৰথম স্তৰটো হল প্ৰস্তাৱৰ ফৰ্মবোৰ যাৰ জৰিয়তে বীমাকৰ্তাই নিজৰ বিষয়ে আৰু তেখেতক কি বীমা লাগে অৱগত কৰে.

b) বস্তুনিষ্ঠ তথ্য প্ৰকাশৰ কৰ্তব্যটো পলিচীটো আৰম্ভ হোৱাৰ আগতে উদ্ভৱ হয়, আৰু পলিচীটোৰ সমগ্ৰ সময়চোৱাত অব্যাহত থাকে.

c) বীমা কোম্পানীবোৰে সাধাৰণতে প্ৰস্তাৱৰ ফৰ্মৰ শেষৰ ফালে প্ৰস্তাৱকৰ চহী সম্বলিত স্বীকাৰোক্তি এটা সংযোগ কৰে.

d) প্ৰস্তাৱৰ ফৰ্ম এখনৰ উপাদনবোৰ হল সাধাৰণতে:

   i. প্ৰস্তাৱকৰ সম্পূৰ্ণ নাম
   ii. প্ৰস্তাৱকৰ ঠিকনা আৰু যোগাযোগৰ পূংখানুপূংখ বিৱৰণ
   iii. স্বাস্থ্য পলিচীবোৰৰ ক্ষেত্ৰত বেংকৰ বিৱৰণ
   iv. প্ৰস্তাৱকৰ পেছা, জীৱিকা আৰু ব্যৱসায়
   v. বীমাৰ বিষয়বস্তুৰ পূংখানুপূংখ বিৱৰণ আৰু পৰিচয়
   vi. বীমাৰ নগদ পৰিমাণ
   vii. পূৰ্বৰ আৰু বৰ্তমানৰ বীমা
   viii. ক্ষতিৰ অভিজ্ঞতা
   ix. বীমাকৰ্তাৰ দ্বাৰা দিয়া স্বীকাৰোক্তি

e) বীমাকৰ্তাই বীমাকৰীলৈ আগবঢ়োৱা ৰিস্ক সম্বন্ধীয় সকলোবোৰ বস্তুনিষ্ঠ তথ্য নিশ্চিত কৰাটো মধ্যস্থতাকাৰী হিচাপে কাৰ্য কৰা এজেন্ট এজনৰ দায়িত্ব.

ii. তেওঁ/তেখেতৰ পৰামৰ্শকাৰী চিকিৎসকে পৰামৰ্শ কৰা চিকিৎসালয়খন TPA ৰ নেটৱৰ্কটোত আছে নে গ্ৰাহকে পৰীক্ষা কৰাটো অপৰিহাৰ্য. যদি নাই, তেন্তে তেওঁ TPA ৰ সৈতে থকা উপলব্ধ বিকল্পবোৰ পৰীক্ষা কৰা উচিত যত তেনেকুৱা চিকিৎসাৰ বাবে নগদবিহীন সুবিধা উপলব্ধ.

iii. তেওঁ/তেখেতে নিশ্চিত কৰাটো প্ৰয়োজন যে পূৰ্ব-কৰ্তৃত্বৰ ফৰ্মত শুদ্ধ পূংখানুপূংখ বিৱৰণবোৰ ভৰোৱা হৈছে. ২০০৩ চনত প্ৰদান কৰা স্বাস্থ্য বীমাত মানবিশিষ্টকৰণৰ নিৰ্দেশিকাবোৰ অনুসৰি IRDAI ৰ দ্বাৰা এই ফৰ্মখন মানবিশিষ্ট কৰা হৈছে. যদি ঘটনাটো স্পষ্ট নহয়, তেন্তে TPA য়ে নগদবিহীন সুবিধাটো অস্বীকাৰ কৰিব পাৰ বা প্ৰশ্ন উত্থাপন কৰিব পাৰে.

iv. তেওঁ/তেখেতে এইটো নিশ্চিত কৰা প্ৰয়োজন যে কোঠাৰ ভাৰা বা কেটেৰেক্টৰ দৰে নিৰ্ধাৰিত চিকিৎসাবোৰত থকা উচ্চসীমাটোৰ দৰে সীমাবোৰৰ সৈতে চিকিৎসালয়ৰ মাচুলবোৰ সুস্থিৰ.

তেওঁ/তেখেতে পলিচীটোৱে অনুমোদন কৰাতকৈ অধিক ব্যয় কৰিব বিচৰাৰ ক্ষেত্ৰত, এইটো আগতীয়াকৈ জানি থোৱা ভাল হব যে ব্যয়বোৰত তেওঁ/তেখেতৰ অংশ কি হব.

v. অব্যাহতিৰ বাবে গ্ৰাহকে TPA ক আগতীয়াকৈ জনোৱাটো আৰু অব্যাহতিৰ আগতে প্ৰয়োজন হব পৰা যিকোনো অতিৰিক্ত অনুমোদন TPA লৈ প্ৰেৰণ কৰিবলৈ চিকিৎসালয় কৰ্তৃপক্ষক অনুৰোধ কৰাটো অপৰিহাৰ্য. এইটোৱে ৰোগীজনক অপ্ৰয়োজনীয়ভাৱে চিকিৎসালয়ত অপেক্ষা কৰিব নলগাটো নিশ্চিত কৰিব.

লগতে এইটোও সম্ভৱ যে গ্ৰাহকে দাবী কৰে আৰু চিকিৎসালয় এখনত নগদবিহীন চিকিৎসাৰ বাবে অনুমোদন এটা লাভ কৰে কিন্তু ৰোগিজনক অন্য কৰোবাত ভৰ্তি কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে. তেনেকুৱা ক্ষেত্ৰত, গ্ৰাহকে জনোৱাটো আৰু চিকিৎসালয় কৰ্তৃপক্ষক TPA ৰ সৈতে যোগাযোগ কৰিবলৈ কোৱাটো অপৰিহাৰ্য যে নগদবিহীন অনুমোদনটো ব্যৱহাৰ কৰা নাই.

যদি এইটো সম্পন্ন কৰা নহয়, তেন্তে অনুমোদিত পৰিমাণটো গ্ৰাহকৰ পলিচীটোত আবদ্ধ কৰি ৰখা হব আৰু সমসাময়িক দাবীটোৰ মঞ্জুৰীটো পক্ষপাতপূৰ্ণ হব.

C. স্বাস্থ্য বীমাৰ দাবীবোৰত নথি প্ৰস্তুত

আগতে বাখ্যা কৰাৰ দৰে স্বাস্থ্য বীমাৰ দাবীবোৰে নথিবোৰৰ পৰিসৰ এটা দাবী কৰে. প্ৰতিটো নথি দুটা মুখ্য প্ৰশ্নৰ উত্তৰ দিয়াত সহায়ক হোৱাটো আশা কৰা হয় - গ্ৰাহ্যতা (এইটো পৰিশোধযোগ্য নে?) আৰু দাবীৰ প্ৰসাৰ (কিমান পৰিমাণ?).

এই খণ্ডটোৱে প্ৰয়োজনবোৰ আৰু গ্ৰাহকবোৰে জমা দিবলগীয়া প্ৰতিটো নথিৰ উপাদানবোৰ বাখ্যা কৰে:

1. অব্যাহতিৰ সাৰাংশ

স্বাস্থ্য বীমাৰ দাবী এটা প্ৰক্ৰিয়া কৰিবলৈ প্ৰয়োজনীয় অব্যাহতিৰ সাৰাংশটোক অতি গুৰুত্বপূৰ্ণ নথি হিচাপে চিহ্নিত কৰিব পাৰি. এইটোৱে ৰোগীৰ অৱস্থা আৰু চিকিৎসাৰ শাৰীটোৰ বিষয়ে সম্পূৰ্ণ তথ্য বিশদভাৱে দাঙি ধৰে.

IRDAI ৰ মানবিশিষ্টকৰণ নিৰ্দেশনাবোৰ অনুসৰি মানবিশিষ্ট অব্যাহতিৰ সাৰাংশ এটাৰ উপাদানবোৰ হল তলত দিয়া ধৰণৰ:

1. অভিভাৱকৰ নাম
2. টেলিফোন নম্বৰ / মোবাইল নম্বৰ
3. IPD নং
4. ভৰ্তি নং
5. শুশ্ৰুষা কৰা চিকিৎসকৰ নাম, যোগাযোগ নম্বৰ আৰু বিভাগ / বিশেষতা
6. সময়ত ভৰ্তিৰ তাৰিখ
7. সময়ত অব্যাহতিৰ তাৰিখ
8. MLC নং / FIR নং
9. ভৰ্তিৰ সময়ত কৰা অস্থায়ী ডায়গ্নোছিছ
10. অব্যাহতিৰ সময়ত কৰা চূড়ান্ত ডায়গ্নোছিছ
11. ICD-10 কোড (বোৰ) বা যিকোনো অন্য কোড, চূড়ান্ত ডায়গ্নোছিছৰ বাবে কৰ্তৃপক্ষৰ দ্বাৰা অনুমোদন কৰাৰ দৰে
12. ভৰ্তিৰ বাবে সময়সীমা আৰু কাৰণৰ সৈতে অভিযোগবোৰ উত্থাপন কৰা
13. ৰোগৰ সাৰাংশ
14. ভৰ্তিৰ সময়ত শাৰীৰিক পৰীক্ষাত মুখ্য বিচাৰি পোৱাবোৰ
15. সুৰাপানৰ ইতিহাস, টম্বাকু বা দ্ৰব্য সেৱন, যদি কিবা আছে
16. উল্লেখনীয় অতীতৰ চিকিৎসা আৰু চাৰ্জিকেল ইতিহাস, যদি কিবা আছে
17. পৰিয়ালৰ ইতিহাস যদি ডায়গ্নোছিছ বা চিকিৎসা সাপেক্ষে উল্লেখনীয়/প্ৰাসংগিক
18. চিকিৎসালয়ত ভৰ্তিৰ সময়ত মুখ্য অনুসন্ধানবোৰৰ সাৰাংশ
19. জটিলতাকে ধৰি চিকিৎসালয়ৰ বিষয়বোৰ যদি কিবা আছে
20. অব্যাহতিৰ সময়ত উপদেশ
21. চিকিৎসা কৰা পৰামৰ্শদাতা/ কৰ্তৃত্বপ্ৰাপ্ত দলীয় চিকিৎসকৰ নাম আৰু চহী

22. ৰোগী / পৰিচাৰিকাৰ নাম আৰু চহী

এটা ভালকৈ লিখা অব্যাহতিৰ সাৰাংশই দাবী প্ৰক্ৰিয়া কৰা ব্যক্তিক ৰোগ / আঘাত আৰু চিকিৎসাৰ শাৰীৰোৰ বিশদভাৱে বুজিবলৈ সহায় কৰে, তাৰদ্বাৰা নিষ্পত্তিৰ প্ৰক্ৰিয়াটো গতিশীল কৰিব পাৰি. যত ৰোগীজনে দূৰ্ভাগ্যবশত আৰোগ্য লাভ নকৰিলে, বহুতো চিকিৎসালয়ত অব্যাহতিৰ সাৰাংশটো মৃত্যুৰ সাৰাংশ হিচাপে উল্লেখ কৰা হয়.

অব্যাহতিৰ সাৰাংশটো সদায় আচল ৰূপত বিচৰা হয়.

2. অনুসন্ধানৰ ৰিপোৰ্টবোৰ

অনুসন্ধানৰ ৰিপোৰ্টবোৰে ডায়গ্নোছিছ আৰু চিকিৎসাটো তুলনা কৰাত সহায় কৰে, তাৰদ্বাৰা প্ৰকৃত অৱস্থাটো বুজিবলৈ প্ৰয়োজনীয় তথ্য আগবঢ়ায় যিয়ে চিকিৎসাটো খৰতকীয়া কৰে আৰু চিকিৎসালয়ত ভৰ্তিৰ সময়চোৱাত আৰোগ্যতাৰফালে ধাৱমান হয়.

অনুসন্ধানৰ ৰিপোৰ্টবোৰে সাধাৰণতে ধাৰণ কৰে:

a) তেজ পৰীক্ষাৰ ৰিপোৰ্টবোৰ;

b) এক্স-ৰে ৰিপোৰ্টবোৰ;

c) স্কেন ৰিপোৰ্টবোৰ আৰু

d) বায়'পচি ৰিপোৰ্টবোৰ

সকলোবোৰ অনুসন্ধানৰ ৰিপোৰ্টে নাম, বয়স, লিংগ, পৰীক্ষাৰ তাৰিখ ইত্যাদি বহন কৰে আৰু সাধাৰণতে আচল ৰূপত প্ৰদৰ্শন কৰা হয়. বীমাকাৰীয়ে এক্স-ৰে আৰু অন্য ফ্লিমবোৰ বিশেষ অনুৰোধত গ্ৰাহকক ওভোতাই দিব পাৰে.

3. চূড়ান্ত আৰু বিস্তৃত বিলবোৰ:

এইখন হল নথি যিয়ে বীমা পলিচীটোৰ অধীনত কি পৰিশোধ কৰিব লাগিব সিদ্ধান্ত গ্ৰহণ কৰে. আগতে বিলৰ বাবে কোনো মানবিশিষ্ট ফৰমেট নাছিল, কিন্তু মিলোৱা আৰু পূংখানুপূংখ বিলবোৰৰ বাবে IRDAI মানবিশিষ্টকৰণ নিৰ্দেশিকাবোৰে ফৰমেট আগবঢ়াইছিল. IRDAI ৱেবছাইটটোত উপলব্ধ পূংখানুপূংখ বিৱৰণবোৰ বুজিবলৈ ছাত্ৰ সকলক উপদেশ দিয়া হৈছে.

যিদৰে মিলোৱা বিলখনে সমগ্ৰ ছবিটো প্ৰদৰ্শন কৰে, সেইদৰে পূংখানুপূংখ বিলখনে সাৰাংশ কোডবোৰৰ সৈতে বিভাজিতটো আগবঢ়াব.

পূংখানুপূংখ বিল ব্যৱহাৰ কৰি পৰিশোধযোগ্যহীন ব্যয়বোৰ নিৰীক্ষণ কৰা হয়, যত গ্ৰাহ্যহীন ব্যয়বোৰ সমাপ্ত কৰা হয় আৰু এইটো জড়িত থকা ব্যয়ৰ মুখ্যটোৰ অধীনত কাটিৰখাৰ বাবে ব্যৱহাৰ কৰা হয়.

বিলবোৰৰ আচল প্ৰতিলিপি গ্ৰহণ কৰা হয়.

4. পৰিশোধৰ বাবে ৰছিদ

ক্ষতিপূৰণৰ এটা চুক্তি হিচাপে, স্বাস্থ্য বীমা দাবী এটাৰ ক্ষতিপূৰণটোৱেও চিকিৎসালয়ৰ পৰা পৰিশোধ কৰা পৰিমাণটোৰ আনুষ্ঠানিক ৰছিদ দাবী কৰে.

যিদৰে পৰিশোধ কৰা পৰিমাণটো বিলটোৰ মুঠৰ সৈতে সংলগ্ন হোৱাটো অপৰিহাৰ্য, সেইদৰে বহুতো চিকিৎসালয়ে সুবিধাৰ উপাদান এটা বা পৰিশোধযোগ্য পৰিমাণটোত ৰেহাই এটা আগবঢ়ায়. তেনেকুৱা ক্ষেত্ৰত, বীমাকৰ্তাক কেৱল ৰোগীৰ সপক্ষে প্ৰকৃততে পৰিশোধ কৰা পৰিমাণটো পৰিশোধ কৰিবলৈ কোৱা হয়.

ৰছিদখনত সংখ্যা প্ৰদান কৰিব লাগে আৰু বা মোহৰ মাৰিব লাগে আৰু আচল ৰূপত প্ৰদৰ্শন কৰিব লাগে.

5. দাবীৰ ফৰ্ম

দাবীৰ ফৰ্ম হল দাবীটো প্ৰক্ৰিয়া কৰাৰ বাবে আনুষ্ঠানিক আৰু আইনী অনুৰোধ আৰু গ্ৰাহকৰ দ্বাৰা চহী কৰি আচল প্ৰতিলিপিটো জমা দিয়া হয়. দাবীৰ ফৰ্মখন এতিয়া IRDAI য়ে মানবিশিষ্ট কৰিছে আৰু এইখনে নিম্নোক্তবোৰ ধাৰণ কৰে:

a) প্ৰাথমিক বীমাকৰ্তা আৰু পলিচী সংখ্যাটোৰ পূংখানুপূংখ বিৱৰণবোৰ যাৰ অধীনত দাবীটো উত্থাপন কৰা হৈছে.

b) বীমাৰ ইতিহাসৰ পূংখানুপূখ বিৱৰণ

c) চিকিৎসালয়ত ভৰ্তি কৰা বীমাকৃত ব্যক্তিৰ পূংখানুপূংখ বিৱৰণ.

d) চিকৎসালয়, কোঠাৰ শ্ৰেণী, ভৰ্তি আৰু অব্যাহিতৰ তাৰিখ আৰু সময়, দূৰ্ঘটনাৰ ক্ষেত্ৰত আৰক্ষীক অৱগত কৰা হৈছিল নে, ঔষধৰ প্ৰণালী ইত্যাদিৰ দৰে চিকিৎসালয়ত ভৰ্তিৰ পূংখানুপূংখ বিৱৰণ.

e) বিশ্লেষণৰ মূল্য, চিকিৎসালয়ত ভৰ্তিৰ পূৰ্বৰ আৰু পিছৰ সময়চোৱা, এককালীন/নগদ মুনাফা দাবীটোৰ পূংখানুপূংখ বিৱৰণ ইত্যাদি যাৰ বাবে চিকিৎসালয়ত ভৰ্তি কৰা হৈছিল.

f) সংলগ্ন কৰা বিলবোৰৰ পূংখানুপূংখ বিৱৰণ

g) স্বীকৃত দাবীৰ পৰিশোধৰ বাবে প্ৰাথমিক বীমাকৰ্তাৰ বেংক একাউন্টৰ পূংখানুপূংখ বিৱৰণ

h) বীমাকৰ্তাৰ পৰা স্বীকাৰোক্তি.

ৰোগ, চিকিৎসা ইত্যাদিৰ তথ্যৰ উপৰিও, বীমাকৰ্তা ব্যক্তি পৰা লাভ কৰা স্বীকাৰোক্তিটোৱে দাবীৰ ফৰ্মটো আইনী দিশৰ পৰা অধিক গুৰুত্বপূৰ্ণ নথি কৰিতোলে.

এইটো হল এই স্বীকাৰোক্তিটো যিয়ে দাবীটোত ''পাৰস্পৰিক সম্ভাৱৰ মত'' টো প্ৰয়োগ কৰে, যাৰ ভংগটোৱে পলিচীটোৰ অধীনস্থ ভুল উপস্থাপনৰ দফাটো আকৰ্ষণ কৰে.

6. পৰিচয়ৰ প্ৰমাণ

আমৰ জীৱনৰ বিভিন্ন কাৰ্যকলাপত পৰিচয়ৰ প্ৰমাণৰ ব্যৱহাৰ বৃদ্ধি পোৱাৰ সৈতে - পৰিচয়ৰ সাধাৰণ প্ৰমাণ এটাই গুৰুত্বপূৰ্ণ উদ্দেশ্য এটা প্ৰমাণ কৰে – যে সামৰিলোৱা ব্যক্তিজন আৰু চিকিৎসা কৰা ব্যক্তিজন অন্য এজন আৰু একে হোৱাটো প্ৰমাণিত কৰে.

সাধাৰণে বিচৰা পৰিচয়পত্ৰৰ নথি হব পাৰে:

a) ভোটাৰ পৰিচয় পত্ৰ,

b) চালকৰ অনুজ্ঞাপত্ৰ,

c) পান কাৰ্ড,

d) আধাৰ কাৰ্ড ইত্যাদি.

পৰিচয়ৰ প্ৰমাণৰ প্ৰতি আগ্ৰহটোৱে নগদবিহীন দাবীবোৰৰ ক্ষেত্ৰত ৰূপধাৰণ কৰাটো উল্লেখনীয়ভাৱে হ্ৰাস কৰিছে যিহেতু চিকিৎসালয়ত ভৰ্তিৰ আগতে পৰিচয়ৰ প্ৰমাণটো বিচৰা হয়, প্ৰমাণিত কৰিবলৈ এইটো তৈয়াৰ কৰাটো আৰু সেইটো বীমাকাৰী বা TPA কৰ প্ৰদৰ্শন কৰাটো চিকিৎসালয়ৰ কৰ্তব্য.

ক্ষতিপূৰণৰ দাবীবোৰত, পৰিচয় পত্ৰৰ প্ৰমাণে কম উদ্দেশ্যৰ বাবে সেৱা আগবঢ়ায়.

7. বিশেষ দাবীবোৰৰ সৈতে নিৰ্ভৰ নথিবোৰ

কিছুমান বিশেষ ধৰণৰ দাবী আছে যিবোৰে ওপৰত উল্লেখিতবোৰৰ উপৰিও অতিৰিক্ত নথি কিছুমান দাবী কৰে. সেইবোৰ হল:

a) দূৰ্ঘটনাৰ দাবীবোৰ, যত FIR বা পঞ্জী কৰা আৰক্ষী থানালৈ চিকিৎসালয়ে প্ৰদান কৰা মেডিকো-আইনী প্ৰমাণপত্ৰৰ প্ৰয়োজন হব পাৰে. এইটোৱে দূৰ্ঘটনাৰ কাৰণটো উল্লেখ কৰে আৰু যদি ব্যক্তিজন সুৰাপানৰ ৰাগিত আছিল, যান-বাহন দূৰ্ঘটনাৰ ক্ষেত্ৰত.

b) জটিল আৰু উচ্চ মূল্যৰ দাবীবোৰৰ ক্ষেত্ৰত ঘটনাৰ আভ্যন্তৰীণ কাগজবোৰ. আভ্যন্তৰীণ ঘটনাৰ কাগজ বা ঘটনাৰ পত্ৰ হল এখন নথি যিখন চিকিৎসালয়ৰ ফালৰ পৰা চিকিৎসালয়ত ভৰ্তিৰ সম্পূৰ্ণ সময়চোৱাত বাবে প্ৰতিদিনে ৰোগীক আগবঢ়োৱা সকলোবোৰ চিকিৎসাৰ পূংখানুপূংখ বিৱৰণৰ সৈতে তৈয়াৰ কৰা হয়.

c) ডায়লাইছিছ / কেমোথেৰাপি / ফিজিঅ'থেৰাপিৰ তালিকাবোৰ যত প্ৰযোজ্য.

d) চিকিৎসালয়ৰ পঞ্জীয়ন প্ৰমাণপত্ৰ, যত চিকিৎসালয়ৰ সংজ্ঞাটোৰ সৈতে অনুকূলতাটো পৰীক্ষা কৰিব লাগে.

দাবী এটা প্ৰক্ৰিয়া কৰিবৰ বাবে দাবীবোৰৰ দলটোৱে নিৰ্দিষ্ট আভ্যন্তৰীণ নথি ব্যৱহাৰ কৰে. এইবোৰ হল:

i. নথি প্ৰমাণিতকৰণৰ বাবে পৰীক্ষাৰ তালিকাবোৰ,

ii. নিৰীক্ষণ/নিষ্পত্তিৰ কাগজ,

iii. মানদণ্ড পৰীক্ষা / নিয়ন্ত্ৰণ ফৰমেট.

যদিও এই বীমাকাৰীবোৰৰ মাজত এই ফৰমেটবোৰ একে নহয়, আমি সচৰাচৰ উপাদানবোৰৰ নমুনা এটাৰ সৈতে নথিবোৰৰ উদ্দেশ্যটো অধ্যয়ন কৰো আহক.

তালিকা 2.2

1.	**থি প্ৰমাণিতকৰণ পত্ৰ**	এইখন হল আটাইতক সৰল, গ্ৰাহকৰ দ্বাৰা এইবোৰ জমা দিয়াটো টোকা কৰিবলৈ লাভ কৰা নথিবোৰৰ তালিকাখনত এটা পৰীক্ষা চিহ্ন অন্তৰ্ভুক্ত কৰা হয়. গ্ৰাহকৰ স্বীকাৰোক্তি হিচাপে কিছুমান বীমাকাৰীয়ে ইয়াৰ এটা প্ৰতিলিপি আগবঢ়াব পাৰে.
২.	**নিৰীক্ষণ/প্ৰক্ৰিয়া পত্ৰ**	এইটো সাধাৰণতে এখন এখিলা কাগজ যত সমগ্ৰ প্ৰক্ৰিয়া কৰা টোকাবোৰ ৰখা হয়. a) গ্ৰাহকৰ নাম আৰু id সংখ্যা b) দাবীৰ সংখ্যা, দাবীৰৰ পত্ৰবোৰ লাভৰ তালিকা c) পলিচীৰ অৱলোকন, খণ্ড 64VB অনুপালন d) বীমাৰ নগদ পৰিমাণ আৰু বীমাৰ নগদ পৰিমাণৰ ব্যৱহাৰ e) চিকিৎসালয়ত ভৰ্তি আৰু অব্যাহতিৰ তাৰিখ f) ডায়গ্নোছিছ আৰু চিকিৎসা g) দাবীৰ গ্ৰহণযোগ্যতা / কাৰণৰ সৈতে প্ৰক্ৰিয়াৰ মতামতবোৰ h) দাবীৰ পৰিমাণৰ গণনা i) প্ৰক্ৰিয়াকাৰী ব্যক্তিৰ তাৰিখ আৰু নামবোৰৰ সৈতে দাবীটোৰ গতিবিধি
৩.	**মানদণ্ড পৰীক্ষাবোৰ / নিয়ন্ত্ৰণ ফৰমেট**	দাবী পৰিচালনাকৰ্তাৰ পৰিৱৰ্তে ব্যক্তিৰ দ্বাৰা দাবীৰ পৰীক্ষাৰ বাবে চূড়ান্ত পৰীক্ষা বা মানদণ্ড নিয়ন্ত্ৰণ ফৰমেট পৰীক্ষাৰ তালিকা আৰু দাবী নিৰীক্ষণৰ প্ৰশ্নমালাৰ উপৰিও, মানদণ্ড নিয়ন্ত্ৰণ/হিচাব ফৰমেটেও নিম্নোক্তবোৰৰ সৈতে সম্পৰ্কীয় তথ্য অন্তৰ্ভুক্ত কৰে: a) দাবীৰ নিষ্পত্তি, b) দাবীৰ অগ্ৰাহ্য বা c) অতিৰিক্ত তথ্যৰ বাবে অনুৰোধ.

নিজক পৰীক্ষা কৰক 2

ভৰ্তি হোৱা ৰোগী এজনক প্ৰদান কৰা সকলোবোৰ চিকিৎসাৰ পূংখানুপূংখ বিৱৰণৰ সৈতে তলৰ কোনখন নথি চিকিৎসালয়ত প্ৰস্তুত কৰা হয়?

I. অনুসন্ধানৰ ৰিপোৰ্ট

II. নিষ্পত্তিৰ পত্ৰ

III. ঘটনাৰ কাগজ

IV. চিকিৎসালয় পঞ্জীয়ন প্ৰমাণপত্ৰ

D. দাবীবোৰ সংৰক্ষণ

1. সংৰক্ষণ

এইটোৱে দাবীবোৰৰ অৱস্থাটোৰ ওপৰত ভিত্তি কৰি বীমাকাৰীৰ বহীবোৰত সকলোবোৰ দাবীৰ বাবে প্ৰস্তুত কৰা সংৰক্ষণৰ পৰিমাণটো বুজায়. যদিও এইটো দেখাত অতি সৰল, সৰংক্ষণৰ প্ৰক্ৰিয়াটোৱে বাবে অত্যাধিক যত্নৰ দাবী কৰে - সৰংক্ষণত হোৱা যিকোনো ভুলে বীমাকাৰীৰ মুনাফা আৰু আৰ্থিক স্বচ্ছলতাৰ সীমা গণনাত প্ৰভাৱ পেলায়.
যিকোনো সময়তে সংৰক্ষণবোৰ গণনা কৰিবলৈ প্ৰক্ৰিয়া প্ৰণালীটোৰ আজিকালি অন্তৰ্নিহিত দক্ষতা আছে.

নিজক পৰীক্ষা কৰক *3*

দাবীবোৰৰ অৱস্থাটোৰ ওপৰত ভিত্তি কৰি বীমাকাৰীৰ বহীবোৰত সকলোবোৰ দাবীৰ বাবে প্ৰস্তুত কৰা সংৰক্ষণৰ পৰিমাণক _____ হিচাপে জনাজায়.

I. পুলিং

II. ব্যৱস্থা ৰখা

III. সংৰক্ষণ কৰা

IV. বিনিয়োগ কৰা

E. তৃতীয় পক্ষৰ কৰ্তৃপক্ষবোৰৰ ভূমিকা (TPA)

1. ভাৰতবৰ্ষত TPA বোৰৰ পৰিচয়

২০০০ চনত ব্যক্তিগত অংশগ্ৰহণকাৰীবোৰৰ বাবে বীমা খণ্ডটো মুকলি কৰা হৈছিল. এইসময়ত, নতুন প্ৰডাক্টবোৰ আৰম্ভ কৰাৰ সৈতে স্বাস্থ্যৰ যতনৰ প্ৰডাক্টবোৰ বাবেও চাহিদা বৃদ্ধি পাইছিল. স্বাস্থ্য বীমাত বিক্ৰীৰ পিছৰ সেৱাবোৰৰ বাবে চেনেল এটাৰ পৰিচয়টোৰ বাবে প্ৰয়োজন এটা অনুভৱ কৰা হৈছিল. এইটোৱে আৰম্ভ কৰিবলগীয়া পেছাদাৰী তৃতীয় পক্ষৰ কৰ্তৃপক্ষবোৰৰ বাবে সুবিধাটো আগবঢ়ায়.

এইটো চাই, বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ণ কৰ্তৃপক্ষই TPA ক IRDAI ৰ অনুজ্ঞাপত্ৰৰ অধীনত বজাৰত প্ৰৱেশ কৰিবলৈ অনুমতি দিয়ে, সিহঁতে ২০০১ চনৰ ১৭ ছেপ্টেম্বৰত জাননী দিয়া IRDAI (**তৃতীয় পক্ষৰ কৰ্তৃপক্ষ - স্বাস্থ্য বীমা) নিয়মাৱলী**, ২০০১ ৰ সৈতে সংকলন কৰে.

সংজ্ঞা

নিয়মাৱলীবোৰ মতে,

তৃতীয় পক্ষৰ কৰ্তৃপক্ষবোৰ বা TPA মানে যিকোনো ব্যক্তি যাক কৰ্তৃপক্ষই IRDAI (**তৃতীয় পক্ষৰ কৰ্তৃপক্ষ - স্বাস্থ্য বীমা) নিয়মাৱলী**, ২০০১ ৰ অধীনত অনুজ্ঞাপত্ৰ প্ৰদান কৰিছে, আৰু নিয়োজিত কৰা হৈছে, স্বাস্থ্য সেৱাবোৰ আগবঢ়োৱাৰ উদ্দেশ্যে বীমা কোম্পানীয়ে মাচুল বা পাৰিশ্ৰমিক এটা প্ৰদান কৰে.

"TPA ৰ দ্বাৰা স্বাস্থ্য সেৱাবোৰ" মানে হল স্বাস্থ্য বীমা ব্যৱসায়ৰ সৈতে সংগতি ৰাখি চুক্তি এটাৰ অধীনত বীমাকাৰী এটালৈ TPA এটাই প্ৰস্তুত কৰা সেৱাবোৰ কিন্তু বীমা কোম্পানী এটাৰ ব্যৱসায়টো অন্তৰ্ভুক্ত নকৰে বা হয়তো প্ৰত্যক্ষ বা পৰোক্ষভাৱে নিবেদন কৰে, স্বাস্থ্য বীমা ব্যৱসায়ৰ বা দাবী এটাৰ গ্ৰাহ্যতাটো বা অগ্ৰাহ্যটো নিৰ্ধাৰণ কৰাত.

এইদৰে TPA সেৱাবোৰৰ সুবিধাটো বীমা পলিচী এটা আৰম্ভ আৰু বিক্ৰীৰ পিছত আৰম্ভ হয়. বীমাকাৰীবোৰে TPA বোৰ ব্যৱহাৰ নকৰাৰ ক্ষেত্ৰত, সেৱাবোৰ ঘৰৰ ভিতৰৰ দলটোৱে সম্পাদন কৰে.

2. স্বাস্থ্য বীমাৰ বিক্ৰীৰ পিছৰ সেৱাবোৰ

a) প্ৰস্তাৱটো (আৰু প্ৰিমিয়ামটো) এবাৰ গ্ৰহণ কৰাৰ পিছত, সামৰিলোৱা আৰম্ভ হয়.

b) পলিচীটো মেৰামতি কৰিবৰ বাবে যদি TPA এটা ব্যৱহাৰ কৰিবলগীয়া হয়, বীমাকাৰীয়ে TPA লৈ গ্ৰাহক আৰু পলিচীটোৰ বিষয়ে তথ্য প্ৰেৰণ কৰে.

c) TPA য়ে সদস্যবোৰ (যিদৰে প্ৰস্তাৱক হল পলিচী গ্ৰহণ কৰা ব্যক্তি, সদস্যবোৰ হল পলিচীটোৰ অধীনত সামৰিলোৱাবোৰ) ভৰ্তি কৰে আৰু কাৰ্ড এখনৰ ৰূপত সদস্যপদৰ পৰিচয়পত্ৰ এখন প্ৰদান কৰিব পাৰে, হয়তো দৈহিক বা বৈদ্যুতিক.

d) নগদবিহীন সুবিধাৰ লগতে দাবীবোৰৰ প্ৰক্ৰিয়াটো লাভ কৰিবৰ বাবে TPA ৰ সৈতে সদস্যপদটো ব্যৱহাৰ কৰা হয় যেতিয়া সামৰিলোৱা চিকিৎসা বা চিকিৎসালয়ত ভৰ্তি এটাৰ বাবে সদস্যটোৱে পলিচীটোৰ সমৰ্থনটো দাবী কৰে.

e) TPA দাবীটো বা নগদবিহীন অনুৰোধটো প্ৰক্ৰিয়া কৰে আৰু বীমাকাৰীৰ সৈতে চুক্তি কৰা সময়ৰ ভিতৰত সেৱাবোৰ আগবঢ়ায়.

বন্ধ কৰা বিন্দুটো যৰ পৰা TPA ৰ ভূমিকাটো আৰম্ভ হয় সেইটো হল সেৱা আগবঢ়োৱা উপাদানটো হিচাপে TPA ৰ নামত পলিচীটো আৱন্টন দিয়া মুহূৰ্তটো. পলিচীটোৰ সমগ্ৰ সময়চোৱাত সেৱাৰ প্ৰয়োজনীয়তাটো অব্যাহত থাকে আৰু পিছৰ যিকোনো সময়সীমাৰ জৰিয়তে পলিচীটোৰ অধীনত দাবী এটাৰ ৰিপোৰ্টিংৰ বাবে সেইটো অনুমোদন কৰা হয়.

যেতিয়া হেজাৰ হেজাৰ পলিচী কাৰ্যক্ষম কৰা হয়, এই কাৰ্যটো অব্যাহত থাকে, বিশেষকৈ যেতিয়া একেটা পলিচী নবীকৰণ কৰা হয় আৰু একেটা TPA ই পলিচীটোত সেৱা আগবঢ়ায়.

3. তৃতীয় পক্ষৰ কৰ্তৃপক্ষৰ উদ্দেশ্যবোৰ (TPA)

স্বাস্থ্য বীমাত তৃতীয় পক্ষৰ কৰ্তৃপক্ষৰ ধাৰণাটো নিম্নোক্ত উদ্দেশ্যবোৰ সৈতে তৈয়াৰ কৰা হয় বুলি কব পাৰি :

a) প্ৰয়োজনৰ সময়ত সাম্ভাৱ্য সকলো ধৰণে স্বাস্থ্য বীমাৰ গ্ৰাহক এজনলৈ সেৱাটো সুলভ কৰিবলৈ.

b) নেটৱৰ্ক চিকিৎসালয়বোৰত বীমাকৃত ৰোগীৰ বাবে নগদবিহীন চিকিৎসা অনুষ্ঠিত কৰিবলৈ.

c) বীমাকোম্পানীটোৰ নিৰ্দেশনাবোৰ আৰু পদ্ধতি অনুযায়ী আৰু জমা দিয়া দাবীৰ নথিবোৰৰ ওপৰত ভিত্তি কৰি গ্ৰাহকবোৰলৈ দাবীবোৰৰ ভাল আৰু খৰতকীয়া নিষ্পত্তি এটা আগবঢ়াবলৈ.

d) স্বাস্থ্য বীমাৰ দাবীবোৰ আৰু সম্পৰ্কীয় সেৱাবোৰ পৰিচালনা কৰিবলৈ ব্যৱহাৰিক দক্ষতা প্ৰস্তুত কৰিবলৈ.

e) সময়মতে আৰু উপযুক্ত ধৰণে গ্ৰাহকবোৰক সঁহাৰি দিবলৈ.

f) পৰিৱেশ এটা তৈয়াৰ কৰিবলৈ যত বিপণৰ উদ্দেশ্যটো হল বীমাকৃত ব্যক্তি এজনে যথাযুক্ত মূল্যৰ বিনিময়ত মানদণ্ডবিশিষ্ট স্বাস্থ্যৰ যতন এটা লাভ কৰা.

g) মৃত্যু, মূল্যবোৰ, পদ্ধতিবোৰ, থকাৰ দৈৰ্ঘ ইত্যাদিৰ সৈতে সম্পৰ্কীয় প্ৰাসংগিক ডাটা উৎপাদন/মিলোৱাত সহায় কৰিবলৈ.

4. বীমাকাৰী আৰু TPA ৰ মাজৰ সম্পৰ্ক

বহুচো বীমাকাৰীয়ে স্বাস্থ্য বীমা পলিচীবোৰৰ বিক্ৰীৰ পিছৰ সেৱাটোৰ বাবে TPA ৰ সেৱাটো ব্যৱহাৰ কৰে, সেইদৰে কিছুমান বীমাকাৰীয়ে, বিশেষকৈ জীৱন বীমা খণ্ডৰ পৰা পলিচীটোৰ আগৰ চিকিৎসা পৰীক্ষাৰ সেৱাৰ বাবে TPA এটাৰ সহায় বিচাৰে.

চুক্তিটোত তৈয়াৰ কৰা প্ৰক্ৰিয়াৰ স্তৰবোৰ আৰু প্ৰয়োজনীয়তাৰ আয়োজন এটাৰ সৈতে বীমাকাৰী আৰু TPA ৰ মাজৰ সম্পৰ্কটো হল চুক্তিগত. IRDAI স্বাস্থ্য বীমা মানবিশিষ্টকৰণ নিৰ্দেশিকাবোৰে এতিয়া নিৰ্দেশনাবোৰ প্ৰতিষ্ঠা কৰিছে আৰু TPA আৰু বীমাকোম্পানীৰ মাজৰ চুক্তিটোৰ বাবে পৰামৰ্শিত মানবিশিষ্ট দফাবোৰ আগবঢ়াইছে,

বীমকাৰী এটাই TPA ৰ পৰা আশা কৰা সেৱাবোৰ হল তলত দিয়া ধৰণৰ:

A. নেটৱৰ্ক সেৱাবোৰ আগবঢ়াওতা

TPA য়ে দেশৰ চাৰিওফালে চিকিৎসালয়বোৰৰ নেটৱৰ্ক এটাৰ সৈতে সম্পৰ্ক এটা গঢ়ি তোলে, বীমাকৃত ব্যক্তিবোৰলৈ স্বাস্থ্য দাবীবোৰৰ বাবে নগদবিহীন দাবী পৰিশোধবোৰ আগবঢ়োৱাৰ উদ্দেশ্যে. IRDAI ৰ দ্বাৰা ধাৰ্য্য কৰা শেহতীয়া নিৰ্দেশনাবোৰে বীমাকাৰীক অন্তৰ্ভুক্ত কৰি সম্পৰ্কটো ত্ৰিকোণীয় হোৱাটো দাবী কৰে আৰু কেৱল মাত্ৰ TPA আৰু যোগাধৰ্তাৰ মাজত সীমিত নাৰাখে.

সিহঁতে লগতে বীমকৰ্তা আৰু বীমাকাৰীবোৰৰ মূল্যটো হ্ৰাস কৰিবলৈ তেনেকুৱা নেটৱৰ্ক চিকিৎসালয়বোৰৰ পৰা চিকিৎসালয়ত ভৰ্তিৰ বিভিন্ন পদ্ধতিবোৰৰ আৰু পেকেজবোৰৰ বাবে ভাল নিৰ্ধাৰিত হাৰবোৰ বুজাবুজি কৰে.

B. ক'ল চেন্টাৰৰ সেৱাবোৰ

ৰাতি, সপ্তাহৰ শেষ আৰু ছুটিৰ দিন যেনে, 24*7*365 আদিকে ধৰি সকলো সময়তে উপলব্ধ হোৱাকৈ মাচুল বিহীন নম্বৰবোৰৰ সৈতে TPA য়ে সাধাৰণতে ক'ল চেন্টাৰ এটা চলোৱাটো আশা কৰা হয়. TPA ৰ ক'ল চেন্টাৰটোৱে নিম্নোক্তবোৰৰ সৈতে সম্পৰ্কীয় তথ্য আগবঢ়াব:

a) পলিচীটোৰ অধীনত সামৰিলোৱা আৰু মুনাফাবোৰ.

b) স্বাস্থ্য দাবীবোৰৰ সৈতে সম্পৰ্কীয় প্ৰক্ৰিয়া আৰু পদ্ধতিবোৰ.

c) সেৱাবোৰ আৰু নগদবিহীন চিকিৎসালয়ত ভৰ্তি সম্পৰ্কীয় নিৰ্দেশনা.

d) নেটৱৰ্ক চিকিৎসালয়বোৰত তথ্য.

e) পলিচীটোৰ অধীনত উপলব্ধ বীমাৰ বাকী থকা নগদৰ তথ্য.

f) দাবীৰ অৱস্থাটোত তথ্য.

g) দাবীবোৰৰ ক্ষেত্ৰত হেৰুওৱা নথিবোৰত পৰামৰ্শ.

ক'ল চেন্টাৰটো এটা ৰাষ্ট্ৰীয় মাচুল বিহীন নম্বৰৰ জৰিয়তে উপলব্ধ হোৱা উচিত আৰু গ্ৰাহক সেৱাৰ ষ্টাফটোৱে গ্ৰাহকবোৰে সাধাৰণতে ব্যৱহাৰ কৰা প্ৰধান ভাষাবোৰৰ দ্বাৰা যোগাযোগ কৰিবলৈ সক্ষম হোৱা উচিত. এই বিৱৰণবোৰ নিশ্চিতভাৱে বীমাকাৰী আৰু সিহঁতৰ TPA বোৰৰ মাজৰ চুক্তিবোৰৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা হয়.

C. নগদবিহীনভাৱে উপলব্ধ সেৱাবোৰ

সংজ্ঞা

"নগদবিহীন সুবিধা " মানে হল বীমাকাৰী দ্বাৰা বীমাকৰ্তালৈ আগবঢ়োৱা এটা সুবিধা যত পলিচীৰ নিয়ম আৰু চৰ্ত অনুসৰি বীমকৰ্তাই গ্ৰহণ কৰা চিকিৎসাৰ মূল্যটোৰ বাবে পৰিশোধবোৰ বীমাকাৰীয়ে আগতীয়াকৈ অনুমোদন কৰা নেটৱৰ্ক যোগানধৰ্তাক প্ৰত্যক্ষভাৱে পৰিশোধ কৰে.

এই সেৱাটো আগবঢ়াবলৈ, চুক্তিটোৰ অধীনত বীমাকাৰী প্ৰয়োজনীয়তাবোৰ হল:

a) TPA ৰ লগত সকলোবোৰ পলিচী সম্পৰ্কীয় তথ্য উপলব্ধ হোৱাটো অপৰিহাৰ্য. TPA ক এইবোৰ যোগান ধৰাটো হল বীমাকাৰীৰ কৰ্তব্য.

b) পলিচীটোত অন্তৰ্ভুক্ত সদস্যবোৰৰ ডাটা উপলব্ধ আৰু সুলভ হোৱা উচিত, কোনো ভুল বা হ্ৰাস অবিহনে.

c) বীমাকৰ্তা ব্যক্তিবোৰে পলিচীটো আৰু TPA ৰ সৈতে সিহঁতক সম্পৰ্ক কৰা পৰিচয় পত্ৰ এখন কঢ়িয়াই ফুৰাটো অপৰিহাৰ্য. সন্মতিৰ ফৰমেট এটাত TPA য়ে প্ৰদান কৰা এই পৰিচয় পত্ৰ খন এটা যথাথুক্ত সময়ৰ ভিতৰত সদস্য লাভ কৰাটো অপৰিহাৰ্য আৰু পলিচীটোৰ সময়চোৱাত বৈধ হোৱা উচিত.

d) নগদবিহীন সুবিধাটো অনুৰোধ বাবে আগবঢ়োৱা তথ্যটোৰ ওপৰত ভিত্তি কৰি চিকিৎসালয়লৈ TPA য়ে এটা পূৰ্ব-কৰ্তৃত্ব বা আশ্বাসৰ পত্ৰ এখন প্ৰদান কৰাটো অপৰিহাৰ্য. ৰোগৰ চৰিত্ৰ, প্ৰস্তাৱিত চিকিৎসা আৰু জড়িত মূল্যটো বুজিবলৈ এইটোৱে অধিক তথ্য বিচাৰিব পাৰে.

e) যত তথ্যটো স্পষ্ট বা উপলব্ধ নহয়, TPA য়ে নগদবিহীন দাবীটো অগ্ৰাহ্য কৰিব পাৰে, এইটো স্পষ্ট কৰা উচিত যে নগদবিহীন সুবিধা অগ্ৰাহ্য কৰাটোৱে চিকিৎসাৰ অগ্ৰাহ্য কৰা নুবুজোৱাটো স্পষ্ট কৰিব লাগে. পিছলৈ পৰিশোধ কৰিবলৈ আৰু দাবী এটা উত্থাপন কৰিবলৈ সদস্যজনও মুক্ত থাকিব লাগে, যিটো ইয়াৰ প্ৰতিভাৰ ওপৰত বিবেচনা কৰা হব.

f) আপদকালী ঘটনাবোৰৰ ক্ষেত্ৰত, ভৰ্তি হোৱাৰ ২৪ ঘন্টাৰ ভিতৰত জনোৱা উচিত আৰু নগদবিহীনৰ ক্ষেত্ৰত সিদ্ধান্তটো যোগাযোগ কৰা হয়.

D. গ্ৰাহক সম্পৰ্ক আৰু চুক্তি পৰিচালনা

TPA য়ে কাৰিকৰী এটা আগবঢ়োৱাটো প্ৰয়োজনীয় যাৰ দ্বাৰা গ্ৰাহকবোৰে তেওঁলোকৰ অভিযোগবোৰ প্ৰদৰ্শন কৰিব পাৰে. নিৰীক্ষণ আৰু প্ৰমাণিতকৰণৰ বিষয়বস্তু হিচাপে স্বাস্থ্য বীমা দাবীবোৰৰ বাবে এইটো সচৰাচৰ. এইটো লগতে মন কৰা হয় যে স্বাস্থ্য বীমা দাবীবোৰ ক্ষুদ্ৰ শতাংশ এটা অগ্ৰাহ্য কৰা হয় যিবোৰ পলিচীটোৰ নিয়ম আৰু চৰ্তবোৰৰ বাহিৰৰ.

লগতে, প্ৰায় সকলোবোৰ স্বাস্থ্য বীমাৰ দাবী হল দাবীটোৰ কিছু পৰিমাণ কাটি ৰখাৰ বিষয়বস্তু. এই কাটি ৰখাবোৰে গ্ৰাহকক অনন্তুষ্ট কৰিব পাৰে, বিশেষকৈ যত কাটি ৰখা বা অগ্ৰাহ্যৰ কাৰণটো গ্ৰাহকক উপযুক্তভাৱে ব্যাখ্যা কৰা নহয়.

তেনেকুৱা অভিযোগবোৰ যথাসম্ভৱ খৰতকীয়াকৈ সমাধান কৰাটো নিশ্চিত কৰিবলৈ বীমাকাৰীয়ে TPA ৰ এটা কাৰ্যকৰী অভিযোগ নিবাৰণ তন্ত্ৰ থকাটো দাবী কৰে.

E. বিলৰ সেৱাবোৰ

বিলৰ সেৱাবোৰৰ অধীনত, বীমাকাৰীয়ে TPA ৰ পৰা তিনিটা কাৰ্য আশা কৰে:

a) মানবিশিষ্ট বিল তৈয়াৰৰ আৰ্হিটোৱে বীমাকাৰীক বিভিন্ন মুখ্যৰ অধীনত সামৰিলোৱাৰ ব্যৱহাৰটো বিশ্লেষণৰ লগতে মূল্য নিৰ্ধাৰণ কৰাত সহায় কৰিব পাৰে.

b) সত্যাপন কৰক যে আৰোপিত পৰিমাণটো ৰোগটোৰ বাবে প্ৰকৃততে প্ৰয়োজন হোৱা চিকিৎসাটোৰ সৈতে সম্পৰ্কীয়.

c) ডায়গ্নোছিছ আৰু প্ৰক্ৰিয়াৰ কোডবোৰ সামৰিলোৱা হয় যাতে ৰাষ্ট্ৰীয় বা আন্তৰাষ্ট্ৰীয় মানবিশিষ্টবোৰৰ অনুৰূপত সৈতে TPA বোৰৰ মাজত ডাটাৰ মানবিশিষ্টকৰণটো সম্ভৱ.

এইটোৱে TPA ত প্ৰশিক্ষণপ্ৰাপ্ত আৰু কৌশলী মানবসম্পদ দাবী কৰে যিসকল কোডিং কৰা, শুল্কটো প্ৰমাণিত কৰা আৰু বিলিং ডাটা সামৰিলোৱাটো মানবিশিষ্ট কৰিবলৈ দক্ষ.

F. দাবীৰ প্ৰক্ৰিয়া আৰু পৰিশোধৰ সেৱাবোৰ

এইটো হল TPA বোৰে আগবঢ়োৱা আটাইতকৈ জটিল সেৱা. বীমাকাৰীলৈ TPA য়ে আগবঢ়োৱা দাবী প্ৰক্ৰিয়া কৰাৰ সেৱাবোৰ হল সাধাৰণতে পৰিশোধ আৰু অনুমোদনৰ পৰামৰ্শ কৰিবলৈ সংকেত পঞ্জীয়নৰ পৰা আৰম্ভ কৰি শেষলৈকে চলা সেৱা.

বীমাকাৰীৰ পৰা লাভ কৰা পুঁজিবোৰৰ জৰিয়তে দাবীবোৰৰ পৰিশোধ সম্পন্ন কৰা হয়. আগধন হিচাপে TPA লৈ পুঁজি আগবঢ়োৱা হব পাৰে বা হয়তো চিকিৎসালয়লৈ বা গ্ৰাহকলৈ ইয়াৰ বেংকৰ জৰিয়তে বীমাকাৰীয়ে প্ৰত্যক্ষভাৱে নিষ্পত্তি কৰিব পাৰে.

TPA য়ে ধনীবোৰৰ হিচাপ এটা ৰাখিব বুলি আৰু বীমা কোম্পানীটোৰ পৰা লাভ কৰা পৰিমাণটোৰ সময়কালীন সামঞ্জস্য আগবঢাব বুলি আশা কৰা হয়. অনুমোদিত দাবীবোৰৰ পৰিশোধৰ বাহিৰে অন্য উদ্দেশ্যৰ বাবে ধন ব্যৱহাৰ কৰিব নোৱাৰি.

G. পৰিচালনা তথ্যৰ সেৱাবোৰ

যিহেতু TPA য়ে দাবীৰ প্ৰক্ৰিয়াটো সম্পাদনা কৰে, TPA ৰ সৈতে ব্যক্তিগতভাৱে বা সমূহীয়াভাৱে দাবীবোৰ সম্পৰ্কীয় সকলোবোৰ তথ্য উপলব্ধ. বীমাকাৰীয়ে বিভিন্ন উদ্দেশ্যৰ বাবে ডাটা দাবী কৰে আৰু তেনেকুৱা ডাটা TPA ৰ দ্বাৰা সময় ভিত্তিত আৰু সঠিকভাৱে আগবঢ়োৱাটো অপৰিহাৰ্য.

এইদৰে এটা TPA ৰ সেৱাবোৰৰ সুবিধাটোক বীমাকাৰীবোৰে প্ৰদান কৰা স্বাস্থ্য বীমা পলিচীবোৰৰ আৰম্ভণিৰ পৰা শেষলৈকে চলা সেৱা এটা হিচাপে গণ্য কৰিব পাৰি, প্ৰয়োজনীয়তা আৰু বিশেষ বীমাকৰীৰ সৈতে কৰা MOU ৰ ওপৰত ভিত্তি কৰি কিছুমান কাৰ্যকলাপলৈ সীমিত কৰিব পাৰি.

H. TPA ৰ পাৰিশ্ৰমিক

এই সেৱাবোৰৰ বাবে TPA ক নিম্নোক্তবোৰৰ ভিত্তিত মাচুল এটা পৰিশোধ কৰা হয়:

a) গ্ৰাহকলৈ আৰোপিত প্ৰিমিয়ামটোৰ (সেৱা কৰ বহিষ্কাৰ কৰি) এটা শতাংশ,
b) এটা নিৰ্ধাৰিত সময়সীমাৰ বাবে TPA য়ে সেৱা আগবঢ়োৱা প্ৰতিজন সদস্যৰ বাবে এটা নিৰ্দিষ্ট পৰিমাণ, বা
c) TPA য়ে আগবঢ়োৱা সেৱাটোৰ প্ৰতিটো লেনদেনৰ বাবে এটা নিৰ্দিষ্ট পৰিমাণ - উদাহৰণস্বৰূপে প্ৰদান কৰা প্ৰতিটো সদস্য কাৰ্ড সাপেক্ষে মূল্য, প্ৰতিটো দাবী সাপেক্ষে ইত্যাদি.

এইদৰে TPA ৰ সেৱাবোৰৰ জৰিয়তে বীমাকাৰীয়ে লাভ কৰে:

i. নগদবিহীন সেৱাবোৰ
ii. ডাটা সংকলন আৰু বিশ্লেষণ
iii. গ্ৰাহকবোৰৰ বাবে ২৪ ঘন্টীয়া ক'ল চেন্টাৰ আৰু সহায়কাৰী
iv. চিকিৎসালয়বোৰৰ নেটৱৰ্ক আৰু অন্য চিকিৎসাৰ সুবিধাবোৰ
v. মুখ্য গোট গ্ৰাহকবোৰলৈ সমৰ্থন আগবঢ়োৱা
vi. গ্ৰাহকৰ সৈতে দাবীবোৰৰ মত বিনিময়টো সৰলীকৃত কৰা
vii. চিকিৎসালয়বোৰৰ সৈতে শুল্কবোৰ আৰু প্ৰক্ৰিয়াবোৰৰ মূল্য বুজাবুজি কৰা

viii. গ্ৰাহক সেৱা সহজ কৰিবলৈ প্ৰযুক্তি সক্ষম সেৱাবোৰ
ix. সন্দেহজনক ঘটনাবোৰ অনুসন্ধান আৰু প্ৰমাণিতকৰণ
x. কোম্পানীবোৰৰ মাজত দাবীৰ আৰ্হিবোৰৰ বিশ্লেষণ আৰু মূল্যবোৰত গুৰুত্বপূৰ্ণ তথ্যৰ আৰক্ষণ, চিকিৎসাৰ নতুন পদ্ধতি, আহিবলগীয়া ধাৰাবোৰ আৰু প্ৰৱঞ্চনাবোৰ নিয়ন্ত্ৰণ
xi. ক্ষিপ্ৰভাৱে সেৱাবোৰ লাভ কৰাটো প্ৰসাৰ কৰা

F. দাবীৰ পৰিচালনা – ব্যক্তিগত দূৰ্ঘটনা

1. ব্যক্তিগত দূৰ্ঘটনা

সংজ্ঞা

ব্যক্তিগত দূৰ্ঘটনা হল এটা মুনাফাৰ পলিচী আৰু দূৰ্ঘটনাজনিত মৃত্যু, দূৰ্ঘটনামূলক অক্ষমতা (স্থায়ী/আংশিক), সাময়িক সৰ্বমুঠ অক্ষমতা সামৰিলয় আৰু বিশেষ প্ৰডাক্ট এটাৰ ওপৰত নিৰ্ভৰ কৰি লগতে দূৰ্ঘটনামূলক চিকিৎসা ব্যয়বোৰৰ এড-অন সামৰিলোৱা, অন্ত্যষ্টিক্ৰিয়াৰ ব্যয়, শিক্ষাৰ ব্যয়বোৰ ইত্যাদি.

PA পলিচী এটাৰ অধীনত সামৰিলোৱা সংকটটো হল ‘‘দূৰ্ঘটনা’’.

সংজ্ঞা

দূৰ্ঘটনাটো যিকোনো আকস্মিক, অদেখা, অনিচ্ছুক, বাহ্যিক, হিংসাত্মক আৰু দৃশ্যমান হিচাপে বাখ্যা কৰিব পাৰি.

দাবীবোৰৰ পৰিচালকে সতৰ্কতাবোৰ চিহ্নিত কৰিব লাগে আৰু দাবীটোৰ জাননী লাভৰ লগে লগে নিম্নোক্ত ক্ষেত্ৰতবোৰ পৰীক্ষা কৰিব লাগে:

a) যিজন ব্যক্তিৰ সাপেক্ষে দাবীটো উত্থাপন কৰা হৈছে উক্ত ব্যক্তিজনক পলিচীটোৰ অধীনত সামৰিলোৱা হৈছে নে

b) প্ৰিমিয়াম লাভ আৰু ক্ষতিৰ তাৰিখটো মতে পলিচীটো বৈধ হোৱা

c) ক্ষতিটো পলিচীটোৰ সময়সীমাৰ ভিতৰত হোৱা

d) ৰোগৰ বাবে নোহোৱা আৰু ‘‘দূৰ্ঘটনা’’ ৰ বাবে উদ্ভৱ হোৱা ক্ষতি

e) যিকোনো প্ৰৱঞ্চনাৰ বাবে পৰীক্ষা আৰু অনুসন্ধান কৰক যদি প্ৰয়োজন হয়

f) দাবীটো পঞ্জী কৰক আৰু সেইটোৰ বাবে সংৰক্ষণ তৈয়াৰ কৰক

g) তৈয়াৰীৰ সময়টো মানি চলা (দাবী নিষ্পত্তিৰ সময়) আৰু গ্ৰাহকক দাবীটোৰ অগ্ৰগতিৰ বিষয়ে জনাই থকা.

2. দাবীবোৰৰ অনুসন্ধান

দাবীটোৰ জাননীত বা দাবীৰ নথিবোৰৰ লগে লগে যদি কিবা ৰেড এলাৰ্ট চকুত পৰে, তেন্তে একেলগে প্ৰমাণিত কৰিবৰ বাবে দাবীটো এজন পেছাদাৰী অনুসন্ধানকৰ্তালৈ নিৰ্ধাৰণ কৰা হব পাৰে.

উদাহৰণ

ব্যক্তিগত দূৰ্ঘটনাৰ দাবীবোৰৰ বাবে ৰেড এলাৰ্টৰ উদাহৰণবোৰ (পিছলৈ অনুসন্ধানৰ উদ্দেশ্যে, কিন্তু দাবীটো চলপূৰ্ণ হোৱা বা প্ৰৱঞ্চনাৰ ধনাত্মক সংকেতটো সূচিত নকৰে):

- ✓ বন্ধ আসন্ন দাবীবোৰ (বীমাৰ আৰম্ভণিৰ এটা চমু সময়সীমাৰ ভিতৰত দাবী)
- ✓ অক্ষমতাৰ দীৰ্ঘ সময়সীমাৰ সৈতে উচ্চ সাপ্তাহিক মুনাফাৰ পৰিমাণ

- ✓ দাবীৰ নথিবোৰত অন্তৰ
- ✓ একেজন বীমাকৰ্তাৰ দ্বাৰা বিভিন্ন দাবী উত্থাপন
- ✓ সুৰাসক্ত
- ✓ সন্দেহজনক আত্মহত্যা
- ✓ ৰাতি দেৰীকৈ হোৱা যান-বাহনৰ পথ দূৰ্ঘটনা যেতিয়া বাহনখন বীমাকৰ্তাই চলাই আছিল
- ✓ সাপে খোটা
- ✓ পানীত ডুব যোৱা
- ✓ ওপৰৰ পৰা পৰা
- ✓ ঘটনা সম্বন্ধীয় সন্দেহজনক ৰোগ
- ✓ বিষক্ৰিয়া
- ✓ হত্যাকাণ্ড
- ✓ গুলীবিদ্ধ
- ✓ ফ্ৰোষ্ট বাইট ডিছএপিয়াৰিং
- ✓ নৰহত্যা ইত্যাদি.

অনুসন্ধানৰ মূখ্য উদ্দেশ্যবোৰ হল:

a) ক্ষতিৰ কাৰণটো পৰীক্ষা কৰা.

b) ক্ষতিৰ চৰিত্ৰ আৰু প্ৰসাৰটো নিশ্চিত কৰা.

c) সাক্ষ্য আৰু তথ্য সংগ্ৰহ কৰা.

d) যদি দাবীৰ পৰিমাণটোত প্ৰৱঞ্চনা বা অতিৰঞ্জিত কিবা আছে নিশ্চিত কৰা.

অনুগ্ৰহ কৰি মন কৰিব : অনুসন্ধানৰ উদ্দেশ্যটো হল ঘটনাৰ তথ্যবোৰ প্ৰমাণিত কৰা আৰু প্ৰয়োজনীয় সাক্ষ্য যুগুত কৰা.

দাবীবোৰ পৰীক্ষাকৰ্তাই অনুসন্ধানকৰ্তাক অনুসন্ধানৰ কেন্দ্ৰবিন্দুৰ দৰে পথপ্ৰদৰ্শন কৰাটো গুৰুত্বপূৰ্ণ.

দাবীবোৰৰ পৰীক্ষাকৰ্তাই অনুসন্ধানকৰ্তাক অনুসন্ধানত মনোনিৱেশ কৰাত পথপ্ৰদৰ্শন কৰাটো প্ৰয়োজনীয়.

উদাহৰণ

ঘটনা নিৰ্দেশনাৱলীৰ উদাহৰণ:

যান-বাহনৰ পথ দূৰ্ঘটনা

i. দুৰ্ঘটনাটো কেতিয়া সংগটিত হৈছিল - প্ৰকৃত সময় আৰু তাৰিখ, ঠাই? তাৰিখ আৰু সময়

ii. বীমাকৰ্তা এজন পদচাৰী, যাত্ৰী/পিলিয়ন ৰাইডা হিচাপে ভ্ৰমণ কৰা বা দূৰ্ঘটনাত জড়িত বাহনখনৰ চালক আছিল নেকি?

iii. দূৰ্ঘটনাটোৰ বিৱৰণ, এইটো কেনেকৈ সংগটিত হৈছিল?

iv. দূৰ্ঘটনাৰ সময়ত বীমাকৰ্তাজন সুৰাপানৰ দ্বাৰা প্ৰভাৱিত আছিল নেকি?

v. মৃত্যুৰ ক্ষেত্ৰত, মৃত্যুৰ প্ৰকৃত সময় আৰু তাৰিখ, মৃত্যুৰ আগতে গ্ৰহণ কৰা চিকিৎসা, কোন খন চিকিৎসালয় ইত্যাদি কি আছিল?

দূৰ্ঘটনাটোৰ সাম্ভাৱ্য কাৰণটো :

বীমাকৰ্তা বা প্ৰতিপক্ষৰ বাহনখনৰ যান্ত্ৰিক বিজুতি (ষ্ট্ৰিয়াৰিং, ব্ৰেক ইত্যাতি বিকল হোৱা), বাহনখনৰ চালকৰ যিকোনো ৰোগৰ বাবে (হাৰ্ট এটাক, ছিজাৰ ইত্যাদি), সুৰাপনৰ প্ৰভাৱ, বেয়া ৰাস্তা, বতৰৰ অৱস্থা, বাহনখনৰ গতি ইত্যাদি.

সাম্ভাৱ্য প্ৰৱঞ্চনা আৰু ব্যক্তিগত দূৰ্ঘটনাৰ দাবীবোৰত থকা ত্ৰুটিৰ কিছুমান উদাহৰণ :

i. TTD সময়সীমাৰ অতিৰঞ্জিত.

ii. ৰোগটো দূৰ্ঘটনা হিচাপে প্ৰদৰ্শন কৰা, উদাহৰণস্বৰূপে পেথোলজিকেল কাৰণৰ ফলত হোৱা পিঠিৰ বিষটো ঘৰত 'পৰা/পিছল খোৱা' হিচাপে দেখুৱাই PA দাবীলৈ ৰূপান্তৰিত কৰা.

iii. পূৰ্বৰে পৰা বৰ্তি থকা দূৰ্ঘটনাবোৰ নতুন হিচাপে দাবী কৰা, মনে সজা নথি প্ৰস্তুত কৰি প্ৰাকৃতিক মৃত্যুটো দূৰ্ঘটনাজনিত ঘটনা হিচাপে প্ৰদৰ্শন কৰা বা পূৰ্বৰে পৰা বৰ্তি থকা ৰুগ্নতাৰ ফলত দূৰ্ঘটনাৰ পিছত মৃত্যু হোৱা

iv. দূৰ্ঘটনামূলক মৃত্যুবোৰ দৰে উপস্থাপন কৰা আত্মহত্যাজনিত মৃত্যুবোৰ

ব্যক্তিগত দূৰ্ঘটনাৰ দাবীৰ নিষ্পত্তিৰ বাবে অব্যাহতিৰ ভাউছাৰ হল এখন গুৰুত্বপূৰ্ণ নথি, বিশেষকৈ মৃত্যুৰ দাবীবোৰ সৈতে জড়িতবোৰৰ বাবে. লগতে প্ৰস্তাৱৰ সময়ত মনোনীত ব্যক্তিৰ পূংখানুপূংখ বিৱৰণ আহৰণ কৰাটোও গুৰুত্বপূৰ্ণ আৰু সেইটোৱে পলিচী নথিৰ অংশ হব.

3. দাবীৰ নথিপ্ৰস্তুত

তালিকা 2.3

মৃত্যুৰ দাবী	a) দাবীকৰ্তাৰ মনোনীত/পৰিয়ালৰ সদস্যৰ দ্বাৰা চহী কৰা সম্পূৰ্ণকৈ পূৰ কৰা ব্যক্তিগত দূৰ্ঘটনাৰ দাবীৰ ফৰ্ম. b) প্ৰথম তথ্যৰ ৰিপোৰ্টৰ আচল বা প্ৰমাণিত নকল প্ৰতিলিপি. (FIR / পঞ্চনাম / অন্বেষণ কৰা পঞ্চনাম) c) মৃত্যুৰ প্ৰমাণ পত্ৰৰ আচল বা প্ৰমাণিত নকল প্ৰতিলিপি. d) মৃতদেহ পৰীক্ষাৰ ৰিপোৰ্ট প্ৰমাণিত নকল প্ৰতিলিপি যদি সম্পন্ন কৰা হৈছে. e) AML নথিবোৰৰ প্ৰমাণিত নকল প্ৰতিলিপি (অবৈধ ধন বৈধ কৰাটো ৰোধ কৰা) - নাম প্ৰমাণিতকৰণৰ বাবে (পাৰপত্ৰ / পান কাৰ্ড / ভোটাৰ ID / চালকৰ অনুজ্ঞাপত্ৰ) ঠিকনাৰ প্ৰামাণিতকৰণৰ বাবে (টেলিফোন বিল / বেংক একাউন্টৰ স্পষ্টীকৰণ / বিদ্যুতৰ বিল / ৰেচন কাৰ্ড). f) লেখ প্ৰমাণিত আৰু সকলোবোৰ আইনী উত্তৰাধিকাৰীৰ দ্বাৰা চহী কৰা শপত-পত্ৰ আৰু ক্ষতিপূৰণৰ বণ্ডকে ধৰি আইনী উত্তৰাধিকাৰীৰ প্ৰমাণপত্ৰ
স্থায়ী মুঠ অক্ষমতা (PTD) আৰু স্থায়ী আংশিক অক্ষমতাৰ (PPD) দাবী	a) দাবীকৰ্তাৰ দ্বাৰা চহী কৰা সম্পূৰ্ণকৈ পূৰ কৰা ব্যক্তিগত দূৰ্ঘটনাৰ দাবীৰ ফৰ্ম. b) প্ৰথম তথ্যৰ ৰিপোৰ্টৰ প্ৰমাণিত নকল প্ৰতিলিপি যদি প্ৰযোজ্য হয়. c) এজন নাগৰিক চিকিৎসক বা বীমাকৰ্তাৰ অক্ষমতাটো প্ৰমাণিত কৰা যিকোনো দক্ষ চিকিৎসকৰ পৰা লাভ কৰা স্থায়ী অক্ষমতাৰ প্ৰমাণপত্ৰ.
সাময়িক মুঠ অক্ষমতাৰ (TTD) দাবী	a) অক্ষমতাৰ সময়সীমা আৰু প্ৰকাৰটো উল্লেখ কৰি চিকিৎসা কৰা চিকিৎসকৰ পৰা লাভ কৰা চিকিৎসাৰ প্ৰমাণ পত্ৰ. মালিকৰ দ্বাৰা যথাৰ্থভাৱে চহী কৰা আৰু মোহৰ মৰা, ছুটিৰ প্ৰকৃত সময়সীমাৰ পূংখানুপূংখ বিৱৰণৰ সৈত মালিকৰ পৰা লাভ কৰা ছুটিৰ প্ৰমাণ পত্ৰ. b) বীমাকৰ্তাই স্বাভাৱিক কাৰ্য্য সম্পাদন কৰিবলৈ সুস্থ বুলি প্ৰমাণিত কৰিবলৈ চিকিৎসকৰ পৰা লাভ কৰা সুস্থতাৰ প্ৰমাণ পত্ৰ.

ওপৰোক্ত তালিকাখন কেৱল পৰিচায়ক, পিছলৈ ঘটনাটোৰ বিশেষ তথ্যবোৰৰ ওপৰত ভিত্তি কৰি বিশেষকৈ অনুসন্ধান কৰিবলগীয়া সন্দেহজনক প্ৰৱঞ্চনাৰ ক্ষেত্ৰত নথিবোৰৰ (আঘাতৰ চিহ্ন, দূৰ্ঘটনাৰ অঞ্চল ইত্যাদিৰ ফটোগ্ৰাফ) প্ৰয়োজন হব পাৰে.

নিজক পৰীক্ষা কৰক 4

স্থায়ী মুঠ অক্ষমতাৰ দাবীৰ বাবে তলৰ নথিবোৰৰ কোনটো জমা দিয়াৰ প্ৰয়োজন নহয়?

I. দাবীকৰ্তাৰ দ্বাৰা চহী কৰা যথাৰ্থভাৱে পূৰ কৰা ব্যক্তিগত দূৰ্ঘটনাৰ দাবীৰ ফৰ্ম.

II. প্ৰথম তথ্যৰ ৰিপোৰ্টৰ প্ৰমাণিত নকল প্ৰতিলিপি যদি প্ৰযোজ্য হয়.

III. এজন নাগৰিক চিকিৎসক বা বীমাকৰ্তাৰ অক্ষমতাটো প্ৰমাণিত কৰা যিকোনো দক্ষ চিকিৎসকৰ পৰা লাভ কৰা স্থায়ী অক্ষমতাৰ প্ৰমাণপত্ৰ.

IV. বীমাকৰ্তাই স্বাভাৱিক কাৰ্য্য সম্পাদন কৰিবলৈ সুস্থ বুলি প্ৰমাণিত কৰিবলৈ চিকিৎসকৰ পৰা লাভ কৰা সুস্থতাৰ প্ৰমাণ পত্ৰ.

G. দাবীবোৰৰ পৰিচালনা - বিদেশ ভ্ৰমণৰ বীমা

1. বিদেশ ভ্ৰমণৰ বীমা পলিচী

চিকিৎসাহীন মুনাফাবোৰ সামৰিলৈ যদিও বিদেশ ভ্ৰমণ বীমা পলিচীৰ বহুতো খণ্ড আছে, ইয়াৰ আণ্ডাৰৰাইটিং আৰু দাবীবোৰৰ পৰিচালনাটো পৰম্পৰাগতভাৱে স্বাস্থ্য বীমা পোৰ্টফলিঅ'ৰ অধীনস্থ কাৰণ পলিচীটোৰ অধীনত চিকিৎসা আৰু ৰোগৰ মুনাফাটো হল মুখ্য সামৰিলোৱা.

পলিচীটোৰ অধীনত সামৰিলোৱাবোৰ নিম্নোক্ত খণ্ডবোৰত বিস্তৃতভাৱে ভাগ কৰিব পাৰি. এটা বিশেষ প্ৰডাক্টে তলত উল্লেখিত মুনাফাবোৰৰ সকলোবোৰ বা কিছুমান সামৰিলব পাৰে:

a) চিকিৎসা আৰু বেমাৰ খণ্ড

b) প্ৰত্যাৱৰ্তন আৰু ত্যাগ কৰা

c) ব্যক্তিগত দূৰ্ঘটনা সামৰিলোৱা

d) ব্যক্তিগত দায়িত্ব

e) আন চিকিৎসাহীন সামৰিলোৱাবোৰ:

i. যাত্ৰা বাতিল
ii. যাত্ৰাত বিলম্ব
iii. যাত্ৰাত বাধা
iv. ভুল সংযোগ
v. সামগ্ৰী পৰীক্ষাৰ ফলত হোৱা বিলম্ব
vi. পৰীক্ষা কৰা সামগ্ৰী হেৰুওৱা
vii. পাৰপত্ৰ হেৰুওৱা
viii. তৎকালীন অগ্ৰিমৰাশি
ix. অপহৰণৰ ভাট্টা
x. জামিন বণ্ড বীমা
xi. অপহৰণ সামৰিলোৱা
xii. প্ৰযোজক সুৰক্ষা
xiii. সহানুভূতিশীল দৰ্শন
xiv. অধ্যয়নত বাধা
xv. ঘৰত চুৰি

নামটোৱে বুজোৱাৰ দৰে, পলিচীটো বিদেশ ভ্ৰমণ কৰা মানুহবোৰৰ বাবে, ভাৰতবৰ্ষৰ বাহিৰত ক্ষতি সংগটিত হব পৰাটো স্বাভাৱিক আৰু যথাসম্ভৱ ৰিপোৰ্ট কৰাৰ সময়ত দাবীবোৰৰ সঠিকভাৱে সেৱা আগবঢ়োৱাটো প্ৰয়োজনীয়. বিদেশ ভ্ৰমণৰ বীমাৰ দাবীৰ ক্ষেত্ৰত দাবীৰ সেৱাটোৱে সাধাৰণতে তৃতীয় পক্ষৰ সেৱা যোগানধৰ্তা এটা জড়িত কৰে (সহায়কাৰী কোম্পানী) যিয়ে পৃথিৱীৰ সকলোতে প্ৰয়োজনীয় সমৰ্থন আৰু সহায় আগবঢ়াবৰ বাবে এটা নেটৱৰ্ক প্ৰতিষ্ঠা কৰে.

দাবীৰ সেৱাবোৰে জৰুৰীভাৱে অন্তৰ্ভুক্ত কৰে :

a) ২৪*৭ ভিত্তিত দাবীৰ জাননীটো লিখা;
b) দাবীৰ ফৰ্ম আৰু প্ৰক্ৰিয়াটো প্ৰেৰণ কৰা;
c) ক্ষতিৰ ঠিক পিছতে কি কৰিব গ্ৰাহকক পথপ্ৰদৰ্শন কৰা;
d) চিকিৎসা আৰু বেমাৰৰ দাবীবোৰৰ বাবে নগদবিহীন সেৱাবোৰ প্ৰসাৰ কৰা;
e) প্ৰত্যাৱৰ্তন আৰু ত্যাগ, তৎকালীন অগ্ৰিমৰাশিৰ বাবে ব্যৱস্থা কৰা.

2. সহায়কাৰী কোম্পানীবোৰ – বিদেশৰ দাবীবোৰত ভূমিকা

সহায়ক কোম্পানীবোৰৰ নিজা কাৰ্য্যালয় থাকে আৰু পৃথিৱীৰ আন প্ৰান্তত থকা তেনেকুৱা অন্য যোগানধৰ্তাৰ সৈতে গোটবন্ধন কৰে. এই কোম্পানীবোৰে পলিচীটোৰ অধীনত সান্তাৱনাবোৰ সামৰিলোৱাৰ ক্ষেত্ৰত গ্ৰাহক সকললৈ সহায় আগবঢ়ায়.

দাবী পঞ্জীয়নৰ বাবে এই কোম্পানীবোৰে আন্তঃৰাষ্ট্ৰীয় মাচুল বিহীন নম্বৰ এটাৰ যোগেদি ২৪*৭ ক'ল চেন্টাৰ এটা পৰিচালনা কৰে. সিহঁতে লগতে নিম্নোক্ত সেৱাবোৰ আগবঢ়ায় আৰু সেৱাবোৰৰ মাচুলবোৰ বিশেষ বীমা কোম্পানীটোৰ সৈতে চুক্তিটো, মুনাফাবোৰ সামৰিলোৱা ইত্যাদিৰ ওপৰত নিৰ্ভৰ কৰি ভিন্ন হয়.

a) চিকিৎসাৰ সহায়ক সেৱাবোৰ:

   i. চিকিৎসা সেৱা যোগানধৰ্তাৰ উল্লখবোৰ
   ii. চিকিৎসালয়ত ভৰ্তিৰ ব্যৱস্থা
   iii. জৰুৰীকালীন চিকিৎসা শূন্য কৰাৰ ব্যৱস্থা
   iv. জৰুৰীকালীন চিকিৎসা প্ৰত্যাৱৰ্তনৰ ব্যৱস্থা
   v. নশ্বৰদেহ প্ৰত্যাৱৰ্তন
   vi. অনুকম্পামূলক দৰ্শনৰ ব্যৱস্থাবোৰ
   vii. নাবালক শিশুৰ সহায়ক/সহচৰ

b) চিকিৎসালয়ত ভৰ্তিৰ সময়ত আৰু পিছত চিকিৎসাৰ অৱস্থাটো নিৰীক্ষণ কৰা

c) প্ৰয়োজনীয় ঔষধ প্ৰদান কৰা

d) বীমা কোম্পানীৰ মঞ্জুৰি আৰু পলিচীটোৰ নিয়ম আৰু চৰ্ত সাপেক্ষে চিকিৎসালয়ত ভৰ্তিৰ সময়ত বহন কৰা চিকিৎসা ব্যয়ৰ আশ্বাস প্ৰদান.

e) যাত্ৰাৰ পূৰ্বৰ তথ্য সেৱাবোৰ আৰু অন্য সেৱাবোৰ:

   i. ভিছা আৰু ইনকুলেশ্বনৰ প্ৰয়োজনীয়তা
   ii. এম্বেছী সম্বন্ধীয় সেৱাবোৰ
   iii. হেৰুওৱা পাৰপত্ৰ আৰু হেৰুওৱা সামগ্ৰীৰ সহায়ক সেৱাবোৰ
   iv. জৰুৰীকালীন বাৰ্তা প্ৰেৰণ কৰা সেৱাবোৰ
   v. জামিন বণ্ডৰ ব্যৱস্থা
   vi. বিত্তীয় সংকটৰ সহায়ক

f) বাখ্যাকৰ্তাৰ উল্লেখ

g) আইনী উল্লেখ

h) আইনজ্ঞৰ সৈতে নিযুক্তি

3. নগদবিহীন চিকিৎসা ঘটনাবোৰৰ বাবে দাবীবোৰৰ পৰিচালনা

নগদবিহীন চিকিৎসাৰ ঘটনা, প্ৰতিপূৰ্তি চিকিৎসাৰ ঘটনা আৰু আন চিকিৎসাহীন ঘটনাবোৰৰ বাবে দাবীবোৰৰ পৰিচালনাৰ পদক্ষেপটো ভিন্ন. আকৌ, নগদবিহীন চিকিৎসা দাবীবোৰৰ পৰিচালনাটো আন দেশবোৰতকৈ US ত পৃথক. আমি এতিয়া স্তৰ অনুযায়ী অধ্যয়ন কৰিম

a) দাবীৰ জাননী

ক্ষতিটো সংগটিত হোৱাৰ লগে লগে ৰোগীজনক চিকিৎসালয়ত ভৰ্তি কৰা হয় আৰু ভৰ্তিৰ কাউন্টাৰত বীমাৰ পূংখানুপূংখ বিৱৰণবোৰ দেখুওৱা হয়. চিকিৎসালয় আৰু/বা ৰোগী বা আত্মীয়/বন্ধুবৰ্গৰ পৰা সহায়ক কোম্পানীয়ে এটা নতুন ঘটনাৰ জাননী লাভ কৰে. দাবীৰ প্ৰক্ৰিয়াটো তেতিয়া দাবীকৰ্তাক আগত বৰ্ণনা কৰা হয়.

b) ঘটনা পৰিচালনাৰ স্তৰবোৰ :

কোম্পানী সাপেক্ষে এইবোৰ বেলেগ বেলেগ হয়, সাধাৰণ স্তৰবোৰ তলত উল্লেখ কৰা হল:

i. সহায়ক কোম্পানীৰ ঘটনা পৰিচালকে মুনাফাবোৰ, বীমাৰ নগদ পৰিমাণ, পলিচীৰ সময়সীমা, পলিচী ধাৰকৰ নাম ইত্যাদি প্ৰমাণিত কৰে.

ii. ৰোগীৰ চিকিৎসা অৱস্থাৰ আপডেট, বিলৰ তথ্য, ধাৰ্য্য কৰা মূল্য ইত্যাদিৰ বাবে ৰোগ-বিষয়ক / চিকিৎসা টোকা আহৰণ কৰিবলৈ ঘটনাৰ পৰিচালক চিকিৎসালয়ৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি চলে. সহায়ক কোম্পানীয়ে ৰোগ-বিষয়ক টোকা আৰু চিকিৎসা মূল্যৰ ধাৰ্য্যটো লাভ কৰে আৰু বীমাকাৰীলৈ আপডেট এটা প্ৰেৰণ কৰে.

iii. দাবীটোৰ গ্ৰাহ্যতা নিৰ্ধাৰণ কৰা হয় আৰু বীমা কোম্পানীৰ অনুমোদন সাপেক্ষে চিকিৎসালয়ক পৰিশোধৰ আশ্বাস প্ৰদান কৰা হয়.

iv. দৃশ্যপট এটা থাকিব পাৰে যত ভাৰতবৰ্ষত (বীমাকৰ্তাৰ স্থানীয় ঠাই) আৰু/বা ক্ষতিৰ স্থানত অনুসন্ধানৰ প্ৰয়োজন হব পাৰে. ব্যক্তিগত দূৰ্ঘটনাৰ দাবীবোৰৰ খণ্ডত উল্লেখ কৰাৰ দৰে অনুসন্ধানৰ প্ৰক্ৰিয়াটো একে. বীমা কোম্পানীৰ প্ৰত্যক্ষ যোগাযোগৰ জৰিয়তে বা সহায়ক কোম্পানীৰ সহায়ৰ সৈতে বিদেশৰ অনুসন্ধানকৰ্তাক নিৰ্বাচন কৰা হয়.

v. চিকিৎসা অব্যাহত ৰাখিবৰ বাবে কৰ্তৃত্ব লাভৰ ক্ষেত্ৰত বীমাকাৰীক ৰোগ-বিষয়ক আৰু মূল্যৰ আপডেট, উন্নতিৰ টোকা ইত্যাদি আগবঢ়াবলৈ সহায়ক কোম্পানীৰ ঘটনাৰ পৰিচালকে ঘটনাটো দৈনিক নিৰীক্ষণ কৰে.

vi. এবাৰ ৰোগীজনক অব্যাহতি দিয়াৰ পিছত চূড়ান্ত মাচুলবোৰ নিশ্চিত কৰিবলৈ ঘটনাৰ পৰিচালকে কোঠৰ পৰিশ্ৰম কৰে.

vii. সহায়ক কোম্পানীয়ে নিশ্চয়তা প্ৰদান কৰে যে বিলখন সঠিকভাৱে নিৰীক্ষণ, পৰীক্ষা আৰু গণনা কৰা হৈছে. কিবা ভুল বিচাৰি পালে চিকিৎসালয়ৰ বিল বিভাগক সংশোধনৰ বাবে জনোৱা হয়.

viii. যোগানধৰ্তা আৰু সহায়ক কোম্পানীৰ বা ইয়াৰ পুনৰ মূল্য নিৰূপণ কৰা এজেন্টৰ মাজত হোৱা সন্মতিৰ হাৰটো অনুযায়ী চূড়ান্ত বিলখন তেতিয়া পুনৰ নিৰূপণ কৰা হয়. চিকিৎসালয়ক প্ৰদান কৰা আগতীয়া পৰিশোধৰ আশ্বাসটোত পুনৰ মূল্যৰ নিৰূপণৰ জৰিয়তে উপযুক্ত ৰেহাই লাভ কৰাটো সম্ভৱ.

পুনৰ মূল্য নিৰ্ধাৰণটো হল সাধাৰণতে US স্বাস্থ্য যতনৰ বৈশিষ্ট্য, এইটো US ৰ বাহিৰৰ ঘটনাবোৰৰ বাবে প্ৰযোজ্য নহয়. এইটো হল US আৰু US ৰ বাহিৰৰ নগদবিহীন চিকিৎসা ঘটনাৰ মাজৰ মুখ্য পাৰ্থক্য.

c) দাবীবোৰ প্ৰক্ৰিয়া কৰা পদক্ষেপবোৰ:

i. দাবী নিৰ্ধাৰকে পুনৰ মূল্য-নিৰ্ধাৰিত/প্ৰকৃত বিলখন লাভ কৰে, প্ৰমাণিত কৰে আৰু নিশ্চিত কৰে যে সামৰিলোৱাটো প্ৰদান কৰা সেৱা আৰু চিকিৎসাৰ তাৰিখবোৰৰ বাবে আছিল. মাচুলবোৰ পোনপটীয়াকৈ থকাটো আৰু চিকিৎসাৰ প্ৰটকল অনুযায়ী হোৱাটো নিশ্চিত কৰিবলৈ সহায়ক কোম্পানীয়ে লাভ কৰা বিলখন দাবীবোৰৰ বিভাগটোৰ দ্বাৰা পৰীক্ষা কৰা হয়. ৰেহাইটো পুনৰ নিশ্চিত কৰা হয় আৰু বিলখন প্ৰক্ৰিয়া কৰা হয়.

ii. পুনৰ মূল্য নিৰ্ধাৰণৰ জাননী পত্ৰ আৰু মুনাফাবোৰৰ বাখ্যাবোৰৰ (EOB) সৈতে পৰিশোধৰ বাবে বিলখন তেতিয়া বীমাকাৰীলৈ প্ৰেৰণ কৰা হয়.

iii. বীমা কোম্পানীয়ে বিলখন লাভ কৰে আৰু সহায়ক কোম্পানীক তাৎক্ষণিক পৰিশোধৰ কৰ্তৃত্ব প্ৰদান কৰে.

d) দাবী প্ৰক্ৰিয়াৰ স্তৰবোৰ :

i. স্থানীয় কাৰ্য্যালয়ৰ যোগেদি চিকিৎসালয়লৈ পৰিশোধটো মুকলি কৰি দিবলৈ সহায়ক কোম্পানীয়ে বীমাকাৰী পৰা কৰ্তৃত্ব লাভ কৰে.

ii. বিত্ত বিভাগে পৰিশোধটো মুকলি কৰি দিয়ে

e) চিকিৎসালয়ত ভৰ্তিৰ প্ৰক্ৰিয়াবোৰ

i. বিদেশী ৰাষ্ট্ৰবোৰত প্ৰণালীটো, বিশেষকৈ US আৰু ইউৰোপত ভাৰতীয় চিকিৎসালয়তকৈ সম্পূৰ্ণ পৃথক, যিহেতু অধিকাংশ ব্যক্তিৰ হয়তো ব্যক্তিগত বীমা বা চৰকাৰী আঁচনিবোৰৰ জৰিয়তে সাৰ্বজনীন স্বাস্থ্য সামৰিলোৱা আছে. এবাৰ বীমাকৰ্তাই সিহঁতক বৈধ স্বাস্থ্য বা বিদেশ ভ্ৰমণৰ বীমা পলিচী এটা আগবঢ়োৱাৰ পিছত অধিকাংশ চিকিৎসালয়ে সকলোবোৰ আন্তৰাষ্ট্ৰীয় বীমা কোম্পানীৰ পৰা পৰিশোধৰ আশ্বাস গ্ৰহণ কৰে.

অধিকাংশ দেশতে বীমাৰ সামৰিলোৱা বা নগদ জমা বিচাৰি চিকিৎসাটোত বিলম্ব কৰা নহয়.

চিকিৎসালয়বোৰে তৎক্ষণাত চিকিৎসা আৰম্ভ কৰে. যদি বীমাৰ সামৰিলোৱা আছে বীমা পলিচীয়ে পৰিশোধ কৰিব বা ৰোগীৰ আত্মীয়ই পৰিশোধ কৰিব লাগিব. চিকিৎসালয়বোৰে বৰ্ধিত মাচুল আৰোপ কৰে যিহেতু পৰিশোধবোৰত বিলম্ব কৰা হয়.

যদি পৰিশোধটো তৎক্ষণাত কৰা হয়, তেন্তে তাৎক্ষণিক পৰিশোধৰ বাবে চিকিৎসালয়বোৰে উচ্চ ৰেহাই আগবঢ়ায়. ৰেহাইৰ বাবে চিকিৎসালয় বিলবোৰৰ আগতীয়া নিষ্পত্তি কৰিবলৈ পুনৰ মূল্য-নিৰূপণ কৰা এজেন্সীবোৰে সাধাৰণতে চিকিৎসালয়বোৰৰ সৈতে বুজাবুজি কৰে.

ii. সহায়ক কোম্পানীবোৰে প্ৰদান কৰা মাচুলবিহীন নম্বৰটোত নেটৱৰ্ক চিকিৎসালয়বোৰ প্ৰসংগত তথ্য আৰু প্ৰক্ৰিয়াবোৰ বীমাকৰ্তালৈ উপলব্ধ.

iii. চিকিৎসালয় এখনৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত বীমাকৰ্তাই সেইটো ক'ল চেন্টাৰক জনাব লাগে আৰু বৈধ ভ্ৰমণ বীমা পলিচীটোৰ সৈতে নিৰ্ধাৰিত চিকিৎসালয় এখনলৈ যাব লাগে.

iv. পলিচীটোৰ বৈধতা পৰীক্ষা কৰিবলৈ আৰু সামৰিলোৱাবোৰ প্ৰমাণিত কৰিবলৈ চিকিৎসালয়বোৰে সাধাৰণতে ক'ল চেন্টাৰৰ নম্বৰবোৰত সহায়ক কোম্পানী/বীমাকাৰীবোৰৰ লগত যোগাযোগ কৰে.

v. চিকিৎসালয়খনৰ দ্বাৰা এবাৰ পলিচীটো গ্ৰহণ কৰাৰ পিছত বীমাকৰ্তাই চিকিৎসালয়খনত নগদবিহীনভাৱে চিকিৎসাধীন হব পাৰে.

vi. গ্ৰাহ্যতা নিৰ্ধাৰণ কৰিবলৈ বীমাকাৰী/সহায়ক যোগানধৰ্তাই দাবী কৰা কিছুমান সাধাৰণ তথ্য হল

1. বেমাৰৰ পূংখানুপূংখ বিৱৰণবোৰ
2. যিকোনো আগৰ ইতিহাস, চিকিৎসালয়ৰ বিৱৰণ, ভাৰতবৰ্ষৰ স্থানীয় চিকিৎসা বিষয়া আদিৰ ক্ষেত্ৰত:
   - ✓ অতীতৰ ইতিহাস, চলিত চিকিৎসা আৰু পিছলৈ চিকিৎসালয়ত ভৰ্তিৰ পৰিকল্পনা কৰা আৰু তাৎক্ষণিক প্ৰেৰণৰ অনুৰোধ কৰা
   - ✓ উপস্থিত থকা চিকিৎসকৰ উক্তিৰ সৈতে দাবীৰ ফৰ্ম
   - ✓ পাৰপত্ৰৰ প্ৰতিলিপি
   - ✓ চিকিৎসা তথ্য ফৰ্মৰ মুক্তি

f) চিকিৎসা ব্যয় আৰু অন্য চিকিৎসাহীন দাবীবোৰৰ প্ৰতিপূৰ্তি:

তেওঁলোকে ভাৰতলৈ উভতি অহাৰ পিছত প্ৰতিপূৰ্তিৰ দাবীবোৰ সাধাৰণতে বীমাকৰ্তাৰ দ্বাৰা পূৰ কৰা হয়. দাবীৰ কাগজবোৰ লাভ কৰাৰ লগে লগে সচৰাচৰ প্ৰক্ৰিয়াৰ দৰে দাবীটো প্ৰক্ৰিয়া কৰা হয়. সকলোবোৰ গ্ৰাহ্য দাবীৰ বাবে পৰিশোধবোৰ ভাৰতীয় টকাত (INR) কৰা হয়, নগদবিহীন দাবীবোৰৰ ক্ষেত্ৰত বিদেশী মুদ্ৰাত পৰিশোধটো কৰা হয়.

প্ৰতিপূৰ্তিৰ দাবীবোৰ প্ৰক্ৰিয়া কৰোতে, INR ত দায়িত্বৰ পৰিমাণটোত ক্ষতিৰ তাৰিখটো উপস্থিত হোৱাৰ দৰে মুদ্ৰা ৰূপান্তৰৰ হাৰটো প্ৰয়োগ কৰা হয়. তেতিয়া পৰিশোধটো চেক বা ইলেক্ট্ৰনিক স্থানান্তৰৰ যোগেদি কৰা হয়.

i. ব্যক্তিগত দূৰ্ঘটনাৰ দাবীবোৰৰ খণ্ডত বাখ্যা কৰাৰ দৰে একেধৰণে ব্যক্তিগত দূৰ্ঘটনাৰ দাবীবোৰ প্ৰক্ৰিয়া কৰা হয়.

ii. জামিন বণ্ড ঘটনাবোৰ আৰু বিত্তীয় জৰুৰীকালীন ঘটনাবোৰ সহায়ক কোম্পানীয়ে আগতে পৰিশোধ কৰে আৰু পিছত বীমা কোম্পানীৰ পৰা দাবী কৰে.

iii. অসমৰ্থনীয় দাবীবোৰৰ অগ্ৰাহ্যটোৱে আন সকলোবোৰ দাবীৰ দৰে একে প্ৰক্ৰিয়া অনুসৰণ কৰে.

g) চিকিৎসাজনিত দূৰ্ঘটনা আৰু ৰোগৰ ব্যয়বোৰৰ বাবে দাবীৰ নথি-প্ৰস্তুত

i. দাবীৰ ফৰ্ম

ii. চিকিৎসকৰ ৰিপোৰ্ট

iii. আচল ভৰ্তি/অব্যাহতিৰ পত্ৰ

iv. আচল বিলবোৰ/ৰছিদবোৰ/প্ৰচক্ৰিপশ্বন

v. আচল এক্স-ৰে ৰিপোৰ্টবোৰ/ পেথোলজিকেল/ অনুসন্ধানৰ ৰিপোৰ্টবোৰ

vi. প্ৰৱেশ আৰু প্ৰস্থান মোহৰৰ সৈতে পাৰপত্ৰ/ভিছাৰ প্ৰতিলিপি

ওপৰৰ তালিকাখন কেৱল পৰিচায়ক. বিশেষ বীমাকাৰীয়ে অনুসৰণ কৰা দাবী নিষ্পত্তিৰ নীতি/প্ৰক্ৰিয়াৰ ওপৰত নিৰ্ভৰ কৰি বা বিশেষ ঘটনাৰ বিৱৰণৰ ওপৰত ভিত্তি কৰি অতিৰিক্ত তথ্য/নথিৰ প্ৰয়োজন হব পাৰে.

নিজক পৰীক্ষা কৰক 5

_____ সহায়ক বীমা কোম্পানীয়ে আগতে পৰিশোধ কৰে আৰু পিছত বীমা কোম্পানীৰ পৰা দাবী কৰে.

I. জামিন বণ্ড ঘটনাবোৰ

II. ব্যক্তিগত দূৰ্ঘটনাৰ দাবীবোৰ

III. বিদেশ ভ্ৰমণ বীমাৰ দাবীবোৰ

IV. অসমৰ্থনীয় দাবীবোৰ

সাৰাংশ

a) বীমাটো হল এটা 'প্ৰতিশ্ৰুতি' আৰু পলিচী হল উক্ত প্ৰতিশ্ৰুতিৰ এটা 'সাক্ষী'. বীমা কৰা ঘটনা এটা সংগটিত হোৱাটোৱে পলিচীটোৰ অধীনত দাবী এটা তৈয়াৰ কৰাটো হল উক্ত প্ৰতিশ্ৰুতিটোৰ সঁচা পৰীক্ষা.

b) বীমাৰ এটা মুখ্য ক্ৰমৰ মানদণ্ড হল কোম্পানীটোৰ দাবী পৰিশোধৰ দক্ষতা.

c) গ্ৰাহকবোৰ, যিয়ে বীমা কিনে তেওঁলোক প্ৰাথমিক ষ্টেকধাৰক একেদৰে দাবীটোৰ প্ৰাপক.

d) নগদবিহীন দাবীবোৰৰ ক্ষেত্ৰত বীমাকাৰী/TPA ৰ আগতীয়া অনুমোদন এটাৰ ভিত্তিত নেটৱৰ্ক চিকিৎসালয় এখনে চিকিৎসা সেৱাবোৰ আগবঢ়ায় আৰু পিছত দাবীটো নিষ্পত্তিৰ বাবে নথিবোৰ জমা দিয়ে.

e) ক্ষতিপূৰণৰ দাবীৰ ক্ষেত্ৰত, গ্ৰাহকে নিজৰ ফালৰ পৰা চিকিৎসালয়খনক পৰিশোধ কৰে আৰু পিছত পৰিশোধৰ বাবে বীমাকাৰী/TPA ওচৰত দাবীটো উত্থাপন কৰে.

f) দাবীৰ জাননীটো হল গ্ৰাহক আৰু দাবীবোৰৰ দলটোৰ মাজত হোৱা যোগাযোগৰ প্ৰথম দৃষ্টান্ত.

g) বীমাৰ দাবী এটাৰ ক্ষেত্ৰত বীমাকাৰীয়ে যদি প্ৰৱঞ্চনা এটাৰ সন্দেহ কৰে, তেন্তে এইটো অনুসন্ধানৰ বাবে প্ৰেৰণ কৰা হয়. দাবী এটাৰ অনুসন্ধানটো বীমাকাৰী / TPA য়ে ঘৰত বহি কৰিব পাৰে বা এটা পেছাদাবী অনুসন্ধান এজেন্সীক অৰ্পণ কৰিব পাৰে.

h) সংৰক্ষণটোৱে দাবীবোৰৰ অৱস্থাটোৰ ওপৰত ভিত্তি কৰি বীমাকাৰীৰ বহীবোৰত সকলোবোৰ দাবীৰ বাবে প্ৰস্তুত কৰা সংৰক্ষণৰ পৰিমাণটো বুজায়.

i) অগ্ৰাহ্যৰ ক্ষেত্ৰত, বীমাকাৰীলৈ উপস্থাপন কৰাৰ উপৰিও গ্ৰাহকৰ বীমাৰ লোকপাল বা উপভোক্তা ফৰাম বা আইনী কৰ্তৃপক্ষৰ ওচৰ চপাৰ বিকল্প থাকে.

j) প্ৰধানত চিকিৎসালয়ত ভৰ্তিৰ ক্ষতিপূৰণ পলিচীবোৰত প্ৰৱঞ্চনাৰ উদ্ভৱ হয় কিন্তু লগতে প্ৰৱঞ্চনাৰ দাবীবোৰ প্ৰস্তুত কৰিবলৈ ব্যক্তিগত দূৰ্ঘটনা পলিচীবোৰও ব্যৱহাৰ কৰা হয়.

k) বীমাকাৰীলৈ TPA য়ে বহুতো গুৰুত্বপূৰ্ণ সেৱা আগবঢ়ায় আৰু মাচুলবোৰ ৰূপত পাৰিশ্ৰমিক লাভ কৰে.

নিজক পৰীক্ষা কৰা প্ৰশ্নবোৰ

প্ৰশ্ন 1

বীমাৰ দাবী প্ৰক্ৰিয়াত তলৰ কোনটোক প্ৰাথমিক ষ্টেকধাৰক হিচাপে বিবেচনা কৰা হয়?

I. গ্ৰাহকবোৰ

II. গৰাকীবোৰ

III. আণ্ডাৰৰাইটাৰবোৰ

IV. বীমাৰ এজেন্টবোৰ/ব্ৰকাৰবোৰ

প্ৰশ্ন 2

গিৰীশ ছাক্সেনাৰ বীমাৰ দাবীটো বীমা কোম্পানীয়ে অগ্ৰাহ্য কৰিছিল. অগ্ৰাহ্য এটাৰ ক্ষেত্ৰত, গিৰীশ ছাক্সেনাৰ হাতত থকা বিকল্পটো কি হব, বীমাকাৰীলৈ প্ৰদৰ্শ কৰাৰ উপৰিও?

I. চৰকাৰৰ কাষ চপা

II. আইনী কৰ্তৃপক্ষৰ কাষ চপা

III. বীমাৰ এজেন্টৰ কাষ চপা

IV. অগ্ৰাহ্যৰ ক্ষেত্ৰত একো কৰিব নালাগে

প্ৰশ্ন 3

ৰাজীৱ মেহটোৰ দ্বাৰা উত্থাপন কৰা স্বাস্থ্য বীমাৰ দাবী এটাৰ অনুসন্ধানৰ সময়ত বীমা কোম্পানীয়ে বিচাৰি পালে যে ৰাজীৱ মেহটোৰ পৰিৱৰ্তে তেওঁৰ ভাতৃ ৰাজেশ মেহটোক চিকিৎসাৰ বাবে চিকিৎসালয়ত ভৰ্তি কৰা হৈছে. ৰাজীৱ মেহটোৰ পলিচীটো এটা পৰিয়াল ফ্লটাৰ পৰিকল্পনা নাছিল. এইটো হল _____ প্ৰৱঞ্চনাৰ এটা উদাহৰণ.

I. ৰূপধাৰণ

II. নথিবোৰ মনে সজা

III. ব্যয়বোৰ অতিৰঞ্জিতক কৰা

IV. বাহিৰা ৰোগীৰ চিকিৎসাটো ভৰ্তি হোৱা ৰোগী / চিকিৎসালয়ত ভৰ্তি হোৱালৈ ৰূপান্তৰ কৰা

প্ৰশ্ন 4

তলৰ কোনটো চৰ্তৰ অধীনত, স্বাস্থ্য পলিচী এটাত আবাসীয় চিকিৎসালয়ত ভৰ্তিটো সামৰিলোৱা হয়?

I. ৰোগীজনৰ অৱস্থা এনেকুৱা হয় যে তেওঁ/তেখেতক চিকিৎসালয়/নাৰ্ছিং হমলৈ স্থানান্তৰ কৰিব নোৱাৰি, কিন্তু নকৰিবলৈ পৰামৰ্শ কৰা হয়

II. ৰোগীজনক ঠাইৰ অভাৱৰ বাবে চিকিৎসালয়/নাৰ্ছিং হমলৈ স্থানান্তৰ কৰিব নোৱাৰিলে

III. চিকিৎসাটো কেৱল চিকিৎসালয়/নাৰ্ছিং হমত কৰিলে

IV. চিকিৎসালয়ত ভৰ্তিৰ সময়সীমাটোৱে ২৪ ঘন্টাত অতিক্ৰম কৰিলে

প্ৰশ্ন 5

ৰোগটো চিকিৎসা কৰিবলৈ তলৰ কোনটো কোডে সম্পাদন কৰা পদ্ধতিবোৰ সামৰিলয়?

I. ICD

II. DCI

III. CPT

IV. PCT

নিজক পৰীক্ষা কৰা প্ৰশ্নবোৰৰ উত্তৰ

উত্তৰ 1

শুদ্ধ বিকল্পটো হল I.

গ্ৰাহকবোৰ হল বীমাৰ দাবী প্ৰক্ৰিয়াত প্ৰাথমিক ষ্টেকধাৰক

উত্তৰ 2

শুদ্ধ বিকল্পটো হল II.

বীমাৰ দাবীৰ অগ্ৰাহ্যৰ ক্ষেত্ৰত, ব্যক্তি এজনে আইনী কৰ্তৃপক্ষৰ কাষ চাপিব পাৰে.

উত্তৰ 3

শুদ্ধ বিকল্পটো হল I.

এইটো হল ৰূপধাৰণৰ এটা উদাহৰণ, যিহেতু বীমাকৃত ব্যক্তিজন চিকিৎসা কৰা ব্যক্তিজনৰ পৰা পৃথক.

উত্তৰ 4

শুদ্ধ বিকল্পটো হল II.

স্বাস্থ্য বীমা পলিচীত আবাসীয় চিকিৎসা আগবঢ়োৱা হয়, যেতিয়া কেৱল ৰোগীজনক ঠাইৰ অভাৱৰ বাবে চিকিৎসালয়/নাৰ্ছিং হমলৈ স্থানান্তৰ কৰিব নোৱাৰি.

উত্তৰ 5

শুদ্ধ বিকল্পটো হল III.

ৰোগটো চিকিৎসা কৰিবলৈ চলিত পদ্ধতি টাৰ্মিনোলোজি (CPT) কোডবোৰে সম্পাদন কৰা পদ্ধতিবোৰ সামৰিলয়.

SECTION 4
GENERAL INSURANCE

অধ্যায় 22
বীমাৰ নীতিবোৰ

পাঠ পৰিচয়

এই পাঠটোত, আমি বীমাৰ কাৰ্যটো নিয়ন্ত্ৰণ কৰা প্ৰাথমিক নীতিবোৰৰ বিষয়ে জানিম. পাঠটো দুটা খণ্ডত বিভক্ত কৰা হৈছে. প্ৰথম খণ্ডটো বীমাৰ উপাদানবোৰৰ সৈতে জড়িত আৰু দ্বিতীয় খণ্ডটো বীমা চুক্তি এটাৰ বিশেষ বৈশিষ্ট্যবোৰৰ সৈতে জড়িত.

পাঠটোৰ পৰা শিকিবলগীয়াবোৰ

A. বীমাৰ উপাদানবোৰ
B. বীমাৰ চুক্তি – আইনী দিশবোৰ
C. বীমাৰ চুক্তি – বিশেষ বৈশিষ্ট্যবোৰ

এই পাঠটো পঢ়াৰ পিছত আপুনি নিম্নোক্তবোৰ কৰিবলৈ সক্ষম হব:

1. বীমাৰ বিভিন্ন উপাদানবোৰ ব্যাখ্যা কৰিবলৈ
2. বীমা চুক্তি এটাৰ বৈশিষ্ট্যবোৰ ব্যাখ্যা কৰিবলৈ
3. বীমা চুক্তি এটাৰ বিশেষ বৈশিষ্ট্যবোৰ চিনাক্ত কৰিবলৈ

A. বীমাৰ উপাদানবোৰ

আমি দেখিছো যে বীমা প্ৰক্ৰিয়াটোৰ চাৰিটা উপাদান আছে

- ✓ সম্পত্তি
- ✓ ৰিস্ক
- ✓ ৰিস্ক পুলিং
- ✓ বীমাৰ চুক্তি

আমি এতিয়া বীমা প্ৰক্ৰিয়াৰ বিভিন্ন উপাদানবোৰৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰো আহক.

1. **সম্পত্তি**

সংজ্ঞা

সম্পত্তি এটা 'যিকোনো বস্তু যিয়ে কিছু মুনাফা আৰু ইয়াৰ গৰাকীক এটা আৰ্থিক মূল্য প্ৰদান কৰে' হিচাপে ব্যাখ্যা কৰিব পাৰি.

সম্পত্তি এটাৰ নিম্নোক্ত বৈশিষ্ট্যবোৰ থাকিব পাৰে:

a) আৰ্থিক মূল্য

সম্পত্তি এটাৰ আৰ্থিক মূল্য থকাটো অপৰিহাৰ্য. মূল্যটো দুই ধৰণে আহিব পাৰে.

a) আয়ৰ সৃষ্টি: সম্পত্তি এটাই উত্পাদন আৰু আয়ৰ সৃষ্টি কৰিব পাৰে.

উদাহৰণ

বিস্কুট তৈয়াৰ কৰা এটা মেচিন, বা গাখীৰ দিয়া এটা গাই গৰু, উভয়ে সিহঁতৰ গৰাকীৰ বাবে আয়ৰ সৃষ্টি কৰে. এজন স্বাস্থ্যৱান কৰ্মী হল সংস্থা এটাৰ সম্পত্তি.

b) প্ৰয়োজনবোৰ আগবঢ়োৱা: ব্যক্তি এজন বা গোট এটাৰ প্ৰয়োজনবোৰ পূৰ কৰাৰ দ্বাৰাও সম্পত্তি এটাৰ মূল্য বাঢ়িব পাৰে.

উদাহৰণ

শীতলীকৰণ-যন্ত্ৰ এটাই খাদ্য শীতল আৰু সংৰক্ষণ কৰি ৰাখে, সেইদৰে গাড়ী এখনে পৰিবহন আৰাম আৰু সহজ কৰি তোলে, একেদৰে ৰোগমুক্ত শৰীৰ এটাই নিজৰ আৰু লগতে পৰিয়ালৰ বাবে মূল্য বহন কৰে.

b) অভাৱ আৰু উত্তৰাধিকাৰী

বতাহ আৰু সূৰ্য্যৰ কিৰণৰ বাবে কি কব? সেইবোৰ সম্পত্তি নহয় নেকি?

উত্তৰটো হল 'নহয়'.

দৰাচলতে, বতাহ আৰু সূৰ্য্যৰ কিৰণৰ দৰে কিছুমান বস্তু মূল্যৱান. আমি সেইবোৰ অবিহনে জীয়াই থাকিব নোৱাৰো. সিহঁতক অৰ্থনীতিৰ ফালৰ পৰা এতিয়াও সম্পত্তি হিচাপে বিবেচনা কৰা হোৱা নাই.

এইটোৰ বাবে দুটা কাৰণ আছে:

- ✓ সিহঁতৰ যোগান প্ৰচুৰ আৰু অভাৱ নাই.
- ✓ সিহঁত কোনো ব্যক্তিৰ মালিকাধীন নহয় কিন্তু বিনামূলীয়াকৈ সকলোৰে বাবে উপলব্ধ.

এইটোৱে বুজায় যে সম্পত্তি এটাই তেনেকুৱা যোগ্যতা পাবলৈ আৰু দুটা চৰ্ত পূৰণ কৰাটো অপৰিহাৰ্য – ইয়াৰ অভাৱ আৰু ইয়াৰ উত্তৰাধিকাৰী বা কোনোবাই অধিকাৰ কৰা.

c) সম্পত্তিবোৰৰ বীমা

বীমাৰ ক্ষেত্ৰত আমি অপ্ৰত্যাশিত আৰু আকস্মিক ঘটনাবোৰৰ পৰা উদ্ভৱ হব পৰা আৰ্থিক ক্ষতিবোৰত গুৰুত্ব দিও, স্বাভাৱিকভাৱে ভাঙি-চিঙি যোৱাৰ ফলত উদ্ভৱ হোৱা ক্ষতিবোৰৰ বাবে নিদিও. **বীমাই কেৱল অপ্ৰত্যাশিত ঘটনাবোৰৰ পৰা উদ্ভৱ হব পৰা বিত্তীয় ক্ষতিবোৰৰ বিৰুদ্ধে নিৰাপত্তা আগবঢ়ায় আৰু যুগ যুগ ধৰি ব্যৱহাৰ কৰি অহাৰ ফলত স্বাভাৱিকভাৱে ভাঙি-চিঙি যোৱা সম্পত্তিবোৰৰ বাবে নিৰাপত্তা প্ৰদান নকৰে.**

আমি মন কৰাটো অপৰিহাৰ্য যে বীমাই সম্পত্তি এটাক ক্ষতি বা নষ্ট হোৱাৰ পৰা ৰক্ষা কৰিব নোৱাৰে. বীমা থাকক বাব নাথাকক ভূমিকম্পই ঘৰ এটা ধ্বংস কৰিবই. বীমাকাৰীয়ে কেৱল নগদ ধন এটা পৰিশোধ কৰিব পাৰে, যিয়ে ক্ষতিৰ আৰ্থিক প্ৰভাৱটো হ্ৰাস কৰিব পাৰে

চুক্তি এটা উলংঘনৰ ক্ষেত্ৰত ক্ষতিৰ উদ্ভৱ হব পাৰে.

উত্তৰ

ৰপ্তানিকৰ্তা এজনে বৃহত ক্ষতিৰ সন্মুখীন হব পাৰে যদি আমদানিকৰ্তাই সামগ্ৰীবোৰ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে বা পৰিশোধবোৰ ঠিকমতে নকৰে.

d) জীৱন বীমা

আমাৰ জীৱনবোৰৰ বিষয়ে কি কয়?

দৰাচলতে আমাৰ নিজৰ আৰু আত্মীয়বোৰৰ জীৱনতকৈ মূল্যৱান একো নাই. দুৰ্ঘটনা এটা বা ৰোগ এটাত আক্ৰান্ত হোৱাৰ ফলত আমাৰ জীৱনবোৰ গুৰুতৰভাৱে ক্ষতিগ্ৰস্ত হব পাৰে.

এইটোৱে দুই ধৰণে প্ৰভাৱ বিস্তাৰ কৰিব পাৰে:

- ✓ প্ৰথমে এটা বিশেষ বেমাৰৰ বাবে চিকিত্সাৰ খৰচ বহন কৰিবলগীয়া হয়.
- ✓ দ্বিতীয়তে মৃত্যু আৰু অক্ষমতা দুয়োটাৰ বাবে আৰ্থিক উপাৰ্জনবোৰৰ ক্ষতি হব পাৰে.

এইধৰণৰ ক্ষতিবোৰ ব্যক্তিৰ বীমাবোৰে বা বীমাৰ ব্যক্তিগত শাৰীবোৰে সামৰি লয়.

বীমা যিকোনো ব্যক্তিৰ বাবে সম্ভৱ যাৰ মূল্যৱান সম্পত্তি আছে [তাৰমানে হল যিয়ে আয়ৰ সৃষ্টি কৰে বা কিছুমান প্ৰয়োজন পূৰ কৰে]; যাৰ ক্ষতিটোৱে [আকস্মিক আৰু দুৰ্ঘটনামূলক ঘটনাবোৰৰ বাবে] আৰ্থিক ক্ষতিৰ সৃষ্টি কৰিব পাৰে [যাক ধনেৰে জোখা হয়].

এইদৰে এই সম্পত্তিবোৰক সাধাৰণতে বীমা বিশিষ্টত বীমাৰ বিষয়বস্তু হিচাপে গণ্য কৰা হয়.

2. **ৰিস্ক**

বীমাৰ প্ৰক্ৰিয়াটোত থকা দ্বিতীয় উপাদানটো হল ৰিস্কৰ ধাৰণা. আমি ৰিস্কক ক্ষতিৰ সম্ভাৱনা এটা হিচাপে ব্যাখ্যা কৰিব পাৰো. এইদৰে ৰিস্কে ঘটনা এটা সংগটিত হোৱাৰ ফলত উদ্ভৱ হব পৰা সাম্ভাব্য ক্ষতি বা নষ্টটোক বুজায়. আমি দৰাচলতে আমাৰ ঘৰটো অগ্নিকাণ্ডত জাহ যোৱাটো বা আমাৰ গাড়ীখন দূৰ্ঘটনাত পতিত হোৱাটো কামনা নকৰো. তথাপি এইটো হব পাৰে.

ৰিস্কৰ উদাহৰণবোৰ হল ঘৰ এটা জুইত জাহ যোৱাৰ ফলত উদ্ভৱ হব পৰা আৰ্থিক ক্ষতি বা চুৰিকাণ্ড বা এটা দুৰ্ঘটনা যাৰ ফলত ভৰি এখন হেৰুৱাব লগা হয়.

ইয়াৰ পৰা দুটা কথা অনুমান কৰিব পাৰি.

i. **প্ৰথমে,** এইটোৱে বুজায় যে ক্ষতিটো হবও পাৰে নহবও পাৰে. ক্ষতিৰ সম্ভাৱনাটো গাণিতিকভাৱে প্ৰকাশ কৰিব পাৰি.

উদাহৰণ

ঘৰ এটাত জুই লগাৰ সম্ভাৱনা হাজাৰৰ ভিতৰত এটা হলে = ১/১০০০ = ০.০০১.

ৰামৰ হৃদক্ৰিয়া বন্ধ হোৱাৰ সম্ভাৱনা হাজাৰৰ ভিতৰত এটা হলে = ৩/১০০০ = ০.০০৩

ৰিস্কে সদায় সম্ভাৱনা এটাক বুজায়. ইয়াৰ মানটো সদায় ০ আৰু ১ ৰ মাজত থাকে, যত ০ ই ক্ষতিৰ উদ্ভৱ নোহোৱাটো নিশ্চিত কৰে একেদৰে ১ য়ে ক্ষতিৰ উদ্ভৱ হোৱাটো নিশ্চিত কৰে.

ii. **দ্বিতীয়তে,** ঘটনাটো, যাৰ ফলত ক্ষতি সাধন হয়, সংকট বুলি কোৱা হয়. এইটো হল ক্ষতিৰ এটা কাৰণ.

উদাহৰণ

সংকটৰ উদাহৰণবোৰ হল অগ্নিকাণ্ড, ভূমিকম্প, বানপানী, বিজুলী, চুৰি, হৃদক্ৰিয়া বিকল হোৱা ইত্যাদি.

স্বাভাৱিকভাৱে ভাঙি-চিঙি যোৱাৰ বিষয়ে কি কয় ?

এইটো সঁচা যে চিৰদিনলৈ একো ভালে নাথাকে. প্ৰত্যেক সম্পত্তিৰে এটা নিৰ্দিষ্ট সময়সীমা আছে যিসময়ত ই কাৰ্য্যক্ষম হৈ থাকে আৰু মুনাফাৰ সৃষ্টি কৰে.

ভৱিষ্যতৰ কিছুমান তাৰিখত ইয়াৰ মূল্য শূন্য হৈ পৰে. এইটো হল স্বাভাৱিক প্ৰক্ৰিয়া আৰু আমি আমাৰ মবাইল, কাপোৰধোৱা যন্ত্ৰ আৰু পিন্ধাৰ অনুপোযী হলে আমাৰ কাপোৰবোৰ সলনি কৰো বা পেলাই দিও. সেয়ে স্বাভাৱিকভাৱে ভাঙি-চিঙি যোৱাৰ ফলত উদ্ভৱ হোৱা ক্ষতিবোৰ বীমাই সামৰি নলয়.

i. ৰিস্কৰ বহিপ্ৰকাশ : সংকট এটাৰ উদ্ভৱ হোৱাটোৱে ক্ষতি নকৰিবও পাৰে. অন্ধ্ৰৰ বন্দৰ অঞ্চলত হোৱা বানপানীৰ বাবে মুম্বাইত থকা ব্যক্তি এজনে কোনো ক্ষতিৰ

সন্মুখীন হব নালাগে. ক্ষতি হবৰ বাবে সম্পত্তিটো সংকটৰ দ্বাৰা প্ৰভাৱিত হোৱাটো অপৰিহাৰ্য.

উদাহৰণ

মটৰ দুৰ্ঘটনা এটাৰ বিৰুদ্ধে সুৰক্ষা দিয়াৰ ক্ষেত্ৰত, বীমাকাৰীটোৱে এটা নিৰ্দিষ্ট বৰ্ষত 'দুৰ্ঘটনা নামৰ সংকটটোৰ দ্বাৰা প্ৰভাৱিত' গাড়ীবোৰৰ সংখ্যাটো জনাৰ প্ৰতি আগ্ৰহী হোৱা উচিত. নিয়মিতভাৱে প্ৰতিযোগিতাৰ বাবে ব্যৱহাৰ কৰা গাড়ী এখন এই সংখ্যাটোৰ অংশ হব নোৱাৰে. এইটো 'প্ৰতিযোগিতাৰ গাড়ীবোৰ'ৰ পৃথক গোট এটাৰ অংশ হব যাৰ দূৰ্ঘটনাগ্ৰস্ত হোৱাৰ সম্ভাৱনা সাধাৰণ গাড়ীবোৰতকৈ অধিক.

ৰিস্কৰ অকল বহিপ্ৰকাশটোৱে বীমাৰ ক্ষতিপূৰণৰ বাবে যথেষ্ট নহয়.

উদাহৰণ

কাৰখানাৰ ভিতৰত হোৱা অগ্নিকাণ্ডৰ ফলত কেতিয়াবা একো প্ৰকৃত ক্ষতি সাধন নহবও পাৰে.

সংকট এটাৰ ফলত হোৱা প্ৰকৃত আৰ্থিক (বিত্তীয়) ক্ষতি এটাৰ বাবেহে বীমাই দায়িত্ব লবলগীয়া হয়.

ii. **ৰিস্কৰ বহিপ্ৰকাশৰ মাত্ৰা:** দুটা সম্পত্তি একেধৰণৰ সংকটৰ দ্বাৰা প্ৰভাৱিত হব পাৰে কিন্তু ক্ষতিৰ সম্ভাৱনা বা পৰিমাণটো বৃহত পাৰ্থক্য থাকিব পাৰে.

উদাহৰণ

অগ্নিকাণ্ডৰ ফলত বিস্ফোৰক কঢ়িওৱা গাড়ী এখন ক্ষতি পানী কঢ়িওৱা টেংকাৰ এখনতকৈ যথেষ্ট হব পাৰে.

একেদৰে, প্ৰদূষিত চহৰ এখনত থকা ব্যক্তি এজনৰ শ্বাস-প্ৰশ্বাসজনিত সমস্যাৰ সম্ভাৱনা অধিক বা ঘোঁৰা দৌৰ প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী এজনৰ দোকানত বহি থকা এজনতকৈ দূৰ্ঘটনাজনিত আঘাতৰ ৰিস্কটো অধিক.

বীমাকাৰীবোৰ প্ৰধানত ৰিস্ক বহিপ্ৰকাশৰ মাত্ৰাটোৰ প্ৰতি চিন্তিত. যেতিয়া এইটো বহুত বেছি হয় তেতিয়া আমি ইয়াক এটা বেয়া ৰিস্ক বুলি কও.

ৰিস্কৰ শ্ৰেণীবিভাগৰ আধাৰ



a) ভোগ কৰিবলগীয়া ক্ষতিৰ প্ৰসাৰ

ইয়াক ক্ষতিৰ মাত্ৰাটো আৰু ব্যক্তি এজন বা ব্যৱসায় এটাত পৰা ইয়াৰ প্ৰভাৱৰ দ্বাৰা বুজোৱা হয়. ইয়াৰ ওপৰত ভিত্তি কৰি তিনি প্ৰকাৰৰ ৰিস্কৰ ঘটনা বা পৰিস্থিতি চিনাক্ত কৰিব পাৰি:

i. কঠিন বা বিনাশকাৰী

যত ক্ষতিবোৰ হল এনেকুৱা এটা প্ৰাৱল্যৰ; যাৰ ফলত সম্পূৰ্ণৰূপে ক্ষতি বা ধ্বংস হয়.

উদাহৰণ

- ✓ ভূমিকম্প এটা যিয়ে গাঁৱ এখন সম্পূৰ্ণভাৱে ধ্বংস কৰে
- ✓ এটা ডাঙৰ অগ্নিকাণ্ড যিয়ে এটা কেইবা কোটি টকাৰ প্ৰতিষ্ঠান সম্পূৰ্ণৰূপে ধ্বংস কৰে
- ✓ বিশ্ব বাণিজ্য সংস্থাত হোৱা ৯/১১ ৰ সন্ত্ৰাসবাদী আক্ৰমণৰ দৰে এটা পৰিস্থিতি যাৰ ফলত বহুতো ব্যক্তি আঘাতপ্ৰাপ্ত হৈছিল

---

ii. প্ৰধান

যত সাম্ভাৱ্য ক্ষতিবোৰ গুৰুত্বপূৰ্ণ বিত্তীয় ক্ষতিৰ হব পাৰে, যাৰ ফলত কোম্পানীয়ে কাৰ্য অব্যাহত ৰাখিবলৈ ধাৰ লবলৈ বাধ্য হয়.

উদাহৰণ

গুড়গাঁৱস্থিত এটা বৃহত আন্তৰাষ্ট্ৰীয় কোম্পানীৰ প্ল্যান্টত হোৱা অগ্নিকাণ্ডৰ ফলত ১ কোটি টকাৰ সম্পত্তি ধ্বংস হল. ক্ষতিটো গধুৰ কিন্তু সম্পূৰ্ণৰূপে ধ্বংস কৰিব পৰাকৈ অধিক নহয়.

এটা প্ৰধান বৃক্ষ সংৰোপণ অপাৰেচন যাৰ মূল্যটো হল নিষেধাত্মক.

iii. **বহুত কম/উল্লেখনীয় নহয়**

যত সাম্ভাব্য ক্ষতিবোৰ উল্লেখনীয় নহয় আৰু কোনো বিত্তীয় সংকটৰ সন্মুখীন নোহোৱাকৈ ব্যক্তি এজন বা কোম্পানী এটাই বাকী থকা সম্পত্তি বা চলিত আয়ৰ দ্বাৰা এইটো সহজে পূৰ কৰিব পাৰে.

উদাহৰণ

গাড়ীৰ এটা সামান্য দুৰ্ঘটনা যাৰ ফলত কাষটোত সামান্য ঘঁহনি খোৱাৰ ফলত ৰং নষ্ট হৈছে আৰু বাম্পাৰ এডাল সামন্যভাৱে বেকা হৈছে.

ব্যক্তি এজনে কাহ আৰু চৰ্দ্দিত আক্ৰান্ত হোৱা.

b) **ৰিস্ক পৰিৱেশৰ চৰিত্ৰ**

ৰিস্কৰ শ্ৰেণীবিভাগ কৰাৰ অন্য এটা আধাৰ হল পৰিৱেশটোৰ চৰিত্ৰ.

i. **স্থিতিশীল ৰিস্কবোৰ**

স্থিতিশীল ৰিস্কবোৰে এটা সুস্থিৰ পৰিৱেশত সংগটিত হব পৰা ঘটনাবোৰ বুজায়. সময় সাপেক্ষে সিহঁতৰ উদ্ভৱৰ এটা নিয়মিত আৰ্হি আছে আৰু যথাযুক্তভাৱে অনুমান কৰিব পাৰি. সেয়ে সেইবোৰ বীমা কৰিবলৈ সহজ. দৰাচলতে তেনেকুৱা ৰিস্কবোৰ প্ৰাকৃতিক ঘটনাবোৰৰ দ্বাৰা সংগটিত হয়.

উদাৰণবোৰ হল অগ্নিকাণ্ড, ভূমিকম্প, মৃত্যু, দুৰ্ঘটনা আৰু বেমাৰ.

ii. **গতিশীল ৰিস্কবোৰ**

দৰাচলতে সামাজিক পৰিৱেশটো ক্ষতিগ্ৰস্ত কৰা আৰু আৰ্থিক আৰু সামাজিক কাৰকবোৰৰ পৰা ফলাফল দিয়া সংকটবোৰক বুজায়. সিহঁতক গতিশীল বুলি কোৱা হয় কাৰণ সিহঁতৰ উদ্ভৱৰ কোনো নিয়মিত আৰ্হি নাই আৰু স্থিতিশীল ৰিস্কবোৰৰ দৰে অনুমান কৰিব নোৱাৰি. তাৰোপৰি এইবোৰ ৰিস্কৰ প্ৰায়ে বৃহত ৰাষ্ট্ৰীয় আৰু সামাজিক পৰিণাম থাকে আৰু বহু সংখ্যক ব্যক্তি ক্ষতিগ্ৰস্ত হব পাৰে.

উদাহৰণস্বৰূপে নিবনুৱা সমস্যা, মুদ্ৰাস্ফীতি, যুদ্ধ আৰু ৰাজনৈতিক উত্থান-পতন.

বীমা কোম্পানীবোৰ সাধাৰণতে গতিশীল ৰিস্কবোৰ বীমা নকৰে.

c) **কোন ক্ষতিগ্ৰত হয় ?**

এটা বিশেষ সংকট বা ক্ষতিৰ ঘটনাৰ ফলত কোন ক্ষতিগ্ৰস্ত হৈছে সেইটো বিবেচনা কৰাৰ দ্বাৰা ৰিস্কৰবোৰ শ্ৰেণীবিভাগ কৰাৰ এটা তৃতীয় উপায় আগবঢ়াব পাৰি.

i. **মৌলিক ৰিস্কবোৰ:** বৃহত জনসংখ্যা এটাক ক্ষতি কৰে. সিহঁতৰ প্ৰভাৱটো বৃস্তিতভাৱে পৰে আৰু বিনাশকাৰী হব পাৰে.

মৌলিক বা প্ৰণালীগত ৰিস্কবোৰৰ উদাহৰণবোৰ হল যুদ্ধ, শুকান, বানপানী আৰু ভূমিকম্প আৰু সন্ত্ৰাসবাদীৰ আক্ৰমণবোৰ.

ii. **বিশেষ ৰিস্কবোৰ:** কেৱল বিশেষ ব্যক্তিবোৰৰ ক্ষতি সাধন কৰে আৰু গোটেই সম্প্ৰদায় বা গোট এটাৰ ক্ষতি নকৰে. এইক্ষেত্ৰত ক্ষতিটো কেৱল বিশেষ ব্যক্তিবোৰৰ হয় আৰু সমগ্ৰ সম্প্ৰদায় বা গোটৰ দ্বাৰা নহয়.

বিশেষ ৰিস্কবোৰৰ উদাহৰণ হল ঘৰ এটা অগ্নিকাণ্ডত জাহ যোৱা বা এটা যান-বাহনৰ বিজুতি বা দুৰ্ঘটনা এটাৰ বাবে চিকিত্সালয়ত ভৰ্তি কৰা.

মৌলিক আৰু বিশেষ ৰিস্ক দুয়োটা সামৰি লবলৈ বাণিজ্যিক বীমাবোৰ উপলব্ধ.

d) **ফলাফল / পৰিণাম / আউটকাম**

i. **কাল্পনিক ৰিস্কে** এনেকুৱা পৰিস্থিতি বাখ্যা কৰে যত পৰিণামটো এটা লাভ বা এটা লোচকান হব পাৰে. তেনেকুৱা ৰিস্কৰ বিশেষ উদাহৰণ হল ঘোঁৰা দৌৰ প্ৰতিযোগিতাত বাজি ধৰা বা ষ্টক বজাৰত কৰা অনুমান. ব্যক্তি এজনে প্ৰাপ্তিৰ আশাত ইচ্ছাকৃতভাৱে তেনেকুৱা ৰিস্কবোৰ লয়.

ii. **বিশুদ্ধ ৰিস্কটো** এনেকুৱা পৰিস্থিতিৰ সৈতে জড়িত যত পৰিণামটো কেৱল ক্ষতি হোৱা বা নোহোৱা হিচাপে দেখিবলৈ পোৱা যায়, কিন্তু লাভ কেতিয়াও নহয়.

উদাহৰণস্বৰূপে, অগ্নিকাণ্ড বা বানপানী এটাৰ উদ্ভৱ হবও পাৰে বা নহবও পাৰে. যদি এইটো সংগটিত হয় তেন্তে ক্ষতি হয়. যদি এইটো সংগটিত নহয় তেন্তে ক্ষতি বা লাভ একো নহয়. একেদৰে, ব্যক্তি এজন গুৰুতৰভাৱে অসুস্থ হবও পাৰে নহবও পাৰে.

বীমাটো কেৱল বিশুদ্ধ ৰিস্কবোৰৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰি, যত ই উদ্ভৱ হব পৰা ক্ষতিবোৰৰ বিৰুদ্ধে সুৰক্ষা প্ৰদান কৰে. কাল্পনিক ৰিস্কবোৰ বীমা কৰিব নোৱাৰি.

বিশুদ্ধ ৰিস্কৰ উদাহৰণবোৰ:

- ✓ ৰাসায়নিক – জুই, বিস্ফোৰণ
- ✓ প্ৰাকৃতিক – ভূমিকম্প, বানপানী, ঘূৰ্ণিবতাহ
- ✓ সামাজিক – সংঘৰ্ষ, প্ৰৱঞ্চনা, চুৰিকাৰ্যবোৰ
- ✓ কাৰিকৰী – যান্ত্ৰিক বিজুতি
- ✓ ব্যক্তিগত – মৃত্যু, অক্ষমতা, বেমাৰ

আপদ

আমি ওপৰত ইতিমধ্যে দেখিছো যে সংকট এটাৰ কেৱল বহিপ্ৰকাশে ক্ষতি এটা সংগটিত নকৰে. ক্ষতি এটা গম্ভীৰ নহবও পাৰে. **চৰ্তটো বা চৰ্তবোৰ যিয়ে ক্ষতি এটাৰ সম্ভাৱনা বা গভীৰতা বৃদ্ধি কৰে, আৰু সেইদৰে ৰিস্কটো প্ৰভাৱিত কৰে, আপদ বুলি জনাজায়.** যেতিয়া বীমাকাৰীবোৰে ৰিস্কটোৰ এটা পৰীক্ষা-নিৰীক্ষা কৰে, এইটো সাধাৰণতে আপদবোৰ সাপেক্ষে কৰা হয় যাৰ বাবে সম্পত্তিটো হল বিষয়বস্তু.

আমাক সম্পত্তি, সংকট আৰু আপদবোৰৰ মাজত থকা সংযোগটোৰ কিছুমান উদাহৰণ দিয়ক

সম্পত্তি	সংকট	আপদ
জীৱন	কেঞ্চাৰ	মাত্ৰাধিক ধুম্ৰপান
কাৰখানা	জুই	অৱহেলিতভাৱে ৰখা বিষ্ফোৰক পদাৰ্থ
গাড়ী	মটৰ দুৰ্ঘটনা	চালকে উদণ্ডভাৱে চলোৱা
সামগ্ৰী	ধুমুহা	সামগ্ৰীত পানী সুমোৱা আৰু নষ্ট হোৱা; সামগ্ৰীবোৰ পানী ৰোধকত সুমুৱাই নোথোৱা

গুৰুত্বপূৰ্ণ

আপদৰ প্ৰকাৰবোৰ

a) **শাৰীৰিক আপদ হল** এটা শাৰীৰিক চৰ্ত যিয়ে ক্ষতিৰ সম্ভাৱনাটো বৃদ্ধি কৰে.

উদাহৰণ

i. অট্টালিকা এটা ত্ৰুটিপূৰ্ণভাৱে বৈদ্যুতিক তাঁৰ সংযোগ কৰা
ii. জলক্ৰীড়াবোৰত লিপ্ত হোৱা
iii. আৰামশীল জীৱন-যাপন কৰা

b) **নৈতিক আপদটোৱে** ব্যক্তি এজনৰ অসাধুতা বা চৰিত্ৰ দোষবোৰ বুজায় যিয়ে ক্ষতিৰ গভীৰতা বা সঘনতাটো প্ৰভাৱিত কৰে. এজন অসাধু ব্যক্তিয়ে প্ৰৱঞ্চনা কৰিব পাৰে আৰু বীমাৰ সুবিধাটোৰ অপব্যৱহাৰ কৰি ধন ঘটিব পাৰে.

উদাহৰণ

নৈতিক আপদৰ উত্তম উদাহৰণ এটা হল কাৰখানা এটাৰ বাবে বীমা কিনা আৰু পিছত বীমাৰ ধনৰাশি স্থগত কৰিবৰ বাবে এইটো জ্বলাই দিয়া বা এটা কঠিন ৰোগ আৰম্ভ হোৱাৰ পিছত স্বাস্থ্য বীমা কিনা.

c) **আইনী আপদটো** ক্ষতিপূৰণৰ দায়িত্ব এটা জড়িত থকাৰ ক্ষেত্ৰত অধিক প্ৰচলিত. এইটো উদ্ভৱ হয় যেতিয়া আইনী ব্যৱস্থা বা নিয়ন্ত্ৰক পৰিৱেশটোৰ কিছুমান বিশেষ বৈশিষ্ট্যই ক্ষতিবোৰৰ প্ৰাৱল্য বা গভীৰতা বৃদ্ধি কৰে.

উদাহৰণ

কৰ্মচাৰীৰ ক্ষতিপূৰণটো পৰিচালনা কৰা আইনৰ অধিনিয়মতেৰ ক্ষেত্ৰত আইনৰ অধিনিয়ম মতে দুৰ্ঘটনাৰ ক্ষেত্ৰত পৰিশোধ কৰিবলগীয়া দায়িত্বটো বৃদ্ধি পাব.

বীমাত এটা প্ৰধান চিন্তা হল ৰিস্কবোৰ আৰু ইয়াৰ সৈতে জড়িত আপদবোৰৰ মাজৰ সম্পৰ্কটো. ৰিস্কৰ বিভিন্ন শ্ৰেণীবোৰৰ অনুসৰি সম্পত্তিবোৰ শ্ৰেণীবিভাগ কৰা হয় আৰু বীমাই সামৰি লোৱাৰ মূল্যটো [প্ৰিমিয়াম বুলি জনাজাত] বৃদ্ধি পাব যদিহে জড়িত আপদবোৰৰ উপস্থিতিৰ ফলত উদ্ভৱ হব পৰা ক্ষতিৰ সংবেদনশীলতাটো অধিক হয়.

3. বীমাৰ গাণিতিক নীতি (ৰিস্ক পুলিং)

বীমাত থকা তৃতীয় উপাদানটো হল এটা গাণিতিক নীতি যিয়ে বীমাটো সম্ভৱ কৰি তুলিছে. ইয়াক ৰিস্ক পুলিংৰ নীতি বুলি জনাজায়.

উদাহৰণ

ধৰাহল তাত অগ্নিকাণ্ডৰ ৰিস্কৰ দ্বাৰা প্ৰভাৱিত ১০০০০০ টা ঘৰ আছে যিয়ে গড় হিচাপত ৫০০০০ টকা খৰচ কৰিব পাৰে. যদি ঘৰ এটাৰ অগ্নিকাণ্ড সংগটিত হোৱাৰ সম্ভাৱনা ১০০০ টাৰ ভিতৰত ২ টা হয় [বা ০.০০২], তেন্তে এইটোৱে বুজাব যে ভোগ কৰিবলগীয়া ক্ষতিৰ মুঠ পৰিমাণ হব ১০০০০০০০ [=৫০০০০ * ০.০০২ * ১০০০০০].

যদি এহাজাৰটা ঘৰৰ প্ৰতিজন মালিকে বীমাকাৰী এটাক ১০০ টকাকৈ বৰঙণি দিয়ে আৰু যদি এই বৰঙণিবোৰ এটা একমাত্ৰ পুঁজিত পুল কৰা হয়, তেন্তে এইটো অগ্নিকাণ্ডত ক্ষতিগ্ৰস্ত হোৱা দুৰ্ভগীয়াসকললৈ ক্ষতিপূৰণ হিচাপে আগবঢ়াবলৈ যথেষ্ট.

ব্যক্তি বৰঙণিৰ বাবে প্ৰয়োজনীয় ৰাশিটো তলত দিয়া গণনাটোৰ দ্বাৰা প্ৰত্যক্ষ কৰিব পাৰি

১০০০০০ * ১০০ = ১০০০০০০০ টকা

বীমাকৰ্তাবোৰৰ মাজত পক্ষপাত নথকাটো [ভাল ভাৱ] নিশ্চিত হবলৈ সকলোবোৰ গৃহ একেধৰণৰ ৰিস্কৰ দ্বাৰা প্ৰভাৱিত হোৱাটো আৱশ্যক.

a) **বীমাত নীতিয়ে কিমান সঠিকভাৱে কাৰ্য কৰে ?**

উদাহৰণ

মি. শ্যাম যাৰ প্ল্যান্ট, যন্ত্ৰপাতি আৰু ৭০ লাখ টকা মূল্য সামগ্ৰীৰ সৈত কাৰখানা এটা আছে, তেওঁ বীমাকাৰী এটা দ্বাৰা সেইবোৰ বীমা কৰিব বিচাৰিছে. অগ্নিকাণ্ড বা অন্য বীমাকৰ্তা সংকটবোৰৰ দ্বাৰা কাৰখানটো আৰু ইয়াৰ সামগ্ৰীবোৰৰ ক্ষতি বা নষ্ট হোৱাৰ সম্ভাৱনাটো হল ১০০০ ভিতৰত ৭ [০.০০৭]. মি. শ্যাম আৰু বীমাকাৰী উভয়ে ইয়াৰ বিষয়ে জ্ঞাত.

তেওঁলোকৰ স্থিতিবোৰ কেনেকৈ বেলেগ হব পাৰে আৰু মি. শ্যামে কিয় বীমাক কৰিব বিচাৰে ?

মি. শ্যামৰ স্থিতি

ক্ষতিৰ সম্ভাৱনাটো (০.০০৭) মি. শ্যামৰ ক্ষেত্ৰত কিছু পৰিমাণে ব্যৱহাৰ কৰিব পাৰি যিহেতু এইটোৱে দেখুৱাইছে যে ১০০০ টা কাৰখানৰ ভিতৰত ৭ হে ক্ষতিৰ দ্বাৰা প্ৰভাৱিত. এই কাৰখানাটো দূৰ্ভগীয়া সাতটাৰ ভিতৰৰ এটা হব নে নহয় তেওঁ নাজানে নে ? দৰাচলতে নিৰ্দিষ্ট কোম্পানীটোৱে ক্ষতি এটাৰ সন্মুখীন হব পাৰে বুলি কোনেও আশা কৰিব নোৱাৰে.

শ্যামক অনিশ্চয়তাৰ স্থিতি এটাত থকা বুলি কব পাৰি. তেওঁ ভৱিষ্যতটো নজনাৰ উপৰিও ইয়াৰ কি হব পাৰে সেইটোও আশা কৰিব নোৱাৰে. এইটো নিশ্চিতভাৱে উত্কন্ঠাৰ এটা কাৰণ.

বীমাকাৰীৰ স্থিতি

আমি এতিয়া বীমাকাৰীৰ স্থিতিটো চাও আহক. যেতিয়া শ্যামৰ ক্ষতিৰ ৰিস্কটো উক্ত হাজাৰটাৰ সৈতে মিশ্ৰ আৰু পুল কৰা হয়, যিসকল একেধৰণৰ পৰিস্থিতিৰ দ্বাৰা প্ৰভাৱিত, এইটো তেতিয়া সীমিত আৰু ধাৰণা কৰিব পৰা হৈ উঠে.

বীমাকাৰীয়ে যিমান দূৰ সম্ভৱ শ্যামৰ কাৰখানাটোৰ বাবে ভয় খাব নালাগে. হাজাৰটা ভিতৰত কেৱল সাতটা ক্ষতিৰ বিষয়বস্তু হোৱাটো যথেষ্ট. প্ৰকৃত ক্ষতিটো ধাৰণা কৰাৰ দৰে একে বা ওচৰৰ হলে বীমাকাৰীয়ে পুঁজিৰ পুলটোৰ পৰা ধন উঠোৱাৰ দ্বাৰা সেইবোৰ পূৰাব পাৰে.

একেটা শাৰীত থকা আৰু সংকট এটাৰ ফলত হোৱা একেধৰণৰ সাম্ভাৱ্য ক্ষতিৰ দ্বাৰা প্ৰভৱিত সকলোবোৰ বীমাকৰ্তাৰ ৰিস্কৰ সংখ্যাটোৰ দ্বাৰা এইটো পুল কৰা হয় যাতে বীমাকাৰীয়ে ৰিস্কটো আৰু ইয়াৰ বিত্তীয় প্ৰভাৱ অনুমান কৰিবলৈ সক্ষম হয়.



b) **ৰিস্ক পুলিং আৰু বৃহত সংখ্যৰ নিয়মটো**

ক্ষতিৰ সম্ভাৱনাটোৱে [ওপৰত দিয়া উদাহৰণৰ দৰে ১০০০ৰ ভিতৰত ৭ বা ০.০০৭] আধাৰ এটা গঢ়িতোলে যাৰ ওপৰত ভিত্তি কৰি প্ৰিমিয়ামটো নিৰ্ধাৰণ কৰিব পাৰি. বীমাকাৰীয়ে ক্ষতিৰ বাবে কোনোধৰণৰ ৰিস্কৰ সন্মুখীন নহয় যদি প্ৰকৃত অভিজ্ঞতাটো প্ৰত্যাশিত কৰা ধৰণৰ আছিল. তেনেকুৱা এটা পৰিস্থিতিত বিভিন্ন বীমাকৰ্তাৰ প্ৰিমিয়ামবোৰ সংকট এটাৰ দ্বাৰা ক্ষতিগ্ৰস্ত সকলৰ সম্পূৰ্ণ ক্ষতিপূৰণৰ বাবে পৰ্য্যপ্ত হব পাৰে. বীমাকাৰীয়ে একেদৰে ৰিস্ক এটাৰ সন্মুখীন হব পাৰে যদি প্ৰকৃত অভিজ্ঞতাটো প্ৰত্যাশিততকৈ ওলোটা আছিল আৰু দাবীবোৰ পৰিশোধ কৰিবৰ বাবে সংগ্ৰহ কৰা প্ৰিমিয়ামবোৰ পৰ্য্যপ্ত নহব পাৰে.

বীমাকাৰীয়ে ইয়াৰ অনুমানবোৰৰ বিষয়ে কেনেকৈ নিশ্চিত হব পাৰিব?

"বৃহত সংখ্যাৰ নিয়ম" ৰ দৰে জনাজাত নীতি এটাৰ দ্বাৰা এইটো সম্ভৱপৰ হৈ উঠে. এইটোৱে বুজায় যে ৰিস্কবোৰৰ পুলটো আকাৰত ডাঙৰ হলে, ক্ষতিবোৰৰ প্ৰকৃত গড়টো নিৰ্ধাৰিত বা প্ৰত্যাশিত গড় ক্ষতিটোৰ ওচৰত থাকিব.

উদাহৰণ

এটা সাধাৰণ উদাহৰণ দিবলৈ হলে, মুদ্ৰা এটা ওপৰলৈ নিক্ষেপ কৰিলে হেড পোৱাৰ সম্ভাৱনাটো হল ১/২. কিন্তু যদি আপুনি মুদ্ৰাটো চাৰিবাৰ ওপৰলৈ নিক্ষেপ কৰে তেন্তে ২ বাৰ হেড পোৱাটো আপুনি কেনেকৈ নিশ্চিত হব পাৰিব?

যেতিয়া নিক্ষেপৰ সংখ্যাটো যথেষ্ট বেছি হয় আৰু প্ৰায় অসীম সংখ্যক হয় কেৱল তেতিয়াহে প্ৰত্যেক দুটা নিক্ষেপৰ এটা হেড হোৱাৰ সম্ভাৱনা থাকে.

এইটো উল্লেখ কৰা উচিত যে বীমাকাৰীবোৰে বৃহত সংখ্যক বীমা প্ৰদানৰ আগতে সিহঁতৰ স্থিতিৰ বিষয়ে নিশ্চিত হোৱা উচিত. মাত্ৰ কেইশ মান ঘৰ বীমা কৰা বীমাকাৰী এটাই কেইবাহাজাৰ ঘৰ বীমা কৰা বীমাকাৰী এটাতকৈ কমকৈ ক্ষতিগ্ৰস্ত হব পাৰে.

গুৰুত্বপূৰ্ণ

ৰিস্ক এটা বীমা কৰাৰ চৰ্তবোৰ

বীমাকাৰীৰ দৃষ্টিৰ ফালৰ পৰা কেতিয়া ৰিস্ক এটা বীমাৰযোগ্য বুলি ভবা হয়?

ৰিস্ক এটা বীমাৰযোগ্য বিবেচিত হোৱাৰ বাবে দাবী কৰা ছয়টা প্ৰয়োজনীয়তা তলত উল্লেখ কৰা হল.

i. ক্ষতিবোৰ যথাযুক্তভাৱে ধাৰণা কৰিব পৰাকৈ **এটা যথেষ্ট বৃহত সংখ্যক একে [একেধৰণৰ] প্ৰভাৱৰ দ্বাৰা প্ৰভাৱিত গোট.** এইটোৱে বৃহত সংখ্যাবোৰৰ নিয়ম মানি চলে. এইটো অবিহনে ধাৰণা কৰা কঠিন.

ii. **ৰিস্কৰ দ্বাৰা হোৱা ক্ষতিবোৰ সীমিত আৰু নিৰ্ধাৰণ কৰিব পৰা হোৱাটো অপৰিহাৰ্য.** যদি ব্যক্তি এজনে ক্ষতি এটাৰ উদ্ভৱ আৰু ইয়াৰ পৰিমাণৰ বিষয়ে নিশ্চিত তথ্য দিব নোৱাৰে তেন্তে ক্ষতিপূৰণৰ ক্ষেত্ৰত সিদ্ধান্ত লোৱাটো কঠিন হৈ পৰে.

iii. **ক্ষতিটো আকস্মিক বা দূৰ্ঘটনামূলক হোৱাটো অপৰিহাৰ্য.** এইটো সংগটিত হব পৰা বা নহবও পৰা ঘটনা এটাৰ ফলাফল হোৱাটো উচিত. ঘটনাটো বীমাকৰ্তাৰ নিয়ন্ত্ৰণৰ বাহিৰত থকা উচিত. বীমাকৰ্তাই উদ্দেশ্যপ্ৰণোদিতভাৱে সৃষ্টি কৰা ক্ষতি এটাৰ বাবে কোনো বীমাকাৰীয়ে ক্ষতিপূৰণ নিদিয়ে.

iv. **কেইজনমানৰ ক্ষতিটো বহুতোৰ দ্বাৰা বিনিময় কৰাটোৱে** কাৰ্য কৰিব পাৰে কেৱল যদিহে এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত বীমাকৰ্তা গোটৰ অতি কম শতাংশই ক্ষতিৰ সন্মুখীন হয়.

v. **আৰ্থিক সাধ্যতা**: সাম্ভাব্য ক্ষতি সাপেক্ষে বীমাৰ মূল্যটো অধিক নোহোৱাটো অপৰিহাৰ্য; অন্যথা বীমাটো আৰ্থিকভাৱে অসমৰ্থ হব.

vi. **ৰাজহুৱা নীতি**: শেষত চুক্তিটো ৰাজহুৱা নীতি আৰু মৃত্যুৰ বিপৰীত হব নালাগে.

4. বীমা চুক্তিটো

বীমাৰ চতুৰ্থটো উপাদান হল যে ই এটা চুক্তিগত সন্মতিৰ সৈতে জড়িত যত বীমাকাৰীয়ে এটা মূল্য বা প্ৰিমিয়ামৰ বাবে নিৰ্ধাৰিত ৰিস্কবোৰৰ বিৰুদ্ধে বিত্তীয় সুৰক্ষা প্ৰদান কৰে. চুক্তিগত সন্মতিটোৱেই বীমা পলিচী এটাৰ আকাৰ লয়.

নিজক পৰীক্ষা কৰক 1

তলৰ কোনটোৱে বীমাৰ যোগ্য ৰিস্ক এটা প্ৰদৰ্শন নকৰে?

I. জুই
II. চুৰি সামগ্ৰীবোৰ
III. চুৰি
IV. জাহাজ ওলোটাৰ ফলত হোৱা সামগ্ৰীৰ ক্ষতি

B. বীমা চুক্তি - আইনী দিশবোৰ

1. বীমা চুক্তি এটাৰ আইনী দিশবোৰ

আমি এতিয়া বীমা চুক্তি এটাৰ সৈতে জড়িত কিছুমান বৈশিষ্ট্য চাও আহক আৰু তাৰ পিছত সাধাৰণভাৱে বীমা চুক্তিবোৰ পৰিচালনা কৰা আইনী নীতিবোৰ বিবেচনা কৰিম.

আমি ইতিমধ্যে দেখিছো যে বীমাৰ এটা উপাদান হল যে ই বীমাকাৰী আৰু বীমাকৰ্তাৰ মাজৰ চুক্তি এটাৰ সৈতে জড়িত.

চুক্তি এটা হল দুটা ফৈদৰ মাজৰ এটা সন্মতি, আইনৰ দ্বাৰা প্ৰৱৰ্তন কৰা. ভাৰতীয় চুক্তি আইন, ১৮৭২ ৰ আৰক্ষণবোৰে বীমা চুক্তিবোৰকে ধৰি ভাৰতবৰ্ষৰ সকলোবোৰ চুক্তি নিয়ন্ত্ৰণ কৰে.

2. বৈধ চুক্তি এটাৰ উপাদানবোৰ

বৈধ চুক্তি এটাৰ উপাদানবোৰ হল:

a) **প্ৰস্তাৱ আৰু সন্মতি:**

দৰাচলতে, প্ৰস্তাৱকৰ দ্বাৰা প্ৰস্তাৱটো দিয়া হয় আৰু সন্মতিটো বীমাকাৰীয়ে প্ৰদান কৰে.

b) **বিবেচনা**

এইটোৱে বুজায় যে চুক্তিটোৱে ফৈদবোৰক কিছুমান উমৈহতীয়া মুনাফা প্ৰদানৰ সৈতে জড়িত হোৱাটো অপৰিহাৰ্য. প্ৰিমিয়ামটো হল বীমাকৰ্তাৰ বিবেচনাৰ বিষয় আৰু বীমাৰ ধনৰ প্ৰতিশ্ৰুতি ৰক্ষাটো বীমাকাৰীবোৰৰ বিবেচনাৰ বিষয়.

c) **ফৈদবোৰৰ মাজৰ সন্মতি**

উভয় পক্ষই একে ভাৱনাৰে একেটা বস্তুৰ প্ৰতি সন্মতি প্ৰদান কৰা উচিত.

d) **ফৈদবোৰৰ কাৰ্যদক্ষতা**

চুক্তিটো সম্পন্ন কৰিবৰ বাবে চুক্তিটোত থকা দুয়োটা ফৈদ আইনীভাৱে দক্ষ হোৱাটো অপৰিহাৰ্য, উদাহৰণস্বৰূপে, চোৰাং সামগ্ৰীবোৰৰ বাবে কোনো বীমা নাথাকে.

e) **বৈধতা**

চুক্তিটোৰ উদ্দেশ্য বৈধ হোৱাটো অপৰিহাৰ্য, উদাহৰণস্বৰূপে স্মাগলিং কৰা সামগ্ৰীৰ বাবে কোনো বীমা প্ৰদান কৰা নহয়.

গুৰুত্বপূৰ্ণ

নিম্নোক্তটো বীমা চুক্তিৰ এটা উপাদান হব নোৱাৰে

i. **বাধ্যবাধকতা**

অবৈধভাৱে প্ৰয়োগ কৰা হেচা.

ii. **অনিশ্চিত প্ৰভাৱ**

যেতিয়া এজন মানুহে অন্য এজনৰ ইচ্ছাৰ ওপৰত আধিপত্য প্ৰকাশ কৰিব পাৰে তেতিয়া তেওঁ নিজৰ শক্তি আনজনৰ ওপৰত অন্যায়ভাৱে অগ্ৰাধিকাৰ লবৰ বাবে ব্যৱহাৰ কৰে.

iii. **প্ৰৱঞ্চনা**

যেতিয়া এজন ব্যক্তিয়ে অন্য এজনক মিছা বিশ্বাসৰ ওপৰত ভিত্তি কৰি কাৰ্য সম্পন্ন কৰিবলৈ কয় যিটো অন্য ব্যক্তিজনে সঁচা বুলি কেতিয়াও নলয়. এইটো ইচ্ছাকৃতভাৱে প্ৰদৰ্শ কৰা ভুল তথ্যৰ ভিত্তিত প্ৰদৰ্শিত ঘটনাৰ দ্বাৰা উদ্ভৱ হব পাৰে.

iv. **ভুল**

এজন ব্যক্তিৰ ধাৰণা বা বিশ্বাস বা ঘটনাৰ ভুল ব্যাখ্যা. চুক্তিটোৰ বিষয়বস্তু সম্বন্ধে ভুল বুজাবুজিয়ে এটা ভুললৈ পৰ্য্যবেশিত কৰিব পাৰে.

নিজক পৰীক্ষা কৰক 2

তলৰ কোনটো এটা এটা বৈধ বীমা চুক্তিৰ উপাদান হব নোৱাৰে?

I. প্ৰস্তাৱ আৰু সন্মতি
II. বাধ্যবাধকতা
III. বিবেচনা
IV. বৈধতা

C. বীমা চুক্তি - বিশেষ বৈশিষ্ট্যবোৰ

আমি বীমা চুক্তিৰ বিশেষ বৈশিষ্ট্যবোৰত চকু ফুৰাও আহক.

1. বীমাৰ ধন

বীমাৰ ধনৰ নীতিটো জীৱন বীমাৰ অন্তৰ্গত নোহোৱা বীমাবোৰৰ বাবে প্ৰযোজ্য. **এইটোৱে ক্ষতিৰ সন্মুখীন হোৱা পলিচীধাৰক এজনক ক্ষতিৰ ঘটনাটো সংগটিত হোৱাৰ আগতে তেওঁ বা তেখেতৰ বিত্তীয় অৱস্থাত যেনেকুৱা আছিল তেওঁ বা তেখেতক পুনৰ তেনেকুৱা অৱস্থা এটা প্ৰদান কৰিবৰ বাবে ক্ষতিপূৰণ দিয়াটো বুজায়.** বীমা চুক্তিটোৱে (বীমা পলিচীৰ যোগেদি প্ৰমাণ দাঙি ধৰা) গ্যেৰান্টী দিয়ে যে বীমাকৰ্তাক ক্ষতিৰ পৰিমাণটোলৈকৈ ক্ষতিপূৰণ দিয়া হব কিন্তু তাতকৈ অধিক দিয়া নহব.

দৰ্শনটো হল যে ব্যক্তি এজনে সম্পত্তি বীমা কৰাৰ জৰিয়তে মুনাফা এটা আদায় কৰা আৰু ক্ষতিতকৈ বেছি আহৰণ কৰা উচিত নহয়. বীমাকাৰীয়ে ক্ষতিটোৰ আৰ্থিক মূল্যটো পৰীক্ষা কৰা উচিত আৰু সেইমতে ক্ষতিপূৰণ দিয়া উচিত.

উদাহৰণ

ৰামে তেওঁৰ ১০ লাখ টকীয়া মূল্যৰ ঘৰটো সম্পূৰ্ণ মূল্যটোৰ বাবে বীমা কৰিছে. অগ্নিকাণ্ডৰ বাবে তেওঁ সন্মুখীন হোৱা ক্ষতিৰ পৰিমাণটো হল ৭০০০০ টকা. বীমা কোম্পানীয়ে তেওঁক ৭০০০০ টকা পৰিশোধ কৰিব. বীমাকৰ্তাই পিছলৈ একো দাবী কৰিব নোৱাৰিব.

এতিয়া এনেকুৱা পৰিস্থিতি এটা বিবেচনা কৰক যত সম্পত্তিটোক ইয়াৰ সম্পূৰ্ণ মূল্যৰ বাবে বীমা কৰা হোৱা নাছিল. তেতিয়া ব্যক্তি এজনে ক্ষতিপূৰণ হিচাপে পাবলগীয়া বীমাৰ ধনৰ পৰিমাণটো তেওঁৰৰ বীমাটোৰ অনুপাতত ধাৰ্য্য কৰা হব.

ধৰাহল ১০ লাখ টকীয়া মূল্যৰ ঘৰ এটা কেৱল ৫ লাখ টকা মুঠ পাবলগীয়াৰ বাবে বীমা কৰা হৈছে. যদি অগ্নিকাণ্ডৰ বাবে হোৱা ক্ষতিৰ পৰিমাণটো ৬০০০০ টকা হয় তেন্তে ব্যক্তি এজনে সমগ্ৰ ৰাশিটো দাবী কৰিব নোৱাৰে. ইয়াৰ দ্বাৰা এইটো বুজিব পাৰি যে যিহেতু সম্পত্তিটোৰ অৰ্ধ মূল্যৰ বাবেহে বীমা কৰা হৈছিল গতিকে ক্ষতিৰ বাবে কৰা দাবীটোও মুঠ ক্ষতিৰ ৫০% [30000] হিচাপে ধাৰ্য্য কৰা হব. ইয়াক বীমাৰ তলত বুলি কোৱা হয়.

পৰিশোধ কৰিবলগীয়া বীমাৰ ধনৰ জোখটো ব্যক্তি এজনে লোৱা বীমাৰ ধৰণটোৰ ওপৰত নিৰ্ভৰ কৰে.

জীৱন বীমাৰ অন্তৰ্গত নোহোৱা অধিকাংশ পলিচী যিবোৰে সম্পত্তি আৰু দায়িত্ববোৰৰ সৈতে লেনদেন কৰে, তেনেকুৱাবোৰৰ ক্ষেত্ৰত বীমাকৰ্তাক ক্ষতিৰ প্ৰকৃত পৰিমাণতকৈ বেছি ক্ষতিপূৰণ হিচাপে দিয়া হয়, যেনে ক্ষতি বা নষ্ট পূৰ কৰিবৰ বাবে প্ৰয়োজন হোৱা ধনৰ পৰিমাণটো বৰ্তমান বজাৰত যথেষ্ট কম হয়.

বীমাৰ ধনে তলত দিয়া নিষ্পত্তিৰ ধৰণবোৰৰ এটা বা অধিক লব পাৰে:

- ✓ নগদ পৰিশোধ
- ✓ নষ্ট বস্তু এটা মেৰামতি কৰা
- ✓ ক্ষতি বা নষ্ট হোৱা বস্তুটো সলনি কৰি দিয়া
- ✓ পুনৰ নিৰ্মাণ, (স্থাপন) উদাহৰণস্বৰূপে, অগ্নিকাণ্ডত জাহ যোৱা ঘৰ এটা পুনৰ নিৰ্মাণ কৰা

চিত্ৰ 1: বীমাৰ ধন



কিন্তু, কিছুমান বিষয়বস্তু আছে যাৰ মূল্যটো ক্ষতিৰ সময়ত সহজে নিৰ্ধাৰণ বা লাভ কৰিব নোৱাৰি. উদাহৰণস্বৰূপে, পৈতৃক সম্পত্তি আৰু আপুৰুগীয়া কীৰ্তিচিহ্নবোৰৰ মূল্য নিৰ্ধাৰণ কৰাটো

কঠিন হব পাৰে. একেদৰে জাহজ বীমাৰ পলিচীবোৰত পৃথিৱীৰ পৰা অৰ্ধেক দূৰত সংগটিত হোৱা জাহাজ দূৰ্ঘটনাৰ ফলত হোৱা ক্ষতিৰ প্ৰসাৰটো নিৰ্ধাৰণ কৰা যথেষ্ট কঠিন হব পাৰে.

তেনেকুৱা উদাহৰণবোৰৰ ক্ষেত্ৰত, সন্মতিৰ মূল্য হিচাপে জনাজাত নীতি এটা ধৰি লোৱা হয়. বীমা চুক্তিটোৰ আৱশ্যকীয় বীমাকাৰী আৰু বীমাকৰ্তাই বীমা কৰিবলগীয়া সম্পত্তিটোৰ মূল্যটোৰ প্ৰতি একমতত উপনীত হয়. সৰ্বমুঠ ক্ষতিৰ ঘটনা এটাৰ ক্ষেত্ৰত, বীমাকাৰীয়ে পলিচী চুক্তিত উল্লেখিত ৰাশিটো পৰিশোধ কৰে. এইধৰণৰ পলিচীক **"সন্মতি মূল্যৰ পলিচী"** বুলি কোৱা হয়.

a) **প্ৰস্থাপন**

প্ৰস্থাপনে বীমাৰ ধনৰ নীতিটো অনুসৰণ কৰে.

প্ৰস্থাপন মানে বীমাৰ বিষয়বস্তু হিচাপে বীমাকৰ্তাৰ পৰা বীমাকাৰীলৈ সকলোবোৰ অধিকাৰ আৰু প্ৰতিকাৰ সলনি কৰাটো.

এইটোৱে বুজায় যে তৃতীয় পক্ষ এটাৰ গাফিলতিৰ বাবে যদি বীমাকৰ্তাই সম্পত্তিৰ ক্ষতিৰ সন্মুখীন হবলগীয়া হয় আৰু উক্ত ক্ষতিটোৰ বাবে বীমাকাৰীয়ে বীমাৰ ধন পৰিশোধ কৰে, তেন্তে বীমাকাৰীৰ হাতত তৃতীয় পক্ষটোৰ পৰা ক্ষতিপূৰণ সংগ্ৰহ কৰাৰ অধিকাৰ থাকিব. মন কৰিব যে সংগ্ৰহ কৰিবলগীয়া ক্ষতিৰ পৰিমাণটো বীমা কোম্পানীৰ দ্বাৰা পৰিশোধ কৰা পৰিমাণটোৰ সমান হয়.

গুৰুত্বপূৰ্ণ

প্ৰস্থাপন: এইটো হল এটা প্ৰক্ৰিয়া, যিটো বীমা কোম্পানী এটাই ইতিমধ্যে পৰিশোধ কৰা দাবীৰ পৰিশোধটো গাফিলতি কৰা তৃতীয় পক্ষৰ পৰা পুনৰ উদ্ধাৰৰ কাৰণে ব্যৱহাৰ কৰে.

প্ৰস্থাপনটো তৃতীয় পক্ষ এটাৰ বিপৰীতে দাবী এটা পৰিশোধ কৰা বীমা কোম্পানী এটালৈ বীমাকৰ্তাৰ দ্বাৰা অধিকাৰবোৰ সমৰ্পণ কৰা বুলিও ব্যাখ্যা কৰিব পাৰি.

উদাহৰণ

মি. কিশোৰৰ ঘৰুৱা সামগ্ৰীবোৰ ছাইলভেইন ট্ৰেন্সপোৰ্টৰ ছাৰ্ভিত কঢ়িওৱা হৈছিল. চালকৰ গাফিলতিৰ বাবে সেইবোৰ নষ্ট হৈছিল আৰু ক্ষতিৰ পৰিমাণটো আছিল ৪৫০০০ টকা আৰু বীমাকাৰীয়ে মি. কিশোৰক ৩০০০০ টকা পৰিশোধ কৰিছিল. বীমাকাৰীয়ে মাত্ৰ ৩০০০০ টকা প্ৰস্থাপন কৰিছে আৰু সেই পৰিমাণটো ছাইলভেইন ট্ৰেন্সপোৰ্টৰ পৰা সংগ্ৰহ কৰিব পাৰে.

ধৰাহল, দাবীৰ পৰিমাণটো হল ৪৫,০০০ টকা, বীমাকাৰীয়ে বীমাকৰ্তাক ৪০,০০০ টকা বীমাৰ ধন পৰিশোধ কৰিব আৰু বীমাকাৰীয়ে ছাইলভেইন ট্ৰেন্সপোৰ্টৰ পৰা প্ৰস্থাপনৰ জৰিয়তে ৪৫,০০০ টকা উদ্ধাৰ কৰিবলৈ সক্ষম হব, তেতিয়া অতিৰিক্ত ৫০০০ টকাটো বীমাকৰ্তা প্ৰদান কৰা হব.

এইটোৱে বীমাকৰ্তাক ক্ষতিৰ বাবে দুবাৰ ধন সংগ্ৰহ কৰাত বাধা প্ৰদান কৰে – এবাৰ বীমা কোম্পানীৰ পৰা আৰু তাৰপিছত পুনৰবাৰ তৃতীয় পক্ষৰ পৰা. প্ৰস্থাপনটো কেৱল বীমাৰ ধনৰ চুক্তিবোৰৰ ক্ষেত্ৰত উদ্ভৱ হয়.

উদাহৰণ

এটা বিমান দূৰ্ঘটনাত মি. ব্যক্তিগত দূৰ্ঘটনা পলচীৰ এটাৰ লগতে বিমান পৰিবহন কোম্পানী এটাই পৰিশোধ কৰা ১৫ লাখ টকাৰ ক্ষতিপূৰণ প্ৰদান কৰা বীমাকাৰীটোৰ পৰা বীমাৰ মুঠ পাবলগীয়া ৫০ লাখ টকা সংগ্ৰহ কৰিবলৈ তেওঁৰ পৰিয়ালটোৰ অধিকাৰ আছে.

b) বৰঙণি

এই নীতিটো কেৱল জীৱন বীমাৰ অন্তৰ্গত নোহোৱা বীমাবোৰৰ বাবে প্ৰযোজ্য. বৰঙণিটো বীমাৰ ধনৰ নীতিটোৰ পৰা আহে, যিয়ে বুজাই যে কোনো ব্যক্তি বীমাৰ পৰা সংকটৰ ফলত হোৱা ক্ষতিতকৈ বেছি উপাৰ্জন কৰিব নোৱাৰে

সংজ্ঞা

“বৰঙণি” ৰ নীতিটোৱে বুজায় যে যদি একেটা সম্পত্তি এটাতকৈ বেছি বীমা কোম্পানীৰ দ্বাৰা বীমা কৰিছে, তেন্তে আটাইবোৰ বীমাকাৰীয়ে একেলগে প্ৰদান কৰা ক্ষতিপূৰণটো সন্মুখীন হোৱা প্ৰকৃত ক্ষতিৰ পৰিমাণটোতকৈ বেছি হব নোৱাৰে.

যদি বীমাকৰ্তাই প্ৰতিটো বীমাকাৰীৰ পৰা ক্ষতিৰ সম্পূৰ্ণ পৰিমাণটো সংগ্ৰহ কৰে, তেন্তে বীমাকৰ্তা ইয়াৰ দ্বাৰা লাভান্বিত হব. এইটোৱে ক্ষতিপূৰণৰ নীতিটো উলংঘন কৰিব.

উদাহৰণ

দৃশ্যপট 1

মি. শ্ৰীনিভাস তেওঁৰ ২৪ লাখ টকীয়া মূল্যৰ ঘৰটোৰ বাবে দুটা কোম্পানীৰ পৰা পলিচী লৈছে. এইটোৰ বাবে তেওঁ দুয়োটা কোম্পানীতে ১২ লাখ টকাৰ বীমা কৰিছে. যেতিয়া ঘৰটো অগ্নিকাণ্ডৰ বাবে আংশিকভাৱে ক্ষতিগ্ৰস্ত হল, তেতিয়া ক্ষতিৰ পৰিমাণটো ৬ লাখ বুলি ধাৰ্য্য কৰা হল. তেওঁ দুয়োটা বীমাকাৰীৰ পৰা ক্ষতিপূৰণ হিচাপে ৬ লাখ টকা দাবী কৰিছে. দুয়োটা বীমাকাৰীয়ে তেওঁক ৬ লাখ টকাকৈ দিবলৈ অস্বীকাৰ কৰিছে.

সিহঁতৰ প্ৰত্যেকে ক্ষতিটোৰ ৫০% কৈ পৰিশোধ কৰিব, ৩ লাখ টকাকৈ পৰিশোধ কৰিব, এইদৰে বীমাকৰ্তাই প্ৰকৃত ক্ষতিতকৈ অধিক ধন লাভ নকৰাটো নিশ্চিত কৰিব পাৰি.

দৃশ্যপট 2

ঋষি নিজৰ বাবে দুটা চিকিত্সাৰ পলিচী লৈছে, X কোম্পানীৰ পৰা ২,৫০,০০০ টকাৰ বাবে আৰু Y কোম্পানীৰ পৰা ১,৫০,০০০ টকাৰ বাবে. ঋষিয়ে বেমাৰ এটাৰ বাবে ১,৬০,০০০ টকা চিকিত্সালয়ত ব্যয় কৰিলে. ১,৬০,০০০ টকাৰ এই ক্ষতিপূৰণটো দুয়োটা কোম্পানীয়ে কৰযোগ্য অনুপাতৰ ভিত্তিত ভাগ কৰি লব আৰু পৰিশোধ কৰিব. প্ৰত্যেকটো কোম্পানীৰ ভাগটো হব

X কোম্পানী: 1, 60,000 x 2.50,000/ (2.50, 000 + 1, 50, 000) = RS 1, 00.000 টকা

Y কোম্পানী: 1, 60,000 x 150,000/ (150, 000 + 1, 50, 000) = Rs 60, 000 টকা

2. পাৰস্পৰিক সদ্ভাৱ বা পৰম সদিচ্ছা

সদিচ্ছা আৰু **পৰম সদিচ্ছা**ৰ মাজত এটা পাৰ্থক্য আছে.

a) **সদিচ্ছা**

সাধাৰণতে সকলোবোৰ বাণিজ্যিক চুক্তিয়ে সিহঁতৰ লেনদেনবোৰত সদিচ্ছা থকা বিচাৰে আৰু তাত কোনো প্ৰৱঞ্চনা বা চলনা থকাটো উচিত নহয়. সদিচ্ছা প্ৰদৰ্শনৰ এই আইনী কৰ্তব্যটোৰ বাহিৰে, চুক্তিটোৰ বিষয়বস্তু সম্বন্ধীয় যিকোনো তথ্য ক্ৰেতাৰ আগত প্ৰকাশ কৰিবৰ বাবে বিক্ৰেতা বাধ্য নহয়.

ইয়াত পৰিলক্ষিত নিয়মটো হৈছে যে **"ক্ৰেতা সাৱধান"** যাৰ অৰ্থ হৈছে ক্ৰেতাসকল সাৱধান হওক.

চুক্তিটোৰ দুয়োটা ফৈদে বিষয়বস্তুটো ভালদৰে পৰীক্ষা কৰাটো বাঞ্চনীয় যাতে এটা ফৈদে আনটোক বিপথে পৰিচালিত কৰিব নোৱাৰে আৰু যাতে উত্তৰবিলাক সত্যনিষ্ঠভাৱে দিয়ে, আনটো ফৈদে চুক্তিটোৰ পৰা আঁতৰি অহাৰ কোনো প্ৰশ্ন থাকিব নালাগে.

উদাহৰণ

মি. চন্দ্ৰশেখৰে টি.ভি. শ্বৰুম এটা লৈ গৈছে আৰু তেওঁ বিভিন্ন বৈশিষ্ট্যসম্পন্ন আটকধুনীয়া ব্ৰেণ্ডৰ টি.ভি. এটা পছন্দ কৰিছে. বিক্ৰেতা ব্যক্তিজনে তেওঁৰ অভিজ্ঞতাৰ পৰা এইটো জানে যে এই বিশেষ ব্ৰেণ্ডটো বৰ বেছি নিৰ্ভৰযোগ্য নহয় আৰু অতীতত আন গ্ৰাহকৰ বাবে সমস্যাৰ সৃষ্টি কৰিছিল. বিক্ৰীত বেয়া প্ৰভাৱ পেলাব পাৰে বুলি তেওঁ এইটো প্ৰকাশ কৰা নাই.

তেওঁৰ ওপৰত চলনাৰ আৰোপ লগাব পাৰি নেকি ?

যদি পৰিস্থিতিটো বেলেগ হলহেতেন যদি বিক্ৰেতাজনক ব্ৰেণ্ডটো নিৰ্ভৰযোগ্যতা সম্পৰ্কে সোধা হলহেতেন আৰু তেওঁ এইটো বৰ নিৰ্ভৰযোগ্য বুলি প্ৰত্যুত্তৰ দিলেহেতেন?

b) **পৰম সদিচ্ছা**

বীমা চুক্তিটো এটা বেলেগ আধাৰৰ ওপৰত নিৰ্ভৰশীল. বীমাৰ বিষয়বস্তু সম্বন্ধীয় সকলোবোৰ বস্তুনিষ্ঠ তথ্য বীমাকাৰীবোৰ আগত প্ৰকাশ কৰাটো প্ৰস্তাৱকৰ আইনগত দায়িত্ব, যাৰ তাত এই তথ্যবোৰ নাথাকে.

বস্তুনিষ্ঠ তথ্য হল এনেকুৱা তথ্য যিয়ে বীমাকাৰীবোৰক সিদ্ধান্ত লোৱাত সহায় কৰে:

- ✓ তেওঁলোকে ৰিস্কটো গ্ৰহণ কৰিব নে
- ✓ যদি কৰে, তেন্তে প্ৰিমিয়ামৰ হাৰটো কি হব আৰু চৰ্তবোৰ কি হব

সাধাৰণ নিয়মৰ অধীনত পৰম সদিচ্ছাৰ এই আইনী দায়িত্বটো উত্থাপিত. দায়িত্বটো অকল প্ৰস্তাৱকৰ জ্ঞাত বস্তুনিষ্ঠ কাৰকৰ ওপৰত প্ৰয়োগ নহয়, কিন্তু লগতে তেওঁ জানিবলৈ বিচৰা বস্তুনিষ্ঠ কাৰকবোৰলৈও প্ৰসাৰিত হয়.

বীমা চুক্তিবোৰ হল এটা অধিক উচ্চ দায়িত্ববোধৰ বিষয়বস্তু. যেতিয়া এইটো বীমাত প্ৰয়োগ কৰা হয় তেতিয়া সদিচ্ছাৰ চুক্তিবোৰ পৰম সদিচ্ছাৰ চুক্তি হৈ পৰে. “দাবী কৰক বা নকৰক প্ৰস্তাৱিত ৰিস্কটোৰ সৈতে সংলগ্ন সকলোবোৰ বস্তুনিষ্ঠ কাৰক সম্পূৰ্ণভাৱে, সঠিকভাৱে আৰু স্পষ্টভাৱে প্ৰকাশ কৰিবলৈ এটা ধনাত্মক কৰ্তব্য" জড়িত থকাৰ দৰে "পাৰস্পৰিক সদ্ভাৱ" টো ব্যাখ্যা কৰা হয়.

সম্পূৰ্ণ প্ৰকাশটোৱে কি বুজায়?

সকলোবোৰ বস্তুনিষ্ঠ কাৰক প্ৰকাশ কৰিবলৈ আইনে দায়িত্ব এটা প্ৰৱৰ্তন কৰে.

উদাহৰণ

ii. বীমাকৰ্তাৰ দ্বাৰা কাৰকবোৰ বিপথে পৰিচালনা কৰা

বিষয়া এজনে উচ্চৰক্তচাপত ভুগি আছে আৰু অলপতে তেওঁৰ সামান্য হাৰ্ট এটেক এটা সংগঠিত হৈছে, যাৰ পিছত তেওঁ চিকিত্সাৰ পলিচী এটা লবলৈ সিদ্ধান্ত লৈছে কিন্তু তেওঁৰ প্ৰকৃত অৱস্থা সম্পৰ্কে প্ৰকাশ কৰা নাই. প্ৰস্তাৱটো গ্ৰহণ কৰোতে এইদৰে বীমাকাৰীয়ে ঠগ খাব পাৰে কাৰণ বীমাকৰ্তাৰ দ্বাৰা তথ্যৰ ভুল উপস্থাপন কৰা হৈছে.

iii. বীমাকাৰীৰ দ্বাৰা কাৰকবোৰ বিপথে পৰিচালনা কৰা

ব্যক্তি এজনৰ হৃদযন্ত্ৰত জন্মগতভাৱে ছিদ্ৰ আছে আৰু তেওঁ সেইটো প্ৰস্তাৱৰ ফৰ্মত প্ৰকাশ কৰিছে. বীমাকাৰীয়ে প্ৰস্তাৱটো গ্ৰহণ কৰিছে কিন্তু প্ৰস্তাৱকক জনোৱা নাই যে অতিকমেও ৪ বছৰৰ বাবে পৰ্বৰে পৰা থকা বেমাৰবোৰ বীমাই সামৰি নলয়.

c) **বস্তুনিষ্ঠ তথ্য**

বস্তুনিষ্ঠ তথ্যক ৰিস্কটো গ্ৰহণ কৰিবনে নকৰে সিদ্ধান্ত লওঁতে বীমাৰ আণ্ডাৰৰাইটাৰ এজনৰ বিচাৰটো প্ৰভাৱিত কৰা আৰু যদি সেইটো গ্ৰহণ কৰে তেতিয়া প্ৰিমিয়ামৰ হাৰ আৰু অন্য চৰ্তবোৰ নিৰ্ধাৰণ কৰা তথ্য হিচাপে ব্যাখ্যা কৰিব পাৰি.

অপ্ৰকাশিত তথ্য এটা বস্তুনিষ্ঠ হোৱা বা নোহোৱাটো ব্যক্তিগত ঘটনাৰ পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰে আৰু অৱশেষত কেৱল আইনৰ আদালততহে বিবেচনা কৰিব পাৰি. বীমাকৰ্তাই ৰিস্কটো প্ৰভাৱিত কৰিব পৰা তথ্যবোৰ প্ৰকাশ কৰা উচিত.

ব্যক্তি এজনে প্ৰকাশ কৰিবলগীয়া বীমাৰ অন্তৰ্গত বস্তুনিষ্ঠ তথ্যৰ প্ৰকাৰ কিছুমানত চকু ফুৰাও আহক:

i. তথ্যবোৰ সূচিত কৰে যে বিশেষ ৰিস্কে সাধাৰণতকৈ বৃহত ক্ষতি এটা উপস্থাপন কৰে. উদাহৰণবোৰ হল সাগৰত কঢ়িয়াই নিয়া সামগ্ৰীবোৰৰ আপদজনক চৰিত্ৰ; বেমাৰৰ অতীতৰ ইতিহাস

ii. সকলোবোৰ বীমাকাৰীৰ পৰা লোৱা পূৰ্বৰ পলিচীবোৰৰ উপস্থিতি আৰু সিহঁতৰ বৰ্তমানৰ অৱস্থা

iii. বীমাৰ বাবে প্ৰস্তুৱৰ ফৰ্ম বা আবেদন পত্ৰখনত থকা সকলোবোৰ প্ৰশ্ন বস্তুনিষ্ঠ হিচাপে গণ্য কৰা হয়, যিহেতু সেইবোৰ বীমাৰ বিষয়বস্তুৰ বিভিন্ন দিশৰ সৈতে জড়িত আৰু এইবোৰ ৰিস্কৰ দ্বৰা প্ৰভাৱিত. তেওঁলোকে সত্যনিষ্ঠভাৱে আৰু সম্পূৰ্ণভাৱে উত্তৰ দিয়াটো বাঞ্ছনীয়.

তলত উল্লেখিতবোৰ হল বস্তুনিষ্ঠ কাৰকবোৰৰ কিছুমান উদাহৰণ:

উদাহৰণ

i. অগ্নিকাণ্ডৰ বীমা

- ✓ অট্টালিকাৰ নিৰ্মাণ
- ✓ দখল (যেনে অফিচ, বাসস্থান, দোকান, গুদামঘৰ, নিৰ্মাণ গোট, ইত্যাদি)
- ✓ মজুত ৰখা/নিৰ্মাণ কৰা সামগ্ৰীবোৰ চৰিত্ৰ, যেনে, আপদবিহীন, আপদযুক্ত, অতিৰিক্ত আপদযুক্ত ইত্যাদি.

ii. জাহাজৰ বীমা

- ✓ পেক কৰাৰ পদ্ধতি যেনে, হয়তো এখন গানি মোনাত বা দুখন গানি মোনাত, হয়তো নতুন ড্ৰামত বা পুৰণি ড্ৰামত ইত্যাদি.
- ✓ সামগ্ৰীবোৰৰ চৰিত্ৰ (উদাহৰণস্বৰূপে যন্ত্ৰপাতি নতুন নে পুৰণি)

iii. যান-বাহনৰ বীমা

- ✓ ইঞ্জিনৰ কিউবিক দক্ষতা (ব্যক্তিগত গাড়ী)
- ✓ নিৰ্মাণৰ বৰ্ষটো
- ✓ ট্ৰাক এখনৰ বহন ক্ষমতা (টনভাৰ)
- ✓ বাহনখন ব্যৱহাৰ কৰাৰ উদ্দেশ্য
- ✓ ভৌগোলিক অঞ্চলটো যত এইখন ব্যৱহাৰ কৰা হৈছিল

iv. ব্যক্তিগত দূৰ্ঘটনাৰ বীমা

- ✓ বৃত্তিটোৰ প্ৰকৃত চৰিত্ৰ
- ✓ বয়স
- ✓ উচ্চতা আৰু ওজন
- ✓ শাৰীৰিক অক্ষমতা ইত্যাদি.

v. স্বাস্থ্য বীমা

- ✓ হৈ যোৱা কিবা অপাৰেচন
- ✓ যদি মধুমেহ বা উচ্চৰক্তচাপত ভুগি আছে

vi. সাধাৰণ বৈশিষ্ট্যবোৰ

- ✓ পূৰ্বৰ বীমাকাৰীবোৰে প্ৰস্তাৱটো অগ্ৰাহ্য কৰা বা অতিৰিক্ত প্ৰিমিয়াম আৰোপ কৰা, বা বাতিল কৰা, বা পলিচীটো নবীকৰণ কৰিবলৈ অস্বীকাৰ কৰাৰ তথ্যটো
- ✓ প্ৰস্তাৱকে দ্বাৰা পূৰ্বতে ভোগ কৰা ক্ষতিবোৰ

গুৰুত্বপূৰ্ণ

প্ৰকাশ কৰিব নলগা তথ্যবোৰ [বীমাকৰ্তাই নুসুধালৈকে]

আণ্ডাৰৰাইটাৰবোৰ কোনো বিশেষ অনুসন্ধান নকৰালৈকে নিম্নোক্ত কাৰকবোৰ প্ৰকাশ কৰিবলৈ প্ৰস্তাৱকৰ কোনো দায়িত্ব নাথাকে:

i. ৰিস্কটো হ্ৰাস কৰিবলৈ লোৱা ব্যৱস্থাবোৰ

উদাহৰণ: অগ্নিনিৰ্বাপক এটা মজুত ৰখা.

ii. বীমাকৰ্তাৰ অজ্ঞাত তথ্যবোৰ

উদাহৰণ: এজন ব্যক্তি, যিয়ে উচ্চৰক্তচাপত ভুগি আছে কিন্তু পলিচীটো লোৱাৰ সময়ত ইয়াৰ বিষয়ে তেওঁ অজ্ঞাত, গতিকে তেওঁৰ ওপৰত এই তথ্যটো লুকুওৱা বুলি আৰোপিত কৰিব নোৱাৰি.

iii. যথাযুক্ত পৰিশ্ৰমৰ দ্বাৰা আৱিষ্কাৰ কৰিবলগীয়া তথ্যবোৰ. প্ৰতি মুহূৰ্তে বস্তুনিষ্ঠ কাৰক প্ৰকাশ কৰাটো প্ৰয়োজনীয় নহয়. আণ্ডাৰৰাইটাৰবোৰে সেইবোৰ সুধিবৰ বাবে সচেতন হোৱাটো অপৰিহাৰ্য যদি সিহঁতক আগতীয়া তথ্য লাগে.

iv. আইনৰ বিষয়বস্তুবোৰ: প্ৰত্যেকে মাটিৰ আইনবোৰ জনা উচিত.

উদাহৰণ: বিস্ফোৰক মজুত ৰখাৰ বিষয়ে পৌৰ আইন

v. যিবোৰৰ বিষয়ে বীমাকাৰীয়ে উদাসীনতা প্ৰদৰ্শন কৰে [বা আগতীয়া তথ্যৰ প্ৰয়োজনীয়তাটো নস্যাত কৰে]. বীমাকাৰীয়ে পিছলৈ উত্তৰবোৰ সম্পূৰ্ণ বুলি দায়িত্বটো অস্বীকাৰ কৰিব নোৱাৰে.

vi. আৱিষ্কাৰ কৰিব পৰা তথ্যবোৰ: পলিচীটো লোৱাৰ আগতে চিকিত্সা পৰীক্ষা এটাত বীমাকাৰীৰ হৈ চিকিত্সা পৰীক্ষক এজনে BP ৰ জোখ লোৱাৰ দৰে.

---

d) জীৱন বীমাৰ অন্তৰ্গত নোহোৱা বীমাবোৰত প্ৰকাশ কৰাৰ দায়িত্বটো

জীৱন বীমাৰ অন্তৰ্গত নোহোৱা বীমাবোৰত, চুক্তিটোৱে সলনিবোৰ সূচিত কৰাৰ প্ৰয়োজন থকা বা থকাৰ গ্যেৰান্টী দিব. যেতিয়া ৰিস্কটো প্ৰভাৱিত কৰি মুখ্য চুক্তিটো সলনি এটা কৰে, তেতিয়া প্ৰকাশ কৰা দায়িত্বটো বাঢ়ি যায়. যেতিয়া পলিচী এটা বা সামৰি লোৱাৰ টোকা এটা প্ৰদানৰ দ্বাৰা চুক্তিটোৰ সমাপ্তি ঘটে তেতিয়া বস্তুনিষ্ঠ তথ্যবোৰৰ প্ৰকাশ কৰা দায়িত্বটোও সমাপ্ত হয়. পলিচীটো নবীকৰণৰ সময়ত দায়িত্বটো পুনৰ বৃদ্ধি পায়, যদি পলিচীটোৰ সময়চোৱাত; ৰিস্কটোত কিবা সলনি হয়.

উদাহৰণ

ঘৰৰ গৰাকী এজনে অট্টালিকা এটা আৰু ইয়াৰ সামগ্ৰীবোৰ বীমা কৰিছে.

তেওঁ সপ্তাহত এবাৰ ফুৰিবলৈ যায় – তথ্যবোৰত কোনো বস্তুনিষ্ঠ সলনি নাই.

তেওঁ যদি ওপৰত অন্য এটা মহলা নিৰ্মাণ কৰে আৰু তাত এখন সৌন্দৰ্য্যচৰ্চাৰ দোকান দিয়ে তেন্তে ইয়াক ৰিস্কটো সলনি হোৱা বুলি বিবেচনা কৰা হব.

e) পৰম সদিচ্ছাৰ উলংঘন

আমি এতিয়া পৰম সদিচ্ছা উলংঘনৰ সৈতে জড়িত পৰিস্থিতিটো বিবেচনা কৰো আহক. তেনেকুৱা উলংঘন হয়তো প্ৰকাশ নকৰা বা ভুলকৈ উপস্থাপনৰ দ্বাৰা হব পাৰে.

i. প্ৰকাশ নকৰা

- ✓ বস্তুনিষ্ঠ তথ্যবোৰৰ বিষয়ে সাধাৰণতে বীমাকৰ্তাই নিশ্চুপ থাকে কাৰণ বীমাকাৰীয়ে কোনো বিশেষ অনুসন্ধান নকৰে
- ✓ বীমাকাৰীয়ে সোধা প্ৰশ্নবোৰৰ খেলিমেলি উত্তৰ দিয়াৰ জৰিয়তে
- ✓ হয়তো অসাৱধানবশত [ব্যক্তি এজনৰ অজ্ঞাতে বা অনিচ্ছাকৃতভাৱে সংগঠিত হয়] বা প্ৰস্তাৱকে তথ্যটো বস্তুনিষ্ঠ বুলি নভবাৰ বাবে হব পাৰে. তেনেকুৱা ক্ষেত্ৰত এইটো নিৰ্বোধ. যেতিয়া তথ্য এটা উদ্দেশ্যপ্ৰণোদিতভাৱে প্ৰকাশ নকৰাকৈ থাকে তেতিয়া ইয়াক লুকুওৱা হিচাপ গণ্য কৰা হয়. এইক্ষেত্ৰত প্ৰবঞ্চনাৰ উদ্দেশ্য এটা নিহিত হৈ থাকে.

ii. ভুল উপস্থাপন

বীমাৰ চুক্তি এটাৰ বুজাবুজিৰ সময়ত দিয়া উক্ত এটাকে উপস্থাপন বুলি কোৱা হয়. এইটো তথ্যৰ এটা নিশ্চিত উক্তি বা বিশ্বাস, উদ্দেশ্য বা প্ৰত্যাশাৰ এটা উক্তি হব পাৰে.

যেতিয়া এইটো এটা তথ্য হয়, তেতিয়া এইটো যথেষ্ট পৰিমাণে শুদ্ধ বুলি আশা কৰা হয়.

যেতিয়া এইটো বিশ্বাস বা প্ৰত্যাশাৰ বিষয়বস্তু হয়, তেতিয়া এইটো সদিচ্ছাৰে কৰা অপৰিহাৰ্য.

ভুল উপস্থাপনটো দুই ধৰণৰ:

- ✓ **নিৰ্বোধ ভুল উপস্থাপনটো** অশুদ্ধ উক্তিবোৰৰ সৈতে জড়িত, যিবোৰ কোনো প্ৰৱঞ্চনাৰ উদ্দেশ্যে কৰা নহয়, উদাহৰণস্বৰূপে উত্সৱে-পাৰ্বনে ধূম্ৰপান কৰা ব্যক্তি এজনে প্ৰস্তাৱৰ ফৰ্মত সেইটো উল্লেখ নকৰিব পাৰে কাৰণ যিহেতু ধূম্ৰপানটো তেওঁৰ অভ্যাস নহয় গতিকে এইটোৱে কিবা ৰিস্ক বহন কৰিব বুলি তেওঁ নাভাৱে.
- ✓ **প্ৰৱঞ্চনাৰ উদ্দেশ্য কৰা ভুল উপস্থাপনটো** বীমাকাৰীৰ ঠগিবলৈ ইচ্ছাকৃতভাৱে দাঙি ধৰা মিছা উক্তিবোৰ বা সত্যৰ কোনো প্ৰসংগ বিচাৰ নকৰাকৈ উদণ্ডভাৱে দিয়া উক্তিবোৰ. উদাহৰণস্বৰূপে অনবৰতে ধূম্ৰপান কৰা ব্যক্তি এজনে তেওঁৰ ধূম্ৰপান কৰা তথ্যটো ইচ্ছাকৃতভাৱে প্ৰকাশ নকৰিব পাৰে.

বীমা চুক্তি এটা সাধাৰণতে বাতিল হয় যেতিয়া প্ৰৱঞ্চনাৰ উদ্দেশ্য তথ্য গাপ দিয়ে বা যেতিয়াৰ প্ৰৱঞ্চনামূলকভাৱে প্ৰকাশ নকৰাকৈ থাকে বা ভুল উপস্থাপন কৰে. পৰম সদিচ্ছাৰ অন্য উলংঘনবোৰৰ ক্ষেত্ৰত চুক্তিটো অমান্য কৰা বুলি বিবেচিত হব.

উদাহৰণস্বৰূপে, অভিভাৱকে পৰিয়াল ফ্লটাৰ পলিচী এটাত নিজৰ সন্তানক সামৰি লোৱাৰ সময়ত সন্তাৰ জন্মগত সমস্যা এটাৰ বিষয়ে জ্ঞাত নহব পাৰে. তাত প্ৰঞ্চনাৰ কোনো উদ্দেশ্য নিহিত হৈ নাথাকে.

3. বীমাযোগ্য আগ্ৰহ

'বীমাযোগ্য আগ্ৰহ' ৰ উপস্থিতিটো হল প্ৰত্যেক বীমা চুক্তিৰ এটা দৰকাৰী উপাদান আৰু ইয়াক বীমাৰ বাবে আইনী প্ৰয়োজন বুলি বিবেচনা কৰা হয়. আহক আমি চাও বীমাটো কেনেকৈ জুৱা বা মজুৰিৰ চুক্তিতকৈ পৃথক.

a) জুৱা আৰু বীমা

তাচপাতৰ খেল এটা বিবেচনা কৰক, যত ব্যক্তি এজনে হয়তো জিকে বা হাৰে. ব্যক্তিজনে বাজি ধৰাৰ বাবহে লাভ বা লোচকানটো হয়. খেল খেলা ব্যক্তিজনৰ খেলখন জিকাৰ বাহিৰে খেলটোৰ সৈতে আন কোনো আগতীয়া সন্তুষ্টি বা সম্পৰ্ক নাথাকে.

বাজি বা জুৱাৰ চুক্তি আইনৰ মজিয়াত বৈধ নহয় আৰু এইদৰে ইয়াৰ সৈতে জৰিত যিকোনো চুক্তি বৈধ বুলি গণ্য কৰা হব. যদি কোনোবাই ঘৰটো বন্ধকত ৰাখে আৰু তাচ খেলত হাৰে, তেন্তে আনটো ফৈদে ইয়াৰ পূৰ্ণতাটো নিশ্চিত কৰিবলৈ আদালতৰ কাষ চাপিব নোৱাৰে.

এতিয়া ঘৰ এটা আৰু এইটো অগ্নিকাণ্ডত জাহ যোৱা ঘটনাটো বিবেচনা কৰক. ঘৰটো বীমা কৰা ব্যক্তিজনৰ বীমাৰ বিষয়বস্তুৰ সৈতে এটা আইনী সম্পৰ্ক আছে – ঘৰটো. তেওঁ এইটোৰ গৰাকী আৰু যদি এইটো ধ্বংস বা নষ্ট কৰে তেতিয়া তেওঁ আৰ্থিক অনাটনৰ সন্মুখীন হব. জুই লাগিলেও বা নালাগিলেও মালিকীস্বত্বৰ এই সম্পৰ্কটো বৰ্তি থাকে, আৰু এইটো সম্পৰ্কটোৰ লোচকান পিনে ঠেলি দিয়ে. ব্যক্তি এজনৰ বীমা থাকক বা নাথাকক ঘটনাটোৱে [অগ্নিকাণ্ড বা চুৰি] ক্ষতিৰ সৃষ্টি কৰে.

তাচপাতৰ খেলত কোনোবাই জিকে বা কোনোবাই হাৰে, কিন্তু অগ্নিকাণ্ডই কেৱল এটাই ফলাফল দিয়ে – ঘৰৰ গৰাকীৰ ক্ষতি.

গৰাকীয়ে সন্মুখীন হোৱা ক্ষতিটোৰ বাবে কিছুপৰিমাণে ক্ষতিপূৰণ পোৱাটো নিশ্চিত কৰিবলৈ বীমা গ্ৰহণ কৰে.

বীমাকৰ্তা এজনৰ তেওঁৰ ঘৰ বা টকা-পইচাৰ প্ৰতি থকা আগ্ৰহটোকে বীমাৰ বাবে আগ্ৰহ বুলি কোৱা হয়. বীমাৰ বাবে থকা আগ্ৰহটোৱে বীমা চুক্তি এটা বৈধ আৰু আইনৰ প্ৰযোজ্য কৰি তোলে.

গুৰুত্বপূৰ্ণ

বীমাযোগ্য আগ্ৰহৰ তিনিটা প্ৰয়োজনীয় উপাদান:

1. তাত সম্পত্তি, অধিকাৰ, আগ্ৰহ, জীৱন বা বীমা কৰিবলৈ সক্ষম শক্তিশালী দায়িত্ববোধ থকাটো অপৰিহাৰ্য.
2. তেনেকুৱা সম্পত্তি, অধিকাৰ, আগ্ৰহ, জীৱন বা শক্তিশালী দায়িত্ববোধ বীমাৰ বিষয়বস্তু হোৱাটো অপৰিহাৰ্য.
3. বীমাকৰ্তাই বিষয়বস্তুটোৰ সৈতে এটা আইনী সম্পৰ্ক বহন কৰাটো অপৰিহাৰ্য যাতে সম্পত্তিটো, অধিকাৰ, জীৱন বা দায়িত্ববোধৰ স্বাধীনতাৰ দ্বাৰা তেওঁ লাভান্বিত হব পাৰে. একেধৰণে যিকোনো ক্ষতি, নষ্ট, আঘাত বা দায়িত্ববোধ সৃষ্টিৰ বাবে তেওঁ খিয় দিয়াটো অপৰিহাৰ্য.

উদাহৰণ

দৃশ্যপট 1

মি. চন্দ্ৰশেখৰে ঘৰ এটা কিনিছিল যাৰ বাবে তেওঁ বেংকৰ পৰা ১৫ লাখ টকাৰ মৰ্টগেজ ঋণ লৈছিল.

ঘৰটোত তেওঁৰ বীমাযোগ্য আগ্ৰহ থাকিব নে?
ঘৰটোৰ প্ৰতি বেংকৰ বীমাযোগ্য আগ্ৰহ এটা থাকিব নে?
তেওঁৰ ওচৰ-চুবুৰীয়াৰ বিষয়ে কি কয়?

দৃশ্যপট 2

মি. শ্ৰীনিবাসনৰ পত্নী, দুটা সন্তান আৰু বুঢ়া পিতৃ-মাতৃকে ধৰি এটা পৰিয়াল আছে.

সিহঁতৰ মংগলৰ বাবে তেওঁৰ বীমাযোগ্য আগ্ৰহ এটা আছে নে?
যদি সিহঁতৰ কোনোবা এজন যদি চিকিত্সাধীন হব লগা হয় তেন্তে তেওঁ আৰ্থিক ক্ষতিৰ সন্মুখীন হব নেকি?

তেওঁৰ ওচৰ-চুবুৰীয়াৰ সন্তাৰ প্ৰতি কি চিন্তা কৰে? তেওঁৰ সিহঁতৰ প্ৰতি বীমাযোগ্য আগ্ৰহ আছে নে?

বীমাৰ বিষয়বস্তু আৰু বীমা চুক্তি এটাৰ বিষয়বস্তুৰ মাজত প্ৰভেদ দেখুৱাবৰ বাবে ইয়াত এইটো প্ৰাসংগিক হব.

বীমাৰ বিষয়বস্তুটো বীমা কৰা সম্পত্তিটোৰ সৈতে জড়িত, যাৰ এটা নিজস্ব সাম্ভাব্য মান আছে.

আনহাতে বীমা চুক্তি এটাৰ বিষয়বস্তু হল উক্ত সম্পত্তিটোৰ প্ৰতি বীমাকৰ্তাৰ বিত্তীয় আগ্ৰহটো. বীমাকৰ্তাৰ সম্পত্তিটোৰ প্ৰতি তেনেকুৱা আগ্ৰহ এটা থাকিলেহে বীমা কৰিবৰ বাবে তেওঁৰ আইনী অধিকাৰ থাকে. কোঠৰ দৃষ্টিত বীমা পলিচীটোৱে সম্পত্তিটো প্ৰত্যক্ষভাৱে সামৰি নলয়, কিন্তু সম্পত্তিটোৰ প্ৰতি থকা বীমাকৰ্তাৰ আৰ্থিক আগ্ৰহটো সামৰি লয়.

উদাহৰণ

মি. চন্দ্ৰশেখৰে বেংকৰ পৰা ১৫ লাখ টকাৰ মৰ্টগেজ ঋণ লৈ কিনা ঘৰটোৰ কথা বিবেচনা কৰক. যদি এই পৰিমাণটো ১২ লাখ টকা তেওঁ পৰিশোধ কৰে, তেন্তে বেংকৰ সুতটো কেৱল বাকী থকা তিনিলাখৰ বাবে প্ৰযোজ্য হব.

এইদৰে বেংকৰও পৰিশোধ কৰিবলৈ বাকী থকা ঋণৰ পৰিমাণটোৰ বাবে ঘৰটোৰ প্ৰতি আৰ্থিকভাৱে বীমাযোগ্য আগ্ৰহ এটা থাকে আৰু পলিচীটোৰ এজন সহবীমাকৰ্তা হোৱাটো নিশ্চিত কৰিব.

যদি ব্যক্তি এজনে ইচ্ছাকৃতভাৱে সম্পত্তিটো অগ্নি সংযোগ কৰে আৰু পলিচীটোৰ অধীনত ক্ষতিপূৰণৰ দাবী কৰে, তেন্ত তেনেকুৱা দাবীবোৰ স্পষ্টভাৱে প্ৰৱঞ্চনামূলক হিচাপে গণ্য কৰা হয় আৰু বিচাৰযোগ্যভাৱে অগ্ৰাহ্য কৰা হব.

b) বীমাযোগ্য আগ্ৰহ উপস্থিত থাকিবলগীয়া সময়টো

অগ্নিকাণ্ড বা দূৰ্ঘটনা বীমাৰ ক্ষেত্ৰত, পলিচীটো লোৱা আৰু ক্ষতি সংঘটিত হোৱা উভয় ক্ষেত্ৰতে বীমাযোগ্য আগ্ৰহটো থকাৰ প্ৰয়োজন.

স্বাস্থ্য আৰু ব্যক্তিগত দূৰ্ঘটনা বীমাৰ ক্ষেত্ৰত নিজৰ বাহিৰেও প্ৰস্তাৱকে পৰিয়ালৰও বীমা কৰিব পাৰে কাৰণ যদি পৰিয়ালটো দুৰ্ঘটনাৰ সন্মুখীন হয় বা চিকিত্সাধীন হব লগা হয় তেন্তে তেওঁ / তেখেত বিত্তীয় ক্ষতিৰ সন্মুখীন হব. সেইদৰে জাহাজৰ সামগ্ৰীৰ বীমাৰ ক্ষেত্ৰত কেৱল ক্ষতিৰ সময়তহে বীমাযোগ্য আগ্ৰহটোৰ প্ৰয়োজনীয়তা আহি পৰে.

4. আসন্ন কাৰক

কেৱল জীৱন বীমাৰ অন্তৰ্গত নোহোৱা বীমাত প্ৰয়োগ কৰা আইনী নীতিবোৰৰ শেষৰটো হল আসন্ন কাৰকৰ নীতিটো.

জীৱনহীন বীমা চুক্তিবোৰে বীমাৰ ধন প্ৰদান কৰে কেৱল যদিহে উদ্ভৱ হোৱা ক্ষতিবোৰ বীমাকৃত সংকটবোৰৰ দ্বাৰা সংঘটিত হয়, যিটো পলিচীটোৰ দ্বাৰা সামৰিলোৱা হয়. যিকোনো দাবী এটা বিবেচনা কৰাৰ ক্ষেত্ৰত ক্ষতি বা নষ্টৰ প্ৰকৃত কাৰণ নিৰ্ধাৰণ কৰাটো হল এটা মৌলিক পদক্ষেপ.

আসন্ন কাৰক হল বীমাৰ এটা মুখ্য নীতি আৰু এইটো প্ৰকৃততে ক্ষতি বা নষ্ট কেনেকৈ সংগটিত হয় তাৰ প্ৰতি সচেতন আৰু হয়তো এইটো নিশ্চিতভাৱে এটা বীমা কৰা সংকটৰ ফলাফল হোৱাটো বঞ্চনীয়.

এই নিয়মটোৰ অধীনত বীমাকাৰীয়ে ক্ষতিৰ সৃষ্টি কৰা ঘটনাবোৰৰ শৃংখলটো ছেট কৰা প্ৰধান কাৰণটো বিচাৰে, এইটো তাত্ক্ষণিকভাৱে ক্ষতি সাধন কৰা শেহতীয়া ঘটনা নহবও পাৰে যেনে, এইটো ক্ষতি কৰাটোৰ আটাইতকৈ ওচৰৰ বা তাত্ক্ষণিকটো হব পাৰে.

দুৰ্ভাগ্যবশত, যেতিয়া ক্ষতি এটাৰ উদ্ভৱ হয় তেতিয়া তাত ঘটনাটো সংগটিত হোৱাৰ আগতে আন কেইবাটাও ঘটনা সংগটিত হব পাৰে আৰু সেয়ে কেতিয়াবা আটাইতকৈ ওচৰৰ বা আসন্ন কাৰকটো নিৰ্ণয় কৰা অত্যন্ত কঠিন হৈ পৰে.

উদাহৰণস্বৰূপে, অগ্নিকাণ্ড এটাই পানীৰ পাইপ এডালৰ বিস্ফোৰণ ঘটাব পাৰে. যদিও অন্তিম পৰিণামটো পানীৰ দ্বাৰা হোৱা নষ্টৰ অন্তৰ্গত হব, কিন্তু তথাপিও অগ্নিকাণ্ডটোক ঘটনাটোৰ আসন্ন কাৰক হিচাপে বিবেচনা কৰা হব.

সংজ্ঞা

আসন্ন কাৰক সক্ৰিয় আৰু সক্ষম কাৰক হিচাপে ব্যাখ্যা কৰা হয় যিয়ে ঘটনাবোৰৰ শৃংখল এটা প্ৰতিষ্ঠা কৰে আৰু ফলাফল এটা দিয়ে, যিকোনো শক্তিৰ হস্তক্ষেপ অবিহনে এটা নতুন আৰু স্বীন উত্সৰ পৰা আৰম্ভ কৰে আৰু সক্ৰিয়ভৱে কাৰ্য কৰে.

আসন্ন কাৰকৰ নীতিটো বুজিবলৈ নিম্নোক্ত পৰিস্থিতিবোৰ বিবেচনা কৰক:

উদাহৰণ

দৃশ্যপট 1

অজয়ৰ গাড়ীখন চুৰি হল. দুদিনৰ পিছত, আৰক্ষীয়ে ক্ষতিগ্ৰস্ত অৱস্থাত গাড়ীখন উদ্ধাৰ কৰিলে. অনুসন্ধানত প্ৰকাশ পাইছে যে চোৰ গাড়ীখন গছ এজোপাত খুন্দিয়াইছিল. গাড়ীখনত হোৱা ক্ষতিৰ বাবে অজয়ে বীমা কোম্পানীৰ ওচৰ দাবী এটা উত্থাপন কৰিছিল. অজয়ক আচৰিত কৰি কোম্পানীয়ে দাবীটো অগ্ৰাহ্য কৰিছিল. বীমা কোম্পানীৰ মতে গাড়ীখন ক্ষতিগ্ৰস্ত হোৱাৰ কাৰণটো হল চুৰিকাণ্ডটো আৰু যিটো অজয়ে তেওঁৰ গাড়ীখনৰ বাবে লোৱা বীমা পলিচীটোৰ বাহিৰৰ এটা সংকট আৰু সেয়ে দাবীটো পৰিশোধ কৰিবৰ বাবে বীমা কোম্পানী দায়বদ্ধ নহয়.

দৃশ্যপট 2

মি. পিন্টোই ঘোঁৰা চেকুৰাই থাকোতে মাটিত পৰি গৈছিল আৰু তেওঁৰ ভৰি ভাগিছিল, চিকিত্সালয়লৈ নিয়াৰ আগতে তেওঁ বোকা মাটিত বহু সময় ধৰি পৰি আছিল, ফলত তেওঁৰ জ্বৰ হৈছিল আৰু পিছলৈ নিউমোনিয়াত আক্ৰান্ত হৈ তেওঁৰ মৃত্যু হৈছিল. এইক্ষেত্ৰত যদিও নিউমোনিয়াটোক তাত্ক্ষণিক কাৰক হিচাপে দেখা গৈছিল, তথাপিও দূৰ্ঘটনামূলকভাৱে মাটিত পৰাটোকহে আসন্ন কাৰক হিচাপে গণ্য কৰা হৈছিল আৰু দাবীটো ব্যক্তিগত দূৰ্ঘটনা বীমাৰ অধীনত নিযুক্ত কৰা হৈছিল.

কিছুমান নিৰ্দিষ্ট ক্ষতি আছে যিবোৰ অগ্নিকাণ্ডৰ ফলত সংগটিত হয় কিন্তু সেইবোৰক অগ্নিকাণ্ডই আসন্নভাৱে সংগটিত কৰা বুলি কব নোৱাৰি. সচৰাচৰ এই ক্ষতিবোৰৰ কিছুমান অগ্নিকাণ্ডৰ বীমা পলিচীবোৰৰ অধীনস্থ ব্যৱসায়ৰ দ্বাৰা বিশিষ্টভাৱে পৰিশোধ কৰা হয়

তেনেকুৱা ক্ষতিবোৰ উদাহৰণ হব পাৰে –

- ✓ অগ্নি নিৰ্বাপণ কৰিবলৈ ব্যৱহাৰ কৰা পানীৰ দ্বাৰা সম্পত্তি নষ্ট হোৱা
- ✓ অগ্নি নিৰ্বাপক বাহিনীয়ে সিহঁতৰ কৰ্তব্য সমাপন কৰোতে সম্পত্তিৰ ক্ষতি হোৱা
- ✓ জুই লগা অট্টালকা এটাৰ পৰা সুৰক্ষিত স্থানলৈ স্থানান্তৰ কৰোতে সম্পত্তিৰ ক্ষতি হোৱা

নিজক পৰীক্ষা কৰক 3

ঘোঁৰাত চেকুৰাই দূৰ্ঘটনাত পতিত হোৱাৰ পিছত বহু সময় বোকা মাটিত পৰি থকা বাবে মি. পিন্টোই নিউমোনিয়াত আক্ৰান্ত হৈছিল. নিউমোনিয়াৰ ফলস্বৰূপে মি. পিন্টোৰ মৃত্যু হৈছিল. মৃত্যুৰ আসন্ন কাৰকটো কি?

I. নিউমনিয়া
II. ঘোঁৰা
III. ঘোঁৰা দৌৰৰ ফলত হোৱা দূৰ্ঘটনা
IV. দুৰ্ভাগ্য

সাৰাংশ

a) বীমাৰ প্ৰক্ৰিয়াটোতো চাৰিটা উপাদান আছে (সম্পত্তি, ৰিস্ক, ৰিস্ক পুলিং আৰু এটা বীমা চুক্তি).

b) গৰাকীক আৰ্থিক মূল্য আৰ মুনাফা প্ৰদান কৰা যিকোনো বস্তুৱে এটা সম্পত্তি হব পাৰে.

c) ক্ষতিৰ সম্ভাৱনা এটাই ৰিস্কটোক উপস্থাপন কৰে.

d) চৰ্তটো বা চৰ্তবোৰ যিয়ে ক্ষতি এটাৰ সম্ভাৱনা বা গভীৰতা বৃদ্ধি কৰে, সেইবোৰক আপদ বুলি কোৱা হয়.

e) বীমা সম্ভৱপৰ কৰি তোলা গাণিতিক নীতিটোক ৰিস্ক পুলিংৰ নীতি হিচাপে জনাজায়.

f) এটা বৈধ চুক্তিৰ উপাদানবোৰ হল প্ৰস্তাৱ আৰু সন্মতি, বিবেচনা, বৈধতা, ফৈদবোৰৰ দক্ষতা আৰু ফৈদবোৰৰ মাজৰ সন্মতিটো.

g) আকস্মিক ঘটনাটোৰ উদ্ভৱৰ ফলত সন্মুখীন হোৱা ক্ষতিটো অনুযায়ী বীমাকৰ্তাক ক্ষতিপূৰণ প্ৰদান কৰাটো বীমাৰ ধনে নিশ্চিত কৰে.

h) প্ৰস্থাপন মানে হল বীমাৰ বিষয়বস্তু হিচাপে বীমাকৰ্তাৰ পৰা বীমাকাৰীলৈ সকলোবোৰ অধিকাৰ আৰু প্ৰতিকাৰ সলনি কৰা.

i) বৰঙণিৰ নীতিটোৱে বুজায় যে যদি একেটা সম্পত্তি এটাতকৈ বেছি বীমা কোম্পানীৰ দ্বাৰা বীমা কৰিছে, তেন্তে আটাইবোৰ বীমাকাৰীয়ে একেলগে প্ৰদান কৰা ক্ষতিপূৰণটো সন্মুখীন হোৱা প্ৰকৃত ক্ষতিৰ পৰিমাণটোতকৈ বেছি হব নোৱাৰে.

j) সকলোবোৰ বীমা চুক্তি পাৰস্পৰিক সদ্ভাৱৰ নীতিটোৰ ওপৰত আধাৰিত.

k) 'বীমাযোগ্য আগ্ৰহ' বৰ্তি থকাটো হল প্ৰত্যেক বীমা চুক্তিৰ এটা প্ৰয়োজনীয় উপাদান আৰু ইয়াক বীমাৰ বাবে এটা আইনগত চৰ্ত হিচাপে বিবেচনা কৰা হয়.

l) আসন্ন কাৰক হল বীমাৰ এটা মুখ্য নীতি আৰু প্ৰকৃততে ক্ষতি বা নষ্টটো কেনেকৈ সংগঠিত হৈছে তাৰ সৈতে এইটো জড়িত আৰু এইটো বীমাকৃত সংকট এটাৰ ফলত হোৱাটো আৱশ্যকীয়.

মুখ্য পদবোৰ

a) সম্পত্তি
b) ৰিস্ক
c) আপদ
d) ৰিস্ক পুলিং
e) প্ৰস্তাৱ আৰু সন্মতি
f) আইন সন্মত বিবেচনা
g) সহমত
h) পাৰস্পৰিক সদ্ভাৱ
i) বস্তুনিষ্ঠ কাৰকবোৰ
j) বীমাযোগ্য আগ্ৰহ
k) প্ৰস্থাপন
l) বৰঙণি
m) আসন্ন কাৰণ

নিজক পৰীক্ষা কৰিবলৈ উত্তৰবোৰ

উত্তৰ 1

শুদ্ধ বিকল্পটো হল II.

চুৰি সামগ্ৰীবোৰে বৈধতাৰ নীতিটো উলংঘন কৰে আৰু সেয়েহে সেইবোৰে বীমাযোগ্য ৰিস্ক এটা প্ৰদৰ্শন নকৰে.

উত্তৰ 2

শুদ্ধ বিকল্পটো হল II.

বাধ্যবাধকতাটো এটা বৈধ চুক্তিৰ উপাদান নহয়.

উত্তৰ 3

শুদ্ধ বিকল্পটো হল III.

ঘোঁৰা চেকুৰাই সংগটিত হোৱা দূৰ্ঘটনাটোৰ ফলস্বৰূপে বাকীবোৰ ঘটনা সংগটিত হৈছিল আৰু অন্তত মি. পিন্টোৰ মৃত্যু হৈছিল আৰু সেয়েহে এইটো হল আসন্ন কাৰক.

নিজক পৰীক্ষা কৰা প্ৰশ্নবোৰ

প্ৰশ্ন 1

নৈতিক আপদ মানে হল:

I. ব্যক্তি এজনৰ অসাধুতা বা চৰিত্ৰৰ দোষ
II. ব্যক্তি এজনৰ সাধুতা আৰু মূল্যবোধ
III. ধৰ্মীয় বিশ্বাসবোৰৰ ৰিস্ক
IV. বীমা কৰিবলগীয়া সম্পত্তিটোৰ আপদ

প্ৰশ্ন 2

ৰিস্কে সূচায়:

I. অজ্ঞাত ভয়
II. ক্ষতিৰ সম্ভাৱনা
III. ৰাজহুৱা স্থানত হোৱা হাইউৰুমি
IV. আপদ

প্ৰশ্ন 3

_____ মানে হল ব্যক্তি এজনৰ বীমা বিভিন্ন ধৰণৰ সম্পত্তিবোৰত বিয়পাই দিয়া.

I. পুলিং
II. বিবিধতা
III. জুৱা
IV. গতিশীল ৰিস্ক

প্ৰশ্ন 4

_____ সম্পত্তি এটাৰ উদাহৰণ নহয়.

I. ঘৰ
II. সূৰ্যৰ কিৰণ
III. প্ল্যান্ট আৰু যন্ত্ৰপাতি
IV. মটৰ গাড়ী

প্ৰশ্ন 5

_____ ৰিস্কৰ এটা উদাহৰণ নহয়.

I. দুৰ্ঘটনাৰ বাবে গাড়ী এখন নষ্ট হোৱা
II. বৰষুণৰ পানীৰ বাবে সামগ্ৰী নষ্ট হোৱা
III. পুৰণি হোৱাৰ ফলত স্বাভাৱিকভাৱে গাড়ীৰ টায়াৰ নষ্ট হোৱা
IV. অগ্নিকাণ্ডৰ ফলত সম্পত্তি নষ্ট হোৱা

প্ৰশ্ন 6

ভূমিকম্প হল এটা উদাহৰণ:

I. বিনাশকাৰী ৰিস্কৰ
II. গতিশীল ৰিস্কৰ
III. অতি কম ৰিস্কৰ
IV. কাল্পনিক ৰিস্কৰ

প্ৰশ্ন 7

উক্তিটোৰ বাবে আটাইতকৈ উপযুক্ত যুক্তিসন্মত বিচাৰটো নিৰ্বাচন কৰক.

উক্তি: বীমাই সম্পত্তি এটাক ক্ষতি বা নষ্টৰ পৰা সুৰক্ষিত কৰিব নোৱাৰে.

I. সঁচা
II. মিছা
III. আংশিকভাৱে সঁচা
IV. প্ৰয়োজনমতে সঁচা নহয়

প্ৰশ্ন 8

_____ মানে হল বীমাৰ বিষয়বস্তু হিচাপে বীমাকৰ্তাৰ পৰা বীমাকাৰীলৈ সকলোবোৰ অধিকাৰ আৰু প্ৰতিকাৰ সলনি কৰা.

I. বৰঙণি
II. প্ৰস্থাপন
III. নৈতিক আপদ
IV. ৰিস্ক পুলিং

প্ৰশ্ন 9

বীমাকাৰীয়ে নুসুধালৈকে প্ৰকাশ কৰাৰ প্ৰয়োজন নথকা কাৰক এটাৰ উদাহৰণ হল _____.

I. বীমাকৰ্তাৰ বয়স
II. অগ্নিনিৰ্বাপকৰ উপস্থিতি
III. হৃদযন্ত্ৰৰ বেমাৰ
IV. বীমাৰ অন্য সবিশেষ

প্ৰশ্ন 10

_____ হল চুক্তি এটাৰ বুজাবুজিৰ সময়ত দিয়া এটা ভুল উক্তি.

I. ভুল-উপস্থাপন
II. বৰঙণি
III. প্ৰস্তাৱ
IV. উপস্থাপন

নিজক পৰীক্ষা কৰা প্ৰশ্নবোৰৰ উত্তৰবোৰ

উত্তৰ 1

শুদ্ধ বিকল্পটো হল I.

নৈতিক আপদ মানে হল ব্যক্তি এজনৰ অসাধুতা বা চৰিত্ৰৰ দোষ.

উত্তৰ 2

শুদ্ধ বিকল্পটো হল II.

'ৰিস্ক' য়ে ক্ষতিৰ সম্ভাৱনা এটা বুজায়.

উত্তৰ 3

শুদ্ধ বিকল্পটো হল II.

বিবিধতা মানে হল ব্যক্তি এজনৰ বীমা বিভিন্ন ধৰণৰ সম্পত্তিবোৰত বিয়পাই দিয়া.

উত্তৰ 4

শুদ্ধ বিকল্পটো হল II.

সূৰ্যৰ কিৰণক সম্পত্তি হিচাপে শ্ৰেণীবিভাগ কৰিব নোৱাৰি যিহেতু ইয়াৰ কেতিয়াও অভৱ নহয় আৰু কোনো গৰাকী নাথাকে.

উত্তৰ 5

শুদ্ধ বিকল্পটো হল III.

পুৰণি হোৱাৰ ফলত স্বাভাৱিকভাৱে গাড়ীৰ টায়াৰ নষ্ট হোৱাটোক ৰিস্ক হিচাপে গণ্য কৰিব নোৱাৰি.

উত্তৰ 6

শুদ্ধ বিকল্পটো হল I.

ভূমিকম্প হল এটা বিনাশকাৰী ৰিস্কৰ উদাহৰণ.

উত্তৰ 7

শুদ্ধ বিকল্পটো হল I.

বীমাই সম্পত্তি এটাক ক্ষতি বা নষ্টৰ পৰা সুৰক্ষিত কৰিব নোৱাৰে.

উত্তৰ 8

শুদ্ধ বিকল্পটো হল II.

প্ৰস্থাপন মানে হল বীমাৰ বিষয়বস্তু হিচাপে বীমাকৰ্তাৰ পৰা বীমাকাৰীলৈ সকলোবোৰ অধিকাৰ আৰু প্ৰতিকাৰ সলনি কৰা.

উত্তৰ 9

শুদ্ধ বিকল্পটো হল II.

বীমা কিনাৰ সময়ত নুসুধালৈকে অগ্নিনিৰ্বাপকৰ উপস্থিতিটো প্ৰকাশ কৰাৰ প্ৰয়োজন নাই.

উত্তৰ 10

শুদ্ধ বিকল্পটো হল I.

ভুল-উপস্থাপন হল চুক্তি এটাৰ বুজাবুজিৰ সময়ত দিয়া এটা ভুল উক্তি.

অধ্যায় 23

নথি প্ৰস্তুত

পাঠ পৰিচয়

বীমা উদ্যোগত আমি যথেষ্ট সংখ্যক ফৰ্ম, নথি ইত্যাদিৰ সৈতে লেনদেন কৰো. এই পাঠটোৱে আমাক বিভিন্ন নথি আৰু বীমা চুক্তি এটাত সিহঁতৰ গুৰুত্বৰ বিষয়ে অৱগত কৰে. এইটোৱে লগতে প্ৰত্যেকখন ফৰ্মৰ অন্তৰ্দৃষ্টি চৰিত্ৰ, ইয়াক কেনেকৈ পূৰ কৰিব লাগে আৰু নিৰ্দিষ্ট তথ্য বিচৰাৰ কাৰণবোৰ অৱগত কৰে.

পাঠটোৰ পৰা শিকিবলগীয়াবোৰ

A. প্ৰস্তাৱৰ ফৰ্মবোৰ
B. প্ৰস্তাৱটো স্বীকাৰ (আণ্ডাৰৰাইটিং)
C. প্ৰিমিয়ামৰ ৰছিদ
D. প্ৰচ্ছেদৰ টোকাবোৰ / বীমাৰ প্ৰমাণপত্ৰ / পলিচী নথি
E. আশ্বাসবোৰ
F. দক্ষতাৰ ৰছিদবোৰ
G. পলিচীবোৰৰ ব্যাখ্যা
H. নবীকৰণৰ জাননী

এই পাঠটো পঢ়াৰ পিছত আপুনি সক্ষম হব:

a) প্ৰস্তাৱৰ ফৰ্মৰ বিষয়বস্তুবোৰ ব্যাখ্যা কৰিবলৈ.
b) প্ৰিমিয়ামৰ ৰছিদ ব্যাখ্যা কৰিবলৈ.
c) বীমাৰ প্ৰমাণপত্ৰ আৰু প্ৰচ্ছেদ টোকাবোৰ বৰ্ণনা আৰু প্ৰশংখা কৰিবলৈ.
d) বীমা পলিচী নথিত চৰ্ত আৰু কথাবোৰ বৰ্ণনা কৰিবলৈ.
e) পলিচীৰ আশ্বাসবোৰ আৰু দক্ষতাৰ ৰছিদ ব্যাখ্যা কৰিবলৈ.

A. প্ৰস্তাৱৰ ফৰ্মবোৰ

বীমাৰ নথি প্ৰস্তুতকৰণটো বীমাকাৰী আৰু বীমাকৰ্তাৰ মাজত বুজাবুজি আৰু স্বচ্ছতা অনাৰ উদ্দেশ্যে আগবঢ়োৱা হয়. কিছুমান নিৰ্দিষ্ট নথি আছে যিবোৰ বীমা ব্যৱসায়ত পৰম্পৰাগতভাৱে ব্যৱহাৰ কৰা হয়. গ্ৰাহকৰ অত্যন্ত ওচৰৰ ব্যক্তি হিচাপে বীমা এজেন্টে গ্ৰাহকৰ মুখামুখি হব লাগে আৰু নথিবোৰ সম্বন্ধীয় থকা সকলো সন্দেহৰ অৱকাশ ঘটাব লাগে আৰু সেইবোৰ পূৰাওতে তেখেতক সহায় কৰিব লাগে. গ্ৰাহকে জমা দিয়া নথিবোৰৰ পৰা বীমা কোম্পানীয়ে গ্ৰাহকজন আৰু তেখেতৰ প্ৰয়োজনবোৰৰ বিষয়ে জানিবলৈ সক্ষম হয়.

এজেন্টবোৰে সম্পৰ্কী প্ৰত্যেকখন নথিৰ উদ্দেশ্য আৰু গুৰুত্ব আৰু বীমাত ব্যৱহাৰ কৰা নথিত থকা তথ্যৰ প্ৰাসংগিতা বুজি পোৱা উচিত.

1. প্ৰস্তাৱৰ ফৰ্মবোৰ

নথি প্ৰস্তুতকৰণৰ প্ৰথম স্তৰটো হল প্ৰস্তাৱৰ ফৰ্মবোৰ যাৰ জৰিয়তে বীমাকৰ্তাক জনোৱা হয়:

- ✓ তেখেত কোন হয়,
- ✓ তেখেতক কেনেকুৱা ধৰণৰ বীমাৰ প্ৰয়োজন,
- ✓ তেখেতে কি বীমা কৰিব বিচাৰিছে তাৰ পূংখানুপূংখ বিৱৰণ, আৰু
- ✓ কিমান সময়সীমাৰ বাবে

পূংখানুপূংখ বিৱৰণটোৱে বীমাৰ বিষয়বস্তুৰ সৈতে সম্পৰ্কীয় সকলোবোৰ বস্তুনিষ্ঠ তথ্য আৰু আৰ্থিক মূল্যক বুজায়.

a) বীমাকৰীৰ দ্বাৰা ৰিস্কৰ মূল্যাংকন

i. "প্ৰস্তাৱৰ ফৰ্ম" খন প্ৰস্তাৱকে বীমাৰ বাবে, ৰিস্ক এটাৰ বাবে বীমাকাৰীয়ে বিচৰা সকলোবোৰ বস্তুনিষ্ঠ তথ্য প্ৰকাশ কৰিবৰ বাবে, বীমাকৰ্তাক নিম্নোক্ত সিদ্ধান্তবোৰ লোৱাত সক্ষম কৰিবলৈ পূৰ কৰিব লাগে:

- ✓ স্বীকাৰ কৰিব নে অগ্ৰাহ্য কৰিব আৰু
- ✓ ৰিস্ক এটা স্বীকাৰ কৰাৰ ক্ষেত্ৰত নিৰিখ, অনুমোদন দিবলগীয়া সামৰি লোৱাৰ নিয়ম আৰু চৰ্তবোৰ

প্ৰস্তাৱৰ ফৰ্মে বীমাৰ বাবে আগবঢ়োৱা ৰিস্কটো গ্ৰহণ কৰাৰ ক্ষেত্ৰত বীমা কোম্পানীৰ বাবে উপযোগী তথ্যবোৰ ধাৰণ কৰে. বীমাৰ বাবে পৰম সদিচ্ছাৰ নীতিটো আৰু বস্তুনিষ্ঠ তথ্য প্ৰকাশৰ কৰ্তব্যটো প্ৰস্তাৱৰ ফৰ্মৰ সৈতে থাকিব লাগে.

বস্তুনিষ্ঠ তথ্য প্ৰকাশৰ কৰ্তব্যটো পলিচীটো আৰম্ভ হোৱাৰ আগতে উদ্ভৱ হয়, আৰু চুক্তিটো সম্পন্ন হোৱাৰ পিছলৈকে অব্যাহত থাকে. (এই নীতিটোৰ বিষয়ে পাঠ ২ত বিস্তৃতভাৱে আলোচনা কৰা হৈছে)

উদাহৰণ

যদি বীমাকৰ্তাই সংকেত দিয়া যন্ত্ৰ এটা তত্বাৱধান কৰাটো দাবী কৰিছিল বা কৈছিল যে তেওঁৰ সোণৰ জুৱেলাৰীৰ শ্বৰুমত এটা স্বয়ংক্ৰিয় সংকেত দিয়া যন্ত্ৰ আছে, তেতিয়া তেওঁ এইটো কেৱল প্ৰকাশ কৰাই নহয় তেওঁ লগতে পলিচীটো চলি থকা সময়চোৱাত এইটো কাৰ্যকৰী অৱস্থাত থকাৰ বিষয়ে নিশ্চয়তা প্ৰদান কৰিব লাগে. সংকেত দিয়া যন্ত্ৰৰ উপস্থিতিটো হল বীমাকাৰীৰ বাবে এটা বস্তুনিষ্ঠ তথ্য যিয়ে এই তথ্যবোৰৰ ওপৰত ভিত্তি কৰি প্ৰস্তাৱটো গ্ৰহণ কৰিব আৰু একেদৰে ৰিস্কৰ মূল্য নিৰ্ধাৰণ কৰিব.

বীমাকাৰীবোৰে ছপা কৰা প্ৰস্তাৱৰ ফৰ্মবোৰত সাধাৰণতে বীমা কোম্পানীৰ নাম, প্ৰতীক, ঠিকনা আৰু শ্ৰেণী / বীমাৰ প্ৰকাৰ / প্ৰডাক্টৰ বিষয়ে উল্লেখ থাকে. বীমা কোম্পানীবোৰৰ বাবে প্ৰস্তাৱৰ ফৰ্মত ছপা কৰা টোকা এটা যোগ কৰাটো এটা প্ৰথাগত নিয়ম, যদিও এই সংক্ৰান্তত কোনো মানবিশিষ্ট ফৰমেট বা অভ্যাস নাই.

উদাহৰণ

তেনেকুৱা টোকাবোৰৰ কিছুমান উদাহৰণ হল:

‘ৰিস্কটোৰ মূল্যাংকন কৰোতে বস্তুনিষ্ঠ তথ্যবোৰ প্ৰকাশ নকৰা, ভুল তথ্য আগবঢ়োৱা, বীমাকৰ্তাৰ দ্বাৰা প্ৰৱঞ্চনা বা সহযোগ নকৰাটোৱে প্ৰদান কৰা বীমাটোৰ অধীনত সামৰি লোৱাটো বাতিল কৰে’,

‘প্ৰস্তাৱটো কোম্পানীয়ে স্বীকাৰ নকৰালৈকে আৰু সম্পূৰ্ণ প্ৰিমিয়াম পৰিশোধ নকৰালৈকে কোম্পনীয়ে ৰিস্ক নলব’.

গুৰুত্বপূৰ্ণ

বস্তুনিষ্ঠ তথ্যবোৰ : বীমাকাৰীৰ দ্বাৰা সামৰি লবলগীয়া ৰিস্কটোৰ আণ্ডাৰৰাইটিংৰ বাবে এইবোৰ গুৰুত্বপূৰ্ণ, প্ৰয়োজনীয় আৰু প্ৰাসংগিক. অন্য অৰ্থত এইবোৰ হল বীমাৰ বিষয় বস্তুৰ সৈতে সংম্পৰ্কিত তথ্য যিয়ে বীমাকাৰী এজনৰ সিদ্ধান্তটো তলত দিয়া ধৰণে প্ৰভাৱিত কৰিব পাৰে:

i. বীমাৰ বাবে ৰিস্ক এটা গ্ৰহণ কৰা বা নকৰা,
ii. আৰোপ কৰিবলগীয়া প্ৰিমিয়ামৰ পৰিমাণটো নিৰ্দিষ্ট কৰা, আৰু
iii. চৰ্তবোৰৰ বাবে চুক্তিটোত বিশে আৰক্ষণবোৰ অন্তৰ্ভুক্ত কৰা যাৰ অধীনত ৰিস্কটো সামৰিলোৱা হব আৰু ক্ষতি এটা কেনেকৈ পৰিশোধ কৰা হব.

প্ৰস্তাৱৰ ফৰ্মত স্বীকাৰোক্তি: বীমা কোম্পানীবোৰে সাধাৰণতে প্ৰস্তাৱৰ ফৰ্মৰ শেষৰ ফালে বীমাকাৰীৰ চহী সম্বলিত স্বীকাৰোক্তি এটা সংযোগ কৰে. এইটোৱে নিশ্চিত কৰে যে বীমাকৰ্তাই ফৰ্মখন সঠিকভাৱে পূৰ কৰিছে আৰু তাত উল্লেখিত তথ্যবোৰ বুজি পাইছে, যাতে দাবী এটা

উত্থাপনৰ সময়ত তথ্যবোৰৰ ভুল উপস্থাপনৰ বাবে অসন্মতি প্ৰদৰ্শনৰ কোনো সুবিধা নাথাকে. এইটোৱে বীমাকৰ্তাৰ ফালৰ পৰা পৰম সদিচ্ছাৰ মুখ্য নীতিটো আগবঢ়ায়.

উদাহৰণ

তেনেকুৱা স্বীকাৰোক্তিবোৰৰ উদাহৰণ হল:

'মই/আমি ইয়াৰদ্বাৰা জনাও আৰু আশ্বাস দিও যে উপৰোক্ত উক্তিবোৰ যিকোনো ক্ষেত্ৰতে সঁচা আৰু সম্পূৰ্ণ আৰু ইয়াত আপোনাৰ আগত প্ৰকাশ নকৰা বীমাৰ বাবে কৰা আবেদনখনৰ সৈতে প্ৰাসংগিক কোনো তথ্য নাই.'

'মই/আমি সন্মত যে এই প্ৰস্তাৱটো আৰু স্বীকাৰোক্তিবোৰ মোৰ/আমাৰ আৰু (বীমাকাৰীৰ নাম) মাজত হোৱা চুক্তিটোৰ আধাৰ হব.'

b) প্ৰস্তাৱৰ ফৰ্মত থকা প্ৰশ্নবোৰৰ ধৰণ

প্ৰস্তাৱৰ ফৰ্ম এখনত থাকিব পৰা প্ৰশ্নবোৰৰ সংখ্যা আৰু ধৰণটো বিবেচিত বীমাৰ শ্ৰেণীটোৰ ওপৰত নিৰ্ভৰ কৰে.

i. **অগ্নিকাণ্ডৰ বীমাৰ** প্ৰস্তাৱৰ ফৰ্মবোৰ সাধাৰণতে ঘৰ, দোকান ইত্যাদিৰ দৰে তুলনামূলকভাৱে সহজ / মানবিশিষ্ট ৰিস্কবোৰৰ বাবে ব্যৱহাৰ কৰা হয়. বৃহত উদ্যোগিক ৰিস্কবোৰৰ ক্ষেত্ৰত, ৰিস্কটো গ্ৰহণ কৰাৰ আগতে বীমাকাৰীয়ে ৰিস্কটোৰ অনুসন্ধানৰ ব্যৱস্থা কৰে. নিৰ্দিষ্ট তথ্য সংগ্ৰহ কৰিবলৈ প্ৰস্তাৱৰ ফৰ্মৰ লগত কেতিয়াবা বিশেষ প্ৰশ্নমালা ব্যৱহাৰ কৰা হয়.

   অগ্নিকাণ্ডৰ বীমাৰ প্ৰস্তাৱৰ ফৰ্মখনে অন্য বস্তুবোৰৰ লগতে সম্পত্তিটোৰ পূংখানুপূংখ বিৱৰণ বিচাৰে যত তলত উল্লেখিত তথ্যবোৰ অন্তৰ্ভুক্ত হব পাৰে:

   ✓ বাহিৰৰ বেৰবোৰ আৰু মুধচৰ নিৰ্মাণ, মহলাৰ সংখ্যা
   ✓ অট্টালিকাটো প্ৰতিটো অংশৰ বৃত্তি
   ✓ বিপদজনক সামগ্ৰীবোৰৰ উপস্থিতি
   ✓ উত্পাদন প্ৰক্ৰিয়াটো
   ✓ বীমাৰ বাবে প্ৰস্তাৱিত নগদ পৰিমাণটো
   ✓ বীমাৰ সময়সীমাটো, ইত্যাদি.

ii. **গাড়ীৰ বীমাৰ বাবে** গাড়ীখন, ইয়াৰ কাৰ্যবোৰ, বহন ক্ষমতা, গৰাকীয়ে এইখন কেনেকৈ ৰাখিছে আৰু সম্পৰ্কীয় বীমা ইতিহাসৰ বিষয়ে প্ৰশ্নবোৰ সোধা হয়.

iii. স্বাস্থ্য, ব্যক্তিগত দুৰ্ঘটনা আৰু ভ্ৰমণ বীমা আদিৰ দৰে ব্যক্তিগত শাৰীবোৰৰ ক্ষেত্ৰত প্ৰস্তাৱকৰ স্বাস্থ্য, জীৱনধাৰণৰ পদ্ধতি আৰু অভ্যাসবোৰ, পূৰ্বৰে পৰা বৰ্তি থকা স্বাস্থ্যৰ অৱস্থাবোৰ, চিকিত্সাৰ ইতিহাস, বংশগত লক্ষণ, অতীতৰ বীমাৰ অভিজ্ঞতা ইত্যাদিৰ বিষয়ে তথ্য লাভ কৰিবলৈ আৰ্হি কৰা হয়.

iv. **অন্যান্য সানমিহলি বীমাবোৰৰ ক্ষেত্ৰত** প্ৰস্তাৱৰ ফৰ্মবোৰ বাধ্যতামূলক আৰু সেইবোৰত সদিচ্ছাৰ সাধাৰণ আইনী দায়িত্বটো ব্যাখ্যা কৰা স্বীকাৰোক্তি এটা সংলগ্ন থাকে.

c) প্ৰস্তাৱ এটাৰ উপাদানবোৰ

x. প্ৰস্তাৱকৰ সম্পূৰ্ণ নাম

প্ৰস্তাৱকে নিজকে স্পষ্টভাৱে পৰিচয় দিবলৈ সক্ষম হোৱা উচিত. কাৰ সৈতে চুক্তিটো কৰিছে বীমাকাৰীৰ বাবে সেইটো জ্ঞাত হোৱাটো গুৰুত্বপূৰ্ণ, যাতে পলিচীটোৰ অধীনত থকা মুনাফাবোৰ কেৱল বীমাকৰ্তাই লাভ কৰিবলৈ সক্ষম হয়. কোনোবাই বীমা কৰা ৰিস্কটোৰ ওপৰত সুত আহৰণ কৰা (মৰ্টগেজ, বেংক এটাৰ দৰে বা মৃত্যুৰ ক্ষেত্ৰত আইনী উত্তৰাধিকাৰীবোৰ) আৰু দাবী এটা কৰাৰ ক্ষেত্ৰত পৰিচয় দাঙি ধৰাটো গুৰুত্বপূৰ্ণ.

xi. প্ৰস্তাৱকৰ ঠিকনা আৰু যোগাযোগৰ পূংখানুপূংখ বিৱৰণ

ওপৰত উল্লেখ কৰা কাৰণবোৰ একেদৰে প্ৰস্তাৱকৰ ঠিকনা আৰু যোগাযোগৰ পূংখানুপূংখ বিৱৰণবোৰ সংগ্ৰহ কৰাৰ বাবেও প্ৰযোজ্য.

xii. প্ৰস্তাৱকৰ পেছা, বৃত্তি বা ব্যৱসায়

স্বাস্থ্য আৰু ব্যক্তিগত দুৰ্ঘটনাৰ বীমাৰ দৰে কিছুমান ক্ষেত্ৰত প্ৰস্তাৱকৰ পেছা, বৃত্তি বা ব্যৱসায়ৰ বিষয়ে জনাটো গুৰুত্বপূৰ্ণ যিহেতু সেইবোৰ ৰিস্ক বহনৰ কাৰক এটা হব পাৰে.

উদাহৰণ

ফাষ্ট-ফুড ৰেষ্টুৰেন্টৰ বিতৰক এজনে গ্ৰাহকক খাদ্যৰ যোগন ধৰিবৰ বাবে দ্ৰুত গতিত সঘনাই মটৰচাইকেলত ভ্ৰমণ কৰিবলগীয়া হয়, সেয়ে তেখেত উক্ত ৰেষ্টুৰেন্টখনৰ গাণিক বিষয়া এজনতকৈ অধিক দূৰ্ঘটনা প্ৰৱণ হব পাৰে.

xiii. বীমাৰ বিষয়বস্তুৰ পূংখানুপূংখ বিৱৰণ আৰু পৰিচয়

প্ৰস্তাৱকে বীমাৰ বাবে প্ৰস্তাৱিত বিষয় বস্তুটো স্পষ্টভাৱে জনোৱাটো দাবী কৰে.

উদাহৰণ

প্ৰস্তাৱকক জনাব লাগে যদি এইটো:

iii. এখন ব্যক্তিগত বাহন [ইঞ্জিন নম্বৰ, চেছিছ নম্বৰ, পঞ্জীয়ন নম্বৰৰ দৰে ইয়াৰ পৰিচয়বোৰ] বা
iv. এটা আবাসিক এলেকাৰ ঘৰ [ইয়াৰ সম্পূৰ্ণ ঠিকনা আৰু পৰিচয় নম্বৰৰ সৈতে] বা
v. এটা বিদেশ ভ্ৰমণ [কোনে, কেতিয়া, কোন দেশত, কি উদ্দেশ্যে] বা
vi. ব্যক্তি এজনৰ স্বাস্থ্য [ব্যক্তিজনৰ নাম, ঠিকনা আৰু পৰিচয়] ইত্যাদি ঘটনাবোৰৰ ওপৰত নিৰ্ভৰ কৰি

xiv. **মুঠ পাবলগীয়াটোৱে** পলিচীটোৰ অধীনত বীমাকাৰীৰ দায়িত্ববোধৰ সীমাটো সূচিত কৰে আৰু সকলো প্ৰস্তাৱৰ ফৰ্মত উল্লেখ কৰিব লাগে.

উদাহৰণ

সম্পত্তি বীমাৰ ক্ষেত্ৰত, এইটো হল বীমাৰ বাবে প্ৰস্তাৱিত বিষয়বস্তুটোৰ আৰ্থিক মূল্য. স্বাস্থ্যৰ বাবে, এইটো চিকিত্সালয়ৰ চিকিত্সা ব্যয় হব পাৰে, একেদৰে ব্যক্তিগত দূৰ্ঘটনাৰ বীমাৰ ক্ষেত্ৰত এইটো দূৰ্ঘটনা এটাৰ ফলত জীৱন হেৰুওৱা, অংগ এটা হেৰুওৱা, বা দৃষ্টি হেৰুওৱাৰ বাবে এটা নিৰ্দিষ্ট ৰাশি হব পাৰে.

xv. **পূৰ্বৰ আৰু বৰ্তমানৰ বীমা**

বীমাকাৰীয়ে প্ৰস্তাৱকে তেখেতৰ পূৰ্ব বীমাবোৰৰ বিষয়ে পূংখানুপূংখভাৱে জনোৱাটো দাবী কৰে. এইটোৱে তেখেতৰ বীমাৰ ইতিহাসটো বুজাত সহায় কৰে. কিছুমান বজাৰত পদ্ধতিবোৰ আছে যাৰ দ্বাৰা বীমাকাৰীবোৰে বীমাকৰ্তাৰ তথ্যবোৰ গোপনীয়ভাৱে বিনিময় কৰিব পাৰে.

কোনো বীমাকাৰীয়ে তেখেতৰ প্ৰস্তাৱটো অগ্ৰাহ্য কৰিছিল নে, বিশেষ চৰ্তবোৰ আৰোপ কৰা হৈছিল নে, নবীকৰণৰ সময়ত প্ৰিমিয়াম বৃদ্ধি কৰা হৈছিল নেকি বা নবীকৰণ কৰিবলৈ অস্বীকাৰ কৰিছিল নেকি বা পলিচীটো বাতিল কৰিছিল নেকি ইত্যাদিৰ বিষয়েও প্ৰস্তাৱকে জনোৱাটো প্ৰয়োজন.

বীমাকাৰীবোৰৰ নামটো অন্তৰ্ভুক্ত কৰি আন যিকোনো বীমাৰ সৈতে শেহতীয়া বীমা পূংখানুপূংখ বিৱৰণ প্ৰকাশ কৰাটো প্ৰয়োজন. বিশেষকৈ সম্পত্তি বীমাৰ ক্ষেত্ৰত বীমাকৰ্তাই বিভিন্ন বীমাকাৰীৰ পৰা পলিচী লোৱাৰ সম্ভাৱনা এটা থাকে আৰু ক্ষতি এটা সংগটিত হলে এজনতকৈ অধিক বীমাকাৰীৰ পৰা ক্ষতিপূৰণ দাবী কৰে. বৰঙণিৰ নীতি প্ৰয়োগ কৰাটো নিশ্চিত কৰিবলৈ এই তথ্যটো দাবী কৰে যাতে বীমাকৰ্তাক বীমাৰ ধন ঘূৰাই দিব পাৰি আৰু যাতে একেটা ৰিস্কৰ বাবে লোৱা বিভিন্ন বীমা পলিচীবোৰৰ দ্বাৰা লাভ/মুনাফ অৰ্জন কৰিব নোৱাৰে.

আগলৈ, ব্যক্তিগত দূৰ্ঘটনা বীমাৰ ক্ষেত্ৰত বীমাকাৰী এজনে একেজন বীমাকৰ্তাই লোৱা অন্য PA পলিচীবোৰৰ অধীনত মুঠ পাবলগীয়াটোৰ ওপৰত নিৰ্ভৰ কৰি সামৰি লোৱাৰ পৰিমাণটো (মুঠ পাবলগীয়া) সীমাবদ্ধ কৰিব বিচাৰিব.

অনুশীলন

আগৰ পাঠবোৰত বীমাৰ নীতিবোৰৰ সাৰাংশবোৰ চাওক আৰু প্ৰস্তাৱৰ ফৰ্মখন আৰ্হি কৰাত বীমাৰ ধন, বৰঙণি, পৰম-সদিচ্ছা, প্ৰকাশবোৰ বাস্তৱিকতে কেনেকৈ প্ৰয়োগ কৰা হয় জানিবলৈ চেষ্টা কৰক.

অনুবন্ধ A আৰু B ত গাড়ী আৰু অগ্নিকাণ্ড প্ৰত্যেকৰে প্ৰস্তাৱৰ ফৰ্মৰ আৰ্হি এটা দিয়া হৈছে.

অনুগ্ৰহ কৰি প্ৰস্তাৱৰ ফৰ্মবোৰ সাৱধানেৰ পঢ়ক আৰু প্ৰস্তৱৰ ফৰ্মখনত থকা বিষয়বোৰৰ অন্তৰ্নিহিত অৰ্থবোৰ আৰু বীমা চুক্তিবোৰৰত সিহঁতৰ প্ৰাসংগিকতাটো বুজক.

xvi. ক্ষতিৰ অভিজ্ঞতা

প্ৰস্তাৱকক তেওঁ / তেখেত সন্মুখীন হোৱা সকলোবোৰ ক্ষতিৰ পূংখানুপূংখ বিৱৰণ প্ৰকাশ কৰিবলৈ কোৱা হয়, বীমা কৰা সেইবোৰ বীমা কৰা থাকক বা নাথাকক. এইটোৱে বীমাকাৰীক বীমাৰ বিষয়বস্তু সম্পৰ্কে আৰু অতীতত বীমাকৰ্তাই ৰিস্কটো কেনেকৈ পৰিচালনা কৰিছিল তাৰ বিষয়ে তথ্য প্ৰদান কৰিব. তেনেকুৱা উত্তৰবোৰৰ পৰা আণ্ডাৰৰাইটাৰবোৰে ৰিস্কবোৰ বেছিভালকৈ বুজিব পাৰে আৰু ৰিস্কৰ অনুসন্ধানবোৰ অনুষ্ঠিত কৰা বা অন্য পূংখানুপূংখ বিৱৰণ সংগ্ৰহ কৰাৰ সিদ্ধান্ত লব পাৰে.

xvii. মাকৰ্তাৰ দ্বাৰা দিয়া স্বীকাৰোক্তি

যিদৰে প্ৰস্তাৱৰ ফৰ্মৰ উদ্দেশ্যটো হল বীমাকাৰীবোৰক সকলোবোৰ বস্তুনিষ্ঠ তথ্য আগবঢ়োৱা, সেইদৰে ফৰ্মখনে উত্তৰবোৰ সঁচা আৰু সঠিক আৰু ফৰ্মখন বীমা চুক্তিটোৰ আধাৰ হিচাপে তেওঁ মানি লোৱা বুলি বীমাকৰ্তাই দিয়া স্বীকাৰোক্তি এটা অন্তৰ্ভুক্ত কৰে. যিকোনো অশুদ্ধ উত্তৰে বীমাকাৰীবোৰক চুক্তিটো বাতিল কৰিবলৈ অধিকাৰ প্ৰদান কৰিব. সকলোবোৰ প্ৰস্তৱৰ ফৰ্মত থকা অন্য সাধাৰণ খণ্ডবোৰ চহী, তাৰিখ আৰু কিছুমান ক্ষেত্ৰত এজেন্টৰ পাৰিশ্ৰমিকৰ সৈতে সম্পৰ্কীয়.

xviii. যত প্ৰস্তাৱৰ ফৰ্ম এখন ব্যৱহাৰ কৰা নহয়, তেনেকুৱা ক্ষেত্ৰত বীমাকাৰীয়ে লাভ কৰা তথ্যবোৰ মৌখিকভাৱে বা লিখিতভাৱে ৰেকৰ্ড কৰিব আৰু প্ৰস্তাৱকৰ সৈতে সেইবোৰ ১৫ দিনৰ ভিতৰত নিশ্চিত কৰিব আৰু পলিচীটো বা ইয়াৰ প্ৰচ্ছেদৰ টোকাত তথ্যটো সংলগ্ন কৰিব. ৰেকৰ্ড নকৰা যিকোনো তথ্য সাপেক্ষে প্ৰমাণৰ দায়িত্বটো বীমাকাৰীৰ ওপৰত ন্যস্ত থাকিব, যত সামৰিলোৱা এটাৰ অনুমোদনৰ বাবে প্ৰস্তাৱকে লুকুওৱা যিকোনো বস্তুনিষ্ঠ তথ্য বা ভুল বা অসত্য তথ্য আগবঢ়োৱা ইত্যাদি থাকিব পাৰে.

এইটোৱে বুজায় যে আনকি মৌখিকভাৱে লাভ কৰা সকলোবোৰ তথ্য ৰেকৰ্ড কৰাটো বীমা কোম্পানীৰ কৰ্তব্য, যিটো এজেন্টে বিচাৰ কৰোতে মনত ৰাখিব লাগে.

2. মধ্যস্থতাকাৰীৰ ভূমিকা

মধ্যস্থতাকাৰীৰ দুয়োটা ফৈদ প্ৰতি দায়বদ্ধ যেনে, বীমাকৰ্তা আৰু বীমাকাৰী

বীমাকৰ্তাই বীমাকৰীলৈ আগবঢ়োৱা ৰিস্ক সম্বন্ধীয় সকলোবোৰ বস্তুনিষ্ঠ তথ্য নিশ্চিত কৰাটো বীমা কোম্পানী আৰু বীমাকৰ্তাৰ মাজত মধ্যস্থতাকাৰী হিচাপে কাৰ্য কৰা এজন এজেন্ট বা এজন ব্ৰকাৰৰ দায়িত্ব.

সাম্ভাৱ্য গ্ৰাহকৰ প্ৰতি থকা মধ্যস্থতাকাৰীবোৰৰ দায়িত্বটো IRDA ৰ নিয়মাৱলীবোৰে প্ৰদৰ্শন কৰে.

গুৰুত্বপূৰ্ণ

b) **পেকেজ পলিচী / বিস্তৃত পলিচী:** (নিজা ক্ষতি + তৃতীয় ফৈদৰ দায়িত্ব)

ওপৰৰটোৰ লগতে, নিৰ্ধাৰিত সংকটবোৰৰ (মটৰ বাহনবোৰৰ নিজা ক্ষতিসাধন হিচাপে জনাজায়) দ্বাৰা বীমাকৃত বাহনখনৰ হেৰুওৱা বা ক্ষতিসাধন হোৱাটো ঘোষিত মূল্যটোৰ (IDV মূল্য বুলি কোৱা হয় – পাঠ ৫ ত ইতিমধ্যে আলোচনা কৰা হৈছে) বিষয়বস্তু হিচাপে আৰু পলিচীটোত থকা অন্য নিয়ম আৰু চৰ্তবোৰ অনুসৰি সামৰিলোৱা হয়. এই সংকটবোৰৰ কিছুমান হল অগ্নিকাণ্ড, চুৰি, সংঘৰ্ষ আৰু ধৰ্মগট, ভূমিকম্প, বানপানী, দূৰ্ঘটনা ইত্যাদি.

কিছুমান বীমাকাৰীয়ে দূৰ্ঘটনা সংগটিত হোৱা স্থানৰ পৰা ৱৰ্কশ্বপলৈ টৱিং মাচুলৰ বাবেও পৰিশোধ কৰে. কেৱল অগ্নিকাণ্ড আৰু / বা চুৰিকাৰ্যৰ সংকটটো সামৰিলৈ সীমিত সামৰিলোৱা এটা লগতে উপলব্ধ, আইন (দায়িত্ব) কেৱল পলিচীৰ অধীনত অনুমোদিত বাধ্যতামূলক সামৰিলোৱটোৰ লগতে.

পলিচীটোৱে লগতে বাহনখনত সংযোজিত সৰঞ্জামবোৰ হেৰুওৱা বা নষ্ট হোৱাটোও সামৰি লব পাৰে, ব্যক্তিগত গাড়ীৰ পলিচীবোৰৰ অধীনত যাত্ৰীবোৰৰ বাবে ব্যক্তিগত দূৰ্ঘটনা সামৰিলোৱা, পাৰিশ্ৰমিক দিয়া চালক; বাণিজ্যিক বাহনবোৰৰ ভাৰা আদায় নিদিয়া যাত্ৰীবোৰ আৰু কৰ্মচাৰীবোৰৰ প্ৰতি আইনী দায়িত্ব. বীমকাৰীবোৰে লগতে বিনামূলীয়া তত্কালীন সেৱা বা ভাঙিছিঙি যোৱাৰ ক্ষেত্ৰত বিকল্প গাড়ীৰ আগবঢ়ায়.

2. বহিষ্কৰণবোৰ

পলিচীবোৰৰ অধীনত কিছুমান গুৰুত্বপূৰ্ণ বহিষ্কৰণ হল সৰু-সুৰা ভঙা-ছিঙা, ভাঙি পেলোৱা, আনুসাংগিক ক্ষতি, আৰু অবৈধ চালকৰ অনুজ্ঞাপত্ৰ বা সুৰাপনৰ ফলত হোৱা ক্ষতিবোৰ. 'মানিবলগীয়া সীমাবদ্ধতাবোৰ' অনুসৰি ব্যৱহাৰ নকৰা বাহনবোৰ সামৰিলোৱা নহয় (উদাহৰণ, টেক্সী হিচাপে ব্যৱহাৰ কৰা ব্যক্তিগত গাড়ী).

3. বীমাৰ নগদ পৰিমাণ আৰু প্ৰিমিয়াম

মটৰ পলিচী এটাৰ ক্ষেত্ৰত বাহন এখনৰ বীমাৰ নগদ পৰিমাণটো বীমাকৰ্তাৰ ঘোষিত মূল্য (I.D.V.) হিচাপে জনাজায়.

বাহন এখনৰ চুৰিৰৰ বা দূৰ্ঘটনা এটাৰ ফলত হোৱা সম্পূৰ্ণ নষ্টৰ ক্ষেত্ৰত, দাবীৰ পৰিমাণটো IDV ৰ ওপৰত ভিত্তি কৰি নিৰ্ধাৰণ কৰা হয়. বাহনখনৰ IDV টো বীমাৰ বাবে প্ৰস্তাৱিত বাহনখনৰ ব্ৰেণ্ড আৰু আৰ্হিটোৰ নিৰ্মাতা / বিক্ৰেতাৰ তালিকাভুক্ত বিক্ৰী মূল্যৰ ভিত্তিত বীমা / নবীকৰণৰ আৰম্ভণিত নিৰ্ধাৰণ কৰা হয় আৰু নিৰ্ধাৰিত সূচীমতে মূল্যহ্ৰাসৰ সৈতে মিলোৱা হয়.

৫ বছৰতকৈ বেছি বয়স হোৱা আৰু অপ্ৰচলিত (যেনে, নিৰ্মাতাই নিৰ্মাণ বন্ধ কৰা শৈলীবোৰ) শৈলীৰ বাহনবোৰৰ IDV টো বীমাকাৰী আৰু বীমাকৰ্তাৰ মাজৰ পাৰস্পৰিক বুজাবুজিৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয়.

হাৰ নিৰ্ধাৰণ / প্ৰিমিয়াম গণনাটো বীমাকৰ্তাৰ ঘোষিত মূল্য, কিউবিক দক্ষতা, ভৌগলিক মণ্ডল, বাহনখনৰ বয়স ইত্যাদিৰ ওপৰত নিৰ্ভৰ কৰে .

নিজক পৰীক্ষা কৰক 3

মটৰ বীমা কাৰ নামত লোৱা উচিত?

I. বাহনৰ গৰাকীৰ নামত যাৰ নামটো আঞ্চলিক পৰিবহন কৰ্তৃপক্ষৰ সৈতে পঞ্জীয়ন কৰা হৈছে
II. যদি চালকজন গৰাকীৰ বাহিৰে অন্য ব্যক্তি হয়, তেন্তে বাহনখন চলোৱা ব্যক্তিজনৰ নামত, আঞ্চলিক পৰিবহন কৰ্তৃপক্ষৰ পৰা অনুমোদন সাপেক্ষে
III. বাহনখনৰ গৰাকীকে ধৰি বাহনখনৰ গৰাকীৰ পৰিয়ালৰ যিকোনো সদস্যৰ নামত, আঞ্চলিক পৰিবহন কৰ্তৃপক্ষৰ অনুমোদন সাপেক্ষে
IV. যদি বাহনখন চলাবলগীয়া ব্যক্তিজন গৰাকীৰ বাহিৰে অন্য ব্যক্তি হয়, তেতিয়া প্ৰাথমিক পলিচীটো বাহনখনৰ গৰাকীৰ নামত থকা উচিত আৰু চালকজনৰ নামত যোগ কৰা সামৰিলোৱাটো থকা উচিত.

সাৰাংশ

a) গৃহস্থ বীমা পলিচী এটাই পলিচীটোত উল্লেখিত আপদবোৰ বা ঘটনাবোৰৰ পৰা হোৱা কেৱল বীমকৃত সম্পত্তিৰ ক্ষতিবোৰ সামৰিলয়. সংকটবোৰ সামৰিলোৱাটো স্পষ্টভাৱে পঢ়িব পৰা হব লাগিব.

b) গৃহস্থৰ বীমাই ঘৰৰ গাঁথনি আৰু ইয়াৰ বস্তুবোৰ অগ্নিকাণ্ড, সংঘৰ্ষ, পাইপ বিস্ফোৰণ, ভূমিকম্প ইত্যাদিৰ বিৰুদ্ধে সামৰি লয়. গাঁথনিটোৰ উপৰিও, এইটোৱে চুৰি আৰু ঘৰভঙাৰ বিৰুদ্ধে ইয়াৰ বস্তুবোৰ সামৰিলয়.

c) পেকেজ বা আম্ব্ৰেলা সামৰিলোৱাবোৰে এটা একমাত্ৰ নথিৰ অধীনত সামৰিলোৱাবোৰৰ মিশ্ৰণ এটা আগবঢ়ায়.

---

d) গৃহস্থৰ বীমা পলিচী এটাৰ বাবে সাধাৰণতে বীমাৰ নগদ পৰিমাণটো নিৰ্দিষ্ট কৰাৰ দুটা পদ্ধতি আছে: বজাৰ মূল্য (MV) আৰু বাহাল ৰখাৰ মূল্য (RIV).

e) দোকানদ্বাৰৰ বীমাই সাধাৰণতে অগ্নিকাণ্ড, ভূমিকম্প, বানপানীৰ ফলত হোৱা দোকানৰ গাঁথনি আৰু বস্তুবোৰৰ ক্ষতিটো বা দূৰ্ভাৱনাপূৰ্ণ ক্ষতি; আৰু চুৰিটো সামৰিলয়. দোকান বীমাই লগতে ব্যৱসায়ত বাধাগ্ৰস্তৰ সুৰক্ষাটোও অন্তৰ্গত কৰে.

f) মটৰ বীমাই দূৰ্ঘটনাবোৰ আৰু কিছুমান অন্য কাৰণৰ বাবে হোৱা বাহনবোৰৰ ক্ষতি বা নষ্টবোৰ সামৰি লয়. মটৰ বীমাই লগতে গাড়ীৰ গৰাকীবোৰে তেওঁলোকৰ গাড়ীৰ দ্বাৰা সংগটিত দূৰ্ঘটনাত ভুক্তভোগী সকললৈ ক্ষতিপূৰণ দিয়াৰ আইনী দায়িত্বটোও সামৰিলয়.

মুখ্য পদবোৰ

a) গৃহস্থৰ বীমা
b) দোকানদ্বাৰৰ বীমা
c) মটৰ বীমা

নিজক পৰীক্ষা কৰা উত্তৰবোৰ

উত্তৰ 1

শুদ্ধ বিকল্পটো হল I.

ব্যাপক সামৰিলোৱা পলিচী এটাৰ কম খৰচী বিকল্প এটা হিচাপে এটা নামাংকিত সংকট পলিচী কিনিব পাৰি যিয়ে অধিকাংশ সংকটলৈ সামৰিলোৱা আগবঢ়াবলৈ উদ্দেশ্য কৰে.

উত্তৰ 2

শুদ্ধ বিকল্পটো হল IV.

দোকানদ্বাৰ পলিচীটোৰ অধীনত, বীমাকৰ্তাই এটা অতিৰিক্ত 'নিৰ্দিষ্ট প্লেট গ্লাচ আৰু ছেনিটেৰী ফিটিংছ' সামৰিলোৱাৰ বাবে ইচ্ছা কৰিব পাৰে. এইটোৱে নিৰ্দিষ্ট গ্লাছ, ছেনিটেৰী ফিটিংছ আৰু নিয়ন ছাইনবোৰলৈ দূৰ্ঘটনামূলক ক্ষতি বা নষ্ট হোৱাটো সামৰিলব.

উত্তৰ 3

শুদ্ধ বিকল্পটো হল I.

মটৰ বীমাটো বাহনখনৰ গৰাকীৰ নামত লোৱা উচিত যাৰ নামটো ভাৰতবৰ্ষৰ আঞ্চলিক পৰিবহন কৰ্তৃপক্ষৰ সৈতে পঞ্জীয়ন কৰা হৈছে.

নিজক পৰীক্ষা কৰা প্ৰশ্নবোৰ

প্ৰশ্ন 1

গৃহস্থৰ বীমাত

I. সোণ আৰু ৰূপৰ অংলকাৰবোৰ সামৰিলোৱা হয়
II. এখন দোকানৰ বস্তুবোৰ সামৰিলোৱা হয়
III. পৰিয়ালৰ গাড়ীবোৰ সামৰিলোৱা হয়
IV. ডাকৰ জৰিয়তে পথোৱা পাৰ্ছেলবোৰ সৰবৰাহৰ সময়ত সামৰিলোৱা হয়.

প্ৰশ্ন 2

গৃহস্থৰ বীমাৰ সামৰিলোৱাবোৰ

I. কেৱল গৃহটোৰ গাঁথনিটো
II. কেৱল গৃহটোৰ বস্তুবোৰ
III. গাঁথনি আৰু বস্তুবোৰ উভয়
IV. গাঁথনি আৰু বস্তুবোৰ উভয় যেতিয়া বীমাকৰ্তা গৃহত নাথাকে

প্ৰশ্ন 3

দোকানদ্বাৰৰ বীমাত, তলৰ কোনটো সামৰি লোৱা নহয়?

I. যন্ত্ৰ-পাতি ভাঙি যোৱা
II. দূৰসম্ভাৱনাপূৰ্ণ ক্ষতি
III. ব্যৱসায়িক বাধাগ্ৰস্ততা
IV. বীমাকৰ্তাৰ দ্বাৰা ইচ্ছাকৃত ধ্বংস

প্ৰশ্ন 4

দোকানদ্বাৰৰ বীমাত তলৰ কোনটো সাধাৰণতে সামৰি লোৱা নহয়

I. ব্যৱসায়িক ভৱনত ড্ৰয়াৰ/কাউন্টাৰত থকা ধন
II. বেংকৰ পৰা ব্যৱসায়িক ভৱনলৈ সৰবৰাহ কৰা ধন
III. ব্যৱসায়িক ভৱনত ছেফত ৰখা ধন
IV. ব্যৱসায়িক ভৱনলৈ গ্ৰাহকে কঢ়িওৱা ধন.

প্ৰশ্ন 5

দোকান বীমাই সামৰিলয়

I. কৰ্মচাৰীবোৰৰ অসাধু কাৰ্যকলাপবোৰ
II. বীমাকৰ্তাৰ অসাধু কাৰ্যকলাপবোৰ
III. গ্ৰাহকবোৰৰ অসাধু কাৰ্যকলাপবোৰ
IV. ঋণদাতাবোৰৰ অসাধু কাৰ্যকলাপবোৰ

নিজক পৰীক্ষা কৰা প্ৰশ্নবোৰৰ উত্তৰবোৰ

উত্তৰ 1

শুদ্ধ বিকল্পটো হল I.

গৃহস্থৰ বীমাত সোণ আৰু ৰূপৰ অংলকাৰবোৰ সামৰিলোৱা হয়.

উত্তৰ 2

শুদ্ধ বিকল্পটো হল III.

গৃহস্থৰ বীমাই গাঁথনি আৰু বস্তুবোৰ উভয়কে সামৰিলয়.

উত্তৰ 3

শুদ্ধ বিকল্পটো হল IV.

দোকানদ্বাৰৰ বীমাত, বীমাকৰ্তাৰ দ্বাৰা ইচ্ছাকৃত ধ্বংসবোৰ সামৰিলোৱা নহয়.

উত্তৰ 4

শুদ্ধ বিকল্পটো হল IV.

দোকানদ্বাৰৰ বীমাত গ্ৰাহকে ব্যৱসায়িক ভৱনলৈ কঢ়িওৱা ধনবোৰ সাধাৰণতে সামৰিলোৱা নহয়.

উত্তৰ 10

শুদ্ধ বিকল্পটো হল I.

দোকান বীমাই কৰ্মচাৰীবোৰৰ অসাধু কাৰ্যকলাপবোৰ সামৰিলয়.

অধ্যায় 26
বাণিজ্যিক বীমা

পাঠ পৰিচয়

আগৰ পাঠটো আমি ব্যক্তিবোৰ আৰু গৃহস্থবোৰে সন্মুখীন হোৱা ৰিস্কবোৰ সামৰিলোৱা বিভিন্ন প্ৰকাৰৰ বীমাৰ প্ৰডাক্টবোৰ বিষয়ে বিবেচনা কৰিছিলো. আন একধৰণৰ গ্ৰাহক আছে যাক নিৰাপত্তাৰ বাবে অন্য প্ৰয়োজনীয়তাবোৰ লাগে. সেইবোৰ হল বাণিজ্যিক বা ব্যৱসায়িক প্ৰতিষ্ঠান বা কোম্পানী, যিবোৰ বিভিন্ন ধৰণৰ সামগ্ৰী আৰু সেৱাৰ সৈতে জড়িত. এই পাঠটো আমি এই খণ্ডটোৱে সন্মুখীন হোৱা ৰিস্কবোৰৰ সামৰিলবলৈ উপলব্ধ প্ৰডাক্টবোৰৰ বিষয়ে আলোচনা কৰিম.

পাঠটোৰ পৰা শিকিবলগীয়াবোৰ

A. সম্পত্তি / অগ্নিকাণ্ডৰ বীমা
B. ব্যৱসায়িক বাধাগ্ৰস্ততাৰ বীমা
C. চুৰিৰ বীমা
D. ধনৰ বীমা
E. কৰ্তব্যপৰায়ণৰ আশ্বাসৰ বীমা
F. বেংকাৰবোৰৰ ক্ষতিপূৰণৰ বীমা
G. গহনা প্ৰস্তুতকৰ্তাবোৰৰ ব্লক পলিচী
H. অভিযান্ত্ৰিক বীমা
I. উদ্যোগিক সকলোবোৰ ৰিস্কৰ বীমা
J. সাগৰীয় বীমা
K. দায়িত্ব পলিচীবোৰ

এই পাঠটো পঢ়াৰ পিছত, আপুনি সক্ষম হব:

1. সম্পত্তি / অগ্নিকাণ্ডৰ বীমা পৰামৰ্শ কৰিবলৈ
2. আনুসাংগিক ক্ষতিৰ (অগ্নিকাণ্ড) বীমাটো ব্যাখ্যা কৰিবলৈ
3. চুৰি বীমাৰ সামৰিলোৱা আৰ্হি কৰিবলৈ
4. ধন বীমা ব্যাখ্যা কৰিবলৈ
5. কৰ্তব্যপৰায়ণৰ আশ্বাসৰ বীমা ব্যাখ্যা কৰিবলৈ
6. বেংকাৰবোৰৰ ক্ষতিপূৰণৰ বীমা ব্যাখ্যা কৰিবলৈ
7. গহনা প্ৰস্তুতকৰ্তাবোৰৰ ব্লক পলিচী প্ৰস্তাৱ কৰিবলৈ
8. অভিযান্ত্ৰিক বীমা মূল্যাংকন কৰিবলৈ
9. উদ্যোগিক সকলোবোৰ ৰিস্কৰ বীমা উত্সাহিত কৰিবলৈ

10. সাগৰীয় বীমা প্ৰস্তুত কৰিবলৈ
11. দায়িত্ব বীমা মূল্যাংকন কৰিবলৈ

A. সম্পত্তি / অগ্নিকাণ্ড বীমা

বাণিজ্যিক প্ৰতিষ্ঠানবোৰ সাধাৰণতে দুটা ভাগত বিভক্ত:

- ✓ ক্ষুদ্ৰ আৰু মধ্যম প্ৰতিষ্ঠানবোৰ [SMEs] আৰু
- ✓ বৃহত ব্যৱসায়িক প্ৰতিষ্ঠানবোৰ

ঐতিহাসিকভাৱে, এই গ্ৰাহকবোৰৰ প্ৰয়োজনীয়তাবোৰ প্ৰস্তুত কৰাৰ দ্বাৰা সাধাৰণ বীমা খণ্ডটোৱে যথেষ্ট উন্নতি লাভ কৰিছে.

বাণিজ্যিক প্ৰতিষ্ঠানবোৰলৈ সাধাৰণ বীমা প্ৰডাক্ট বিক্ৰী কৰাটোৱে সিহঁতৰ প্ৰয়োজনবোৰৰ সৈতে বীমা প্ৰডাক্ট সতৰ্কতাৰে মিলোৱাটো দাবী কৰে. উপলব্ধ প্ৰডাক্টবোৰ সম্পৰ্কত এজেন্টৰ উপযুক্ত জ্ঞান থকাটো অপৰিহাৰ্য. কিছুমান সাধাৰণ বীমা প্ৰডাক্টবোৰৰ বিষয়ে আমি বিস্তৃতভাৱে বিবেচনা কৰো আহক.

সম্পত্তি / অগ্নিকাণ্ডৰ বীমা

অগ্নিকাণ্ডৰ বীমা পলিচীটো বাণিজ্যিক প্ৰতিষ্ঠানবোৰৰ বাবে উপযুক্ত একেদৰে সম্পত্তিৰ গৰাকীৰ বাবেও, যিয়ে বিশ্বাসত বা কমিছনত সম্পত্তিটো ধৰি থাকে, ব্যক্তিগত / আৰ্থিক প্ৰতিষ্ঠানবোৰ যাৰ সম্পত্তিটোত আৰ্থিক আগ্ৰহ আছে.

অট্টালিকা, প্ল্যান্ট আৰু যান্ত্ৰিক, ফাৰ্ণিচাৰ, ফিস্কাৰছ, ফিটিংছ, আৰু অন্য উপাদানবোৰ, ষ্টকবোৰ আৰু প্ৰক্ৰিয়া হৈ থকা ষ্টকবোৰ, যোগাধৰ্তাবোৰ / গ্ৰাহকৰ ভৱনত থকা ষ্টকবোৰ অন্তৰ্ভুক্ত কৰি, মেৰামতিৰ বাবে ভৱনৰ পৰা সাময়িকভাৱে আতৰোৱা যন্ত্ৰাংশ আদিৰ দৰে এটা বিশেষ ভৱনত থকা সকলোবোৰ স্থানান্তৰিত কৰিব পৰা আৰু নোৱাৰ সম্পত্তি বীমা কৰিব পাৰি. ব্যৱসায়টো স্বাভাৱিক অৱস্থালৈ ঘূৰাই আনিবৰ বাবে সম্পত্তিৰ ক্ষতিটো পুনৰ নিৰ্মাণ আৰু নবীকৰণ কৰিবলৈ আৰ্থিক উপশমটো প্ৰয়োজনীয়. ইয়াত অগ্নিকাণ্ডৰ বীমাই ইয়াৰ ভূমিকা গ্ৰহণ কৰে.

1. অগ্নিকাণ্ড পলিচী সামৰিলোৱাটোৱে কি কৰে?

অগ্নিকাণ্ড পলিচীয়ে সামৰিলোৱা কিছুমান সংকট তলত আলোচনা কৰা হল.

বাণিজ্যিক ৰিস্কবোৰৰ বাবে অগ্নিকাণ্ড পলিচীটোৱে নিম্নোক্তবোৰৰ সংকটবোৰ সামৰিলয়:

- ✓ অগ্নিকাণ্ড
- ✓ ঢেৰেকণী
- ✓ বিস্ফোৰণ / অন্তৰস্খলন
- ✓ সংঘৰ্ষ, ধৰ্মগট আৰু দূৰ্ভাৱনাপূৰ্ণ ক্ষতি
- ✓ সংঘাতৰ ক্ষতি

- ✓ বিমানৰ ক্ষতি
- ✓ ধুমুহা, তুফান, ঘূৰ্ণিবতাহ, টাইফুন, হাৰিকেন, টোৰ্নাডো, বানপানী আৰু জলপ্লাৱন
- ✓ ভূমিকম্প
- ✓ পাহৰ খহাটো অন্তৰ্ভুক্ত কৰি বহি যোৱা আৰু ভূমিস্খলন
- ✓ পানীৰ টেংক, উপকৰণ আৰু পাইপবোৰৰ ওপচি পৰা আৰু ফাটি যোৱা
- ✓ মিছাইল পৰীক্ষা কৰা কাৰ্যবোৰ
- ✓ স্বয়ংক্ৰিয় স্প্ৰিংকলাৰ ইষ্টলেশ্বনৰ পৰা হোৱা ছেদ বোৰ
- ✓ বনজুই

দুটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য আছে যিয়ে বাণিজ্যিক বীমাক ব্যক্তিগত আৰু খুচুৰা শাৰীবোৰৰ পৰা পৃথক কৰে.

a) কোম্পানী বা ব্যৱসায়িক প্ৰতিষ্ঠানবোৰৰ বাবে বীমাৰ প্ৰয়োজনীয়তাবোৰ ব্যক্তিবোৰৰতকৈ অধিক. কাৰণটো হল যে ব্যৱসায়িক প্ৰতিষ্ঠান এটাৰ সম্পত্তিৰ মূল্যটো ব্যক্তি এজনৰ সম্পত্তিৰ মূল্যতকৈ অধিক. সিহঁথৰ ক্ষতি বা নষ্টটোৱে কোম্পানীটোৰ অধিক উত্তৰজীৱিতা আৰু ভৱিষ্যতটোত বিপৰীত প্ৰভাৱ পেলাব পাৰে.

b) আইনী বা অন্য প্ৰয়োজনীয়তাবোৰৰ দ্বাৰা বাণিজ্যিক প্ৰতিষ্ঠানৰ বাবে বীমাৰ চাহিদাটো প্ৰায় বাধ্যতামূলক বা প্ৰয়োজনীয় কৰি তোলা হৈছে. উদাহৰণস্বৰূপে, যেতিয়া প্ল্যান্টবোৰ আৰু সম্পত্তিবোৰ বেংকৰ পৰা ঋণলৈ প্ৰতিষ্ঠা কৰা হয়, তেতিয়া সিহঁতৰ বীমাটো ঋণটোৰ এটা চৰ্ত হব পাৰে. ভাৰতবৰ্ষত বহুতো বাণিজ্যিক প্ৰতিষ্ঠানে পেছাদাৰীভাৱে কোম্পানীবোৰ চলাই আছে আৰু সিহঁতৰ বহু সংখ্যক হল বহুজাতিক.

   সিহঁতৰ সম্পত্তিবোৰ সুৰক্ষিত কৰিবৰ বাবে উপযুক্ত ৰিস্ক পৰিচালনাৰ পৰিকল্পনা আৰু বীমা অবলম্বনকে ধৰি সিহঁতে সাৰ্বজনীন মানদণ্ডৰ মানবিশিষ্টবোৰ তত্বাৱধান কৰাটো দাবী কৰে.

ওপৰোক্ত সংকটবোৰৰ ফলত উদ্ভৱ হোৱা যিকোনো ক্ষতি পলিচীটোৱে কিছুমান বহিষ্কৰণৰ বিষয়বস্তু সাপেক্ষে সামৰিলয়.

2. বহিষ্কৰণবোৰ কি ?

বহিষ্কৰণবোৰ হল :

a) তলত উল্লেখ কৰাৰ দৰে প্ৰত্যাশিত সংকটবোৰৰ বাবে হোৱা ক্ষতি

i. যুদ্ধ আৰু যুদ্ধ সদৃশ কাৰ্যকলাপ.
ii. আণৱিক সংকট
iii. আয়নীকৰণ আৰু বিকিৰণ
iv. প্ৰদূষণ আৰু দূষিতকৰণৰ ক্ষতি

b) সাধাৰণ বীমাত অন্য পলিচীবোৰৰ দ্বাৰা সামৰিলোৱা সংকটবোৰ

i. যান্ত্ৰিক বিজুতি,

ii. ব্যৱসায়ত বাধা

এড- অন সামৰিলোৱাবোৰ

ভূমিকম্প, অগ্নিকাণ্ড আৰু শ্বক; বীমাকৃত সংকটৰ ফলস্বৰূপে বৈদ্যুতিক ব্যাঘাতৰ বাবে শীতলীকৰণ ভঁৰালৰ ষ্টকবোৰ নষ্ট হোৱা, ধ্বংসস্তুপ, স্থাপত্যবোৰ আতঁৰ কৰোতে প্ৰয়োজন হোৱা অতিৰিক্ত খৰচ, পলিচীটোৱে সামৰিলোৱাতকৈ বেছি সংশ্লিষ্ট অভিযন্তাৰ মাচুল, বনজুই, নিজৰ গাড়ীৰ বাবে হোৱা সহজ দহন আৰু সংঘাতৰ ক্ষতি ইত্যাদি সংকটবোৰ কেতিয়াবা অতিৰিক্ত প্ৰিমিয়াম পৰিশোধ কৰি সামৰিলব পাৰি.

3. অগ্নিকাণ্ড পলিচীৰ প্ৰকাৰবোৰ

অগ্নিকাণ্ডৰ পলিচীবোৰ সাধাৰণতে ১২ মাহৰ বাবে প্ৰদান কৰা হয়. কেৱল আবাসগৃহবোৰৰ বাবে বীমা কোম্পানীবোৰে দীৰ্ঘম্যাদি পলিচীবোৰ আগবঢ়ায়, যেনে, ১২ মাহতকৈ অধিক সময়সীমাৰ বাবে. কিছুমানক্ষেত্ৰত কম সময়সীমাৰ পলিচীবোৰও প্ৰদান কৰা হয়, যিবোৰত কম সময়সীমাৰ নিৰিখবোৰ প্ৰযোজ্য.

4. পলিচীবোৰৰ বজাৰ মূল্য বা বাহাল থকাৰ মূল্য

ক্ষতি এটাৰ ক্ষেত্ৰত, বীমাকাৰীয়ে সাধাৰণতে বজাৰ মূল্যটো পৰিশোধ কৰে [যিটো হল হ্ৰাস কৰা মূল্য]. বাহাল ৰখা মূল্যৰ পলিচীটোৰ অধীনত, বীমাকাৰীবোৰে একেধৰণৰ নতুন সম্পত্তিৰ দ্বাৰা নষ্ট হোৱা সম্পত্তিটোৰ সলনি কৰা মূল্যটো পৰিশোধ কৰিব. নতুন সলনি কৰা মূল্যটো প্ৰতিফলিত কৰিবলৈ বীমাৰ নগদ পৰিমাণটো দাবী কৰা হয় আৰু স্বাভাৱিক অগ্নিকাণ্ডৰ পলিচীটোৰ অধীনস্থ বজাৰ মূল্যটোৰ বাবে নহয়.

বাহাল ৰখা মূল্যৰ পলিচীবোৰ অট্টালিকা, প্ল্যান্ট, যান্ত্ৰিক আৰু ফাৰ্নিচাৰ, ফিস্কচাৰ, ফিটিংছৰ বাবে প্ৰদান কৰা হয়. বাহাল ৰখা মূল্যৰ পলিচীবোৰ ষ্টকবোৰ সামৰিলবলৈ প্ৰদান কৰা নহয়, যিবোৰ বজাৰ মূল্যৰ ভিত্তিত সামৰিলোৱা হয়.

5. ঘোষণাকৰণ পলিচী

ভঁৰাল-ঘৰত জমা কৰা ষ্টকবোৰ ঘোষণাকৰণ পলিচী এটাৰ দ্বাৰা সামৰিলব পাৰি যিহেতু তেনেকুৱা ষ্টকবোৰৰ পৰিমাণটো হ্ৰাস-বৃদ্ধি হৈ থাকে. বীমাৰ নগদ পৰিমাণটো পলিচীটোৰ সময়চোৱাত গদামত জমা থাকিবলগীয়া সৰ্বাধিক মূল্য হোৱা উচিত. এই মূল্যটোত এটা ব্যৱস্থা কৰা প্ৰিমিয়াম এটা আৰোপ কৰা হয়. সন্মত বিৰতিবোৰত বীমাকৰ্তাই তেওঁৰ ষ্টকৰ মূল্যটো ঘোষণা কৰিব লাগে. পলিচীটোৰ সময়সীমাৰ শেষত প্ৰিমিয়ামটোৰ সৈতে এইটো মিলাব পাৰি.

6. ফ্লটাৰ পলিচীবোৰ

অন্য ধৰণৰ পলিচী হল ফ্লটাৰ পলিচী. এই পলিচীবোৰ বীমাৰ একেটা নগদ পৰিমাণৰ অধীনত বিভিন্ন নিৰ্ধাৰিত স্থানত সঞ্চয় কৰা সামগ্ৰীৰ ষ্টকবোৰৰ বাবে প্ৰদান কৰিব পাৰে. অনিৰ্ধাৰিত স্থানবোৰ সামৰি নলয়. প্ৰিমিয়ামৰ হাৰটো হল ১০% লোডিং এটাৰ সৈতে যিকোনো এটা স্থানত

থকা বীমাকৰ্তাৰ ষ্টকবোৰত প্ৰযোজ্য আটাইতকৈ উচ্চ হাৰটো. এইবোৰক অগ্নিকাণ্ড ক্লটাৰ পলিচী বুলিও কোৱা হয় যিহেতু বীমাৰ নগদ পৰিমাণটো বিভিন্ন স্থানত 'ক্লট' কৰে.

প্ৰিমিয়ামৰ হাৰ নিৰ্ধাৰণটো নিৰ্ভৰ কৰে:

a) দখলৰ প্ৰকাৰটো-হয়তো উদ্যোগিক বা অন্য.
b) বাণিজ্যৰ চৌহদ এটাত অৱস্থিত সকলোবোৰ সম্পত্তিত প্ৰস্তুত কৰা প্ৰডাক্ট(বোৰ) ৰ ওপৰত ভিত্তি কৰি এটা হাৰ আৰোপ কৰা হব.
c) বাণিজ্যিক চৌহদবোৰৰ বাহিৰৰ সুবিধাবোৰৰ হাৰটো ব্যক্তিগত স্থানত কৰা দখলৰ চৰিত্ৰটোৰ ওপৰত ভিত্তি কৰি কৰা হব.
d) ভঁৰালৰ অঞ্চলবোৰ হাৰটো মজুত ৰখা সামগ্ৰীৰ বিপদজনক চৰিত্ৰটোৰ ওপৰত ভিত্তি কৰি নিৰ্ধাৰণ কৰা হব.
e) "যোগ কৰা" সামৰিলোৱাবোৰ অন্তৰ্ভুক্ত কৰি অতিৰিক্ত প্ৰিমিয়াম আৰোপ কৰা হয়.
f) ভৱনটোত থকা অগ্নিকাণ্ড প্ৰতিৰোধী সুবিধাবোৰ আৰু অতীতৰ দাবীবোৰৰ ইতিহাসৰ ওপৰত ভিত্তি কৰি প্ৰিমিয়ামৰ ওপৰত ৰেহাই প্ৰদান কৰা হয়.
g) ব্যক্তি এজনে লগতে প্ৰিমিয়ামত ৰেহাইৰ বাবে লুটপাত, ধৰ্মগট, দূৰ্ভাৱনাপূৰ্ণ নষ্ট সামৰিলোৱা আৰু বানপানীৰ গোট সংকটবোৰ বাছি উলিয়াব পাৰে.

হাৰ নিৰ্ধাৰণটো বেলেগ বেলেগ বীমাকৰ্তা সাপেক্ষে বেলেগ বেলগে হব পাৰে.

নিজক পৰীক্ষা কৰক 1

বাণিজ্যিক ৰিস্কবোৰৰ বাবে অগ্নিকাণ্ডৰ পলিচী এটাই _____ ৰ সংকটবোৰ সামৰিলয়.

I. বিস্ফোৰণ
II. অন্তৰস্খলন
III. ওপৰৰ দুয়োটা
IV. ওপৰৰ এটাও নহয়

B. ব্যৱসায়ত বাধাগ্ৰস্ত হোৱাৰ বীমা

এই প্ৰকাৰৰ বীমাটো আনুসাংগিক ক্ষতিৰ বীমা বা মুনাফা বীমাৰ ক্ষতি হিচাপেও জনাজায়

অগ্নিকাণ্ড বীমাই বীমাকৃত সংকটোবোৰৰ দ্বাৰা অট্টালিকা, প্ল্যান্ট, যান্ত্ৰিক ফিস্কাৰ্চ, ফিটিংছ, বাণিজ্যৰ সামগ্ৰীবোৰ ইত্যাদিত হোৱা বস্তুনিষ্ঠ বা সম্পত্তিৰ ক্ষতি বিৰুদ্ধে বীমাৰ ধন আগবঢ়ায়. এইটোৱে বীমাকৰ্তাৰ ব্যৱসায়টো সম্পূৰ্ণৰূপে বা আংশিকভাৱে বাধাগ্ৰস্ত কৰিব পাৰে, ফলস্বৰূপে বাধাগ্ৰস্ত হোৱাৰ সময়চোৱাত বিভিন্ন আৰ্থিক ক্ষতিয়ে দেখা দিয়ে.

1. ব্যৱসায় বাধাগ্ৰস্ত হোৱা পলিচীৰ অধীনত সামৰিলোৱা

আনুসাংগিক ক্ষতি (CL) পলিচীটোৱে [ব্যৱসায় বাধাগ্ৰস্ত (BI)] বৰ্ধিত মুনাফাৰ ক্ষতিৰ বাবে বীমাৰ ধন আগবঢ়ায় – যিয়ে যিমান সোনকালে সম্ভৱ চূড়ান্ত ক্ষতিটো হ্ৰাস কৰি ব্যৱসায়ত স্বাভাৱিকতা আনিবলৈ বীমাকৰ্তাৰ দ্বাৰা কৰা কাৰ্যৰ বৰ্ধিত মূল্যটোৰ সৈতে মুঠ মুনাফা যোগ স্থায়ী মাচুলবোৰ অন্তৰ্ভুক্ত কৰে. সামৰিলোৱা সংকটবোৰ আৰু চৰ্তবোৰ অগ্নিকাণ্ডৰ পলিচীৰ অধীনত সেইবোৰ সামৰিলোৱাৰ দৰে একে.

উদাহৰণ

যদি ভূমিকম্প এটাৰ ফলত গাড়ী নিৰ্মাতাৰ প্ল্যান্টটো ক্ষতিগ্ৰস্ত হয়, তেন্তে উত্পাদনৰ ক্ষতিটোৱে নিৰ্মাতাৰ আয়টো ক্ষতিগ্ৰস্ত কৰিব. অতিৰিক্ত খৰচবোৰৰ সৈতে আয়ৰ এই ক্ষতিটো বীমা কৰিব পাৰি যিহেতু এইটো বীমাকৃত সংকট এটাৰ ফলাফল.

এই পলিচীটো মানবিশিষ্ট অগ্নিকাণ্ড আৰু বিশেষ সংকটবোৰৰ পলিচীৰ সৈতে কেৱল সংযোজন হিচাপে লব পাৰি যিহেতু এই পলিচীটোৰ অধীনত দাবীবোৰ গ্ৰহণযোগ্য হয় যদিহে তাত কেৱল মানবিশিষ্ট অগ্নিকাণ্ড আৰু বিশেষ সংকটবোৰৰ পলিচীৰ অধীনত দাবী এটা আছে.

নিজক পৰীক্ষা কৰক 2

ব্যৱসায়ত বাধাগ্ৰস্ত হোৱাৰ বীমা পলিচী এটা কেৱল _____ ৰ সংযোজন হিচাপে লব পাৰি.

I. মানবিশিষ্ট অগ্নিকাণ্ড আৰু বিশেষ সংকটবোৰৰ পলিচী
II. মানবিশিষ্ট অগ্নিকাণ্ড আৰু সাগৰীয় পলিচী
III. মানবিশিষ্ট আৰু বিশেষ সংকটবোৰৰ পলিচী
IV. মানবিশিষ্ট অভিযান্ত্ৰিক আৰু সাগৰীয় পলিচী

C. লুটপাতৰ বীমা

পলিচীটোৱে ষ্টকবোৰ, সামগ্ৰীবোৰ, ফাৰ্নিচাৰ ফিস্কাৰ্চ আৰু বন্ধ ছেফত ৰখা নগদ যিটো চুৰি হব পাৰে আদি থাকিব পৰা কাৰখানা, দোকান, কাৰ্য্যালয়, ভঁৰাল-ঘৰ আৰু গদামঘৰ ইত্যাদিৰ দৰে ব্যৱসায়িক ভৱনবোৰক উদ্দেশ্য কৰে. সামৰিলোৱাৰ সুবিধাটো পলিচীটোত স্পষ্টকৈ প্ৰকাশ কৰা হয়.

1. লুটপাত বীমাৰ অধীনত সামৰিলোৱা ৰিস্কবোৰ

a) ভৱনত প্ৰকৃত, জোবৰদস্তি আৰু হুলস্থূলীয়া প্ৰৱেশৰ বাবে হোৱা ক্ষতি আৰু ধৰি ৰখা বা ভৱনৰ পৰা প্ৰকৃত, জোবৰদস্তি আৰু হুলস্থূলীয়া প্ৰস্থানৰ বাবে হোৱা ক্ষতি.

b) লুটাৰুবোৰৰ দ্বাৰা ভৱনটো বা বীমাকৃত সম্পত্তিটোৰ ক্ষতিসাধন. কেৱল বীমাকৃত ভৱনটোৰ পৰা হেৰুওৱা বীমাকৃত সম্পত্তিটো সামৰিলোৱা হয় আৰু অন্য যিকোনো ভৱনৰ পৰা সামৰিলোৱা নহয়.

2. **A) নগদ সামৰিলোৱা**

লুটপাত সামৰিলোৱাৰ গুৰুত্বপূৰ্ণ অংশ এটা হৈছে নগদ সামৰিলোৱাটো. এইটোৱে কাৰ্য কৰে যেতিয়া নগদটো ছেফত সুৰক্ষিত কৰি ৰখা হয়, যিটো লুটপাত প্ৰতিৰোধী আৰু এটা প্ৰমাণিত তৈয়াৰী আৰু আৰ্হি বিশিষ্ট. নগদ সামৰিলোৱাটো অনুমোদনৰ বাবে প্ৰযোজ্য সাধাৰণ চৰ্তবোৰ তলত দিয়া হল:

a) ছাবি ব্যৱহাৰ কৰি নগদ লুট কৰা, যত ছাবিটো হিংসা বা হিংসাৰ ভাবুকি বা বল প্ৰয়োগ কৰি আহৰণ কৰা হৈছে. এইটোক সাধাৰণতে **"ছাবি দফা"** হিচাপে জনাজায়.

b) ছেফত থকা নগদৰ পৰিমাণবোৰৰ সম্পূৰ্ণ তালিকা এখন অইন এটা ঠাইত সুৰক্ষিত কৰি ৰখা হয়. বীমাকাৰীৰ দায়িত্বটো সাধাৰণতে তেনেকুৱা ৰেকৰ্ডবোৰে দেখুওৱা পৰিমাণটোত সীমিত.

B) প্ৰথম ক্ষতিৰ বীমা

বৃহত আকাৰৰ কিন্তু কম মূল্যৰ সামগ্ৰীবোৰৰ ক্ষেত্ৰত, (গাখিত থকা কপাহ, বীজ, চেনি ইত্যাদিৰ দৰে) এটা মাত্ৰ মূহুৰ্তত সমগ্ৰ ষ্টকটো হেৰুওৱাটো দকৈ বিবেচনা কৰা হয়. লুতপাট কৰিব পৰা মূল্যটো সাম্ভাব্য সৰ্বাধিক ক্ষতি হিচাপে লাভ কৰিব পাৰি আৰু সমগ্ৰ ষ্টকটো ৰিস্কত সামৰি লওতে এই সৰ্বাধিক সাম্ভাব্য ক্ষতিটোৰ বাবে প্ৰিমিয়ামটো আৰোপ কৰা হয়. এইটো অনুমান কৰা হয় যে দ্বিতীয় লুটপাতটো তাত্ক্ষণিকভাৱে নহব পাৰে বা বীমাকৰ্তাই ইয়াৰ পুনৰাবৃত্তি নহবৰ বাবে অতিৰিক্ত সুৰক্ষাৰ ব্যৱস্থা কৰিব পাৰে.

C) অগ্নিকাণ্ড বীমাৰ সৈতে একে ষ্টকবোৰ সাপেক্ষে ঘোষণা সামৰিলোৱা আৰু ফ্লটাৰ সামৰিলোৱাটোও সম্ভৱপৰ.

3. **বহিষ্কৰণবোৰ**

পলিচীটোৱে কৰ্মচাৰী, পৰিয়ালৰ সদস্য বা অন্য ব্যক্তিবোৰ যিবোৰে আইগতভাৱে ভৱনটোত থাকিব পাৰে তেওঁলোকৰ দ্বাৰা সংগটিত চুৰিকাৰ্যটো সামৰি নলয়, লগতে হস্তগত বা সাধাৰণ চুৰিটো সামৰি নলয়. এইটোৱে লগতে অগ্নিকাণ্ড বা প্লেট গ্লাছ পলিচী এটাই সামৰিলোৱা ক্ষতিবোৰও বহিষ্কাৰ কৰে.

4. **সম্প্ৰসাৰণবোৰ**

অতিৰিক্ত প্ৰিমিয়ামত সংঘৰ্ষ, ধৰ্মগট আৰু সংন্ত্ৰাসবাদৰ ৰিস্কবোৰ সামৰিলবলৈ পলিচীটো সম্প্ৰসাৰণ কৰিব পাৰি.

5. **প্ৰিমিয়াম**

লুটপাটৰ পলিচীৰ বাবে প্ৰিমিয়ামৰ হাৰবোৰ বীমাকৰ্তাৰ সম্পত্তিৰ চৰিত্ৰটো, বীমাকৰ্তাৰ নিজস্ব নৈতিক আপদ, ভৱনৰ নিৰ্মাণ আৰু অৱস্থান, সুৰক্ষাৰ জোখবোৰ (যেনে, প্ৰহৰী, লুটপাতৰ সংকেত), পূৰ্বৰ দাবীৰ অভিজ্ঞতা ইত্যাদিৰ ওপৰত নিৰ্ভৰ কৰে.

প্ৰস্তাৱৰ ফৰ্মত দিয়া পূংখানুপূংখ বিৱৰণবোৰৰ লগতে উচ্চ মূল্য জড়িতবোৰৰ বাবে বীমাকাৰীবোৰে সন্মতিৰ পূৰ্ব অনুসন্ধান এটা সম্পন্ন কৰে.

নিজক পৰীক্ষা কৰক 3

চুৰি পলিচীৰ বাবে প্ৰিমিয়ামটো _____ ৰ ওপৰত নিৰ্ভৰ কৰে.

I. বীমাকৃত পলিচীটোৰ চৰিত্ৰ
II. বীমাকৰ্তাৰ নিজস্ব নৈতিক আপদ
III. ভৱনটোৰ নিৰ্মাণ আৰু অৱস্থান
IV. ওপৰৰ সকলোবোৰ

D. ধন বীমা

নগদ পৰিচালনা কৰাটো যিকোনো ব্যৱসায়ৰ এটা অপৰিহাৰ্য অংশ. এইটোৱে ধন হেৰুওৱাৰ বিৰুদ্ধে বেকং আৰু উদ্যোগিক ব্যৱসায়িক প্ৰতিষ্ঠানবোৰক সুৰক্ষা দিবলৈ উদ্দেশ্য কৰে. বাহিৰৰ দৰে ভৱনৰ ভিতৰৰ ধনবোৰ এটা ৰিস্কত থাকে. উঠাওতে, জমা দিওতে, পৰিশোধ বা সংগ্ৰহ প্ৰস্তুত কৰোতে এইটো বেআইনীভাৱে হস্তগত কৰিব পাৰে.

1. ধন বীমাৰ সামৰিলোৱা

নগদ, শ্বেক / ডাক অৰ্ডাৰবোৰ / ডাক ষ্টেম্পবোৰ পৰিচালনা কৰোতে উদ্ভৱ হব পৰা ক্ষতিবোৰ সামৰিলবলৈ ধন বীমা পলিচী আৰ্হি কৰা হয়. পলিচীটোৱে সাধাৰণতে দুটা খণ্ডৰ অধীনত সামৰিলয়

a) সৰবৰাহ খণ্ড

এইটোৱে ডকাইতি বা চুৰিকাণ্ড বা বীমাকৰ্তা বা তেখেতৰ নিযুক্ত কৰ্মচাৰীবোৰৰ দ্বাৰা বাহিৰলৈ কঢ়িয়াই নিওতে সংগটিত হোৱা এনেকুৱা একেধৰণৰ কাৰ্যবোৰৰ ফলস্বৰূপে হোৱা নগদ ক্ষতিটো সামৰিলয়.

সৰবৰাহৰ খণ্ডটোৱে দুটা পৰিমাণ নিৰ্দিষ্ট কৰে :

i. **প্ৰতিটো বহনত সীমা** :এইটো হল প্ৰতিটো ক্ষতি সাপেক্ষে বীমাকাৰীবোৰে পৰিশোধ কৰিবলগীয়া আটাইতকৈ সৰ্বাধিক পৰিমাণ.

ii. **পলিচীৰ সময়চোৱাত সৰবৰাহ কৰা নিৰ্ধাৰিত পৰিমাণটো:** এইটোৱে প্ৰিমিয়ামৰ পৰিমাণটো পাবলৈ প্ৰিমিয়ামৰ হাৰটো প্ৰয়োগ কৰিবলগীয়া পৰিমাণটো প্ৰতিনিধত্ব কৰে.

"ঘোষণাৰ ভিত্তিত" পলিচীবোৰ প্ৰদান কৰিব পাৰি. বীমাকাৰীবোৰে এইদৰে সৰবৰাহত নিৰ্ধাৰিত পৰিমাণটোৰ ওপৰত ব্যৱস্থা কৰা প্ৰিমিয়াম এটা আৰোপ কৰে আৰু বীমাকৰ্তাৰ স্বীকাৰোক্তি অনুসৰি পলিচীটোৰ সময়চোৱাত সৰবৰাহ হোৱা প্ৰকৃত পৰিমাণটোৰ ওপৰত ভিত্তি কৰি পলিচীটোৰ ম্যাদ উকলি যোৱাৰ সময়ত এই প্ৰিমিয়ামটো মিলায়.

b) ভৱন খণ্ড

এই খণ্ডটোৱে লুটপাত, ঘৰ ভঙা, ধৰি ৰখা ইত্যাদিৰ ফলত ব্যক্তি এজনৰ ভৱন / বন্ধ ছেফৰ পৰা নগদ হেৰুওৱাটো সামৰিলয়. পলিচীটোৰ অন্য বৈশিষ্ট্যবোৰ সাধাৰণতে আমি ওপৰত উল্লেখিত পাঠটোৰ পৰা শিকিবলগীয়া ৩ ৰ অধীনত আলোচনা কৰা লুটপাত বীমা (ব্যৱসায়িক ভৱনৰ) দৰে একে.

2. সম্প্ৰসাৰণবোৰ

অতিৰিক্ত প্ৰিমিয়াম পৰিশোধ কৰিলে পলিচীটোৱে নিম্নোক্তবোৰ সামৰিলব পাৰে:

a) নগদ কঢ়িওৱা ব্যক্তিবোৰৰ অসাধুতা,
b) সংঘৰ্ষ, ধৰ্মগট আৰু সন্ত্ৰাসবাদৰ ৰিস্কবোৰ

c) ৰিস্কৰ বিতৰণ, যিটো কৰ্মচাৰীবোৰক পাৰিশ্ৰমিক পৰিশোধ কৰাৰ সময়ত সন্মুখীন হোৱা ক্ষতি

3. গুৰুত্বপূৰ্ণ বহিষ্কৰণবোৰ

এইবোৰ অন্তৰ্ভুক্ত কৰে:

a) ভুল বা বাদ দিয়াৰ বাবে কম পৰা,
b) নিৰ্ধাৰিত ব্যক্তিৰ বাহিৰে আনৰ হাতত অৰ্পণ কৰা ধন হেৰুওৱা আৰু
c) সংঘৰ্ষ, ধৰ্মগট আৰু সন্ত্ৰাসবাদ: অতিৰিক্ত প্ৰিমিয়াম এটা পৰিশোধৰ দ্বাৰা এইবোৰ এটা সম্প্ৰসাৰণৰ দৰে সামৰিলব পাৰি.

4. প্ৰিমিয়াম

বীমাকৰ্তা, যিকোনো এটা সময়ত কোম্পানীটোৰ নগদ বহনৰ দায়িত্ব, হস্তান্তৰণৰ ধৰণ, জড়িত দূৰত্ব, অবলম্বন কৰা নিৰাপত্তাৰ জোখবোৰ ইত্যাদিৰ ওপৰত ভিত্তি কৰি প্ৰিমিয়ামটো নিৰ্ধাৰণ কৰা হয়. পলিচীটোৰ ম্যাদ উকলি যোৱাৰ ৩০ দিনৰ ভিতৰত কৰা ঘোষণাৰ ওপৰত ভিত্তি কৰি গোটেই বছৰটোত কঢ়িওৱা প্ৰকৃত নগদটো মতে প্ৰিমিয়ামটো মিলাব পাৰি.

নিজক পৰীক্ষা কৰক 4

ধন বীমা পলিচী এটাৰ অধীনত তলৰ কোনটো সামৰিলোৱা হয়?

I. ভুল বা বাদ দিয়াৰ বাবে কম পৰা
II. লুটপাতৰ ফলত ব্যক্তিৰ ভৱনৰ পৰা নগদ হেৰুওৱা
III. নিৰ্ধাৰিত ব্যক্তিৰ বাহিৰে আনৰ হাতত অৰ্পণ কৰা ধন হেৰুওৱা
IV. সংঘৰ্ষ, ধৰ্মগট আৰু সন্ত্ৰাসবাদ

E. কৰ্তব্যপৰায়ণ আশ্বাস বীমা

কোম্পানীবোৰে সিহঁতৰ কৰ্মচাৰীবোৰৰ অসাধুতা আৰু প্ৰৱঞ্চনাৰ বাবে আৰ্থিক ক্ষতিৰ সন্মুখীন হয়. কৰ্তব্যপৰায়ণ আশ্বাস বীমাই নিযুক্তকৰ্তাবোৰক সিহঁতৰ কৰ্মচাৰীবোৰে ফন্দি, ফাঁকি, চুৰি, আৰু অনুচিত কাৰ্য আৰু ভুল আদিৰ দ্বাৰা কৰা অসাধুতা বা প্ৰৱঞ্চনাৰ ফলত হোৱা আৰ্থিক ক্ষতিৰ বাবে ক্ষতিপূৰণ দিয়ে.

1. কৰ্তব্যপৰায়ণ আশ্বাস বীমাৰ অধীনত সামৰিলোৱা

এটা প্ৰত্যক্ষ বিত্তীয় ক্ষতিৰ বিৰুদ্ধে সামৰিলোৱাৰ অনুমতি দিয়া হয় আৰু কিন্তু আনুসাংগিক ক্ষতিবোৰ অন্তৰ্ভুক্ত নকৰে.

a) ক্ষতিটো ধন, সুৰক্ষা বা সামগ্ৰীবোৰ সাপেক্ষে হোৱা উচিত
b) কাৰ্যটো নিৰ্ধাৰিত কৰ্তব্যবোৰৰ ক্ষেত্ৰত সমৰ্পিত হোৱা উচিত;
c) কৰ্মচাৰীৰ মৃত্যু, অৱসৰ, ইস্তফা বা বৰ্খাস্ত হোৱাৰ বা পলিচীটোৰ ম্যাদ উকলিযোৱাৰ ১২ মাহৰ ভিতৰত ক্ষতিটো আৱিষ্কাৰ কৰিব লাগে, যিটো আগতে হয়
d) অসাধু কৰ্মচাৰী এজনক পুনৰ নিযুক্তি দিয়াৰ বাবে কোনো সামৰিলোৱা আগবঢ়োৱা নহয়

2. কৰ্তব্যপৰায়ণ আশ্বাস পলিচী

তলত আলোচনা কৰাৰ দৰে বিভিন্ন ধৰণৰ কৰ্তব্যপৰায়ণ আশ্বাস পলিচী আছে:

a) ব্যক্তিগত পলিচী

এই ধৰণৰ পলিচীটো কেৱল এজন আশ্বাস দিবলগীয়া ব্যক্তি থকাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়. নাম, কৰ্মচাৰী পদবী আৰু আশ্বাসৰ পৰিমাণটো নিৰ্ধাৰণ কৰিব লাগে.

b) সংগৃহীত পলিচী

এই পলিচীটোৱে প্ৰতিজন কৰ্মচাৰীৰ কৰ্তব্যবোৰ আৰু পৃথক বীমাৰ নগদ পৰিমাণবোৰৰ টোকা এটাৰ সৈতে আশ্বাসটো প্ৰয়োগ কৰা কৰ্মচাৰীবোৰৰ কৰ্তব্যবোৰৰ এখন নিৰ্ধাৰিত চামিল কৰে.

c) ফ্লটিং পলিচী বা ফ্লটাৰ

এই পলিচীটোত, সামৰিলবলগীয়া ব্যক্তিবোৰৰ নাম আৰু কৰ্তব্যবোৰ সূচী এখনত ভৰোৱা হয়, কিন্তু ব্যক্তিৰ আশ্বাসৰ নিজাৱবীয়া পৰিমাণবোৰৰ পৰিৱৰ্তে, সম্পূৰ্ণ গোটটোৰ ওপৰত এটা নিৰ্ধাৰিত পৰিমাণৰ আশ্বাস "ফ্লট" কৰা হয়. যিকোনো এজন কৰ্মচাৰী সাপেক্ষে দাবী এটাই সেইবাবে ফ্লট কৰা আশ্বাসটো হ্ৰাস কৰে, অতিৰিক্ত প্ৰিমিয়াম এটা পৰিশোধৰ দ্বাৰা মূল নগদটো বাহাল নকৰালৈকে.

d) স্থানবোৰৰ পলিচী

এইটো সংগৃহীত পলিচী এটাৰ সৈতে একে, পাৰ্থক্যটো হল কেৱল নিৰ্ধাৰিত তালিকাভুক্ত কৰা "স্থানবোৰ" যিবোৰক বিশেষ পৰিমাণ এটাৰ বাবে আশ্বাস প্ৰদান কৰা হয় আৰু নামটো উল্লেখ কৰা নহয়.

e) ব্ল্যাংকেট পলিচী

এই পলিচীটোৱে নাম বা স্থানবোৰ নেদেখুওৱাকৈ সমগ্ৰ ষ্টাফটোক সামৰি লয়. বীমাকাৰীবোৰে কৰ্মচাৰীবোৰৰ বিষয়ে কোনো অনুসন্ধান নকৰে. তেনেকুৱা পলিচীবোৰ কেৱল এটা বৃহত ষ্টাফৰ নিযুক্তিকৰ্তাৰ বাবে প্ৰযোজ্য আৰু সংস্থাটোৱে কৰ্মচাৰীবোৰৰ আগৰ জীৱনটোৰ বিষয়ে অনুসন্ধান কৰে. নিযুক্তকৰ্তাবোৰে লাভ কৰা প্ৰসংগবোৰ দাবী এটাৰ সময়ত বীমাকাৰীবোৰৰ বাবে উপলব্ধ হোৱাটো অপৰিহাৰ্য. পলিচীটো কেৱল খ্যাতিসম্পন্ন বৃহত কোম্পানীবোৰৰ বাবে অনুমোদন কৰা হয়.

3. প্ৰিমিয়াম

প্ৰিমিয়ামৰ হাৰটো ব্যৱসায়িক জীৱিকা, কৰ্মচাৰীৰ স্থিতি, পৰীক্ষা আৰু নিৰীক্ষণৰ প্ৰণালীটোৰ ওপৰত নিৰ্ভৰ কৰে.

নিজক পৰীক্ষা কৰক 5

কৰ্তব্যপৰায় আশ্বাস বীমাই ক্ষতিপূৰণ দিয়ে _____.

I. কৰ্মচাৰীবোৰৰ অসাধুতা বা প্ৰৱঞ্চনাৰ বাবে আৰ্থিক ক্ষতিৰ সন্মুখীন হোৱা নিযুক্তিকৰ্তাবোৰক
II. নিযুক্তিকৰ্তাৰ অসাধুতা বা প্ৰৱঞ্চনাৰ বাবে আৰ্থিক ক্ষতিৰ সন্মুখীন হোৱা কৰ্মচাৰীবোৰক
III. তৃতীয়-ফৈদৰ অসাধুতা বা প্ৰৱঞ্চনাৰ বাবে আৰ্থিক ক্ষতিৰ সন্মুখীন হোৱা নিযুক্তিকৰ্তাবোৰ আৰু কৰ্মচাৰীবোৰক
IV. কোম্পানী পৰিচালনা বিভাগৰ অসাধুতা বা প্ৰৱঞ্চনাৰ বাবে আৰ্থিক ক্ষতিৰ সন্মুখীন হোৱা শ্বেয়াৰধাৰকবোৰক

F. বেংকাৰছ বীমাৰ ধনৰ বীমা

এই ব্যাপক সামৰিলোৱাটো ধনৰ লেনদেনৰ সৈতে জড়িত বেংক, NBFC আৰু অন্য প্ৰতিষ্ঠানৰ বাবে নক্সা কৰা হৈছে, ধন আৰু সুৰক্ষাবোৰ প্ৰসংগত সিহঁতে সন্মুখীন হোৱা বিশেষ ৰিস্কবোৰ বিবেচনা কৰি.

1. বেংকাৰ্ছ বীমাৰ ধনৰ বীমা অধীনত সামৰিলোৱা

বেংকাৰৰ প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি এই পলিচীটোত বিভিন্ন তাৰতম্য আছে.

a) অগ্নিকাণ্ড, লুটপাত, সংঘৰ্ষ আৰু ধৰ্মগটৰ ফলত ভৱনৰ ভিতৰত থকা ধন সুৰক্ষাবোৰ হেৰায় বা নষ্ট হয়.

b) কৰ্মচাৰীৰ অৱহেলাকে ধৰি যিকোনো কাৰক বাবে ক্ষতিৰ সন্মুখীন হোৱা, যেতিয়া সম্পত্তিটো কৰ্তৃত্বশীল কৰ্মচাৰীবোৰৰ হাতত ভৱনৰ বাহিৰলৈ কঢ়িওৱা হয়.

c) ফাঁকি বা শ্বেক, ড্ৰাফ্ট, ফিক্সড ডিপোজিটৰ ৰছিদ ইত্যাদি.

d) ধন/সুৰক্ষাবোৰ প্ৰসংগত বা বন্ধক থোৱা সামগ্ৰীবোৰ সাপেক্ষে কৰ্মচাৰীবোৰৰ অসাধুতা.

e) পঞ্জীয়নকৃত ডাক পাৰ্ছেলবোৰৰ দ্বাৰা পথোৱা.

f) মূল্যাংকনকৰ্তাবোৰৰ অসাধুতা.

g) 'জনতা এজেন্ট', 'ক্ষুদ্ৰ সঞ্চয় যোজনা এজেন্ট' আদিৰ দৰে বেংকৰ এজেন্টবোৰৰ হাতত থকা অৱস্থাত ধন হেৰুওৱা.

সামৰিলোৱাটো আৱিষ্কাৰৰ ভিত্তিত প্ৰদান কৰা হয়, এইটোৱে বুজায় যে পলিচীটোৱে ক্ষতি এটা আৱিষ্কাৰ হোৱা সময়সীমা এটালৈকে সঁহাৰি দিব আৰু এইটো ধৰা পৰাৰ পিছত সময়সীমাটোৰ প্ৰয়োজন নাই. কিন্তু ক্ষতিটো প্ৰকৃততে ধৰা পৰালৈকে সামৰিলোৱা এটা বৰ্তি থাকিব লাগিব.

পাৰস্পৰিকভাৱে আৱিষ্কাৰৰ তাৰিখটোৰ আগৰ ২ বছৰৰ সময়সীমা এটাৰ ভিতৰত হোৱা ক্ষতিবোৰ কেৱল পৰিশোধ কৰা হয়, সামৰিলোৱাৰ বিষয়বস্তুটো ধাৰাবাহিক, ক্ষতি এটা উদ্ভৱ হোৱাতকৈ আগৰ তাৰিখ এটাৰ পৰা.

2. গুৰুত্বপূৰ্ণ বহিষ্কৰণবোৰ

এইবোৰত অন্তৰ্ভুক্ত কৰে:

a) বাণিজ্যিক ক্ষতিবোৰ

b) উপেক্ষা

c) ছফ্টৱেৰ অপৰাধবোৰ আৰু

d) অংশীদৰ / সঞ্চালকবোৰৰ অসাধুতা]

3. বীমাৰ নগদ পৰিমাণ

বেংকটোৱে বীমাৰ নগদ পৰিমাণটো নিৰ্দিষ্ট কৰিব লাগে যিটোৱে সাধাৰণতে প্ৰথম ৫ টা খণ্ডৰত ওপৰত ফ্লট কৰিব. ইয়াক 'বীমাৰ প্ৰাথমিক নগদ পৰিমাণ' বুলি কোৱা হয়. খণ্ড (১) আৰু (২)ৰ বাবে অতিৰিক্ত বীমাৰ নগদ পৰিমাণ কিনিব পাৰি যদি বীমাৰ প্ৰাথমিক নগদ পৰিমাণটো যথেষ্ট নহয়. পলিচীটোৱে লগতে অতিৰিক্ত প্ৰিমিয়াম এটা পৰিশোধ কৰাৰ দ্বাৰা বীমাৰ নগদ পৰিমাণৰ বাধ্যতামূলক আৰু স্বয়ংক্ৰিয় বাহালটোৰ অনুমতি দিয়ে

4. হাৰ নিৰ্ধাৰণ

প্ৰিমিয়াম গণনাটো নিম্নোক্তবোৰৰ ওপৰত আধাৰিত:

a) প্ৰাথমিক বীমাৰ নগদ পৰিমাণ
b) অতিৰিক্ত বীমাৰ নগদ পৰিমাণ
c) ষ্টাফৰ সংখ্যা
d) শাখাবোৰৰ সংখ্যা.

নিজক পৰীক্ষা কৰক 6

বেংকাৰ্ছ ক্ষতিপূৰণ বীমা এটাৰ অধীনত তলৰ কোনটো সামৰিলব পাৰি?

I. অগ্নিকাণ্ডৰ বাবে ভৱনৰ ভিতৰত থকা ধনৰ সুৰক্ষাবোৰ হেৰুওৱা বা নষ্ট হোৱা
II. শ্বেকবোৰৰ ফাঁকি বা সলনি
III. ধন প্ৰসংগত কৰ্মচাৰীবোৰৰ অসাধুতা
IV. ওপৰৰ সকলোবোৰ

G. গণনা প্ৰস্তুতকৰ্তাৰ ব্লক পলিচী

বৰ্তমান সময়ত ভাৰতবৰ্ষই গণনা, বিশেষকৈ হীৰাৰ বাবে বিশ্ব বাণিজ্যত এটা আগৰণুৱা কেন্দ্ৰ হিচাপে খ্যাতি অৰ্জন কৰিছে. আমদানিকৃত কেঁচা হীৰাবোৰ কটা হয়, ঘঁহি উজ্বল কৰা হয় আৰু ৰপ্তানি কৰা হয়. এইটোৱে গণনা প্ৰস্তুতকৰ্তা এজনৰ সকলোবোৰ ৰিস্কৰ যতন লয় যাৰ ব্যৱসায়টো সোণৰ গহনা আৰু ৰূপৰ সামগ্ৰী, হীৰা আৰু মূল্যৱান পাথৰ, হাত-ঘড়ী আদিৰ দৰে ক্ষুদ্ৰ আকৃতিৰ উচ্চ মূল্যৰ সামগ্ৰীৰ বিক্ৰীৰ সৈতে জড়িত. বাণিজ্যটো এই খৰচী সামগ্ৰীবোৰ বৃহত পৰিমাণ জমা কৰা আৰু বিভিন্ন ভৱনৰ মাজত সেইবোৰ সৰবৰাহ কৰাটোৰ সৈতে জড়িত.

1. গহনা প্ৰস্তুতকৰ্তাৰ ব্লক পলিচীৰ সামৰিলোৱা

গহনা প্ৰস্তুতকৰ্তাৰ ব্লক পলিচীবোৰে তেনেকুৱা ৰিস্কবোৰ সামৰিলয়. ইয়াক চাৰিটা ভাগত বিভক্ত কৰা হয়. খণ্ড ১ ৰ অধীনত সামৰিলোৱাটো বাধ্যতামূলক. বীমাকৰ্তাই তেখেতৰ বিকল্পবোৰ অনুযায়ী অন্য খণ্ডবোৰ বাদ দিব পাৰে. এইটো হল এটা পেকেজ পলিচী.

a) **খণ্ড I:** বীমাকৃত ভৱনবোৰত থকা অৱস্থাত অগ্নিকাণ্ড, বিস্ফোৰণ, ঢেৰেকণী, লুটপাত, ঘৰ-ভঙা, চুৰি, ধৰি-ৰখা, ডকাইতি, সংঘৰ্ষ, ধৰ্মগট আৰু দূৰ্ভাৱনাপূৰ্ণ ক্ষতি আৰু সন্ত্ৰাসবাদ আদিৰ ফলস্বৰূপে হোৱা সম্পত্তিৰ ক্ষতি বা নষ্টটো সামৰিলয়.

b) **খণ্ড II:** বীমাকৃত সম্পত্তিটো বীমাকৰ্তা আৰু আন নিৰ্ধাৰিত ব্যক্তিৰ জিম্মাত থাকিলে নষ্ট বা ক্ষতিটো সামৰিলয়.

c) **খণ্ড III:** পঞ্জীয়ন কৰা বীমাকৃত পাৰ্চেল পোষ্ট, বিমান ভাৰা ইত্যাদিৰ দ্বাৰা প্ৰেৰণ কৰা সম্পত্তিৰ ক্ষতি বা নষ্টটো সামৰিলয়.

d) **খণ্ড IV:** খণ্ড I ত উল্লেখিত সংকটবোৰৰৰ বিৰুদ্ধে বাণিজ্যিক আৰু কাৰ্য্যালয়ৰ আচবাব আৰু ভৱনটোত কৰা ফিটিংবোৰৰ বাবে সামৰিলোৱা আগবঢ়ায়.

প্ৰিমিয়াম গণনাৰ বাবে প্ৰতিটো খণ্ড পৃথকভৱে নিৰ্ধাৰণ কৰা হয়.

2. গুৰুত্বপূৰ্ণ বহিষ্কৰণবোৰ হল :

a) এজেন্টবোৰ, কাটাৰবোৰ, সোণাৰীবোৰৰ অসাধুতা,
b) ৰাজহুৱা প্ৰদৰ্শনৰ সময়ত সম্পত্তি ৰাখি থোৱা
c) ব্যক্তিগত উদ্দেশ্যৰ বাবে পিন্ধা / কঢ়িয়াওতে হেৰুওৱা
d) ব্যৱসায়ৰ সমচোৱাত সম্পত্তিটো বাহিৰত সুৰক্ষিত কৰি নৰখা
e) সম্পত্তিটো ৰাতি খিৰিকীৰ কাষত দেখাকৈ ৰখা
f) কৰ্মচাৰীবোৰ বা বীমাকৃত পৰিয়ালৰ সদস্যবোৰৰ কৰ্তব্যপৰায়ণৰ ফলত হোৱা ক্ষতিটো সামৰি নলয়. সম্পূৰ্ণ নিৰাপত্তাৰ বাবে বীমাকৰ্তাই লগতে কৰ্তব্যপৰায়ণ আশ্বাস সামৰিলোৱা উচিত.

সম্পূৰ্ণ নিৰাপত্তাৰ বাবে বীমাকৰ্তাই কৰ্তব্যপৰায়ণতাৰ আশ্বাস সামৰিলোৱাটোও লব পাৰে.

3. প্ৰিমিয়াম

প্ৰতিটো ক্ষেত্ৰত গুণবোৰৰ ওপৰত ভিত্তি কৰি ৰিস্কবোৰ ক্ৰম কৰা হয়. সম্পূৰ্ণ চৌবিশ ঘন্টীয়া নিৰীক্ষণৰ বাবে ৰেহাইৰ সৈতে প্ৰতিটো খণ্ডৰ বাবে পৃথক প্ৰিমিয়ামৰ হাৰবোৰ প্ৰয়োগ কৰা হয়, দফা **IC-৩৪ সাধাৰণ বীমা ২০৯ চাৰ্কিট** TV / এলাৰ্ম ছিষ্টেম, বিশেষ সুৰক্ষিত কক্ষ আৰু আন যিকোনো নিৰাপদ আহিলা ইত্যাদিৰ বাবে.

নিজক পৰীক্ষা কৰক 7

গহনা প্ৰস্তুতকৰ্তাৰ ব্লক পলিচী এটাৰ ক্ষেত্ৰত, পঞ্জীয়নকৃত পাৰ্ছেল দ্বাৰা সৰবৰাহ কৰোতে হোৱা বীমাকৃত সম্পত্তিৰ ক্ষতিটো _____ ৰ অধীনত সামৰিলোৱা হব.

I. খণ্ড I
II. খণ্ড II
III. খণ্ড III
IV. খণ্ড IV

H. অভিযান্ত্ৰিক বীমা

অভিযান্ত্ৰিক বীমা হল সাধাৰণ বীমাৰ এটা শাখা যিটো অগ্নিকাণ্ড বীমাৰ বৃদ্ধিৰ সৈতে সমান্তৰালভাৱে আগবাঢ়ে. উদ্যোগিকৰণৰ উন্নতিৰ পৰা ইয়াৰ মূলবোৰ বিচাৰি উলিয়াব পাৰি, যিয়ে প্ল্যান্ট আৰু যান্ত্ৰিকৰ বাবে পৃথক সামৰিলোৱা এটাৰ প্ৰয়োজনীয়তাটো আলোকিত কৰে. অভিযান্ত্ৰিক প্ৰকল্পবোৰ সাপেক্ষে সকলোবোৰ ৰিস্ক সামৰিলোৱাৰ ধাৰণাটো উন্নত হৈছিল - বিশেষভাৱে বহিষ্কৃতবোৰৰ বাহিৰে যিকোনো কাৰক বাবে হোৱা নষ্ট সামৰিলৈ. প্ৰডাক্টবোৰে বিভিন্ন স্তৰবোৰ সামৰিলয় – প্ল্যান্টটো কাৰ্যকৰী হৈ থকালৈকে নিৰ্মাণৰ পৰা পৰীক্ষা কৰালৈ. এই বীমাটোৰ বাবে গ্ৰাহকবোৰ হল বৃহত আৰু ক্ষুদ্ৰ উদ্যোগিক গোট দুয়োটা. এইটোৱে লগতে বৈদ্যুতিক সঁজুলি থকা গোটবোৰ আৰু ডাঙৰ প্ৰকল্পবোৰ কৰা ঠিকাদাৰবোৰকও অন্তৰ্ভুক্ত কৰে.

অভিযান্ত্ৰিক বীমা পলিচীৰ প্ৰকাৰবোৰ

এই ধৰণৰ পলিচীৰ অধীনস্থ মুখ্য পলিচীবোৰৰ বিষয়ে আমি বিস্তৃতভাৱে আলোচনা কৰো আহক

1. ঠিকাদাৰবোৰৰ সকলোবোৰ ৰিস্ক (C.A.R.) পলিচী

এইটো সৰু অট্টালিকাবোৰৰ পৰা আৰম্ভ কৰি বৃহত বান্ধ, অট্টালিকা, দলং, সুৰংগ ইত্যাদি অভিযান্ত্ৰিক প্ৰকল্পবোৰৰ সৈতে জড়িত ঠিকাদাৰ আৰু মুখ্যবোৰৰ আগ্ৰহবোৰ সুৰক্ষিত কৰিবলৈ এইটো আৰ্হি কৰা হৈছে. পলিচীটোৱে "সকলোবোৰ ৰিস্ক" সামৰিলোৱা এটা আগবঢ়ায় – নিৰ্মাণক্ষেত্ৰত থকা বীমাকৃত সম্পত্তিৰ যিকোনো আকস্মিক আৰু পূৰ্বজ্ঞানহীন ক্ষতি বা নষ্টৰ বিৰুদ্ধে এইদৰে ক্ষতিপূৰণ আগবঢ়ায়. ইয়াক তৃতীয় ফৈদৰ দায়িত্ব আৰু আন প্ৰভাৱবোৰ সামৰিলবলৈ প্ৰসাৰ কৰিব পাৰি. আৰোপ কৰিবলগীয়া প্ৰিমিয়ামটো প্ৰকল্পটোৰ চৰিত্ৰ, প্ৰকল্পটোৰ মূল্য, প্ৰকল্পটোৰ সময়সীমা, ভৌগোলিক অৱস্থান আৰু পৰীক্ষাৰ সময়সীমা আদিৰ ওপৰত নিৰ্ভৰ কৰে.

2. ঠিকাদাৰবোৰৰ প্ল্যান্ট আৰু যান্ত্ৰিক (CPM) পলিচী

ক্ৰেন, এক্সকেভেটৰ আদিৰ দৰে সকলোবোৰ যান্ত্ৰিক সঁজুলি সামৰিলোৱাটো নিৰ্মাণৰ ব্যৱসায়ৰ সৈতে জড়িত ঠিকাদাৰবোৰৰ বাবে উপযোগী, নিম্নোক্তবোৰকে ধৰি যিকোনো কাৰক পৰা হোৱা পূৰ্বজ্ঞানহীন আৰু আকস্মিক দৈহিক ক্ষতি বা নষ্টৰ পৰা:

a) লুটপাত, চুৰি, R.S.M.D.T.
b) অগ্নিকাণ্ড আৰু ঢেৰেকনী, বাহ্যিক বিস্ফোৰণ, ভূমিকম্প আৰু আন আন ভগবানৰ কাৰ্য্যৰ সংকটবোৰ
c) ভুলকৈ পৰিচালনা কৰাৰ ফলত হোৱা দূৰ্ঘটনামূলক ক্ষতি, পেলোৱা বা পৰি যোৱা, খহি পৰা, সংঘাট আৰু প্ৰভাৱ; তৃতীয় ফৈদৰ নষ্টৰ বাবে প্ৰসাৰিত কৰিব পাৰি.

প্ৰিমিয়ামটো সঁজুলিটোৰ প্ৰকাৰ আৰু ই কৰ্য কৰি স্থানটোৰ ওপৰত নিৰ্ভৰ কৰে.

সঁজুলিটো কৰ্মৰত বা পৰিষ্কাৰ বাবে নিষ্ক্ৰিয় কৰা বা মেৰামতি কৰা বা তাৰপিছত পুনৰ গঠন কৰাৰ সময়ত সামৰিলোৱাটো প্ৰচলিত হৈ থাকে. সেইটো ঠিকাদাৰৰ নিজা ভৱনবোৰত থাকিলেও সামৰিলোৱাটো প্ৰয়োগ কৰা হয়.

3. নিৰ্মাণৰ সকলোবোৰ ৰিস্ক (EAR) পলিচী

এই পলিচীটোক সঞ্চয়-কাম-নিৰ্মাণ (SCE) পলিচী হিচাপেও জনাজায়. প্ৰকল্প এটাৰ অধ্যক্ষ বা ঠিকাদাৰবোৰ বাবে এইটো উপযুক্ত, সেইদৰে প্ৰকল্পস্থলী আৰ স্থাপিত যন্ত্ৰাংশটো বিভিন্ন বাহ্যিক ৰিস্কবোৰৰ দ্বাৰা প্ৰভাৱিত. এইটো হল এটা ব্যাপক বীমা পলিচী যিয়ে প্ৰকল্পক্ষেত্ৰত সামগ্ৰীবোৰ মজুত কৰাৰ পৰা আৰম্ভ কৰি যিকোনো ধৰণৰ আকস্মিক ব্যয় সামৰিলয় আৰু প্ৰকল্পটো পৰীক্ষা, মান্যতাপ্ৰাপ্ত আৰু হস্তান্তৰ নোহোৱালৈকে অব্যাহত থাকে.

প্ৰিমিয়াম আৰোপ কৰাটো প্ৰকল্পটোৰ চৰিত্ৰ, মূল্য, প্ৰকল্পটোৰ সময়সীমা, ভৌগোলিক অৱস্থান, আৰু পৰীক্ষাৰ সময়সীমাৰ ওপৰত নিৰ্ভৰ কৰে.

প্ৰকল্পক্ষেত্ৰত নিয়ালৈকে সঁজুলি আৰু বস্তুবোৰৰ বাবে সামৰিলোৱা আগবঢ়াবলৈ নিৰ্মাণ পলিচী এটাৰ সৈতে যদি প্ৰয়োজন হয় সাগৰীয় পলিচী এটা প্ৰদান কৰিব পাৰি.

4. যান্ত্ৰিক বিজুতিৰ পলিচী (MB)

এই পলিচীটো প্ৰতিটো উদ্যোগৰ বাবে উপযোগী যিয়ে যন্ত্ৰবোৰ পৰিচালনা কৰে আৰু যাৰ বাবে প্ল্যান্ট আৰু যন্ত্ৰৰ বিজুতিটো এটা গুৰুত্বপূৰ্ণ ক্ষতি. এই পলিচীটোৱে জেনেৰেটৰ, ট্ৰেন্সফৰ্মাৰ আদিৰ দৰে যন্ত্ৰবোৰ আৰু অন্য বৈদ্যুতিক, যান্ত্ৰিক আৰু ওপৰলৈ কঢ়িওৱা সঁজুলি সামৰিলয়.

পলিচীটোৱে যিকোনো কাৰকৰ (প্ৰত্যাশিত ৰিস্কবোৰৰ বিষয়বস্তু হিচাপে) বাবে সংগঠিত কাৰিকৰী আৰু বৈদ্যুতিক বিজুতিৰ ফলত সম্পত্তিটোৰ পূৰ্বজ্ঞানহীন আৰু আকস্মিক দৈহিক ক্ষতিটো সামৰিলয়:

a) যেতিয়া এইটো কৰ্মৰত বা বিশ্ৰাম অৱস্থাত থাকে.
b) পৰিষ্কাৰ বা মেৰামতিৰ বাবে যেতিয়া নিষ্ক্ৰিয় কৰে.
c) পৰিষ্কাৰ বা মেৰামতি কাৰ্যৰ সময়ত আৰু তাৰপিছত পুনৰ গঠনৰ সময়ত.
d) যেতিয়া ভৱনৰ ভিতৰত স্থানান্তৰ কৰে.

নিজাৱবীয়া যন্ত্ৰাংশৰ পুনৰ:স্থাপন / সলনিটোৰ মানটোৰ ওপৰত প্ৰিমিয়ামটো আৰোপ কৰা হয়. যন্ত্ৰটো সামগ্ৰিকভাৱে বীমা কৰা উচিত. হাৰবোৰ যন্ত্ৰৰ প্ৰকাৰ; এইটো ব্যৱহাৰ কৰা উদ্যোগ আৰু ইয়াৰ মূল্যৰ ওপৰত নিৰ্ভৰ কৰে. উপলব্ধ সুবিধা, অতিৰিক্ত যন্ত্ৰাংশ আৰু দাবীৰ অভিজ্ঞতাবোৰৰ দৰে কাৰকবোৰৰ ওপৰত ভিত্তি কৰি ৰেহাই আগবঢ়োৱা হয়.

5. ব্ৰয়লাৰ আৰু চাপ প্ল্যান্ট পলিচী

এইটোৱে ব্ৰয়লা আৰু চাপৰ পাত্ৰবোৰ সামৰিলয়, নিম্নোক্তোবোৰৰ বিৰুদ্ধে:

a) ব্ৰয়লাৰ আৰু / অন্য চাপৰ প্ল্যান্টত আৰু বীমাকৰ্তাৰ চাৰিওফালৰ সম্পত্তিবোৰত অগ্নিকাণ্ডৰ বাহিৰে অন্যৰ দ্বাৰা হোৱা নষ্ট; আৰু

b) তেনেকুৱা ব্ৰয়লাৰ আৰু / বা চাপৰ প্ল্যান্টৰ আভ্যন্তৰীণ চাপৰ ফলত বিস্ফোৰণ বা খহি পৰি ব্যক্তি এজন শাৰিৰীকভাৱে আঘাতপ্ৰাপ্ত হোৱা, বা তৃতীয় ফৈদৰ সম্পত্তি নষ্ট হোৱাৰ ক্ষেত্ৰত বীমাকৰ্তাৰ দায়িত্ব.

যিহেতু অগ্নিকাণ্ড পলিচী আৰু ব্ৰয়লাৰ বীমা পলিচীটো পাৰস্পৰিকভাৱে অন্য, সেয়ে পৰ্য্যপ্ত সামৰিলোৱাৰ বাবে দুয়োটা পলিচী লোৱাটো দৰকাৰী. সকলোবোৰ অভিযান্ত্ৰিক পলিচীবোৰৰ অধীনত বীমাৰ নগদ পৰিমাণটো শেহতীয়া সলনিৰ মূল্য হোৱা উচিত.

6. মুনাফাৰ যান্ত্ৰিক ক্ষতি পলিচী (MLOP)

এই পলিচীটো উদ্যোগবোৰৰ বাবে উপযোগী যত যান্ত্ৰিক বিজুতি বা ব্ৰয়লাৰ বিস্ফোৰণৰ ফলস্বৰূপে হোৱা বাধা বা বিলম্ববোৰ বাবে বৃহত ক্ষতি হয়.

যত বিজুতি বা ক্ষতি আৰু মেৰামতিৰ মাজৰ সময়ৰ অন্তৰালটো বৃহত হয়, তেনেক্ষেত্ৰত এই পলিচীটোৱে ব্যৱসায়ৰ মাত্ৰা হ্ৰাস পোৱা আৰু কাৰ্যৰ মূল্য বৃদ্ধি পোৱাৰ ফলত কৰা হস্তক্ষেপৰ সময়চোৱাত মুনাফাবোৰৰ ক্ষতিৰ বাবে ক্ষতিপূৰণ আগবঢ়ায়. মুনাফাৰ যান্ত্ৰিক ক্ষতি পলিচীৰ নিয়ম আৰু চৰ্ত আৰু সামৰিলোৱাটো অগ্নিকাণ্ড পলিচী এটাৰ দৰে ব্যৱসায়িক বাধাগ্ৰস্ত পলিচীৰ সৈতে একে, যিটো এই পাঠটোত আগতে আলোচনা কৰা হৈছে.

7. ষ্টক নষ্ট হোৱাৰ পলিচী

এই পলিচীটো শীতলীকৰণ ভঁৰালৰ গৰাকীৰ বাবে উপযোগী (ব্যক্তিগত বা এটা সমবায় সমিতি) বা নষ্ট হব পৰা সামগ্ৰীবোৰ সঞ্চয় কৰিবৰ বাবে যিসকলে শীতলীকৰণ ভঁৰাল লীজত বা ভাৰাত দিয়ে. শীতলীকৰণ প্ল্যান্ট আৰু যান্ত্ৰিক বিজুতি আৰু লগতে উষ্ণতা বৃদ্ধিৰ ফলত আৰু শীতল সঞ্চয় কোঠাবোৰত শীতলীকৰণবোৰৰ আকস্মিক আৰু পূৰ্বজ্ঞানহীন নিৰুদ্দেশৰ বিৰুদ্ধে এই সামৰিলোৱাটো প্ৰযোজ্য.

8. বৈদ্যুতিক সঁজুলিৰ পলিচী

এইটোৱে বিভিন্ন ধৰণৰ বৈদ্যুতিক সঁজুলি সামৰিলয়, যিয়ে CPU, কী-বোৰ্ড, মনিটৰ, প্ৰিন্টাৰ্ছ, UPS, ছিষ্টেম ছৰ্ভাৰৰ ইত্যাদিকে ধৰি সমগ্ৰ কম্পিউটাৰ ছিষ্টেমটো অন্তৰ্ভুক্ত কৰে. শীতলীকৰণ-যন্ত্ৰ, হিটাৰ আৰু বিজুলী সংৰক্ষণ ইত্যাদিৰ দৰে সহায়ক সঁজুলিবোৰও সামৰিলোৱা হয়.

এই পলিচীটো হল অগ্নিকাণ্ড পলিচী, যান্ত্ৰিক বীমা পলিচী আৰু চুৰি পলিচী আদিৰ এটা মিশ্ৰণ. পলিচীটোৱে ত্ৰুটিপূৰ্ণ আৰ্হি (আশ্বাস এটাৰ অধীনত সামৰিলোৱা নহয়), প্ৰাকৃতিক পৰিঘটনাৰ প্ৰভাৱবোৰ; ভল্টেজৰ তাৰতম্যৰ বাবে ত্ৰুটিপূৰ্ণভাৱে কাৰ্য কৰা ইত্যাদিৰ দৰে আকস্মিক ব্যয়বোৰ সামৰিলয়, লুটপাত, ঘৰ-ভঙা আৰু চুৰিটোও সামৰিলোৱা হয়.

প্ৰতিটো ক্ষেত্ৰত গুৰুত্ব বা দায়িত্বটোৰ ওপৰত ভিত্তি কৰি পলিচীটো গৰাকী, পট্টাদাতা বা ভাৰাতীয়াৰ বাবে উপলব্ধ. ইয়াৰ সাধাৰণতে তিনিটা খণ্ড আছে যিয়ে বিভিন্ন প্ৰকাৰৰ ক্ষতিবোৰ সামৰিলয়:

a) **খণ্ড ১:** সঁজুলিৰ ক্ষতি আৰু নষ্ট

b) **খণ্ড ২:** কম্পিউটাৰৰ বাহ্যিক হাৰ্ড ডিস্কবোৰৰ দৰে বাহ্যিক ডাটা মিডিয়াৰ ক্ষতি আৰু নষ্ট

c) **খণ্ড ৩:** কাৰ্যৰ বৰ্ধিত মূল্য - ১২, ২৬, ৪০ বা ৫২ সপ্তাহলৈকে সলনি কৰা সঁজুলিবোৰত ধাৰাবাহিক ডাটা প্ৰক্ৰিয়াটো নিশ্চিত কৰিবলৈ.

9. মুনাফা সামৰিলোৱাৰ আগতীয়া ক্ষতি (ALOP) বা পলিচীত আৰম্ভণিত বিলম্ব (D.S.U.)

এইটোৱে প্ৰকল্পটোৰ সময়চোৱাত দূৰ্ঘটনামূলক ক্ষতিবোৰৰ ফলত বিলম্ব হোৱা প্ৰকল্প এটাৰ আৰ্থিক ক্ষতিবোৰ সামৰিলয়. এইটো প্ৰত্যাশিত উপাৰ্জনৰ পৰা বঞ্চিত বীমাকৰ্তাৰ আৰু প্ৰকল্পটোত সিহঁতৰ আগ্ৰহবোৰ সম্প্ৰসাৰণ কৰিবলৈ বিত্তীয় প্ৰতিষ্ঠানবোৰৰ বাবে উপযোগী. প্ৰকল্পটোৰ সঠিক আৰম্ভণিৰ আগতে MCE/EAR/CAR পলিচীটোলৈ এটা সম্প্ৰসাৰণ হিচাপে এইটো প্ৰদান কৰা হয়.

ঋণৰ ওপৰত সুত, ঋণপত্ৰবোৰ, পাৰিশ্ৰমিক আৰু বেতন ইত্যাদিৰ দৰে ব্যয়বোৰৰ অব্যাহত ৰাখি পলিচীটোৱে আৰ্থিক ক্ষতিবোৰ আৰু প্ৰত্যাশিত মুঠ মুনাফাটো যিটো ব্যৱসায়টোৱে উপাৰ্জন কৰিব পাৰে যদি এইটো নিৰ্ধাৰিত তাৰিখ আৰম্ভ হয়.

প্ৰিমিয়ামৰ হাৰটো বিভিন্ন জটিল কাৰক আৰু উপলব্ধ পুনৰ-বীমাৰ সমৰ্থনৰ ওপৰত নিৰ্ভৰ কৰে. প্ৰত্যাশিত বৰ্ধিত মুনাফা বা হ্ৰাস আৰু ক্ষতিপূৰণৰ সময়চোৱাটো হল পৰিশোধ কৰিবলগীয়া প্ৰিমিয়ামটোৰ বিষয়ে সিদ্ধান্তলোৱাত এটা জটিল কাৰক.

নিজক পৰীক্ষা কৰক 8

আৰম্ভণিৰ পলিচীটোত বিলম্বটো _____ হিচাপে জনাজায়.

I. মুনাফা সামৰিলোৱাৰ যান্ত্ৰিক ক্ষতি
II. মুনাফা সামৰিলোৱাৰ আগতীয়া ক্ষতি
III. ঠিকাদাৰবোৰৰ সকলোবোৰ সামৰিলোৱা
IV. ঠিকাদাৰবোৰৰ প্ল্যান্ট আৰু যান্ত্ৰিক সামৰিলোৱা

I. উদ্যোগিক সকলোবোৰ ৰিস্কৰ বীমা

উদ্যোগিক সকলোবোৰ ৰিস্ক পলিচীটো ভাৰতবৰ্ষৰ যিকোনো স্থানত এটা পলিচীৰ অধীনত উদ্যোগিক সম্পত্তিবোৰ - নিৰ্মাণ আৰু সঞ্চয়ৰ সুবিধাবোৰ দুয়োটা সামৰিলবলৈ আৰ্হি কৰা হৈছিল. এইটোৱে বস্তুনিষ্ঠ ক্ষতি আৰু ব্যবসায়িক বাধাৰ বাবে ক্ষতিপূৰণ আগবঢ়ায়.
সাধাৰণতে, পলিচীটোৱে নিম্নোক্তবোৰৰ বাবে সামৰিলোৱা আগবঢ়ায়:

i. অগ্নিকাণ্ড বীমা অনুশীলন মতে অগ্নিকাণ্ড আৰু নিৰ্ধাৰিত সংকটবোৰ,

ii. লুটপাত (চুৰি বাদ দি)

iii. যান্ত্ৰিক বিজুতি / ব্ৰয়লাৰ বিস্ফোৰণ / বৈদ্যুতিক সঁজুলি

iv. ওপৰত উল্লেখিত সংকটবোৰৰ কাৰ্য অনুসৰি ব্যৱসায়িক বাধা

(টোকা: ব্যৱসায়িক বাধাটো নিম্নোক্ত সংকটবোৰৰ অধীনস্থ (c) পেকেজ সামৰিলোৱাটোত ওপৰোক্তটো সাধাৰণতে অন্তৰ্ভুক্ত কৰা নহয় কিন্তু বিকল্প সামৰিলোৱা হিচাপে উপলব্ধ)

- ✓ পলিচীটোৱে ব্যক্তিগত প্ৰচলিত পলিচীবোৰৰ দ্বাৰা আগবঢ়োৱাটোৰ তুলনাত সামৰিলোৱাৰ বিস্তৃত পৰিসৰ এটা আগবঢ়ায়.
- ✓ পলিচীটোৰ বাবে প্ৰিমিয়ামৰ হাৰবোৰ ইচ্ছাকৃত সামৰিলোৱা, দাবীবোৰৰ অভিজ্ঞতা, আৰু ইচ্ছাকৃত কাট কৰা, MLOP ৰ বাবে ৰিস্ক মূল্যায়নৰ ৰিপোৰ্ট ইত্যাদিৰ ওপৰত নিৰ্ভৰ কৰে.

নিজক পৰীক্ষা কৰক 9

উদ্যোগিক সকলোবোৰ ৰিস্ক বীমাৰ অধীনত তলৰ কোনটো সামৰিলোৱা নহয়?

I. অগ্নিকাণ্ড বীমাৰ অনুশীলন মতে অগ্নিকাণ্ড আৰু বিশেষ সংকটবোৰ
II. চুৰি
III. যান্ত্ৰিক বিজুতি
IV. বৈদ্যুতিক সঁজুলি

J. সাগৰীয় বীমা

সাগৰীয় বীমাটো দুই প্ৰকাৰত বিভক্ত: সাগৰীয় সামগ্ৰী আৰু সাগৰীয় হাল

1. সাগৰীয় সামগ্ৰীৰ বীমা

যদিও 'সমুদ্ৰ' শব্দটোৱে কেৱল সাগৰত (সমুদ্ৰ) কৰা ভুল অভিযানৰ বাবে হোৱা ক্ষতিবোৰ বুজায়, কিন্তু সাগৰীয় সামগ্ৰীৰ বীমাই অধিক সামৰি লয়. এইটোৱে দেশৰ ভিতৰত আৰু একেদৰে বিদেশলৈ ৰেল, পথ, সাগৰ, বিমান বা পঞ্জীয়কৃত ডাকৰ যোগেদি সৰবৰাহ কৰা সামগ্ৰীৰ ক্ষতি বা নষ্টৰ বাবেও ক্ষতিপূৰণ আগবঢ়ায়. সামগ্ৰীৰ প্ৰকাৰবোৰ হীৰাৰ পৰা আৰম্ভ কৰি গৃহস্থৰ সামগ্ৰী, চিমেন্টৰ দৰে বৃহত বস্তু, বীজ, প্ৰকল্পবোৰৰ বাবে ঘনাকাৰ সামগ্ৰীবোৰ ইত্যাদি হব পাৰে.

সামগ্ৰী বীমাটোৱে ঘৰুৱা বাণিজ্যৰ লগতে আন্তৰাষ্ট্ৰীয় বাণিজ্যত এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে. বিক্ৰীৰ অধিকাংশ চুক্তিয়ে ক্ষতি বা নষ্টৰ বিৰুদ্ধে উক্ত সামগ্ৰীবৰো বিক্ৰেতা বা ক্ৰেতাৰ দ্বাৰা আবৃত কৰি লোৱাটো দাবী কৰে.

কোনে বীমাটোত প্ৰভাৱিত কৰে : সামগ্ৰীবোৰৰ [প্ৰেৰিত মাল] বিক্ৰেতা বা ক্ৰেতাই বিক্ৰীৰ চুক্তিটোৰ ওপৰত ভিত্তি কৰি সামগ্ৰীটো বীমা কৰিব পাৰে.

সাগৰীয় বীমা চুক্তিয়ে আন্তৰাষ্ট্ৰীয়ভাৱে প্ৰয়োগ কৰিব পৰা ব্যৱস্থাটো দাবী কৰে. কাৰণ ই যিকোনো দেশৰ পৰিসীমাৰ বাহিৰত সৰবৰাহ কৰা সমগ্ৰীবোৰ সামৰিলয়. সামৰিলোৱাবোৰ সেইদৰে আন্তৰাষ্ট্ৰীয় সন্মিলনৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা হয় আৰু পলিচীটোত নিৰ্দিষ্ট দফাবোৰ সংলগ্ন কৰা হয়.

যিদৰে প্ৰাথমিক পলিচী নথিয়ে সাধাৰণ চৰ্তবোৰ ধাৰণ কৰে, সেইদৰে সামৰিলোৱাৰ সুবিধা আৰু বিশেষবোৰ আৰু বিশেষ বহিষ্কৰণবোৰ বিশেষ দফাবোৰৰ প্ৰতিষ্ঠান সমগ্ৰী দফা (ICC) হিচাপে জনাজাত পৃথক দফাবোৰৰ দ্বাৰা সংলগ্ন কৰা হয়. এইবোৰ লণ্ডন আণ্ডাৰৰাইটাৰবোৰৰ প্ৰতিষ্ঠানৰ দ্বাৰা খচৰা কৰা হৈছে.

a) সাগৰীয় সামগ্ৰী বীমাৰ অধীনত সামৰিলোৱা

সামগ্ৰী পলিচীবোৰ হল প্ৰয়োজনীয়ভাৱে জলযাত্ৰা পলিচী, যেনে, সিহঁতে এখন ঠাইৰ পৰা অন্য এখন ঠাইলৈ বিষয়বস্তু সামৰিলয়. সেইদৰে বীমাকৰ্তাই যিকোনো পৰিস্থিতিত তেওঁৰ নিয়ন্ত্ৰণৰ ভিতৰত সদায় যথাযুক্ত যতন লোৱাটো দাবী কৰে. এই পলিচীটোৰ মুখ্য বৈশিষ্ট্যটো হল যে এইটো এটা সন্মত মূল্য পলিচী. মূল্যাংকনটো বীমাকাৰী আৰু বীমাকৰ্তাৰ মাজত সন্মত আৰু প্ৰৱঞ্চনা কৰা বুলি সন্দেহ নকৰালৈকে এইটো পুনৰ মূল্যাংকনৰ বিষয়বস্তু নহয়. আন এটা অদ্বিতীয় বৈশিষ্ট্য হল যে পলিচীটো মুক্তভাৱে নিৰ্ধাৰণযোগ্য.

সামৰিলোৱাটো সাধাৰণতে সামগ্ৰীবোৰে পলিচীটোত উল্লেখিত ঠাইত অৱস্থিত ভঁৰালঘৰ পৰিত্যাগ কৰাৰ পৰা আৰম্ভ হয় আৰু পলিচীটোত উল্লেখিত গন্তব্যস্থানত সামাপ্ত হয়, বিক্ৰীৰ চুক্তিটোৰ নিয়মবোৰৰ ওপৰত ভিত্তি কৰি.

প্ৰযোজ্য নিয়ম আৰু চৰ্তবোৰ হয়তো নিম্নোক্তবোৰৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা হয়;

i. আভ্যন্তৰীণ পৰিবহনৰ বাবে আভ্যন্তৰীণ পৰিবহন দফা (ITC) A, B বা C
ii. সাগৰত জলযাত্ৰৰ বাবে প্ৰতিষ্ঠান সামগ্ৰী দফা (ICC) A, B, বা C
iii. বিমানত পৰিবহনৰ বাবে প্ৰতিষ্ঠান সামগ্ৰী (বায়ু) দফা – A

প্ৰতিষ্ঠান সামগ্ৰী দফা C য়ে নূন্যতম সামৰিলোৱা মঞ্জুৰ কৰে, যিটো নিম্নোক্তবোৰৰ বাবে সামগ্ৰী কঢ়িওৱা বাহন বা পাত্ৰটোত হোৱা দূৰ্ঘটনাৰ ফলত ক্ষতি বা নষ্ট হয়:

i. অগ্নিকাণ্ড বা বিস্ফোৰণ
ii. বাহনখন লাইনচুত্য হোৱা বা লুটিখাই পৰা
iii. পাত্ৰৰ ষ্ট্ৰেংণ্ডিং, গ্ৰাউণ্ডিং বা ছিংকিং (জাহাজৰ ক্ষেত্ৰত)
iv. বাহ্যিক বস্তু এটাৰ সৈতে সংঘাট

প্ৰতিষ্ঠান সামগ্ৰী দফা B টো C তকৈ বহল. C ত সামৰিলোৱা সংকটবোৰৰ উপৰিও এইটোৱে নিম্নোক্তবোৰৰ বাবে হোৱা ক্ষতি বা নষ্টটো সামৰিলয়:

i. ভূমিকম্প, আগ্নিয়গিৰি আৰু ঢেৰেকনীৰ দৰে ভগৱানৰ কাৰ্য (AOG) সংকটবোৰ
ii. আভ্যন্তৰীণ পৰিবহনত দলংবোৰ খহি পৰা
iii. সাগৰীয় সৰবৰাহৰ ক্ষেত্ৰত ৰাচিং অভাৰবৰ্ড আৰু শ্লিং ক্ষতি
iv. পাত্ৰত পানী সুমোৱা.

প্ৰতিষ্ঠান সামগ্ৰী দফা A হল বিস্তৃত সামৰিলোৱাটো যিহেতু এইটোৱে B আৰু C ৰ সকলোবোৰ সংকট আৰু যিকোনো ৰিস্কৰ বাবে হোৱা ক্ষতি বা নষ্ট সামৰিলয়, তলত উল্লেখিত কিছুমান বহিষ্কৰণ বাদ দি:

i. বীমাকৰ্তাৰ ইচ্ছাকৃত কাৰ্যৰ বাবে হোৱা ক্ষতি বা নষ্ট
ii. সাধাৰণ ছিদ্ৰ, ভংগন, সৰু-সুৰা ভঙা-ছিঙা বা ওজন / আয়তনত সাধাৰণ হ্ৰাস
iii. পেকিঙত অপৰ্য্যপ্ততা
iv. অন্তৰ্নিহিত দুৰ্গুণ
v. বিলম্ববোৰ
vi. গৰাকীবোৰৰ অস্বচ্ছলতাৰ বাবে হোৱা ক্ষতি
vii. আণৱিক সংকটবোৰ

দেশীয়, বিমান, আৰু সাগৰীয়ৰ সকলোবোৰ দফালৈ এই বহিষ্কৰণবোৰ সাধাৰণ. কয়লা, খাৰুৱা তেল আৰু চাহ ইত্যাদিৰ দৰে বিশেষ সামগ্ৰীবোৰৰ বাণিজ্যৰ বাবে পৃথক দফাবোৰ আছে. অতিৰিক্ত প্ৰিমিয়াম প্ৰদান কৰি যুদ্ধ, ধৰ্মগট, সংঘৰ্ষ, গণ অভ্যুত্থান আৰু সন্ত্ৰাসবাদ সামৰিলবলৈ সাগৰীয় সামৰিলোৱাটো প্ৰসাৰ কৰিব পাৰি. সাগৰ আৰু বিমান পলিচীবোৰ হল বীমাৰ একমাত্ৰ শাখা যিয়ে যুদ্ধৰ সংকটবোৰৰ বিৰুদ্ধে সামৰিলোৱা আগবঢ়ায়.

গুৰুত্বপূৰ্ণ

এটা সাগৰীয় পলিচীৰ অধীনত সামৰিলোৱা ৰিস্কবোৰ, মানবিশিষ্ট পলিচী ফৰ্মৰ অধীনত আৰু পলিচীটোত সংলগ্ন বিভিন্ন দফাবোৰৰ অধীনত বহল ভাৱে তিনিটা শ্ৰেণীত বিভিক্ত:

i. সাগৰীয় সংকটবোৰ,
ii. বাহিৰা সংকটবোৰ আৰু
iii. যুদ্ধ, ধৰ্মগট, সংঘৰ্ষ, গণ অভ্যুত্থান আৰু সন্ত্ৰাসবাদৰ ৰিস্কবোৰ.

---

b) বিভিন্ন প্ৰকাৰৰ সাগৰীয় পলিচীবোৰ

i. বিশেষ পলিচী

এই পলিচীটোৱে এটা মাত্ৰ সামগ্ৰী সামৰিলয়. এইটো বিশেষ সমুদ্ৰযাত্ৰা বা পৰিবহনৰ বাবে বৈধ. নিয়মিত আমদানি আৰু ৰপ্তানি বাণিজ্যৰ সৈতে জড়িত ব্যৱসায়বোৰ বা যিয়ে আভ্যন্তৰীণ পৰিবহনৰ দ্বাৰা নিয়মিতভাৱে সামগ্ৰীবোৰ পথাই আহিছে তেওঁলোকে মুক্ত পলিচীটোৰ দৰে বিশেষ ব্যৱস্থাবোৰৰ অধীনত বীমাবোৰৰ ব্যৱস্থা কৰিবলৈ সুবিধাজনক পাব.

ii. মুক্ত পলিচী

দেশৰ ভিতৰত সামগ্ৰীবোৰৰ কঢ়িওৱাটো মুক্ত পলিচী এটাৰ অধীনত সামৰিলব পাৰি. পলিচীটো এবছৰৰ বাব বৈধ আৰু এই সময়চোৱাত সকলোবোৰ প্ৰেৰিত মাল বীমাকৰ্তাই বীমাকৰীৰ আগত প্ৰকাশ কৰিব লাগে, সিহঁতৰ মাজত হোৱা দ্বিসাপ্তাহিক, মাহেকীয়া বা তিনিমহীয়া ভিত্তিত.

iii. মুক্ত সামৰিলোৱা

ধাৰাবাহি বাণিজ্য কৰা বৃহত ৰপ্তানিকৰ্তা আৰু আমদানিকৰ্তাবোৰৰ বাবে মুক্ত সামৰিলোৱা এটা প্ৰদান কৰা হয়. এইটোৱে সমুদ্ৰৰে পথোৱাবোৰৰ এবছৰীয়া লেনদেনৰ বাবে প্ৰিমিয়ামৰ হাৰবোৰ আৰু সামৰিলোৱাৰ নিয়মবোৰ পৰিত্যাগ কৰে. মুক্ত সামৰিলোৱাটো এটা পলিচী নহয় আৰু ইয়াত মোহৰ মাৰ নহয়. সঠিক মূল্যৰ বাবে উপযুক্ত মোহৰ মৰা প্ৰতিটো ঘোষণাৰ বাবে বীমাৰ প্ৰমাণপত্ৰ এখন প্ৰদান কৰা হয়.

iv. কৰ্তব্য আৰু বৰ্ধিত মূল্যৰ বীমা

এই পলিচীবোৰে অতিৰিক্ত বীমা আগবঢ়ায় যদি গন্তব্যস্থানত মাল নমোৱা তাৰিখটোত সামগ্ৰীবোৰৰ বজাৰমূল্য বৃদ্ধি পায় বা শুল্কবিভাগ পৰিশোধ কৰাৰ ফলত সামগ্ৰীৰ মূল্য বৃদ্ধি পায়.

v. আৰম্ভণিত বিলম্ব

বহুতো বীমাকৰ্তাই এই সামৰিলোৱাটোৰ বাবে ইচ্ছা প্ৰকাশ কৰে. নতুন প্ৰকল্পৰ ক্ষেত্ৰত পৰিবহনৰ সময়ত সঁজুলিৰ যিকোনো ক্ষতি বা নষ্টৰ ফলত নতুন সঁজুলিৰ বাবে নিৰ্দেশ কৰিব লগা হব পাৰে যিয়ে প্ৰকল্পটো সম্পূৰ্ণ হোৱাত বিলম্ব কৰিব আৰু ফলত মুনাফবোৰৰ ক্ষতি হয়. ঋণ শোধনৰ বাবে প্ৰকল্পটো সময়মতে সম্পূৰ্ণ হোৱাৰ প্ৰতি আগ্ৰহী বিত্তী প্ৰতিষ্ঠানবোৰে, বীমা চুক্তি এটাৰ দ্বাৰা এই ৰিস্কটো সামৰিলোৱাটো বিচাৰে আৰু সাগৰীয় বিলম্ববোৰ বা সহজকৈ পলমকৈ যাত্ৰা আৰম্ভ কৰাৰ বাবে হোৱা ক্ষতিবোৰৰ বিৰুদ্ধে সাগৰীয় (সামগ্ৰী) বীমা পলিচীটো সম্প্ৰসাৰ কৰিব পাৰি.

প্ৰিমিয়াম: হাৰবোৰ সামগ্ৰীবোৰৰ চৰিত্ৰ, পৰিবহনৰ ধৰণ, পেকেজৰ প্ৰকাৰ, সমুদ্ৰযাত্ৰাৰ পথ আৰু অতীতৰ দাবীবোৰৰ অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰে. একেদৰে SRCC আৰু যুদ্ধৰ ৰিস্কবোৰৰ (বিদেশলৈ পথোৱা সামগ্ৰীৰ বাবে) দৰে সম্প্ৰসাৰিত সামৰিলোৱাবোৰ বিশেষ নিয়মাৱলীৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা হয় আৰু সংগৃহীত প্ৰিমিয়ামবোৰ কেন্দ্ৰীয় চৰকাৰলৈ ক্ৰেডিট কৰা হয়

2. সাগৰীয় হাল বীমা

'হাল' শব্দটোৱে জাহাজ এখনৰ গাঁথনিটো বা অন্য জল পৰিবহনৰ পাত্ৰ এটা বুজায়.

বিভিন্ন দেশত প্ৰযোজ্য আন্তৰাষ্ট্ৰীয় দফাবোৰৰ মতে সাগৰীয় হাল বীমাটো সম্পন্ন কৰা হয়. সাগৰীয় হাল সামৰিলোৱাটো জৰুৰীভাৱে দুই ধৰণৰ:

a) **এটা বিশেষ সমুদ্ৰযাত্ৰা সামৰিলোৱা: ইয়াত ব্যৱহাৰ কৰা দফাবোৰৰ ছেটটোক প্ৰতিষ্ঠান সমুদ্ৰযাত্ৰা দফাবোৰ বুলি কোৱা হয়**

b) **সময়সীমা এটা সামৰিলোৱা: সাধাৰণতে এবছৰ. ইয়াত ব্যৱহাৰ কৰা দফাবোৰৰ ছেটটোক প্ৰতিষ্ঠান (সময়) দফাবোৰ বুলি কোৱা হয়**

তথ্য

হাল বীমাটোৱে লগতে নিম্নোক্ত বীমাবোৰ অন্তৰ্ভুক্ত কৰে:

i. বাৰ্জেছ, লাউঞ্চেছ, যাত্ৰীৰ পাত্ৰবোৰ ইত্যাদিৰ দৰে আভ্যন্তৰীণ পাত্ৰবোৰ.
ii. ড্ৰেজাৰবোৰ (যন্ত্ৰীকৃত বা অযন্ত্ৰীকৃত)
iii. মাছ মৰা পাত্ৰবোৰ (যন্ত্ৰীকৃত বা অযন্ত্ৰীকৃত)
iv. চলাচল কৰা পাত্ৰবোৰ (যন্ত্ৰীকৃত বা অযন্ত্ৰীকৃত)
v. জেটিংছ আৰু ৱাহাৰ্ভছ
vi. নিৰ্মাণৰ বিষয়বস্তু হিচাপে পাত্ৰবোৰ

জাহাজৰ গৰাকীৰ অকল জাহাজখনৰ প্ৰতি বীমাৰ আগ্ৰহ নাথাকে, কিন্তু লগতে বীমাৰ সময়চোৱাত উপাৰ্জন কৰিবলগীয়া ভাৰাটো প্ৰতিও বীমাৰ আগ্ৰহ থাকে. ভাৰাৰ লগতে জাহাজৰ গৰাকীৰ আৰক্ষণ আৰু ভঁৰালবোৰকে ধৰি পাত্ৰবোৰ স্থাপন কৰোতে খৰচ কৰা পৰিমাণটোৰ প্ৰতিও বীমাৰ আগ্ৰহ থাকে. **এই ব্যয়বোৰক বিতৰণ বুলি কোৱা হয় আৰু এটা নিৰ্ধাৰিত সময়সীমাৰ বাবে হাল পলিচীৰ সৈতে একেসময়তে বীমা কৰা হয় .**

গুৰুত্বপূৰ্ণ

বিমান বীমা: বিমানৰ বাবে ব্যাপক পলিচী এটাও উপলব্ধ যিয়ে বিমানৰ ক্ষতি বা নষ্টৰ লগতে তৃতীয় ফৈদৰ আইনী দায়িত্ব আৰু যাত্ৰীবোৰক সামৰিলয়.

নিজক পৰীক্ষা কৰক 10

বীমাৰ কোনটো শাখাই যুদ্ধৰ সংকটবোৰৰ বিৰুদ্ধে সামৰিলোৱা আগবঢ়ায়?

I. সাগৰীয় পলিচীবোৰ
II. বিমান পলিচীবোৰ
III. ওপৰৰ দুয়োটা
IV. ওপৰৰ এটাও নহয়

K. দায়িত্ব পলিচীবোৰ

ব্যক্তি এজন যিমানেই সতৰ্ক নহওক কিয় দূৰ্ঘটনাবোৰৰ সম্ভাৱনাটো সমূলঞ্চে নাশ কৰিব নোৱাৰে. এইটোৱে ব্যক্তি এজনক আঘাতপ্ৰাপ্ত কৰিব পাৰে আৰু তেওঁৰ সম্পত্তিৰ ক্ষতি কৰিব পাৰে আৰু লগতে তৃতীয় ফৈদক আঘাতপ্ৰাপ্ত আৰু সিহঁতৰ সম্পত্তিৰ ক্ষতিসাধন কৰিব পাৰে. এইদৰে ক্ষতিগ্ৰস্ত ব্যক্তিবোৰে তেনেকুৱা ক্ষতিৰ বাবে ক্ষতিপূৰণৰ দাবী কৰিব পাৰে.

প্ৰডাক্ট এটা প্ৰস্তুত আৰু কৰোতে হোৱা দোষ এটাৰ পৰাও দায়িত্ব এটাৰ উদ্ভৱ হব পাৰে, ধৰক চকলেট বা ঔষধবোৰ, গ্ৰাহকৰ ক্ষতিসাধন কৰিব পাৰে. একেদৰে, দায়িত্বটো ৰোগী এজনৰ ভুল পৰীক্ষা / চিকিত্সাৰ পৰা বা আইনজ্ঞ এজনে তেওঁৰ গ্ৰাহকৰ বাবে সঠিকভাৱে কেছ এটা পৰিচালনা নকৰাৰ বাবে উদ্ভৱ হব পাৰে.

তেনেকুৱা সকলোবোৰ ক্ষেত্ৰত, তথাকথিত ভুলৰ বাবে এটা তৃতীয় ফৈদ, উপভোক্তা বা ৰোগীয়ে ক্ষতিপূৰণৰ দাবী কৰিব পাৰে, এইটোৱে ক্ষতিপূৰণৰ পৰিশোধ বা লগ ধৰাৰ খৰচবোৰৰ বাবে প্ৰয়োজন এটা উত্থাপন কৰিব. আন কথাত দায়িত্বৰ পৰিশোধ এটাৰ ফলত আৰ্থিক ক্ষতি এটাই দেখা দিয়ে. তেনেকুৱা দায়িত্ব এটাৰ বৰ্তি থকা আৰু পৰিশোধ কৰিবলগীয়া ক্ষতিপূৰণৰ পৰিমাণটো নাগৰিক আদালতত সিদ্ধান্ত লোৱা হব যিটো তথাকথিত অৱহেলা / প্ৰৱঞ্চনাৰ দৃষ্টিকোণত যাব. দায়িত্ব বীমা পলিচীবোৰে তেনেকুৱা দায়িত্ববোৰৰ সামৰিলোৱাটো আগবঢ়ায়.

আমি কিছুমান দায়িত্ব পলিচীত দৃষ্টি নিক্ষেপ কৰো আহক.

সাংবিধানিক দায়িত্ব

কিছুমান নিৰ্দিষ্ট আইন বা বিধান আছে যিবোৰ ক্ষতিপূৰণৰ পৰিশোধৰ বাবে আগবঢ়োৱা হয়. আইনবোৰ হল:

- ✓ ৰাজহুৱা দায়িত্ব বীমা আইন, ১৯৯১ আৰু
- ✓ কৰ্মচাৰীৰ ক্ষতিপূৰণ আইন ১৯২৩, ২০১০ত সংশোধিত

তেনেকুৱা দায়িত্ববোৰ সাপেক্ষে নিৰাপত্তাৰ বাবে বীমা পলিচীবোৰ উপলব্ধ. সিহঁতৰ কিছুমানত চুক ফুঁৰাও আহক.

1. বাধ্যতামূলক ৰাজহুৱা দায়িত্ব পলিচী

ৰাজহুৱা দায়িত্ব বীমা আইন, ১৯৯১ য়ে বিপদজনক বস্তুবোৰ পৰিচালনা কৰা ব্যক্তি এজনৰ ত্ৰুটিৰ ভিত্তিত দায়িত্বটো আৰোপ কৰে যদি তেনেকুৱা পৰিচালনা এটাৰ বাবে তৃতীয় ফৈদ এটা আঘাতপ্ৰাপ্ত হয় বা তেওঁৰ সম্পত্তিটো নষ্ট হয়. বিপদজন বস্তুবোৰৰ নামবোৰ আৰু প্ৰত্যেকটোৰ সংখ্যাটো 'আইন' ত তালিকা কৰা হয়

প্ৰত্যেক ব্যক্তিক পৰিশোধ কৰিবলগীয়া ক্ষতিপূৰণৰ পৰিমাণটো তলত দিয়াৰ দৰে নিৰ্দিষ্ট কৰা হয়.

ক্ষতিপূৰণ পৰিশোধযোগ্য

ঘাতক দূৰ্ঘটনা	২৫,০০০ টকা
স্থায়ী মুঠ অক্ষমতা	২৫,০০০ টকা
স্থায়ী আংশিক অক্ষমতা	অক্ষমতাৰ % ৰ ওপৰত ভিত্তি কৰি ২৫,০০০ টকাৰ %
সাময়িক আংশিক অক্ষমতা	প্ৰতি মাহত ১০০০ টকা, সৰ্বাধিক ৩ মাহ
প্ৰকৃত চিকিত্সা ব্যয়	১২,৫০০ টকাৰ সৰ্বাধিক এটালৈ
সম্পত্তিৰ প্ৰকৃত ক্ষতিটো	৬,০০০ টকা

প্ৰিমিয়ামটো AOA (যিকোনো এটা দূৰ্ঘটনা) সীমা আৰু গ্ৰাহকৰ বন্ধৰ ওপৰত ভিত্তি কৰি কৰা হয়. এই পলিচীটোৰ এটা বিশেষ বৈশিষ্ট্য হল যে বীমাকৰ্তাই পৰিৱেশ ৰক্ষাৰ পুঁজিলৈ বৰঙণি হিচাপে প্ৰিমিয়ামৰ সমপৰিমাণ এটা বাধ্যতামূলকভাৱে পৰিশোধ কৰিব লাগে. যদি বৃহত সংখ্যক তৃতীয় ফৈদবোৰ ক্ষতিগ্ৰস্ত হয় আৰু পৰিশোধক কৰিবলগীয়া ক্ষতিপূৰণৰ মুঠ পৰিমাণটোৱে যদি A.O.A. সীমা অতিক্ৰম কৰে, তেন্তে বাকী থকা পৰিমাণটো পুঁজিটোৰ দ্বাৰা পৰিশোধ কৰা হব.

2. ৰাজহুৱা দায়িত্ব পলিচী (উদ্যোগিক / উদ্যোগিকহীন ৰিস্কবোৰ)

এইধৰণৰ পলিচীটোৱে বীমাকৰ্তাৰ ত্ৰুটি / অৱহেলাৰ ফলস্বৰূপে সংগটিত তৃতীয় ফৈদৰ ব্যক্তিগত আঘাত বা সম্পত্তি ধ্বংসৰ [TPPI বা TPPD] বাবে উদ্ভৱ হোৱা দায়িত্ববোৰ সামৰিলয়.

